সপ্ত-নাটক

প্রথম খণ্ড

সপ্ত-নাটক

প্ৰথম খণ্ড

ৰবীন্দ্ৰনাথ ঠাকুৰ

বিসৰ্জ্জন

চিত্ৰাঙ্গদা

চিৰকুমাৰ সভা

সাহিত্য অকাদেমী
নতুন দিল্লী

ৰবীন্দ্ৰ-নাট্যপ্ৰৱাহৰ চমু আভাস

ৰবীন্দ্ৰনাথে ৰচনা কৰা নাটকৰ সংখ্যা তাকৰ নহয়। সংখ্যা আৰু শ্ৰেণী বৈচিত্ৰ্যৰ মানদণ্ডেৰে বিচাৰ কৰিলে তেওঁৰ কাব্যৰ পিছতেই নাটকক স্থান দিব লাগিব। কৈশোৰৰপৰা জীৱনৰ প্ৰায় শেষ দিনলৈকে নাটক ৰচনাত আৰু প্ৰযোজনাত তেওঁৰ উৎসাহ যে অক্ষুণ্ণ আছিল সেইটো তেওঁৰ নাটক ৰচনাৰ ধাৰাবাহিক ইতিহাস অনুসৰণ কৰিলেই দেখিবলৈ পোৱা যাব। ৰচনাৰ আগতে হ'ল প্ৰযোজনা আৰু অভিনয়। ৰবীন্দ্ৰনাথে নাটক লিখিবলৈ আৰম্ভ কৰাৰ আগতে তেওঁৰ অন্যতম অগ্ৰজ জ্যোতিৰিন্দ্ৰনাথ ঠাকুৰে নাটক লিখিবলৈ আৰম্ভ কৰিছে, ঘৰত সেই নাটকৰ মাজে মাজে অভিনয় হৈছে, ঘৰৰ বাহিৰত প্ৰফেছনেল ৰঙ্গমঞ্চত তেওঁৰ নাটক অভিনীত হোৱাৰ কাৰণে তেওঁ খ্যাতি লাভ কৰিছে। আকৌ তাৰো আগতে খুড়াদেৱকৰ পুতেক ককাইদেৱক গণেন্দ্ৰনাথ, গুণেন্দ্ৰনাথ প্ৰভৃতি অভিনেতাসকলে ৰামনাৰায়ণৰ হতুৱাই নাটক লিখাই ঘৰতে অভিনয় কৰাইছে। এনেকৈয়ে বালক ৰবীন্দ্ৰনাথক নাটক ৰচনা আৰু প্ৰযোজনাৰ এটা অনুকূল পৰিৱেশৰ মাজত ডাঙৰ দীঘল হোৱা দেখিবলৈ পোৱা যায়। সাহিত্যৰ বিষয়ে সজাগ এই লৰাটি যে নাটকৰ প্ৰতি পোনতে দৰ্শকৰূপে, তাৰ পিছত অভিনেতাৰূপে আৰু সদৌ শেহত লেখকৰূপে আকৃষ্ট হব—সেইটো সহজেই বুজিব পাৰি। হ'লো সেয়ে। নিতান্ত দৰ্শকৰ ভূমিকা শেষ হৈ যোৱাৰ পিছত তেওঁ জ্যোতিৰিন্দ্ৰনাথৰ নাটকত দুই এটা গান, দুই এটা সংলাপ সন্নিবিষ্ট কৰি দিবলৈ আৰম্ভ কৰিছে; তেওঁৰেই নাটকত ভূমিকা গ্ৰহণ কৰি দৰ্শকৰ সমুখত আত্মপ্ৰকাশ কৰিছে। ইয়াৰ বিষয়ে আভাস পোৱা যাব জীৱনস্মৃতি গ্ৰন্থত। কিন্তু ইয়াৰ ভিতৰতে অৰ্থাৎ এই বা-বতাহৰ উদগনিত নাটক ৰচনা কৰিবলৈ তেওঁ

কেতিয়া মন মেলিলে তাক জানিবলৈ কৌতূহল হোৱাটো অতি স্বাভাৱিক। শান্তিনিকেতনৰ ব'দালীৰে ভৰা পথাৰত বহি বালক কবিয়ে পৃথ্বীৰাজ পৰাজয় নামৰ এখনি রুদ্ৰৰসাত্মক নাটক লিখিছিল বুলি জীৱনস্মৃতি গ্ৰন্থৰপৰা জানিব পাৰি। এই নাটকখনি পিছত আৰু পোৱা ন'গল। পিছত লিখা রুদ্রচণ্ড নাটকখনি পৃথ্বীৰাজ পৰাজয়ৰ ৰূপান্তৰৰ বাহিৰে আন একো নহয় বুলি ৰবীন্দ্রজীৱনীকাৰ প্ৰভাতকুমাৰ মুখোপাধ্যায়ে অনুমান কৰে। এই লুপ্ত উদাহৰণটো বাদ দিলে বাল্মীকিপ্ৰতিভা নামৰ গীতিনাট্যখনিক তেওঁৰ প্ৰথম গীতিনাট্য ৰচনাৰ প্ৰচেষ্টা বুলি ধৰিব পাৰি। আগতে যি ঘৰুৱা বা-বতাহৰ কথা উল্লুকিয়াই আহিছো বাল্মীকিপ্ৰতিভাৰ লগত তাৰ যোগ আছে। বিদ্বজ্জনসমাগম নামে এখন মেল জোড়াসাঁকোৰ ঠাকুৰ পৰিয়ালত মাজে মাজে বহিছিল। এই মেলত বিনোদনৰ যোগান ধৰাৰ কাৰণেই এই চিৰ-সৰস গীতিনাট্যখনি লিখা হয়। ইয়াৰ ঘাই-খনিকৰ ৰবীন্দ্রনাথ হলেও ইয়াত বিহাৰীলাল, জ্যোতিৰিন্দ্রনাথ আৰু অক্ষয় চৌধুৰীৰ হাতৰ বুলনি সোমাই আছে। সেই সময়তেই ৰচনা কৰা অধিকাংশ নাট্যকাৰৰ অধিকাংশ নাটক বহু দিনৰ আগতেই শুকাই নিৰস হৈ গৈছে, কিন্তু কুৰি বছৰীয়া যুৱকৰ হাতৰ নাটকখনি আজিও মোলান পৰা নাই। এই নাটকখনি অভিনীত হ'লে দৰ্শকৰ অভাৱ নহয়।

মধুসূদন দত্তই প্ৰথম বঙলা কাব্যখন ৰচনা কৰি উঠি বন্ধুলৈ লিখিছিল যোলে বাঘে তেজৰ সোৱাদ পাইছে—সি আৰু নেৰে। প্ৰথম নাটকখনি ৰচনা কৰি ৰবীন্দ্রনাথৰো প্ৰায় তেনেকুৱাই মনৰ অৱস্থা। তেও বছৰদিয়েকৰ ভিতৰতে রুদ্রচণ্ড, কালমৃগয়া, প্ৰকৃতিৰ প্ৰতিশোধ, নলিনী আৰু মায়াৰ খেলা ৰচনা কৰে। রুদ্রচণ্ড নাটকৰ নায়ক রুদ্রচণ্ড দস্যু। নাগৰিক-সভ্যতা আৰু ৰাজপদৱীৰ বিৰুদ্ধে তেওঁৰ দাৰুণ বিক্ষোভ। নাটকখনিৰ আন দুটা চৰিত্ৰ হ'ল—রুদ্রচণ্ডৰ বালিকা কন্যা অমিয়া আৰু চাঁদ কবি। নাটকখনি আমি মনত নাৰাখিলেও খতি নাই—কিন্তু সেই বালিকা আৰু কবিক পাহৰিলে নহব। ইহঁতে নানা নাম লৈ আৰু শেষত, পিছত ৰচিত হোৱা নাটকসমূহত সকলো নামতে ক্ৰমে ৰূপান্তৰিত হৈ গৈ আছে।

কালমৃগয়া কালক্ৰমত বাল্মীকিপ্ৰতিভাৰ লগত লগ লাগিছে।

মায়াৰ খেলা গীতিনাট্য। অৱশ্যে বাল্মীকিপ্ৰতিভাৰ লগত ইয়াৰ প্ৰভেদ

আছে। বাল্মীকিপ্ৰতিভাত ঘটনাবিন্যাস আৰু চৰিত্ৰসৃষ্টিৰ ওপৰত জোৰ দিয়া হৈছে, মায়াৰ খেলাত সেই চেষ্টা নাই—সুৰৰ সূতাত হৃদয়াবেগ গাঁথি লোৱাই এই নাটকৰ উদ্দেশ্য।

ৰচনা হিচাপে প্ৰকৃতিৰ প্ৰতিশোধ কেচা হলেও ৰবীন্দ্ৰনাথে পোনতে স্পষ্টভাবে নিজৰ জীৱনতত্ত্ব ইয়াতেই প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে। প্ৰকৃতিৰ প্ৰতিশোধৰ বালিকা ৰুদ্ৰচণ্ডৰ অমিয়াৰ ৰূপান্তৰ।

এইখিনিতে ৰবীন্দ্ৰনাথৰ জীৱনত নাটক ৰচনাৰ শিক্ষানবিছী পৰ্ব্বৰ ওৰ পৰিছে। এই নাটকসমূহত নাটকীয় গতি, ঘটনা-বিন্যাস আৰু চৰিত্ৰ পৰিকল্পন', সুৰক নাটকীয় ভাব-প্ৰকাশৰ উপায়ৰূপে নিয়োগ, আনকি বনদেৱী আৰু মায়াকুমাৰীৰ চালচলনত নৃত্যৰ আভাস সকলোৱেই আছে। পৰৱৰ্ত্তী কালৰ বিভিন্ন পৰ্ব্বৰ নাটকসমূহত এই সকলো গুণৰ বিকাশ আৰু পৰিণতি দেখিবলৈ পোৱা যাব বুলিয়েই এই কালছোৱাক শিক্ষানবিছী পৰ্ব্ব আখ্যা দিছো।

॥ ২ ॥

মায়াৰ-খেলা ৰচনাৰ দিনদিয়েক পিছতেই প্ৰকাশ হোৱা ৰাজা ও ৰাণী, বিসৰ্জ্জন আৰু চিত্ৰাঙ্গদাত ৰবীন্দ্ৰনাথৰ নাটকৰ লেখনীয়ে হঠাৎ যেন পূৰ্ণ-যৌৱনৰ শক্তি লাভ কৰিছে। সম্প্ৰতি চিত্ৰাঙ্গদাৰ আলোচনা যথাস্থানলৈ থৈ দি বাকী দুখন সম্বন্ধে বক্তব্য শেষ কৰিব পাৰি। ৰাজা ও ৰাণী আৰু বিসৰ্জ্জন শেক্‌ছ্‌পীয়ৰীয় ধৰণৰ পঞ্চাঙ্ক ট্ৰেজেডি। বিসৰ্জ্জন আগৰ উপন্যাস ৰাজৰ্ষিৰ একাংশৰ নাটকীয় ৰূপ। অনেকে বিসৰ্জ্জনক ৰবীন্দ্ৰনাথৰ শ্ৰেষ্ঠ ট্ৰেজেডি বুলি ভাবে। মোৰ ধাৰণা অন্যধৰণৰ। অলপ-অচৰপ টেকনিকৰ ত্ৰুটী থকা সত্বেও নিতান্ত মানৱৰসৰ প্ৰাচুৰ্য্যৰ কাৰণেই ৰাজা ও ৰাণীক শ্ৰেষ্ঠতৰ বুলি মোৰ ধাৰণা হয়। ৰবীন্দ্ৰনাথে অনেক পিছত এই টেকনিকেল ত্ৰুটী সংশোধনৰ কাৰণে তপতী নাটক লিখিছিল। আমি নতুন নাটক পাইছো অৱশ্যে—কিন্তু ৰাজা ও ৰাণীৰ শ্ৰেষ্ঠতৰৰূপে পাইছোনে নাই সন্দেহ।

এই পৰ্ব্বটোত কবিয়ে তিনিখনি প্ৰহসন ৰচনা কৰিছিল। তাৰ ভিতৰত প্ৰজাপতিৰ নিৰ্ব্বন্ধই চিৰকুমাৰ সভা নামে জনপ্ৰিয়তা লাভ কৰিছে।

সৰ্ব্বসাধাৰণৰ বিচাৰত এইখনেই তেওঁৰ শ্ৰেষ্ঠ প্ৰহসন। মোৰ ব্যক্তিগত আসক্তি বৈকুণ্ঠৰ খাতাৰ প্ৰতি। ইয়াৰ ৰসপৰিধি সংকীৰ্ণ হলেও গভীৰ; ইয়াৰ চৰিত্ৰসমূহ সংখ্যাত তাকৰ হলেও সুস্পষ্ট আৰু জীৱন্ত; ইয়াৰ হাঁহিয়ে একেবাহে চকুলোৰ গা-ঘঁহাই গৈ গৈ অন্তিম দৃশ্যত যি অপৰূপ প্ৰহসনৰ সৃষ্টি কৰিছে তাত হাঁহি আৰু চকুপানীয়ে হাত মিলাইছে। বহুজনৰ অভিনন্দনৰপৰা বঞ্চিত এই প্ৰহসনখনি ৰবীন্দ্ৰপ্ৰতিভাৰ এটি নিখুঁত সৃষ্টি।

এই পৰ্ব্বত আৰু এক শ্ৰেণীৰ নাটক তেওঁ ৰচনা কৰিলে—যাক কাব্যনাট্য আখ্যা দিব পাৰি। এই ৰচনাসমূহত কবিৰ লেখনী আৰু নাট্যকাৰৰ লেখনীৰ সঙ্গম হৈছে, কিন্তু এই ৰচনাসমূহৰ বৈশিষ্ট্য হ'ল এয়ে যে ইয়াত কবিৰ দায়িত্ব মোল আনাই স্বীকৃত হলেও নাট্যকাৰৰ দায়িত্ব পাতল ক'ৰি তোলা হৈছে। সেয়ে অনেক ইবোৰক নাট্যকাব্য বুলি কব খোজে অৰ্থাৎ সি সকলৰ মতে ইবিলাকৰ আচল ঠাই হ'ল কাব্যৰ মাজত। এই কথাষাৰ যথেষ্ট হোৱা বুলি মনে নধৰে, ইবিলাকৰ মাজত কাব্যগুণ যথেষ্ট হোৱা সত্বেও ঠাঁচ নাটকৰ—আৰু এই ৰচনাসমূহত নাটকীয় পৰিণামৰো অভাৱ হোৱা নাই। গান্ধাৰীৰ আবেদন, কৰ্ণকুন্তীসংবাদ, নৰকবাস, বিদায়-অভিশাপ প্ৰভৃতি ৰচনাক অলিখিত পঞ্চাঙ্ক ট্ৰেজেডিৰ শেষ অঙ্কৰূপে চাবলৈ চেষ্টা কৰিলে ইবিলাকৰ যথাৰ্থ ৰূপ আৰু ৰসৰ আবেদন স্পষ্ট হৈ উঠিব।

সতী আৰু মালিনীত নাটকৰ ৰূপ অপেক্ষাকৃতভাৱে প্ৰকট যদিও এই ৰচনাসমূহৰ প্ৰধান সম্পদ কাব্যৰ।

লক্ষীৰ পৰীক্ষা এটি সাৰ্থক পৰীক্ষা। ক্ষণিকা কাব্যত কথ্য ভাষাৰ যোগেদি কাৰয়ে যিখিনি কৰি লবলৈ বিচাৰিছে—সেই কাম এই নাটকখনিত সাৰ্থকতৰৰূপে কৰাই লৈছে।

॥ ৩ ॥

এই সময়ত ৰবীন্দ্ৰনাথৰ অধ্যাত্মজীৱনত এক মহৎ পৰিবৰ্ত্তনৰ আৰম্ভ হৈছিল—আৰু স্বাভাৱিকতেই, তাৰ সাঁচ সকলো ধৰণৰ ৰচনাতেই পৰিছে। নাটকসমূহতো পৰিছে। মানুহৰ জীৱনত আত্মপৰ্য্যায়ৰ যি প্ৰভাৱ পৰে আৰু যি প্ৰতিক্ৰিয়া হয়—সি এইবাৰ তেওঁৰ নাটকৰ উপাদান হৈ উঠিল—সৃষ্টি হ'ল শাৰদোৎসৱ, ৰাজা, অচলায়তন, ফাল্গুনী প্ৰভৃতি নাটকৰ। এসময়ত

যেনেকৈ তেওঁ ঘৰৰ উৎসৱ আদিৰ দায় মাৰিবলৈ নাটক লিখিছিল—এইবাৰ তেনে দায় মাৰাৰ দাবী আহিল শান্তিনিকেতন বিদ্যালয়ৰ পৰা। সেই কাৰণে এই সময়ৰ শাৰদোৎসৱ, অচলায়তন, ফাল্গুনী আদি কেইবাখনো নাটক স্ত্রীভূমিকাহীন। সেই দিনত শান্তিনিকেতনত ছাত্রী লোৱা নহৈছিল, আৰু দেশৰ বা-বতাহো সহ-অভিনয়ৰ অনুকূল নাছিল। ইয়াৰ উপৰিও এই সময়তে প্রায়শ্চিত্ত আৰু ডাকঘৰ ৰচনা কৰিলে।

প্রায়শ্চিত্ত হৈছে আগতে লিখা বৌ-ঠাকুৰাণীৰ হাটৰ নাট্য ৰূপ। ইয়াৰ প্রধান সম্পদ হ'ল ধনঞ্জয় বৈৰাগীৰ চৰিত্র। অহিংস-প্রতিৰোধৰ বাণী লৈ এওঁ দেখা দিলে। গান্ধীৰ আবির্ভাৱৰ আগ মুহূর্ত্তত ধনঞ্জয় বৈৰাগী যেন ডোকমোকালিৰ আগৰ ফেহুঁজালি।

ডাকঘৰ ৰবীন্দ্রনাথৰ আটাইতকৈ নিখুঁত গদ্য-নাটক। এই ৰচনাখনি বহুলাংশে সাধু কথাৰ সাঁচত ঢলা। ইয়াৰ বহল আলোচনা যথাস্থানত কৰা হ'ব।

ৰাজা নাটকখনক 'ছিম্বলিক' নাটক বুলি কোৱা হয়। ৰাজা আৰু অচলায়তনত ভাৰতীয় সাধনাৰ দুটা প্রধান ধাৰাক কামত লগোৱা হৈছে। দাস্য, সখ্য আৰু মধুৰ ৰসৰ সাধনা যে কঠিনতম—সেইটো দেখুৱা হৈছে সুৰঙ্গমা, ককাদেউতা (ঠাকুদা) আৰু সুদর্শনাৰ চৰিত্রৰ—বিশেষকৈ সুদর্শনাৰ মানবিক দ্বন্দ্বৰ মাজেদি। অচলায়তনত দেখুৱা হৈছে জ্ঞানমার্গ, কর্ম্মমার্গ আৰু ভক্তিমার্গৰ চিত্র—ইবোৰৰ সমন্বয়তেই জীৱনৰ যথার্থ সিদ্ধি বুলি কোৱা হৈছে। বিশ্ব প্রকৃতিত যি লীলা চলিছে মানৱ প্রকৃতিতো ৰূপান্তৰত যে সেই লীলাই চলি আছে তাকেই কবিয়ে ফাল্গুনী নামৰ নাটকত দেখুৱাইছে। বসন্ত আৰু যৌৱনেই সত্য, শীত আৰু জৰা দৃষ্টিৰ ভ্রমমাত্র। শাৰদোৎসৱত কবিৰ বক্তব্য হ'ল—জগতে অনন্ত সৌন্দর্য্য আৰু সুধা ঢালি দি মানুহক ঋণী কৰিছে —মানুহে সেই ঋণ শুজিব পাৰে দুখেৰে। দুখৰ ধনেৰে সৌন্দর্য্যৰ ঋণ পৰিশোধ কৰিলেই আনন্দ লাভ হয়।

ইয়াৰ পিছতেই কবিৰ উল্লেখযোগ্য নাটক হৈছে মুক্তধাৰা আৰু ৰক্তকৰবী। শাৰদোৎসৱৰপৰা ফাল্গুনীলৈকে নাটকৰ বিষয়বস্তু হ'ল মানুহেৰে সৈতে ভগৱানৰ সম্বন্ধ আৰু মানুহেৰে সৈতে প্রকৃতিৰ সম্বন্ধ। মুক্তধাৰা আৰু ৰক্তকৰবীত দেখা দিয়া মানুহ হ'ল সামাজিক মানুহ। ইয়াত ব্যক্তিৰ লগত সামাজিক

ব্যৱস্থাৰ সংঘৰ্ষ। কদ্ধধাৰা আৰু যন্ত্ৰদানৱেৰে সৈতে যিসকলৰ দ্বন্দ্ব হৈছে অভিজিৎ আৰু ৰঞ্জন যথাক্ৰমে সেই ব্যক্তিসকলৰ প্ৰতিনিধি। কবিৰ বক্তব্য হ'ল—যন্ত্ৰেৰে যন্ত্ৰক পৰাভূত কৰিলে যন্ত্ৰৰহে জয় ঘোষিত হয়। যন্ত্ৰক আঘাত কৰিব লাগে প্ৰাণেৰে—তেতিয়া আপাতদৃষ্টিত প্ৰাণৰ নাশ হলেও মূৰকত যন্ত্ৰৰ প্ৰতাপো শিথিল আছে। অভিজিৎ মৰিছে কিন্তু মুক্তধাৰাৰ বান্ধো ভাগিছে; ৰঞ্জন মৰিছে কিন্তু যন্ত্ৰ-নগৰীৰ ভেটিও কঁপি উঠিছে। নাটক দুখনিত কবিয়ে এক জটিল আধুনিক সমস্যাৰ বিচাৰ কৰিছে।

॥ ৪ ॥

নটীৰ পূজা নাটকখানি প্ৰকাশিত হয় ১৯২৬ চনত। কাহিনীটো এখন বৌদ্ধ জাতকৰপৰা লোৱা হৈছে। নাটকখনিৰ শিল্পমূল্য উচ্চাঙ্গৰ; কিন্তু নাটকখনিৰ আৰু অলপ দাবী আছে। মোৰ বিশ্বাস, নটীৰ পূজা-নৃত্যৰ মাজত পিছত লিখা নৃত্যনাট্যসমূহৰ ধাৰণা বীজৰ আকাৰত বৈ গৈছে। এই ধাৰণাই কবিয়ে যবদ্বীপ ভ্ৰমণৰ সময়ত দেখা নৃত্যনাট্য কলাত অনুকূল ক্ষেত্ৰ আৰু দৃষ্টান্তৰ সমৰ্থন পাইছে। কবিৰ চিন্তাত নৃত্যনাট্যৰ ধাৰণা আছিল—অভাৱ আছিল সজীৱ নৃত্যনাট্যকলাৰ উদাহৰণ। যবদ্বীপে সেই উদাহৰণৰ যোগান ধৰিলে। ৰবীন্দ্ৰনাথৰ শেষ জীৱনৰ সাৰ্থকতম নাটক ৰচনাৰ ধাৰা নৃত্যকলাৰ স্ফূৰ্তিয়েদি বৈ গৈছে। নৃত্যনাট্য চিত্ৰাঙ্গদা, চণ্ডালিকা, শ্যামা আৰু তাসেৰ দেশ ৰবীন্দ্ৰনাট্য-প্ৰতিভাৰ শেষ আৰু সাৰ্থকতম সৃষ্টি। নাট্য প্ৰতিভা শব্দটোৰ সম্ভৱ এই নতুন শিল্পকলাৰ সৰ্ব্বাঙ্গীণ ৰূপ প্ৰকাশ নাপালে। কিয়নো ইয়াত কাব্য, সুৰ, নাট্য আৰু নৃত্যৰ চতুৰঙ্গ প্ৰৱাহৰ সঙ্গম হৈছে। এই নৃত্যনাট্যসমূহতেই ৰবীন্দ্ৰ-শিল্পকলা আৰু ৰবীন্দ্ৰনাথৰ বহুমুখী প্ৰতিভাৰ পৰিপূৰ্ণতম প্ৰকাশ হৈছে বুলি ক'লে বোধ কৰো বঢ়াই কোৱা নহ'ব।

॥ ৫ ॥

যথাসম্ভৱ সংক্ষেপই ৰবীন্দ্ৰ-নাট্যপ্ৰৱাহৰ এটি আভাস দিয়া হৈছে। এইবাৰ ফলশ্ৰুতি সম্বন্ধে প্ৰাসঙ্গিক মন্তব্য ঠোৰতে শেষ কৰিব পাৰি।

ৰবীন্দ্ৰনাথৰ নাটক মাজে মাজে প্ৰফেছনেল ৰঙ্গমঞ্চত অভিনীত হৈছে, চিৰকুমাৰ সভা আৰু শেষৰক্ষা আদি খনদিয়েক নাটকে সাময়িকভাৱে জনপ্ৰিয়তাও লাভ কৰিছে। তথাপিও কব লাগিব প্ৰফেছনেল ৰঙ্গমঞ্চৰ

গতি প্ৰকৃতিৰ লগত ৰবীন্দ্ৰ-নাট্যপ্ৰবাহৰ কাহিনীও মিলন ঘটা নাই। কিয় ? হয়তো দৰ্শক তেতিয়াও সাজু নৌ হয় এথোন। আকৌ প্ৰফেছনেল ৰঙ্গ-মঞ্চত যিবিলাক নাটকে খ্যাতি লাভ কৰে সি সৃষ্টি হয় প্ৰফেছনেল অভিনেতা আৰু ৰঙ্গমঞ্চৰ সমুদ্ৰমন্থনত, ই একপ্ৰকাৰ সমবায়-শিল্প। ৰবীন্দ্ৰনাথৰ নাটকৰ জন্ম হৈছে নিভৃতত, বৰ বেছি হ'লে হৈছে তেওঁৰ পাৰিবাৰিক বা-বতাহত—ই তেওঁৰ একক-প্ৰচেষ্টাৰ সৃষ্টি। সেয়ে ইয়াৰ আচল সম্পদ কাব্যৰস।

এনে অনেক সমালোচক আছে যিসকলে নাটকৰ সাহিত্যমূল্যক অত্যন্ত গৌণ বুলি ভাবে; সিসকলৰ মতে দৰ্শকক আনন্দ দান কৰাই নাটকৰ একমাত্ৰ উদ্দেশ্য। এই মত মানি লব নোৱাৰি। নাটক মুখ্যতঃ সাহিত্য আৰু ইয়াৰ বিচাৰো সেই ফালৰপৰাই হোৱা উচিত।

সেই ফালৰপৰা চালে দেখা যাব যে ৰবীন্দ্ৰনাটকৰ মূল্য অপৰিসীম। ৰবীন্দ্ৰনাথৰ আগতেও গীতিনাট্য লিখা হৈছিল, তথাপিও তেওঁৰ প্ৰথম যুগত লিখা বাল্মীকিপ্ৰতিভা আৰু মায়াৰ খেলা এতিয়াও উপভোগ্য, বিনোদনৰ ক্ষেত্ৰতো সিবোৰৰ মূল্য কমা নাই।

ৰাজা ও ৰাণী আৰু বিসৰ্জ্জন বঙলা সাহিত্যৰ শ্ৰেষ্ঠ ট্ৰেজেডি।

বঙলা নাট্য-সাহিত্যত প্ৰহসনৰ সংখ্যা কম নহয়। কিন্তু চিৰকুমাৰ সভাৰ দৰে মাৰ্জ্জিত, সূক্ষ্ম, সৰ্ব্বজন-উপভোগ্য প্ৰহসন আৰু নাই—ইয়াৰ আবেদন যেনে ব্যাপক, তেনে সহজ।

চিত্ৰাঙ্গদা, গান্ধাৰীৰ আবেদন, কৰ্ণকুন্তী-সংবাদ, নৰকবাস আদি তেওঁ ৰচনা কৰা কাব্যনাট্যসমূহ ৰবীন্দ্ৰ-সাহিত্যৰ শ্ৰেষ্ঠ সম্পদ। এই ক্ষেত্ৰত তেওঁৰ প্ৰতিদ্বন্দ্বী নাই।

শাৰদোৎসৱ, ফাল্গুনী আদি ঋতুনাট্য পৰ্যায়ত, আৰু ডাকঘৰ, ৰাজা, ৰক্তকৰবী আদি চিম্বলিক নাট্য পৰ্য্যায়ত তেওঁ নতুন ধাৰাৰ প্ৰৱৰ্ত্তন কৰিছে; ই কেৱল বঙলা সাহিত্যতে নহয়, খুব সম্ভৱ ভাৰতীয় সাহিত্যতো।

বাকী শেষ বয়সত লিখা নৃত্যনাট্যসমূহ তেওঁৰ মৌলিক সৃষ্টি। এই ক্ষেত্ৰতো তেওঁ নতুন বাট উলিয়াই থৈ গৈছে।

কাব্য আৰু চুটি গল্প বাদ দিলে ৰবীন্দ্ৰ-প্ৰতিভাৰ সুস্থতম প্ৰকাশ দেখিবলৈ পাওঁ নাট্যসমূহৰ কাব্যৰসত; আৰু নাটকৰ শ্ৰেণী-বৈচিত্ৰ্য আৰু ন-ন ধাৰাৰ প্ৰৱৰ্ত্তনতে তেওঁৰ কাব্যৰ বহুমুখিতাৰ পৰিচয় পাওঁ।

ৰবীন্দ্রনাট্য সংকলন

বিসর্জন ১৮৯০

ৰবীন্দ্রনাথৰ ৰাজৰ্ষি উপন্যাসৰ (১৮৮৭) প্ৰথমাংশৰ অৱলম্বনত বিসর্জন নাটকখনি ৰচিত। ৰাজৰ্ষি উপন্যাসৰ ভাবসূত্রটো আকৌ সপোনৰ সূত্রে পোৱা। ৰেলগাড়ীত ভ্ৰমণ কৰোঁতে কবিয়ে সপোন দেখিলে: এজনী ছোৱালীয়ে তেজৰ সোঁত দেখি তেওঁক যেন সুধিছে 'ইমান তেজ কিয়? ইমান তেজ কিয়?' এই প্ৰশ্নটোৱেই ত্ৰিপুৰা ৰাজপৰিয়ালৰ কাহিনীৰ লগত সানমিহলি হৈ ৰূপ ললে ৰাজৰ্ষি উপন্যাসৰ। তাৰ পিছত ঠাকুৰ-পৰিয়ালৰ যুৱকসকলৰ উদগনিত উপন্যাসৰ অংশ-বিশেষৰ আলম লৈ গঢ়ি উঠিল বিসর্জন নাটক। বাৰে বাৰে অভিনয়ৰ সুবিধাৰ কাৰণে নাটকখনিত নানাধৰণৰ গৌণ পৰিবৰ্তন হৈছে সঁচা, কিন্তু কবিৰ অন্যান্য অনেক নাটকৰ দৰে ইয়াৰ সৰ্বাঙ্গীণ ৰূপান্তৰ হোৱা নাই। ঠিক ইয়াৰ আগৰ বছৰতে লিখা হৈছিল ৰাজা ও ৰাণী নাটক। এবছৰৰ ভিতৰত নাটকীয় গঠন বিধি আৰু নাটকীয় সংযমৰ অনেক উন্নতি হৈছে, ৰাজা ও ৰাণীত গঠনবিধিৰ যি শৈথিল্য আৰু লিৰিক উচ্ছ্বাসৰ যি আতিশয্য চকুত পৰে—বিসর্জনত সি অনেক পৰিমাণে কম। লগে লগে প্ৰধান নৰনাৰীৰ চৰিত্ৰ সুপৰিকল্পিত আৰু তেওঁলোকৰ সীমাও সুনির্দিষ্ট। ঘটনা-বিন্যাস অপ্রতিহত গতিৰে নাটকীয় নিয়ম ৰক্ষা কৰি চূড়ান্ত পৰিণতিত উপনীত হৈছে। ইয়াক যে বহুতে বঙলা ট্ৰেজেডি জাতীয় নাটকৰ শ্ৰেষ্ঠ নিদর্শন বুলি ভাবে একেবাৰে অৰ্থহীন নহয়।

কবিয়ে ইয়াৰ মৰ্মকথা বিশ্লেষণ কৰিবলৈ গৈ ইয়াৰ বিষয়টো প্ৰেম আৰু প্ৰতাপৰ ভিতৰত বুলি কৈছে। দেৱমন্দিৰত বলি দিয়া পশুৰ তেজৰ সোঁত দেখি এজনী ছোৱালীয়ে প্ৰশ্ন কৰিলে, ইমান তেজ কিয়? এই প্ৰশ্নই ৰজা গোবিন্দমাণিক্যৰ অভ্যস্ত দৃষ্টিৰ ওপৰৰপৰা সংস্কাৰৰ আঁৰকাপোৰখন আঁতৰাই নিলে—ৰজাৰ হৃদয়ত বিশ্বজনীন প্ৰেমৰ আবিৰ্ভাৱ ঘটিল। ৰজাৰ আদেশত দেৱমন্দিৰত পশুবলি নিষিদ্ধ হ'ল। এই ঘটনাৰে আলম লৈ নাটকৰ ট্ৰেজেডি ঘনীভূত হৈ উঠিছে। মন্দিৰৰ পুৰোহিত ৰঘুপতি প্ৰচণ্ড ব্যক্তিত্বশালী মানুহ। দেৱতাৰ প্ৰতাপ আত্মসাৎ কৰি তেওঁ ৰজাৰ প্ৰতিদ্বন্দ্বী হৈ উঠিল। কোৱা বাহুল্য যে ৰাণী, মন্ত্ৰী, ৰজাৰ ভায়েক আৰু ৰাজ্যৰ অধিবাসীসকল পুৰোহিতৰ সমৰ্থক—তেওঁলোকৰ হৃদয়ত নিশ্চয় প্ৰেমৰ আবিৰ্ভাৱ হোৱা নাই।

প্ৰেম আৰু প্ৰতাপৰ দ্বন্দ্বত বিভ্ৰান্তচিত্ত গোবিন্দমাণিক্যৰ চিত্ত বিদীৰ্ণ হৈ হুমুনিয়াহৰ লগত সমীৰিত হৈছে—

'এই সংসাৰত বিনয় নো ক'ত মহাদেৱী
যি কৰে বিচৰণ তব চৰণতলত
সিও তো নিশিকে হায় নিজে কি নগণ্য
হৰণ কৰি লৈ তোমাৰ মহিমা
নিজৰ দেহাৰে বৈ, ইমান দম্ভালি।'

অৱশেষত ৰঘুপতিৰ দম্ভ চূৰ্ণ হৈছে, হৃদয়ত আবিৰ্ভাৱ হৈছে প্ৰেমৰ—কিন্তু তাৰ কাৰণে মন্দিৰৰ সেৱক, ৰঘুপতিৰ তোলনীয়া পুতেক জয়সিংহই প্ৰাণ বিসৰ্জ্জন দিব লগীয়া হৈছে। এই বিসৰ্জ্জনৰ ফলত ধুমুহা-শাম-কটা নিৰ্ম্মল পৰিৱেশত ৰজা আৰু ৰাণী, ৰঘুপতি আৰু অপৰ্ণাৰ মিলন হৈছে। এই মগনীয়া ছোৱালীজনীক জয়সিংহই ভাল পাইছিল—আৰু নৰৰক্তপায়ী জড় পাষাণ-দেৱতাক ৰঘুপতিয়ে নিজ হাতেৰে বিসৰ্জ্জন দি তাৰ ঠাইত প্ৰতিষ্ঠা কৰিছিল প্ৰেমৰ। নাটকৰ ৰাণী আৰু ৰঘুপতি চৰিত্ৰ দুটাই ব্যক্তিগত বেদনাৰ আঘাতত নিজৰ অন্তৰত 'ইমান তেজ কিয়' প্ৰশ্নৰ উত্তৰ পাইছে।

চিত্ৰাঙ্গদা ১৮৯২

মহাভাৰতত মণিপুৰ-ৰাজদুহিতা চিত্ৰাঙ্গদা আৰু অৰ্জ্জুনৰ কাহিনীটো অতি চমু, গোটাদিয়েক সাধাৰণ মন্তব্যৰ মাজতে সীমবদ্ধ। মূল কাহিনীৰ শুকান জ'কাটোৱে ৰবীন্দ্ৰনাথৰ লেখনীৰ যাদু-পৰশত অপূৰ্ব্ব লাৱণ্য আৰু অমৰ জীৱন লাভ কৰিছে। দুয়োৰে মিলন হয়ে কবিৰ সৃজনী শক্তিক বিস্মিত কৰে।

চিত্ৰাঙ্গদা নাট্য আকাৰত লিখা হ'লেও বস্তুতঃ ই কাব্য। নাটকত গতিৰ যি তীব্ৰতা আৰু ঋজুতা, আৰু ঘটনাস্ৰোতৰ যি ত্বৰণ আৰু লক্ষ্যাভিমুখিতা আশা কৰা হয়—চিত্ৰাঙ্গদাত তাৰ অভাৱ প্ৰকট। গতিকে নাটক সম্বন্ধে পূৰ্ব্ব-সংস্কাৰ পৰিত্যাগ কৰি ইয়াক কাব্যৰূপত চালে ইয়াৰ অসামান্যতা এক মুহূৰ্ত্তৰ ভিতৰতে পৰিষ্কাৰ হৈ পৰে। তৰুণ কবিৰ প্ৰতিভাৰ বলত ইন্দ্ৰিয়গ্ৰাহ্য জগৎখন ইয়াত ৰঙে, ৰসে, ৰূপে এনে সৰস সত্য হৈ উঠিছে যে পাঠকে সন্তৰ্পণে খোজ দিব লগীয়া হয়, নহলে জানোচা "নীল সৰোবৰৰ

পানীত” পৰি জালকৈ চাবলৈ সংকোচ লাগে, অৰ্জুনৰ প্ৰেমলীলাৰ ক্ষেত্ৰলৈ চকু যায়। ইন্দ্ৰিয়গ্ৰাহ্য জগতৰ ইমান উজ্জ্বল স্পৰ্শকাতৰ ছবি বোধ কৰোঁ কালিদাসৰ কাব্যৰ বাহিৰে আন কোনো ভাৰতীয় কাব্যত অঙ্কিত হোৱা নাই।

কিন্তু ইয়াৰ সৰ্ব্বশ্ৰেষ্ঠ সম্পদ হৈছে চিত্ৰাঙ্গদা চৰিত্ৰ—অৰ্থাৎ এই চৰিত্ৰৰ বিবৰ্ত্তন আৰু পৰিণতি। শেষৰ দৃশ্যত অৰ্জ্জুনক আত্ম-পৰিচয় দান কৰা উপলক্ষ্যে তেওঁ সগৰ্ব্ব ঘোষণা কৰিছে :

মই চিত্ৰাঙ্গদা।
দেৱী নোহোঁ, নোহোঁ মই সামান্যা ৰমণী।
পূজা কৰি ৰাখিবা শিৰত, সিও মই
নোহোঁ, অৱহেলা কৰি পোষণ কৰিবা
তুমি, সিও মই নোহোঁ। সংকট-পথত যদি
কাষৰত ৰাখাঁ মোক, দুৰূহ চিন্তাৰ
যদি অংশ দিয়াঁ, যদি অনুমতি দিয়াঁ
সগায় হবলৈ তব কঠিন ব্ৰতৰ,
সুখে দুখে যদি মোক কৰাঁ সহচৰী
তেতিয়াহে পাবা মোৰ পৰিচয়।

এই সুৰ যাৰ তেওঁ প্ৰাচীন নয়—একেবাৰে আধুনিকা নাৰী। পিছৰ ৰবীন্দ্ৰ-সাহিত্য এই আধুনিকা নাৰীৰ কীৰ্ত্তি আৰু কণ্ঠস্বৰেৰে পূৰ্ণ। চিত্ৰাঙ্গদাত ইয়াৰ প্ৰথম নিঃসংশয় আবিৰ্ভাব হৈছে। এই কাৰণে কাব্য বিচাৰৰ সীমাৰ বাহিৰত, সামাজিক ইতিহাসৰ ক্ষেত্ৰতো ইয়াৰ স্থান আছে। কাব্যখন Chitra নামে ইংৰাজীলৈ অনুবাদ হৈ জনপ্ৰিয় হৈছিল। বিদেশী পাঠকে ভাৰতীয় কবিৰ লিখনিত প্ৰাচীন নাৰীক চাব খুজি আধুনিক নাৰীক দেখা পাই বিস্মিত হোৱাটোৱেই বোধ কৰোঁ ইয়াৰ কাৰণ।

চিৰকুমাৰ সভা ১৯০০-১৯০১

চিৰকুমাৰ সভা আৰু প্ৰজাপতিৰ নিৰ্ব্বন্ধ এই দুয়োটা নামেৰেই কিতাপখন ওবিবেশৰা চলি আহিছে। আদিতে প্ৰহসনখনি সংলাপ-বহুল উপন্যাসৰ

আকাৰত লিখা হৈছিল। পিছত, ১৯২৫ চনত প্ৰফেছনেল ৰঙ্গমঞ্চৰ দাবীত ইয়াৰ সম্পূৰ্ণ নাট্যৰূপ দিয়া হয় আৰু প্ৰফেছনেল ৰঙ্গমঞ্চত অভিনীত হৈ ই প্ৰভূত জনপ্ৰিয়তা লাভ কৰে। ইয়েই ৰবীন্দ্ৰ নাটকৰ প্ৰথম যথাৰ্থ মঞ্চ-সাফল্য বুলি কব পাৰি। একেলেঠাৰিয়ে বহুদিন ধৰি ইয়াৰ অভিনয় চলিছিল। ইয়াৰ পিছৰপৰা এই নাটকখনিৰ অভিনয় হ'লেই দৰ্শকৰ অভাব নহয়। এমেচাৰ নাট্য সমাজে তো সুযোগ পালেই এই প্ৰহসনখনি অভিনয় কৰে।

এই জনপ্ৰিয়তাৰ কাৰণ কি? প্ৰথম কাৰণ, নাটকৰ মূল ঘটনাটো সহজ আবেদনৰ ৰসেৰে পূৰ্ণ। এদল কেচা আদৰ্শবাদী যুৱকে দেশৰ আৰু দহৰ উন্নতি সাধনৰ ইচ্ছাৰে চিৰকুমাৰ হৈ থাকিবলৈ ইচ্ছা কৰিছে—আৰু সেই ধ্যান ভঙ্গ কৰিবলৈ গোপনে গোপনে আয়োজন কৰিছে চিৰকুমাৰ সভাৰ এজন আগৰ সদস্যই—সম্প্ৰতি যি নিজে বিবাহিত আৰু অবিবাহিত দুজনী খুড়শালীয়েকৰ বিয়াৰ চিন্তাত উদ্বিগ্ন। গতিকে দৰ্শকৰ চিত্তত এনে ধৰণৰ ঘটনাৰ আবেদন যিমান সহজ সিমান ব্যাপক। দ্বিতীয় কাৰণ হ'ল চিৰকুমাৰ সভাৰ প্ৰবীণ সভাপতি চন্দ্ৰমাধৱবাবু, উক্ত সভাৰ ভূতপূৰ্ব্ব সদস্য অক্ষয়, তেওঁৰ শহুৰেকৰ পৰিয়ালৰ দূৰ সম্পৰ্কৰ জ্ঞাতি ৰসিক প্ৰভৃতিৰ জীৱন চৰিত্ৰ। তৃতীয় কাৰণ—সংলাপৰ অসিক্ৰীড়া। চতুৰ্থ কাৰণ—হাস্য-ৰস আৰু শ্লেষৰ মুহুৰ্মুহুঃ স্ফুলিঙ্গ-বৰ্ষণ। পঞ্চম কাৰণ—নাটকত ব্যৱহৃত ৰবীন্দ্ৰ সঙ্গীতৰ ইন্দ্ৰজাল।

বঙলা-সাহিত্যত প্ৰহসনৰ অভাৱ নাই। কিন্তু কেয়োফালৰপৰা বিচাৰ কৰিলে চিৰকুমাৰ সভাক শ্ৰেষ্ঠ আসন দান কৰিব লাগিব। ৰুচিৰ স্থূলতা, ঘটনাৰ অশালীনতা, সংলাপৰ অমাৰ্জ্জিত ৰূপ আদি প্ৰহসনত প্ৰায়েই ঘটি থকা দোষ। চিৰকুমাৰ সভা এইবোৰ দোষৰপৰা মুক্ত আৰু ইয়াত থকা বিশিষ্ট গুণ ইমান দুৰ্ল্লভ যে আন প্ৰহসনত সি নাই বুলিলেই হয়। অথচ এই অতি লঘু ঘটনাপ্ৰবাহৰ মাজতো ৰবীন্দ্ৰ জীৱনতত্ত্ব কিমান অনায়াসে মিহলি হৈ আছে। প্ৰকৃতিৰ ঋণ, ইয়াত মানৱ-প্ৰকৃতিৰ ঋণ, অপৰিশোধিতভাৱে ৰাখি সাধনা কৰিবলৈ আগ বাঢ়িলে প্ৰকৃতিয়ে দেৱৰাজ ইন্দ্ৰৰ দৰে ধ্যান ভঙ্গ কৰিবৰ কাৰণে উৰ্ব্বশীহঁতক পঠাই দিয়ে। প্ৰকৃতিৰ প্ৰতিশোধ নাটকত যি তত্ত্ব গভীৰভাৱে ব্যাখ্যা কৰা হৈছে—তাক ইয়াত লঘুভাৱে প্ৰয়োগ কৰা হৈছে; মূলতঃ দুয়োটা তত্ত্বই একে।

ৰাজা ১৯১০

ৰাজা নাটকৰ কাহিনীটো কুশজাতক নামৰ বৌদ্ধ জাতকৰপৰা লোৱা হৈছে। মূল কাহিনীটো হৈছে বাৰাণসীৰাজ কুশই সিংহাসনত আৰোহণ কৰি কান্যকুব্জ ৰজাৰ কন্যা সুদৰ্শনাক বিয়া কৰায়। সুদৰ্শনাই তেওঁৰ স্বামীক অতি কুৎসিৎ দেখি মনৰ দুখত পিতাকৰ ঘৰলৈ উভতি আহিল। ইফালে কুশই কান্যকুব্জলৈ গৈ নানাবিধ নৃত্য কলাৰে পত্নীৰ মনোৰঞ্জন কৰাৰ চেষ্টাত প্ৰবৃত্ত হ'ল। এনে সময়তে শহুৰেকৰ পৰামৰ্শক্ৰমে যতীশ্বৰ নামৰ বস্ত্ৰ ধাৰণ কৰি কুশই দিব্য ৰূপ লাভ কৰে। তাৰ পিছত স্বামী-স্ত্ৰীৰ মিলন হয়।

এই চমু শিল্প সৌন্দৰ্য্যহীন, সকলো ধৰণৰ আধ্যাত্মিক ইঙ্গিত বৰ্জিত কাহিনীটিক ৰবীন্দ্ৰনাথে শিল্প সৌন্দৰ্য্য আৰু আধ্যাত্মিক ইঙ্গিতেৰে পূৰ্ণ নাটকলৈ ৰূপান্তৰিত কৰিলে।

ৰবীন্দ্ৰনাথে ৰাজা নাটকত ক'ব খুজিছে যে বিশ্বৰ ৰজা ইন্দ্ৰিয়গ্ৰাহ্য নহয়, আৰু ইন্দ্ৰিয়ৰ অতীতো নহয়, তেওঁৰ বিভূতি বিশ্বৰ যাৱতীয় সৌন্দৰ্য্যত বিস্তাৰ কৰি আছে। মনৰ মাজত যিজন এক বাহিৰত তেৱেঁই অসংখ্য। যাৰ মনত এই ৰূপৰ উপলব্ধি ঘটিল তেৱেঁই ৰজাৰ স্বৰূপ বুজিল। কেৱল চৰ্মচক্ষুৰে তেওঁক চাবলৈ গ'লে বিড়ম্বনা আৰু বিভ্ৰান্তিৰ এৰ নপৰে। যাক চকুৰে নেদেখি তেওঁক চাবলৈ গৈ ৰাণী সুদৰ্শনাই যি সংকটৰ সৃষ্টি কৰিলে সেয়েই ৰাজা নাটকৰ বিষয়বস্তু।

এই নীৰসতত্ত্বৰ পৰিচয়ৰ ভিতৰতে এই গীতি-বহুল, নাটকীয় সংঘাতেৰে-পূৰ্ণ নাটকখনিৰ পৰিচয় পাব নোৱাৰি। সেই পৰিচয় লাভ কৰাৰ ভাৰ পাঠকৰ হাতলৈ এৰি দি ৰবীন্দ্ৰনাথৰ পৈণত-লেখনীৰ নাটকৰ গঠন-বিধি সম্বন্ধে আমাৰদিয়েক কৈ থবলৈ বিচাৰো।

শাৰদোৎসৱ নাটকৰপৰা আৰম্ভ কৰি তেওঁৰ জীৱনৰ প্ৰায় আটাইবিলাক নাটকতে যেন এটা পেটাৰ্ণৰ ক্ৰম-পৰিণতি আৰু ক্ৰম-প্ৰকট ৰূপ দেখিবলৈ পাওঁ। এটি পথ আৰু এখন মেলাই হ'ল এই পেটাৰ্ণৰ নিৰ্গলিত ৰূপ। কেতিয়াবা-বা সেই পথ গাৱঁৰ, কেতিয়াবা কোনোবা কাল্পনিক নগৰৰ, কেতিয়াবা সেই মেলা গাৱঁৰ, কেতিয়াবা ৰাজ-কাৰেঙৰ বসন্তোৎসৱৰ। শাৰদোৎসৱ, ৰাজা, ফাল্গুনী আৰু মুক্তধাৰাত পেটাৰ্ণটো খুব স্পষ্ট। অচলায়তন, ডাকঘৰ আৰু ৰক্তকৰবীত পেটাৰ্ণটো আংশিক আৰু অস্পষ্ট। পথটো

হয়তোবা আছে কিন্তু মেলা নাই। আকৌ এই মেলা আৰু পথত যি সকল নৰ-নাৰীক সাধাৰণতে দেখিবলৈ পোৱা হয় এই নাটকসমূহতো সি সকল বিদ্যমান। বাউল, গায়কদল, সন্ন্যাসী, বৈৰাগী, নৰাৰ জাক, অন্ধগায়ক, গাৱঁৰ গাওঁবুঢ়া আৰু কৃপণ ব্যৱসায়ী আদি। পথ মেলা আৰু উন্মুকিয়াই অহা নৰনাৰীসকল বঙ্গদেশৰ এক বিশিষ্ট ৰূপ। সেই ৰূপটোক নাটকৰ পেটাৰ্ণৰূপে গ্ৰহণ কৰি তেওঁ তেওঁৰ আৰ্টক বঙ্গদেশৰ বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত কৰিলে।

ৰাজা নাটকখন The King of the Dark Chamber নামত অনুবাদ হৈ বিদেশত সমাদৃত হৈছিল।

ডাকঘৰ ১৯১২

মুক্তিৰ কাৰণে যি অসীম ব্যাকুলতা মানৱাত্মাই অনুভৱ কৰে, সেই মুক্তি-ব্যাকুল মানৱাত্মাৰ প্ৰতীক হৈছে ডাকঘৰ নাটকৰ নায়ক ৰুগ্ন বালক অমল। মুক্তি সম্বন্ধে মানুহৰ ধাৰণা বৰ বিচিত্ৰ। বিষয়ীসকলে ইয়াক বিড়ম্বনা বুলি ভাবে—সেয়ে গাওঁবুঢ়া, মাধৱ দত্ত, কবিৰাজ প্ৰভৃতিয়ে অমলক ঘৰৰ ভিতৰত আৱদ্ধ কৰি থব খোজে, তাৰ মনোভাৱক উৎকট ব্যাধি বুলি ভাবে, তাক চিকিৎসা কৰি নিৰাময় কৰি তুলিবলৈ বিচাৰে। আনফালে ককাদেউতাক আৰু ৰাজবৈদ্যই জানে যে এইটোৱেই মানুহৰ স্বভাব। তেওঁলোকে অমলক প্ৰশ্ৰয় দিয়ে, উৎসাহ দিয়ে, কয়, ৰজাই নিশ্চয় তেওঁলৈ চিঠি দিব, নহলে তেওঁৰ চকুৰ আগত ইমান সমাৰোহ কৰি ডাকঘৰ খোলাৰ কি উদ্দেশ্য থাকিব পাৰে। মোৰ তো ধাৰণা বিশ্বৰ যাৱতীয় সৌন্দৰ্য্য হ'ল ৰজাৰ ডাকঘৰ। অবিৰাম ডাক আহিব লাগিছে মনৰ মাজলৈ। আমি অনেকেই অমলৰ দৰে তাৰ ভাষা পঢ়িব নোৱাৰো। তথাপি অমলৰ বিশ্বাস চিঠিবিলাক ৰজাই লিখা আমাৰ সেই বিশ্বাসকণো নাই। অমল বিশ্বাসী, আমি অবিশ্বাসী, ককাদেউতা মনে মনে থাক, অবিশ্বাসী, বুলি ভাবি দিয়া মাধৱ দত্তৰ লগৰ। এনে এটা বিষয়ক যে নানাবিধ চৰিত্ৰ-সমন্বিত নাটক কৰি তুলিব পাৰি সেই কথা ডাকঘৰ নাটকখনি নপঢ়িলে বিশ্বাস কৰা টান। ডাকঘৰ নিখুঁত নাটক বুলি এঠাইত কৈ আহিছো। ডাকঘৰ ঠেক পৰিসৰৰ নাটক। ৰচনাৰ আয়তন যিমানে ঠেক হয় ৰবীন্দ্ৰ প্ৰতিভা সিমানেই উজ্জ্বল হৈ উঠে। সেই কাৰণেই তেওঁৰ প্ৰতিভাৰ উজ্জ্বলতম প্ৰকাশ হৈছে তেওঁৰ ক্ষুদ্ৰতম পৰিসৰৰ গানসমূহত।

মুক্তধাৰা ১৯২২ ঃ ৰক্তকৰবী ১৯২৬

মুক্তধাৰা নাটকৰ লগত আগৰ নাটক প্ৰায়শ্চিত্তৰ অলপ অচৰপ মিল আছে ; দুয়োখন নাটকৰেই কাহিনী-ভাগত আছে ধনঞ্জয় বৈৰাগী। ৰবীন্দ্ৰনাথৰ পৰিকল্পিত চৰিত্ৰসমূহৰ ভিতৰত এই ধনঞ্জয় বৈৰাগী অন্যতম শ্ৰেষ্ঠ। ১৯০৯ চনত যেতিয়া প্ৰায়শ্চিত্ত প্ৰথম প্ৰকাশিত হয় তেতিয়া ধনঞ্জয় বৈৰাগীৰ মুখত অহিংস প্ৰতিৰোধৰ বাণী শুনি দৈৱবাণী যেন লাগিছিল, আকৌ অনেকৰ দৈৱবাণীৰ দৰেই অবাস্তৱ যেনে লাগিছিল। কিন্তু ১৯২২ চনত যেতিয়া মুক্তধাৰা প্ৰকাশিত হ'ল তেতিয়া ধনঞ্জয় বৈৰাগীৰ বাণীয়ে বাস্তৱ ভিত্তি পালে, কাৰণ ইতিমধ্যে গান্ধীজীৰ আবিৰ্ভাৱ ঘটিছে। প্ৰায়শ্চিত্ত আৰু মুক্তধাৰাৰ মাজত ইয়াৰ বাহিৰে আন মিল নাই। নাটক দুখনি দুই ভিন্ন পৰ্য্যায়ৰ ৰচনা। বলাকা কাব্য ৰচনাৰ সময়ৰপৰা কাব্য, নাটক আৰু আন আন অনেক ৰচনাত ৰবীন্দ্ৰ-সাহিত্যৰ মাজত এক নতুন দৃষ্টি বা চেতনাই দেখা দিছে বুলি অনুকিয়াই আহিছো। কবি আৰু ব্যক্তিৰে সৈতে ব্যক্তিৰ, বা ব্যক্তিৰে সৈতে প্ৰকৃতিৰ লীলা দেখুৱায়েই তৃপ্ত নহয়—এইবাৰ তেওঁ ব্যক্তিৰে সৈতে সমাজৰ সম্বন্ধ আৰু সংঘৰ্ষ দেখুৱাব খোজে। চিৰকালৰ লীলাময় মানুহ এইবাৰ আধুনিক কালৰ সংগ্ৰামী মানুহ হৈ ৰবীন্দ্ৰ-সাহিত্যত দেখা দিবলৈ আৰম্ভ কৰিছে। মুক্তধাৰা আৰু ৰক্তকৰবী এই ভাৱবাহী শ্ৰেষ্ঠ উদাহৰণ।

ব্যক্তি আৰু সমাজৰ মাজত যন্ত্ৰ নামেৰে এটা নতুন সত্তা আহি ভুলাইছেহি, আৰু ফলত ব্যক্তি আৰু সমাজৰ সম্বন্ধ হৈ পৰিছে জটিলতৰ। সমাজ অৰ্থাৎ সংঘবদ্ধ মানুহ যন্ত্ৰদেৱতাৰ সমৰ্থক, ব্যক্তি হৈছে যন্ত্ৰৰ বিৰোধী। এই সূত্ৰেই ব্যক্তি আৰু সমাজৰ ভিতৰত সংঘৰ্ষ অনিবাৰ্য হৈ উঠিছে। অভিজিতৰ লগত সংগ্ৰাম উত্তৰকূটৰ মানুহৰ—কিয়নো মাজত আহি পৰিছেহি মুক্তধাৰাৰ বান্ধৰূপ যন্ত্ৰটো। ৰঞ্জনৰ লগত বিৰোধ ৰক্তকৰবীৰ ৰজাৰ—কিয়নো মাজত আহি পৰিছেহি যক্ষপুৰীৰ যান্ত্ৰিক ব্যৱস্থা। এনে এক অৱস্থাত কৰ্ত্তব্য কি ? ৰবীন্দ্ৰনাথৰ মতে বিৰোধক চেৰাই গৈ সমাধান পাব নোৱাৰি, যন্ত্ৰক আঘাত কৰিব লাগিব ; অৱশ্যে সেই আঘাত যন্ত্ৰেৰে নহয়—প্ৰাণেৰে। ইয়াৰ ফলত প্ৰাণ যাব। অভিজিৎ আৰু ৰঞ্জন দুয়োজনেই মৰিব লগা হৈছে। কিন্তু ইয়াৰ বাহিৰে যে আৰু উপায় নাই। বৃহত্তৰ যন্ত্ৰেৰে যন্ত্ৰক পৰাজিত কৰিলে যন্ত্ৰৰেহে জয় ঘোষিত হয়। প্ৰাণেৰে আঘাত কৰি প্ৰাণৰ জয় ঘোষণা কৰিব

লাগিব—এয়ে হ'ল কবিৰ বাণী। প্ৰসঙ্গতঃ ইয়াৰেপৰই ব্যক্তিৰো জয় প্ৰমাণিত হব।

মুক্তধাৰা আৰু ৰক্তকৰবী—এই দুয়োখন নাটকৰে এয়ে হ'ল মৰ্ম্মকথা।

কিন্তু ৰচনা দুখনিৰ সাহিত্যৰস ইমান সহজতে বুজাটো কঠিন। কবিৰ ভাটী বয়সৰ তত্ত্বনাট্যসমূহৰ ভিতৰত নাটক হিছাপে মোৰ মনেৰে মুক্তধাৰাই শ্ৰেষ্ঠ। তুলনাত ৰক্তকৰবীৰ নাটকীয় গতি মন্থৰ। ৰক্তকৰবী নানা শাখা-প্ৰশাখাত নিজকে বিয়পাই দি মন্থৰ হৈ পৰিছে—মুক্তধাৰাৰ গতি অব্যৰ্থ-সন্ধানী ধনুৰপৰা নিক্ষিপ্ত শৰৰ দৰে একাগ্ৰ আৰু ঋজু।

ইংৰাজীত যাক myth making ক্ষমতা বোলে, অৰ্থাৎ জগৎ গঢ়ি তোলাৰ যি ক্ষমতা, ৰবীন্দ্ৰনাথৰ ভিতৰত সি সুপ্ৰচুৰ। ৰক্তকৰবীৰ এই দুৰ্ল্লভ ক্ষমতাৰ সুস্থ প্ৰকাশ হৈছে। যক্ষপুৰী নামেৰে এখন উপজগতক কবিয়ে লৌকিক নাম আৰু ৰূপৰ ভিত্তিত গঢ়ি তুলি বিশ্বাসযোগ্য কৰি তুলিছে। এই ৰচনাত শিল্পীৰে সৈতে চিন্তানায়কৰ সাৰ্থক সমন্বয় ঘটিছে, আৰু ইয়েই ভাৰতীয় সাহিত্যৰ সম্মুখত নতুন সম্ভাৱনাৰ এখনি বহল দুৱাৰ মুকলি কৰি ধৰিছে।

প্ৰমথনাথ বিশী

বিসর্জ্জন

চৰিত্ৰ

গোবিন্দমাণিক্য	ত্ৰিপুৰাৰ ৰজা
নক্ষত্ৰৰায়	হুমলীয়া ৰাজভ্ৰাতা
ৰঘুপতি	ৰাজপুৰোহিত
জয়সিংহ	ৰঘুপতিৰ দ্বাৰা পালিত ৰাজপুত-যুৱক, ৰাজমন্দিৰৰ সেৱক
চাঁদপাল	দেৱান
নয়নৰায়	সেনাপতি
ধ্ৰুৱ	ৰাজপালিত শিশু
গুণৱতী	ৰাণী
অপৰ্ণা	ভিখাৰিণী

মন্ত্ৰী, পুৰবাসীসকল, অনুচৰ, লিগিৰী আদি।

প্ৰথম অঙ্ক

প্ৰথম দৰ্শন

মন্দিৰ

[গুণৱতী]

গুণৱতী। কি দোষ কৰিছোঁ মই মাতৃৰ কাষত ?
ভিকহু ধিজন—
পেটৰ ভোকত বেচে কোলাৰ কেঁচুৱা
ভগৱতী ! তাকো তুমি দিয়া শিশু ;
পাপিষ্ঠা ধিজনী—
লোকনিন্দা ভয় কৰি
বধ কৰে পেটৰ কেঁচুৱা
তাইৰো গৰ্ভত তুমি
ঠাই দিয়া অসহায় জীৱ।
শত শত দাস-দাসী প্ৰজা লই মই
শোভা কৰি সোণৰ পালঙ্ক
আছোঁ মাথোঁ মহাৰাণী হৈ।
কৰিছোঁ লালসা—
এই মোৰ প্ৰাণৰ মাজত
আৰু এটি প্ৰাণাধিক প্ৰাণ
অনুভৱ কৰিবৰ বাবে ;
এই বক্ষ, এই বাহু দুটি,
এই কোলা, এই দৃষ্টি দাৰা
নিবিড় জীৱন্ত নীড়

বিচাৰিছোঁ৷ কবিৰ ৰচনা
মাথোঁ এইকণ
প্ৰাণ কণিকাৰ বাবে।
নতুন নয়ন দুটি মেলিব যেতিয়া
দেখিব প্ৰথমে মোক নৱ-আলোকত
অকাৰণ আনন্দৰ প্ৰথম হাঁহিটি
ফুটিব তেতিয়া
কথাহীন মুখনিত মোৰেই কোলাত।
কুমাৰ-জননী আই!
কোৱা তুমি কি পাপত বাক
কৰিলা বঞ্চিতা মোক মাতৃস্বৰ্গ হস্তে?

[ৰঘুপতিৰ প্ৰবেশ ।

প্ৰভু!
চিৰদিন ভক্তিভাবে পূজিছো মাতৃক
জানিশুনি কৰা নাই কোনো দোষ মই।
পুণ্যৰ শৰীৰ
স্বামী মোৰ মহাদেৱ সম
তেন্তে বাক দেখি কিবা দোষ
নিঃসন্তান কৰিলে আমাক
ভগৱতী শ্মশানচাৰিণী?

ৰঘুপতি। জননীৰ লীলা
কোনে পাৰে কোৱাচোঁ বুজিব?
ইচ্ছাময়ী পাষাণতনয়া
সুখ-দুখ তেওঁৰেই ইচ্ছাৰ অধীন।
ধৈৰ্য্য ধৰা ৰাণী!
এই বাৰ তোমাৰ নামত
পূজা হব জননীৰ,
সুপ্ৰসন্ন হব মাতৃ শ্যামা ভগৱতী।

গুণৱতী। পুৰোহিত দেউ!
পূজাৰ বলিৰ পশু এই বছৰৰ
মই নিজে দিম।
কৰিছো মানস—
দেৱীয়ে যদিহে দিয়ে কোলাত কেঁচুৱা
দিম মই বছৰে বছৰে
এশ ম'হ, তিনি শ ছাগলী।

ৰঘু। ৰাণী! আহোঁ মই। পূজাৰ সময় হল।

[দুয়োৰো প্ৰস্থান]

[গোবিন্দমাণিক্য, অপৰ্ণা আৰু জয়সিংহৰ প্ৰৱেশ]

জয়সিংহ। কি আদেশ, মহাৰাজ?

গোবিন্দ। ক্ষুদ্ৰ ছাগশিশু
দৰিদ্ৰ ই বালিকাৰ স্নেহৰ পুতলি
তাকে বোলে আনিছা আজুৰি
বলি দিবলই বুলি দেৱীৰ আগত?
সুপ্ৰসন্ন হই বাৰু দক্ষিণ হাতেৰে
এই বলি লব নে মাতৃয়ে?

জয়সিংহ। জানিম কিদৰে মই কোৱা মহাৰাজ!
কৰপৰা অনুচৰবোৰে
দেৱীৰ পূজাৰ বলি আনিছে বিচাৰি?
হে বালিকা! কিয় তুমি কান্দিছা মিছাতে?
গ্ৰহণ কৰিছে যাক বিশ্বৰ মাতাই
তাৰ বাবে কিয় কৰা অযথা ক্ৰন্দন?

অপৰ্ণা। কোননো তোমাৰ বাৰু সেই বিশ্বমাতা,
মোৰ সেই শিশুৱে যে নিচিনে তেওঁক।
মাতৃহীন সেই শিশু
নিচিনিলে কোনো দিনে নিজৰ মাতৃক।

মই যদি ঘৰলৈ আহোঁ বেলি কৰি
মুখত নিদিয়ে ঘাঁহ, পানী এটুপিকে
বাটলই থাকে চাই চিঞৰি চিঞৰি,
ভিক্ষা-অন্ন আমি দুয়ো খাওঁ ভাগ কৰি,
ময়ে তাৰ মাতৃ।

জয়সিংহ। মহাৰাজ! দান কৰি প্ৰাণ অংশ মোৰ
ৰাখিব পাৰিলে তাক
তাকে মই কৰিলোঁহেতেন।
কিন্তু সেই ছাগ-শিশু লইছে মাতৃয়ে
মই এবে কেনেকৈ আনিম ঘূৰাই?

অপৰ্ণা। মাতৃয়ে লইছে তাক?
মিছা কথা—ৰাক্ষসীয়ে বিচাৰিছে তাক?

জয়সিংহ। ছি ছি! নাপায়, নাপায়,
এনেকুৱা পাপ কথা নলবা মুখত।

অপৰ্ণা। মাতৃ!
তুমিয়ে নিছা নে কাঢ়ি দৰিদ্ৰৰ ধন?
ৰজাই কৰিলে চুৰ, বিচাৰৰ বাবে
শুনি আহোঁ আছে বোলে জগতৰ ৰজা,
কিন্তু তুমি যদি চুৰ কৰা
কোনেনো তোমাৰ বাক কৰিব বিচাৰ?
মহাৰাজ! কোৱা তুমি—

গোবিন্দ। বাছা! কিনো কম, মই বাক্যহীন।
অত ব্যথা কিয়, অত ৰক্ত কিয়
কোনে মোক পাৰে কই দিব?

অপৰ্ণা। এই চোৱা মহাৰাজ!
পৰি আছে ৰক্তচিহ্ন চকুৰ আগত।
এয়ে নেকি তাৰ ৰক্ত বাক?
হায় হায় বাছা মোৰ!
এয়ে তোৰ আছিল ভাগ্যত?

নেজানো সি মোক মাতি কান্দিলে কিমান,
কম্পিত কাতৰ বক্ষে
চাইছিল চাৰিফালে ব্যাকুল নয়নে,
মোৰ প্ৰাণ যতে নেথাকক
বাউলী বতাহ হই
কিয় বাৰু একেলৰে নাহিলোঁ তেতিয়া ?

জয়সিংহ। (প্ৰতিমালৈ চাই)
আজন্ম পূজিলোঁ তোক ভক্তিভাৱে মই
তথাপিতো মায়া তোৰ নুবুজিলোঁ মাতৃ।
মানৱৰ প্ৰাণে কান্দে আত্ৰ করুণাত
দয়া নাই বিশ্বজননীৰ !

অপৰ্ণা। (জয়সিংহক)
নোহোৱা নিষ্ঠুৰ তুমি।
মোৰ দুখ, মোৰ বেদনাত
জৰি পৰে অশ্ৰুকণা চকুত তোমাৰ।
তেন্তে আৰু নাথাকিবা ইস্থানত তুমি
এৰি আঁহা ঁই মন্দিৰ বাহিৰ ওলাই।
মাৰ্জ্জনা কৰিবা মোক,
দোষী বুলি মিছাতেই ভাবিলোঁ তোমাক।

জয়সিংহ। (প্ৰতিমালৈ চাই)
ইকি তয়ু মন্দিৰত নতুন সঙ্গীত
করুণা কাতৰ কণ্ঠস্বৰে
ধ্বনিত হইছে আজি হে গিৰিনন্দিনী !
ভক্তৰ হৃদয় এবে
অপৰূপ বেদনাত উঠিছে আকুলি।
হে শোভনে ! কেনি যাম এৰি ই মন্দিৰ
আশ্ৰয়ে বা আছে কত ?

গোবিন্দ। (একলীয়াকৈ) যত আছে প্ৰেম।

জয়সিংহ। কত আছে প্ৰেম ?
বলা ভদ্ৰে !
যাও মোৰ ক্ষুদ্ৰ পঁজালৈ।
কৰিছোঁ মনতে পণ
অতিথিক দেৱীৰূপে দিম আজি পূজা।

[জয়সিংহ আৰু অপৰ্ণাৰ প্ৰস্থান]

দ্বিতীয় দৰ্শন

ৰাজসভা

[সভাসদসকল নিজ নিজ স্থানত। ৰজা,
ৰঘুপতি আৰু নক্ষত্ৰৰায়ৰ প্ৰবেশ ।]

সকলোৱে। (থিয় হৈ) জয় হক, মহাৰাজ !
ৰঘুপতি। ৰাজভাণ্ডাৰলৈ
আহিছোঁ বালৰ পশু কৰিব সংগ্ৰহ।
গোবিন্দ। এই বছৰৰপৰা
মন্দিৰত পশু-বলি কৰিছোঁ নিষেধ।
নয়ন। বলি নিষেধ !
মন্ত্ৰী। নিষেধ !
নক্ষত্ৰ। সেয়েতো ! বলি নিষেধ !
ৰঘু। ই কি কথা শুনিছোঁ স্বপ্নত ?
গোবিন্দ। স্বপ্ন নোহে, প্ৰভু !
ইমান দিনে আছিলোঁ স্বপ্নত
আজি জাগৰণ।
বালিকাৰ মূৰ্ত্তি ধৰি
নিজেই জননী আহি কই গল মোক—
জীৱৰক্ত তেওঁ আৰু নোৱাৰে সহিব।

ৰঘুপতি। অত দিনে সহিলে কিদৰে ?
সহস্ৰ বছৰ ধৰি কৰি ৰক্তপান
আজি কিয় অৰুচি হঠাৎ ?
গোবিন্দ। কৰা নাই ৰক্তপান তেওঁ।
দেৱীয়ে লুকায় মুখ
তোমালোকে কৰা পান শোণিত যেতিয়া।
ৰঘুপতি। মহাৰাজ ! ভালদৰে চোৱা ভাবি-চিন্তি
তোমাৰ অধীন নোহে শাস্ত্ৰৰ বিধান।
গোবিন্দ। সকলো শাস্ত্ৰৰ বৰ দেৱীৰ আদেশ।
ৰঘুপতি। একেয়ে ভ্ৰান্তি, তাতে পুনু অহঙ্কাৰ।
হেৰা অজ্ঞ নৰ !
তুমিহে শুনিছা নেকি দেৱীৰ আদেশ
শুনা নাই মই ?
নক্ষত্ৰ। সেয়েতো। কি কোৱা মন্ত্ৰী তুমি ?
বৰ আচৰিত কথা
পুৰোহিতে শুনা নাই ?
গোবিন্দ। নিত্যকালে দেৱীৰ আদেশ
জগতত হৈছে ধ্বনিত।
যিজন বধিৰতম আছে জগতত
সেই জনে সেই বাণী শুনিও নুশুনে।
ৰঘুপতি। পাষণ্ড, নাস্তিক তুমি !
গোবিন্দ। নকৰি সময় নষ্ট পুৰোহিত দেউ !
লাগাগই মন্দিৰত নিজৰ কামত।
যাওঁতে বাটত তুমি কৰিবা প্ৰচাৰ—
মোৰ এই ত্ৰিপুৰা ৰাজ্যত
জীৱ-বলি কৰিছোঁ নিষেধ।
জীৱ-জননীৰ মোৰ পূজাৰ ছলেৰে
জীৱহত্যা কৰিব যিজনে
দিম তাকে দণ্ড নিৰ্ব্বাসন।

ৰঘুপতি। এয়ে নেকি হ'ল স্থিৰ ?

গোবিন্দ। এৰা, এয়ে স্থিৰ।

ৰঘুপতি। (উঠি) তেন্তে
উচ্ছন্ন—উচ্ছন্ন যা।

[উধাতু খাই চাঁদপালৰ প্ৰৱেশ]

চাঁদপাল। ৰোৱা, ৰোৱা দেউ ! ক্ষান্ত হোৱা।

গোবিন্দ। বহা চাঁদপাল !
পুৰোহিত ! কৈ যোৱা তুমি।
মনোব্যথা লঘু কৰি যোৱা কামনাই।

ৰঘুপতি। মহাৰাজ ! ভাবিছা হবলা
ত্ৰিপুৰাৰ প্ৰজা তব ত্ৰিপুৰ-ঈশ্বৰী ?
পালিব লাগিব তেওঁ তোমাৰ নিয়ম ?
দেৱীৰ পূজাৰ বলি কাঢ়ি লবলই
নাই—নাই ৰজা ! শকতি তোমাৰ
থাকোঁতে ই মাতৃৰ সেৱক।

[বেগেৰে প্ৰস্থান]

নয়ন। ক্ষমা কৰা অধীনৰ স্পৰ্দ্ধা ! মহাৰাজ
কোন অধিকাৰ বলে তুমি প্ৰভু
জননীৰ বলি—

চাঁদ। শান্ত হোৱা, সেনাপতি !

মন্ত্ৰী। মহাৰাজ ! একেবাৰে কৰিলা নে স্থিৰ
নহব নে লৰচৰ আদেশ তোমাৰ ?

গোবিন্দ। নহয়, কেতিয়াও নহয়, মন্ত্ৰী !
পাপ নিৰ্ম্মূলৰ বাবে
বিলম্ব কদাপি আৰু নহয় উচিত।

মন্ত্ৰী। ইমানেই পৰমায়ু হল নে পাপৰ ?
কত শত বৰ্ষ ধৰি যি প্ৰাচীন প্ৰথা

হলছি ইমান বৃদ্ধ
দেৱতাৰ চৰণতলত
সিকি জানো আজি হব পাৰে পাপ ?

[ৰজাৰ নিৰুত্তৰ হৈ চিন্তা]

নক্ষত্ৰ। সেয়েতো হে মন্ত্ৰী !
সি কি জানো আজি হব পাৰে পাপ ?
মন্ত্ৰী। পিতৃ পিতামহসৱে যত্ন ভক্তিভাৱে
আহিছে পালন কৰি সনাতন ৰীতি
অপমান কৰিলে সি ৰীতি
সিসৱবো হব অপমান।

[ৰজাৰ চিন্তা]

নয়ন। ভাবি চোৱা, মহাৰাজ !
যুগে যুগে পাইছে যি শত সহস্ৰৰ
ভক্তিৰ সন্মতি,
আজি তাক নাশ কৰিবৰ
আছে নে তোমাৰ বাৰু কিবা অধিকাৰ ?
গোবিন্দ। (হুমুনিয়াহ কাঢ়ি) নকৰিবা তৰ্ক।
যোৱা মন্ত্ৰী ! কৰাগই আদেশ প্ৰচাৰ
আজি হন্তে ত্ৰিপুৰাত বন্ধ বলিদান।

[প্ৰস্থান]

মন্ত্ৰী। ই কি হল !
নক্ষত্ৰ। সেয়েতো মন্ত্ৰী, ই কি হল !
শুনিছিলো বলি নাই মগ-মন্দিৰত
সেয়ে হল ইয়াতো শেষত,
ভেদাভেদ লোপ পালে
মগ আৰু হিন্দুৰ মাজত।

কি কোৱা, হে চাঁদপাল !
মনে মনে বলা কিয় তুমি ?

াদপাল। ভীৰু মই ক্ষুদ্ৰ প্ৰাণী, বুদ্ধি বৰ কম
সুবুদ্ধি পালন কৰোঁ ৰজাৰ আদেশ।

তৃতীয় দৰ্শন

মন্দিৰ

[অকলে জয়সিংহ]

জয়সিংহ। আই ভগৱতী !
মাথোঁ তই আৰু মই
গোটেই দিনটো আছোঁ এই মন্দিৰত
আৰু কোনো নাই
পূৰ্ণ এই দীৰ্ঘ দিন।
তোৰ কাষৰৰপৰা
মাজে মাজে কোনে যেন মাত দিয়ে মোক
—তথাপিতো যেন মই অকলশৰীয়া !

(নেপথ্যত গীত)

মই অকলে আছিছোঁ এই ভৱলই
পথৰ সন্ধান মোৰ কোনে দিব কই !

জয়সিংহ। আই মোৰ ! ইকি মায়া তোৰ
দেৱতাক প্ৰাণ দিয়ে মানৱৰ প্ৰাণ।
এই মাত্ৰ আছিলি তই নিৰ্ব্বাক নিশ্চল
উঠিলি জীৱন্ত হই,

সন্তানৰ কণ্ঠস্বৰ শুনি
হলি তই সজাগ জননী !

[গীত গাই গাই, অপর্ণাৰ প্ৰবেশ]

(গীত)

মই অকলে আহিছোঁ এই ভৱলই
পথৰ সন্ধান মোক কোনে দিব কই !
ভয় নাই, ভয় নাই,
যাওঁ মই আগুৱাই
অকলে যিদৰে যায় মউমাখি উৰি
কেৱল ফুলৰ সৌৰভ লই ।

জয়সিংহ । কেৱল অকলে ।
দক্ষিণ বতাহ যদি বন্ধ হই যায়
যদি নাহে ফুলৰ সৌৰভ
যদি জাগি উঠে দশোদিশ
দহোটি সন্দেহ সম
তেতিয়ানো সুখ কত, পথ কত ?
জানা জানো তুমি
কাক বোলে অকলশৰীয়া ?

অপর্ণা । জানো ।
বহি আছোঁ যেবে মই পূর্ণ মন লই
বিচাৰিছোঁ দিবলই, নিওতাহে নাহে ।

জয়সিংহ । সৃজনৰ পূর্ব্বে
দেৱতা আছিল যেনে অকলশৰীয়া !
সেয়েতো ! সেয়েতো !
ভাবিছোঁ মনত—
বৰ বেছি আছে এই জীৱনত,
যিমানেই বৰ, সিমানেই শূন্য,
সিমানেই আৱশ্যকহীন ।

অপর্ণা। জয়সিংহ!
বোধ কৰোঁ তুমি বৰ অকলশৰীয়া।
সেয়েহে দেখিছোঁ মই কঙাল বিজন
তাতকৈও হলা বেছি তুমি যে কঙাল।
যি তোমাৰ সকলোকে নিব পাৰে কাঢ়ি
তাকে যেন তুমি আজি ফুৰিছা বিচাৰি।
ভ্ৰমি যে ফুৰিছা তুমি
দীনদুখীসকলৰ দুৱাৰে দুৱাৰে।
ফুৰিছোঁ ইমান দিনে মযো ভিক্ষা কৰি—
দেখা পালোঁ কিমান মানুহ,
কিমানৰ মুখলই চাইছোঁ কাতৰে
এমুঠি ভিক্ষাৰ বাবে,
তাকে ভাবি দয়া কৰি দুৰৰ পৰাই
দিয়ে মোক মুষ্টিভিক্ষা দান।
পোৱা নাই কতো এনে দয়া
যাক পাই মোৰ
নিজৰ দৈন্যৰ কথা নপৰে মনত।
জয়সিংহ। যথাৰ্থ যিজন দাতা নামি আহে তেও
ভূমি তললই
দানৰূপে দৰিদ্ৰৰ ফালে,
যিদৰে আকাশ হন্তে নামি আহে মেঘ
এই মৰুলৈ—
সেইদৰে মানবী বেশেৰে
নামি আহে দেৱী
যাক তেওঁ ভাল পায় তাৰ কাষলই।
দৰিদ্ৰ আৰু দাতা
দেৱতা আৰু মানৱ
মিলি যায় হৈ একাকাৰ।
সোৱা, আহিছে মোৰ গুৰুদেৱ!

অপর্ণা। মই তেনে যাওঁ দূৰলৈ।
বৰ ভয় লাগে ব্ৰাহ্মণক
কি কঠিন তীব্ৰ দৃষ্টি!
কঠিন ললাট
পাষাণ সোপান যেন দেৱী-মন্দিৰত।

[অপর্ণাৰ প্ৰস্থান]

জয়সিংহ। কঠিন? কঠিন সঁচাই।
বিধাতাৰ দৰে
কঠিনতা নিখিলৰ অটল নিৰ্ভৰ।

[ৰঘুপতিৰ প্ৰবেশ]

জয়সিংহ। (ভৰি ধুবলৈ পানী আগবঢ়াই দি)
গুৰুদেৱ!

ৰঘুপতি। যা, যা, আঁতৰি যা।

জয়সিংহ। যতনাই আনিছো জল।

ৰঘু। নেলাগে। থৈ দে জল।

জয়সিংহ। বসন—

ৰঘু। কোনে বিচাৰিছে বসন?

জয়সিংহ। অপৰাধ কৰিছোঁ কিবা, গুৰুদেৱ?
কিনো অপৰাধে মই
অপৰাধী হলোঁ গুৰুদেৱ?

ৰঘু। আকউ?
কোনে কলে অপৰাধ কৰা বুলি তই?
ঘনাই আহিছে নামি ঘোৰ কলিকাল—
বাহুবলে বাহুসম
ব্ৰহ্মতেজ বিচাৰে গ্ৰাসিব,
সিংহাসনে তোলে শিৰ যজ্ঞৰ বেদীত।
হায়, হায়, কলিৰ দেৱতা!
তোমালোকো হলা আজি

সভাসদ সম চাটুকাৰ
নতশিৰে ৰাজআজ্ঞা কৰিছা বহন।
চতুৰ্ভুজা! চাৰিহস্ত আছা যোৰ কৰি!
পুনৰ্ব্বাৰ দৈত্যগণে
ললে নেকি অধিকাৰ বৈকুণ্ঠত গই?
দেৱতা-সমাজ পুনু
গ'ল নেকি ৰসাতললই?
দানৱে-মানৱে মিলি কৰিছে কেৱল
দৰ্প কৰি উপভোগ বিশ্বৰ ৰাজত্ব।
নাথাকিব পাৰে সি দেৱতা
কিন্তু আছে ই ব্ৰাহ্মণ।
ব্ৰাহ্মণৰ ৰোষৰ যজ্ঞত
ৰাজদণ্ড—ৰাজ সিংহাসন
হবি-কাষ্ঠ সম পুৰি হই যাব ছাই।

[জয়সিংহৰ ওচৰলৈ গৈ মৰমেৰে]

বৎস! তোৰ ওপৰত আজি
কৰিলোঁ যে মই বৰ ৰুঢ় আচৰণ
চিত্ত মোৰ ক্ষুব্ধ—সেই বাবে।

জয়সিংহ। কি হৈছে প্ৰভু?

ৰঘু। সুধিছ কি হৈছে?
সোধ সোধ সউ—
অপমানিতা ত্ৰিপুৰেশ্বৰীক।
কি হৈছে আজি মোৰ
ই মুখেৰে তোক মই কম কেনেকৈ?

জয়সিংহ। কোনে কৰিলে অপমান?

ৰঘু। গোবিন্দমাণিক্যই।

জয়সিংহ। গোবিন্দমাণিক্যই?
প্ৰভু! কাক কৰিলে অপমান?

ৰঘু। কাক কৰিলে অপমান ?
তোক, মোক, সৰ্ব্বশাস্ত্ৰ, সৰ্ব্বদেশ,
সৰ্ব্বকাল, সৰ্ব্বদেশকাল-অধিষ্ঠাত্ৰী
মহাকালী,
সকলোকে কৰিলে অপমান
ক্ষুদ্ৰ সিংহাসনত বহি।
মাতৃৰ পূজাৰ বলি গৰ্ব্বিত ৰজাই
স্পৰ্দ্ধাভৰে কৰিছে নিষেধ।

জয়সিংহ। গোবিন্দমাণিক্যই ?

ৰঘু। এৰা, এৰা, গোবিন্দমাণিক্যই।
তোৰ সৰ্ব্বশ্ৰেষ্ঠ জন
তোৰ সেই প্ৰাণৰ অধীশ্বৰ ৰজাই।
অকৃতজ্ঞ !
কেঁচুৱা কালৰেপৰা ইমান স্নেহেৰে
তোক মই কৰিলোঁ পালন,
মোতকৈও প্ৰিয়তৰ
তোৰ বাবে হল আজি গোবিন্দমাণিক্য ?

জয়সিংহ। প্ৰভু !
পিতৃৰ কোলাত বহি ক্ষুদ্ৰ মুগ্ধ শিশু
হাত মেলে আকাশৰ জোনটোৰ ফালে।
দেৱ !
তুমি গুৰু, তুমি পিতা মোৰ,
পূৰ্ণচন্দ্ৰ মহাৰাজ গোবিন্দমাণিক্য।
কিন্তু, ইকি বলকিছোঁ মই ?
কি কথা শুনিছো ?
মাতৃৰ পূজাৰ বলি
নিষেধ কৰিছে ৰজা ?
কোনে এই মানিব আদেশ ?

ৰঘু। নেমানিলে দিব নিৰ্ব্বাসন।

জয়সিংহ। মাতৃপূজাহীন ৰাজ্য হন্তে নির্বাসন
—সি যে একো দণ্ডই নহয়।
থাকে মানে এই প্ৰাণ
নেথাকিব অসম্পূর্ণ জননীৰ পূজা।

চতুৰ্থ দৰ্শন

অন্তেসপুৰ

[গুণৱতী আৰু লিগিৰী]

গুণৱতী। কি কলি লিগিৰী তই ?
মন্দিৰৰ দুৱাৰৰ পৰা
ৰাণীৰ পূজাৰ বলি দিছে ওলোটাই ?
এটা দেহে তাৰ ধৰে কেই মূৰ ?
কোন সেই দুৰদৃষ্ট
কাৰ হল ইমান সাহস ?
লিগিৰী। মহাৰাণী !
কবলৈ নহয় সাহস।
গুণৱতী। কবলৈ নহয় সাহস !
এই কথা কলি তই কোন সাহসত ?
মোতকই কৰ কাক তই বেছি ভয় ?
লিগিৰী। ক্ষমা কৰা মোক।
গুণৱতী। আবেলি পৰত কালি
আছিলোঁ মহিষী মই,
আবেলি পৰত কালি
বন্দীগণে কৰি গল স্তৱগান মোৰ,
বিপ্ৰগণে এৰি গল আশিস বচন,
ভৃত্যগণে কৰযোৰে শুনিলে আদেশ

কিন্তু
এৰাতিৰ ভিতৰতে আজি
সকলোৰে হৈ গল ওলটপালট,
দেৱীয়ে নেপালে পূজা,
হই গল অৱনত ৰাণীৰ মহিমা।
ত্ৰিপুৰা কি স্বপ্নৰাজ্য আছিল এমুৰা ?
কত আছে পুৰোহিতদেউ
যা, সোণকাল আনগৈ মাতি।

[লিগিৰীৰ প্ৰস্থান। গোবিন্দমাণিক্যৰ প্ৰবেশ]

গুণৱতী। মহাৰাজ ! শুনিছা নে তুমি
দেৱীৰ পূজাৰ বলি ৰাণীয়ে পঠোৱা
মন্দিৰদাৱৰপৰা দিছে ওলোটাই ?

গোবিন্দ। জানো মই।

গুণৱতী। জানা তুমি—নকৰিলা তথাপি নিষেধ ?
মহিষীৰ অপমান
জ্ঞাতসাৰে হৈছে তোমাৰ !

গোবিন্দ। সেই বাবে প্ৰিয়ে তুমি ক্ষমা কৰা মোক।

গুণৱতী। দয়াৰ শৰীৰ তব, কিন্তু মহাৰাজ !
ইয়াক নোবোলে দয়া
ই মাথোন কাপুৰুষতা।
দয়াত দুৰ্ব্বল তুমি
নিজ হাতে দণ্ড দিব অসমৰ্থ যদি
মই নিজে দণ্ড দিম
কোৱা মাথোঁ তুমি মোক
অপৰাধী কোন ?

গোবিন্দ। ৰাণী ! মই।
অপৰাধ তেনে একো বিশেষ নহয়

কষ্ট দিছোঁ মনত তোমাৰ
হব পাৰে মাথোঁ মোৰ সেয়ে অপৰাধ।

গুণৱতী। কি কৈছা তুমি, মহাৰাজ ?

গোবিন্দ। আজি হস্তে দেৱতা-নামত
জীৱৰক্তপাত
হৈছে নিষেধ মোৰ ত্ৰিপুৰা ৰাজ্যত।

গুণৱতী। কাৰ নিষেধ ?

গোবিন্দ। জননীৰ।

গুণৱতী। কোনে শুনিছে ?

গোবিন্দ। মই।

গুণৱতী। মহাৰাজ! শুনি হাঁহি উঠা কথা।
ৰাজসমীপত তব আবেদন লই
আহিছিল ভুবন-ঈশ্বৰী ?

গোবিন্দ। নেহাহিবা ৰাণী!
জননী নিজেই আহি পুত্ৰৰ প্ৰাণত
বেদনা জগাই গল নোহে আবেদন।

গুণৱতী। মহাৰাজ! তুলি লোৱা আদেশ তোমাৰ।
মন্দিৰৰ বাহিৰত তোমাৰ ই ৰাজ্য,
ঘিস্থানত তব নচলে শাসন
তাত তুমি নিদিবা আদেশ।

গোবিন্দ। নোহে মোৰ শাসনৰ কথা
ই যে মাতৃৰ আদেশ।

গুণৱতী। জানিলা কিদৰে তুমি ?

গোবিন্দ। ক্ষীণ দীপালোকত
ৰই যায় অন্ধকাৰ গৃহৰ কোণত।
সকলোকে পাৰে
কিন্তু নোৱাৰে সি দীপে
কোনোমতে আঁতৰাব নিজৰেই ছায়া।
মানৱৰ বুদ্ধি জানা সেই দীপ সম

কৰে দান যিমানে পোহৰ
বাথে মাথোঁ সিমানেই সংশয়ৰ ছায়া।
স্বৰ্গ হস্তে নামে যেবে জ্ঞান
নিমিষতে টুটি যায় সকলো সংশয়।
মোৰ হৃদয়ত এবে
নাই আৰু অলপো সংশয়।

গুণৱতী। শুনিছো মানুহে কোৱা
পাপ-পুণ্য মানুহৰ নিজা লগৰীয়া।
তুমি থাকা তোমাৰ সি অসংশয় লই,
এৰি দিয়া মোৰ বাট
মই যাওঁ পূজা-বলি লই
মোৰ মাতৃ গোসাঁনীৰ চৰণ ধিয়াই।

গোবিন্দ। দেৱী!
মাতৃৰ আদেশ মই নোৱাৰোঁ লঙ্ঘিব।

গুণৱতী। ময়োতো নোৱাৰোঁ।
মাতৃৰ কাষত আছোঁ প্ৰতিশ্ৰুত হই
সেইমতে
যথাশাস্ত্ৰ যথাবিধি পূজিম জননী।
যোৱা, তুমি যোৱা।

গোবিন্দ। যি আদেশ, মহাৰাণী!

[ৰজাৰ প্ৰস্থান। ৰঘুপতিৰ প্ৰৱেশ]

গুণৱতী। পুৰোহিত!
মোৰ পূজা তুমি বোলে দিছা ওলোটাই
মন্দিৰৰ দুৱাৰৰ পৰা?

ৰঘুপতি। মহাৰাণী! ঘূৰি গ'ল জননীৰ পূজা
সেই পূজা তোমাৰ নহয়।
উঞ্ছবৃত্ত দৰিদ্ৰৰ ভিক্ষালব্ধ পূজা
ৰাজেন্দ্ৰাণী!

নোহে কম তোমাৰ পূজাতকই।
কিন্তু ই যে বৰ সৰ্ব্বনাশ হল
—গোসাঁনীৰ পূজা ঘূৰি গ'ল!
সঁচাকৈয়ে ই যে বৰ সৰ্ব্বনাশ
ৰাজদৰ্প ক্ৰমে স্ফীত হই
কৰে আজি অতিক্ৰম
পৃথিবীৰ ৰাজত্বৰ সীমা,
বোধ কৰি দেৱতাৰ দ্বাৰ
চকু ৰঙা কৰি চায় ভক্তসকলক।

গুণৱতী। কি হব এতিয়া, পুৰোহিত?

ৰঘুপতি। জানে মহামায়া নিজে।
মই মাথোঁ জানো ইমানকে
যি সিংহাসনৰ ছায়া
ত্ৰৱাৰত পৰিছে মাতৃৰ,
সেই দম্ভ মঞ্চখনি
ফুতে উৰি ফাটি যাব জলবিম্ব সম।
যুগে যুগে ৰাজপিতা-পিতামহ মিলি
তুলিছে উৰ্দ্ধৰ ফালে যি ৰাজমহিমা
অভ্ৰভেদী কৰি
মুহূৰ্ত্ততে হই যাব ধূলিসাৎ সিটো
বজ্ৰদীৰ্ণ, দগ্ধ আৰু ঝঞ্ঝাহত হই।

গুণৱতী। ৰক্ষা কৰা, ৰক্ষা কৰা প্ৰভু!

ৰঘুপতি। এৰা, এৰা,
ৰক্ষা কৰিব লাগে মই তোমাক?
যিজন প্ৰবল ৰজা
স্বৰ্গ-মৰ্ত্ত্য সকলোতে
প্ৰচাৰিছে নিজৰ শাসন
তেওঁৰেই ৰাণী তুমি।
দেৱতা ব্ৰাহ্মণৰ যিজন—

ধিক, ধিক শতবাৰ, ধিক লক্ষবাৰ।
আৰু ধিক কলিৰ ব্ৰাহ্মণ!
কলই পলাল আজি তোৰ ব্ৰহ্মশাপ?
ব্যৰ্থ ব্ৰহ্মতেজ আছে নিজৰ বক্ষত
আহত বিশ্চিক সম নিজকে দংশিব।
মিছা তোৰ ব্ৰহ্ম আড়ম্বৰ!

[লগুণ ছিঙিব খোজে]

গুণবতী। কি কৰা, কি কৰা দেৱ?
ৰাখা, ৰাখা, দয়া কৰা নিৰ্দোষী জনক।

ৰঘুপতি। ওভোতাই দিয়া মোক
ব্ৰাহ্মণৰ অধিকাৰ মোৰ।

গুণবতী। দিম।
যোৱা প্ৰভু! পূজা কৰা মন্দিৰলৈ' গই
নোহে আৰু পূজাৰ ব্যাঘাত।

ৰঘুপতি। যি আদেশ ৰাজৰাজেশ্বৰী।
দেৱতা কৃতাৰ্থ হল
আদেশৰ বলত তোমাৰ,
পুনৰ ঘূৰাই পালে
ব্ৰাহ্মণে নিজৰ তেজ।
ধন্য তোমালোকেই,
নহয় যেতিয়ালকে কল্কি অৱতাৰ।

[ৰঘুপতিৰ প্ৰস্থান। ৰজাৰ পুনৰ প্ৰৱেশ।

গোবিন্দ। অপ্ৰসন্ন প্ৰেয়সীৰ মুখে
লুপ্ত কৰি ৰাখি থয় বিশ্বৰ মাজত
সকলো পোহৰ, সকলো সুখকে
সেই বাবে
উন্মনা উৎসুক চিত্তে আছোঁ ঘূৰি ঘূৰি।

গুণৱতী যোৱা, যোৱা, নেলাগে আহিব
আৰু যেন অভিশাপ নানা ইয়ালই।
গোবিন্দ। প্ৰিয়তমে! প্ৰেমে কৰে অভিশাপ নাশ,
মৰম দয়াই কৰে অকল্যাণ দূৰ।
সতীৰ হৃদয় এৰি প্ৰেম যদি যায়
লাগে সেই অভিশাপ পতিৰ গৃহত।
আহোঁ তেন্তে মই দেৱী!
গুণৱতী। যোৱা। ঘূৰি আহি নেদেখাবা মুখ।
গোবিন্দ। যেতিয়াই কৰিবা স্মৰণ
তেতিয়াই আহিম আকউ। (যাব খোজে)
গুণৱতী। (ৰজাৰ ভৰিত ধৰি)
ক্ষমা কৰা, ক্ষমা কৰা নাথ!
ইমানেই হবা নে নিষ্ঠুৰ
ৰমণীৰ অভিমান ঠেলি গুচি যাবা?
নেজানা নে প্ৰিয়তম!
ব্যৰ্থ প্ৰেমে পুনু দেখা দিয়ে
ৰোষৰূপে ধৰি ছদ্মবেশ?
ভাল কথা, নিজৰেই অভিমান লই
নিজকে কৰিলোঁ মাথোঁ অপমান মই
ক্ষমা কৰা তুমি।
গোবিন্দ। প্ৰিয়তমে!
হেকৰালে বিশ্বাস তোমাত
টুটিব জীৱনবন্ধ সেই দণ্ডে মোৰ।
জানো প্ৰিয়ে! মেঘ কস্তেকীয়া
সূৰ্য্য হলে চিৰন্তন যাউতিযুগীয়া।
গুণৱতী। মেঘ কন্তেকীয়া, ই মেঘ আঁতৰি যাব,
বিধিৰ উদ্যত বজ্ৰ পুনু ঘূৰি যাব
যাউতিযুগীয়া প্ৰজা জগাই ধৰাত
চিৰন্তন সূৰ্য্য তেনে আকউ উদিব,

সর্ব্বলোকে অভয় লভিব
দুদণ্ডৰ দুঃস্বপ্ন পাহৰি পেলাব।
দিয়া তেনে আদেশ ৰাজন!
ব্ৰাহ্মণে ঘূৰাই পাওক নিজ অধিকাৰ
জননীয়ে নিজ বলি-পূজা,
ৰাজদণ্ড ঘূৰি যাক পুনু
নিজ অধিকাৰলৈ
অপ্রমত্ত মৰ্ত্ত্যৰ মাজত।

গোবিন্দ। ধৰ্ম্মহানি ব্ৰাহ্মণৰ নোহে অধিকাৰ।
অসহায় জীৱৰ ৰক্তেৰে
নহয় জননী পূজা।
পালন কৰাৰ বাবে দেৱতা-আদেশ
ৰজা বিপ্ৰ সকলোৰে আছে অধিকাৰ।

গুণৱতী। ভিক্ষা লাগে মোক।
একান্ত মিনতি মোৰ
চৰণত জানিবা তোমাৰ,
প্রভু! চিৰন্তন প্ৰথা—
চিৰপ্ৰবাহিত মুক্ত সমীৰণ সম
নোহে সি ৰজাৰ ধন,
সমস্ত প্রজাৰ হই কৰযোৰ কৰি
তাকে আজি ভিক্ষা খোজে ৰাণীয়ে তোমাৰ।
প্রিয়তম! দিছোঁ মই প্ৰেমৰ দোহাই,
বিধাতায়ো কৰিব মাৰ্জ্জনা
প্ৰেম আকৰ্ষণে হোৱা কৰ্ত্তব্যৰ ত্ৰুটি।

গোবিন্দ। মহাৰাণী! ইও জানো উচিত তোমাৰ?
নীচ স্বাৰ্থ, নিষ্ঠুৰ ক্ষমতা দৰ্প,
অন্ধ অজ্ঞানতা,
চিৰদিনে ৰক্তপান কৰি
স্ফীত হোৱা হিংস্ৰ বৃদ্ধ প্ৰথা

সহস্র শত্ৰুৰ স'তে
অকলই যুদ্ধ কৰোঁ মই।
শ্ৰান্ত, ক্লান্ত দেহ লই আহোঁ গৃহলই
অমৃত কৰিব পান নাৰীৰ চিত্তত।
তাতো নেকি নাই দয়া-সুধা ?
গৃহৰ মাজত যিবা বয় পুণ্য প্ৰেম
তাতো কি মিহলি আজি হল ৰক্তধাৰা ?
ইমান ৰক্তৰ স্ৰোত
দিলে খুলি কোন সি দৈত্যাই ?
ভক্তিৰ লগত, প্ৰেমৰ লগত
ৰক্ত কিদৰে মিহলি হয়
দয়াময়ী ৰমণী প্ৰাণত,
ক্ৰুৰ হিংসা দিয়ে জাপি শোণিতৰ চাপ!
এই শোণিতকো বাৰু
কিয় মই নকৰিম বোধ ?

গুণৱতী। (মুখ ঢাকি) যোৱা, যোৱা তুমি।

গোবিন্দ হায় মহাৰাণী। কৰ্ত্তব্য কঠিন হই
তোমালোকে যুৰালা যে মুখ।

[ৰজাৰ প্ৰস্থান]

গুণৱতী (কান্দি উঠি) হেৰ অভাগিনী!
ইকি ভ্ৰান্তি তই
পুহিলি ইমান দিনে মনৰ মাজত ?
নাছিল সংশয় লেশ
ব্যৰ্থ হব আজি এনে দৰে
অত অনুৰোধ, অত অনুনয়,
অত অভিমান মোৰ।
ধিক তই পুত্ৰহীনা!
কি স্নেহেৰে অভিমান জনালি পতিক

ছাই হৈ য'ক অভিমান তোৰ
ছাই হৈ য'ক পোৰা কপাল
ছাই হৈ য'ক আজি তোৰ মহিষীগৰব।
আৰু নোহে প্ৰেমৰ ধেমালি
আৰু নোহে স্নেহৰ ক্ৰন্দন।
বুজি ললোঁ নিজ স্থান মই
হয় হব নতশিৰ ধূলিৰ তলত
নতু হব
উৰ্দ্ধফণা ভুজঙ্গিনী নিজ বিক্ৰমেৰে।

পঞ্চম দৰ্শন

মন্দিৰ

[এদল মানুহৰ প্ৰবেশ]

নেপাল। বোলোঁ হেৰ! ক'ত অ' ক'ত? তইঁতৰ তিনি শ পঠা, এশ ম'হ গল কলৈ? ছাগলীৰ নেজতো দূৰৰ কথা জেঠীৰ নেজ এডালকে দেখোন চকুত পৰা নাই একা? ঢুলীয়া কালীয়া কলৈ গ'ল? বাজ্যৰ বা-টোৰেই নাই, সকলোৱে হাঁ কৰি মুখ মেলি চাই আছে? ইমান খৰচ কৰি আহিলোঁ ৰজাঘৰৰ পূজা চাবলৈ। বোলোঁ তাৰেই এই উপযুক্ত পৰ্ তিফল হল পাই?

গণেশ। হেৰৌ কটা! মন্দিৰৰ দুৱাৰমুখত থিয় হৈ এনেবোৰ অমঙলীয়া বাইক্ নেমাতিবি। এনেয়ে পঠাৰ তেজ পিবলৈ নেপাই গোসাঁনীৰ খং উঠি আছে, তাতে তেও জাগিব লাগিলে তইঁতকে গোটে গোটে মুখত ভৰাব, বুইছ? পাবি তেতিয়া মজাচাট।

হাৰু। কিয়? যোৱা বছৰ তইঁত ক'ত মৰিছিলি? আৰু সেইবছৰ ৰাণী আয়ে যেতিয়া ৰবত ভাঙি দেবীক পূজা দিছিল তেতিয়া

তইঁতৰ ভৰিত কোটকোৰা কাঁইটে বিন্ধিছিল নেকি ? তেতিয়া আছি এবাৰ চাই যাব নোৱাৰিলি, হোঁ ? গোটেই গোমতী নৈ-খনেই বলিৰ তেজেৰে বঙা হৈ গৈছিল নহয়। এই বাৰ তইঁত কুলক্ষণীয়াইঁত অহাৰ কাৰণেহে গোসাঁনীৰ খোৰাকী পৰ্য্যন্ত বন্ধ হৈ গল। এটা এটা কৰি তইঁতক ঘেচ ঘেচ কৈ কাটি দেৱীৰ আগত লগাব পাৰিলেহে মোৰ মনত সুখ লাগিব।

কানু। হেৰ ভাই ! মিছাতে খংখন নেখাবিচোন। আমাৰ জানো মুখ ফুটাই কবলৈ মুখ আছে ? থকা হলে আজি নীৰবে থিয় হৈ এনে কথাও শুনিব লাগে নে ?

হাৰু। তই থিহকে নকব ভাই ! অলপ কথাতে যে মোৰ টিঙিচ্ কৰি খংটো উঠে সেই কথা সঁচা। সিদিনা সি মোক খুলশালী বুলি কৈও সাৰিল। নকৈছোঁ আৰু এখোপ উধোৱা হলে একেপাত কাঁণতলীয়া চৰতে—

নেপাল। তেন্তে লাগিয়েই চাচোন, কোনটো কিমানৰ মুনিহ জুখিয়েই চোৱা যাওক।

হাৰু। আহ তেন্তে। জানিছ ? ইয়াৰ দাফাদাৰজন মোৰ মোমাইৰ পুতেক ভাই হয়।

নেপাল। তেন্তে লৈ আহ তাকে। তোৰ মোমায়েৰকো লৈ আহগৈ। তোৰ দাফাদাৰৰে একেবাৰে দফা ৰফা কৰি দিওঁ।

হাৰু। দেখিলি ? তইত সকলোৱে দেখিলি ?

গণেশ। এৰ্ ভাই ! কাজিয়া এৰি দে। এতিয়া ঘৰাঘৰি যাওঁহক বল ! আজি একোকে ভাল নলগা হৈছে। তইঁতৰ এই ধেমালিখন থ।

হাৰু। বোলোঁ, ধেমালিহে হল নে ? মোৰ মোমাইক লৈ ধেমালি ? আমাৰ দাফাদাৰৰ নিজৰ বাপেকক লৈ—

গণেশ। আৰু কালু। হেৰ ! থৈ দে—থৈ দে। তই তোৰ নিজৰ বাপেৰকে লৈ ক'ত মৰ মৰগৈ যা।

[সকলোৱে প্ৰস্থান। ৰঘুপতি, নয়নৰায় আৰু জয়সিংহৰ প্ৰবেশ]

ৰঘুপতি। জননীৰ প্ৰতি—গোসাঁনীৰ প্ৰতি
নাই নেকি ভকতি তোমাৰ ?

নয়ন। কাৰ সাধ্য কয় এনে কথা ?
জন্ম মোৰ ভক্তৰ বংশত।

ৰঘুপতি। সাধু, সাধু,
তেন্তে তুমি মাতৃভক্ত আমাৰে ফলীয়া।

নয়ন। প্ৰভু! মাতৃভক্ত আছে যিসকল
মই সিসবৰে দাস।

ৰঘুপতি। সাধু। হক তব ভকতি অক্ষয়।
ভক্তিয়ে তোমাৰ এই বাহুৰ মাজত
কৰক সঞ্চাৰ অতি দুৰ্জ্জয় শকতি।
ভক্তিয়ে কৰক তব সিক্ত তৰোৱাল
বজ্ৰ সম তেজ তাত কৰক প্ৰদান।
পদ মান সবাৰে উচ্চত
ভক্তিয়ে কৰক তব হিয়াত বসতি।

নয়ন। ব্ৰাহ্মণৰ আশীৰ্ব্বাদ নহব নিষ্ফল।

ৰঘুপতি। শুনা তেন্তে সেনাপতি তুমি—
মাতৃৰ কামৰ বাবে
তোমাৰ সমগ্ৰ শক্তি কৰা একত্ৰিত,
নাশ কৰা সমূলঞ্চে মাতৃবিদ্ৰোহীক।

নয়ন। যি আদেশ, প্ৰভু!
কোন সি মাতৃৰ শত্ৰু ?

ৰঘুপতি। গোবিন্দমাণিক্য।

নয়ন। নৃপতি আমাৰ ?

ৰঘুপতি। লই সৈন্য-বাহিনী তোমাৰ
আক্ৰমণ কৰা তাক ততালিকে গই।

নয়ন। ধিক পাপ পৰামৰ্শ
প্ৰভু! ইকি পৰীক্ষা দাসৰ ?

ৰঘুপতি। পৰীক্ষাই সঁচা।
কাৰ ভৃত্য তুমি
তাৰে হব পৰীক্ষা ইবাৰ।
এৰা চিন্তা, এৰা দ্বিধা, নাই যে সময়
ত্ৰিপুৰেশ্বৰীৰ আদেশ হৈছে ধ্বনিত,
প্ৰলয়ৰ শৃঙ্গ সম
ছিন্ন হই গল আজি সকলো বন্ধন।

নয়ন। নাই চিন্তা, নাই কোনো দ্বিধা,
দ্বিপদত ৰাখিছে দেৱীয়ে
মই তাত আছোঁ যে অটল।

ৰঘুপতি। সাধু!

নয়ন। ইমানেই নৰাধম মই
জননীৰ সেৱক মাজত?
মোৰ প্ৰতি হল বাৰু কিয় ই আদেশ—
হব লাগে বিশ্বাসঘাতক?
হৃদয়ৰ বিশ্বাসৰ ওপৰতে সউ
দণ্ডায়মান নিজেই বিশ্বমাতা
তাতে তেওঁৰ অটল আসন।
তাকে তেওঁ ভাঙিবৰ বাবে
নিজমুখে কৰিব আদেশ?
সেয়ে হলে
আজি যাব ৰজা, কাইলৈ যাব দেৱী,
মনুষ্যত্ব আগলৈ ধূলিসাৎ হব
জীৰ্ণভিত্তি অট্টালিকা সম।

জয়সিংহ। ধন্য সেনাপতি, ধন্য!

ৰঘুপতি। ধন্য সঁচা তুমি। কিন্তু, ইকি ভ্ৰান্তি তব?
যি ৰজা বিশ্বাসঘাতী জননীৰ প্ৰতি
তাৰ সতে বিশ্বাসৰ বন্ধনে বা ক'ত!

নয়ন। কিনো হব মিছা তৰ্ক কৰি
নোখোজোঁ সোমাব মই বুদ্ধি-বিপাকত।
মই জানো আছে এটা বাট
সেই বাট বিশ্বাসৰ বাট।
সেই পোন বাট ধৰি চলিব সদায়
অবোধ অধম ভৃত্য ই নয়নৰায়।

[নয়নৰায়ৰ প্ৰস্থান]

জয়সিংহ। চিন্তা কিয়? দেৱ! আমিও কৰিম কাম
এনেকুৱা বিশ্বাস বলত।
ভয় কাক? প্ৰভু!
সৈন্যবলে কিবা কাম, অস্ত্ৰ কিবা কথা,
যাৰ ওপৰত আছে যেনেকুৱা ভাৱ
অৱশ্যেই তেনেদৰে হব সকলোটি।
হওঁ যদি জননীৰ প্ৰকৃত সেৱক
মাতৃপূজা হবই লাগিব।
বলা প্ৰভু! বজাওঁ মাতৃৰ ডঙ্কা
মাতি আনো পুৰবাসী আছে কোন কত।
মেলি দিও মন্দিৰ দুৱাৰ।
আহ, কোন ক'ত আছ আহ, আহ,
পূজা হব আই অভয়াৰ
নিৰ্ভয়েৰে আহ আগবাঢ়ি
সকলোটি মাতৃৰ সন্তান।
আহ পুৰবাসী!

[জয়সিংহ আৰু ৰঘুপতিৰ প্ৰস্থান। পুৰবাসীসকলৰ প্ৰৱেশ]

অক্ৰুৰ। আহাঁ, আহাঁ, কোন ক'ত আছা ওলাই আহাঁ।
কোনো আজি পাছ পৰি নাথাকিবা।
সকলোৱে। জয় আই মাতৃ!

অক্রুৰ। আহাঁ তেন্তে সকলোৱে মাতৃৰ আগত
বাহু তুলি নৃত্য কৰোঁহঁক।

(গীত)

উলঙ্গিনী নাচে ৰণৰঙ্গে
আমিও নৃত্য কৰোঁ সঙ্গে
দশোদিশ আন্ধাৰ কৰি উঠিল দিগ বসনা
জ্বলে বহ্নি-শিখা ৰঙা-ৰসনা
দেখি মৰিবলে, লৰিছে পতঙ্গে।

ক'লা কেশ উৰিলে আকাশে
ৰবি-সোম লুকালে তৰাসে
ৰঙা ৰক্ত জবা ঝৰে ক'লা অঙ্গে
ত্রিভুবন কঁপে ভ্রুকভঙ্গে॥

সকলোৱে। জয় জয় আই মাতৃ!

গণেশ। ভয় নাই। আৰু ভয় নাই।

কাহ্নু। হেৰ' সেই দক্ষিণহাটীৰ মানুহবিলাক এতিয়া গল কলৈ?

গণেশ। আই গোসাঁনীৰ ঐশ্বৰ্য্য দেখি বপুৰাহঁতৰ গা বেজবেজাই গৈছে নহয়। ৰসতে নাম থৈ সিহঁত কেনিবা আঁতৰি গৈছে, বুইছ?

চাৰু। কেৱল গোসাঁনীৰ ঐশ্বৰ্য্য নহয় অ'! মই সিহঁতক এনেদৰে উত্তম-মধ্যম দি থৈছোঁ যে সিহঁতে আৰু এইমুৱা হবলৈ সাহ নকৰে। বুজিছা অক্রুৰ কাই! মোৰ মোমাইৰ পুতেক ভাই দাফাদাৰৰ নাম শুনা মাত্রকে সিহঁতৰ মুখবোৰ কেহেৰাজ বটা যেন হৈ গল নহয়!

অক্রুৰ। হয় নেকি? আমাৰ নিতায়েও সিহঁতক জোকৰ মুখত চূণ দি থৈছে। সিহঁতৰ মাজত সেই যে মুখপোৰা হনুমানটো আছে, কিবা বোলে নে যে তাৰ নামটো মনতো নপৰে দেখোন, পিছে সেই মুখপোৰা আতৈয়ে কিবা কওঁ বুলি মুখ মেলোঁতেই আমাৰ

নিতায়ে কলে—"হেৰ চুৰাখোৰাইত ! তইঁত দক্ষিণহাটীত থাক। তইঁতে আকৌ উত্তৰৰ কি বুজ পাব ? উত্তৰ দিবলৈ মুখ মেলিছ কিন্তু উত্তৰৰ মাথা-মুণ্ড জ্ঞান কিসোপা ?" এই কথা শুনি হাঁহিত আমাৰ পেটৰ নাড়ী ভাল ভাল হল, বুইছ ?

গণেশ। ইকালে বৰ ভাল মানুহ চেলায়, পিছে আমাৰ নিতাইৰ লগতে কথাৰে ফেৰ মাৰিব নোৱাৰে।

চাৰু। নিতাই মোৰ পেহা হয় অ'।

কানু। শুনচোন, ইয়াৰ কথা শুন। হেৰ! নিতাই তোৰ পেহাৰ হল কেতিয়াৰ পৰা ?

হাৰু। তইঁতৰ কাৰণে দেখিছোঁ মই মাত এবাৰো মাতিব নোৱাৰাত পৰিলোঁ। বাৰু, নিতাই মোৰ পেহা নহয়। তাৰ পৰা তোৰ কিবা লাভ হব নে ? মোৰ পেহা নহল বুলিয়েই সি তোৰ পেহাৰ হব জানো ?

[ৰঘুপতি আৰু জয়সিংহৰ প্ৰবেশ]

ৰঘুপতি। শুনিলো—সৈন্য আহিছে। জয়সিংহ ! অস্ত্ৰ লৈ তুমি ইয়াতে থিয় হোৱা। তইঁতো আহ, এইখিনিতে থিয় হৈ থাক। মন্দিৰৰ দুৱাৰ আগছিব লাগিব। মই তইঁতক অস্ত্ৰ আনি দিছো।

গণেশ। অস্ত্ৰ কিয় পুৰোহিত দেউ ?

ৰঘুপতি। গোসাঁনীৰ পূজা বন্ধ কৰিবলৈ ৰজাৰ সৈন্য আহিছে।

হাৰু। কি ! সৈন্য আহিছে ? প্ৰভু ইচব ! তেন্তে পৰণাম্ লওক।

কানু। আমিনো কেইজন ? ৰজাৰ সৈন্য আহিলে আমিনো কি কৰিব পাৰিম দেউ ?

হাৰু। কৰোঁতেঁ সকলোকে কৰিব পাৰোঁ। পিছে, সৈন্য আহিলে ইয়াত ঠায়ে আঁতিব ক'ত ? যুঁজাতো পিছৰ কথা, ইয়াত থিয় হম কত ?

কানু। তইতে আৰু কোনো কথা নকবি। দেখা নাই নে পৰভুইচৰ খণ্ডৰ ভয়ত কেনেকৈ কঁপি আছে। পুৰোহিত দেউ ! আদেশ

কৰক। কোন কত আছে গোটাই-পিতাই লৈ দলে বলে আহোঁগৈ।

হাৰু। সেয়ে ভাল কথা। মোৰ মোমাইৰ পুতেক দাদাৰ ভাইক মাতি আনোগৈ। কিন্তু ইয়াত আৰু তিলমানো পলম কৰা উচিত নহয়।

[সকলোটি যাব খোজে]

ৰঘুপতি। (খঙেৰে) থিয় হ তইঁত।

জয়সিংহ। (কৰযোৰে) যাবলই এৰি দিয়া, প্ৰভু!
প্ৰাণৰ ভয়ত ভীত
এইবোৰ বুদ্ধিহীন প্ৰাণী
মৰি আছে আগৰ পৰাই।
মই আছোঁ মাতৃৰ সৈনিক
সহস্ৰ সৈন্যৰ বল
এক দেহতেই মই কৰিছোঁ ধাৰণ।
অস্ত্ৰ থাক পৰি।
যাবলই দিয়া এই ভীৰুসকলক।

ৰঘুপতি। (স্বগত) গল সেই দিন।
অস্ত্ৰ লাগে—অস্ত্ৰ লাগে
ভক্তিৰেই নহব কেবল।
(প্ৰকাশ্যে) জয়সিংহ!
তেন্তে বলি আনা, কৰোঁ পূজা।

[বাহিৰত বাদ্যধ্বনি]

জয়সিংহ। সৈন্য নোহে প্ৰভু!
আহিছে ৰাণীৰ পূজা।

সকলোৱে। হেৰ' ভয় নাই, একো ভয় নাই। সৈন্য ক'ত দেখিলি? সেয়া গোসাঁনীলৈ পূজাহে আহিছে।

হাৰু। আমি আছোঁ, সকলো বতৰা পাইছোঁ। সৈন্যবাহিনী সোণকালে এই কালে নাহে।

কানু। পুৰোহিত দেউ! ৰাণী আয়ে পূজা পঠিয়াইছে।
ৰঘুপতি। জয়সিংহ! কৰা ততালিকে পূজা-আয়োজন।

[জয়সিংহৰ প্ৰস্থান]

[পুৰবাসীবিলাকৰ নৃত্যগীত। গোবিন্দমাণিক্যৰ প্ৰৱেশ]

গোবিন্দ। আঁতৰা ইয়াৰ পৰা। লৈ যোৱা বলি।
ৰঘুপতি!
শুনা নাই নে আদেশ মোৰ?
ৰঘুপতি। নাই শুনা।
গোবিন্দ। তেন্তে তুমি ই ৰাজ্যৰ মানুহ নোহোৱা?
ৰঘুপতি। নোহোঁ মই এই তব ৰাজ্য অধিবাসী।
মই আছোঁ যিখন ৰাজ্যত
আহিলে তালৈ
ৰজাৰ হাতৰ পৰা খহে ৰাজদণ্ড
মাটিত বাগৰি পৰে ৰজাৰ মুকুট।

[বাদ্যধ্বনিৰ উদ্যোগ]

গোবিন্দ। বন্ধ কৰা আয়োজন।
(অনুচৰক) ক'ত আছে সেনাপতি, মাতি আন শীঘ্ৰে।
হায় ৰঘুপতি!
ধৰ্ম্মৰক্ষা কৰিবৰ বাবে
আৱশ্যক হল সেনাদল।
ই যে অতি লাজৰ বিষয়
বাহুবলে দুৰ্ব্বলতা কৰায় স্মৰণ।
ৰঘুপতি। অবিশ্বাসী ৰজা!
সচাঁকৈয়ে ভই নেকি ভাবিছ মনত
ব্ৰহ্মতেজ নাই আজি কলিৰ যুগত?
সেই বাবে হল তোৰ এনে দুঃসাহস।

আছে—আছে ব্ৰহ্মতেজ
যি দীপ্ত অনল
জ্বলিব লাগিছে এই অন্তৰত মোৰ
সেয়েই পুৰিব তোৰ ৰাজসিংহাসন
নতুবা ই মন-অনলত
পুৰিম সকলো শাস্ত্ৰ ছাই-ভস্ম কৰি
মিছা হব ব্ৰহ্ম গৰ্ব্ব
মিছা হব দেৱতা তেত্ৰিছ কোটি।
আজি নহ্লেও
মহাৰাজ! ৰাজঅধিৰাজ।
আৰু এদিন
আজিৰ দিনটো এই কৰিবা স্মৰণ।

[নয়নৰায় আৰু চাঁদপালৰ প্ৰৱেশ]

গোবিন্দ। সেনাপতি! সৈন্য লই থাকিবা ইয়াত
জীৱবলি কৰিবা নিষেধ।

নয়ন। অধমক কৰিবা মাৰ্জ্জনা,
মহাৰাজ!
অক্ষম ৰজাৰ ভৃত্য দেৱমন্দিৰত।
যত দূৰ যাব পাৰে ৰজাৰ প্ৰতাপ
ছায়ারূপে আমি তাৰ যাওঁ লগে লগে।

চাঁদপাল। ব’বা সেনাপতি!
দীপশিখা থাকে এঠাইত
দীপালোক যায় কিন্তু বহু দূৰলই।
সেইদৰে ৰাজ ইচ্ছা যায় যতদূৰ
আমিও লাগিব যাব সেই অনুসৰি।

গোবিন্দ। সেনাপতি! মোৰ ই আদেশ
বিচাৰাধীন নহয় তোমাৰ।
ধৰ্ম্মাধৰ্ম্ম, লাভ-ক্ষতি বল মোৰ গাত
তোমাৰ হাতত মাথোঁ কাৰ্য্য-সম্পাদন।

নয়ন। এই যুক্তি হৃদয়ে নেমানে।
মহাৰাজ!
ভৃত্য সঁচা সেৱক তোমাৰ
তথাপি মানুহ মই।
আছে বুদ্ধি, আছে ধৰ্ম্ম,
আছা প্ৰভু, আছে দেৱতা।

গোবিন্দ। সেয়ে হলে কৰা তুমি অস্ত্ৰ-পৰিত্যাগ।
চাঁদপাল! তুমি এবে হলা সেনাপতি
ছুটি পদ একেলগে থাকিল তোমাত।
মন্দিৰ কৰিবা ৰক্ষা
সাৱধানে লই সৈন্যদল।

চাঁদপাল। যি আদেশ, মহাৰাজ!

গোবিন্দ। নয়নৰায়!
দিয়া তোমাৰ অস্ত্ৰ চাঁদপালক।

নয়ন। চাঁদপালক কিয় মহাৰাজ?
তব পূৰ্ব্ব ৰাজপিতামহে
প্ৰদানিলে এই অস্ত্ৰ
পিতামহক মোৰ।
সেই অস্ত্ৰ লাগিলে ঘূৰাই
তুমি নিজে লোৱা।
সাক্ষী ৰবা তোমালোক
হে পিতৃপিতামহ মোৰ।
বহু যত্নে সাগ্নিকৰ পুণ্য অগ্নি সম
পালি আছোঁ অত দিনে যি ৰাজবিশ্বাস,
যাৰ ধন তাৰ হাততেই
সমৰ্পিলোঁ আজি মই কলঙ্কবিহীন।

চাঁদপাল। ধিক! মনে মনে থাকা তুমি।

মহাৰাজ। মাগিলোঁ বিদায়।

[প্ৰণাম কৰি প্ৰস্থান]

গোবিন্দ। ৰাজকাৰ্য্য সাধনত
নাই স্নেহ-মমতাৰ স্থান।
দেৱতাৰ কাৰ্য্যভাৰ
তুচ্ছ মানৱৰ ওপৰত হায়
কি কঠিন!

[জয়সিংহৰ প্ৰৱেশ]

জয়সিংহ। আয়োজন সম্পূৰ্ণ পূজাৰ
প্ৰস্তুত কৰিছোঁ বলি।
গোবিন্দ। বলি কাৰ উদ্দেশ্যে ?
জয়সিংহ। মহাৰাজ! তুমিও ইয়াত ?
তেন্তে শুনা নিবেদন মোৰ
একান্ত মিনতি তয়ু যুগল পদত—
প্ৰত্যাহাৰ কৰা তব গৰ্ব্বিত আদেশ
সামান্য মানৱ হই
দেৱীক আচ্ছন্ন কৰি কিয় দিবা বলি ?

[ৰজাৰ ভৰিত ধৰে]

ৰঘুপতি। ধিক জয়সিংহ!
উঠা, উঠা,
পতিত হৈছা তুমি কাৰ চৰণত ?
মই যি জনৰ গুৰু, এই সংসাৰত
একমাত্ৰ স্থান তাৰ
মোৰ এই পদৰ তলত।
মূঢ়! ঘূৰি চোৱা,
গুৰুৰ ভৰিত ধৰি ক্ষমা ভিক্ষা খোজা।
ৰজাৰ আদেশ লই
কৰিব লাগিব নেকি গোসাঁনীৰ পূজা ?
কৰালকালিকা!

ইমানেই আজি তোৰ হল অধঃপাত ?
থাক পূজা, থাক বলি,
গুচি আহাঁ, জয়সিংহ !

[ৰঘুপতি আৰু জয়সিংহৰ প্ৰস্থান]

গোবিন্দ। বিনয়—বিনয় কত এই সংসাৰত ?
পদৰ তলত তব
যিসকলে কৰে বিচৰণ
সিসকলেও শিকা নাই হায়
কিমান যে ক্ষুদ্ৰ সিহঁত !
হৰি লই মহিমা তোমাৰ
ইমানেই অহঙ্কাৰ কৰিছে বহন।

[প্ৰস্থান]

অঙ্ক-পতন

দ্বিতীয় অঙ্ক

প্ৰথম দৰ্শন

মন্দিৰ

[ৰঘুপতি, জয়সিংহ আৰু নক্ষত্ৰৰায়]

নক্ষত্ৰ। কি বাবে মাতিলা, গুৰুদেৱ ?

ৰঘুপতি। কালি ৰাতি মোক
দেখুৱালে দেৱীয়ে সপোন
—তুমি হবা ৰজা।

নক্ষত্ৰ। মই হ'ম ৰজা !
ইকি কথা কলা পুৰোহিত
ৰজা হ'ম মই ?
এই কথা আজিয়েই শুনিলো প্ৰথমে।

ৰঘু। তুমি হ'বা ৰজা।

নক্ষত্ৰ। নহয় বিশ্বাস মোৰ৷

ৰঘু। দেৱীৰ সপোন সত্য।
ৰাজটীকা পাবা তুমি, নকৰা সন্দেহ।

নক্ষত্ৰ। নকৰোঁ সন্দেহ।
কিন্তু যদিহে নেপাওঁ ?

ৰঘু। মোৰ কথাত অবিশ্বাস ?

নক্ষত্ৰ। অবিশ্বাস অলপোকে নাই।
কিন্তু দৈৱবাণী যদিহে নফলে ?

ৰঘুপতি। নহয় অন্যথা তাৰ।

নক্ষত্র। নহব অন্যথা ?
চোৱা প্ৰভু ! কথা যেন নলবে শেষত।
ৰজা হৈয়ে প্ৰথমতে খেদিম মন্ত্ৰীক
সেই মন্ত্ৰী—যেন মোৰ দেউতাৰো ককা
এনেভাৱে ৰাখে চকু মোৰ ওপৰত।
বৰ ভয় লাগে তাক—বুজিছা পুৰোহিত !
তোমাকে কৰিম মন্ত্ৰী তাক আঁতৰাই।
ৰঘুপতি। কৰোঁ পদাঘাত মই মন্ত্ৰীৰ পদত।
নক্ষত্র। বাক, তেন্তে মন্ত্ৰী হ'ব জয়সিংহ।
হেৰা পুৰোহিত দেউ !
কোৱাচোন, সকলোকে জানা যদি তুমি
কেতিয়ানো ৰজা হ'ম মই ?
ৰঘুপতি। ৰাজৰক্ত লাগে গোসাঁনীক।
নক্ষত্র। ৰাজৰক্ত লাগে ?
ৰঘুপতি। আগে আনা ৰাজৰক্ত, পিছে হবা ৰজা।
নক্ষত্র। পাম ক'ত ?
ৰঘুপতি। ঘৰতেই আছে ৰজা গোবিন্দমাণিক্য
তাৰে ৰক্ত লাগে।
নক্ষত্র। তাৰে ৰক্ত লাগে ?
ৰঘুপতি। স্থিৰ হই থাকা, জয়সিংহ !
নহবা চঞ্চল।
ৰঘুপতি। বুজা নাই ? শুনা তেন্তে—
গোপনে কৰিবা বধ,
তাৰ পিছে দিবা আনি
সেই তপ্ত ৰাজৰক্ত দেৱীৰ পদত।
জয়সিংহ ! নোৱাৰিলে বব স্থিৰ হই
শুচি যাব পাৰা তুমি এৰি এই ঠাই।
বুজিছা নক্ষত্ৰৰায় ?
দেৱীৰ আদেশ—

বাজবক্ত লাগে, শাওণৰ শেষ বাতি।
তোমালোক বাজভ্ৰাতা আছা দুই ভাই
অব্যাহতি লভিলে জ্যেষ্ঠই
তোমাৰ শোণিত আছে, চলিব তাৰেই।
মহাকালী তৃষিতা যেতিয়া
বিচাৰৰ নাই যে সময়।

নক্ষত্ৰ। সৰ্ব্বনাশ!
হে ব্ৰাহ্মণ! বাজত্বৰ নাই প্ৰয়োজন।
আছোঁ মই যেনেদৰে এবে
সেয়ে মোৰ পক্ষে ভাল,
ৰজাৰ দেহত থাক
ৰাজবক্ত অব্যাহত হই।

ৰঘুপতি। মুক্তি নাই, মুক্তি নাই ইমান সহজে
ৰাজবক্ত যেনে তেনে আনিব লাগিব।

নক্ষত্ৰ। কোৱা তেন্তে পুৰোহিত লাগে কি কৰিব?

ৰঘুপতি। থাকা সাজু হই।
যেতিয়াই দিওঁ যি আদেশ
অবিলম্বে কৰিবা পালন।
কাৰ্য্যসিদ্ধি নোহে যত দিন
বন্ধ ৰাখা মুখ।
যোৱা, এতিয়া বিদায়।

নক্ষত্ৰ। হে মাতৃ কাত্যায়নী!

[নক্ষত্ৰৰ প্ৰস্থান]

জয়সিংহ। ই কি কথা শুনিলো মই!
দয়াময়ী আই মোৰ!
ইকি তোৰ কথা?
—ইকি তোৰ নিৰ্ম্মম আদেশ?
ভাতৃহত্যা কৰিব ভ্ৰাতৃয়ে?
হব সন্তানঘাটিনী বিশ্বৰ জননী?

গুৰুদেৱ ! এয়েৰা আদেশ তুমি
মাতৃৰ আদেশ বুলি কৰিলা প্ৰচাৰ ?

ৰঘুপতি । আৰু কি উপায় আছে, কোৱা ।

জয়সিংহ । উপায় ? কি হব উপায়, প্ৰভু !
হায় ধিক !
হে জননী !
হাতত তোমাৰ আজি খড়্গ কিয় নাই ?
নাই কিয় বজ্ৰানল বোৰত তোমাৰ ?
হে চণ্ডিকা !
ইচ্ছাই তোমাৰ বিচাৰে উপায়,
খান্দিছে সুৰঙ্গ-পথ চোৰৰ নিচিনা
ৰসাতলগামী ? ইকি পাপ !

ৰঘুপতি । পাপ-পুণ্য তুমি কিনো জানা ?

জয়সিংহ । তুমিয়ে শিকালা মোক ।

ৰঘুপতি । তেন্তে আহাঁ বৎস !
আৰু এক শিক্ষা দিওঁ আজি ।
পাপ-পুণ্য একো নাই এই জগতত,
কোনে বা আপোন, কিম্বা পৰ কোন,
কোনে কলে হত্যাকাণ্ড পাপ ?
জগতখনেই এই মহাহত্যাশালা ।
নেজানা নে তুমি—
প্ৰতি চকুপলকত লক্ষ কোটী প্ৰাণী
মুদিব লাগিছে চকু চিৰকাল লই,
এইবোৰ কাৰ খেলা ? কাৰ অভিনয় ?
হত্যাৰে খচিত এই ধৰণীৰ ধূলি ।
দলিত শতেক কীট প্ৰতিটো খোজত
সেইবোৰ যাক জীৱ হয় নে নহয় ?
খণ্ডেকীয়া ইতিহাস শতেক জীৱৰ

বক্তাক্ষৰে অবিশ্ৰাম বৃদ্ধ মহাকালে
লিখি আছে বিশ্বৰ পত্ৰত।
হত্যা অৰণ্য-মাজত,
হত্যা লোকালয়ত,
হত্যা বিহঙ্গ নীড়ত, কীট গহ্বৰত,
অপাৰ সাগৰ জলত, নিৰ্ম্মল আকাশত,
হত্যা জীবিকাৰ বাবে, হত্যা খেমালিত,
হত্যা অকাৰণ, হত্যা অনিচ্ছাবশত,
এই যে নিখিল বিশ্ব হত্যা-তাড়নাত
উৰ্দ্ধশ্বাসে প্ৰাণপণে লাগিছে লৰিব,
বাঘৰ মুখত পৰা মৃগৰ নিচিনা
মুহূৰ্ত্তও থিয় হই নোৱাৰে থাকিব।
মহাকালী কাল-স্বৰূপিনী
বৈ আছে দণ্ডায়মানা হৈ
তৃষাতীক্ষ্ণ লোল জীহ্বা মেলি
ফাটি পৰে
নিষ্পেষিত আঙুৰৰ ৰসৰ নিচিন
অনন্ত খৰ্পৰত তেওঁৰ—

জয়সিংহ। ৰবা, ৰবা, ৰবা,
মায়াবিনী পিশাচিনী!
মাতৃহীন সংসাৰত বক্তৰ লোভত
প্ৰবেশিছা জননীৰে ছদ্ম বেশ ধৰি?
ক্ষুধিত বিহঙ্গ শিশু
অৰক্ষিত নীড়ৰ মাজত
বাট চাই থাকে হায় মাতৃ আগমন,
কাষলই আহে লুব্ধ কাক
অন্ধ শিশু মাতৃ-ভ্ৰমে যায় আগবাঢ়ি
হিংস্ৰ চঞ্চু আঘাতত
হেৰুৱায় কুমলীয়া প্ৰাণ

তেনে নেকি তোৰ ধৰ্ম্ম, তোৰ ব্যৱসায় ?
প্ৰেম মিছা, স্নেহ মিছা,
দয়া মিছা, মিছা আৰু আছে যতমানে,
সঁচা এক মাথোঁ
অনাদি অনন্ত হিংসা ?
সেয়ে যদি হয় তেন্তে
মেঘৰ বুকুৰ পৰা আশীৰ্ব্বাদ হই
নামি আহি কিয় বৃষ্টিধাৰা
সিক্ত কৰে বক্ষখনি দগ্ধা ধৰণীৰ ?
পাষাণৰ বুকু ভেদি কিয় নামি আহে
দয়াময়ী স্ৰোতস্বিনী মৰু-মাজলই ?
শোভা কৰি শিৰোভাগ কোটি কণ্টকৰ
কিয় তেন্তে উঠে ফুল বিকশিত হই
ছলনা কৰিছা মোক, প্ৰভু !
চাব খোজা নেকি তুমি মাতৃভক্তি মোৰ
পৰে নে নপৰে ফাটি
ৰক্ত সম ফাটি এই হৃদয়ৰ পৰা
দিওঁ যদি মই—
মোৰ ই হৃদয় বলি মাতৃৰ পদত ?
সৌ চোৱা হাঁহিছে মাতৃয়ে
মোক স্নেহ-পৰিহাস কৰি।
সঁচা, ৰাক্ষসী পাষাণী সঁচা,
সঁচা তই মোৰ মাতৃ ৰক্তপিপাসিনী !
লবি, লবি মাতৃ ! মোৰ ৰক্ত তই
গুচাবি সন্তান জন্ম জনমৰ বাবে ?
দিবি বহুৱাই অসি পুত্ৰৰ বুকুত ?
এই শিৰহীন ৰক্ত মোৰ
নেপাবি নে বৰ ভাল তই ?
হে মাতৃ মোৰ—ৰাক্ষসী পাষানী সঁচা !

মাতিছা নে মোক, গুৰুদেৱ !
মই তব বুজিছোঁ ছলনা
ভক্তহিয়া-বিদাৰিত বিচাৰিছা ৰক্ত।
দিছিল ই যি বেদনা তাৰে ওপৰত
জননীৰ স্নেহ-হস্ত হইছে পতিত।
দুখতকৈও কৈও সুখ শতগুণ।
কিন্তু, ৰাজৰক্ত !
ছি, ছি। ভক্তি পিপাসিতা মাতা
তেওঁকে বুলিছা তুমি ৰক্তপিপাসিনী !

ৰঘুপতি। বন্ধ হক বলিদান তেনে ?

জয়সিংহ। হ'ক বন্ধ। নহয়, নহয় গুৰুদেৱ !
ভাল-বেয়া বোলে কাক তুমি মাথোঁ জানা।
সৰল ভক্তিৰ বিধি শাস্ত্ৰবিধি নোহে।
নিজ আলোকত চকু দেখা যে নেপায়
যি আলোক আহে নামি আকাশৰ পৰা।
প্ৰভু !
ক্ষমা কৰা, ক্ষমা কৰা দাসক তোমাৰ
ক্ষমা কৰা স্পৰ্দ্ধা মূঢ়তাৰ।
ক্ষমা কৰা তুমি
বেদনা-ব্যথিত মোৰ উদ্‌ভ্ৰান্ত প্ৰলাপ।
কোৱা প্ৰভু !
সঁচাকৈয়ে ৰাজৰক্ত লাগে নে দেৱীক ?

ৰঘুপতি। হায় বৎস ! হায় হায় !
মোকো তুমি অবিশ্বাস কৰিলা ইদৰে ?

জয়সিংহ। অবিশ্বাস ? নহয় কদাপি প্ৰভু !
অবিশ্বাস হেকৰালে তোমাৰ কাৰত
বিশ্বাস থাকিব কত ?
বাসুকিৰ শিৰচ্যুত বসুধাৰ সম
শূন্য হন্তে হৰগই শূন্যতেই লোপ।

রাজৰক্ত তেনে প্ৰভু লাগে জননীক ?
মই নিজে দিম আনি সেই ৰক্ত,
ভাতৃহত্যা নিদিওঁ ঘটিব।

ৰঘুপতি। নোহে পাপ দেৱতা আদেশ।

জয়সিংহ। মেয়ে তেনে সেই পুণ্য কৰিম অৰ্জন।

ৰঘুপতি। সত্য কৰি কওঁ তেনে শুন বৎস।
তোক মই ভাল পাওঁ প্ৰাণতো-অধিক।
কেঁচুৱা কালৰে পৰা তোক মই সোণ
মাতৃৰো অধিক স্নেহে কৰিছোঁ পালন।
তোক মই নোৱাৰিম হেৰুৱাব আজি।

জয়সিংহ। মোৰ প্ৰতি স্নেহ তব থাকক অটুট
পাপ তাত নিদিও আহিব
নানো অভিশাপ সেই পবিত্ৰ স্নেহত।

ৰঘুপতি। ভাল, ভাল বাৰু,
সেই কথা হব পিছে-পৰে
কাইলই কিবা এটা কৰা যাব স্থিৰ।

[দুয়োৰো প্ৰস্থান]

দ্বিতীয় দৰ্শন

মন্দিৰ

[অৰ্পণাই গীত গাই আছে]

(গীত)

হেৰা পুৰবাসী !
দুৱাৰত থিয় হই আছোঁ উপবাসী।

অপৰ্ণা। জয়সিংহ! কত জয়সিংহ?
—কোনো নাই এই মন্দিৰত!
কোন তুমি আছা থিয় হই
অচল মূৰতি?
কোনো কথা নকই মুখেৰে
জগতৰ সাৰ-ধন হৰিলা সবাকে।
যাৰ বাবে আমি হওঁ কাতৰ-কঙাল
ঘূৰি ফুৰোঁ বাটে বাটে, সেয়ে আহি নিজে
আত্মসমৰ্পণ কৰে তোমাৰ পদত।
তাকে বা তোমাৰ বাৰু কিনো প্ৰয়োজন?
কিয় তাক তুমি
কৃপণৰ ধনৰ নিচিনা
ৰাখিছা যতনে পুতি
মন্দিৰৰ মজিয়া তলত?
ৰাখিছা গোপনে তাক কিবা উদ্দেশ্যত?
জয়সিংহ! পাষাণীয়ে দিয়ে কিবা সুখ
কিবা কথা শুনায় তোমাক
কৰে কিবা চিন্তা বাৰু তোমাৰ কাৰণে,
কিবা সান্ত্বনাৰ সুধা চিৰৰাত্ৰিদিন
ৰাখিছে সঞ্চিত কৰি
গোপনীয় প্ৰাণৰ পাত্ৰত?
হেৰ চিত্ত উপবাসী!
বহি আছ তই কাৰ কদ্ধ দুৱাৰত?

(গীত)

হেৰা পুৰবাসী!
দুৱাৰত থিয় হই আছোঁ উপবাসী।
দেখিছোঁ যে সুখ-মেলা ঘৰে ঘৰে কত খেলা
শুনিছোঁ যে ওৰে দিন সুমধুৰ বাঁহী।

[ৰঘুপতিৰ প্ৰবেশ]

ৰঘুপতি । কোন অ' তই এই মন্দিৰত ?

অপৰ্ণা । মই ভিখাৰিণী ।
জয়সিংহ ক'ত ?

ৰঘুপতি । দূৰ হ ইয়াৰ পৰা ভিখাৰিণী তই ।
জয়সিংহক নিবি কাঢ়ি
দেৱীৰ বুকুৰ পৰা, হেৰ উপদেৱী ?

অপৰ্ণা । মোৰ পৰা কি ভয় দেৱীৰ ?
ভয় হয় মোৰহে মাথোন
জানোচা সৰ্ব্বস্ব গ্ৰাস কৰে গোসাঁনীয়ে ।

(গীত)

নালাগে সৰহ ধন নাথাকোঁ অধিক ক্ষণ
অহা বাটে গুচি যাওঁ, যাওঁ উটি-ভাহি,
আনন্দ অক্ষুণ্ণ ৰব উৎসৱ নৱ নৱ
একো যে নহব ম্লান ঘৰভৰা হাঁহি ।

[গীত গাই গাই প্ৰস্থান]

তৃতীয় দৰ্শন

মন্দিৰৰ সমুখৰ পথ

[জয়সিংহ]

জয়সিংহ । দূৰ হক চিন্তাজাল । দ্বিধা দূৰ হক ।
চিন্তা-ভাবনাৰ নৰকতকৈ
কাম বেছি ভাল,

যিমানেই ক্রূৰ
যিমানে কঠোৰ হক সেই কাম।
কামবোতো শেষ আছে,
চিন্তাৰহে শেষ নাই, সীমা নাই কতো।
ধৰে সি সহস্ৰ মূৰ্ত্তি পলকে পলকে
বাষ্পৰ নিচিনাকই
যিমানে বিচাৰে বাট চাৰিও কাষৰে
সিমানেই সেই বাট লুপ্ত হই যায়।
একে ভাল বহুততকৈ।
তুমি সত্য গুৰুদেৱ!
তোমাৰ আদেশ সত্য
সত্যপথ তোমাৰেই ইঙ্গিত মুখত।
হত্যা পাপ নোহে,
ভাতৃহত্যা পাপ নোহে,
নোহে পাপ ৰাজহত্যা!
সেয়ে সত্য, সেয়ে সত্য,
পাপ-পুণ্য নাই, সেয়ে সত্য।
যাক চিন্তা, যাক আত্মদাহ,
যাক মোৰ বিচাৰ-বিবেক।
কেনি যোৱা ভাইঁত?
মেলা হব বোধকৰোঁ নিশিথপুৰত
আৰু হব নাচ তাত কুকী-তিৰোতাৰ।
আছে যে কিমান সুখ এই ধৰণীত,
নিচিন্ত হৈ আনন্দ-সুখত
নৃত্য কৰে ৰমণীৰ দলে
ৰঙ্গভঙ্গ মধুৰ অঙ্গৰ
তটপ্লাবী তৰঙ্গিণী প্ৰায়
উঠে যেন চাৰিকালে উচ্ছ্বসিত হই।
আনন্দত নিচিন্ত মনেৰে

লৰি যায় সকলোটি চাৰি দিক হন্তে,
উঠে গীত-তান
বই যায় হাস্য-পৰিহাস
উজ্জ্বল মূৰুতি ধৰে ধৰণীৰ শোভা
মযো যাওঁ।

(গীত)

কোনে মোক নিবি ভাই! দিওঁ বিলাই
নিজকেই।
মোৰ এই মন মজাই, কাম ভুলাই
যাহি মোক লগত লই।
কোন তইঁত ৰূপৰ হাটত
বাট বুলিছ ভবৰ বাটত
পাছ পৰি আপোন ভাবত আছোঁ মই।
দোথে তইঁতৰ হাঁহি—ধেমালি দিনে-ৰাতি
ছাটিফুটি কৰে মনে ঐ!
মোৰ এই বাধা কাটি
লই যা লুটিপুটি
পৰি থাক মনৰ বোজা ঘৰত ৰই
যিদৰে ঐ, বান আহি নিমিষতে
উটুৱাই লৈ যায় সাগৰলৈ।
ইমান যে গুণগুণনি
কোন আছে চিনাকি কেনি
কোন আছে মাতক মোক আছোঁ যে বৈ।
যদি সি এবাৰ আহি থিয় দিয়ে হাঁহি
চিনিম মই দেখিলেই।

[আঁতৰেদি অপৰ্ণাৰ প্ৰৱেশ]

জয়সিংহ। অ' অৰ্পণা যে! দুৰত থিয় দি কিয়?

শুনিছা অবাক হই
জয়সিংহয়ো গায় গান !
সকলো মিছা, ভাণৰ বঞ্চনা—
সেয়েহে হাঁহিছোঁ মই
সেয়েহে গাইছোঁ গীত।
সউ চোৱা সেয়েহে বাটেদি যায়
নির্ভাবনা হই যত বাটৰুৱাজন।
সৰু কথা একোটাতে সেই কাৰণেই
ইমান কৌতুক হাঁহি, অত কৌতূহল,
সেয়ে অত যত্ন কৰি সাজিছে গাভৰু।
সত্য হোৱা হলে বাৰু
এনেকুৱা হল হয় জানো ?
সহজতে আনন্দ ইমান
পাৰিলেহেঁতেন জানো বই যাবলই ?
সেয়ে হলে বেদনাৰে বিদীর্ণ ধৰাত
বিশ্বব্যাপী ব্যাকুল ক্রন্দন
ৰই গই মূক হই থাকিলহেঁতেন !
সঁচাকৈয়ে বেদনাত কন্দা হলে বাঁহী
করুণ সঙ্গীত তাৰ ফাটিফুটি গই
হল হয় নীৰব নিশ্চয়।
মিছা বুলিয়েই মাথোঁ অতবোৰ হাঁহি,
খেল হয় বহি লই শ্মশান-কোলাত
বেদনাৰ কাষতেই নিদ্রা যায় গান,
হিংসা-বাঘিনীৰ খৰ নখতলতেই
চলিব লাগিছে কাম প্রতিটো দিনৰ।
সত্য হলে এনেকুৱা হল হয় জানো ?
হায় হে অপর্ণা !
তুমি মই—একো যে নহয় সত্য
তাকে জানি সুখী হোৱা তুমি !

বিষয় বিস্ময় মুগ্ধ চকু দুটি মেলি
ভেলেঙী পহুৰ দৰে আহাঁ কিবা চাই ?
আহাঁ সখী !
দুই জনে মিলি
সংসাৰৰ ওপৰেদি যাওঁ আহাঁ আমি
যায় যিবাদৰে
দুচপৰা পাতল ডাৱৰ
শূন্য সউ নভৰ তলেদি ।

[ৰঘুপতিৰ প্ৰৱেশ]

ৰঘুপতি । জয়সিংহ !
জয়সিংহ । তোমাক নেপাওঁ চিনি ।
মই গৈ আছো মাথোঁ
নিজৰ বাটেদি ভাহি অদৃষ্ট বলত
বাটত সহস্ৰলোক যায় যিবাদৰে ।
কোন তুমি ৰবলই কইছাহি মোক ?
গুচি যোৱা, ময়ো যাওঁ নিজৰ বাটেদি ।
ৰঘুপতি । জয়সিংহ !
জয়সিংহ । এই যে সৰল পথ গৈছে আগেৰে
হাতত ভিক্ষাৰ পাত্ৰ লই গুচি যায়,
ভিখাৰিণী সখী মোৰ থাকিব লগত ।
কোনে কয় এই সংসাৰত
ৰাজপথ দুৰুহ জটিল ?
যাওঁ যিবাদৰে, দিনৰ শেষত
পাম গই শেষ লক্ষ্যস্থান ।
জীৱনৰ অন্তিম পলকত
আচাৰ-বিচাৰ তৰ্ক-বিতৰ্কৰ জাল
কত মিলি যাব ! ক্ষুদ্ৰ এই পৰিশ্ৰান্ত
নৱজন্ম সমৰ্পিব ধৰণী-কোলাত ।

দু-চাৰি দিনৰ এই সমষ্টি আমাৰ
দুই-চাৰি ভুল ভ্ৰান্তি, ভয়, দুখ-সুখ,
ক্ষীণ হৃদয়ৰ আশা, দুৰ্ব্বলতা-হেতু
ভ্ৰষ্ট ভগ্ন ই জীৱন-ভাৰ, ঘূৰাই দি
অনন্ত কালত লম গভীৰ বিশ্ৰাম।
এয়ে যে সংসাৰ
কিবা কাম শাস্ত্ৰৰ বিধিত?
কি কাম গুৰুত?
প্ৰভু! পিতা! গুৰুদেৱ!
কিনো মই বলকিলোঁ নিজেই নেজানো,
অতপৰে আছিলো স্বপ্নত!
এই যে মন্দিৰ—
সোঁৱা সেই মহাবট
অটল, কঠিন, দৃঢ়
নিষ্ঠুৰ সত্যৰ দৰে আছে থিয় হই।
কি আদেশ, দেৱ!
কৰ্ত্তব্য পাহৰা নাই মই।
এই চোৱা—(কটাৰী দেখুৱাই)
তোমাৰ আদেশ-স্মৃতি
অন্তৰে-বাহিৰে মোৰ হইছে শানিত।
আৰু কি আদেশ আছে প্ৰভু?
ৰঘুপতি। খেদি দিয়া বালিকাক মন্দিৰৰ পৰা।
মায়াবিনী!
জানো মই তইঁতৰ কুহক কেনুৱা।
দূৰ কৰি খেদি দিয়া জয়সিংহ!
জয়সিংহ। খেদি দিব লাগে দূৰ কৰি?
দৰিদ্ৰ মোৰেই দৰে মন্দিৰ-আশ্ৰিত,
মোৰেই নিচিনা হায় সঙ্গীহীন বালা।
অকণ্টক পুষ্প সম

নিৰ্দোষ, নিষ্পাপ, শুভ্ৰ, সুন্দৰ সৰল
সুকোমল, বেদনাকাতৰ,
এই বালিকাক মই
খেদি দিব লাগে আঁতৰাই ?
সেয়ে হব গুৰুদেৱৰ পালিম আদেশ।
গুচি যা, গুচি যা অপৰ্ণা তই।
দয়া-মায়া, স্নেহ-প্ৰেম, সকলো যে মিছা
মৰি যা অপৰ্ণা !
সংসাৰৰ বাহিৰত একো নাই যদি
আছে তথাপিতো তাত দয়াময় মৃত্যু।
গুচি যা অপৰ্ণা !

অপৰ্ণা। তুমিও ওলাই আহা, জয়সিংহ
এৰি এই পাপৰ মন্দিৰ।
গুচি যাওঁ দূৰলই দুইজনে আমি।

জয়সিংহ। দুই জনে গুচি যাওঁ !
ইতো নোহে স্বপ্ন,
স্বপ্নতেই ভাবিলোঁ এবাৰ
স্বপ্ন ই জগৎ।
সেয়ে গালোঁ গান, হাঁহিলোঁ সুখত,
কিন্তু সত্য ই যে !
নকবা সুখৰ কথা আৰু বাৰ যেন
স্বাধীনতা প্ৰলোভন নকৰিবা প্ৰদৰ্শন
বন্দী মই সত্যৰ কাৰাগাৰত।

ৰঘুপতি। জয়সিংহ !
লাভ নাই মিছা আলাপত
দূৰ কৰি খেদি দিয়া এই বালিকাক।

জয়সিংহ। গুচি যা অপৰ্ণা !

অপৰ্ণা। কিয় যাম ?

জয়সিংহ। ই যে নাৰী-অভিমান তোৰ ?

অপর্ণা। অভিমান আৰু একো নাই।
জয়সিংহ!
তোমাৰ বেদনা আৰু মোৰ যত ব্যথা
সকলো গৰ্ব্বত কৰি ভাবোঁ বেছি বুলি।
একো মোৰ নাই অভিমান।

জয়সিংহ। তেন্তে মযে যাওঁ।
যতপৰ থাকিবি ইয়াত
মুখ তোৰ নকৰোঁ দৰ্শন।
গুচি যা অপর্ণা!

অপর্ণা। নিষ্ঠুৰ ব্ৰাহ্মণ, ধিক!
ব্ৰাহ্মণত্ব থাকক তোমাৰ
মই ক্ষুদ্ৰ নাৰী
অভিশাপ এৰি থই যাওঁ—
জানিবা ব্ৰাহ্মণ তব এই বন্ধনত
জয়সিংহ নহব আবদ্ধ।

[অপর্ণাৰ প্ৰস্থান]

ৰঘুপতি। বৎস!
মুখ তুলি চা', কথা ক এবাৰ।
প্ৰাণপ্ৰিয় প্ৰাণাধিক!
নাই নেকি স্নেহ
অগাধ সমুদ্ৰ সম মোৰ ই প্ৰাণত?
আৰু চা সোণাই!
মই তোৰ আজন্মৰ বন্ধু,
ভুদণ্ডৰ মায়াপাশ ছিন্ন হয় বুলি
মনত ইমান ক্লেশ কি কাৰণে তোৰ?

জয়সিংহ। থাকক, থাকক প্ৰভু!
শুনাবা আৰু মোক স্নেহৰ বচন,
থাকিল মনত মাথোঁ কৰ্ত্তব্য-পালন।

স্নেহ-প্ৰেম তৰুলতা পত্ৰপুষ্প সম
ধৰণীৰ ওপৰতে মাথোঁ, আহে যায়
শুকায় মিলায় নৱ নৱ স্বপ্নবৎ।
তলত ৰাতিয়ে-দিনে
অনন্ত হৃদয় ভাব সম
থাকে পৰি শুষ্ক ৰূঢ় পাষাণৰ স্তূপ।

[জয়সিংহৰ প্ৰস্থান]

ৰঘুপতি। জয়সিংহ!
একোতে নেপালোঁ তোৰ মন
ইমান সাধনা ছল বল
কৰোঁ মই তোৰ কাৰণেই।

চতুৰ্থ দৰ্শন

মন্দিৰ প্ৰাঙ্গণ

[জনতা]

গণেশ। এই বাৰ দেখিছোঁ, মেলাত তেনে মানুহ নহল।

অক্ৰূৰ। মানুহনো হব কেনেকৈ? এইখন দেশত হিন্দুৰ ৰাজত্ব নোহোৱা হল। ইয়াত যেন নবাবৰ ৰাজত্বহে হ'ল। গোসাঁনীৰ বলিয়েই বন্ধ হ'ল যেতিয়া মেলালৈ মানুহ আহিব কিয়হে?

কানু। ভাই! আগেয়ে ৰজাবতো এনে দুষ্ট-বুদ্ধি নাছিল। তেওঁৰ গাত ভূত কি পেৰেত্ কিবা উপদেৱতা লম্ভিছে যেন পাঁও, নহলেনো এনেকুৱা হয় নে?

অক্রুৰ। লম্ভিছে যদি মুছলমানৰ ভূতহে লম্ভিছে, বুইছ? নহলে তেওঁ এনেদৰে ওভতগোৰে নাচিব কিয়? আই গোসাঁনীৰ বলি বন্ধ কৰিব কিয়?

গণেশ। ওঁইতে ঘিহকে নকৰ এইখন ৰাজ্যৰ আৰু কেতিয়াও মঙ্গল নহয়। ঘোৰ কলিকাল পৰিছে।

কানু। তই নকলেও হব, স্বয়ং পুৰোহিত দেৱেই কৈছে নহয়। তিনি মাহৰ ভিতৰতে বোলে এই ৰাজ্য মাৰি-মৰকত উছন যাব।

হাৰু। তিনি মাহ কিয়? যেনে লক্ষণ দেখা গৈছে তিনি দিনৰ বেছি গোসাঁনীয়ে নসহে। সেই নেচাব কিয়, আজি আঢ়ৈ বছৰে আমাৰ মধুকা বেমাৰত ভুগি লেলাই-খেদাই কলঢোপ কলঢোপ কৰি জীয়াই আছিল। যেই বলি বন্ধ হ'ল, লগে লগেই ভাৰস্তত তাৰো চাউল উকলিল।

অক্রুৰ। নহয় অ' নহয়। মধু মৰা দেখোন তিনি মাহৰো বেছি হল। এতিয়া তাৰ হাড়ত বন গজিছে পাই।

হাৰু। হব পাৰে তিনি মাহ। কিন্তু এই বছৰৰ ভিতৰতেতো সি মৰিছে?

কান্তমণি। সেইবোৰ কথা এৰা বাৰু। মোৰ যে সেই চেঙেৰা ভতিজা লৰাটো—সিনো মৰিব বুলি বাৰু কোনে ভাবিছিল? মুঠে তিনি দিনৰ জ্বৰ। কবিৰাজৰ বড়ীটো গিলিবহে পালে, লগে লগেই চকু দুটা লুটিয়াই পেলালে নহয়।

গণেশ। নহয়নো আকৌ কি? সিদিনা যে মথুৰাহাটীত জুই লাগিছিল, দেখিলাই নহয় অগ্নিদেৱতাৰ কোব। ঘৰৰ চাল এখনো জানো বাকী থাকিল? ৰঙা ধোঁৱাত উঠি অগ্নিদেৱতাই একালৰ পৰা চেলেকি পেলালে নহয় বাপেকে।

চিন্তামনি। তাতে আকৌ নোচোৱা কিয় ? এই বছৰ ধানৰ দৰ ৰিমান কমিছে, আগেয়ে কৌনো বছৰেই এনে হোৱা নাছিল। এই বাৰ খেতিয়কৰ কপালত কি আছে কণা বিধতাইহে জানিছে।

হাৰু। সোৱা, ৰজা আহিছে! পুৱাতে আজি অমঙলীয়া ৰজাপাতৰ মুখ দেখা পালোঁ, দিনটো কেনে হয় কব পৰা নাই এথোন। ব'ল, আমিও ইয়াৰ পৰা আঁতৰি যাওঁহক।

[সকলোৰে প্ৰস্থান। গোবিন্দ মাণিক্য আৰু চাঁদপালৰ প্ৰৱেশ]

চাঁদপাল। মহাৰাজ !
হব লাগে সাৱধান তুমি।
চাৰিফালে চকু-কাণ ৰাখিছোঁ সজাগ
নোৱাৰে সাৰিব ক'তো ৰাজ-ইষ্টানিষ্ট।
হত্যাৰ কাৰণে তব গুপ্ত আলোচনা
মহাৰাজ ! নিজ কাণে কৰিছোঁ শ্ৰৱন।

গোবিন্দ। প্ৰাণহত্যা মোৰ ! হব কাৰ দ্বাৰা ?

চাঁদপাল। মহাৰাজ ! কবলৈও লাগিছে সঙ্কোচ।
ভয় হয় কিজানিবা নিষ্ঠুৰ সংবাদে
প্ৰকৃত অস্ত্ৰৰ সেই আঘাতত কৰি
অধিক আঘাত কৰে ৰাজহৃদয়ত।

গোবিন্দ। নিসঙ্কোচে কোৱা মোক।
ৰজাৰ হৃদয়
সদায় প্ৰস্তুত থাকে সহিব আঘাত।
কোনে কৰে এনে পৰামৰ্শ ?

চাঁদপাল। যুৱৰাজ নক্ষত্ৰৰায়ে।

গোবিন্দ। নক্ষত্ৰই ?

চাঁদপাল। নিজ কাণে শুনা কথা মই।
ৰঘুপতি আৰু যুৱৰাজ দুয়ো জনে

গুপ্তভাৱে মন্দিৰত বহি
স্থিৰ কৰি ৰাখিছে সকলো।

গোবিন্দ। দুদণ্ডতে স্থিৰ হই গল
আজন্মৰ ছিড়িল বান্ধোন।
হায় বিধি!

চাঁদপাল। কৰে অভিসন্ধি দুয়ো
দেৱতাক দিবলই তব ৰক্তদান।

গোবিন্দ। দিব ৰক্ত দেৱতাক!
তেন্তে আৰু নক্ষত্ৰৰ নাই একো দোষ।
বুজি পালোঁ ভালদৰে দেৱতা নামত
মানুহৰ মনুষ্যত্ব হই যায় লোপ।
ভয় নকৰিবা।
যোৱা তুমি নিজ কামলই
ৰম মই সাৱধান হই।

[চাঁদপালৰ প্ৰস্থান]

ৰক্ত নোহে, আনিছো কুসুম, মহাদেৱী—
ভক্তি মাথোঁ, হিংসা নোহে, বিভীষিকা নোহে।
এই জগতত
দুৰ্ব্বলবিলাক মাথোঁ বৰ অসহায়।
আই মাতৃ!
বাহুবল যে বৰ নিষ্ঠুৰ,
স্বাৰ্থ বৰ ক্ৰুৰ, লোভ বৰ নিদাৰুণ,
অজ্ঞান একান্ত অন্ধ, গৰ্ব্ব গুচি যায়
অকাতৰে ক্ষুদ্ৰবিলাকক
দলি থই ভৰিৰ তলত।
স্নেহ-প্ৰেম থাকে যে ইয়াত
অতি ক্ষীণ দুৰ্ব্বল বৃন্তত
পলকতে খহি পৰে স্বাৰ্থপৰশত।

তুমিও জননী যদি খড়্গ তুলি লোৱা
মেলিলা ৰসনা, তেন্তে সকলো আন্ধাৰ।
ভাই তেন্তে ভাই নোহে,
পতি প্ৰতি সতী বাম, বন্ধু হয় শত্ৰু,
মানৱৰ বাসগৃহ শোণিত-পঙ্কিল,
হিংসা মহাপুণ্য তাত, দয়া নিৰ্ব্বাসিত।
আৰু নোহে, আৰু নোহে, এৰা ছদ্মবেশ।
এতিয়াও বাৰু হোৱা নাই নে সময়?
এতিয়াও ধৰ নে প্ৰলয়ৰূপ তব?
এই যে উঠিছে খড়্গ চতুৰ্দ্দিশ হস্তে
লক্ষ্য কৰি মোৰ শিৰলৈ
ইও নে জননী তোৰ চাৰি ভুজ হস্তে?
সেয়ে হ'ক—তেন্তে সেয়ে হ'ক।
বোধকৰোঁ মোৰ ৰক্তপাতে
হিংসানল দিব হুমুৰাই।
নসহিব ধৰণীয়ে আৰু অত হিংসা।
ৰাজহত্যা! ভ্ৰাতৃৰ দ্বাৰা ভ্ৰাতৃহত্যা!
সমস্ত প্ৰজাই হব বেদনাব্যথিত
সমস্ত ভ্ৰাতৃৰ প্ৰাণে কৰিব ক্ৰন্দন
মোৰ ৰক্তে হিংসাৰ গুচাব মাতৃবেশ
প্ৰকাশিব ৰাক্ষসী আকাৰ।
দয়াৰ বিধান তোৰ এয়ে যদি হয়
তেন্তে সেয়ে হক।

[জয়সিংহৰ প্ৰবেশ]

জয়সিংহ। কোৱা, চণ্ডী! কোৱা,
সঁচাকৈয়ে ৰাজৰক্ত লাগে নে তোমাক?
কোৱা এতিয়াই, কোৱা নিজ মুখে
কোৱা মানৱ ভাষাৰে,

কোৱা—কোৱা ততালিকে
সঁচাকৈয়ে ৰাজৰক্ত লাগে নে তোমাক ?

নেপথ্যৰ পৰা। লাগে।

জয়সিংহ। তেন্তে মহাৰাজ !
নাম লোৱা ইষ্টদেৱতাৰ
কাল আহি চাপিছে ওচৰ।

গোবিন্দ। কি হৈছে, জয়সিংহ ?

জয়সিংহ। শুনিলা জানো সেয়া নিজ কাণে তুমি ?
দেৱীক সুধিলোঁ মই—
ৰাজৰক্ত লাগে নে নেলাগে ?
'লাগে' বুলি নিজমুখে জনালে দেৱীয়ে।

গোবিন্দ। সেয়া দেৱী নোহে জয়সিংহ !
নেপথ্যৰ পৰা কলে নিজে ৰঘুপতি
অতি পৰিচিত সেই কণ্ঠস্বৰ মোৰ।

জয়সিংহ। কলে ৰঘুপতি—নেপথ্যৰ পৰা ?
নোহে, নোহে, আৰু নোহে
কেৱল সংশয় হন্তে সংশয় মাজত
আৰু মই নোৱাৰোঁ নামিব।
এইদৰে পাৰলই আহোঁ যেতিয়াই
কোনে বেন ঠেলি দিয়ে অতলৰ ফালে !
সি যে অবিশ্বাস-দৈত্য।
আৰু যে নহয়,
গুৰু হ'ক, কিম্বা দেৱী, কথা একেটাই।

[ছুৰি উলিয়ায়। ছুৰি দলিয়াই দি কয়—]

ফুল ল মাতৃ ! ফুল ল। ফুল ল মাতৃ !
চৰণত ধৰি তোৰ জনাও প্ৰাৰ্থনা
মাথোঁ ফুল লই হ'ক পৰিতৃপ্তি তোৰ।
আৰু ৰক্ত নোহে মাতৃ ! আৰু নোহে ৰক্ত।

ইও যে ৰক্তৰ দৰে
ৰঙা দুটি জবা ফুল।
পৃথিৱীৰ মাতৃ-বক্ষ ফাটি
উঠিছে বিকশি,
সন্তানৰ ৰক্তপাত দেখি
ব্যথিত ধৰাৰ স্নেহ বেদনাৰ দৰে
লব লাগে, তই লব লাগে,
আৰুতো নকৰোঁ ভয় তোৰ ৰোষলই।
ৰক্ত নিদিওঁ—নিদিওঁ।
ৰঙা হল তোৰ চকু? তোল তোৰ খড়্গ,
আন তোৰ শ্মশানৰ দল,
ভয় নাই মোৰ।

[গোবিন্দমাণিক্যৰ প্ৰস্থান]

ইকি হল হায়! দেবী, গুৰু যি আছিল
বিসৰ্জ্জন দিলোঁ পলকতে
একোকে নবল আৰু বিশ্বৰ মাজত।

[ৰঘুপতিৰ প্ৰৱেশ]

ৰঘুপতি। সকলো শুনিছো মই।
সকলো যে পণ্ড হৈ গল,
কি কাম কৰিলি তই হেৰ অকৃতজ্ঞ?
জয়সিংহ। শাস্তি দিয়া প্ৰভু।
ৰঘুপতি। সকলো কৰিলি ভঙ্গ। ব্ৰহ্মশাপ
ঘূৰাই পঠালি তই অৰ্দ্ধপথ হন্তে।
লঙ্ঘিলি গুৰুৰ বাক্য,
ব্যৰ্থ কৰি দিলি সউ দেবীৰ আদেশ।
নিজৰ বুদ্ধিহে হল সৰ্ব্বাত্তোকে বৰ
স্নেহ-ঋণ শুজিলি ইদৰে?

জয়সিংহ। শাস্তি দিয়া পিতা!

ৰঘুপতি। কিবা শাস্তি দিম?

জয়সিংহ। প্ৰাণদণ্ড।

ৰঘুপতি। নহব সিমানে
তাতো কৰি গুৰুদণ্ড লাগে।
স্পৰ্শ কৰ দেৱীৰ চৰণ।

জয়সিংহ। কৰিলোঁ পৰশ।

ৰঘুপতি। কৰ অঙ্গীকাৰ—
ৰাজৰক্ত আনি দিম মই
শাওণৰ শেষ ৰাতি দেৱীৰ পদত।

জয়সিংহ। ৰাজৰক্ত আনি দিম মই
শাওণৰ শেষ ৰাতি দেৱীৰ পদত।

ৰঘুপতি। আঁতৰি যা।

অঙ্ক পতন

তৃতীয় অঙ্ক

প্ৰথম দৰ্শন

মন্দিৰ

[জনতা। ৰঘুপতি আৰু জয়সিংহ]

ৰঘুপতি। তহঁত ইয়ালৈ কি কৰিবলৈ আহিছ ?

সকলোৱে। আমি গোসাঁনী দৰ্শন কৰিবলৈ আহিছোঁ, দেউ !

ৰঘুপতি। এৰা, এৰা, গোসাঁনী-দৰ্শন কৰিবলৈ আহিছ ? এতিয়াও যে তহঁতৰ দুটাকৈ চকু আছে সি কেৱল বাপেৰহঁতৰ পুণ্যৰ ফলতহে। গোসাঁনীক ক'ত দেখা পাবি ? গোসাঁনীয়ে এই ৰাজ্য এৰি গুচি গৈছে। তহঁতে গোসাঁনীক ৰাখিব পাৰিলি জানো ? তেওঁ গুচি গৈছে।

সকলোৱে। কি সৰ্ব্বনাশ ! সিনো কি কথা দেউ ? আমিনো বাৰু গোসাঁনীৰ কি সেৱা চুৰ কৰিলোঁ ?

নিস্তাৰিনী। মোৰ ভতিজা লৰাটোৰ নৰিয়া হৈছিল, সেই বাবেহে মই এই কেইদিন মন্দিৰলৈ পূজা দিবলৈ আহিব পৰা নাছিলোঁ।

গোবৰ্দ্ধন। বহু দিন আগতে মই গোসাঁনীলৈ পঠা দুটা আগ কৰি থৈছিলোঁ। ইয়াৰ ভিতৰত ৰজাই বলি বন্ধ কৰি দিলে যেতিয়া মই এতিয়া কি কৰিম ? কাৰ আগত বলি দিম ?

হাৰু। আমাৰ গন্ধমাদন ভায়াই গোসাঁনীলৈ আগ কৰি থোৱা বস্ত্ৰখিনি এতিয়াও দিয়া নাই সঁচা কিন্তু গোসাঁনীয়েওতো তাক জুলুকি জুলুকি পানী মুখুৱাই থকা নাই। তাৰ পিলাই বাঢ়ি পেটটো ঢোল যেন হৈছে। আজি ছমাহে সি পাটীৰ পৰা উঠিব পৰা নাই। আমাৰ গুণৱন্তহে সি মহাজন, গোসাঁনীক ফাঁকি দিব কেনেকৈ ?

অক্রুৰ। মনে মনে থাক তইঁতি। মিছাকৈ চিঞৰ-বাখৰখন নকৰিবি। বাক দেউ! গোসাঁনী কিয় গুচি গল? আমি বা কি দায়-অপৰাধ লগালোঁ?

ৰঘুপতি। গোসাঁনীৰ কাৰণে—মাতৃৰ কাৰণে এটোপাল তেজ দিব নোৱাৰ। এয়েইতো তইঁতৰ ভক্তি?

বহুতে। ৰজাৰ আদেশ। আমি কি কৰিব পাৰোঁ দেউ?

ৰঘুপতি। ৰজা কোন? মাতৃৰ সিংহাসন তেন্তে ৰজাৰ সিংহাসনৰ তলত? যদি সেয়েই হয় এই মাতৃহীন দেশত তইঁতে ৰজাক লৈয়েই থাক। চাওঁচোন, ৰজাই তইঁতক কেনেকৈ ৰক্ষা কৰিব পাৰে।

(সকলোৱে ভয়ে ভয়ে গুণগুণাই কবলৈ ধৰে)

অক্রুৰ। মনে মনে থাক। সন্তানে যদি কিবা অপৰাধ কৰে তেন্তে মাতৃয়ে তাক শাস্তি দিয়ক। কিন্তু একেবাৰে এই-দৰে গুচি যোৱাটো মাতৃৰ পক্ষে উচিত হল নে? কৈ দিয়া দেউ! আমি কি কৰিলে মাতৃ আমাৰ আকৌ ঘূৰি আহিব।

ৰঘুপতি। তইঁতৰ ৰজাই যেতিয়া এই ৰাজ্য এৰি যাব, মাতৃয়েও তেতিয়াহে পুনৰ ৰাজ্যত পদাৰ্পণ কৰিব।

(নিস্তব্ধভাবে ইজনে সিজনৰ মুখলৈ চায়)

ৰঘুপতি। তেন্তে তইঁতে চাবি নেকি? এই ফালে আহ। বহু দূৰৰ পৰা বহু আশা কৰি গোসাঁনীক চাবলৈ আহিছ। এবাৰ চাই ল।

[মন্দিৰৰ দুৱাৰ মেলি দিয়ে। প্ৰতিমাৰ পিঠিৰ ফালহে দেখা যায়]

সকলোৱে। ইকি! মাতৃৰ মুখ কোন ফালে?

অক্রুৰ। হেৰ! মাতৃ আমাৰ প্ৰতি বিমুখ হৈছে।

সকলোৱে। হে মাতৃ! হে গোসাঁনী! আমাৰ ফালে তোমাৰ মুখখন ঘূৰাই এবাৰ থিয় দিয়া। ঘূৰি চোৱা আই! মাতৃ ক'ত? আমি তোমাক ঘূৰাই আনিম আই মাতৃ! আমি

তোমাক এৰি নিদিওঁ। নেলাগে আমাক ৰজা। যাক ৰজা। মৰক ৰজা।

জয়সিংহ। (ৰঘুপতিৰ কাষলৈ গৈ) প্ৰভু! মই একেবাৰ কথাও কব নোৱাৰিম নে ?

ৰঘুপতি। নোৱাৰা।

জয়সিংহ। সন্দেহৰ জানো একো কাৰণ নাই ?

ৰঘুপতি। নাই।

জয়সিংহ। সকলোকে তেন্তে বিশ্বাস কৰিম ?

ৰঘুপতি। এৰা।

[অপৰ্ণাৰ প্ৰবেশ]

অপৰ্ণা। (কাষলৈ আহি) জয়সিংহ। আহাঁ জয়সিংহ!
শীঘ্ৰে আহাঁ এৰি ই মন্দিৰ!

জয়সিংহ। বিদীৰ্ণ হল যে বক্ষ।

[ৰঘুপতি, জয়সিংহ আৰু অপৰ্ণাৰ প্ৰস্থান। * * ৰজাৰ প্ৰবেশ]

প্ৰজাসকল। ৰক্ষা কৰা মহাৰাজ!
ৰক্ষা কৰা প্ৰজাক তোমাৰ
মাতৃক ঘূৰাই আনা।

গোবিন্দ। বৎসসকল।
কৰা অৱধান।
সেয়ে মোৰ প্ৰাণপণ ইচ্ছা—
ওভোতাই আনিম মাতৃক।

প্ৰজাসকল। জয় হ'ক। মহাৰাজ! জয় হ'ক তব।

গোবিন্দ। এবাৰ সুধিব খোজোঁ সকলোকে মই—
তোমালোকে বাক
লোৱা নাই জন্ম জানো মাতৃৰ গৰ্ভত ?
হে মাতৃসকল!
তোমালোকেও এদিন

অনুভৱ কৰিছা নিশ্চয়
সুকোমল হৃদয়ত মাতৃস্নেহ-সুধা।
কোৱাচোন তেনে বাক মাতৃ জানো নাই?
মাতৃস্নেহ সৰ্বাতোকৈ পবিত্ৰ প্ৰাচীন,
সৃষ্টিৰ প্ৰথম পুৰা পূত লগনত
অকলে আছিল বহি মাথোঁ মাতৃস্নেহ
তৰুণ বিশ্বক লই সাবটি বুকত।
আজিওতো আছে সেই
প্ৰাচীন মাতৃস্নেহ
ধৈৰ্য্যৰ প্ৰতিমা হই বহি একেভাবে,
সহি আছে জগতৰ কত উপদ্ৰব,
কত শোক, কত ব্যথা, কত অনাদৰ,
চাই চাই চকুৰ আগত
ভায়ে ভায়ে কত ৰক্তপাত,
কত নিষ্ঠুৰতা, কত অবিশ্বাস,
বেদনা বহন কৰি বাক্যহীনা হই
আছে বহি তথাপিতো সেই যে জননী
কোলা পাতি দুৰ্ব্বলৰ বাবে,
একান্ত যি নিৰুপায়
তাৰ বাবে দান কৰি সমস্ত হৃদয়।
আজি আমি কৰিলোঁ নে বাৰু
ইমানেই মহাঅপৰাধ
যাৰ বাবে গুচি গল সি অসীম স্নেহ
চিৰমাতৃহীন কৰি অনাথ সংসাৰ?
বৎসসকল! মাতৃসকল!
কোৱা, খুলি কোৱা—
এনে কিবা অপৰাধ কৰিলোঁ নাজানি?
কোনো কোনো। মাতৃৰ পূজাৰ বলি কৰিছা নিষেধ
বন্ধ কৰি দিছা বলি-পূজা

গোবিন্দ। বলি মই কৰিছোঁ নিষেধ
সেই বাবে অভিমান কৰি
বিমুখ হইছে মাতৃ সন্তানৰ প্ৰতি,
আৰু তাৰ ফলতেই আহিছে মৰক
উপবাস, অনাবৃষ্টি, অগ্নি, ৰক্তপাত
এয়ে নে আমাৰ মাতৃ ?
ক্ষীণ শিশুটোকো নিজ স্তন দান কৰি
মাতৃয়ে জীয়াই তোলে অতি যতনেৰে
তাকো জানো কৰে তেওঁ ৰক্তৰ লোভত ?
এনেকুৱা মাতৃ-অপমান
ঠাই দিলি যেতিয়া মনত
আজন্মৰ মাতৃস্নেহ স্মৃতিৰ মাজত
নেবাজিল জানো ব্যথা,
নপৰিল মনত এবাৰ
স্নেহময়ী জননীৰ মুখ ?
'ৰক্ত লাগে—ৰক্ত লাগে'
গৰজন কৰিছে জননী,
অবলা দুৰ্ব্বল জীৱ
থৰ থৰ কৰি কঁপে প্ৰাণৰ ভয়ত।
নৃত্য কৰে মহোল্লাসে
দয়াহীন নৰনাৰী ৰক্তমত্ততাত।
এয়ে নেকি পৰিয়াল মাতৃৰ আমাৰ ?
পুত্ৰসকল ! স্নেহ-ছবি এয়ে নে মাতৃৰ ?
প্ৰজাসকল। মূৰ্খ আমি নোৱাৰোঁ বুজিব।
গোবিন্দ। বুজিব নোৱাৰা ? শিশু দুদিনৰ
একোকেই নেপায় সি বুজি
সিও বুজে জননীৰ ভাব।
সিও বুজি পায়—
ভোকত্ত পাখীৰ আছে মাতৃৰ স্তনত,

শিও যদি দুখ পায়
কান্দি উঠে মাতৃ-মুখলৈ চাই।
তইঁত কি ভ্রান্ত হলি এনুৱা ভুলত
পাহৰিলি নিজৰ মাতৃকো,
বুজিব নোৱাৰা হলি মাতা দয়াময়ী ?
বুজিব নোৱাৰ, জীৱজননীৰ পূজা
নহয় জীৱৰ ৰক্তদান কৰি,
হয় প্রেম, হয় ভালপোৱা দিলে।
বুজিব নোৱাৰ আজি
য'ত ভয়, মাতৃ তাত নাই,
হিংসা য'ত মাতৃ তাত নাই,
ৰক্ত য'ত জননীৰ অশ্রুজল তাত।
বৎসসকল !
কিনোদৰে তইঁতক দেখুৱাম মই
কি বেদনা দেখা পালোঁ মাতৃৰ মুখত,
কি কাতৰ দয়া,
কি ভৎর্সনা অভিমান ভৰা
চল চল চকু দুটি জননীৰ মোৰ।
দেখুৱাব পৰা হলে মই
নিজ জননীক
তত্তালিকে চিনিলিহেঁতেন
মন্দিৰ-দুৱাৰলৈ
দীনবেশে আহিছিল দয়া
মাতৃৰ সিংহাসনৰ কলঙ্কৰ দাগ
চকুলোৰে ধুই দিবলৈ,
তাকে অপৰাধ বুলি
ক্রোধ কৰি গুচি গল মাতৃ,
ইয়াকে তইঁতে আজি কৰিলি বিচাৰ ?

[অপর্ণাৰ প্রৱেশ]

প্রজা। নিজে তুমি চোৰা মহাৰাজ!
সন্তানৰ ওপৰত সউ
কিবা দৰে বিমুখ জননী।

অপৰ্ণা। (মন্দিৰৰ বেদীলৈ উঠি গৈ)
কোনে কয় বিমুখ জননী?
আহচোন আই মোৰ!
চাওঁ তোক প্ৰাণ ভৰি এটিবাৰ আমি।

(প্ৰতিমা ঘূৰাই দি)

এই চোৱা, ঘূৰি চালে মাতৃয়ে আমাক।

সকলোৰে। উভতিল মাতৃ।
জয় হ'ক, জয় হ'ক।

(গান)

থাকিব আকতো নোৱাৰিলি আই! পাৰিলি ক'ত?
কোলাৰ সন্তানক এৰিলি ক'ত?
দোষী আমি বহু দোষত আছিলি কন্তেক বহি ৰোষত
মুখ যে ঘূৰালি শেষত, অভয় চৰণ গুচালি ক'ত?

[সকলোৰে প্ৰস্থান। ৰঘুপতি আৰু জয়সিংহৰ প্ৰবেশ]

জয়সিংহ। সত্যে কোৱা, প্ৰভু! তোমাৰ ই কাম?

ৰঘুপতি। সত্য কিয় কৰিম গোপন
মই জানো কৰোঁ ভয় সঁচা কবলই?
মোৰেই ই কাম।
কি কব খুজিছা, কোৱা—
হৈছা গুৰুৰো গুৰু তুমি
কি ভৎসনা কৰিবা মোক
দিবা কিবা উপদেশ?

জয়সিংহ। কবলই একো নাই মোৰ।

ৰঘুপতি। একো নাই ?
কোনো প্ৰশ্ন নাই তেনে সুধিবলগীয়া ?
জন্মিলেও সন্দেহ মনত
মীমাংসাৰ বাবে তাৰ
নিৰ্বিচাৰ গুৰু উপদেশ ?
পালি ইমান দূৰ ?
ইমানে মনত তোৰ ঘটিছে বিচ্ছেদ ?
মূঢ় শুন—
সঁচাকৈয়ে দেৱী আজি হইছে বিমুখ
কিন্তু সেয়ে যদি হয়
তথাপিতো মুঘূৰিব প্ৰতিমাৰ মুখ।
মন্দিৰত কৰি ৰক্তপাত
দেৱীয়ে যি কৰে ৰক্তপান
ফুঠে সেই ৰক্তৰেখা প্ৰতিমা-মুখত।
দেৱতাৰ অসন্তোষ
নোলায় কদাপি ফুটি প্ৰতিমা-মুখত।
কিন্তু—
কিবা দৰে সেই কথা বুজাম মূৰ্খক ?
যাক দেখা নেপায় চকুৱে
চকুৱে তাকে বিচাৰে চাবলই।
সেই কাৰণেহে সত্যক বুজাবলই
লব লাগে মিছাৰ আশ্ৰয়।
মূৰ্খ !
সত্য নাই তোৰ, মোৰ, কাৰো হাতত্তেই।
সত্য নোহে সত্যৰ প্ৰতিমা;
কথা সত্য নোহে, লিপি সত্য নোহে,
মূৰ্ত্তি সত্য নোহে, চিন্তা সত্য নোহে।
ক'ত আছে সেই সত্য কোনেও নেজানে,

কোনেও সত্যক সেই বিচাৰি নেপায়।
সেই সত্য কোটি মিথ্যাৰূপে
ফাটি ফাটি পৰিছে চাৰিওফালে,
সেয়ে মহামায়া নয় সত্য নাম
অৰ্থ তাৰ মহামিথ্যা মাথোঁ।
সত্য-মহাৰাজ
বহি থাকে ৰাজকাৰেঙত
চতুৰ্দ্দিকে শত শত মিথ্যা-প্ৰতিনিধি
খাটি খাটি হয় লটিঘটি।
বহি থাক ভাবি ভাবি আকাশ-পাতাল
যাওঁ মই আছে বহু কাম।
আকউ প্ৰজাৰ মন হইছে সলনি।

জয়সিংহ। তীৰলই লই আহে যি তৰঙ্গই
সেয়ে পুনু ঘূৰি
অকূলৰ মাজলই লই যায় টানি।
সত্য নোহে, সত্য নোহে, সত্য নোহে
সকলো যে মিছা, মিছা, মিছা,
দেৱী নাই প্ৰতিমা-মাজত,
তেন্তে ক'ত আছে ?
ক'তো কেওঁ নাই—
দেৱী নাই।
ধন্য, ধন্য, ধন্য মিছা তুমি।

দ্বিতীয় দৰ্শন

কাৰেঙৰ কক্ষ

[গোবিন্দমাণিক্য আৰু চাঁদপাল]

চাঁদপাল। মহাৰাজ!
কুমন্ত্ৰণা কৰিছে প্ৰজাই।
মোগলৰ সেনাপতি
অসম-উদ্দেশ্যে কৰে যুদ্ধ-অভিযান।
সম্প্ৰতি সেই বাহিনী আছে
দুই চাৰি দিন মাথোঁ বাটৰ অন্তত।
তালৈকে প্ৰজাবোৰে পঠাই প্ৰস্তাৱ—
মহাৰাজ! সিংহ-আসনৰ পৰা
বিচাৰিছে নমাব তোমাক।

গোবিন্দ। বিচাৰিছে প্ৰজাসবে আঁতৰাব মোক
ইমানেই অসন্তোষ মোৰ ওপৰত?

চাঁদপাল। মহাৰাজ! সেৱকৰ ৰাখা অনুৰোধ—
পশুৰক্ত ইমানেই যদি
ভাল লাগে নিষ্ঠুৰ প্ৰজাৰ
তাকে তুমি দিয়া সিহঁতক
ৰাক্ষসী প্ৰবৃত্তি যাক পশু-ওপৰেদি।
সততেই ভয় হয় মোৰ
কোনে জানে কেতিয়া কি হয়।

গোবিন্দ। চাঁদপাল! মযো জানো আছে বুলি ভয়,
ৰাজকাৰ্য্য সিও আছে,
সাগৰ অপাৰ—
তথাপি লাগিব নিব তৰী তীৰলই।

মোগলৰ কাবলই বাক
গ'ল নেকি ইতিমধ্যে প্ৰজাৰ কটকী ?

চাঁদপাল। যাব পায় ইমান সময়ে।

গোবিন্দ। চাঁদপাল! তুমি তেনে যোৱা এই বাৰ
মোগলৰ শিবিৰৰ কাষতে থাকিবা
যেতিয়া যি ঘটে তাৰ পঠাবা বতৰা।

চাঁদপাল। মহাৰাজ! সাৱধানে থাকিবা ইয়াত
প্ৰভু! অন্তৰে-বাহিৰে শত্ৰু।

[প্ৰস্থান। গুণৱতীৰ প্ৰৱেশ]

গোবিন্দ। প্ৰিয়ে!
বৰ শুষ্ক, বৰ শূন্য এই যে সংসাৰ
অন্তৰে-বাহিৰে শত্ৰু দশোদিশে মোৰ।
তুমি আহি এখন্তেক হাঁহি থিয় দিয়া
প্ৰীতিৰ ভাবেৰে চোৱা মোৰ মুখলই।
প্ৰেমহীন অন্ধকাৰ
ষড়যন্ত্ৰ বিপদ-বিদ্বেষ
সবাৰ উপৰি হোক
সুধাময় আৱিৰ্ভাব প্ৰেয়সী তোমাৰ,
ঘনঘোৰ ৰজনীৰ শিৰত জিলিকা
অনিৰ্মেষ চন্দ্ৰৰ নিচিনা।
প্ৰিয়তমে! নিৰুত্তৰ কিয় ?
অপৰাধ-বিচাৰৰ এয়ে নে সময় ?
তৃষাৰ্ত্ত হৃদয়ে যেবে মৰুৰ মাজত
মুমূৰ্ষৰ দৰে চায় সতৃষ্ণ নয়নে
সুধাপাত্ৰ দেখুৱাই ঘূৰি যাবা তুমি ?

[গুণৱতীৰ প্ৰস্থান]

গুচি গলা। হায়, মোৰ দুৰ্ব্বহ জীৱন!

[নক্ষত্ৰৰায়ৰ প্ৰৱেশ]

নক্ষত্র। যেনি যাওঁ সকলোৰে সোধে—
বজা হবা ? বজা হবা ?
ই যে বৰ আচৰিত কথা।
অকলই থাকোঁ বহি
তথাপিতো শুনো—
বজা হবা ? বজা হবা ?
দুই কাণে যেন মোৰ
দুটা টিয়া পখী আহি লগে বাহ সাজি,
এটা কথা জানে মাথোঁ।
বজা হবা ? বজা হবা ?
ভাল বাৰু, সেয়ে হব নকৰ সংশয়।
কিন্তু ৰাজৰক্ত লাগে
পাৰিবি নে আনি দিব মোক ?

গোবিন্দ। নক্ষত্র !

নক্ষত্র। (সচকিত হৈ উঠে)

গোবিন্দ। নক্ষত্র !
মাৰিব খুজিছা তুমি মোক ?
কোৱা সঁচা কথা ভাই !
মোক মাৰিব খুজিছা তুমি ?
এই কথা ৰাতি-দিনে
হৃদয়ত জাগিছে তোঁমাৰ ?
এই কথা গুণি মনে মনে
হাঁহি হাঁহি মোৰ সতে কৰিছা আলাপ
প্ৰণাম কৰিছা মোৰ ধৰি চৰণত,
আশীৰ্ব্বাদ কৰিছা গ্ৰহণ,
দুপৰীয়া খোৱাৰ পৰত
এক অন্ন ভাগ কৰি কৰিছা ভোজন
এই কথাকেই লই মনৰ মাজত ?
হেৰ ভাই !

বহুৱাবি তই মোৰ বুকুত ছুৰিকা ?
এই বুকুতেই তোক লইছিলো টানি
যিদিনা মাতৃয়ে তোৰ
শেষ স্নেহ-হস্তখনি ৰাখি কপালত
গুচি গল ধৰাধাম শূন্য কৰি থই ।
আজি সেই তই, সেই এই বুকু
তাতে ছুৰি বহুৱাব খোজ ?
একে ৰক্তধাৰা বয় দুই শৰীৰত
পিতৃপিতামহ হন্তে
বই আহিছে যি ৰক্ত চিৰদিনে
সিৰে সিৰে ভাতৃৰ দেহত,
সেই সিৰা ছিন্ন কৰি তই
সেই ৰক্ত ভূতলত পেলাব খুজিছ ?
এয়া, বন্ধ কৰি ৰাখিলোঁ দুৱাৰ,
তুলি দিছোঁ নিজ হাতে এই তৰোৱাল
খুলি দিছোঁ এই বুকু মোৰ
বহুৱাই দে অস্ত্র
পূর্ণ হ'ক মনস্কাম তোৰ ।

নক্ষত্র । ক্ষমা কৰা, ক্ষমা কৰা, দাদা ! ক্ষমা কৰা ।

গোবিন্দ । আহ ভাই ! ঘূৰি আহ
ঘূৰি অহি এই বুকুলই
ক্ষমা-ভিক্ষা নাই প্রয়োজন ।
যেতিয়াই শুনিলো সংবাদ
তেতিয়াই কৰিলো ক্ষমা,
তোক ক্ষমা নকৰিব অক্ষম যে মই ।

নক্ষত্র । পুৰোহিতে দিছে মোক কুমন্ত্রণা,
দাদা ! ৰক্ষা কৰা তুমি মোক
তাৰ কবলৰ পৰা ।

গোবিন্দ । একো ভয় নাই, ভাই !

তৃতীয় দর্শন

ৰাজঅন্তেসপুৰ

[অকলে গুণৱতী]

গুণৱতী। তথাপি নহল। ভাবিছিলো মনে মনে
টান হৈ থাকোঁ যদি আৰু কিছু দিন
নিজেই দিবহি ধৰা প্ৰেমৰ তৃষ্ণাত,
ইমানেই অহঙ্কাৰ আছিল মনত।
মুখ লুকুৱাই থাকোঁ, নেমাতোঁ মুখেৰে,
নেপেলাওঁ চকুপানী, থাকোঁ ঠেহ পাতি
মাথোঁ ৰোহ, মাথোঁ অৱহেলা
—ইদৰেই কত দিন গল!
শুনিছো নাৰীৰ ৰোহ পুৰুষ আগত
মাথোঁ শোভা আভাময়
হীৰাৰ দীপ্তিৰ দৰে, তাপ নাই তাত।
ধিক! নেলাগে এনুৱা শোভা,
এই ৰোহ হোৱা হলে বজ্ৰৰ সমান
পৰা হলে প্ৰাসাদৰ ওপৰত গই
নৃপতিৰ নিদ্ৰাভঙ্গ কৰিলেহেতেন,
চূৰ্ণ কৰি ৰাজঅহঙ্কাৰ
ৰাণীৰ মহিমা পূৰ্ণ কৰিলেহেতেন।
মই বোলে ৰাণী
কিয়নো জন্মিল বাৰু ই মিছা বিশ্বাস?
মই তব হৃদয়ৰ অধীশ্বৰী বুলি
কিয়া হেতু এই মন্ত্ৰ
প্ৰতি দিনে দিছিলা কাণত?

কিয় তুমি মজনালা মোক
ৰজাৰ কিংকৰী মাথোঁ মই ক্ৰীতদাসী ?
নোহো ৰাণী, নোহো পটেশ্বৰী,
সেয়ে হোৱা হলে
আজি ই আঘাত
আজি ই পতন
সহিবৰ প্ৰয়োজন নহলহেঁতেন।

[ধ্ৰুৱৰ প্ৰৱেশ]

গুণৱতী। কেনি যাব তই ?
ধ্ৰুৱ। ৰজাই মাতিছে মোক।

[প্ৰস্থান]

গুণৱতী। ৰজাৰ হৃদয়ৰত্ন এই যে বালক।
হেৰ শিশু !
চুৰ কৰি নিলি তই
সন্তানৰ বাবে মোৰ আছিল যি আসন।
নাহোতেই মোৰ বাছাইঁত
সিইঁতৰ প্ৰাপ্য পিতৃস্নেহ
তই আহি ললি তাৰ ভাগ।
সুধাৰ পাত্ৰৰ পৰা ৰাজহৃদয়ৰ
তয়ে ললি প্ৰাণাঞ্জলি।
হেৰ ৰাজদ্ৰোহী !
ৰাজপুত্ৰ মোৰ
লব নে লাগিব আহি তোৰহে প্ৰসাদ ?
হে মহামায়া !
ই কি তোৰ অবিচাৰ ?
অত সৃষ্টি, অত লীলা তোৰ
লীলাৰ ছলেৰে ৰাক
দেচোন সন্তান এটি মোক।

যে জননী !
মাথোঁ এইকণ শিশু
কোলাখন যাতে মোৰ ভৰি ধাব পাৰে।
ভাল পাব যিহকেই তই ভগৱতী
তাকে মই দিম তোক আই !

[নক্ষত্ৰৰায়ৰ প্ৰৱেশ]

গুণৱতী। নক্ষত্ৰ ! কলৈ যোৱা ?
উলটিব যাব খুজিছা দেখোন
কৰিছা ইমান ভয় কাৰ বাবে তুমি ?
মই নাৰী—
অস্ত্ৰহীন, বলহীন, নিৰুপায়, অসহায়,
ময়ে নেকি হলোঁ আজি ভীষণ ইমান ?

নক্ষত্ৰ। নাই, নাই, মোক নেমাতিবা।

গুণৱতী। কিয়, কি হৈছে তোমাৰ ?

নক্ষত্ৰ। একো হোৱা নাই। মই নহওঁ ৰজা।

গুণৱতী। নেলাগে বাৰু হব ৰজা
সেই বুলি কিয় আস্ফালন ?

নক্ষত্ৰ। চিৰকালে ৰজা থাকক জীয়াই
মই যেন যুৱৰাজ হৈয়ে মৰোঁ।

গুণৱতী। মৰিব খুজিছা মৰা, মৰা ততালিকে
পূৰ্ণ হক মনৰ কামনা।
মই জানো ভৰি-হাতে ধৰি
বাধা দিছোঁ নমৰিবলই ?

নক্ষত্ৰ। তেন্তে কি খুজিছা কব, কোৱা।

গুণৱতী। যিজনে কৰিছে চুৰ মুকুট তোমাৰ
তাকে তুমি আঁতৰাব লাগে
বুজিছা নে ?

নক্ষত্ৰ। সকলো বুজিছোঁ
মাথোঁ বুজা নাই মই—কোন সেই চোৰ।

গুণৱতী। সেই যে বালক ধ্ৰুৱ
বাঢ়িব লাগিছে নিতে ৰজাৰ কোলাত।
দিনে দিনে বাঢ়ি আছে
ওখ হই মুকুট খিয়াই।

নক্ষত্ৰ। সেইটো অৱশ্যে হয়—বুজিছোঁ সকলো
মুকুট দেখিছো সচাঁ ধ্ৰুৱৰ মূৰত
মই কওঁ খেল মাথোঁ তাৰ।

গুণৱতী। খেল মুকুটেৰে? বৰ কাল খেলা।
এই বাৰ ভাঙি দিয়া খেল
নহলে তুমিয়ে হবা খেলৰ পুতল।

নক্ষত্ৰ। সেইটো অৱশ্যে হয়
এই গেল ভাল খেল নিশ্চয় নহয়।

গুণৱতী। আজি তুমি মাজ ৰাতি
সংগোপনে লই গই তাক
মোৰ নামে নিবেদিবা দেৱীৰ পদত।
তাৰ ৰক্ত পালে
অচিৰে মুমাই যাব দেৱৰোষানল।
স্থায়ী হব সিংহাসন, এই ৰাজবংশ,
পিতৃলোকে গাব আৰু কল্যাণ তোমাৰ।
বুজিছা নে?

নক্ষত্ৰ। বুজিছোঁ।

গুণৱতী। তেন্তে যোৱা। যি কলো কৰাগই।
মনত ৰাখিবা—মোৰ নামে শিশু
গোসাঁনীক নিবেদন কৰিব লাগিব।

নক্ষত্ৰ। সেয়ে হব।
মুকুট লই খেল?
ই যে সৰ্ব্বনাশ!

দেৱীৰ সন্তোষ, ৰাজ্যৰক্ষা, পিতৃবংশ
বুজিবৰ বাকী নাই একো।

চতুর্থ দর্শন

মন্দিৰ সোপান

[জয়সিংহ]

জয়সিংহ। দেৱী! আছা, তুমি আছা।
দেৱী! থাকা তুমি।
ই অসীম ৰজনীৰ সৰ্ব্বপ্ৰান্ত শেষত
আছা যদি কণা মাত্র হই
তাৰে পৰা তুমি
ক্ষীণতম কণ্ঠে মোক জনেৰা সঁহাৰি।
কোৱা মোক ভগৱতী তুমি—
'বৎস! আছোঁ মই, আছোঁ মই' বুলি।
নাই! নাই! দেৱী নাই—দেৱী নাই
অয়ী মায়াময়ী মিথ্যা!
দয়া কৰা মোক
দয়া কৰা, দয়া কৰা ই জয়সিংহক
সত্য হোৱা তুমি।
আশৈশৱ ভক্তি মোৰ, আজন্মৰ প্ৰেমে
তোক প্ৰাণদান দিব নোৱাৰিব কিয়?
ইমানেই মিছা হলি তই।
এই যে জীৱন তোৰ
কাক তই দিলি জয়সিংহ?
সকলো পেলাই দিলি

সত্যশূন্য, দয়াশূন্য, মাতৃশূন্য এই
মহাশূন্যৰ মাজত।

[অপর্ণাৰ প্ৰৱেশ]

জয়সিংহ। হে অপর্ণা!
আকৌ আহিছ তই?
মন্দিৰৰ বাজলই খেদি পঠিয়ালো!
তথাপিতো অহর্নিশে তই
আশেপাশে দশোদিশে ঘূৰি ফুৰ মোৰ
মুখৰ দুৰাশা সম দৰিদ্ৰ মনত।
সত্য আৰু মিছা—ব্যৱধান এয়ে মাথোঁ
মিছাক থইছোঁ ৰাখি
মন্দিৰ মাজত মই বৰ যত্ন কৰি
তথাপি সি থাকিও নেথাকে।
সত্যক পঠাওঁ খেদি
মন্দিৰৰ বাজলই অনাদৰ কৰি
তথাপি সি ঘূৰি ঘূৰি আহে।
হে অপর্ণা!
যোৱা নাই তই?
তোক মই নোলোটাওঁ আৰু
আহ, ইয়াতেই বহোঁ দুয়ো আমি!
বহু ৰাতি হল—
কৃষ্ণ পক্ষৰ জোন
উঠিছে সৌ গছৰ আঁৰত
চৰাচৰ সকলোটি টোপনি মগন,
নিদ্ৰাহীন মাথোঁ আমি এই দুটি প্ৰাণী।
অপর্ণা বিষাদময়ী!
তোকো জানো মোৰ দৰে
ফাঁকি দি পলাল সেই মায়াৰ দেৱতা?

দেৱতাৰ কিবা প্ৰয়োজন ?
আমাৰ ই সকলুৰা সুখৰ সংসাৰ
কিয় তাত দেৱতাক কৰোঁ আবাহন ?
আমাৰ বুকুৰ ব্যথা বুজে নে দেৱতা ?
ভাতৃক বঞ্চনা কৰি আনি সেই প্ৰেম
দেৱতাৰ লাগে নে কামত ?
ই সুন্দৰী সুখময়ী ধৰণীৰ পৰা
মুখ তুলি চাওঁ আমি দেৱতাৰ পিনে
কিন্তু সেই দেৱতাই কোন ফালে চায় ?
হব পাৰে দেৱতা-মনত
ক্ষুদ্ৰ সঁচা, তুচ্ছ সঁচা,
তথাপি আমাৰ ই যে মাতৃ বসুন্ধৰা।
দেৱতা-মনত তৃণবৎ
তথাপি আমাৰ ভাই,
অৱহেলা কৰি
অন্ধৰথচক্ৰৰ তলত
দলি বলি যায়
তথাপি দলিত উপেক্ষিত
সিহঁতো যে মোৰ আপোনাৰ জন।
আহ তই, নিৰ্ভয়ে দেৱতাহীন হই
আৰু ওচৰাউচৰি কই
সকলোটি থাকোঁ বান্ধ খাই।
ৰক্ত লাগে! পৰিহৰি স্বৰ্গৰ ঐশ্বৰ্য্য
দৰিদ্ৰ ই ধৰাতললই
আহিছো নে সেই বাবে আমি ?
তাত যে মানৱ নাই, জীৱ কোনো নাই,
ৰক্ত নাই, ব্যথা পাব এনে কোনো নাই,
সেয়েহে স্বৰ্গত জন্মিছে অৰুচি।
আহিছা মৃগয়া হেতু,

নিৰ্ভয়েৰে বিশ্বাস-মুখত
ঘৰ সাজি আছে যত
মানৱ ক্ষুদ্ৰ পৰিয়াল'।
অপৰ্ণা! বালিকা! দেৱী নাই।

অপৰ্ণা। জয়সিংহ!
নেথাকিবা মন্দিৰত তেনে
আহাঁ তুমি বাহিৰ ওলাই।

জয়সিংহ। যাম, যাম, এৰি যাম ই মন্দিৰ।
দেহি ঐ অপৰ্ণা!
নিশ্চয় লাগিব যাব।
কিন্তু—
আজন্ম কৰিছোঁ বাস এই ৰাজত্বত
ৰাজকৰ পৰিশোধ কৰিব লাগিব
তেতিয়াহে যাবলই পাৰিম ওলাই।
থাক বাৰু সেই কথা।
চাই ল সউ যে—
গোমতীৰ ক্ষীণ জল তৰঙ্গ-মালাই
ঋপোৱালী জোনাকত পুলকিতা হই
কুলু কুলু গীত গাই
একে কথা শত বাৰ কৰিছে প্ৰকাশ।
আকাশত অৰ্দ্ধচন্দ্ৰ সউ—
শেঁতা পৰা মুখখনি কেনে
ভাগৰত শুকোৱা-খীণোৱা,
গোটেই ৰাতিটো যেন উজাগৰে থাকি
টোপনিৰ বাগীভৰা দুচকু জোনৰ।
সুন্দৰ জগৎ।
হে অপৰ্ণা! ই হেন ৰাতিতো দেৱী নাই।
থাক দেৱী।
হে অপৰ্ণা! জান জানো তই

সুখভৰা সুধাভৰা
কিবা কথা আছে জগতত ?
যদি জান—তাকেই মাথোন ক,
সি কথা শুনিলে
অতলত মগ্ন হই মই
মুহূৰ্ত্ততে পাহৰিম জীৱনৰ তাপ,
মৰণ যে কিমান মধুৰ
আগৰপৰাই তাৰ লভিম সোৱাদ।
অপৰ্ণা! মধুৰ কণ্ঠেৰে তোৰ
আৰু কিবা কথা ক
সউ মধু সনা চকুদুটি
থই মোৰ এই মুখনিত।
এই জন-প্ৰাণীহীন স্তব্ধ ৰজনীত
এই বিশ্বজগতৰ নিদ্ৰাৰ মাজত
ক ঐ অপৰ্ণা!
যি কথা শুনিলে মই ভাবিম মনত—
দশোদিশে আৰু একো নাই,
আছে মাথোঁ ভাহি ভালপোৱা
সুষুপ্ত ৰাতিৰ
ৰজনীগন্ধাৰ গোন্ধৰ নিচিনা।

অপৰ্ণা। হায় জয়সিংহ!
কব যে নোৱাৰোঁ একো
কত কথা আছে মোৰ মনৰ মাজত।

জয়সিংহ। তেন্তে আৰু কায চাপি আহ।
মনৰ কথা মনৰপৰা
মনে মনে যাক মনলৈ।
ইকি! কি কৰিছোঁ মই ?
অপৰ্ণা! অপৰ্ণা!
গুচি যা মন্দিৰ এৰি, গুৰুৰ আদেশ।

অপৰ্ণা। জয়সিংহ! নহবা নিষ্ঠুৰ
বাৰে বাৰে সুধুৰাক মোক।
কৰিছো কিদৰে সহ্য জানে অন্তৰ্য্যামী

জয়সিংহ। তেন্তে ময়ে যাওঁ,
এখন্তেকো নেথাকোঁ ইয়াত।

[কেইখোজমান গৈ ঘূৰি আহি]

অপৰ্ণা! নিষ্ঠুৰ মই?
এয়ে তোৰ থাকিব মনত
জয়সিংহ নিষ্ঠুৰ কঠোৰ।
কেতিয়াও জানো তোৰ সতে মই
হাঁহিমুখে পতা নাই কথা,
কেতিয়াও জানো তোক মই
কাষলই মতা নাই মোৰ?
কেতিয়াও জানো তোৰ চকুপানী দেখি
পৰা নাই চকুপানী মোৰ?
অপৰ্ণা! সেই কথা পাহৰিলি তই
মাথোঁ ৰাখিছ মনত
—জয়সিংহ নিষ্ঠুৰ পাষাণ?
যেহুৱা পাষাণ সঁউ পাষাণৰ ছবি
দেৱী বুলি, ভগৱতী বুলি
কওঁ আমি যাক।
হায় দেৱী! সঁচাকৈয়ে হোৱা হলে দেৱী,
বুজিলিহেতেন যদি এই অন্তৰ্দাহ!

অপৰ্ণা। বুদ্ধিহীন ব্যথিত ই ক্ষুদ্ৰ নাৰী-হিয়া
ক্ষমা কৰা তুমি মোক।

অপৰ্ণা। জয়সিংহ! নকৰা পলম আৰু
যাওঁ আহাঁ আমি দুয়ো এৰি ই মন্দিৰ।

জয়সিংহ। ৰক্ষা কৰ অপৰ্ণা! কৰুণা কৰ,
দয়া কৰি মোক এৰি আঁতৰি যা তাই।
এটা কাম বাকী আছে জীৱনত মোৰ
সেয়ে প্ৰাণেশ্বৰ
সেই স্থান অধিকাৰ নকৰিবি তই।

[বেগেৰে প্ৰস্থান]

অপৰ্ণা। সহিছোঁ শতেক বাৰ,
আজি কিয় সহিব নোৱাৰোঁ
আজি কিয় ভাগি যাব খোজে এই প্ৰাণ!

[প্ৰস্থান]

পঞ্চম দৰ্শন

মন্দিৰ

[নক্ষত্ৰৰায়, ৰঘুপতি আৰু নিদ্ৰিত ধ্ৰুৱ]

ৰঘুপতি। শুই আছে সউ শিশু
কান্দি কান্দি টোপনিত লালকাল হই
ইদৰেই জয়সিংহ পিতৃ-মাতৃহীন
আহিছিল শৈশৱতে মোৰ কোলালই।
সেই দিনা এনেদৰে উঠিছিল কান্দি
দেখা পাই নতুন চাৰিওফালে।
দুখে-শোকে ভাগৰি-জুগৰি
ইদৰেই সন্ধিয়া বেলিকা
ইয়াতেই শুই পৰিছিল
গোসাঁনীৰ চৰণ তলত।

এতিয়াও দেখি তাৰ সেই শিশুমুখ
মনত পৰে যে সেই শিশুৰ কান্দোন।

নক্ষত্ৰৰায়। পুৰোহিত!
নকৰিবা অযথা পলম।
ভয় হয় মোৰ—
কিবা দৰে পাব পাৰে ৰজাই সংবাদ।

ৰঘুপতি। কিবাদৰে লভিব সংবাদ?
দশোদিশ আছে এবে
ৰজনীৰ নিদ্ৰাই আগুৰি।

নক্ষত্ৰৰায়। এনে যেন লাগিল এবাৰ
কাৰ যেন দেখা পালোঁ ছায়া?

ৰঘুপতি। নিজৰ ভয়ৰ।

নক্ষত্ৰৰায়। শুনিলো এবাৰ
কাৰ যেন কান্দোনৰ সুৰ?

ৰঘুপতি। নিজ হৃদয়ৰ।
নিৰানন্দ এবে দূৰ হই যাক
আহাঁ, পান কৰোঁ কাৰণ-সলিল।

[ফটিকা পান]

ৰঘুপতি। মনোভাব মনৰ মাজত
থাকে যত পৰ
ততপৰ দেখায় বৃহৎ
কিন্তু কামৰ বেলিকা পৰে সৰু হই
বহু বাষ্প গলি হয় জলবিন্দু এটি।
একো কথা নাই—
মাথোঁ মুহূৰ্ত্তৰ কাম,
মাথোঁ টিমিক ঢামাক চাকি
ঘুমাই যাবলৈ' লাগে যিমান সময়।
এই নিদ্ৰা মাথোঁ

হই যাব ৰূপান্তৰ গভীৰ নিদ্ৰাত
মিলি যাব তাতে তাৰ প্ৰাণ ৰেখাকণ,
শাওণৰ ৰজনীৰ
বিজুলীৰ ঝলকৰ দৰে
ৰব মাথোঁ বজ্ৰ তাৰ
বিন্ধি চিৰদিন ৰাজদম্ভৰ মাজত।
আহাঁ, আহাঁ যুৱৰাজ !
মন মাৰি বহি আছা কিয় এচুকত ?
মাতবোল কৰা নাই কিয়
হাঁহিবও পাহৰিলা নেকি ?
আহাঁ পান কৰোঁ আনন্দ-সলিল।

নক্ষত্ৰৰায়। বহু বেলি হই গল
মই কওঁ থাক আজি, হব কাইলই।

ৰঘুপতি। পলম হইছে সঁচা
শেষ হই আহিছে ৰজনী।

নক্ষত্ৰৰায়। সেয়া, শুনা ভৰিৰ খোজৰ শব্দ।

ৰঘুপতি। ক'তা ? নাই শুনা।

নক্ষত্ৰৰায়। সেই শুনা। সোৰা চোৰাঁ পোহৰ।

ৰঘুপতি। গম পালে ৰজাই
এতিয়া নকৰোঁ আৰু মুহূৰ্ত্ত পলম ;
জয় মহাকালী !

[খড়গ দাঙে। গোবিন্দমাণিক্য প্ৰহৰীবিলাকৰ লগত বেগেৰে সোমাই আহে। ৰজাৰ নিৰ্দ্দেশমতে প্ৰহৰীবিলাকে ৰঘুপতি আৰু নক্ষত্ৰৰায়ক বন্দী কৰে।]

গোবিন্দ। লই যোৱা কাৰাগাৰলই।
বিচাৰ হব।

অঙ্ক পতন

চতুৰ্থ অঙ্ক

প্ৰথম দৰ্শন

বিচাৰ-সভা

[গোবিন্দ মাণিক্য, ৰঘুপতি, নক্ষত্ৰৰায়, সভাসদসকল
আৰু প্ৰহৰীবিলাক]

গোবিন্দ। পুৰোহিত!
আৰু কিবা আছে কবলই?

ৰঘুপতি। একো নাই।

গোবিন্দ। তেন্তে তুমি অপৰাধ কৰিছা স্বীকাৰ?

ৰঘুপতি। অপৰাধ?
অপৰাধ কৰিছো সঁচাই।
দেৱীপূজা নোৱাৰিলোঁ কৰিব সম্পূৰ্ণ,
মূঢ় হই মোহৰ বশত
কৰিলোঁ বিলম্ব মই বিনা কাৰণত,
তাৰে শাস্তি দিছে গোসাঁনীয়ে
তুমি মাথোঁ হলা ৰজা উপলক্ষ্য তাৰ।

গোবিন্দ। শুনা সকলোৱে—
আছিল নিয়ম মোৰ
ছল কৰি দেৱীৰ পূজাৰ
তুচ্ছ কৰি ৰজাৰ আদেশ
যি মোহান্ধই দিব জীৱ-বলি
কিম্বা তাৰ বাবে কৰিব উদ্যোগ
হব তাৰ দণ্ড নিৰ্ব্বাসন।
ৰঘুপতি!
কৰিছা লঙ্ঘন তুমি ৰজাৰ নিয়ম

সেই বাবে দিলোঁ দণ্ড—
অষ্টবর্ষ নির্ব্বাসন ভুগিব লাগিব।
ৰাজ্যৰ বাহিৰ কৰি
তোমাক আহিব থই সৈন্য চাৰিজনে।

ৰঘুপতি। দেৱীৰ বাহিৰে আৰু এই জগতত
কোনো দিনে কাৰো আগতেই
হোৱা নাই নতজানু মই।
মই বিপ্র, তুমি শূদ্র, তথাপিতো আজি
নতজানু হই ৰজা তোমাৰ আগত
কৰযোৰে জনাও প্রার্থনা—
দুদিনৰ বাবে মোথোঁ দিয়া অৱসৰ
—শাওণৰ শেষৰ দুদিন।
তাৰ পিছে, শৰতৰ প্ৰথম পুৱাত
গুচি যাম তোমাৰ ই দগ্ধ ৰাজ্য এৰি
আৰু নুঘূৰাওঁ মুখ।

গোবিন্দ। সেয়ে হক। দুদিনৰ দিলো অৱসৰ।

ৰঘুপতি। মহাৰাজ ৰাজঅধিৰাজ!
মহিমা-সাগৰ তুমি কৃপা-অৱতাৰ
ধূলিৰ অধম মই দীন অভাজন।

[প্ৰস্থান

গোবিন্দ নক্ষত্র! মানি লোৱা অপৰাধ।

নক্ষত্র মহাৰাজ! দোষ মোৰ কৰিছো স্বীকাৰ
মাৰ্জ্জনা ভিক্ষাৰ বাবে নহয় সাহস।

[ৰজাৰ ভৰিৰ কাষত পৰি যায়]

গোবিন্দ কোৱা, কাৰ কুমন্ত্ৰণা শুনি
কৰিব খুজিলা এই কাম?
স্বভাব-কোমল তুমি
নিদাৰুণ এনে বুদ্ধি নহয় তোমাৰ।

নক্ষত্র। কাক আৰু দোষ দিম মই
নলওঁ ই পাপমুখে আন কাৰো নাম।
মই মাথোঁ নিজে অপৰাধী,
নিজৰেই পাপ-মন্ত্রণাত
নিজেই ভুগিছো, দাদা!
শতদোষ অবোধ ভাতৃৰ
কৰিছা মাৰ্জ্জনা তুমি
ক্ষমা কৰা আজি আৰু এটি বাৰলই।

গোবিন্দ। নক্ষত্র! ভৰি এৰি দিয়া মোৰ।
শুনা কথা—
ৰজা মই, ক্ষমা কৰা জানো মোৰ কাম?
বিচাৰক বদ্ধ হই নিজ শাসনত
বন্দীতকৈও নোহে জানো বেছি বন্দী?
একে অপৰাধ—
এজনে লভিব দণ্ড
আন জনে মুক্তি পাব,
এনুৱা বিধান
বিধাতায়ো নোৱাৰে কৰিব।
কিবা সাধ্য আছে মোৰ?

সকলোৱে। ক্ষমা কৰাঁ, ক্ষমা কৰাঁ প্রভু!
নক্ষত্র তোমাৰ ভাই।

গোবিন্দ। স্থিৰ হই শুনা সকলোৱে—
এই আসনত বহি
আছো মই যিমান সময়
ভাই নাই, বন্ধু নাই, কোনো নাই মোৰ
অপৰাধ হইছে প্রমাণ
ত্রিপুৰা ৰাজ্যৰ মোৰ সীমাৰ সিকালে
ব্রহ্মপুত্র নদৰ তীৰত
আছে এক ৰাজগৃহ তীর্থস্নান হেতু

তাতেই নক্ষত্ৰৰায়
অষ্টবৰ্ষ নিৰ্ব্বাসন কৰিব যাপন।

[প্ৰহৰীবিলাকে নক্ষত্ৰক লৈ যাব খোজে
ৰজা সিংহাসনৰ পৰা নামি আহে]

গোবিন্দ। দি যোৱাঁ বিদায় আলিঙ্গন।
ভাই!
এই দণ্ড নোহে অকলে তোমাৰ
এই দণ্ড মোৰো।
আজি হস্তে মোক
কাৰেঙতে বিন্ধিব কণ্টকে।
তোমাৰ শিৰত ৰল আশীৰ্ব্বাদ মোৰ
যত দিন থাকিবা দূৰত
তোমাক কুশলে থব দেৱতাসকলে।

[নক্ষত্ৰৰ প্ৰস্থান]

গোবিন্দ। (সভাসদসকলৰ প্ৰতি)।
সভাগৃহ এৰি এযে যোৱা সকলোটি
ক্ষন্তেক ইয়াত মই থাকিম অকলে।

[নয়নৰায়ৰ বেগেৰে প্ৰবেশ]

নয়নৰায়। মহাৰাজ! সমূহ বিপদ।
গোবিন্দ। ৰজা জানো মানুহ নহয়?
হায় বিধি!
অতি দীন দৰিদ্ৰৰ সমানেও তাৰ
হিয়া তাৰ গঢ়া নাই নেকি?
দুখ দিবা সমানে সবাৰ,
চকুপানী টুকিবৰ বাবে
অৱসৰ নিদিয়া মাথোন।
কিহৰ বিপদ, কোৱা সোণকালে।

নয়নৰায়। মোগলৰ সৈন্যৰ লগত
আহে চাঁদপাল, নাশিব ত্ৰিপুৰা।
গোবিন্দ। ই নোহে নয়নৰায়, উচিত তোমাৰ।
শত্ৰু সঁচা চাঁদপাল
সেই বুলি কিয় দিয়াঁ এনে অপবাদ?
নয়নৰায়। দিছা বহু লাঞ্ছি দান এই অধীনক
আজি এই শাস্তি সৰাতোকে বেছি।
শ্ৰীচৰণচ্যুত হই আছো সঁচা
সেই বুলি যোৱা নাই অত অধঃপাতে।
গোবিন্দ। ভাল কৰি কোৱাঁ আৰু বাৰ
ভাবি চাওঁ মই।
নয়নৰায়। মোগলবাহিনী সতে কৰি যোগদান
বিচাৰিছে চাঁদপালে
মহাৰাজ! ৰাজ্যচ্যুত কৰিব তোমাক?
গোবিন্দ। কোনে দিলে সংবাদ তোমাক?
নয়নৰায়। যিদিনা নিৰস্ত্ৰ মোক কৰিছিলা প্ৰভু,
সেই দিন অস্ত্ৰহীন মই
লাজে-অপমানে গলোঁ দেশান্তৰী হই।
শুনিলো তাতেই
অসমেৰে মোগলৰ লাগিছে বিবাদ
সেয়ে মই যাব খুজিছিলো
মোগলৰ কাষলই
সৈনিকৰ পদ এটা পাওঁ বুলি তাত।
বাটত দেখিলো
আহিছে মোগল-সেনা ত্ৰিপুৰাৰ ফালে
চাঁদপালো আহিছে লগত।
নয়নৰায়। বুজিলো সন্ধান কৰি অভিসন্ধি তাৰ।
সেই কাৰণেই
লৰবি আহিছো এই ৰাজপদলই।

গোবিন্দ। ইঠাতেই ই কি বাৰু হল সংসাৰত ?
হে বিধাতা!
মাথোঁ দুই চাৰি দিন হ'ল
ধৰাই মেলিছে ফাট কোনোবা এঠাইত
সমুদায় নাগবংশ ৰসাতল এৰি
পৃথিবীৰ ওপৰত মেলিছেহি ফণা,
আহিছে ওচৰ চাপি প্ৰলয়ৰ কাল।
সেনাপতি! লোৱা সৈন্যভাৰ।

দ্বিতীয় দৰ্শন

মন্দিৰ-প্ৰাঙ্গণ

[ৰঘুপতি আৰু জয়সিংহ]

ৰঘুপতি। গ'ল গৰ্ব্ব, গ'ল তেজ, গ'ল ব্ৰাহ্মণত্ব,
হে বৎস!
মই তোৰ গুৰু নোহোঁ আৰু।
কালি মই গুৰু-গৌৰৱত
অসংশয়ে কৰিলো আদেশ,
আজি মাথোঁ আছে অধিকাৰ
সানুনয়ে ভিক্ষা মাগিবৰ।
অন্তৰত ভুমাল সি দীপ্তি
যিহৰ বলত
তুচ্ছ কৰিছিলো মই ঐশ্বৰ্য্যৰ জ্যোতি
ৰজাৰ প্ৰতাপ।
নক্ষত্ৰ পৰিলে খহি আকাশৰপৰা
তাত কৰি শ্ৰেষ্ঠতৰ মাটিৰ প্ৰদীপ।

তাকেই বিচাৰি ফুৰে ধূলিৰ মাজত
জোনাকীয়ে কৰি পৰিহাস
বিচাৰি নেপায়।
প্ৰতি দিনে মুমায় প্ৰদীপ
জ্বলে প্ৰতি দিনে,
এবাৰ মুমালে তৰা চিৰ-অন্ধকাৰ।
মই সেই চিৰ দীপ্তিহীন,
সামান্য ই পৰমায়ু
দেৱতাৰ অতি ক্ষুদ্ৰ দান,
ভিক্ষা মাগি ললো মাথোঁ তাৰে দুটা দিন
নতজানু হই ৰজাৰ থাৰত।
জয়সিংহ!
সেই দুটা দিন যেন বিফল নহয়
সেই দুটা দিন যেন
নিজৰ কলঙ্কৰেখা মচি মৰি যায়
ৰাজৰক্তে ৰঙা কৰি ক'লা মুখ তাত
যায় যেন তাৰ পিছে সেই দুটা দিন।
বৎস! কিয় নিৰুত্তৰ?
নাই আৰু গুৰুৰ আদেশ,
তথাপিও তোক মই
আশৈশৱ কৰিছো পালন
একো নোহে জানো বাৰু তাৰ অনুৰোধ?
পিতৃহীনৰ পিতা বুলি
নোহো জানো মই তোৰ পিতাৰো অধিক?
এইটোহে দুখ মোৰ
এনেভাবে সোৱঁৰণ হল প্ৰয়োজন।
ভালপোৱা ভিক্ষা কৰে যি হতভাগ্যই
সেই জন ভিক্ষুকৰো অধম ভিক্ষুক।
বৎস! তথাপি নিৰুত্তৰ?

জানু তেনে অৱনত হ'ক আৰু বাৰ।
কোলালই আছিলি যিদিনা
আছিলি ইমানকণ
এই জানুতকৈও মোৰ অকমান তই।
তাৰ আগতেই এবে নত হ'ক জানু
পুত্ৰ! ভিক্ষা লাগে মোক।

জয়সিংহ। পিতা! বিদীৰ্ণ বুকুত মোৰ
আৰু তুমি নাহানিবা বজ্ৰ।
ৰক্তপাত লাগে গোসাঁনীক
সেয়ে হ'ব, তাকে তেওঁ পাব।
যি বিচাৰে তেওঁ
তাকে মই আনি দিম
কৰি দিম পৰিশোধ সকলো ঋণকে।
সেয়ে হব। সেয়ে হব।

[প্ৰস্থান]

ৰঘুপতি। তেন্তে সেয়ে হ'ক।
দেৱীকহে লাগে—তাকে তেন্তে কই যে,
মই তোৰ কোনোৱে নহওঁ।
হায় অকৃতজ্ঞ!
দেৱীয়েনো তোক বাৰু কিনো কৰি দিছে?
তোক নেকি শৈশৱৰ পৰা
দেৱীয়েহে প্ৰতি দিনে কৰিছে পালন?
ৰোগ হলে কৰিছে শুশ্ৰূষা?
ভোকত মুখত তুলি দিছে ভাত?
গুচাইছে জ্ঞানৰ পিয়াহ?
সদৌ শেষত বাৰু
এই অকৃতজ্ঞতাৰ ব্যথা
দেৱীয়ে জানো লৈছে বুকু পাতি?
হায়, কলিকাল! থাক্।

তৃতীয় দৰ্শন

কাৰেঙৰ কক্ষ

[অকলে গোবিন্দমাণিক্য। নয়নৰায়ৰ প্ৰৱেশ]

নয়নৰায়। বিদ্ৰোহী সৈনিকদল আনিছো ঘূৰাই
যুদ্ধসজ্জা কৰি এবে সাজিছে সৱাই।
মহাৰাজ! দিয়া অনুমতি
ৰণলৈ হও অগ্ৰসৰ,
কৰা আশীৰ্ব্বাদ তুমি।

গোবিন্দ। ব'লা সেনাপতি!
নিজে মই যাম আজি ৰণক্ষেত্ৰলই।

নয়নৰায়। প্ৰাণ থাকে মানে এই দাসৰ দেহত
মহাৰাজ! ক্ষান্ত থাকা তুমি।
বিপদৰ সমুখত গই—

গোবিন্দ। সেনাপতি!
বিপদ অংশৰ পৰা সকলো লোকৰ
মোৰ অংশ লবলই বিচাৰিছোঁ মই,
মোৰ ৰাজ-বংশ জানা সৱাতোকে বেছি।
আহাঁ সৈন্যসকল!
মোকো লোৱাঁ সগৌৰৱে মাজত এবাৰ।
তোমাসাৰ নৃপতিক নিৰ্ব্বাসিত কৰি
সিংহাসন চূড়াৰ দূৰতে
সমৰ গৌৰৱ হন্তে
নকৰা বঞ্চিত যেন মোক।

[চোৰাংচোৰাৰ প্ৰৱেশ]

চোৰাংচোৰা। নিৰ্ব্বাসন বাটতেই ললেগৈ কাঢ়ি
কুমাৰ নক্ষত্ৰৰায়ে মোগলৰ সেনা।

অভিষিক্ত হল তেওঁ ৰজাৰ পদত
ৰাজধানী অভিমুখে আহিছে সসৈন্যে।

গোবিন্দ। সকলো নিষ্পত্তি হল
আৰু ভয় নাই।
যুদ্ধ তেনে হল মিটমাট।

[প্ৰহৰীৰ প্ৰবেশ]

প্ৰহৰী। মহাৰাজ! এই যে আহিছে পত্ৰ
বিপক্ষৰ শিবিৰৰ পৰা।

গোবিন্দ। নক্ষত্ৰৰ হাতৰ আখৰ
শান্তিৰ সংবাদ তাত আছে বোধকৰোঁ।
ই কি স্নেহ-সম্ভাষণ!
ইতো নোহে নক্ষত্ৰৰ ভাষা,
বিচাৰিছে মোৰ নিৰ্ব্বাসন
উটুৱাই দিব নতু ৰক্তৰ সোঁতত
সোণৰ ত্ৰিপুৰা, দগ্ধ কৰি দিব দেশ।
মোগলৰ অন্তেষপুৰত
বন্দী হ'ব ত্ৰিপুৰ-ৰমণী।
চাওঁ, চাওঁ, এয়ে সঁচা তাৰেই আখৰ।

গোবিন্দ। চোৱা, চোৱা সেনাপতি!
এয়া চোৱা—
ৰাজদণ্ডে নিৰ্ব্বাসিত জনে
বিহিব ৰজাক বোলে নিৰ্ব্বাসন-দণ্ড
এনেকুৱা বিধিৰ বিধান।

নয়নৰায়। নিৰ্ব্বাসন! ইমানেই স্পৰ্দ্ধা!
এতিয়াও যুদ্ধ দেখোঁ শেষ হোৱা নাই।

গোবিন্দ। ইতো নোহে মোগলৰ দল।
ত্ৰিপুৰাৰ ৰাজপুত্ৰ কৰে হাবিলাষ
ৰজা হবলই।
সেই বাবে যুদ্ধ কিয় বাক?

নয়নবায়। বাজ্যব মঙ্গল।

গোবিন্দ। বাজ্যব মঙ্গল হব?

দুই ভায়ে মুখামুখি হই
হানিব বুকুত ছুবি
হব তাত বাজ্যব মঙ্গল?
বাজ্যত কেবল আজি সিংহাসন আছে,
গৃহস্থব ঘব নাই, ভাই নাই তাত,
নাই আক ভ্রাতৃত্ব বন্ধন।
চাওঁ, চাওঁ আক বাব
ইকি দেখোঁ তাবেই আখব?
তথাপিতো নোহে ইতো
নক্ষত্রব নিজব বচনা—
মই দস্যু, মই দেবদ্বেষী, মই অবিচাবী,
ই বাজ্যব বোলে অকল্যাণ মই!
নোহে, নোহে ইতো
নিজব বচনা তাব।
কিন্তু, বচনা বাবেই হ'ক
আখবতো তাবে সঁচা
নিজব হাতেবে সিয়েতো লিখিছে।
বি সর্পবে বিষ হ'ক
সানি দিছে আখবব মুখত নিজব,
হানিছে বুকুত মোব।
হে বিধাতা!
ই তোমাব শাস্তি, তাব নোহে।
নির্ব্বাসন সেয়ে হব
তাব নির্ব্বাসন দণ্ড, ময়ে লয়
নীববে বিনম্র শিবে কবিম বহন।

অঙ্ক-পতন

পঞ্চম অঙ্ক

প্ৰথম দৰ্শন

মন্দিৰ

[বাহিৰত ধুমুহা। পূজাৰ উপকৰণ লৈ ৰঘুপতি]

ৰঘুপতি। ইমান দিনৰ অন্তত আজি
বোধ হয় জাগিছে গোসাঁনী।
সেয়া ৰোষ-হুঙ্কাৰ—
নগৰৰ ওপৰেদি এই অভিশাপ
নাচি নাচি চলি যায় তিমিৰৰূপিনী।
সেয়েই হবলা তোৰ
প্ৰলয়-সঙ্গিনীবোৰে দাৰুণ ক্ষুধাত
প্ৰাণপণে জোকাৰিছে বিশ্ব-মহাতৰু,
আজিয়ে গুচাম তোৰ দীৰ্ঘ উপবাস।
ঠেলি দিছু ভক্তক তোৰ সংশয়-মাজত
আছিলি ইমান দিনে কত তই দেৱী?
তোৰ মহাখড়্গ তই নিজে হুতুলিলে
আছে কিনো শকতি আমাৰ
আজি কি আনন্দ, তোৰ চণ্ডী মূৰ্ত্তি দেখি!
সাহসত ভৰি উঠে চিত্ত, গুচিল সংশয়
হতমান নতশিৰ
নতুন তেজেৰে উঠে হই বলবান।
সেয়া শুনা যায় পদধ্বনি
আহে তোৰ পূজা।
জয় মহাদেৱী।

[অপৰ্ণাৰ প্ৰৱেশ]

আঁতৰি যা, আঁতৰি যা, মায়াৱিনী !
জয়সিংহক বিচাৰিছ তই ?
হেৰ সৰ্ব্বনাশী, মহাপাতকিনী !

[অপৰ্ণাৰ প্ৰস্থান]

ইকি অকাল ব্যাঘাত !
জয়সিংহ যদি নাহে ?
হবই নোৱাৰে
সত্যভঙ্গ নকৰে কদাপি ।
জয় মহাকালী, সিদ্ধিদাত্ৰী, জয় ভয়ঙ্কৰী !
যদি বাধা পায়, যদি ধৰা পৰে,
যদি প্ৰাণ যায় তাৰ প্ৰহৰী-হাতত ?
জয় আই অভয়া ! জয় ভক্তৰ সহায় !
জয় আই জাগ্ৰত দেৱী, জয় সৰ্ব্বজয়া !
ভক্তবৎসলাৰ যেন
দুৰ্ণাম ৰটনা নোহে এই সংসাৰত ।
নিঃশঙ্ক কৌতুক কৰি
হাঁহিব নোৱাৰে যেন শত্ৰুৰ পক্ষই ।
মাতৃ-অহঙ্কাৰ যদি চূৰ্ণ হৈ যায়
আই বুলি তেন্তে তোক নেমাতে কোনেও ।
সেয়া পদধ্বনি—জয়সিংহ সঁচা ।
জয় নৃমুণ্ডমালিনী !
পাষণ্ডদলনী, মহাশক্তি ।

[জয়সিংহৰ বেগেৰে প্ৰৱেশ

জয়সিংহ ! ৰাজৰক্ত ক'ত ?

জয়সিংহ । আছে, আছে, এৰি দিয়া মোক
নিজে মই কৰোঁ নিবেদন ।
ৰাজৰক্ত লাগে তোক
দয়াময়ী জগতপালিনী মাতৃ !

নহলে একোতে তোৰ মুগুচে পিয়াহ ?
মই ৰাজপুত,
পূৰ্ব্ব পিতামহ মোৰ আছিল নৃপতি
এতিয়াও কৰিছে ৰাজত্ব
মোৰ মাতামহ বংশ,
ৰাজৰক্ত আছে মোৰ এই শৰীৰত
সেই ৰক্ত দিম।
মাতৃ! এয়ে যেন শেষ ৰক্ত হয়,
এই ৰক্ত লৈ যেন তোৰ
শেষ হয় অনন্ত পিয়াহ
হে ৰক্ততৃষাতুৰা!

[বুকুত কটাৰী সুমুৱাই দিয়ে]

ৰঘুপতি। জয়সিংহ! জয়সিংহ! নিৰ্দ্দয়! নিষ্ঠুৰ!
ইকি সৰ্ব্বনাশ তই কৰিলি শেষত ?
জয়সিংহ!
অকৃতজ্ঞ, গুৰুদ্ৰোহী, পিতৃ মৰ্ম্মঘাতী,
স্বেচ্ছাচাৰী জয়সিংহ, হে বজ্ৰকঠোৰ!
বাছা জয়সিংহ! মোৰ একমাত্ৰ প্ৰাণ,
প্ৰাণাধিক, জীৱন-মন্থন-কৰা ধন।
জয়সিংহ, বাছা মোৰ, হে গুৰু বৎসল!
ঘূৰি আহ, ঘূৰি আহ,
তোৰ বাদে আৰু মোক একোকে নেলাগে।
অহঙ্কাৰ, অভিমান, দেৱতা, ব্ৰাহ্মণ,
সকলো যাওক! তই আহ।

[অপৰ্ণাৰ প্ৰবেশ]

অপৰ্ণা। বলিয়া কৰিলা মোক।
জয়সিংহ—ক'ত জয়সিংহ ?

ৰঘুপতি। আহ্ আই অমৃতময়ী!
মাত তোৰ সুধাসনা কণ্ঠে,
মাত ব্যগ্ৰস্বৰে, মাত প্ৰাণপণে
মাত তোৰ জয়সিংহক!
তই তাক লই যা আই
তোৰ কাষলই,
মই নিবিচাৰোঁ আৰ।

[অপৰ্ণাৰ মূৰ্চ্ছা]

ৰঘুপতি। [প্ৰতিমাৰ পদতলত মূৰ থৈ]
ঘূৰাই দে, ঘূৰাই দে,
ঘূৰাই দে, ঘূৰাই দে।

দ্বিতীয় দৰ্শন

কাৰেং

[গোবিন্দমাণিক্য আৰু নয়নৰায়]

গোবিন্দ। এতিয়া আনন্দধ্বনি!
শাৰী শাৰী দীপমালা পিন্ধিছে এতিয়া
নিৰ্লজ্জ প্ৰাসাদে।
ৰাজধানী বাহিৰৰ দুৱাৰমুখত
বিজয়তোৰণ উঠে,
পুলকিত নগৰৰ
আনন্দ-উৎক্ষিপ্ত দুই বাহু সম।
এতিয়াও অহা নাই মই
ৰাজ-কাৰেঙৰপৰা বাহিৰ ওলাই!

এতিয়াও এবা নাই ৰাজসিংহাসন ?
আছিলোঁ ইমান দিনে ৰজা হই মই
কৰা কি নাছিলোঁ কাৰো একো উপকাৰ ?
বাইজৰ কোনো অবিচাৰ
নাছিলোঁ নে দূৰ কৰা মই
কোনো অত্যাচাৰ জানো
কৰা মই নাছিলো শাসন ?
ধিক ধিক নির্ব্বাসিত ৰজা !
নিজেই নিজৰ তই বিচাৰক হই
নিজৰ শোকতে নিজে পেলাব চকুলো !
মৰ্ত্ত্যৰাজ্য গ'ল,
নিজৰেই ৰজা হই আছো তথাপিতো।
মহোৎসৱ হ'ক আজি
অন্তৰৰ সিংহাসনৰ তলত।

[গুণৱতীৰ প্ৰবেশ]

গুণৱতী। প্ৰিয়তম ! প্ৰাণেশ্বৰ ! আক কিয় নাথ ?
এইবাৰ শুনিছা নহয়
দেৱীৰ নিষেধ ?
আহাঁ প্ৰভু ! আজি ৰাতি শেষ পূজা কৰি
ৰাম-জানকীৰ দৰে
যাওঁ আমি বনবাসলই।

গোবিন্দ। অয়ী প্ৰিয়তমে !
আজি শুভ দিন মোৰ।
ৰাজ্য গ'ল,
কিন্তু পালোঁ তোমাক ঘূৰাই
ব'লাঁ প্ৰিয়ে !
যাওঁ দুয়ো দেৱী-মন্দিৰলৈ—
মাথোঁ প্ৰেম লই, মাথোঁ পুষ্প লই,

মিলনৰ অশ্রু লই—
আৰু ৰক্ত নহয়, হিংসা নহয়।

গুণৱতী। ভিক্ষা দিয়া, নাথ!

গোবিন্দ। কোৱা দেৱী।

গুণৱতী। নহবা পাষাণ
ৰাজ-গর্ব্ব এৰি দিয়া তুমি।
দেৱতাৰ সমীপত
নকৰা স্বীকাৰ যদি পৰাভৱ তং
তথাপিতো নাথ!
মোৰ এই যন্ত্রণাৰে গলক হৃদয়।
তুমিতো কাহানি প্রভু নাছিলা নিষ্ঠুৰ
কোনেনো তোমাক আজি কৰিলে পাষাণ?
কোনেনো তোমাক বাৰু নিলে আঁতৰাই
মোৰ সৌভাগ্যৰপৰা
কৰি মোক এনেদৰে ৰজাহীন ৰাণী?

গোবিন্দ। প্রিয়ে!
বিশ্বাস কৰিবা মোক এটি বাৰ তুমি
সুবুজিও বুজা যেন মোৰ ফালে চাই।
বুজা মোৰ চকুপানী চাই,
মোৰ প্রতি যি ভালপোৱা তোমাৰ
বুজা সেই ভালপোৱা চাই,
আৰু ৰক্তপাত নোহে।
মুখ ঘুৰাই দেৱী!
আৰু মোক এৰি থই নেযাবা অকলে।
আশা দান কৰি
আৰু মোক নকৰা নিৰাশ।
নিতান্তই যোৱা যদি তুমি
কৰি যোৱা মার্জ্জনা ইবাৰ।

[গুণৱতীৰ প্রস্থান]

শুচি গলা !
কি কঠোৰ এই নিষ্ঠুৰ সংসাৰ।
কোন আছ ? কোন আছ ?
কোনো নাই। মৰো যাওঁ এবে।
বিদায় দে সিংহাসন।
হে পুণ্য প্ৰাসাদ
পৈত্ৰিক ক্ৰোড মোৰ !
নিৰ্ব্বাসিত পুত্ৰই তোমাক
ভক্তিৰে প্ৰণাম কৰি মাগিছে বিদায়।

[প্ৰস্থান]

তৃতীয় দৰ্শন

অন্তেষপুৰৰ খোঁটালি

[অকলে গুণৱতী]

গুণৱতী। বজা, বাদ্য বজা,
আজি ৰাতি পূজা হ'ব
আজি মোৰ প্ৰতিজ্ঞা পূৰিব।
আন বলি, আন জবা ফুল।
ৰ'লি থিয় হই ?
শুশুন আদেশ মোৰ ?
মই তেন্তে কোনোৱে নহওঁ ?
ৰাজ্য গল,
সেই বুলি এইখিনি ৰাণী বাকী নাই
আদেশ শুনিব যাৰ কিঙ্কৰ-কিঙ্কৰী।
এই ল কাকণ,

এই লা হীৰাৰ হাৰ,
এই লা যতেক আভৰণ।
সোণকাল কৰি
কৰগই আয়োজন দেৱীৰ পূজাৰ।
মহামায়া !
দাসীক তোমাৰ দিবা চৰণত ঠাই

[প্ৰস্থান]

চতুৰ্থ দৰ্শন

মন্দিৰ

[ৰঘুপতি]

ৰঘুপতি। চোৱাঁ, চোৱাঁ, কেনেদৰে আছে থিয় হই
মূঢ় নিৰ্ব্বোধৰ দৰে
পাষাণৰ স্তূপ এটা যেন।
মূক, পঙ্গু, অন্ধ আৰু যে বধীৰ,
তোৰ কাষতেই
সমগ্ৰ ব্যথিত বিশ্ব মৰে কান্দি কান্দি।
পাষাণ পদত তোৰ মহৎ হৃদয়ে
মূৰ থই নিজকেই ভাঙিছে আছাৰি।
এৰা, এৰা,
কোন দানৱৰ এই ক্ৰুৰ পৰিহাস
বহি বল জগতৰ মাজমজিয়াত।
আই বুলি, মাতৃ বুলি মাতে যত জীৱ
হাঁহে তত ঘোৰতৰ অট্টহাস্য কৰি
নিৰ্দ্দয় বিদ্ৰূপে।

যে ঘূৰাই জয়সিংহক মোৰ।
যে ঘূৰাই,
যে ঘূৰাই ৰাক্ষসী! পিশাচী!

[প্ৰতিমা লবাই দিয়ে]

শুনিছ নে নাই? আছে জানো কাণ?
জান নেকি কৰিছ,
কাৰ ৰক্ত তই কৰিলি পান?
কিবা পুণ্য জীৱনৰ?
কিবা স্নেহ-দয়া প্ৰীতিভৰা
মহাহৃদয়ৰ?
থাক তই চিৰকাল এই নিচিনাই
এই মন্দিৰৰ সিংহ-আসনত
সবল ভক্তিৰ প্ৰতি গুপ্ত উপহাস।
দিম তোক পূজা প্ৰতি দিনে
কৰিম প্ৰণাম তোৰ চৰণ-তলত
দয়াময়ী আই বুলি মাতিম সদায়।
তোৰ পৰিচয়
কাৰো আগতেই মই নকৰো প্ৰকাশ
মাথোন ঘূৰাই দে মোৰ জয়সিংহক।
কাৰ আগত কৰিছোঁ ক্ৰন্দন?
তেন্তে দূৰ, দূৰ, দূৰ, দূৰ কৰি দে
হৃদয়দলনী এই পাষাণীক।
লঘু হ'ক জগতৰ বক্ষ।

[দূৰৰ গোমতী নৈত প্ৰতিমা নিক্ষেপ কৰেগৈ।
জোৰ লৈ, বাদ্য বজাই, গুণৱতীৰ প্ৰৱেশ]

গুণৱতী। জয় জয় মহাদেৱী!
দেৱী ক'ত?

ৰঘুপতি। দেৱী নাই।

গুণৱতী। ওভোতাই আনো দেৱীক, গুৰুদেৱ!
আনি দিয়া তেওঁক এবাৰ
ৰোষ-শান্তি কৰিম মাতৃৰ।
আনিছো দেৱীৰ পূজা।
ৰাজ্য, পতি সকলো তিয়াগি
প্ৰতিজ্ঞা মাথোন মোৰ কৰিছো পালন।
দয়া কৰাঁ, দয়া কৰাঁ দেৱ!
দেৱীক ঘূৰাই আনা
মাথোঁ আজি এটা ৰাতিৰ নিমিত্তে।
কোৰাঁ, ক'ত দেৱী?

ৰঘুপতি। কতো তেওঁ নাই।
ঊৰ্দ্ধত নাই, নিম্নত নাই
কতো তেওঁ নাই
কতো যে তেওঁ নাছিল কেতিয়াও।

গুণৱতী। প্ৰভু! ইয়াতে নাছিল জানো দেৱী?

ৰঘুপতী। দেৱী বুলিছা তেওঁক?
এই সংসাৰত কতো থকা হলে দেৱী
তেন্তে সেই পিশাচীক দেৱী বোলা বাবে
সহিলেহেঁতেন জানো প্ৰকৃত দেৱীয়ে?
মহত্বই হৃদয় বিদাৰি
পেলালেহেঁতেন জানো
নিষ্ফল বুকুৰ ৰক্ত
মূঢ় পাষাণৰ পদত তেতিয়া?
দেৱী বুলিছা তেওঁক?
পুণ্য ৰক্ত পান কৰি
সেই মহা ৰাক্ষসী যে
বুকু ফাটি মৰি গল।

গুণৱতী। গুৰুদেৱ! নবধিবা মোক।
সত্য কৰি কোৱা আৰু বাৰ—
দেৱী নাই?

ৰঘুপতি। নাই।

গুণৱতী। দেৱী নাই?
তেন্তে আছে কোন?

ৰঘুপতি। কোনো নাই। একো নাই।

গুণৱতী। লৈ যা, লৈ যা পূজা,
ঘূৰি যা, ঘূৰি যা,
ক শীঘ্ৰে, কোন বাটে গল মহাৰাজ?

[অপৰ্ণাৰ প্ৰৱেশ]

অপৰ্ণা। পিতা!

ৰঘুপতি। জননী, জননী, জননী মোৰ।
পিতা—ইকি নোহে ভৎসনাৰ নাম।
পিতা!
হে মাতৃ জননী! এই পুত্ৰঘাতীক
পিতা বুলি যিজনে মাতিলে
মধুৰ কণ্ঠত তোৰ,
সেই জনে ৰাখি গল সুধাসনা নাম,
এইকণ গল দয়া কৰি।
আহ আই!
মাতচোন আৰু এটিবাৰ।

অপৰ্ণা। পিতা! বলা
ই মন্দিৰ এৰি যাওঁ আমি।

[পুষ্প অৰ্ঘ্য লৈ গোবিন্দমাণিক্যৰ প্ৰৱেশ]

গোবিন্দ। দেৱী ক'ত?

ৰঘুপতি। দেৱী নাই।

গোবিন্দ। ইকি! ৰক্তধাৰা?

ৰঘুপতি। এয়ে শেষ পুণ্যৰক্ত পাপ-মন্দিৰত।
জয়সিংহই দি গল নিজ ৰক্ত দান
জগতে নুমাই গল হিংসা-ৰক্তশিখা।

গোবিন্দ। ধন্য ধন্য জয়সিংহ!
ই পূজাৰ পুষ্পাঞ্জলি সপিলোঁ তোমাতে।

গুণৱতী। মহাৰাজ!

গোবিন্দ। প্ৰিয়তমে!

গুণৱতী। আজি দেৱী নাই।
আছা মাথোঁ একমাত্ৰ
তুমি মোৰ পূজাৰ দেৱতা।

[প্ৰণাম কৰে]

গোবিন্দ। গল পাপ।
দেৱী আজি আহিছে উলটি।

অপৰ্ণা। পিতা! গুচি আহাঁ।

ৰঘুপতি। পাষাণ যে ভাগি গল—
জননীয়ে মোৰ
দিলেহি এবাৰ দেখা প্ৰত্যক্ষ প্ৰতিমা
জননী অমৃতময়ী!

অপৰ্ণা। পিতা, গুচি আঁহা।

আৰ-কাপোৰ

চিত্রাঙ্গদা

উৎসর্গ

স্নেহাস্পদ শ্ৰীমান অৱনীন্দ্ৰনাথ ঠাকুৰ

পৰম কল্যাণীয়েষু ।

বৎস,

তুমি মোক তোমাৰ যত্নেৰে অঁকা ছবিবোৰ উপহাৰ দিছা, মই তোমাক মোৰ কাব্য আৰু স্নেহ আশীৰ্ব্বাদ দিলোঁ। ১৫ শাওন, ১২২৯

মঙ্গলাকাঙ্খী

শ্ৰীৰবীন্দ্ৰনাথ ঠাকুৰ

সূচনা

কেইবা বছৰৰ আগতে ৰেলগাড়ীৰে শান্তিনিকেতনৰপৰা কলিকতালৈ গৈছিলোঁ। তেতিয়া বোধকৰো চতমাহ। ৰেল লাইনৰ কাষে কাষে জোপোহা হাবি। হালধীয়া বেঙুনীয়া বগা বৰণৰ ফুল অসংখ্য ফুলি আছে। চাই চাই ভাবিলোঁ আৰু কিছুদিনৰ পিচত ৰদ চোকা হ'ব, ৰঙৰ মৰিচিকাৰে ফুলবোৰ নোহোৱা হ'ব, তেতিয়া চোতালত আম গছৰ ডালে ডালে আম লাগিব, তৰু প্ৰকৃতিয়ে অন্তৰত নিগূঢ ৰস সঞ্চয়ৰ স্থায়ী পৰিচয় নিজৰ অপ্ৰগলভ ফল সম্ভাৰেৰে দিব। কব নোৱাৰোঁ, কিয় সেই ক্ষণতে মনলৈ আহিল—সুন্দৰী যুৱতীয়ে যদি অনুভৱ কৰে যে তেওঁ নিজ যৌবনৰ মায়াৰে প্ৰেমিকৰ হৃদয় ভুলাইছে, তেনেহলে তেওঁ নিজৰ সুন্দৰ ৰূপকেই সৌভাগ্যৰ মুখ্য অংশৰ ভাগ লোৱাৰ অভিযোগত সতিনী বুলি ধিক্কাৰ দিব পাৰে। এই ৰূপ তেওঁৰ বাহিৰৰ বস্তু, ই জানবা ক্ষণিক মোহ বিস্তাৰৰ দ্বাৰা জৈৱ উদ্দেশ্য সিদ্ধ কৰিবলৈ ঋতুৰাজ বসন্তৰপৰা পোৱা বৰ। তেওৰ অন্তৰত যদি যথাৰ্থ চৰিত্ৰ শক্তি থাকে, তেনেহলে সেই মোহ লাভ, যুগল জীৱনৰ জয়যাত্ৰাৰ সহায়। সেই দানেই আত্মাৰ স্থায়ী পৰিচয়, ইয়াৰ পৰিণামত ক্লান্তি নাই, ভাগৰ নাই, অভ্যাসৰ ধূলি প্ৰলেপত উজ্জ্বলতাৰ মলিনতা নাই। এই চৰিত্ৰ শক্তি জীৱনৰ ধ্ৰুব সম্বল, নিৰ্মম প্ৰকৃতিৰ অজ্ঞ প্ৰয়োজনৰ প্ৰতি সি নিৰ্ভৰশীল নহয়। অৰ্থাৎ ইয়াৰ মূল্য মানবিক প্ৰকৃতিৰ নহয়।

এই ভাবটোকে নাটকৰ আকাৰত প্ৰকাশ কৰাৰ ইচ্ছা তেতিয়াই হৈছিল আৰু লগে মহাভাৰতৰ চিত্ৰাঙ্গদাৰ কাহিনী মনত পাৰিল। কিছু ৰূপান্তৰিত হৈ এই কাহিনীটি বহুতদিন মোৰ মনৰ কোনত লুকাই আছিল। অৱশেষত উৰিষ্যাৰ পাণ্ডুয়া নামৰ নিজান গাওঁ এখনলৈ গৈ লেখাৰ আনন্দ অৱকাশ পালোঁ।

বৈশাখ ১৩৪৭ ৰবীন্দ্ৰনাথ ঠাকুৰ

১

অনঙ্গ-আশ্ৰম

চিত্ৰাঙ্গদা, মদন আৰু বসন্ত

চিত্ৰাঙ্গদা। তুমি পঞ্চশৰ ?
মদন। ময়ে সেই মনসিজ,
টানি আনো বেদনাৰ বান্ধোনত
নিখিলৰ নৰনাৰী-হিয়া।
চিত্ৰাঙ্গদা। কি বেদনা কি বান্ধোন
জানো মই দাসী। প্ৰণামো তোমাক।
প্ৰভু, তুমি কোন দেৱ ?
বসন্ত। মই ঋতুৰাজ।
জৰা আৰু মৃত্যু এই দুই দৈত্য মিলি
ক্ষণে ক্ষণে উদঙায় বিশ্বৰ কঙ্কাল ;
মই তাক পিছে পিছে প্ৰতি পদে পদে
কৰো আক্ৰমণ : দিবা-নিশি সেই আক্ৰমণ।
ময়ে সেই অখিলৰ অনন্ত যৌৱন।
চিত্ৰাঙ্গদা। প্ৰণাম তোমাক ভগৱান। চৰিতাৰ্থ
হলো দাসী দেৱ-দৰশনে।
মদন। কল্যাণী, কিহৰ কাৰণে
ধৰিছা কঠোৰ ব্ৰত ? কৰিছা মলিন
ক্ষীণ যৌৱন-কুসুম তপস্যা-তাপত—
অনঙ্গ-পূজাৰ ই যে নহয় বিধান।
কোন তুমি, কি লাগে তোমাক ভদ্ৰে ?
চিত্ৰাঙ্গদা। দয়া কৰা যদি,
শুনা মোৰ ইতিহাস।
তেতিয়াহে জনাম প্ৰাৰ্থনা।

মদন। শুনিবলৈ হৈছো উৎসুক।

চিত্রাঙ্গদা। মই চিত্রাঙ্গদা। মণিপুৰ-ৰাজকন্যা।
পিতৃবংশে মোৰ নজন্মিব কদাপি দুহিতা—
তপস্যাত তুষ্ট হৈ এনে বৰ দিছিল শঙ্কৰে।
ব্যৰ্থ মই কৰিলো সি বৰ।
অমোঘ দেৱতা-বাক্য মাতৃগৰ্ভে পশি
দুৰ্ব্বল প্ৰচেষ্টা মোৰ নোৱাৰিলে পুৰুষ কৰিব,
শিৱৰ শক্তিৰে।
এনুৱা কঠিন নাৰী মই।

মদন। শুনিছিলো সঁচা।
সেয়েহে পুত্ৰৰদৰে লালন-পালন কৰি
পিতৃয়ে শিকাইছে তোমাক ধনুৰ্ব্বিদ্যা, ৰাজদণ্ডনীতি।

চিত্রাঙ্গদা। সেয়ে পুৰুষৰ বেশে
নিতে কৰোঁ ৰাজ-কাজ যুৱৰাজৰূপে
ঘূৰি ফুৰোঁ নিজৰ ইচ্ছাৰে
লাজ ভয় অন্তঃপুৰবাস নেজানো একোকে;
নেজানো যে আও-ভাও বিলাস চাতুৰী;
শিকিলো ধনুৰ্ব্বিদ্যা,
মাথোঁ শিকা নাই দেৱ,
তব পুষ্পধনু কিদৰে ঘূৰাব লাগে
নয়ন-কোণত।

বসন্ত। সুনয়নে, নিশিকে সি বিদ্যা কোনো ৰমণীয়ে,
আপুনি নয়নে সাধে আপোনাৰ কাম,
অন্তৰত বিন্ধে যাৰ
তেৱেঁ বুজে সেই কথা।

চিত্রাঙ্গদা। গৈছিলো অকলে এদিন
মৃগ অন্বেষণে গভীৰ বনৰ পুণ্যা নদীৰ তীৰে;
বান্ধি থৈ ঘোৰা গছৰ গুৰিত।

পশিলো দুৰ্গম কুটিল বনপথ,
মৃগপদ চিহ্ন অনুসৰি
গহন গম্ভীৰ মহাৰণ্য কুঞ্জলতিকাৰে ভৰা
ঝিলি-মাতে মুখৰিত নিত্য অন্ধকাৰ,
আগ বাঢ়ি কিছুদূৰ দেখিলো হঠাতে
ঠেক বাট আগভেটি আছে শুই এক
চিৰধাৰী মলিন পুৰুষ।
অৱজ্ঞাৰে কলো উঠি গুচি যাবলৈ—
নলৰিল তেও, ঘূৰিও নেচালে।
উদ্ধত অধীৰ ৰোষে ধেনুৰ আগেৰে
কৰিলো তাড়না—সৰল সুদীৰ্ঘ দেহ
মুহূৰ্ত্ততে তীৰবেগে থিয় দি উঠিল
সন্মুখত মোৰ—ভস্ম সুপ্ত-অগ্নিয়ে যি দৰে
ঘৃতাহুতি পাই শিখাৰূপে উঠে উৰ্দ্ধে,
চকুনিমিষত ক্ষণিক মাথোন চালে
মুখলৈ মোৰ; ৰোষ-দৃষ্টি পলাল পলকে;
স্নিগ্ধ গুপ্ত কৌতুকৰ মৃদু হাঁহি ৰেখা
দেখা দিলে অধৰ তলত—
দেখি মোৰ বালক-মূৰুতি।
পুৰুষৰ শিকি বিদ্যা পুৰুষৰ পিন্ধি বেশ
পুৰুষৰ লগে লগে থাকি
অতদিন যি কথা আছিলো পাহৰি,
সেই মুখ চাই, সেই আপোনাতে আপুনি অটল মূৰ্ত্তি দেখি
সেই মুহূৰ্ত্তেহে বুজি পালো নাৰী মই।
সেই মুহূৰ্ত্তেই দেখিলো প্ৰথম
পুৰুষ আগত মোৰ।

মদন। মোৰে সেই শিক্ষা সুলক্ষণে,
ময়ে দিও কৰি সচেতন
জীৱনৰ কোনো এক শুভ মুহূৰ্ত্তত

নাৰীক হবলে' নাৰী, পুৰুষক হবলে' পুৰুষ।
কি ঘটিল তাৰ পিছে ?

চিত্ৰাঙ্গদা। সভয় বিস্ময় কণ্ঠে
সুধিলো, "কোন তুমি ?" শুনিলো উত্তৰ,
"মই পাৰ্থ কুৰুবংশধৰ।"
থিয় হৈ ৰলো চিত্ৰপ্ৰায়,
পাহৰিলো মুৰ দোৱাবলে'।
এয়ে পাৰ্থ ? আজন্মৰ বিস্ময় মোৰ ?
শুনিছিলো সঁচা, সত্য পালনৰ হেতু
দ্বাদশ বছৰ বনে বনে ব্ৰহ্মচৰ্য্য
পালিছে অৰ্জ্জুনে। এয়ে সেই পাৰ্থবীৰ !
বাল্য দুৰাশাত কতদিন ভাবিছিলো,
পাৰ্থকীৰ্ত্তি কৰিম নিষ্প্ৰভ মই
নিজ বাহুবলে ; সাধিম অব্যৰ্থ লক্ষ্য ;
পুৰুষৰ ছদ্মবেশে বিচাৰি সংগ্ৰাম
তেওঁৰ সতে, বীৰত্বৰ দিম পৰিচয়।
হায় মুগ্ধে ! কলৈ আঁতৰি গ'ল সেই স্পৰ্দ্ধা তোৰ।
যি মাটিত থিয় দি আছিল
হোৱা হলে তৃণদল সেই মাটিৰেই
শৌৰ্য্য বীৰ্য্য যি আছে ধূলিত মিলাই
লভিলোহেঁতেন দুৰ্ল্লভ মৰণ,
সিজনৰ চৰণ তলত।
কি ভাবিছিলো নপৰে মনত।
চালো ধীৰে ধীৰে গুচি গল বীৰ
বনৰ আঁৰলৈ। চমকি উঠিলো
তেতিয়াহে জন্মিল চেতনা ; নিজকেই
শতবাৰ কৰিলো ধিক্কাৰ। ছিঃ ছিঃ মূঢ়,
নকৰিলি সম্ভাষণ, নুসুধিলি কথা,
নেমাগিলি ক্ষমা ভিক্ষা,

থিয় হৈ ৰলি মাথোঁ বৰ্ব্বৰৰ দৰে,
—অৱহেলা কৰি শুচি গ ল বীৰ ,
পৰিলোহেঁতেন ৰক্ষা, হোৱা হলে মৃত্যু মোৰ
সেই মুহূৰ্ত্তত।
পিছদিনা ৰাতিপুৱা দলিয়াই দিলোঁ
পুৰুষৰ বেশ। পিন্ধি ললো ৰক্তাম্বৰ
কঙ্কন কিঙ্কিণী কাঞ্চী।
লাজেৰে সজাই দেহা অনভ্যস্ত সাজে
ৰলো সসঙ্কোচে।
গোপনে প্ৰৱেশি সি বনত
অৰণ্যৰ শিৱ আলয়ত দেখাপালো তেওক—

মদন। কৈ যোৱা বালা।
মোক কোনো নকৰিবা লাজ।
মই মনসিজ , জানো মই
সকলো ৰহস্য মনৰ।

চিত্ৰাঙ্গদা। তাৰপিছে কি কলো
শুনিলো কি উত্তৰ—
ভালকৈ নপৰে মনত,
নুসুধিবা আৰু ভগৱান।
পৰিল মূৰত মোৰ লাজ বজ্ৰৰূপে,
তথাপি শতধা নোৱাৰিলে কৰিব যে মোক
—নাৰীহে এমুৱা পুৰুষ-প্ৰাণ মোৰ।
নেজানো কেনেকে ঘূৰি আহিলোঁ ঘৰলৈ
দুঃস্বপ্ন বিহ্বলভাৱে। শেষ কথা তেওৰ
বাজিল কাণত মোৰ তপ্ত শূলসম
"ব্ৰহ্মচাৰী ব্ৰতধাৰী মই। পতিযোগ্য
হে ৰৰাঙ্গনে, নহওঁ তোমাৰ।"
ধিক মোৰ, পুৰুষৰ ব্ৰহ্মচৰ্য্য !
তাকো মই নোৱাৰোঁ টলাব।

জানা তুমি মীনকেতু, ঋষি মুনি কতজনে
দিছে বিসর্জ্জন নাৰী পদতলে
চিৰাৰ্জ্জিত তপস্যাৰ ফল,
ক্ষত্ৰিয়ৰ ব্ৰহ্মচৰ্য ! গৃহে ঘূৰি
যি আছিল মোৰ, ভাঙিলো সকলো ধনুশৰ
কিণাঙ্কিত এহ্ কঠিন বাহু—
যি মোৰ গৰ্ব্বৰ ধন ইমান দিনৰ—
লাঞ্চনা কৰিলো তাক নিষ্ফল আক্ৰোশে।
বুজিলো তেতিয়া নাৰী হৈ
পুৰুষৰ মন যদি কৰিব নোৱাৰো জয়,
মিছা সৰ্ব্ববিদ্যা মোৰ।
অবলাৰ সুকোমল মৃণাল বাহুয়ে
মোৰ এই বাহুতকৈ ধৰে শত বল।
ধন্য সেই মুগ্ধ মূৰ্খ ক্ষীণ তনুলতা
পৰ-অৱলম্বিতা লজ্জ্যাভয়ে লীলাঙ্গিনী
সামান্য ললনা, যাৰ ত্ৰ্যস্ত কটাক্ষত
হয় পৰাভৱ বীৰ্য্যবল, তপস্যাৰ
তেজ।
হে অনঙ্গদেৱ, সকলো দম্ভ মোৰ
এক দণ্ডে লৈ গ'লা কাঢ়ি—
যত বিদ্যা যত বল,
নিবেদিছোঁ তযু চৰণত।
দিয়া মোক অবলাৰ বল, নিৰস্ত্ৰৰ
অস্ত্ৰ যতমান।

মদন। মই হম সহায় তোমাৰ।
হে শুভে, বিশ্বজয়ী অৰ্জ্জুনক কৰি জয়
বন্দীকৰি আনি দিম তোমাৰ হাতত।
ৰাণী হৈ দিবা তেওঁক দণ্ড পুৰস্কাৰ
যিবা ইচ্ছা। বিদ্ৰোহীক কৰিবা শাসন।

চিত্ৰাঙ্গদা। থকা হলে সময়, অকলেই মই
তিলে তিলে কৰিলোহেঁতেন জয়
হিয়াখনি তেওঁৰ,
দেৱতাৰ সহায়ৰ নহলহেঁতেন প্ৰয়োজন।
লগে লগে থাকিলোহেঁতেন সঙ্গীৰূপে,
ৰণত সাৰথি হৈ, মৃগয়াত অনুচৰ,
ৰাত্ৰিৰ প্ৰহৰীৰূপে থাকিলোহেঁতেন উজাগৰে
শিবিৰৰ দুৱাৰত ; ভক্তৰূপে পূজিলোঁহেঁতেন,
সেবিলোহেঁতেন ভৃত্যৰূপে।
ক্ষত্ৰিয়ৰ মহাব্ৰত আত্ম পৰিত্ৰাণ কাৰ্য্যে
সখাৰূপে বঢ়ালোহেঁতেন মই সহায়ৰ হাত।
কৌতূহলে এদিন কৰি নিৰীক্ষণ,
ভাবিলেহেঁলেন মনে মনে, "কোন ই বালক,
পূৰ্ব্বজনমৰ চিৰদাস, এই জনমত
লৈছেহি সঙ্গ মোৰ সুকৃতিৰ দৰে।"
ধীৰে ধীৰে মেলিলেঁহেঁতেন তেওঁৰ হৃদয় দুৱাৰ
লভিলোঁহেতেন তাত যুগমীয়া স্থান।
জানো মই এই প্ৰেম নোহে কান্দোনৰ,
যি নাৰীয়ে নিৰ্ব্বাক ধৈৰ্য্যেৰে চিৰ মৰ্ম্মব্যথা
লুকুৱায় ৰজনীৰ চকুৰ পানীৰে,
দিবসত ঢাকি ৰাখে ম্লান হাঁহি মুখে,
আজন্ম বিধবা, নোহো মই সেই নাৰী,
নহব কামনা মোৰ কদাপি নিষ্ফল।
পাৰো যদি প্ৰকাশিব নিজকে এবাৰ
নিশ্চয় দিবহি তেওঁ ধৰা। হাঁয় হতবিধি,
সেই দিনা কি দেখিছিলোঁ! লাজত কুণ্ঠিতা
শংকিতা কম্পিতা নাৰী, বিৱশ-বিহ্বলা
প্ৰলাপ-বাদিনী। সেয়ে কি যথাৰ্থ মই?
যি দৰে সহস্ৰনাৰী পথে গৃহে চাৰিদিশে ভ্ৰমি ফুৰে

হই মাথো,
কান্দোনৰ অধিকাৰী, তাৰ বেছি নোহোনেকি মই ?
কিন্তু হাঁয়, আপোনাৰ পৰিচয় দিয়া,
বহু ধৈৰ্য্যে, বহুদিনে ঘটে, সি যে চিৰজীৱনৰ কাৰ্য্য
জন্ম জন্মান্তৰৰ সি ব্ৰত। সেয়েহে আহিছো আজি
তোমাসাৰ ওচৰলে, কৰিছোঁ কঠোৰ তপ।
হে ভুবন-বিজয়ী দেৱ, হে মহাসুন্দৰ !
ঋতুৰাজ, গুচোৱা মাথোন এদিনলে'
জন্মদাতা বিধাতাৰ বিনাদোষে দিয়া অভিশাপ,
নাৰীৰ কুৰূপ। কৰা মোক অপূৰ্ব্ব সুন্দৰী।
দিয়া মোক সেই এটি দিন—তাৰ পিছে চিৰদিন
থাকিব যে মোৰ।—যেতিয়া প্ৰথম মই
দেখিছিলোঁ তেওঁক—মুহূৰ্ত্তে যেন
অনন্ত বসন্ত ঋতু পশিল হিয়াত।
হৈছিল ইচ্ছা—সেই যৌৱন উচ্ছ্বাসত
সমগ্ৰ শৰীৰ যদি চাওঁতে চাওঁতে
অপূৰ্ব্ব পুলক লাগি হয় প্ৰস্ফুটিত
লক্ষ্মীৰ চৰণ-শায়ী পদ্মৰ সদৃশ।
হে বসন্ত, হে বসন্ত-সখা, সি বাসনা মোৰ
কৰা পূৰ্ণ মাথো এদিনলৈ।

মদন। তথাস্তু।

বসন্ত। তথাস্তু। নোহে মাথো এদিনলে'
একবৰ্ষ ধৰি বসন্তৰ কুসুম শোভাই
আৱৰি তোমাৰ তনু থাকিব বিকশি।

২

মণিপুৰ। অৰণ্যৰ শিৱালয়

অৰ্জ্জুন

অৰ্জ্জুন। দেখিলোঁ কাক? সি কি সত্য, কিম্বা মায়া?
নিবিড় নিৰ্জ্জন বন নিৰ্ম্মল সৰসী—
এনুৱা নিভৃত নিবালয়, মনে ধৰে
নিস্তব্ধ মধ্যাহ্নবেলা সি স্থানত বনলক্ষ্মীসবে
স্নান কৰি যায়, গভীৰ পূৰ্ণিমা ৰাতি
সেই সুপ্ত সৰসীৰ স্নিগ্ধ নব তৃণত
সুখেৰে শয়ন কৰি লাভ কৰে নিঃসঙ্গ বিশ্ৰাম
স্খলিত অঞ্চলে।
সেই তৰু-অন্তৰালত
অপৰাহ্ন হওঁতে নহওঁতে শেষ, ভাবিছিলোঁ
আশৈশৱ জীৱনৰ কথা; সংসাৰৰ
মূঢ় খেলা সুখ দুখ ঘূৰাই পকাই;
জীৱনৰ অসন্তোষ, অসম্পূৰ্ণ আশা,
অনন্ত দাৰিদ্ৰ্য এই মৰ্ত্ত্য মানৱৰ।
সি হেন পৰত ঘন তৰু অন্ধকাৰ ভেদি
ধীৰে ধীৰে আহিল ওলাই, থিয় হ'ল
সৰোবৰ-সোপানৰ শ্বেত শিলা ফলকত,
কি অপূৰ্ব্ব ৰূপ। সেই কোমল চৰণ তলে
ধৰাতল হৈ গ'ল কেনুৱা নিশ্চল?
পুৱাৰ সোণালী মেঘ, চাওঁতে চাওঁতে
যি দৰে মিহলি হয় পূৰ্ব্ব পৰ্ব্বতৰ
শুভ্ৰশিৰে অকলঙ্ক নগ্ন শোভা
কৰি বিকশিত, সিদৰে বসন তেওঁৰ
মিলিছিল অঙ্গৰ লাৱণ্য সতে

সুখ আবেশত। ধীৰে ধীৰে নামি গৈ সৰোবৰ তীৰে
কৌতূহলে চালে তেওঁ নিজ মুখ-ছবি ;
উঠিল চমকি। ক্ষণ পাছে মৃদু হাঁহি
বাওঁবাহু লবাই অৱহেলাভাৱে
মেলি দিলে কেশপাশ , মুক্ত কেশ
পৰিল বিহ্বল হৈ চৰণ তলত।
অঞ্চল মুকলি কৰি চালে নিজ
অনিন্দিত বাহুখনি—স্পৰ্শৰসে
কোমল কাতৰ, প্ৰেমৰ কৰুণা-সনা।
চালে নত কৰি শিৰ, পৰিস্ফুট
দেহমাজে যৌৱনৰ উন্মুখ বিকাশ।
দেখাপালে নবগৌৰ তনুমাজে
আৰক্তিম আলজ্জ আভাস ;
সৰোবৰ নীৰে পখালি চৰণদ্বয়
দেখা পালে নিজৰেই চৰণৰ-আভা।
বিস্ময়ৰ নাই সীমা।
সেয়ে যেন প্ৰথম নিজকে দেখা।
শ্বেত শতদল যেন মুকুল বয়সী,
কটালে নয়ন মুদি
যিদিনা পুৱাত লভিলে প্ৰথম পূৰ্ণশোভা,
কৰি নতশিৰ নীলসৰোবৰ নীৰে
দেখিলে প্ৰথম আপোনাক, সমগ্ৰ দিবস
চাই ৰ'ল সবিস্ময়ে। মুহূৰ্তৰ পিচতেই
নেজানো কি বেদনাত লুকাল মুখৰ হাঁহি,
ম্লান হ'ল চকুদুটি ; পুনৰ বান্ধিলে
কেশপাশ ; আঁচলেৰে ঢাকি ললে দেহ তনু ;
নিশ্বাস পেলাই, ধীৰে ধীৰে গ'ল গুচি ;
সোণালী সন্ধিয়া যেনে ম্লান মুখ কৰি
আন্ধাৰ ৰজনী পিনে যায় মৃদুপদে।

ভাবিলোঁ অনন্ত ধৰণীয়ে মেলি দিলে
ঐশ্বৰ্য্য নিজৰ। কামনাৰ সম্পূৰ্ণতা
চমকতে মিলি গ'ল। ভাবিলোঁ অনন্ত
কত যুদ্ধ কত হিংসা কত আড়ম্বৰ
পুৰুষৰ পুৰুষালি গৰ্ব্ব বীৰত্বৰ
নিত্য যশস্যাৰ তৃষ্ণা,
শান্ত হৈ পৰিল ভূমিত,
সেই পূৰ্ণ সৌন্দৰ্য্য-কাষত ;
পশুৰাজ সিংহ যেনে পৰে সিংহবাহিনীৰ
ভুৱন-বাঞ্ছিত অৰুণ চৰণ তলত।
এবাৰ আকৌ যদি—কোনে সেয়া দুৱাৰ ঠেলে!

দুৱাৰ মুকলি কৰি

ইকি! সেই মূৰ্ত্তি! শান্ত হোৱা হে হৃদয়।
কোনো ভয় নাই মোত, বৰাননে।
মই ক্ষত্ৰকুল জাত ; ভয়ভীত দুৰ্ব্বলৰ
ভয়হাৰী।

চিত্ৰাঙ্গদা। আৰ্য্য, অতিথি তুমি মোৰ।
এই যে মন্দিৰ, ই মোৰেই আশ্ৰম। নেজানো কিদৰে
কৰিম তোমাক অভ্যৰ্থনা, কি শুশ্ৰূষাৰে
তুষিম তোমাক মই।

অৰ্জ্জুন। অতিথি সৎকাৰ
হ'ল তোমা দৰশনে, হে সুন্দৰী
তব শিষ্ট বাক্যৰাশি সৌভাগ্য যে মোৰ।
যদিহে নধৰা অপৰাধ সোধোঁ এটি প্ৰশ্ন,
চিত্ত মোৰ কুতূহলী।

চিত্ৰাঙ্গদা। সোধা নিৰ্ভয়ে।

অৰ্জ্জুন। শুচিস্মিতে, কি দুৰূহ ব্ৰত হেতু
জনহীন দেৱ আলয়ত এই হেন ৰূপৰাশি

অৱহেলা কৰি তুমি দিছা বিসৰ্জন, হতভাগ্য
মৰ্ত্ত্যজনক কৰিছা বঞ্চিত।

চিত্ৰাঙ্গদা। গুপ্ত এটি
কামনা-সাধনা হেতু এক চিত্তে কৰোঁ
শিৱ পূজা।

অৰ্জ্জুন। হায়, কৰিছা কামনা কাক
যি নিজে জগতৰ কামনাৰ ধন। সুদৰ্শনে,
উদয়গিৰিৰপৰা অস্তাচল ভূমিলৈকে
কৰিছোঁ ভ্ৰমণ মই ; সপ্তদ্বীপ মাজে
য'তে আছে যি বস্তু দুৰ্লভ সুন্দৰ,
অচিন্ত্য মহান, সকলো দেখিছোঁ মই,
কি লাগে কাক লাগে, যদি কোৱা মোক
সেই বাৰ্ত্তা পাবা তুমি মোৰ ওচৰত।

চিত্ৰাঙ্গদা। ত্ৰিভুৱনত
পৰিচিত তেওঁ, বিচাৰিছোঁ যি জনক মই।

অৰ্জ্জুন। এই ধৰণীত
কোন আছে এনে নৰ ? কাৰ যশোৰাশি
অমৰ আকাঙ্ক্ষিত তব মনোৰাজ্য মাজে
কৰিছেহি অধিকাৰ দুৰ্লভ আসন।
কোৱা নাম সিজনৰ, শুনি হওঁ মই কৃতাৰ্থ।

চিত্ৰাঙ্গদা। জন্ম তেওঁৰ সৰ্ব্বশ্ৰেষ্ঠ নৃপতি-কুলত,
সৰ্ব্বশ্ৰেষ্ঠ বীৰ।

অৰ্জ্জুন। মিছা খ্যাতি বাঢ়ি যায়
মুখে মুখে কথায় কথায় ; ক্ষণস্থায়ী
বাষ্পে যেনে উষাক ছলনা কৰি ঢাকি ৰাখে
যি ক্ষণলৈকে নহয় উদয় ভাস্কৰ।
হে সৰলে, নকৰিবা মিছাক উপাসনা,
এই হেন দুৰ্লভ সৌন্দৰ্য্য সম্পদ দৈ।

কোৱাচোন শুনো মই সৰ্ব্বশ্ৰেষ্ঠ কোন বীৰ,
আছে ধৰণীৰ সৰ্ব্বশ্ৰেষ্ঠ মহান কুলত।

চিত্রাঙ্গদা। পৰকীৰ্ত্তি-অসহিষ্ণু কোন তুমি সন্ন্যাসী!
কোনেনো নেজানে কুৰুবংশ
ৰাজবংশ শ্ৰেষ্ঠ—এই ভুবন মাজত।

অৰ্জ্জুন। কুৰুবংশ!

চিত্রাঙ্গদা। সেই বংশত
আছে কোন অক্ষয়-যশ বীৰেন্দ্ৰকেশৰী
শুনিছানে নাম সিজনৰ?

অৰ্জ্জুন। কোৱা, শুনো তব মুখে।

চিত্রাঙ্গদা। অৰ্জ্জুন, গাণ্ডীৱধনু, ভুবন বিজয়ী।
সমগ্ৰ বিশ্বৰপৰা সেই যে অক্ষয় নাম,
কৰিছোঁ লুণ্ঠন, ৰাখিছোঁ লুকাই যত্নে
কুমাৰী-হৃদয় পূৰ্ণ কৰি।—ব্ৰহ্মচাৰী,
হৈছা অধীৰ কিয়?
মিছা কি সি অৰ্জ্জুন নাম? কোৱা মোক—
মিছা যদি হয় তেন্তে ভাঙি ই হৃদয়
এৰি দিওঁ তাক, যাওঁক সি উৰি উৰি
শূন্যে শূন্যে মুখে মুখে—
স্থান তাৰ নাই কোনো নাৰী অন্তৰত।

অৰ্জ্জুন। হে বৰাঙ্গনে,
সেই অৰ্জ্জুন, সেই পাণ্ডৱ, সেই গাণ্ডীৱ ধনু,
চৰণে শৰণাগত সেই ভাগ্যবান।
নাম তেওঁৰ, খ্যাতি তেওঁৰ, শৌৰ্য্য বীৰ্য্য তেওঁৰ
মিছা হওঁক, সঁচা হওঁক, যি দুৰ্লভ বিশ্বত
কৰিছা তেওঁক স্থান দান, সি ঠাইৰপৰা
নকৰিবা স্থানান্তৰ তেওঁক, ক্ষীণ-পুণ্য
হৃতস্বৰ্গ হৃতভাগ্যসম।

চিত্ৰাঙ্গদা। তুমি পাৰ্থ?

অৰ্জ্জুন। মই পাৰ্থ, দেৱী, তোমাৰ হৃদয় দ্বাৰত
প্ৰেমাৰ্ত্ত অতিথি।

চিত্ৰাঙ্গদা। শুনিছিলোঁ ব্ৰহ্মচৰ্য্য
পালিছে অৰ্জ্জুনে দ্বাদশ বৰষ ধৰি।
সেই বীৰে কৰিছে কামনা কামিনীক
ব্ৰত ভঙ্গ কৰি! হে সন্ন্যাসী, তুমি পাৰ্থ!

অৰ্জ্জুন। ভাঙিলা ব্ৰত তুমি মোৰ। চন্দ্ৰ উদয়ে
নিমিষে বিদৰে ভাঙে ৰজনীৰ
যোগ-নিদ্ৰা অন্ধকাৰ।

চিত্ৰাঙ্গদা। ধিক, পাৰ্থ, ধিক!
কোন মই, কি আছে মোৰ, কি দেখিছা তুমি
কি জানা তুমি মোৰ। কাৰ বাবে
পাহৰিছা নিজেই নিজক। মুহূৰ্ত্ততে সত্য ভঙ্গ
কৰি অৰ্জ্জুনক কৰিছা অনৰ্জ্জুন
কাৰ বাবে? নহয় ই মোৰ হেতু!
এই দুটি নীলোৎপল নয়নৰ হেতু;
এই দুটি নবনীনিন্দিত বাহুৰ পাশত সব্যসাচী
অৰ্জ্জুনে দিছে আহি ধৰা, দুই হাতে
ছিন্ন কৰি সত্যৰ বান্ধোন। ক'লৈ গ'ল
প্ৰেমৰ মৰ্যাদা? ক'ত পৰি ৰ'ল
নাৰীৰ সন্মান? হায়, অতিক্ৰম কৰিলে মোক
মোৰ এই তুচ্ছ তনুটিয়ে, মৃত্যুহীন অন্তৰৰ
এই ছদ্মবেশ ক্ষণস্থায়ী। এতিয়া বুজিলো মই
মিছা খ্যাতি, বীৰত্ব তোমাৰ।

অৰ্জ্জুন খ্যাতি মিছা,
বীৰ্য্য মিছা, আজিহে বুজিছোঁ। সপ্তলোক
মোৰ আজি স্বপ্ন হেন লাগে। মাথো এক
পূৰ্ণ তুমি, সৰ্ব্ব তুমি, বিশ্বৰ ঐশ্বৰ্য্য

তুমি—এক নাৰী সকলো দৈন্যৰ তুমি
মহা অৱসান, সকলো কৰ্মৰ তুমি
বিশ্ৰামৰূপিনী। কিয় জানো অকস্মাতে
যবশি তোমাক, বুজিব পাৰিছোঁ মই
কি আনন্দ-কিৰণৰ প্ৰথম পুৰাত
অন্ধকাৰ মহা-সমুদ্ৰত, সৃষ্টি শতদল
হৈছিল উন্মেষিত দিশে দিশে
এক মুহূৰ্ত্ততে। অন্য সকলোকে
পলে পলে তিলে তিলে তেহে জনা যায়
বহুদিন শেষে; যি মুহূৰ্ত্ততে চালো তোমালৈ
সেই মুহূৰ্ত্ততে, সমগ্ৰ তোমাৰ মোৰ হ'ল নয়ন গোচৰ,
তথাপি পোৱা নাই শেষ। কৈলাসৰ শিখৰত
মৃগয়াত শ্ৰান্ত, তৃষিত তাপিত হৈ
গৈছিলো এদিন তুপৰীয়া কুসুম-বিচিত্ৰ
মানস তীৰলৈ'। যেতিয়াই চালো
সেই সুৰ-সৰসীৰ সলিলৰ পিনে
চকুত পৰিল তেতিয়াই অন্তহীন তল।
নিৰ্ম্মল নীৰ, যিমান তললৈ চাওঁ। মধ্যাহ্নৰ
ৰবি-ৰশ্মি ৰেখাবোৰে স্বৰ্ণ নলিনীৰ
সুবৰ্ণ মৃণাল সতে মিলি নামিছে
অগাধ অসীমলৈ, এঁকা বেঁকা কৰি
কঁপি আছে পানীৰ হিল্লোলত, লক্ষকোটি অগ্নিময়ী
নাগিনীৰ সম। ভাবিলো মনত, ভগৱান
সূৰ্য্যদেৱে সহস্ৰ আঙুলি নিৰ্দ্দেশি
দিলে দেখুৱাই, জন্ম শ্ৰান্ত কৰ্মক্লান্ত
মানৱক, ক'ত আছে সুন্দৰ মৰণ
অনন্ত শীতল। সেই স্বচ্ছ গভীৰতা
পালো দেখা তোমাৰ মাজত। চাৰিওদশবৰণৰা
দেৱতাৰ আঙুলিয়ে দিছে যেন দেখুৱাই

মোক তোমাৰ অলোক আলোক মাজে
কীৰ্ত্তিক্লিষ্ট জীৱনৰ পূৰ্ণ নিৰ্ব্বাপন।

চিত্ৰাঙ্গদা। নোহো মই, নোহো মই, হায় পাৰ্থ হায়,
ই যে কোনো দেৱৰ চলনা! যোৱা, যোৱা ঘূৰি
যোৱা, ঘূৰি যোৱা বীৰ। নকৰিবা অসত্যৰ
উপাসনা। শৌৰ্য্য বীৰ্য্য মহত্ব তোমাৰ
নকৰিবা সমৰ্পণ মিছাৰ পদত।
যোৱা ঘূৰি যোৱা।

৩

গছৰ তলত চিত্ৰাঙ্গদা

চিত্ৰাঙ্গদা। হায়, হায়, ঘূৰি জানো পাম পুনুবাৰ! সেই
থৰথৰ ব্যাকুলতা বীৰ হৃদয়ৰ,
তৃষাৰ্ত্ত কম্পিত এক স্ফুলিঙ্গ নিশ্বাস
হোমাগ্নি-শিখাৰ দৰে; সেই চুচকুৰ
দৃষ্টি যেন বাহু হৈ অন্তৰৰ
কাঢ়ি নিব খোজে মোক; উত্তপ্ত হৃদয়
আহে যেন লৰি ভাঙিছিঙি সৰ্ব্ব অঙ্গ,
সেই তেওঁৰ কান্দোনৰ ধ্বনি
শুনো যেন প্ৰতি অঙ্গে। সেই তৃষ্ণা
আনিব কি পাৰো ওভোতাই?

বসন্ত আৰু মদনৰ প্ৰৱেশ

চিত্ৰাঙ্গদা। হে অনঙ্গদেৱ, ই কি ৰূপ হুতাশনে
আবৰিছে মোক, দগ্ধ হওঁ, মাৰো দগ্ধ কৰি।

মদন। কোৱা তন্বী কিনো হ'ল কালিৰ ঘটনা।
মোৰ মুক্ত পুষ্পশৰে কি কাম সাধিলে
শুনিবলৈ হৈছে বাসনা।

চিত্ৰাঙ্গদা। কালি সন্ধ্যাবেলা
সৰসীৰ তৃণ পুঞ্জতীৰে পাতিছিলোঁ পুষ্পশয্যা
সৰিপৰা বসন্তৰ ফুলৰাশিলৈ,
শ্ৰান্ত দেহে শুইছিলোঁ আনমনা ভাবে,
থৈ অলস শিৰ বাম বাহুত,
ভাবিছিলোঁ যোৱা দিৱসৰ কথা।
শুনিছিলোঁ যি স্তুতি অৰ্জ্জুনৰ মুখে
সুঁৱৰিছিলোঁ সেই কথা; দিৱসৰ
সঞ্চিত অমৃতৰপৰা বিন্দু বিন্দু লৈ
কৰিছিলোঁ পান, পাহৰি আছিলোঁ মই
পূৰ্ব্ব ইতিহাস—গতজন্ম কথা-সম।
ৰাজকন্যা নোহোঁ যেন মই; মোৰ যেন
নাই পূৰ্ব্বাপৰ; মই যেন ধৰণীত
এদিনতে উঠিছিলোঁ ফুলি, অৰণ্যৰ
পিতৃ-মাতৃহীন ফুল; মাথোঁ এটি বেলা
পৰমায়ু, সেই ক্ষণতেই শুনিব লাগিব
ভ্ৰমৰ গুঞ্জন গীতি, বন বনান্তৰজোৰা
আনন্দ মৰ্ম্মৰ, পিছ মুহূৰ্ত্ততে আকাশৰপৰা
ধীৰে ধীৰে আঁতৰাই দৃষ্টি, নত কৰি শিৰ
শেষ হৈ যাম মই বায়ু পৰশত
ক্ৰন্দন বিহীন, মাজতেই অন্ত হৈ যাব
কুসুমকাহিনী আদি অন্তহীন।

বসন্ত। এটি প্ৰভাততে ফুলে,
হে সুন্দৰী, অনন্ত জীৱন।

মদন। সঙ্গীতত যেনে হবে ক্ষণিকৰ তানতেই
গুঞ্জৰী কান্দি উঠে অন্তহীন
কথা। তাৰ পিছত, কোৱা কি হ'ল?

চিত্ৰাঙ্গদা। ভাবোঁতে ভাবোঁতে
দক্ষিণ বায়ুৰে সৰ্ব্বাঙ্গে হানিলে

নিদ্ৰাৰ হিল্লোল। সপ্তপৰ্ণ শাখাৰপৰা
প্ৰস্ফুটিত মালতী লতাই আলস্য আবেশে
গৌৰদেহত মোৰ দিছিলেহি
নিঃশব্দ চুম্বন; ফুলবোৰে কেশপাশে,
পদতলে, স্তনতটমূলে,
ৰচিছিল আপোনাৰ মৰণ শয়ন।
অচেতনে পাৰ হল কতোক্ষণ। তেনে সময়ত
টোপনি আলত মোৰ হ'ল অনুভৱ,
যেন কাৰোবাৰ দুটি মুগ্ধ নয়নৰ চাহনিয়ে
দহ আঙুলিৰ দৰে কৰিছে পৰশ
তীব্ৰ লালসাত মোৰ নিদ্ৰা অলস তনু।
চমকি উঠিলো সাৰ পাই;
দেখিলো, সন্ন্যাসীয়ে
পদপ্ৰান্তে নিৰ্নিমেষে আছে থিয় হৈ
স্থিৰ প্ৰতিমূৰ্ত্তি সম। পূৰ্ব্বাচলৰপৰা
ধীৰে ধীৰে পশ্চিমলৈ গৈ
দ্বাদশীৰ জোনে, সকলো সোণালী জ্যোতি
দিছে ঢালি; স্খলিত বসন মোৰ
অম্লান নতুন শুভ্ৰ সৌন্দৰ্য্যৰাশিত।
পুষ্প গন্ধ পূৰ্ণ তৰুতল; ঝিলিৰবে
তন্দ্ৰামগ্ন গহীন ৰজনী; স্বচ্ছ সৰোবৰ বুকি
অকম্পিত চন্দ্ৰকৰ-ছায়া; স্তব্ধ বায়ু;
শিৰে বহি জ্যোৎস্নালোক স্নিগ্ধ চিকুন
ৰাশি ৰাশি অন্ধকাৰ পল্লৱ ভৰত
স্তম্ভিত অটবী। সেইদৰে চিত্ৰাৰ্পিত
থিয় হৈ, দীৰ্ঘকায় বনস্পতি সম,
দণ্ডধাৰী ব্ৰহ্মচাৰী ছাঁয়া সহচৰ।

প্ৰথম সেই নিদ্ৰাভঙ্গত চাৰিদিশে চাই

ভাবিলো মনত কেতিয়াবা কোনো এক বিস্মৃত সন্ধ্যাত
ত্যজি ই জীৱন, লভিছোঁ অপৰ জন্ম
কোনো এক অপৰূপ মোহ নিদ্ৰালোকত
জনশূন্য ম্লান জ্যোৎস্না বৈতৰণী তীৰত।

থিৰ হলো। মিছা লাজ অযথা সংকোচ
শিথিল বসন সম পৰিলে স্খলকি
চৰণ তলত। শুনিলো, "প্ৰিয়ে, প্ৰিয়তমে!"
গম্ভীৰ আহ্বানত, মোৰ এই এক শৰীৰতে
জন্ম জন্ম শতজন্ম উঠিল সাৰ পাই।
কলো, "লোৱা, লোৱা যিবা আছে মোৰ
সকলো গ্ৰহণ কৰা, হে জীৱন বল্লভ!"
দুই বাহু দিলোঁ মেলি।—চন্দ্ৰ অস্ত গ'ল বননিত,
অন্ধকাৰে ঢাকিলে মেদিনী। স্বৰ্গ মৰ্ত্ত্য
দেশ কাল দুখ-সুখ জীৱন মৰণ
অসহ্য পুলক লাগি হ'ল অচেতন।

প্ৰভাতৰ প্ৰথম আভাত, বিহঙ্গৰ
প্ৰথম গীতত, বাওঁহাতে ভৰ দি
ধীৰে ধীৰে শয্যাতে বলোঁ মই বহি।
চালো, সুখ টোপনিত আছে বীৰবৰ।
শ্ৰান্ত হাঁহি মিলি আছে ওঠৰ মাজত
প্ৰভাতৰ চন্দ্ৰকলাসম, ৰজনীৰ
আনন্দৰ শীৰ্ণ অৱশেষ। পৰিছেহি
কপালত অৰুণিমা আভা;
পৃথিৱীৰ নবোদয় পৰ্ব্বতত যেন
নব কীৰ্ত্তি-সূৰ্য্যোদয় কৰিব প্ৰকাশ।

উঠিলোঁ শয়ন এৰি নিশ্বাস পেলাই;

মালতীৰ লতাজাল আনিলো নমাই
সাৰধানে, আঁৰ কৰি সূৰ্য্য জ্যোতি
শুই থকা মুখনিৰপৰা।
দেখিলো চাৰিওদিশে পূৰ্ব্বপৰিচিত সেই প্ৰাচীন পৃথিবী।
নিজকে ভুলাই হায় পৰিল মনত,
আহিলো পলাই, নব প্ৰভাতৰ
শেৱালীৰে সৰি থকা বননিৰপৰা,
নিজৰ ছাঁয়াতে নিজে ভয় খোৱা হৰিণীৰ দৰে।
বিজন বনত বহি, দুই হাতে
আবৰিলো মুখ, খুজিলো কান্দিব,
নাহিল কান্দোন।

মদন। হায়, মানৱনন্দিনী,
স্বৰ্গৰ সুখৰ দিন নিজহাতে ভাঙি
ধৰণীৰ এটি ৰাতি পূৰ্ণ কৰি
যত্নেৰে ৰাখিলো তব অধৰ প্ৰান্তত—
শচীৰ প্ৰসাদ সুধা, ৰতিৰ চুম্বিত,
নন্দন বনৰ গন্ধে মোদিত মধুৰ—
তোমাক কৰালো পান, তথাপি কান্দোন!

চিত্ৰাঙ্গদা। কাক, দেৱ, কৰোৱালা পান! কাৰ তৃষ্ণা
কৰোৱালা দূৰ! সেই যে চুম্বন, সেই প্ৰেমৰ সঙ্গম
এতিয়াও উঠিছে যে কঁপি সৰ্ব্ব অঙ্গে মোৰ
বীণাৰ ঝঙ্কাৰসম, সি যে নহে মোৰ!
বহুকাল সাধনাত একদণ্ড মাত্ৰ
লভা হয় প্ৰথম মিলন, সি মিলন
নিলে কোনে কাঢ়ি, বঞ্চিত কৰি মোক।
সেই চিৰ দুৰ্লভ মিলনৰ সুখ স্মৃতি
লগে লগে সৰি যাব অতি প্ৰস্ফুটিত
পুষ্পদল-সম, ই মায়া লাৱণ্য মোৰ;
অন্তৰৰ দৰিদ্ৰ ৰমণী, ৰিক্তদেহে

পৰি বৰ চিৰ ৰাতি দিন। মীনকেতু,
কোন মহা বাৰুণীক দিছা বাৰি
অঙ্গ সহচৰী কৰি হাঁৱাৰ-সদৃশ,
কি অভিশাপ! চিৰন্তন তৃষ্ণাতুৰ
লোলুপ ওঁঠত আনি দিলা চুম্বন মধুৰ,
কৰিলে সি পান। সেই প্ৰেম-দৃষ্টিপাত—
এষুৰা আগ্ৰহপূৰ্ণ, যি অঙ্গতে পৰে
আঁকি থৈ যায় যেন তাতে
বাসনাৰ ৰঙা চিহ্নৰেখা—সেই দৃষ্টি
ৰবি ৰশ্মিসম, চিৰৰাত্ৰিতাপসিনী—
কুমাৰী-হৃদয় পদ্মপিনে আহিল লৰৰি
মুগ্ধ কৰি থলে সি তাক।

মদন। কালি নিশা,
ব্যৰ্থ হ'ল তেন্তে! আশাৰ তৰী
পাৰ পাই পুনু ঘূৰি গ'ল
তৰঙ্গৰ আঘাতত?

চিত্ৰাঙ্গদা। কালি ৰাতি নাছিল যে একোকে মনত
দেৱ। সুখ স্বৰ্গই দিছিল ধৰা
নিচেই কাষত, পালো নে নেপালো
আত্ম-বিস্মৰণ সুখত নাভাবিলো হায়।
আজি পুৱা সাৰ পাই দহিছে অন্তৰ
নৈৰাশ্য ধিক্কাৰ আবেগত। পৰিছে মনত
এটি এটিকৈ কালি ৰজনীৰ কথা।
বিদ্যুত বেদনাসহ হৈছে চেতনা
অন্তৰ বাহিৰ মোৰ হৈছে সতিনী
নোৱাৰিম পাহৰিব তাক। সপত্নীক
নিজ হাতে সজাই যতনে, প্ৰতিদিন
লাগিব পঠাব, মোৰেই আকাঙ্ক্ষা-তীৰ্থ
বাসৰ শয্যালৈ; অবিশ্ৰাম লগে লগে থাকি

প্ৰতিক্ষণে চকুৰেদি চাব যে লাগিব
তেওঁৰে আদৰ। সেহৰ সৌভাগ্য হেতু
জলিব অন্তৰ হিংসা অনলত, এনে শাপ
আন কোনে পাইছে মৰ্ত্ত্যত। হে অতনু
ওভোতাই লোৱা তব বৰ।

মদন। যদি লওঁ ওভোতাই,
ছলনাৰ আৱৰণ আঁতৰাই তুমি
কালিলৈ বাস্তিপুৰা কি সাজেৰে থিয় হবা
পাৰ্থৰ আগত, কুসুম পল্লৱহীন
হেমন্তৰ হিমশীৰ্ণ লতা? প্ৰমোদৰ
প্ৰথম আস্বাদকণ যাচি
কাঢ়ি নি মুখৰপৰা সুধাপাত্ৰ
চূৰ্ণ কৰা যদি পৃথিবীত, অকস্মাত সি আঘাতত
চমকিত হৈ, কি আক্ৰোশত দৰ্শিব তোমাক!

চিত্ৰাঙ্গদা। সিও ভাল। এই ছদ্ম ৰূপিনীতকৈ
শ্ৰেষ্ঠ মই শতগুণে। সেই মোৰ নিজকে
কৰিম প্ৰকাশ; যদিহে নেলাগে ভাল
ঘৃণা কৰি যদি গুচি যাই, বুকু ফাটি
মৰো যদি মই, তথাপি মই—মৰেই থাকিম।
সিও ভাল, ইন্দ্ৰসখা।

বসন্ত। শুনা, মোৰ কথা।
ফুলৰ বেভিয়া ফুলা শেষ হৈ যায়
ফল তাৰ প্ৰকাশি ওলায়। যথাসময়ত
সৰি পৰি যাব তাপক্লিষ্ট
লঘু লাৱণ্যৰ দল; নিজৰ গৌৰৱ লৈ
ভেদিয়া প্ৰকাশ হব; দৰশি তোমাক
নতুন সৌভাগ্য বুলি ভাবিব অৰ্জুনে।
যোৱা ঘূৰি যোৱা বাছা, যৌৱন উৎসৱ-মাজে।

৪

অৰ্জুন আৰু চিত্ৰাঙ্গদা

চিত্ৰাঙ্গদা। কি চাইছা বীৰ।

অৰ্জুন। চাইছোঁ, পুষ্পবৃন্ত ধৰি,
কোমল আঙুলিবোৰে মালা গাঁথি থকা।
চাৰু নিপুণতা দুই ভনী মিলি
কৰিছে খেমালি এই গোটেই বেলা
চঞ্চল উল্লাসে, আঙুলিৰ আগে আগে।
দেখিছোঁ, ভাবিছোঁ তাকে।

চিত্ৰাঙ্গদা। কি ভাবিছা ?

অৰ্জুন। ভাবিছোঁ এনুৱা সুন্দৰ কৈ
কুমলীয়া সেই ৰঙা পৰশ বসন্ত
প্ৰবাসৰ দিনবোৰ গাঁথি গাঁথি প্ৰিয়ে মোৰ
ৰচিব এনুৱা মালা , অক্ষয় আনন্দ
সেই হাৰ শিৰে পিন্ধি
যাম ঘূৰি গৃহ অভিমুখে।

চিত্ৰাঙ্গদা। ঘৰ জানো আছে ই প্ৰেমৰ ?

অৰ্জুন। ঘৰ নাই ?

চিত্ৰাঙ্গদা। নাই।
নিবা ঘৰলৈ ! নকৰা ঘৰৰ কথা।
ঘৰ চিৰ বৰষৰ ; নিত্য যি তাকে মাথো
নিবা ঘৰলৈ। অৰণ্যৰ ফুলবোৰ
শুকাব যেতিয়া, ঘৰত ক'ত নো তাক দিবা দলিয়াই,
অনাদৰ পাষাণ ভূমিত ? তাতোকৈ
অৰণ্যৰ অন্তঃপুৰত নিতে নিতে য'ত
মৰিছে অঙ্কুৰ, সৰিছে পল্লৱৰাশি
শুকাইছে কেশৰ, খহিছে কুসুমদল

ক্ষণিক জীৱনদল ফুলিছে শুকাইছে
প্ৰতি পলে পলে, দিনান্তত খেল মোৰ
শেষ হলে জীৰ্ণ হ'ম তাতে
ফুলনিৰ শত শত সমাপ্ত সুখৰ স'তে।
কোনো খেদ নেথাকিব কাৰো মনতেই।

অৰ্জ্জুন। মাথো ইমানেই?

চিত্ৰাঙ্গদা। ইমানেই মাথো! বীৰবৰ, কিয় কৰা তাত দুখ।
আলস্যৰ দিনত ভাল লাগিছিলে যাক
আলস্যৰ দিনৰ মাজতে কৰি দিয়া শেষ তাক।
সুখক তাতকৈ বেছি এক দণ্ডকাল
যদি খোৱা ৰাখি, সুখ হৈ পৰে দুখ।
যি আছে তাকে লোৱা; যতপৰ থাকে
ততপৰ লোৱা। কামনাৰ প্ৰভাতত
বিচাৰিলা যি কণ, তৃপ্তিৰ সন্ধ্যাত
তাৰ বেছি নকৰিবা আশা।
দিন শেষ হ'ল।
পিন্ধা ভিভিত এই মালা। শ্ৰান্ত মোৰ দেহ
তোমাৰ বাহুলৈ বীৰ টানি লোৱা মোক
সন্ধি হওক অধৰৰ সুখ মিলনত
শেষ কৰি মিছা অসন্তোষ। আহা,
কৰো বন্দী আজি-বাহু বন্ধনেৰে-দুয়ো দুয়োকে।
প্ৰণয়ৰ সুধাময় চিৰ পৰাজয়ত।

অৰ্জ্জুন। সেয়া শুনা
প্ৰিয়তমে, বনান্তৰৰ দূৰ লোকালয়ত
আৰতিৰ শান্তি শঙ্খ হৈছে ধ্বনিত।

মদন আৰু বসন্ত

মদন। মই পঞ্চশৰ, সখা ; এডাল শৰত হাঁহি,
অশ্রু আনটোত, এশৰত আছে আশা,
ই শৰত ভয় ; এশৰত বিৰহ-মিলন—
আশা-ভয়-দুখ-সুখ এটি নিমিষতে।
বসন্ত। শ্রান্ত মই, ক্ষমা কৰা সখা। হে অনঙ্গ,
কৰা শেষ তোমাৰ সমৰ-ৰঙ্গ ; ৰাতিদিন
সচেতন হৈ বিছিম কিমান দিন
হুতাগ্নি তোমাৰ। মাজে মাজে
চকুত টোপনি আহে, খহিপৰে হাতৰ বিছনী
ভস্মত ম্লান হয় তপ্ত দীপ্তিৰাশি।
বিস্ময়ত সাৰ পায়, পুনৰ নতুন নিশ্বাসত
জাগ্রত কৰো তাৰ নব উজ্জ্বলতা।
ইবাৰ বিদায় দিয়া সখা।
মদন। জানো তুমি
অনন্ত অস্থিৰ, চিৰ শিশু। চিৰদিন
বন্ধন বিহিন হৈ দ্যুলোকে ভূলোকে
কৰিছা খেমালি। একান্ত যতনে যাক
গঢ়িছা সুন্দৰ কৰি বহুকাল ধৰি
নিমিষে ত্যজিছা তাক ধূলিত পেলাই,
নেচাই উভতি পুনু। যেছিদিন নাই আৰু ;
আনন্দ চঞ্চল দিনবোৰ তীব্ৰবেগে, উৰি যায়
তোমাৰ পাখিৰ-ৰতাহত সোঁ সোঁ শব্দে—
সৰিপৰা পল্লৱৰ দৰে।
হৰ্ষ অচেতন বৰ্ষ শেষ হৈ গ'ল।

অৰণ্যত অৰ্জ্জুন

অৰ্জ্জুন। পুৰাতে সাৰ পাই চৌপনিৰপৰা
পাইছোঁ মই যেন স্বপ্নলব্ধ অমূল্য ৰতন।
ঠাই নাই থবলৈ এই ধৰণীত ;
থাপন কৰিব পাৰোঁ, এনুৱা মুকুট নাই ক'তো
গাঁথি থওঁ তেনে সূতা নাই, দলিয়াই দিম,
নোহোঁ মই তেনে নৰাধম ; তেওঁকেই লৈ
চিৰ ৰাতি চিৰ দিন এই ক্ষত্ৰিয়ৰ বাহু
বদ্ধ হৈ পৰি আছে কৰ্ত্তব্যবিহীন।

চিত্ৰাঙ্গদাৰ প্ৰবেশ

চিত্ৰাঙ্গদা। কি ভাবিছা ?
অৰ্জ্জুন। ভাবিছোঁ মৃগয়াৰ কথা।
সৌৱা চোৱা বৰ্ষাঢল আহিছে বাগৰি
পৰ্ব্বতৰপৰা ; অৰণ্যত ঘন-ঘোৰ
ছাঁয়া, নিজৰা হৈছে দুৰ্দ্দান্ত,
কল-গৰ্ব্ব উপহাসে পাৰৰ তৰ্জ্জনে
কৰিছে যে অৱহেলা ; পৰিছে মনত
এনুৱা বৰ্ষাৰ দিনা পাঁচ ভাই মিলি
গৈছিলোঁ চিত্ৰকবনত মৃগয়াৰ বাবে।
উৎসাহত কটাইছিলোঁ সমগ্ৰ দিবস
ৰৌদ্ৰহীন স্নিগ্ধ অন্ধকাৰৰ মাজত ;
গুৰু গুৰু মেঘমন্দ্ৰে
নাচি উঠিছিল হিয়াখনি ;
ঝৰ ঝৰ বৰষুণ চৌপালবোৰত
মুখৰিত নিজৰাৰ কল-উল্লাসত
নুশুনিলে মৃগই সাৱধান পদ-শব্দ ;
বিচিত্ৰ বৰ্ণৰ বাঘে পঞ্চনখ চিহ্ন ৰেখা
ৰাখিছিল পথৰ পঙ্কত, গৈছিল যি

আপোন ঘৰৰ সন্ধান। ময়ূৰৰ নিনাদত
অৰণ্য ধ্বনিত। চিকাৰ সমাধা কৰি
পণ কৰি আমি পাঁচ সখী সাঁতুৰি হৈছিলো পাৰ
বৰ্ষাৰ সৌভাগ্য গৰ্ব্বে স্ফীত
তৰঙ্গী। সেইদৰে যাম মৃগয়ালৈ,
মনে মনে ভাবিছোঁ তাকেই।

চিত্ৰাঙ্গদা। হে চিকাৰী
যি মৃগয়া আৰম্ভ কৰিছা, কৰা শেষ
তাকে আসে। হৈছা কি নিশ্চিত
এই স্বৰ্ণ মায়ামৃগই দিছেহি তোমাক ধৰা?
ওঁহো, সিটো নহে। এই বন-হৰিণীয়ে
নোৱাৰে বান্ধিব ধৰি নিজকে নিজেই।
চক খায় লৰি যায় সপোনৰ দৰে
নেজানে কোনেও। ক্ষণিকৰ খেলা নহে
চিৰ দিবসৰ পাশ নোৱাৰে মেৰাব।
চোঁৱা সৌৱা বায়ু বৰষুণে
কৰিছে কি দৰে খেলা—শ্যাম বৰ্ষা হানি ধৰিছে
নিমিষে সহস্ৰ শৰ বায়ুৰ পিঠিত,
তথাপি সেই দুৰন্ত মৃগ ফুৰিছে লৰবি
অক্ষত অজেয়—তোমাৰে মোৰে নাথ,
সেইদৰে হৈছে খেমালি আজি বাৰিষা দিনত,
চঞ্চলাক কৰিবা চিকাৰ, প্ৰাণপণ
কৰি, যত শৰ, যত অস্ত্ৰ আছে তূণত তোমাৰ
একাগ্ৰ আগ্ৰহসতে কৰিবা বৰ্ষণ।
কেতিয়াবা অন্ধকাৰ কেতিয়াবা পোহৰ হঠাৎ
আকস্মিতে হাঁহিত মিহলি হয়,
কেতিয়াবা স্নিগ্ধ বৰ্ষা বৰিষণ, কেতিয়াবা দীপ্ত হয়
বজ্ৰ যাতনা। মায়া মৃগী ফুৰে লৰি
মেঘাচ্ছন্ন জগতত, বাধাহীন চিৰদিন।

৭

মদন আৰু চিত্ৰাঙ্গদা

চিত্ৰাঙ্গদা। হে মন্মথ, নেজানো কি দিছা ছটিয়াই
সৰ্ব্বাঙ্গত মোৰ। তীব্ৰ মদিৰাৰ দৰে
তেজৰ লগত মিলি, উন্মাদ কৰিছে মোক।
আপোনাৰ গতি গৰ্ব্বে মত্ত-মৃগী মই
লৰ দিছোঁ মুক্তকেশে, উচ্ছ্বসিত বেগে
পৃথিবী লঙ্ঘন কৰি। ধনুৰ্দ্ধৰ ঘনশ্যাম
ব্যাধক কৰিছোঁ মই পৰিশ্ৰান্ত,
আশাহতপ্ৰায়, ঘুৰাইছো পথে পথে
বনে বনে তাক। দয়াহীন বিজয় সুখত
হাঁহিছোঁ কৌতুক হাঁহি। এই খেয়ালি
ভয় হয় শেষ কৰিবলৈ; একদণ্ড
স্থিৰ হলে জানো কান্দোনত হৃদি মোৰ
ভাগি ছিগি যায়।

মদন। ৰবা। শেষ নকৰিবা খেলা,
এই খেলা মোৰ। এৰি দিয়া মেলি দিয়া বাণ
ভাঙক হৃদয়। কৰিছোঁ মৃগয়া আজি
অৰণ্য মাজত এই নবীন বৰ্ষাত।
দিয়া দিয়া শ্ৰান্ত কৰি দিয়া, কৰা তাক
পদানত, বান্ধা তাক দৃঢ় পাশে;
নকৰিবা দয়া, কৰি দিয়া হাঁহিৰে জৰ্জ্জৰ,
হানা বুকুত সুধা-বিষ মিশ্ৰিত তীক্ষ্ণ বাক্যবাণ।
চিকাৰত দয়া ধৰ্ম্ম নাই।

৮

অৰ্জুন আৰু চিত্ৰাঙ্গদা

অৰ্জুন। কোনো ঘৰ নাই তৱ প্ৰিয়ে, যি ঘৰত
বিৰহত কান্দে প্ৰিয়জন?
নিত্য স্নেহ সেৱাসত্তে যি আনন্দ-পুৰী
থৈছিলা সুধাময় কৰি, যি ঠাইৰ
প্ৰদীপ নুমাই থৈ আহিছা আঁতৰি
অৰণ্য মাজত? আপোন শৈশৱ স্মৃতিয়ে
বিচাৰে যি ঠাই কান্দোনৰ, নাই তেনে স্থান?

চিত্ৰাঙ্গদা। প্ৰশ্ন কিয়? আনন্দ কি পূৰ্ণ হৈছে তেন্তে?
যি দেখিছা সেয়ে মই, তাৰ বেছি
নাই পৰিচয়। কিংশুকৰ কোনো এক পল্লৱ প্ৰান্তত
সৌ যে নাচিছে পুৱাই নিয়ৰ টোপাল,
আছে তাৰ কিবা নাম গোত্ৰ?
কোনোবাই তাৰ জানো লয় পৰিচয়?
তুমি যাক পাইছা ভাল তেৱোঁ এনে
নিয়ৰৰ কণা, নাম-ধাম হীন।

অৰ্জুন। বন্ধন কোনো তাৰ
নাই নেকি এই পৃথিবীত? এক
বিন্দু স্বৰ্গ মাথো ধৰাত পাহৰি
পৰি ৰ'ল।

চিত্ৰাঙ্গদা। সেয়ে সঁচা। নিমিষৰ হেতু মাথোঁ
দিছে ৰাখী নিজৰ উজ্জ্বলতা অৰণ্যৰ
কুসুমত।

অৰ্জুন। সেয়ে সদা হেৰায় হেৰায়
কৰে প্ৰাণ, তৃপ্তি নাই, শান্তি নাই।

সুচন্দ্ৰ ভে, যাঁহা আক কাষ চাপি যাঁহা।
নাম ধাম গোত্ৰ-গৃহ—বাক্য দেহ-মনে
সহস্ৰ বান্ধোন পাশে ধৰা দিয়া প্ৰিয়ে
চাৰিদিশ ঘেৰি কৰোঁ পৰশ তোমাক,
নিৰ্ভয় নিৰ্ভৰে কৰো একেলগে বাস।
নাম নাই ? তেন্তে কোন প্ৰেম মন্ত্ৰে
জপিম তোমাক হৃদি-মন্দিৰত মোৰ ?
গোত্ৰ নাই ? তেন্তে কোন মৃণালত
পাৰিম বান্ধিব গাঁথি
এই শতদল।

চিত্ৰাঙ্গদা। নাই, নাই, নাই,। বান্ধিব খুজিছা যাক
নেজানে বান্ধোন তেওঁ। তেওঁ মাথো
মেঘৰ স্বৰ্ণছটা, গন্ধ কুসুমৰ,
তৰঙ্গৰ গতি।

অৰ্জুন। ভাল পায় তেওঁক যি
অভাগা নিশ্চয় সি। নিদিবা হে প্ৰিয়ে,
প্ৰেমৰ হাতত তুমি আকাশ কুসুম।
দিয়া তাক হৃদয়ৰ ধন, যি ধন ৰাখিব সি
সুখে-দুখে সুদিনে-দুৰ্দিনে।

চিত্ৰাঙ্গদা। এতিয়াও হোৱা নাই শেষ বছৰৰ,
ক্লান্ত তুমি হ'লা এতিয়াই ? হাঁয় হাঁয়,
এতিয়া বুজিলো অল্প পৰমায়ু পুষ্প
দেৱতাৰ আশীৰ্ব্বাদে। গত বসন্তৰ
যত মৃত পুষ্পসতে পৰিলহেঁতেন যদি
মোহনীয় তনু, আনন্দেৰে মৰিলোহেঁতেন।
বেছি দিন নাই পাৰ্থ। যি কেইদিন আছে,
আশা শেষ কৰা কৌতূহলে,
আনন্দৰ মধুকণা কৰা তুমি নিঃশেষে পান।
তাৰ পাছে বাৰে বাৰে নাহিবা উভটি

স্মৃতিৰ কুহকলৈ—শেষ হোৱা মল্লিকাৰ চ্যুতবৃন্ত
মাধৱীৰ হেঁপাহত তৃষিত হৃদয় দৰে।

৯

বনচৰসকল আৰু অৰ্জ্জুন

বনচৰ। হাঁয় হাঁয়, কোনে ৰক্ষা কৰিব এতিয়া ?

অৰ্জ্জুন। কি হৈছে ?

বনচৰ। উত্তৰ-পৰ্ব্বতৰপৰা আহিছে লবৰি
দস্যুদল, বাৰিষাৰ পৰ্ব্বতীয়া বন্যাৰ
দৰে কোবাল বেগত
কৰিবলৈ ধ্বংশ লোকালয়।

অৰ্জ্জুন। ৰাজ্যৰ ৰক্ষক নাই ?

বনচৰ। ৰাজকন্যা
চিত্ৰাঙ্গদা আছিল ইয়াত। দুষ্টৰ দমন হেতু;
তেওঁৰ ভয়ত নাছিল ৰাজ্যত কোনো ভয়,
যমভয় বাদে। শুনিছোঁ, গৈছে তেওঁ
তীৰ্থ ভ্ৰমণত, অজ্ঞাত ভ্ৰমণ ব্ৰত লৈ।

অৰ্জ্জুন। ৰাজ্যৰ ৰক্ষক ৰমণী ?

বনচৰ। এক দেহে
তেওঁ পিতা মাতা অনুৰক্ত প্ৰজাসমূহৰ।
স্নেহে তেওঁ ৰাজমাতা, বীৰ্য্যে যুৱৰাজ।

[প্ৰস্থান]

[চিত্ৰাঙ্গদাৰ প্ৰৱেশ]

চিত্ৰাঙ্গদা। কি ভাবিছা নাথ ?

অৰ্জ্জুন। ৰাজকন্যা চিত্ৰাঙ্গদা
নেজানো কেনুৱা, ভাবিছোঁ তাকেই।
প্ৰতিদিন শুনি আছোঁ শতমুখে মই
তেওঁৰেই কথা, নৱ নৱ অপূৰ্ব্ব কাহিনী।

চিত্ৰাঙ্গদা। কুৎসিত, কুৰূপ। এনুৱা বঙ্কিম ভুৰু
নাই তেওঁৰ, এনুৱা নিবিড় কৃষ্ণ তৰা,
কঠিন সবল বাহু শিকিছে বিন্ধিব
লক্ষ্য, নোৱাৰে বান্ধিব বীৰ তনু
ই হেন কোমল নাগপাশে।

অৰ্জ্জুন। কিন্তু শুনিছোঁ
চেনেহত নাৰী তেওঁ, বীৰ্য্যত পুৰুষ।

চিত্ৰাঙ্গদা। ছিঃ ছিঃ সেয়ে
তেওঁৰ মন্দভাগ্য। নাৰী যদি নাৰী হয়
মাথো, মাথো ধৰণীৰ শোভা, মাথো দীপ্তি,
মাথো ভালপোৱা, মাথো সুমধুৰ ছলে
শতৰূপ ভঙ্গিমাত পলকে পলকে
বাগৰি সাৱটী ধৰি হাঁহি কান্দি যাচে,
সেৱা আৰু চেনেহৰে নিবিষে সদায়
তাতে তেওঁৰ সাৰ্থক জনম। কি হব
কৰ্ম্ম কীৰ্ত্তি বীৰ্য্যবল্ শিক্ষা দীক্ষা তেওঁৰ।
হে পৌৰৱ, কালি যদি দেখিলাহেঁতেন
এই বনপথ পাশে এই পূৰ্ণা পাৰত
সৌ দেৱালয়লৈ হাঁহি যোৱা তেওঁক।
হায় হায় আজি হৈছে ইমান অকটি
নাৰীৰ ৰূপত, নাৰীও বিচৰা
আজি পৌৰুষৰ বাহ।
আহা নাথ, সৌৱা চোৱা।
বন ছায়া শৈল গুহা সমুখত,
কুমলীয়া পীতশ্যাম কিশলয় তুলি

সিক্ত করি নির্ঝরের জলবিন্দু স'তে
সজাই রাখিছোঁ আমার মধ্যাহ্নর শয্যা।
নিবিড় পাতর ছাত রহি, ক্লান্ত কণ্ঠে
কান্দিছে কপোতেরে, 'বেলি মার যায় বুলি।'
ছায়া ঘন বননির মাজে
কুলু কুলু স্বর ধরি বৈ যায় নদী।
উপল খণ্ডর তরে তরে থাকি
সুকোমল স্নিগ্ধসিক্ত শ্যামল শৈবালে
নয়ন চুম্বন করে কোমল ওঁঠেরে।
আহা নাথ লও আমি বিরল বিশ্রাম।

অর্জুন। আজি নোহে প্রিয়ে।

চিত্রাঙ্গদা। কিয় নাথ?

অর্জুন। শুনিছোঁ দস্যুর দল
আহিছে নাশির জনপদ
সন্ত্রস্তক করিম রক্ষণ।

চিত্রাঙ্গদা। কোনো ভয় নাই প্রভু।
তীর্থযাত্রা সময়ত রাজকন্যা চিত্রাঙ্গদাই
স্থাপন করি গৈছে সতর্ক প্রহরী
দিশে দিশে; বিপদর যতমান পথ
বন্ধ করি গৈছে বহু তর্ক করি।

অর্জুন। তথাপিও দিয়া আজ্ঞা প্রিয়ে,
ক্ষত্রেকতে করি আছোঁ কর্তব্য সন্ধান।
অলসত পরি আছে বহুদিন ক্ষত্রিয়র বাহু
সুমধ্যয়ে, ক্ষীণ কীর্তি এই ভুজদ্বয়
পুনর ঘুরাই আনি নবীন গৌরবে
থয় সযতনে তব শিরর তলত,
হব তোমার যোগ্য উপাধান।

চিত্রাঙ্গদা। যদি নই
নিদিও যাবলৈ? যদি রাখি থও?

ছিঙি যাবা যাক ? যোবা তেন্তে। কিন্ত
বাখিবা মনত ছিঙা লতা জোবা আক
নালাগে কদাপি। যদি তৃপ্তি হ'ল
যোবা তেনে, নিদিও অকণো বাধা,
যদি তৃপ্তি হোবা নাই, তেনেহলে বাখিবা মনত,
চঞ্চল সুখৰ লক্ষ্মী নাথাকে যে
কাবো বাবে বৈ ; নোহে তেওঁ কাবো
সেবাদাসী, নৰ-নাৰী কৰে তেওঁৰ সেবা
অতি ভয়ে ভয়ে, যতদিন সুপ্ৰসন্ন থাকে
ততদিন বাতি দিন চকুৰে চকুৰে ৰাখে।
সুখৰ যি ফুলকলিটিক যাবা এৰি থৈ,
কৰ্মত্ৰেবপৰা সন্ধিয়া উভতি দেখিবাহি
পাহি তাৰ ফুলি জৰি পৰিছে মাটীত ;
সৰ্ব্ব কৰ্ম্ম ব্যৰ্থ যেন লাগিব মনত। চিৰদিন
জীবনত বৈ যাব জীৱন্ত অতৃপ্তি ক্ষুধা তৃষ্ণা।
আহা নাথ, আহা ৰহা, কিয় আজি
হৈছা অন্যমনা। ভাবিছানো কাৰ কথা ?
চিত্ৰাঙ্গদাৰ ? ইমান সৌভাগ্য তেওঁৰ হ'ল কিয় আজি ?

অৰ্জ্জুন। ভাবিছোঁ কিহৰ বাবে বীৰ অঙ্গনাই
ধৰিছে দুৰূহ ব্ৰত ? কি অভাৱ তেওঁৰ ?

চিত্ৰাঙ্গদা। কি অভাৱ তেওঁৰ ? কি আছিল সেই অভাগীৰ ?
বীৰ্য্য তেওঁৰ অভ্ৰভেদী দুৰ্গ সুদুৰ্গম
ৰাখিছিল চতুৰ্দ্দিশে অৱৰুদ্ধ কৰি
কম্পমান ৰমনী হৃদয়। ৰমনী যে
সহজেই অন্তৰ বাসিনী ; গোপনে
অকলে থাকে ; কোনে তেওঁক দেখা পাব ?
নেপায় প্ৰকাশ যদি—হৃদয়ৰ প্ৰতিবিম্ব
দেহৰ শোভাত।
কি অভাৱ তেওঁৰ !

অৰুণ লাৱণ্য ৰেখা চিৰ নিৰ্ব্বাপিত
উষাৰ সদৃশ, যি ৰমণী থাকে নিতে
শত স্তৰ নিজ ঘন অন্ধকাৰ
বীৰ্য্য শৈল শিখৰত, কি অভাৱ তেওঁৰ ?
থোৱা থোৱা তেওঁৰ কথা ;
ইতিহাস তেওঁৰ
পুৰুষৰ শুনি সুখ নালাগে কদাপি।

অৰ্জ্জুন। কোৱা, কোৱা, অনুক্ৰমে শ্ৰৱণ লালসা
মোৰ বাঢ়িব লাগিছে। তেওঁৰে হৃদয়
হৈছে অনুভূত মোৰ হৃদয় মাজত,
যেন পান্থ মই, কৰিছোঁ প্ৰৱেশ কোনো
অপৰূপ দেশৰ মাজত মাজ-নিশা।
নদী গিৰি বনভূমি নিদ্ৰাত মগন,
শুভ্ৰসৌধ কিৰিটীনী উদাৰ নগৰী
ছাঁয়াসম অৰ্দ্ধস্ফুট
শুনি সাগৰ গৰ্জ্জন ; প্ৰভাতৰ পোহৰত
বিচিত্ৰ বিস্ময়ত যেন প্ৰকাশিব চতুৰ্দ্দিশ ;
কৰিছোঁ প্ৰতীক্ষা আজি উৎসুক হৃদয়ে
তাৰেই নিমিত্তে। কোৱা কোৱা,
শুনো তেওঁৰ কথা।

চিত্ৰাঙ্গদা। কি আৰু শুনিবা ?

অৰ্জ্জুন। দেখিছোঁ যে তেওঁক—
বাওঁহাতে অৱলীলাক্ৰমে ধৰি অশ্বৰশ্মি
সোঁহাতে সেই ধনুশৰ, প্ৰফুল্লিত নগৰৰ
বিজয় লক্ষ্মীৰ দৰে, ভয়াতুৰ প্ৰজাসকলক
কৰিছে অভয়দান। দৰিদ্ৰৰ সংকীৰ্ণ
দুৱাৰত, ৰজাৰ মহিমা যত হৈ যায় নত
প্ৰৱেশিব ধৰি মাতৃৰূপ
কৰিব যে দয়া বিতৰণ।

সিংহিনীৰ দৰে আপোনাৰ পুত্ৰসকলক
চাৰিদিশে বাধিছে আবৰি,
ভয়তেই কোনো শত্ৰু নেচাপে ওচৰ।
লাজমুক্ত ভয়হীন প্ৰসন্ন হাঁহিৰে
বীৰ্য্য সিংহ পৃষ্ঠে উঠি জগদ্ধাত্ৰী আহিছে উভতি।
ৰমণীৰ কমনীয় বাহুৰ মাজত
ধৰিছে স্বাধীন বল সংকোচ বিহীন;
ধিক্ তাৰ ওচৰত ৰুণুজুনু কঙ্কণ কিঙ্কিণী।
হে ৰৰাৰোহে, বহুদিন কৰ্মহীন
এই প্ৰাণ মোৰ, উঠিছে অশান্ত হৈ
দীৰ্ঘ শীত টোপনিৰপৰা সাৰপোৱা
ভুজঙ্গৰ দৰে। আহা আহা দুয়ো
দুই মত্ত অশ্ব লৈ লগে লগে আগ বাঢ়ি যাওঁ,
মহাবেগে দুই দীপ্ত জ্যোতিষ্ক সদৃশ।
বাহিৰ ওলাও বলা, এই ৰুদ্ধ সমীৰণ,
এই তিক্ত পুষ্পগন্ধ মদিৰাৰ নিদ্ৰা ঘনঘোৰ
অৰণ্যৰ এন্ধাৰ গৰ্ভৰপৰা।

চিত্ৰাঙ্গদা হে কৌন্তেয়,
যদি ই লালিত্য, এই কোমল ভীৰুতা
পৰশ কোমল আৰ্ত্ত শিৰীষ কোমল
এই ৰূপ যদি ছিঙি-ভাঙি মৃণাল
পেলোৱা পদতলে পৰৰ বস্ত্ৰৰ দৰে,
সেই ক্ষতি পাৰিবা সহিব জানো?
ছলাকলা মায়া মন্ত্ৰ আঁতৰাই থৈ
উঠো যদি থিয় দি সবল উন্নত
বীৰ্য্যময় অন্তৰ-বলত, পৰ্ব্বতৰ
তেজস্বী তৰুণ তৰুসম, বায়ুৰ ভৰত
আনম্ৰ সুন্দৰ, কিন্তু লতিকাৰ দৰে
নোহে নিত্য কুণ্ঠিত লুণ্ঠিত—সি

আনো লাগিব ভাল পুৰুষ-চকুত। থাওঁক, থাওঁক,
তাতোকৈ এয়ে ভাল। আপোন যৌবন
দুদিনৰ বহুমূল্য ধন, সজাই যতনে,
বাট চাই অপেক্ষা কৰিম ;
অৱসৰ মতে আহিবা যেতিয়া, আপোনাৰ
সুধাখিনি আকৰ্ণ পূৰাই স্নেহ-পাত্ৰত
কৰোৱাম পান ; সুখৰ স্বাদত শ্ৰান্তি হলে
যাবা গুচি কৰ্ম্ম-সন্ধানত, পুৰণি যেতিয়া হয়
যতে দিবা ঠাই, ত'তে পৰি ৰ'ম।
যামিনীৰ নৰ্ম সহচৰী যদি হয়
দিবসৰ কৰ্ম্ম সহচৰী, সদায় প্ৰস্তুত
থাকে বাওঁ-কৰ-সম, দক্ষিণ কৰৰ অনুচৰ ;
সিকি ভাল লাগিব বীৰৰ প্ৰাণত ?

অৰ্জ্জুন। নোৱাৰো বুজিব মই
ৰহস্য তোমাৰ! আছো অতদিন
তথাপিও যেন নেপাওঁ সন্ধান। তুমি যেন
বঞ্চিত কৰিছা মোক গুপুত ধনৰপৰা।
তুমি যেন দেৱীৰ নিচিনা, প্ৰতিমাৰ
আঁৰৰপৰা কৰি আছা মোক দান
অমূল্য চুম্বন ৰত্ন, সুধা আলিঙ্গন,
নিবিচৰা নিজে একো, নোলোৱা একোকে।
অঙ্গহীন ছন্দহীন প্ৰেম, প্ৰতিক্ষণে পৰিতাপ
জগায় মনত। তেজস্বিনী, পৰিচয়
পাওঁ তোমাৰ মাজে মাজে কথায় কথায়।
তাৰ কাষত এই সৌন্দৰ্য্যৰাশি
মৃত্তিকাৰ মূৰ্ত্তি যেন হয় প্ৰতিভাত,
নিপুণ চিত্ৰিত শিল্প যৱনিকা, মাজে মাজে
লাগে যেন নিজেই নিজৰ ৰূপ
নোৱাৰে যে কৰিব ধাৰণ ; কঁপি আছে থৰ থৰ কৈ।

নিত্য দীপ্ত হাহিব মাজত, পূর্ণ অশ্রু
আছে যে লুকায় ; মাজে মাজে
চলচল কৰি উঠে, মুহূৰ্ত্তে যেন
পৰিব বাগৰি সৰ্ব্ব আৱৰণ কাঢ়ি।
সাধকৰ ওচৰত মনোহৰ মায়া-কায়া ধৰি
প্ৰথমেই দেখা দিয়ে ভ্ৰান্তি ; তাৰ পিছে
ভূষণ বিহীন ৰূপে উজ্জলিত কৰি
অন্তৰ বাহিৰ সত্যই দিয়েহি দেখা।
ক'ত আছে সেই সত্য তোমাৰ মাজত
দিয়া তাক। মোৰ যি সত্য আছে লোৱা তুমি তাক।
শ্ৰান্তিহীন সি মিলন থাউক্তি যুগৰ
—অশ্ৰু কিয় প্ৰিয়ে ? বাহুত লুকাই মুখ
কিয় এই ব্যাকুলতা ? ব্যথা দিছোঁ প্ৰিয়তমে ?
তেন্তে থক, থক তেন্তে। এই মনোহৰ ৰূপ
পুণ্যফল মোৰ। এই যে সংগীত শুনো
মাজে মাজে বসন্ত বায়ুত
এই যৌৱন যমুনাৰ সিপাৰৰপৰা
—এয়ে মোৰ বহু ভাগ্য। এই দুঃখ মোৰ
সুখৰ অধিক সুখ, আশাৰ অধিক
আশা, হৃদয়তকৈও বৰ, সেয়ে তাক
হৃদয়ৰ ব্যথা বুলি মনে ধৰে প্ৰিয়ে।

[মদন, বসন্ত আৰু চিত্ৰাঙ্গদা]

মদন। শেষ ৰাতি আজি।
বসন্ত। আজি নিশা অৱসানে
তৱ অঙ্গ শোভা ঘূৰি যাব বসন্তৰ
অক্ষয় ভাণ্ডাৰে। বিম্বৰি পাৰ্থৰ চুম্বন স্মৃতি
তৱ ওষ্ঠৰাগ দুটি নৱ কিশলয় ৰূপে
মঞ্জৰি উঠিব লতিকাত। অঙ্গৰ বৰণে

ধৰি নৱ তনু শত শ্বেত ফুল ৰূপ,'
ত্যাজিব স্বপ্নৰ দৰে গত জন্ম কথা
নৱ জাগৰণে।

চিত্ৰাঙ্গদা। হে অনঙ্গ, হে বসন্ত, আজি ৰাতি তেনে
এই মুমূৰ্ষ ৰূপ মোৰ, শেষ ৰজনীৰ
শ্ৰান্ত প্ৰদীপৰ অন্তিম শিখাৰ দৰে
আচম্বিতে উঠক উজলি
হৈ উজ্জ্বলতম।

মদন। তেন্তে সেয়ে হ'ক। সখা, দক্ষিণ পৱন
দিয়া তেন্তে শেষ কৰি প্ৰাণপূৰ্ণ বেগে।
অঙ্গে অঙ্গে উঠক উথলি পুনুৰবাৰ
নৱ উল্লাসেৰে যৌৱনৰ ক্লান্ত মন্দ সোঁত
মই মোৰ পঞ্চ পুষ্পশৰে, ৰজনীৰ
নিদ্ৰাভেদ কৰি, ভোগৱতী তটিনীৰ
তৰঙ্গউচ্ছ্বাসত প্লাবিত কৰি তোলো
বাহু-পাশ-বদ্ধ দুই প্ৰেমিকৰ দেহ।

শেষ ৰাতি

[অৰ্জুন আৰু চিত্ৰাঙ্গদা]

চিত্ৰাঙ্গদা। প্ৰভু, পূৰ্ণ হ'ল ইচ্ছা? এই সুললিত
সুগঠিত নৱনী কোমল সৌন্দৰ্য্যৰ
যত গন্ধ যত মউ আছে, সকলোকে
কৰিলানে পান? বাকী আছে কিবা আৰু?
আৰু কিবা লাগে? যি আছিল মোৰ
সকলো কি শেষ হৈ গ'ল? নাই হোৱা প্ৰভু।

ভাল হ'ক বেয়া হ'ক আৰু কিছু বাকী আছে,
দিম তাকে আজি।

প্ৰিয়তম, ভাল
লাগিছিল বুলি কৰিছিলো নিবেদন
এই সৌন্দৰ্য্যৰ ফুলৰাশি চৰণকমলে—
নন্দন কাননৰপৰা আনিছিলো তুলি
বহু সাধনাৰে। শেষ যদি হল পূজা
আজ্ঞা কৰা তেন্তে প্ৰভু, নিৰ্মালি-শৰাই
দিওঁ দলিয়াই মন্দিৰৰ প্ৰাঙ্গনত। এইবাৰ
প্ৰসন্ন নয়নে চোৱা সেবিকাৰ প্ৰতি।
যি ফুলেৰে কৰিছো পূজা, নোহো মই কদাপিও
সি ফুল সদৃশ, প্ৰভু ইমান মধুৰ, ইমান কোমল,
ইমান যে সম্পূৰ্ণ সুন্দৰ। দোষ আছে,
গুণ আছে, পাপ আছে, পুণ্য আছে
কত দৈন্য আছে, আছে আজন্মৰ
কত অতৃপ্ত পিপাসা। সংসাৰ পথৰ পাম
ধূলি লিপ্ত বাস বিক্ষত চৰণ;
ক'ত পাম কুসুম-লাবণ্য হৃদগুৰ
জীৱনৰ অকলঙ্ক শোভা। কিন্তু আছে
অক্ষয়-অমৰ এক' ৰমণী হৃদয়।
সুখ দুঃখ আশা ভয় লাজ দুৰ্ব্বলতা—
ধূলিময় ধৰণীৰ কোলাৰ সন্তান,
কত ভ্ৰান্তি কত ব্যথা তেওঁৰ,
কত ভাল পোৱা মিহলি বিয়পি হৈ
আছে একেলগে। আছে এক সীমাহীন
অপূৰ্ণতা, অনন্ত মহৎ।
কুসুম-সৌৰভ যদি শেষ হ'ল, চোৱা
এইবাৰ জন্ম-জন্মান্তৰৰ সেবিকাৰ প্ৰতি।

সূৰ্যোদয়

[ওৰণি গুচায়]

মই চিত্ৰাঙ্গদা, ৰাজেন্দ্ৰ-নন্দিনী।
হয়তো পৰিব মনত, সেই যে এদিন
সেই সৰোবৰ তীৰত শিৱালয়ত
দেখা দিছিলেহি এজনী নাৰীয়ে, বহু আভৰণে
ভাৰাক্ৰান্ত কৰি তেওঁৰ ৰূপহীন তনু।
কি জানো কি কৈছিল নিৰ্লজ্জ মুখৰাই,
পুৰুষক কৰিছিল পুৰুষ প্ৰথাত
আৰাধনা; প্ৰত্যাখ্যান কৰিছিলা তেওঁক।
ভালেই কৰিলা। সামান্য নাৰীৰূপে
গ্ৰহণ কৰিলাহেঁতেন যদি, বিন্ধিলেহেঁতেন
অনুতাপে তেওঁক আমৰণ কাল।
প্ৰভু, ময়ে সেই নাৰী, তথাপি
নহও সেই নাৰী; সি যে মোৰ
হীন ছদ্মবেশ। তাৰ পিছত
বসন্তৰ বৰ প্ৰসাদত পাইছিলো এবছৰ
অপৰূপ ৰূপ। দিছিলো শ্ৰান্ত কৰি
বীৰৰ হৃদয়, ছলনাৰ কৌশলত।
সিও নোহো মই।
মই চিত্ৰাঙ্গদা।
দেৱী নোহো, নোহো মই সামান্য ৰমণী।
পূজা কৰি ৰাখিবা শিৰত, সিও মই
নোহো, অৱহেলা কৰি ৰাখিবা ঘৰত,
সিও নোহো মই। ৰাখা যদি কাষৰত
সংকট পথত, দুৰূহ চিন্তাৰ যদি
ভাগ দিয়া মোক, অনুমতি দিয়া যদি

হবলে সহায় তব কঠিন ব্রতব,
সুখে দুখে কৰা যদি মোক সহচৰী
তেতিয়াহে পাবা তুমি মোৰ পৰিচয়।
গৰ্ভত ধৰিছোঁ মই যি সন্তান তব
পুত্ৰ যদি হয়, আশৈশৱ বীৰ শিক্ষা দি
দ্বিতীয় অৰ্জ্জুন কৰি পঠিয়াম যেবে
এদিন পিতৃৰ কাষলৈ,
বুজিবা তেতিয়া মোক, প্ৰিয়তমে।
আজি
মাথো নিবেদিছো চৰণত
মই চিত্ৰাঙ্গদা, মই ৰাজেন্দ্ৰনন্দিনী।

অৰ্জ্জুন। প্ৰিয়ে, ধন্য আজি মই।

চিৰকুমাৰ সভা

নাটকৰ পাত্ৰপাত্ৰীসকল

চন্দ্ৰমাধৱবাবু—কলিকতাৰ কোনো এটা কলেজৰ অধ্যাপক।
চিৰকুমাৰ সভাৰ সভাপতি।

শ্ৰীশ, বিপিন, পূৰ্ণ—চিৰকুমাৰ সভাৰ সভ্যসকল।

অক্ষয়কুমাৰ—জগত্তাৰিণীৰ বৰ জোৱায়েক।

ৰসিকদাদা—জগত্তাৰিণীৰ দূৰ সম্পৰ্কীয় খুড়াক।

বনমালী—ঘটক।

গুৰুদাস—ওস্তাদ।

দাৰুকেশ্বৰ, মৃত্যুঞ্জয়—দুজন কুলীন যুৱক।

জগত্তাৰিণী—বিধৱা হিন্দু মহিলা।

পুৰবালা—জগত্তাৰিণীৰ বৰ জীয়েক, অক্ষয়কুমাৰৰ স্ত্ৰী।

শৈলবালা—জগত্তাৰিণীৰ বিধৱা কন্যা।

নৃপবালা, নীৰবালা—জগত্তাৰিণীৰ অবিবাহিতা জীয়েক দুজনী

নিৰ্মলা—চন্দ্ৰমাধৱবাবুৰ অবিবাহিতা ভাগিনীয়েক।

প্ৰথম অঙ্ক

প্ৰথম দৃশ্য

অক্ষয়ৰ বৈঠকখানা

[অক্ষয় আৰু পুৰবালা]

পুৰবালা। তোমাৰ নিজৰ ভনীয়েৰ হোৱাহেতেন কি মনে মনে বহি থাকিলহেতেন, অতদিনে এজনী এজনীৰ কাৰণে তিনি চাৰিটাকৈ পাত্ৰ বিচাৰি আনিলাহেতেন। সিহত মোৰ ভনী নহয়, সেইদেখি—

অক্ষয়। মানৱ চৰিত্ৰৰ একোৱেই তোমাৰ ওচৰত গোপনীয় নাই। নিজৰ ভনী আৰু স্ত্ৰীৰ ভনীৰ মাজত যে কিমান প্ৰভেদ, সেইটো এই অলপ বয়সতে বুজি পাইছা। পিচে বুজিছা, শহুৰৰ কোনো এজনী ছোৱালীকে অন্যৰ হাতত সমৰ্পণ কৰিবৰ মন নেযায়। স্বীকাৰ কৰিছো যে এই বিষয়ত মোৰ উদাৰতাৰ অভাৱ আছে।

পুৰবালা। চোৱা, তোমাৰ লগত মোৰ এটা বন্দবস্ত কৰিব লগা হল—

অক্ষয়। বিয়াৰ দিনাইতো মন্ত্ৰ পঢ়ি এটা চিৰস্থায়ী বন্দবস্ত কৰা হৈ গল, আকৌ এটা—

পুৰবালা। এইটো সিমান ভয়ানক নহয়, এইটো হয়তো সিমান অসহ্যও নহব পাৰে।

অক্ষয়। তেনে, মুকলিকৈ কোৱা সখী—

[গান]

ললনা, নেজানো কি ভাবিছা মনত,
খুলি কোৱা মোক।
চলচলীয়া চকুত তোমাৰ
কিনো কথা ভাহি যায়।

পুৰবালা। ওস্তাদজী, ক্ষান্ত হোৱা, মোৰ প্ৰস্তাৱ এই যে দিনটোৰ ভিতৰত এনে এটা সময় ঠিক কৰা, যেতিয়া তোমাৰ ঠাট্টা বন্ধ থাকিব, যেতিয়া তোমাৰ লগত দু'বাৰ এবাৰ দৰকাৰী কথা পাতিব পৰা যাব।

অক্ষয়। দুখীয়াৰ লৰা, গৃহিনীক কথা কবলৈ দিবলৈ ভৰসা নহয়, কিজানি খপ কৰে বাজুবন্দ লাগে বুলি কৈ বহা।

[গান]

কি জানিবা মোৰ মনটি লাগে বোলা,
সেই ভয়তে থাকো মনে মনে,
কি জানিবা চকুত চকু পৰে,
সেই ভয়তে নেচাও চকু তুলি।

পুৰবালা। যোৱা তেনেহলে—

অক্ষয়। নহয়, নহয়, খং নকৰিবা, বাৰু যি কোৱা তাকে শুনিম। বহীত নাম লেখাই তোমাৰ ঠাট্টানিবাৰিনী সভাৰ সভ্য হম। তোমাৰ আগত কোনো ৰকম বেআদবি নকৰো। অ' কি কৈছিলা? খুলশালীহতৰ বিয়া। উত্তম প্ৰস্তাব!

পুৰবালা। চোৱা, দেউতা এতিয়া নাই, মাই তোমাৰ মুখলৈকে চাই আশা কৰি আছে। তোমাৰ কথামতেই তেওঁ ছোৱালী কেজনীক বেচি বয়সলৈকে পঢ়াইছে। এতিয়া যদি ভাল পাত্ৰ জোগাড় কৰি দিব নোৱাৰা, তেতিয়া হলে কি অন্যায় হ'ব ভাবি চোৱাচোন।

অক্ষয়। মইতো তোমাক কৈছোৱেই তোমালোকে কোনো চিন্তা নকৰিবা। মোৰ শালপতিহত গকুলত বাঢ়িব লাগিছে।

পুৰবালা। এই গকুল আকৌ ক'ত?

অক্ষয়। য'ৰপৰা এই হতভাগ্যক তোমাৰ গোষ্ঠীত ভৰ্ত্তি কৰিলা, আমাৰ সেই চিৰকুমাৰ সভা।

পুৰবালা। তেওঁলোকৰ যে প্ৰজাপতিৰ লগত ৰণ।

অক্ষয়। দেৱতাৰ লগত ৰণ দি কেনেকৈ জিকিব? তেওঁক কেৱল অলপ জোকাই লোৱা হয়। সেই দেখি ভগবান প্ৰজাপতিৰ সেই সভাখনৰ

ওপৰতেই চকু বেচি। ঢাকনিমৰা পাত্ৰৰ ভিতৰত বিদৰে মাংস মনে মনে সিজি থাকে, প্ৰতিজ্ঞাৰ মাজত চেপা খাই, সভ্যসকলো একেবেলিয়ে হাডৰ ওচৰলৈকে কোমল হৈ গৈছে। সুন্দৰ বিবাহ-যোগ্য হৈ পৰিছে, এতিয়া পাতত দিলেই হয়। মযোতো এসময়ত সেই সভাৰ সভাপতি আছিলো।

পুৰবালা। তোমাৰ যে কেনে দশা হৈছিল !

অক্ষয়। সেই কথা আৰু কি কম! প্ৰতিজ্ঞা কৰিছিলো, স্ত্ৰী শব্দটি পৰ্য্যন্ত মুখেৰে উচ্চাৰণ নকৰো, কিন্তু আজিকালি শ্ৰীকৃষ্ণৰ যোলশ গোপিনী দুষ্প্ৰাপ্য, অন্ততঃ মহাকালীৰ চৌষষ্ঠী হাজাৰ যোগিনীৰ সন্ধান পালেও এবাৰ যেন পেট ভৰাই প্ৰেমালাপ কৰি লম। ঠিক সেই সময়তেই তোমাক দেখা পাই গলো আৰু!

পুৰবালা। চৌষষ্ঠী হাজাৰৰ হেপাহ পলাল ?

অক্ষয়। সেই কথা আৰু তোমাৰ মুখৰ আগতে নকও, ফুটনি হ'ব। পিচে ইঙ্গিততে কব পাৰো, মা কালীয়ে দয়া কৰিছে অৱশ্যে।

পুৰবালা। পিচে মযো কও—বাবা ভোলানাথৰ নন্দীভৃঙ্গীৰ অভাৱ নাছিল। মোক কিজানি তেও দয়া কৰিলে।

অক্ষয়। হবও পাৰে। সেই দেখিছে কাৰ্ত্তিকক পালা।

পুৰবালা। আকৌ ঠাট্টা আৰম্ভ হল !

অক্ষয়। কাৰ্ত্তিকৰ কথাবাৰ হবলা ঠাট্টা ! তোমাৰ গা চুই কৈছো, সেইটো মোৰ অন্তৰৰ বিশ্বাস।

[শৈলবালাৰ প্ৰবেশ]

শৈলবালা। মুখাৰ্জী মহাশয়, এইবেলি তোমাৰ সক খুলশালীয়েৰ দুজনীক ৰক্ষা কৰা।

অক্ষয়। অৰক্ষণীয়া হৈ আছে যদি মই আছো। হৈছে কি ?

শৈলবালা। মাৰ খেচ্‌খেচনিত ৰক্ষা নেপাই ৰসিকদাদাই কৰবাৰ পৰা এহাল কুলীনৰ লৰা আনি হাজিৰ কৰিছেহি। মাই ঠিক কৰিছে সিহঁতৰ লগতে তেওঁৰ জীয়েক দুজনীৰ বিয়া দিয়ে।

অক্ষয়। বাঃ, বেচতো, একেবাৰে বিয়াৰ এপিডেমিক। যেন প্লেগহে হৈছে। একে লগে, একে ঘৰতে, দুজনী ছোৱালীক আক্ৰমণ কৰিলেই। ভয় হৈছে কিজানিবা মোকো আক্ৰমণ কৰে।

[গান]

নিচেই কাষতে আছো,
সেয়েহে মনত ভয়,
চকুৰ চাৱন, মুখৰ কথা
কিজানি কোনোটো লাগে,
কিজানি মৰোনে বাচো।

শৈলবালা। এতিয়া হবলা তোমাৰ গান গাবৰ সময় হ'ল ?

অক্ষয়। কি কৰিম ? বাজনা (ৰছনচৌকি) বজাবলৈ নিশিকিলো, নহলে ধৰিলোহেঁতেন। কিযে কোৱা। শুভকৰ্ম্ম! দুজনী খুলশালীৰ বিয়া। কিন্তু ইমান ততাতৈয়া কিয় ?

শৈলবালা। এই বহাগ মাহৰ পিচত, অহা বছৰ অকাল পৰিব, আৰু বিয়াৰ দিন নাই।

পুৰবালা। তহতে আগৰে পৰা ভাবিছ কিয় শৈল ? আগে পাত্ৰ চাই লোৱা যাওক।

[জগত্তাৰিনীৰ প্ৰবেশ]

জগত্তাৰিণী। বোপা অক্ষয়।

অক্ষয়। কি মা—

জগত্তাৰিণী। তোমাৰ কথা শুনি থাকি আৰু তো ছোৱালীকেজনীক ৰাখি থব নোৱাৰো।

শৈলবালা। ছোৱালী কেজনীক ৰাখি থব নোৱাৰা বুলিয়েই কি সিহতক পেলাই দিবা মা।

জগত্তাৰিণী। সেইয়া চোৱাহক! তহতৰ কথা শুনিলে গাত জ্বৰ উঠে। বোপা অক্ষয়, শৈলজনী বিধৱা ছোৱালী তাইক ইমান পঢ়াই পাচ কৰাই কি হ'ব কোৱাচোন, ইমান বিদ্যাৰ তাইৰ কি দৰকাৰ ?

অক্ষয়। মা, শাস্ত্ৰত লিখা আছে যে ছোৱালীবোৰৰ কিবা নহয় কিবা এটা উৎপাত থকা দৰকাৰ,—হয় স্বামী, নহয় বিদ্যা, নাইবা হিষ্টিৰিয়া। দেখা নাই জানো? লক্ষ্মীৰ আছে বিষ্ণু, তেওঁৰ আৰু বিদ্যাৰ দৰকাৰ নাই, সেই দেখি তেওঁ স্বামীটি আৰু পেঁচাটি লৈয়ে আছে। আৰু সৰস্বতীৰ স্বামী নাই, সেই দেখি বিদ্যাকে লৈ থাকিবলগা হয়।

জগত্তাৰিণী। সেইবোৰ যি কোৱা বোপা, অহা বহাগত ছোৱালী দুজনীৰ বিয়া দিমেই।

পুৰবালা। হয় মা, মোৰো সেই মত। ছোৱালীৰ সোনকালে বিয়া হোৱাই ভাল।

অক্ষয়। (অন্য ফালে মুখ ঘুৰাই) সেইটোতো ঠিকেই। বিশেষকৈ একাধিক স্বামী লোৱাটো যেতিয়া শাস্ত্ৰমতে নিষিদ্ধ, সোনকালে বিয়া কৰাই সময় মতে পোহ মনাই লোৱা দৰকাৰ।

পুৰবালা। আঃ কি যে বকিছা! মাই শুনিব।

জগত্তাৰিণী। ৰসিক খুড়া আজি পাত্ৰ চাবলৈ আহিব। ব'ল আই পুৰি, তেওঁলোকৰ কাৰণে চাহ জলপান ঠিক কৰি থওগৈ।

[জগত্তাৰিণী আৰু পুৰবালাৰ প্ৰস্থান]

শৈলবালা। আৰুতো পলম কৰিব নোৱাৰি মুখাৰ্জী মহাশয়, এই বেলি তোমাৰ সেই চিৰকুমাৰ সভাৰ বিপিনবাবু, শ্ৰীশবাবুক তাগাদা নকৰিলে আৰু নহৈছে। লৰাদুটি চমৎকাৰ, আমাৰ নিপ আৰু নীৰৰ লগত জোৰ হ'ব বেচ। তুমি তো চ'ত মাহ শেষ নৌ হওঁতেই অফিচ বোকোচা বান্ধি চিমলালৈ যাবা, এইবাৰ মা'ক বাধা দি ৰখা টান হ'ব।

অক্ষয়। কিন্তু সেই বুলি হঠাৎ অসময়ত খৰখেদা লগালে যে সভাখনে উচপ্ খাই উঠিব। কনীৰ চোকেৰা ভাঙি দিলেই পোৱালী নোলায়। যথেষ্ট উমনি দিব লাগে, তাৰ কাৰণে সময় লাগে।

শৈলবালা। ভাল কথা, তাও দিয়াৰ ভাৰ মই লম মুখাৰ্জী মহাশয়।

অক্ষয়। আৰু অলপ বুজাই ক'ব লগা হৈছে।

শৈলবালা। সেই দহ নব্বৰত তেওঁলোকৰ সভাতো? আমাৰ ঘৰৰ ছাদৰ ওপৰেদি, মিঠামুখীৰ ঘৰ পাৰহৈ তালৈ ঠিক যোৱা যাব। মই পুৰুষৰ বেশ পিন্ধি তেওঁলোকৰ সভাৰ সভ্য হম। তাৰ পিচত সভা কিমান দিন টিকে মই দেখিম।

অক্ষয়। তেনে হলে জন্মটো সদাই লৈ মৰো আকৌ এবাৰ সভ্য হম। এবাৰ তোমাৰ বাইদেৱেৰৰ হাতত হাৰাশাস্তি হৈছো, এইবাৰ হ'ম তোমাৰ হাতত। কুমাৰ হোৱাৰ সেয়ে সুখ—কটাক্ষবাণবোৰক লক্ষ্যভেদ কৰাৰ সুযোগ দিয়া যায়।

শৈলবালা। ছিঃ মুখাৰ্জী, তুমি আক পুৰণি হৈহে গৈছা। আজিকালি আক সেই নয়নবাণ-তয়নবাণবোৰ চলে জানো? আজিকালি যে যুদ্ধবিদ্যাৰ বহুত সলনি হৈ গৈছে।

[নৃপবালা আৰু নীৰবালাৰ প্ৰবেশ
নৃপ, শান্ত, স্নিগ্ধ, নীৰ ইয়াৰ বিপৰীত, সদায় বাংচালী]

নীৰবালা। (শৈলক আকোৱালি ধৰি) মাজু বাইদেউ, ক'চোন আজি কোন আহিব?

নৃপবালা। মুখাৰ্জী মহাশয়, আজি তোমাৰ কোনো বন্ধুৰ নিমন্ত্ৰণ আছে নেকি? জলপানৰ আয়োজন হৈছে কিয়?

অক্ষয়। চোৱা এতিয়া। কিতাপ পঢ়ি পঢ়ি চকু কণা কৰিলা, পৃথিবীৰ আকৰ্ষণত কি দৰে উল্কাপাত হয়, সেই সকলো লাখ দুইলাখ ক্ৰোশৰ খবৰ জানা, আৰু আজি ১৮ নম্বৰ মধু মিস্ত্ৰীৰ গলিলৈ কাৰ আকৰ্ষণত কোন আহি পৰিছে, সেইটো অনুমান কৰিবও নোৱাৰিলা?

নীৰবালা। বুজিছো বাইদেউ। তোৰ দৰা আহিছে, সেয়েহে আজি ৰাতিপুৱা মোৰ বাওঁ চকু নাচিছিল।

নৃপবালা। তোৰ বাওঁ চকু নাচিলে মোৰ দৰা আহিব কিয়?

নীৰবালা। মোৰ বাওঁ চকুটোৱে জানিবা তোৰ দৰাৰ কাৰণে নাচিয়ে দলে, তাৰ বাবে মই দুঃখীত নহয়। কিন্তু মুখাৰ্জী মহাশয়, জলপানৰ যিহা দেখোন দুজনৰ কাৰণে কৰা দেখিলো, বাইদেউ তেনেহলে বৰযাত্ৰা হবনেকি?

অক্ষয়। আমাৰ সকু বাইদেউও বঞ্চিত নহয়।

নীৰবালা। আঃ মুখাৰ্জী কি সুসংবাদ শুনালা। তোমাক যে কি বকৃছিছ দিম। এই লোৱা মোৰ ডিঙিৰ হাৰ, এইয়া দুয়ো হাতৰ বালা।

শৈলবালা। ছিঃ, হাত উকা নকৰিবি।

নীৰবালা। আজি আমাৰ বৰৰ সম্মানত পঢ়া ছুটি দিব লাগিব, মুখাৰ্জী মহাশয়।

নৃপবালা। আঃ কি 'বৰ' 'বৰ' কৰিছ! চাচোন মাজু বাইদেউ।

অক্ষয়। সেই কাৰণেইতো তেওঁৰ নাম দিছো বৰ্ব্বৰা। অয়ি বৰ্ব্বৰে, ভগবানে তোমালোকৰ বাইভনী কেজনীক এই এটি অক্ষয় বৰ দান কৰিছে—তথাপি তৃপ্তি নাই?

নৃপবালা। সেই কাৰণেইতো লোভ বাঢ়ি গৈছে।

[নৃপই তাইক টানি নিলে]

(গৈ থাকোতে) আহিলে খবৰ দিবা মুখাৰ্জী, ফাকি নিদিবা। দেখিছাতো বাইদেউ কেনে চঞ্চল হৈ উঠিছে।

[গান]

নোকোৱাকৈ যায় কিজানি তেওঁ,
চকুৰে মোৰ নেজানে টোপনি।

অক্ষয়। ভয় নাই, ভয় নাই। এটা গলে অন্য এটা আহিব। যি বিধাতাই জুই সৃষ্টি কৰিছে, পতঙ্গও তেৱেঁই আনি দিব। এতিয়া গানটো হওক—

নীৰবালা। [গান]

থাকো মই কাষতে তেওঁৰ,
পৰাণত বয় বেথা তথাপি।

অক্ষয়। নীৰু এই গানতো আগন্তুকসকলক লক্ষ্য কৰি বচা হোৱা নাই। কাৰৰ মাজুহতী কোন কোৱাচোন?

নীৰবালা। [গান]

পথ ভুল কৰি যি পথিক আহি
ৰ'ল মোৰ প্ৰাণৰ কূলত,
কিজানিবা তেওঁৰ ভুল ভাগি যায়,
কোনোবা ফালে গুচি যায়গৈ
(সেই কথাকে ভাবি গুনি)
চকুৰে মোৰ নেজানে টোপনি।

অক্ষয়। এইটো যে মোৰ লগত মিলিছে, কিন্তু ভাই, জানি গুনিয়েই পথ ভুল কৰিছো, সেই দেখি সেই ভুল ভঙাৰ বাট আৰু বথা নাই।

নীৰবালা। [গান]

যি আহিল মোৰ দুৱাৰৰ শলখা ভাঙি,
মুকলি দুৱাৰেদি আকউ যাব গুচি,
যি বলিয়া উঠিল জাগি,
খেয়ালৰ বায়ু লাগি,
সি জানো অসময়ৰ
মিনতিৰ বাধা মানে।
চকুৰে মোৰ টোপনি নেজানে।

অক্ষয়। [গান]

নহয়, নহয়, নকৰা ভাবনা,
যদিবা ৰাতি পুৱায়, মইতো নেযাও গুচি।
যেতিয়াই গুচি যাও, কৈ যাও আহিম বুলি
ছাঁ-পোহৰৰ বাটে বাটে কৰো অহাযোৱা।
মিলনে বিৰহে মনত দোলনি লাগে,
জানো মই বাৰে বাৰে তুমি যে চিৰস্থায়ী,
ক্ষন্তেকৰ বাবে লুকালে ক'বাত,
ভয়তেই মৰো পামনে নেপাম পুনু।

নীৰবালা। বৰ নিশ্চিন্ত হলো, তেনেহলে শুব পাবো ?

অক্ষয়। নিৰ্ভয়ে।

[নৃপবালা আৰু নীৰবালাৰ প্ৰস্থান]

শৈলবালা। মুখাৰ্জী মহাশয়, মই ধেমালি কৰা নাই, মই চিৰকুমাৰ সভাৰ সভ্য হম। কিন্তু মোৰ লগত কোনোবা চিনাকি এজন লাগেতো। তোমাৰ আৰু সভ্য হোৱাৰ উপায় নাই, নহয় ?

অক্ষয়। ওঁহো, মই পাপ কৰিছো। তোমাৰ বাইদেৱেৰে মোৰ তপস্যা ভঙ্গ কৰি মোক স্বৰ্গৰ পৰা বঞ্চিত কৰিলে।

শৈলবালা। তেনেহলে ৰসিকদাদাক ধৰিব লাগিল, তেওঁতো কোনো সভাৰ সভ্য নোহোৱাকৈয়ে চিৰকুমাৰ ব্ৰত ৰক্ষা কৰিছে।

অক্ষয়। সভ্য হলেই এই বুঢ়া বয়সত ব্ৰতটি হেৰুৱাব। ইলিচ মাছ এনেই তজ্‌বজীয়া, পিচে ধৰিলেই মৰি থাকে। প্ৰতিজ্ঞাও ঠিক তেনে-কুৱাই, তাক বান্ধিলেই তাৰ সৰ্বনাশ হয়।

[ৰসিকৰ প্ৰবেশ]

(ৰসিকদাদাৰ মূৰৰ আগফালে টপা, গোঁফ পকা, বৰণ বগা, আকৃতিত দীঘল)

অক্ষয়। হেৰেই পাষণ্ড, ভণ্ড, অকালকুষ্মাণ্ড।

ৰসিক। কিয় হে মত্তমন্থৰ কুঞ্জ-কুঞ্জৰ পুঞ্জ অঞ্জনবৰ্ণ ?

অক্ষয়। তুমি মোৰ খুলশালী ফুলনিত জুই লগাব খুজিছা ?

শৈলবালা। ৰসিকদাদা, তাৰ পৰা তোমাৰনো কি লাভ ?

ৰসিক। ভাই, সহিব নোৱাৰিলো, কি কৰিম, বছৰে বছৰে তোৰ ভনীয়েৰ-হতৰ বয়স বাঢ়ি গৈছে, কিন্তু বৰবাইতিয়ে মোকেই দোষ দিয়ে কিয় ? কয়ঃ বহি বহি দুবেলা খাইছ, ছোৱালী দুজনীৰ কাৰণে দৰা দুটা বিচাৰি দিব নোৱাৰ। বাৰু, ধৰ, মই নেখাই থাকিবলৈ মান্তি হলো, হলেই জানো দৰা পোৱা যাব, নাইবা তোৰ ভনীয়েৰ-হতৰ বয়স কমিবলৈ ধৰিব ? ইপিনে যি দুটিৰ কাৰণে দৰা জোগাড় হোৱা নাই, তেওঁলোকেতো বে'চ খাইছে বইছে। শৈল, কুমাৰসম্ভৱত যে পঢ়িছিলি মনত আছে।

স্বয়ং বিশীর্ণ দ্রুমপর্ণ বৃত্তিতা
পৰাহি কাষ্ঠা তপসস্তয়া পুনঃ।
তদপ্যপাকীর্ণমতঃ প্রিয়ংবদাং
বদন্ত্যপর্ণেতি চ তাং পুৰাবিদঃ।

দুৰ্গাই নিজৰ বৰ বিচাৰি ফুৰোতে খোৱাবোৱা এৰি তপস্যা কৰিছিল। কিন্তু নাতিনীহঁতৰ দৰা জোগাড় হোৱা নাই বুলি মই বুঢ়া মানুহটোৱে খোৱাবোৱা এৰি দিম, এইটো বৰবাইতিৰ কেনে বিচাৰ? আহা! শৈল, মনত আছেনে—

"তদপ্যপাকীর্ণমতঃ প্রিয়ংবদাং—"

শৈলবালা। মনত আছে দাদা, কিন্তু এতিয়া কালিদাস ভাল লগা নাই।

ৰসিক। তেনেহলেতো ক'ব লাগিব, এইটো অত্যন্ত দুঃসময়।

শৈলবালা। সেই দেখি তোমাৰ লগত পৰামৰ্শ কৰিব লগীয়া আছে।

ৰসিক। তাঁৰি কাৰণে সাজু আছো। যেনে পৰামৰ্শই বিচাৰা তেনে পৰামৰ্শকে পাবা। যদি 'হয়' বুলিব লাগে 'হয়' বুলিম, যদি 'না' বুলিব লাগে না বুলিম। এই গুণটো মোৰ আছে। সকলোৰে মতৰ লগত মত দি খাওঁ বুলিয়ে, সকলোৱে মোক প্ৰায় তেওঁলোকৰ নিজৰ সমানেই বুধিয়ক বুলি ভাবে।

অক্ষয়। অনেক কৌশলেৰে তুমি তোমাৰ খ্যাতি ৰচাই ৰাখিছা, তাৰ ভিতৰত এটা হল তোমাৰ এই টপা মূৰটি।

ৰসিক। আৰু এটা হৈছে—'যাবৎ কিঞ্চিন্নভাষতে', অৰশ্যে মই বাহিৰৰ মানুহৰ আগত বেচি কথা নকওঁ।

শৈলবালা। সেইটি হ'বলা আমাৰ ওপৰত অলপ ফপাই লোৱা?

ৰসিক। তহঁতৰ ওচৰত যে ধৰা পৰিলো।

শৈলবালা। ধৰা যদি পৰিলাই, তেন্তে বলা, যি কওঁ তাকে কৰিব লাগিব।

ৰসিক। ভয় নাই শৈল, এনে দুটি কুলীনৰ লৰা জোগাড় কৰিছো, যে সিহঁত কন্যাদায়ৰ দুখতকৈও হাজাৰগুণে অসহ্য। সিহঁতক দেখিলে বৰ আইতিয়ে তেওঁক ছোৱালীহঁতৰ কাৰণে এই ঘৰতে চিৰকুমাৰী সভা স্থাপন কৰিব। যাওঁ, তেওঁ মাতি পঠাইছে।

[প্ৰস্থান]

শৈলবালা। মুখাৰ্জী মহাশয়।

অক্ষয়। আজ্ঞা কৰা।

শৈলবালা। কিবা উপায়ে কুলীনৰ লৰা দুটাক খেদাব লাগিব।

অক্ষয়। লাগিবইতো।

[গান]

চাওচোন কোন আছে তোমাৰ কাষলৈ,
তুমি ব'বা একেশ্বৰী, তোমাৰ কাষত মই ৰম অকলই।

শৈলবালা। একেশ্বৰী ?

অক্ষয়। লাগিলে তোমালোক চাৰি ঈশ্বৰীয়েই হবা, শাস্ত্ৰত আছে, অধিকন্তু ন দোষায়।

শৈলবালা। আৰু তুমি অকলে থাকিবা ? তাত হবলা অধিকন্তু নেখাটে ?

অক্ষয়। সেই ক্ষেত্ৰত শাস্ত্ৰৰ এবাৰ পবিত্ৰ বচন আছে—সৰ্বমত্যন্তগৰ্হিতং।

শৈলবালা। কিন্তু মুখাৰ্জী মহাশয়, সেই পবিত্ৰ বচনষাৰ তো সদায় নেখাটে, আৰু লগৰীয়া ওলাব।

অক্ষয়। তোমালোকৰ এই এটা খুলশালীৰ লগত দহোটা খুলশালী বন্দোবস্ত হ'ব ? তেতিয়া আকৌ নতুন কাৰ্য্যবিধি চোৱা যাব। তেতিয়ালৈকে কুলীনৰ লৰাহতক গা ঘহঁাবলৈ নিদিছো।

[চাকৰৰ প্ৰবেশ]

চাকৰ। দুজন বাবু আহিছে।

[প্ৰস্থান]

শৈলবালা। সেইয়া সিহত আহিল হবলা। বাইদেউ আৰু মা ভিতৰ ঘৰত ব্যস্ত আছে, তেওঁলোক আজৰি হৈ অহাৰ আগতে যেনেতেনে বিদায় দি পঠিওৱা।

অক্ষয়। পুৰস্কাৰ কি পাম ?

শৈলবালা। আমি তোমাৰ আটাইকেজনী খুলশালী মিলি তোমাক শালী-বাহন উপাধি দিম।

অক্ষয়। শালীবাহন দি চেকেও ?

শৈলবালা। চেকেও হৰলৈ যাবা কিয় ? সেই শালীবাহনৰ নাম ইতিহাসৰ পৰা একেবাৰে বিলুপ্ত হৈ যাব। তুমি হ'বা শালীবাহন দি গ্রেট।

অক্ষয়। বে'চতো। মোৰ ৰাজ্যকালৰ পৰা জগতত নতুন চন প্ৰচলিত হ'ব ?

[গান]

তুমি মোক কৰিবা মস্ত লোক,
তোমাৰ সেই প্ৰসন্ন চকুৰে ৰজাৰ কপালত তিলক আঁকি দিব।

[শৈলবালাৰ প্ৰস্থান]

[মৃত্যুঞ্জয় আৰু দাৰুকেশ্বৰৰ প্ৰবেশ

এজন বিশদৃশভাবে ওখ, কৃশীয়া, বুটজোতা পিন্ধা, চুৰিয়া পিন্ধিছে প্ৰায় আঠুৰ ওপৰত, চকুৰ গুৰিত ক'লা পৰিছে, মেলেৰীয়া ৰোগীৰ চেহেৰা, বয়স বাইশৰ পৰা বত্ৰিশলৈ যিকোনো এটা হ'ব পাৰে। অন্য জন চুটি চাপৰ, ডাঢ়ি গোফভৰা মুখ, নাকটো চুটি, ঘূৰণীয়া, কপাল উঠা, ক'লা।]

অক্ষয়। (বৰ আথবেথ কৰি উঠি, হেণ্ডচেক কৰি) আহক, মিষ্টাৰ নেথেনিয়েল, আহক মিষ্টাৰ জেৰেমিয়া, বহক, বহক, হেৰ, ৰবফদিয়া পানী আন, ধপাত আন।

মৃত্যুঞ্জয়। (হঠাৎ বিজাতীয় সম্বোধনত সঙ্কুচিত হৈ মৃদুস্বৰে) মোৰ নাম মৃত্যুঞ্জয় গাঙ্গুলী।

দাৰুকেশ্বৰ। মোৰ নাম শ্ৰীদাৰুকেশ্বৰ মুখোপাধ্যায়।

অক্ষয়। ছিঃ ডাঙৰীয়া, এতিয়াও সেইবোৰ নাম ব্যৱহাৰ কৰে হ'বলা ? আপোনালোকৰ খৃষ্টীয়ান নাম কি ? (তেওঁলোকক হতবুদ্ধি আৰু নিৰুত্তৰ দেখি) এতিয়াও নামাকৰণ হোৱাই নাইনেকি ? অৱশ্যে তাৰপৰা বৰ হানি বিঘিনি নহয়, এতিয়াও বহুত সময় আছে।

[অক্ষয়ে গুৰগুৰিৰ নলিচা মৃত্যুঞ্জয়ৰ হাতত দিলে। তেওঁ ইতস্ততঃ কৰা দেখি]

আচৰিত, মোৰ আগত আকৌ লাজ! সাত বছৰ বয়সৰ পৰা লুকাই চুৰকৈ ধপাত খাই পকি উঠিছো। ধোঁৱা লাগি লাগি বুদ্ধিত এলান্ধু লাগি গৈছে। লাজ কৰিব লাগিলে আৰু মোৰ ভদ্ৰ সমাজত মুখ দেখুৱাবৰ ঠাই নহব।

[তেতিয়া সাহস পাই, দাৰুকেশ্বৰে মৃত্যুঞ্জয়ৰ হাতৰ পৰা নলিচা টান মাৰি লৈ ফৰ ফৰ কৰে হুপিব ধৰিলে। অক্ষয়ে জেপৰ পৰা চোকা বৰ্মা চুৰত উলিয়াই মৃত্যুঞ্জয়ৰ হাতত দিলে। যদিও তেওঁৰ চুৰট খোৱাৰ অভ্যাস নাছিল, তথাপি সদ্যস্থাপিত ইয়াৰ্কিৰ খাতিৰত মৰোজীওঁ সোঁ আধিকৈ লাহে লাহে হুপিব ধৰিলে আৰু কোনো ৰকমে কাহ হেচি ৰাখিলে।]

অক্ষয়। এতিয়া কামৰ কথা আৰম্ভ কৰা যাওক, কি কয়?

[মৃত্যুঞ্জয় মনে মনে থাকিল]

দাৰুকেশ্বৰ। নহয়নো কি? শুভস্য শীঘ্ৰং।

অক্ষয়। (গম্ভীৰ হৈ) মুৰ্গী নে মটন?

[অবাক হৈ মৃত্যুঞ্জয়ে মুৰ খজুৱাব ধৰিলে। দাৰুকেশ্বৰে একো নকৈ ৰৰকৈ হাঁহিব ধৰিলে]

কি ডাঙৰীয়া, নাম শুনিয়ে হাঁহি উঠিল। তেতিয়া হলে দেখোন গোস্তত অজ্ঞান হ'ব, আৰু পাতত পৰিলে মৰিয়ে থাকিব। পিচে কোনটো খাব মনথিৰ কৰি কওক,—মুৰ্গী নে মটন হ'ব?

[তেতিয়া দুইজনে বুজিলে যে আহাৰৰ কথা কোৱা হৈছে। ভীৰু মৃত্যুঞ্জয়ে নিৰৱ হৈ ভাবিব ধৰিলে, দাৰুকেশ্বৰে লোভত এবাৰ চাৰিউ ফালে চালে।]

ভয় কিহৰ ডাঙৰীয়া, নাচিবলৈ লৈ ওৰণিৰ চিন্তা!

দাৰুকেশ্বৰ। (দুইহাতে টিকাত চপৰিয়াই, হাঁহি) মুৰ্গীয়েই ভাল, কাটলেট্, কি বোলে?

মৃত্যুঞ্জয়। (সাহস পাই) মটন নো কি বেয়াহে ভাই। চপ্।

অক্ষয়। ভয় কি ভায়াহত, দুয়োটাই হ'ব। দুই মন হৈ খাই সুখ পোৱা নেযায়। (চাকৰক মাতি) হেৰ, আলিৰ মূৰত যে হোটেল আছে তাৰ পৰা কলিমদ্দি খানচামাক মাতি আন চোন। (বুঢ়া আঙুলিৰে মৃত্যুঞ্জয়ৰ গা টেপি, মৃদুস্বৰে) বিয়েৰ নে ছেৰী ?

(মৃত্যুঞ্জয়ে লাজত সিকালে চালে)

দাৰুকেশ্বৰ। হুইস্কিৰ বন্দোবস্ত নাই হ'বলা ?

অক্ষয়। (পিঠিত চপৰিয়াই) নহব কিয় ? জীয়াই আছো কি খাই ?

[গান]

অভয় দিলে ক'ম তোমাক মোৰনো wish কি—
এক চটাক চ'ডা পানীত পকা তিনি পোৱা হুইস্কি।

[ক্ষীণ মৃত্যুঞ্জয়েও প্ৰাণপণে ইঁহাটো কৰ্ত্তব্য বুলি ভাবিলে, দাৰুকেশ্বৰে কিতাপ এটা টান মাৰিলৈ তাৰ ওপৰত বজাব ধৰিলে]

দাৰুকেশ্বৰ। দাদা, গানটো শেষ কৰক।—

[গান]

অভয় দিলে ক'ম তোমাক মোৰনো wish কি—

অক্ষয়। (মৃত্যুঞ্জয়ক ঠেলা মাৰি) ধৰা হে, তুমিও ধৰা।

[লগ লাগিলেও, নিজৰ প্ৰতিপত্তি ৰক্ষাৰ কাৰণে মৃত্যুঞ্জয়ে মৃদুস্বৰে যোগ দিলে। অক্ষয়ে যেজত চপৰিয়াই বজাব ধৰিলে,. হঠাৎ এঠাইত ৰৈ গৈ, গম্ভীৰ হৈ]

অ' ৰ'ব, আচল কথাষাৰকে সোধা হোৱা নাই। ইপিনেতো সকলো ঠিক, এতিয়া কি পালে আপোনালোক মাত্তি হ'ব ?

দাৰুকেশ্বৰ। আমাক বিলাতলৈ পঠাব লাগিব।

অক্ষয়। সেইটোতো হবই। তঁাৰ নেকাটিলে জানো শ্বেম্পেনৰ বটলৰ কাগ খোলে? নিজৰ দেশত আপোনালোকৰ নিচিনা মাহুহৰ বিভাবুদ্ধি চেপা খাই থাকে, বান্ধ কাটি দিলেই একেবাৰে নাকে মুখে চকুৰে উপচি পৰিব।

দাৰুকেশ্বৰ। (অত্যন্ত আনন্দিত হৈ অক্ষয়ৰ হাত ধৰি) দাদা, এইকণ আপুনি কৰি দিবই লাগিব। বুজিছে?

অক্ষয়। সেইটো কোনো টান কথা নহয়, কিন্তু আজিয়েই বাপ্তাইজ হ'ব নহয়?

দাৰুকেশ্বৰ। (হাঁহি হাঁহি) কেনেকৈবা?

অক্ষয়। (অলপ বিস্মিত হোৱা যেন দেখুৱাই) কিয়, বেভাবেও বিশ্বাস আজি ৰাতিয়ে অহাৰ কথা আছে। বাপ্তিজম্ নহলেতো খৃষ্টীয়ানমতে বিয়া হ'ব নোৱাৰে।

মৃত্যুঞ্জয়। কি খৃষ্টীয়ানমতে ডাঙৰীয়া?

অক্ষয়। আপুনি দেখোন সৰগৰ পৰা পৰিল। সেইবোৰ নহব, যেনেকৈয়ে হওক, আজি ৰাতিৰ ভিতৰতে বাপ্তিজম্ সমাপন কৰিবই লাগিব। কোনো মতে এৰি দিব নোৱাৰিম।

মৃত্যুঞ্জয়। আপোনালোক খৃষ্টান নেকি?

অক্ষয়। 'ডাঙৰীয়া সেইবোৰ ধেমালি থওক। যেন একোকেই নেজানে?

মৃত্যুঞ্জয়। (বৰ ভয়েৰে) ডাঙৰীয়া, আমি হিন্দু, বামুনৰ লৰা, জাত দিব নোৱাৰো।

অক্ষয়। (হঠাৎ অত্যন্ত উদ্ধত মাতেৰে) জাত কিহৰ ডাঙৰীয়া! ইপিনে কলিমদ্দিৰ হাতে মুৰ্গী বন্ধা খাব, বিলাতলৈ যাব, আকৌ জাত?

মৃত্যুঞ্জয়। (ব্যস্ত হৈ) মনে মনে থাকক। কোনে ক'ত শুনি যাব।

দাৰুকেশ্বৰ। ব্যস্ত নহব ডাঙৰীয়া, অলপ পৰামৰ্শ কৰি চাও। (মৃত্যুঞ্জয়ক অলপ একাষৰীয়াকৈ মাতি নি) বিলাতৰ পৰা ঘূৰি আহি এবাৰতো পৰাচিত হবই লাগিব, তেতিয়া ডবল পৰাচিত হৈ ধৰ্মত উঠা যাব। এই সুযোগটো এৰি দিলে আৰু বিলাতলৈ যোৱাটো নহব। দেখিলাতো কোনো শহুৰেই মান্তি নহল। আৰু খৃষ্টানৰ হুকাত বেতিয়া ধপাত খালোৱেই, খৃষ্টান হবলৈনো আৰু কি বাকী থাকিল?

(অক্ষয়ৰ ওচৰলৈ আহি) বিলাতলৈ ঘোৰাটোৰ পকা বন্দবস্ত হ'ব নহয় ? তেতিয়া হলে খৃষ্টান হবলৈ ৰাজী আছো।

মৃত্যুঞ্জয়। কিন্তু আজিৰ বাতিটো থাকক।

দাৰুকেশ্বৰ। হব লাগে যদি সোনকালে হৈ পেলাই সাগৰত পাৰি দিয়াই ভাল, আগতেই কৈছো—শুভস্য শীঘ্ৰং।

(ইতিমধ্যে ভিতৰফালে মহিলাসকলৰ সমাগম। দুখন থালত মিঠাই, লুচি বৰফৰ পানী লৈ চাকৰৰ প্ৰবেশ।]

দাৰুকেশ্বৰ। ক'তা ডাঙৰীয়া অভাগাৰ কপালত মুৰ্গী উৰিয়ে গলনেকি ? কাটলেট্ ক'ত ?

অক্ষয়। (মৃদুস্বৰে) আজিৰ কাৰণে এইটোৱেই চলক।

দাৰুকেশ্বৰ। তেনে কৰিলে কেনেকৈ হ'ব ডাঙৰীয়া ? আশা দি নিৰাশ কৰা ? শহুৰৰ ঘৰলৈ আহি মটনচপ্ খাবলৈ নেপাম ? আৰু, এইয়া যে বৰফৰ পানী, মোৰ আকৌ চৰ্দ্দিৰ অসুখ আছে, শুদা পানীয়েই সহ্য নহয়। (গান আৰম্ভ কৰি) "অভয় দিলে ক'ম তোমাক মোৰনো wish কি—"

অক্ষয়। (মৃত্যুঞ্জয়ক টিপা দি) ধৰা হে, তুমিও ধৰা, মনে মনে আছা কিয় ? (গানৰ উচ্ছ্বাস কমিলত, আহাৰৰ পাত্ৰ দেখুৱাই) এইটো তেনেহলে নচলিবই ?

দাৰুকেশ্বৰ। (ব্যস্ত হৈ) ওহোঁ ডাঙৰীয়া, সেইবোৰ বেমাৰীৰ পথ্য নচলিব। কুকুৰা নেখায়েইতো ভাৰতবৰ্ষ গল।

অক্ষয়। (কাণৰ কাষলৈ আহি)

[গান]

আৰু কত কাল ৰ'ব ভাৰত এইদৰে—
মাখো ডাইল ভাত পানী পথ্য কৰি।

(দাৰুকেশ্বৰে উৎসাহেৰে গানটো ধৰিলে, আৰু অক্ষয়ৰ হেচাত মৃত্যুঞ্জয়েও লাজে লাজে যোগ দিলে)

অক্ষয়। (আকৌ গান লগাই দি)

হ'ব দেশত অন্নজলৰ তুৰ্ঘোৰ অনাটন,
সেয়ে ধৰা হুইস্কি চ'ডা আৰু মুৰ্গী-মটন।

[দাৰুকেশ্বৰে চিয়ৰি এই ফাকি গাব ধৰিলে, আৰু অক্ষয়ৰ বুঢ়া আঙুলিৰ হেচোকনিত মৃত্যুঞ্জয়েও লগতে যোগ দিলে।]

অক্ষয়। (সৰু মাতেৰে)

টিকনি লগা ঠাকুৰ যোৱা বিদায় হৈ,
কলিমদ্দি মিয়া আহা ডাড়ি নাড়ি লৈ।

[যিমানেই উৎসাহেৰে গান চলিল, তুৱাৰৰ ওচৰত সিমানে খুচ্ মুচ্ শব্দ হব ধৰিলে। বৰ নিৰীহৰ দৰে অক্ষয়ে মাজে মাজে একোবাৰ সেই ফালে চায়, এনেতে মলিয়ন হাতেৰে কলিমদ্দি মিয়া আহি চালাম কৰিলেহি।]

দাৰুকেশ্বৰ। (কলিমদ্দিক) এই যে চাচা। আজি কি বান্ধিছাহে? অক্ষয়বাবু, কাৰি নে কাটলেট?

অক্ষয়। (ভিতৰৰ ফালে চাই) আপোনালোকে যেনে ভাল পায়।

দাৰুকেশ্বৰ। মোৰ মতে, ব্ৰাহ্মণেভ্য নমঃ বুলি আটাইকেটাকে আদৰি লোৱা হওক।

অক্ষয়। সেইটোতো হয়েই। তেওঁলোক সকলোটি পূজ্য।

(চালাম কৰি কলিমদ্দি গুচি গল)

অক্ষয়। (মাত অলপ ডাঙৰ কৰি) আপোনালোকে তেনেহলে আজি ৰাতিয়েই খৃষ্টান হ'ব খুজিছে।

দাৰুকেশ্বৰ। মইতো কলোৱেই শুভস্য শীঘ্ৰং। আজিয়ে খৃষ্টান হম, এতিয়াই খৃষ্টান হম, খৃষ্টান হোৱাৰ পিচত অন্য কথা। মাটিমাহ আৰু পুৰৈ শাক খাই আৰু টিকিব নোৱাৰি। আনক আপোনাৰ পাদ্ৰী মাতি।

[চিয়ৰি গান]

টিকনিলগা ঠাকুৰ যোৱা বিদায় হৈ,
কলিমদ্দি মিয়া আহা ডাড়ি নাড়ি লৈ

[চাকৰৰ প্ৰবেশ]

চাকৰ। (অক্ষয়ৰ কানে কানে) আইতাই এবাৰ মাতিছে। (অক্ষয় উঠি দুৱাৰৰ ফাঁলৈ গল)

জগত্তাৰিণী। এই বোৰ কি কথা, কি কাণ্ড ?

অক্ষয়। (গম্ভীৰ ভাবে) সেই বোৰ পিচত হ'ব মা, এতিয়া তেওঁলোকে হুইস্কি বিচাৰিছে। কি কৰিম ? আপোনাৰ ভৰিত ঘঁহিবৰ কাৰণে যে ব্ৰাণ্ডি অনা হৈছিল, তাৰ অলপ বাকী নাইনে ?

জগত্তাৰিণী। (হত বুদ্ধি হৈ) কি কৈছা ? ব্ৰাণ্ডি খাবলৈ দিম ?

অক্ষয়। কি কৰিম মা, শুনিছেইতো, তেওঁলোকৰ এজনৰ আকৌ পানী খালেই জ্বৰ কাহ হয়, ইটিৰ আকৌ মদ নেখালে মুখত কথাই নোলায়।

জগত্তাৰিণী। কি খৃষ্টান হোৱাৰ কথা কৈছে সিহঁতে ?

অক্ষয়। তেওঁলোকে কৈছে হিন্দু হৈ খোৱা মেলাৰ বৰ অসুবিধা, পুৰৈ শাক আঁক মাটিমাহ খালে অসুখ কৰে।

জগত্তাৰিণী। (অবাক হৈ) সেই বুলি আজি ৰাতিয়ে মুৰ্গী খুৱাই সিহঁতক খৃষ্টান কৰিবা নেকি ?

অক্ষয়। কি কৰিম মা। তেওঁলোকে যদি খং কৰি গুচি যায়, তেতিয়া হলে পাত্ৰ দুটি হাতত্তে হেৰাব। সেই দেখি তেওঁলোকে যি কৈছে, তাকে শুনিব লগীয়া হৈছে। (পুৰবালাক) মোকো মদ খোৱাত লগাব যেনহে পাইছো।

পুৰবালা। পঠিয়াই দিয়া, এতিয়াই বিদায় দিয়া।

জগত্তাৰিণী। (ব্যস্ত হৈ) ইয়াত মুৰ্গী-কুকুৰা খোৱা নচলিব বাপা। এতিয়াই সিহঁতক বিদায় দিয়া। মোক ক্ষমা কৰিবা, মই ৰসিক খুড়াক দৰা বিচাৰিবলৈ কৈছিলো। তেওঁৰ পৰা যদি কিবা কাম এটা হল হেতেন। [মহিলা সকলৰ প্ৰস্থান]

[ঘৰলৈ আহি অক্ষয়ে দেখিলে, মৃত্যুঞ্জয়ে পলাবৰ উপক্ৰম কৰিছে আৰু দাৰুকেশ্বৰে হাতত ধৰি টনাটনি কৰি তাক ৰাখিবৰ চেষ্টা কৰিছে। অক্ষয় নথকা কাৰণে মৃত্যুঞ্জয়ে আগপাচ ভাবি সন্ত্ৰস্ত হৈ উঠিছে।]

মৃত্যুঞ্জয়। [অক্ষয়ক খঙৰ মাতেৰে] নহয় ডাঙৰীয়া, মই খৃষ্টান হ'ব নোৱাৰিম। মোৰ বিয়া কৰাৰ দৰকাৰ নাই।

অক্ষয়। পিচে মহাশয়, কোনেনো আপোনাৰ ভৰিত ধৰিছে?

দাৰুকেশ্বৰ। মই ৰাজী আছো ডাঙৰীয়া।

অক্ষয়। ৰাজী আছা যদি গীৰ্জালৈ যোৱা, মোৰ সাত পুৰুষে খৃষ্টান কৰাৰ ব্যৱসায় কৰা নাই।

দাৰুকেশ্বৰ। সেই যে কোনোবা এজন বিশ্বাসৰ কথা কৈছিল—

অক্ষয়। তেওঁ টেৰিটিৰ বজাৰত থাকে, তেওঁৰ ঠিকনা মই লিখি দিওঁ—

দাৰুকেশ্বৰ। আৰু বিয়াখন?

অক্ষয়। সেইটি এই বংশত নহৈছে।

দাৰুকেশ্বৰ। তেনেহলে অন্তপৰে ঠাট্টা কৰিছিলে ডাঙৰীয়া? আৰু খোৱাটোও?

অক্ষয়। সেইটিও এই ঘৰত নহব।

দাৰুকেশ্বৰ। অন্ততঃ হোটেলত?

অক্ষয়। সেয়ে ভাল কথা।

[বেগৰ পৰা টকা উলিয়াই দুয়োকে দি বিদায় দিলে। নৃপৰ হাতত ধৰি টানি টানি নীৰবালা ফাগুনৰ বতাহ এজাকৰ দৰে সোমাই আহিল।]

নীৰবালা। মুখাৰ্জী মহাশয়, বাইদেৱেতো দুটিৰ কোনো এটিকেই বাদ দিব নোখোজে।

নৃপবালা। [নীৰবালাৰ গালত আঙুলিৰে সৰুকৈ চৰিয়াই] আকৌ মিছা কথা কৈছে?

অক্ষয়। ব্যস্ত নো হৈছা কিয়? সচা মিছাৰ প্ৰভেদ মই অলপ অলপ বুজিব পাৰো।

নীৰবালা। বাৰু মুখাৰ্জী মহাশয়, এই দুটিক ৰসিক দাদাই ৰসিকতা কৰিবৰ কাৰণে আনিলে নে আমাৰ বাইদেউৰে দুৰ্ভাগ্য?

অক্ষয়। বন্দুকৰ সকলোবোৰ গুলি জানো নিচানত লাগে, প্ৰজাপতিয়ে টাৰ্গেট প্ৰেকটিছ্‌ কৰিছিলে, এই দুটাও নেলাগিল। প্ৰথম প্ৰথম

তুই চাবিটা এনেকুৱা হয়েই। এই হতভাগ্য ধৰা পৰাৰ আগতে, তোমাৰ বাইদেৱেৰৰ বৰশীত বহুত জলচৰেই চিকুটি আজুৰি চাইছিল, কিন্তু বৰশীয়ে বিন্ধিলে কেৱল মোৰ কপালহে। [কপালত থপৰিয়ায়]

নৃপবালা। এতিয়াৰ পৰা সদায় প্ৰজাপতিৰ প্ৰেকটিছ্‌ চলিবনেকি মুখাৰ্জী মহাশয়? তেতিয়া হলে জীয়াই থকাই টান হব।

নীৰবালা। দুখ কৰিছ কিয়? সদায় বৰশীৰ মাছ এৰাই যাবনে কৰা? এটা নহয় এটা আহি ঠিক লাগিবহি।

[ৰসিকৰ প্ৰবেশ]

নীৰবালা। ৰসিকদাদা, এইবাৰৰ পৰা আমিও তোমাৰ কাৰণে ছোৱালী বিচাৰিম।

ৰসিক। সেইটোতো সুখৰ কথা।

নীৰবালা। থাক সুখ দেখুৱাম। তুমি থাকা শুকান শনখেৰৰ ঘৰত, আৰু পৰৰ ঘৰত জুই লগাবলৈ যোৱা। আমাৰ হাতত আঙঠা নাই বুলি ভাবিছা হ'বলা? আমাৰ লগত যদি লাগা, তোমাৰ কিন্তু দুখন বিয়া পাতি দিম, মূৰত যি কেডাল চুলি আছে সেই কেডালো ৰক্ষা কৰিব নোৱাৰিবা।

ৰসিক। চোৱা, দুটা গোকাট জন্তু আনিছিলো বুলিয়েই তো ৰক্ষা পৰিলা, মধ্যম ৰকমৰ হোৱা হলেতো বিপদেই হলহেতেন। থাক জন্তু বুলি চিনা নেযায়, সেই জন্তুৱেই ভয়ানক।

অক্ষয়। সেই কথা ঠিক। মনে মনে মোৰ ভয় আছিল, কিন্তু পিঠিত অকনমান হাত দিয়া মাত্ৰকে নাচি বাগি নেজ জোকাৰি উঠিল। কিন্তু মাই কি কৈছে—

ৰসিক। তেওঁ যি কৈছে সেইটো অন্য পাঁচজনক মাতি শুনাবলগীয়া বিধৰ নহয়। সেইবোৰ মই মনৰ মাজতে ৰাখি থলো, যা হওক শেষত ইয়াকে থিবাং কৰিছে, যে তেওঁ কাশীলৈ তেওঁৰ ভতিজাপুতেকৰ ওচৰলৈ যাবগৈ। তাত পাত্ৰবো সন্ধান পাইছে, আৰু তীৰ্থদৰ্শনো হ'ব।

নীৰবালা। কোৰা কি ৰসিকদাদা! তেনেহলে এইফালে আমাৰ নিতৌ নতুন নতুন নমুনা চোৱা বন্ধ হ'ব?

নৃপবালা। এতিয়াও তোমাৰ চখ আছেনেকি?

নীৰবালা। এইটো জানো চখৰ কথা। ই হৈছে শিক্ষা। নিতৌ নানা দৃষ্টান্ত দেখি দেখি বস্তুটো সহজ হৈ আহিব। যাক বিয়া কৰাবি, সেই প্ৰাণীটোক বুজিবলৈ কোনো কষ্ট নহ'ব।

নৃপবালা। তোমাৰ প্ৰাণীক তুমি বুজি থাকা, মোৰ কাৰণে তুমি ভাবিব নেলাগে।

নীৰবালা। সেয়ে ভাল কথা। তুমি নিজৰ কাৰণে ভাবা, ময়ো নিজৰ কাৰণে ভাবো, কিন্তু ৰসিকদাদাক আমাৰ কাৰণে আৰু ভাবিবলৈ দিয়া নহ'ব।

[নৃপ আৰু নীৰৰ প্ৰস্থান]

[শৈলবালাৰ প্ৰবেশ]

শৈলবালা। ৰসিকদাদা, তোমাৰ লগত মোৰ পৰামৰ্শ কৰিব লগীয়া আছে।

অক্ষয়। কি শৈল। কথা সেইহে! আজি ৰসিকদা হ'ল ৰাজমন্ত্ৰী। মোক ফাকি দিলা।

শৈলবালা। [হাঁহি] তোমাৰ লগত মোৰ কি পৰামৰ্শৰ সম্পৰ্ক মুখাৰ্জী। বুঢ়া নহ'লে যে পৰামৰ্শ নহয়।

অক্ষয়। তেন্তে ৰাজমন্ত্ৰীসকল থাকক, মোৰ দৰবাৰ উঠাই লওঁ।

[গান]

মই কেৱল ফুল আনি দিম
তোমাৰ হাতত,
পহৰা কিম্বা মন্ত্ৰণা দিয়াত,
মোৰ যে বুদ্ধি হ'ত।

শৈলবালা। ৰসিকদাদা, আমি যে চিৰকুমাৰ সভাৰ সভ্য হ'ম, তুমি মোৰ বাহন হ'বা।

বসিক। ভগবান হৰিয়ে নাৰীৰ ছদ্মবেশেৰে পুৰুষক ভুলাইছিল, তুমি শৈলই যদি পুৰুষৰ ছদ্মবেশেৰে পুৰুষক ভুলাব পাৰা, তেনেহলে হৰিভক্তি বাদ দি জীৱনৰ বাকী দিন কেইটা তোৰ পূজা কৰিয়ে কটাম, কিন্তু মাই যদি গম পায় ?

শৈলবালা। জীয়েক তিনিজনীৰ কথা কেৱল মনত পেলায়ে মা মনে মনে ইমান অস্থিৰ হৈ উঠে, যে তেওঁ আৰু আমাৰ খবৰ ৰাখিব নোৱাৰে। তেওঁৰ কাৰণে ভাবিব নেলাগে।

বসিক। কিন্তু সভাত কিদৰে সভ্যতা কৰিব লাগে, তাৰ মই একোকে নেজানো।

শৈলবালা। বাৰু, সেইটো মই ব্যৱস্থা কৰিম। আবেদন পত্ৰৰ লগত ভৰ্ত্তি মাচুল দহ টকা পঠিয়াই দি বহি আছো। বসিকদাদা, তুমি মা'ৰ লগত কাশীলৈ গলেতো নচলিব।

অক্ষয়। মা'ৰ লগত কাশীলৈ যোৱা মানুহ মই ঠিক কৰি দিম, সেই কাৰণে ভাবিব নেলাগে।

শৈলবালা। মুখাৰ্জী মহাশয়, তুমি সিহতক একেবাৰে বান্দৰ সাজি পঠিয়ালা, শেষত বেচেৰাহতৰ কাৰণে মোৰ মায়া হৈছিল।

অক্ষয়। কোনেও কাকো বান্দৰ সাজিব নোৱাৰে শৈল, পৰমা প্ৰকৃতিয়ে সেইটো নিজেই সাজি ৰাখে। ভগবানৰ বিশেষ অনুগ্ৰহ থকা দৰকাৰ। এই ধৰা, কৰি হোৱাটো, নেজকে বোলা বা কৰিতাকে বোলা, ভিতৰত নেথাকিলে জোৰ কৰি টানি উলিয়াবৰ উপায় নাই।

[পুৰবালাৰ প্ৰবেশ]

পুৰবালা। [কেৰাচিনৰ লেমটো জাৰি জোকাৰি চাই] বেহাৰাটোৱে এইটো কি লেম দি গল, চিমিকঢামাক কৰিছে ! তাক কৈ কৈ আৰু নোৱাৰিলো।

অক্ষয়। সি জানে যে আন্ধাৰৰ লগতহে মোৰ বেচি ৰাহি আছে।

পুৰবালা। পোহৰৰ লগত নহয় ? এইয়া বিনয় হৰলা ? অলপ নতুন যেন পাইছো !

অক্ষয়। মই কৈছিলো যে বেহাবাই মোক জোন বুলি সন্দেহ কৰিছে।

পুৰবালা। অ' তেনেহলে ভালেই। তাৰ দৰমহা বঢ়াই দিয়া। কিন্তু ৰসিকদাদা, আজিযে কি কামটো কৰিলা!

অক্ষয়। দৰা চে'ৰ পোৱা যায়, কিন্তু সকলোবোৰ বিবাহযোগ্য নহয়, তাৰে এটা সামান্য উদাহৰণ দেখুৱালো।

পুৰবালা। সেইটো উদাহৰণ নেদেখুৱাই দুই এটা বিবাহযোগ্য বৰৰ উদাহৰণ দেখুৱালেই ভাল আছিল।

শৈলবালা। সেই ভাৰ বাৰু মই লৈছো বাইদেউ।

পুৰবালা। সেইটো মই বুজিছো। তই আৰু তোৰ মুখাৰ্জী মহাশয় মিলি কেইদিনমানৰ পৰা যিৰকমৰ পৰামৰ্শ চলাইছ, কিবা কাণ্ড এটা নিশ্চয় ঘটিব।

অক্ষয়। আজিতো কিষ্কিন্ধ্যাকাণ্ড হৈ গল।

ৰসিক। লঙ্কাকাণ্ডৰ আয়োজনো চলিছে, চিৰকুমাৰ সভাৰ স্বৰ্ণলঙ্কাত জুই দিবলৈ ওলাইছো।

পুৰবালা। ইয়াৰ ভিতৰত শৈল কোন হব?

ৰসিক। হনুমান নহয় নিশ্চয়।

অক্ষয়। তেওঁ হৈছে স্বয়ং জুই।

ৰসিক। কোনোবা এজনে তেওক নেজত বান্ধি নিব।

পুৰবালা। মই একো বুজিব পৰা নাই। শৈল, তই চিৰকুমাৰ সভালৈ যাবিনেকি?

শৈলবালা। মই যে সভ্য হম।

পুৰবালা। কি কৈছ তাৰ ঠিক নাই। ছোৱালী আকৌ কি সভ্য হ'ব?

শৈলবালা। আজিকালিযে ছোৱালীবোৰো সভ্য হৈ উঠিছে, সেই দেখি মই শাৰী এৰি চাপকান পিন্ধিম বুলি ঠিক কৰিছো।

পুৰবালা। বুজিছো, ছদ্মবেশে সভ্য হবলৈ ওলাইছ হবলা। চুলিতো কটালিয়েই, বাকী আছিল সিমানেই। তোমালোকৰ যি মন যায় কৰা, মই এই বোৰৰ মাজত নাই।

অক্ষয়। তুমি কেতিয়াও এই দলৰ মাজত নোসোমাবা। অত্ত যাৰ মন যায়

পুৰুষ হওক, মোৰ অদৃষ্টত তুমি চিৰদিন ছোৱালী হৈয়েই থাকা, নহলে ব্ৰীচ অফ্ কন্‌ট্ৰেক্ট—সেই বোৰ বৰ ভয়ানক মোকৰ্দমা—

[গান]

চিৰপুৰণি জোন,
চিৰদিন এনেকৈয়ে থাকা তুমি সোন।
পুৰণি হাঁহি পুৰণি সুধা,
পুৰাব মোৰ পুৰণি ক্ষুধা,
নতুন কোনো মউপিয়াক
ভাগ নিদিবা চোন।

[পুৰবালাৰ প্ৰস্থান]

অক্ষয়। [শৈলবালাক আশ্বাস দি] ভয় নকৰিবা। গৰ্‌টো যাব গলেই মনটো পৰিষ্কাৰ হৈ যাব। অলপ অনুতাপো হ'ব। সেইটোৱেই সুযোগৰ সময়।

ৰসিক। কোপো যত্ৰ ভ্ৰুকুটিৰচনা, নিগ্ৰহো যত্ৰ মৌনং, যত্ৰান্যোন্যস্মিতমনুনয়ো যত্ৰ দৃষ্টিঃ প্ৰসাদঃ।

শৈলবালা। ৰসিকদাদা, তুমিতো বেচ শ্লোক আওৰাই গৈছা। কোপ বস্তুটো কি সেইটো মুখাৰ্জী মহাশয়ে বুজি পাব।

ৰসিক। মই সদাবলৈ ৰাজি আছো। মুখাৰ্জী মহাশয়ে যদি শ্লোক আওৰালে-হেতেন, আৰু মোৰ ওপৰত যদি কোপ পৰিলহেতেন, তেতিয়া হলে এই পোৰা কপাল সোন দি বন্ধাই থলোহেতেন।

শৈলবালা। মুখাৰ্জী মহাশয়—

অক্ষয়। [অত্যন্ত ত্ৰস্তভাবে] আকৌ মুখাৰ্জী মহাশয়! এই টিলিকা বালখিল্য মুনিসকলৰ ধ্যানভঙ্গ কৰাৰ কাৰবাৰত মই নাই!

শৈলবালা। ধ্যানভঙ্গ কৰিম আমি। কেৱল মুণিকুমাৰ সকলক এই ঘৰলৈ আনিব লাগে।

অক্ষয়। সভাই সৈতে উঘালি ইয়ালৈ আনিব লাগিব? যত দুঃসাধ্য কাম আছে সকলো এই মুখাৰ্জীৰ হতুৱাই কৰাবা?

শৈলবালা। [হাঁহি] মহাবীৰ হোৱাৰ অসুবিধা সেইটোৱেই। যেতিয়া গন্ধমাদনৰ দৰকাৰ হৈছিল, তেতিয়াতো কোনেও নল, নীল অঙ্গদৰ খবৰেই কৰা নাছিল।

অক্ষয়। হেৰা হওহুতি, ত্ৰেতা যুগৰ সেই মুখপোৰা (বান্দৰটোৰ) বাহিৰে উপমা দিবলৈ আৰু কাকো নেপালানে? ইমানেই প্ৰেম।

শৈলবালা। ওঁ তো, ইমান প্ৰেম!

[গান]

পোৰা মনত পোৰা মুখখনি কেৱল জাগে,
আছে অত লোক, তথাপি চকুত
আন কাৰো ছবি নেলাগে।

অক্ষয়। বাৰু সেয়ে হ'ব। চগাকেটাক জুই আঙনিৰ ওচৰলৈ খেদাই লৈ আহিম, তেনেহলে যোৱাচোন টপকৰে মোলৈ তামোল এখন লৈ আহা, তুমি নিজে কাটি আনিবা।

শৈলবালা। কিয় বাইদেউৰ হাতৰ—

অক্ষয়। বাইদেৱেৰৰ হাততো জোগাড় কৰিয়ে থৈছো, নহলে পাণিগ্ৰহণ কৰিলো কিয়? এতিয়া অন্য পদ্মহস্তলৈ চকু দিবলৈ অৱকাশ পোৰা গৈছে।

শৈলবালা। বাৰু মহাশয়, পদ্মহস্তই তোমাৰ পানত এনেকৈ চূণ দিব যে পোৰামুখ আকৌ পুৰিব।

অক্ষয়। [গান]

মৰণদশাই বাৰু পায়,
সিৱে মৰে শতেকবাৰ,
পোৰা পতঙ্গ যিমানেই পোৰে,
সিমানে সি জুইত জপিয়াই পৰে।

শৈলবালা। মুখাৰ্জী মহাশয়, কাগজৰ সেই টোপোলাটি কিহৰ?

অক্ষয়। তোমালোকৰ সেই সভ্য হোৱাৰ আবেদন পত্ৰ আৰু ভক্তিমাচুলৰ মহটকীয়া নট জেপত আছিল, শ্ৰীমান ধোবাই ধুই এনে পৰিষ্কাৰ কৰি দিলে যে এটা আখৰো দেখা পোৱা নেযায়। সি বোধ হয় স্ত্ৰীস্বাধীনতাৰ ঘোৰ বিৰোধী, সেই কাৰণে বোধ হয় তোমাৰ সেই পত্ৰখনি গোটেই শুধৰাই দিলে।

শৈলবালা। এয়ে হ'বলা—

অক্ষয়। চাৰিউটি মিলি মোৰ স্মৰণশক্তি গোটেইকণ সামৰি ললা, অন্য কথা মনত ৰাখিবৰ আৰু ঠাই ক'ত ?

[গান]

সকলো পাহৰি গল,
মোৰ ভোলা মন,
মাথোন পাহৰা নাই
সৌ চন্দ্ৰানন।

[শৈল আৰু ৰসিকৰ প্ৰস্থান]

[পুৰবালাৰ প্ৰবেশ]

অক্ষয়। স্বামীয়েই স্ত্ৰীৰ একমাত্ৰ তীৰ্থ। মানা নে নেমানা ?

পুৰবালা। মই এতিয়া গুৰুদেউৰ ওচৰত শাস্ত্ৰৰ বিধান বিচাৰি আহিছো-নেকি ? আজি মই মা'ৰ লগত কাশীলৈ গলালো। এই খবৰটো দি যাবলৈহে আহিলো।

অক্ষয়। খবৰটো সুখবৰ নহয়। শুনামাত্ৰে তোমাক শালচাদৰ বক্‌চিছ দিবৰ মন যোৱা নাই দেখোন।

পুৰবালা। ইস্, বুকু ফাটি গৈছেনেকি ? নে সহ্য কৰিব পৰা নাই ?

অক্ষয়। মই কেবল বৰ্ত্তমান বিচ্ছেদটোৰ কথাকে ভবা নাই। এতিয়া তুমি দুইতিন দিন নেথাকিলে, অন্য বিলাক আছে, এই হতভাগ্যৰ কোনো ৰকমে চলি যাব। কিন্তু ইয়াৰ পিচত কি হ'ব ? চোৱা, চোৱা, ধৰ্ম্মকৰ্ম্মত স্বামীতকৈ আগ বাঢ়ি নেযাবা। স্বৰ্গত যেতিয়া

তুমি ডবল প্ৰমোচন পাই গৈ থাকিবা, তেতিয়া মই পিচ পৰি থাকিম। তোমাক বিষ্ণুদূতে ৰথত তুলি লৈ যাব, আৰু মোক যমদূতে কানত ধৰি খোজকঢ়াই দৌৰাই ফুৰিব।

[গান]

স্বৰ্গত তোমাক নিব উৰাই,
পিচত মই যাম খোৰাই,
ইচ্ছা হ'ব হেন
বিষ্ণুদূতৰ টিকনিত ধৰি,
মূৰটো ভাঙি গুৰি কৰিম যেন।

পুৰবালা। বাৰু বাৰু ৰবা।

অক্ষয়। মই ৰ'ম? কেবল তুমিয়ে গৈ থাকিবা? উনবিংশ শতাব্দীৰ এই বন্দবস্ত? যোৱাই তেনেহলে?

পুৰবালা। যাওঁ।

অক্ষয়। মোক কাৰ হাতত সমৰ্পণ কৰি গলা?

পুৰবালা। ৰসিকদাদাৰ হাতত।

অক্ষয়। তিৰোতা মানুহ, হস্তান্তৰ কৰাৰ আইন মুঠেই নেজানা। সেই কাৰণেইতো বিৰহৰ অৱস্থাত উপযুক্ত হাত নিজেই বিচাৰিলৈ আত্মসমৰ্পণ কৰিব লগীয়া হয়।

পুৰবালা। তোমাৰতো বেচি বিচাৰিবৰ দৰকাৰ নহয়।

অক্ষয়। এৰা, নহয়।

[গান]

কাৰ যে হাতত শোধাম ই মোৰ প্ৰাণ,
তাকে ভাবি বেলা অৱসান,
সোঁ-কাললৈ যেতিয়া চাওঁ মই,
মনে কান্দে বাঁওৰ কথা ভাবি,
বাঁওৰ কালে ঘূৰিলে মই
লাগে আহি সোঁৰৰ মধুৰ টান,

বাক, মোৰ জানিবা সান্ত্বনাৰ কাৰণে দুই এটা সদুপায় আছে, কিন্তু তুমি—

বিৰহৰ নিশা কেনেকে কটাবা,
বিচ্ছেদ তাপত যেতিয়া দহিবা
ইফালে সিফালে বিচনা জুখিবা,
কেৱল শপিবা—

পুৰবালা। হ'ল হ'ল, ৰক্ষা কৰা, এই মিলটো ইমানতে শেষ কৰা।

অক্ষয়। দুখৰ সময়ত মই ৰ'ব নোৱাৰো, এনেয়ে কাব্য ওলাই আহে। মিল যদি ভাল নোপোৱা তেন্তে অমিত্ৰাক্ষৰ আছে, তুমি যেতিয়া বিদেশত থাকিবা মই আৰ্ত্তনাদ বধ কাব্য নামেৰে এখন কাব্য লিখিম। সখী তাৰ আৰম্ভটো শুনা—

[আড়ম্বৰেৰে]
বাষ্পীয় গাড়ীত উঠি নাৰী চূড়ামণি
পুৰবালা যেৰে গুচি গলা কাশীধামে,
আৰেলি, কোৱা হে দেবী অমৃত ভাষিণী
বৰমাল্যদানে বৰি কোন বৰাজনে
যাপিলে বিচ্ছেদ মাহ খুলশালী
তিনিটিৰ সতে, শ্ৰীঅক্ষয়ে—

পুৰবালা। [সগৰ্বে] মোৰে শপত খেয়ালি নহয়, তুমি এখন সচাসচি কাব্য লিখাচোন। মোৰ মূৰকে খোৱা—

অক্ষয়। মূৰ খোৱাৰ কথা যেতিয়া কলা, মই নিজৰ মূৰটি খোৱাৰ পিচত বুজিব পাৰিছো, যে বস্তুটিক সুখাদ্য বুলি ধৰিব নোৱাৰি। আৰু সেই কাব্য লেখা, সেই কামটিও সুসাধ্য বুলি নেভাবো। মোৰ বুদ্ধিত এঠাইত ফুটা আছে, কাব্য নজমে, ফুটাইদি টুপকৰে সৰি যায়।

জানা তুমি মোৰ বিৰিখত নধৰে কিয় গুটি,
ফুলটি ফুলা মানে আনি দিওঁহি চৰণ দুটিত।

কিন্তু মোৰ প্ৰশ্নৰ দেখোন কোনো উত্তৰ নেপালো। বৰ কৌতুহল হৈছে, মৰিম যেন লাগিছে। কাশীলৈ যে গলাইছা, ইমান উৎসাহ কি কাৰণে হৈছে? সম্ভৱতে বাৰু সেই বিষ্ণুদূতক মনে মনে ক্ষমাকে কৰিলো, কিন্তু ভগবান ভূতনাথ ভবানীপতিৰ অনুচৰ কেইটিৰ ওপৰত বৰ সন্দেহ হৈছে। শুনিছো নন্দী আৰু ভৃঙ্গীয়ে অনেক বিষয়ত মোকো হৰুৱাব পাৰে, ঘূৰি আহি হয়তো এই দাসক পছন্দ নহবও পাৰে।

পুৰবালা। মই কাশীলৈ নেযাও।

অক্ষয়। সেইটো আকৌ কি কথা? ভূতনাথৰ যিবোৰ ভৃত্য এবাৰ মৰি ভূত হল, সিহত যে দ্বিতীয়বাৰ আকৌ মৰিব।

[ৰসিকৰ প্ৰবেশ]

পুৰবালা। আজি দেখোন ৰসিকদাদাৰ মুখ বৰ প্ৰফুল্ল দেখিছো।

ৰসিক। তোমাৰ ৰসিকদাদাৰ সেই মুখৰ বেমাৰটো আৰু নগল। কথা নাই, বতৰা নাই, প্ৰফুল্ল হৈয়েই থাকে, বিবাহিত মানুহবোৰে দেখি মনে মনে খং কৰে।

পুৰবালা। শুনিলা নহয়, বিবাহিত লোক? ইয়াৰ এটা উপযুক্ত উত্তৰ দি যোৱা।

অক্ষয়। আমাৰ প্ৰফুল্লতাৰ খবৰ সেই বুঢ়াই কেনেকৈ জানিব? সি ইমান ৰহস্যময় যে আজিলৈকে কোনেও তাৰ সন্ধেদ উলিয়াব নোৱাৰিলে, সি ইমান গভীৰ যে আমিয়ে হাত দি বিচাৰি নেপাও, হঠাৎ সন্দেহ হয় আছে নে নাই।

পুৰবালা। এই যে হবলা! [খং কৰি গুচি যাব খোজে]

অক্ষয়। [তেওঁক ধুৰাই আনি] তোমাৰে শপত, এই মানুহটিৰ আগত খং-ৰাগ নকৰিবা। তেতিয়া হলে এওঁৰ আস্পৰ্দ্ধা আৰু বাঢ়ি যাব। চোৱা, দাম্পত্যতত্ত্ব নজনা বুঢ়া, আমি যেতিয়া খং কৰো, তেতিয়া স্বাভাৱিকতে আমাৰ মাত ডাঙৰ হয়, সেইটোকে তোমালোকে শুনিবলৈ পোৱা, আৰু অনুৰাগত যেতিয়া আমাৰ কণ্ঠৰুদ্ধ হৈ মাত

নোলায়, কানৰ ওচৰলৈ মুখ আনিব খুজিলে, বাৰে বাৰে মুখ লক্ষ্যভ্রষ্ট হয়, তেতিয়াতো খবৰ নোপোৱা।

পূৰবালা। আঃ, মনে মনে থাকা।

অক্ষয়। যেতিয়া গহনাৰ তালিকা প্রস্তুত হয়, তেতিয়া ঘৰৰ গৃহস্থৰ পৰা লগুৱালৈকে সেইটো কোনেও নজনাকৈ নেথাকে, কিন্তু ফাগুণী নিশাত প্রেয়সীয়ে যেতিয়া—

পূৰবালা। আঃ, বন্ধ কৰা।

অক্ষয়। ফাগুণী নিশাত প্রেয়সীয়ে—

পূৰবালা কি যে কৈছা তাৰ ঠিক নাই।

অক্ষয়। বসন্ত নিশাত প্রেয়সীয়ে যেতিয়া গর্জন কৰি কয়—কালিলৈকে মই আইৰ ঘৰলৈ গুচি যাম, ইয়াত মোৰ এখন্তকো থাকিবৰ মন যোৱা নাই, মোৰ হাড় ক'লা হল—মোৰ—

পূৰবালা। পিছচ মহাশয়, কোন দিনা তোমাৰ প্রেয়সীয়ে আইৰ ঘৰলৈ গুচি যাম বুলি বসন্ত নিশাত গর্জন কৰিছিল ?

অক্ষয়। বুৰঞ্জীৰ পৰীক্ষা লব খুজিছা ? কেবল ঘটনা ৰচনা কৰি নিষ্কৃতি পোৱাৰ উপায় নাই ? চন তাৰিখ সকলোবোৰ মুখে মুখে সাজি ক'ব লাগিব ? মই জানো সিমান প্রতিভাশালী ?

ৰসিক। [পূৰবালাক] বুজিছা পূৰ, পোণকৈ তেওঁ তোমাৰ কথা ক'ব নোৱাৰে, সেইদেখি ওভোটাকৈ কয়, পোনাই কোৱাৰ তেওঁৰ শক্তিয়েই নাই। আদৰে স্তুতিৰিলে গালি পাৰি আদৰ কৰিব লাগে।

পূৰবালা। বাক মল্লিনাথজী, তুমি আৰু ব্যাখ্যা কৰিব নেলাগে। মাই যে শেষত তোমাকে কাশীলৈ লৈ যাবলৈ ঠিক কৰিছে।

ৰসিক। তেনে ভালেই হৈছে। ইয়াত আৰু ভয়ৰ কথা কি আছে ? তীর্থলৈ যোৱাৰতো বয়সেই হৈছে। এতিয়া আৰু তোমালোকৰ বঙা চকুৱে এই বুঢ়াৰ একো কৰিব নোৱাৰে, এতিয়া চন্দ্রচূড়ৰ চৰণত চিত্ত—

মুগ্ধস্নিগ্ধবিদগ্ধলুব্ধমধুৰৈর্লোলৈঃ কটাক্ষৈৰলং
চেতঃ সম্প্রতি চন্দ্রচূড়চৰণধ্যানামৃতে বর্ত্ততে।

পুৰবালা। সেইটোতো বৰ ভাল কথা। তোমাৰ ওপৰত আৰু কটাক্ষৰ অপব্যয় নকৰো, এতিয়া ব'লা চন্দ্ৰচূড়চৰণলৈ। তেনেহলে মা'ক মাতো—

ৰসিক। [কৰজোৰে] বৰ বাইদেউ, তোমাৰ মা'ৰাই মোক সংশোধন কৰিবৰ বহুত চেষ্টা কৰিছে, কিন্তু সংস্কাৰকাৰ্য্য অলপ অসময়ত আৰম্ভ কৰিলে তেওঁৰ শাসনে আৰু এতিয়া কোনো ফল নিদিয়ে। বৰং এতিয়াও নষ্ট হোৱাৰ বয়স আছে, বিধাতাৰ কৃপাত সেই বয়স সদায় থাকে. লুভীয়া কটাক্ষ শেষকাল পৰ্য্যন্ত কামত খাটে, কিন্তু উদ্ধাৰৰ বয়স আৰু নাই। তেখেত এতিয়া কাশীলৈ যাবলৈ ওলাইছে, কিছুদিনৰ কাৰণে এই বুঢ়া লৰাটিৰ বুদ্ধিভাণ্ডৰ উন্নতি সাধনৰ দুৰাশা পৰিত্যাগ কৰি অলপ শান্তিৰে থাকক। তেওঁক কিয় কষ্ট দিবা ?

[জগত্তাৰিণীৰ প্ৰবেশ]

জগত্তাৰিণী। বোপাই, মই তেনেহলে আহিছো—

অক্ষয়। যায় নেকি মা ? ৰসিকদাই যে ইমানপৰে দুখ কৰিছিলে যে আপুনি—

ৰসিক। [ব্যাকুলভাবে] দাদাৰ সকলো কথাতেই ঠাট্টা, মা, মোৰ কোনো দুখ নাই, মই কেলেই দুখ কৰিম ?

অক্ষয়। কিয় তুমি কোৱা নাছিলা ৰবআইতি অকলেই কাশীলৈ যাবলৈ ওলাইছে, মোক নিনিয়ে।

ৰসিক। ওঁ সেইটোতো ঠিক কথা। মতভো অলপ লাগিবই। পিচে বোলো মাই যদি নিতাহুই—

জগত্তাৰিণী। নহয় বোপাই, বিদেশত তোমালোকৰ ৰসিকদাদাক কোনে চম্ভালিব ? তাকলৈ মোৰ ঘূৰাফিৰা কৰা নহব।

পুৰবালা। কিয় মা, ৰসিকদাদাক লৈ গলে তেওঁ তোমাক চোৱাচেলা কৰিব পাৰিলেহেঁতেন।

জগত্তাৰিণী। থ আই, মোক দেখাশুনা কৰিব নেলাগে, ৰসিকৰ বুদ্ধিৰ পৰিচয় বহুত পাই থৈছো।

ৰসিক। [টপা মূৰত হাত বুলাই] পিচে মা, কিবা বুদ্ধি আছে তাৰ

চিনাকি সদায় যি আছো, তাকতো আৰু লুকাই ৰাখিব নোৱাৰি, ধৰা পৰিবই। যিটো চকা ভগা সেইটোৱেই বেচি কেবেক কেবেক কৰে সিযে ভগা সেই কথা গোটেইখন চুবুৰিয়ে গম পায়। সেই দেখি বৰঅাইতি, মনে মনেই থাকিবলৈ বিচাৰো, কিন্তু তুমিও আকৌ চলাবলৈ নেৰা।

জগত্তাৰিণী। মই তেনেহলে হাবানৰ ঘৰলৈ যাওঁ, সিহঁতৰ লগতে একেবাৰে গাড়ীত উঠিম। ইয়াৰ পিচত আৰু যাত্ৰাৰ সময় নাই। পুৰ, তহঁতেতো দিনক্ষণ নেমান, টেচনলৈ ঠিক সময়ত যাবি।

পুৰবালা। মা, মই কাশীলৈ নেযাও।

[হঠাৎ পুৰবালাৰ অসম্মতিত অস্থবিধাত পৰি, জগত্তাৰিণীয়ে তেওঁৰ জোঁৱায়েকৰ মুখলৈ চালে]

অক্ষয়। [শাহুৱেকৰ মনৰ ভাব বুজি] সেইটো কেনেকৈ হ'ব। তুমি মাৰ লগত নগলে তেখেতৰ অসুবিধা হ'ব। বাক মা, আপুনি আগ বাঢ়ক, মই এওঁক ঠিক সময়ত টেচনলৈ লৈ যাম।

[নিশ্চিন্ত হৈ জগত্তাৰিণীয়ে প্ৰস্থান কৰিলে, ৰসিকে মুৰত হাত ফুৰাই বিদায়ৰ সময়ত বেজাৰ লগাৰ বিমৰ্ষতাৰ ভাব মুখলৈ আনিবৰ চেষ্টা কৰিলে]

[পুৰুষ বেশধাৰী শৈলৰ প্ৰবেশ]

অক্ষয়। কোন হে, কোন আপুনি ?

শৈলবালা। ডাঙৰীয়া, আপোনাৰ সহধৰ্ম্মিনীৰ লগত মোৰ বিশেষ সম্বন্ধ আছে। [অক্ষয়ৰ লগত হেণ্ডচেক কৰি] মুখাৰ্জী মহাশয়, চিনিবতো নোৱাৰিলা ?

পুৰবালা। অবাক কৰিলি! লাজ লগা নাইনে ?

শৈলবালা। নাইদেউ, লাজ যে তিৰোতা জাতিৰ ভূষণ। পুৰুষৰ বেশ ধৰিবলৈ গলেই লাজ পৰিত্যাগ কৰিব লগীয়া হয়, তেনেকৈ মুখাৰ্জী মহাশয়ে ৰদি তিৰোতাৰ সাজ পিন্ধে, আকত তেওঁ মুখ দেখুৱাব নোৱাৰা হব। ৰসিকদাদা বেখোন মনে মনে থাকিল ?

ৰসিক। আহা, শৈল যেন কিশোৰ কন্দৰ্প। যেন সাক্ষাৎ কুমাৰ, ভৱানীৰ কোলাৰ পৰা উঠি আহিছে! তেওঁক সভায় শৈল বুলিয়েই দেখি আহিছো, চকুৰ অভ্যাস হৈ গৈছিল। তেওঁ ধুনীয়া, সে মজলীয়া ধৰণৰ, সে কোনোমতে চলিবোৱা বিধৰ, সেই কথা কোনো দিন মনলৈকে অহা নাছিল। আজি সেই বেশ সলনি কৰিছে বুলিয়েইতো তেওঁৰ আচল ৰূপ ধৰা পৰিল। পুৰবালা, কিহৰ লাজৰ কথা কৈছা, মোৰ এনেহে মন গৈছে যেন তেওঁক কাষলৈ টানি আনি মূৰত হাত দি আশীৰ্ব্বাদ কৰিম।

অক্ষয়। [চেনেহমিহলি গাম্ভীৰ্য্যেৰে ছদ্মবেশিনীলৈ অলপ পৰ চাই থাকি] সচাকৈ কৈছো শৈল, তুমি যদি মোৰ খুলশালী নহৈ মোৰ ভাই হলাহেঁতেন, তেতিয়াও মই আপত্তি নকৰিলোহেঁতেন।

শৈলবালা। [অলপ বিচলিত হৈ] মইও নকৰিলোহেঁতেন মুখাৰ্জী মহাশয়।

পুৰবালা। [শৈলক বুকলৈ চপাই লৈ] এই বেশেৰে তই কুমাৰ সভাৰ সভ্য হবলৈ ওলাইছ ?

শৈলবালা। অন্ত বেশেৰে হবলৈ গলে যে ব্যাকৰণৰ দোষ হয়, বাইদেউ, কি কোৱা ৰসিকদাদা ?

ৰসিক। সেইটোতো ঠিকেই। ব্যাকৰণ ৰক্ষা কৰিবতো চলিবই লাগিব। ভগবান পানিনি, বোপদেৱ এওঁলোকে জন্মগ্ৰহণ কৰিছিল কিয় ? কিন্তু শ্ৰীমতী শৈলবালাৰ উত্তৰ চাপকান প্ৰত্যয় কৰিলেই জানো ব্যাকৰণ ৰক্ষা পৰিব ?

অক্ষয়। নতুন মুগ্ধবোধত তেনেকৈয়ে লিখা আছে। মই দেখি দিব পাৰো। চিৰকুমাৰ সভাৰ মুগ্ধস্তক শৈলই যেনেকৈ প্ৰত্যয় কৰাব, সিহঁত তেনেকৈয়ে প্ৰত্যয় যাব। কুমাৰত্বৰ ধাতু মই জানো।

পুৰবালা। [এটা হুমনিয়াহ কাঢ়ি] তোৰ মুখাৰ্জী মহাশয়, আৰু এফেৰুৱীয়া এই বুঢ়াৰ লগত তই তোৰ খেল আৰম্ভ কৰ, মই যাব লগত কাপীলৈ ওলালো।

[পুৰবালাই বস্তু বাহানি সামৰিবলৈ গল, এনে সময়তে নৃপবালা আৰু নীৰবালা মৰত লোৱাৰেই ওলাই লব খাবিন খুজিলে, নীৰৱই

দুৱাৰৰ আঁৰত ৰৈ আছো এবাৰ ভালকৈ চাই মাজু বাইদেউ বুলি লৰি আহিল]

নীৰবালা। মাজু বাইদেউ, তোমাক সাৱটি ধৰিবৰ মন গৈছে। কিন্তু সেই চাপকনে বাধা দিছে। মনত লাগিছে যেন তুমি কোনোবা সাধুকথাৰ ৰাজকোঁৱৰ, দেশ দেশান্তৰ পাৰ হৈ আমাক উদ্ধাৰ কৰিবলৈ আহিছা।

[নীৰৰ ভাঙৰকৈ কোৱা কথা শুনি নৃপও সোমাই আহিল, আৰু মুগ্ধ হৈ শৈললৈ চাই ৰ'ল]

নীৰবালা। [তাইক টানি আনি] এনেকৈ লুভীয়াৰ দিচিনাকৈ চাই আছ কিয় ? তই যি ভাবিছ সেইটো নহয়, এওঁ তোৰ দুমন্ত নহয়, তেওঁ আমাৰ মাজু বাইদেউ।

ৰসিক। ইয়মধিকমনোজ্ঞা চাপ কানেনাপি তন্বী
কিমিৱ হি মধুৰাণাং মণ্ডনং নাকৃতীনাম্।

অক্ষয়। অকৰাহত, তোমালোক কেৱল চাপকনটো দেখিয়ে মুগ্ধ হলা, গিল্‌টিৰ ইমান আদৰ! এইকালে যে খাটি সোন বৈ আছে হাহাকাৰ কৰি।

নীৰবালা। আজিকালি খাটি সোনৰ দাম বৰ বেচি, আমাৰ কাৰণে এই গিল্‌টিয়েই ভাল। কি কোৱা মাজু বাইদেউ ?

[শৈলৰ কৃত্ৰিম গোফখিনি অলপ পকাই দিলে]

ৰসিক। [নিজক দেখুৱাই] এই খাটি সোনবিধ খুব সস্তাতে যায় এতিয়া, এতিয়ালৈকে কোনো টাকশালৰ কোনো মহাৰাণীৰ চাপ গাত পৰা নাই।

নীৰবালা। ভাল কথা, খাটি সোন মাজু বাইদেউকে দান কৰিলো। [ৰসিকৰ হাতত ধৰি নৃপৰ হাতত সমৰ্পণ কৰিলে] মান্তি হৈছা তো ?

নৃপবালা। বাক মই মান্তি হৈছো।

[ৰসিকক এখন চকীত বহুৱাই, পকা চুলি কাঢ়িব ধৰিলে, নীৰই শৈলৰ কৃত্ৰিম গোফত তাও দিব ধৰিলে—প্যাক মুৱাৰৰ চেষ্টা কৰি]

শৈলবালা। আঃ কি কৰিছ, মোৰ গোফ পৰি যাব!

ৰসিক। কি দৰকাৰ, চাওঁ এইপিনে আহা, এই গোফ কেতিয়াও নপৰে।

নীৰবালা। আহিলানে আকৌ! বাইদেউক গটাই দিয়া নাছিলোনে? বাৰু ৰসিকদাদা, তোমাৰ মুৰত দুই এতাল চুলি এতিয়াও বেচা আছে, কিন্তু গোফ সকলোবোৰ পকিল কেনেকৈ?

ৰসিক। কোনো কোনোৰ মুৰটো পকাৰ আগতে মুখখন পকে।

অক্ষয়। তেনে হলে মই এবাৰ চিৰকুমাৰ সভাৰ মুৰত হাত বুলাই আহো।

নীৰবালা। [গান]

জয়যাত্রাত যোৱা,
তোমাৰ জয়ৰথত উঠা,
আমি জয়মালা গাঁঠি,
আশা পালি বহি ৰম।
আচলেৰে ঢাকি থম বাটৰ ধুলি,
হে বিজয়ী যেতিয়া আহিবা ঘূৰি,
হিয়াত বৰণ কৰি
বুকলৈ লম তুলি।

অক্ষয়। ৰথ প্রস্তুত, এতিয়া কি আনিম, কোৱা।

নীৰবালা। [গান]

সজল চকুত আঁকা হাঁহিৰ ৰেখা,
এই শুভ্র বদনিত পৰক নব বসন্তৰ
শোভাৰ ৰেখা।
আজাৰ ঘৰ পোহৰ কৰি জলোৱা
সোনৰ চাকি।
বাতিৰ কপালত জোনৰ তিলক
দিয়া আঁকি।

অক্ষয়। বাকীবোৰ ঠিক আছে, কিন্তু তোমাৰ তালিকাৰ ভিতৰত সোনৰ

চাকিটোতে অলপ আচহুৱা যেন পাইছো। যাক, চোৰৰ ক্ৰটি নহয়।

নীৰবালা। বাইদেউহঁতৰ সজা কোনটো ঘৰত থাকিব, মুখাৰ্জী মহাশয় ?

অক্ষয়। মোৰ বহা ঘৰত।

নীৰবালা। তেনেহলে সেই ঘৰটো অলপ সজাই মেলি দিওগৈ।

অক্ষয়। যিমানদিন মই সেই ঘৰটো ব্যৱহাৰ কৰিলো, এদিনো সজাবৰ মন নগল হ'বলা ?

নীৰবালা। তোমাৰ কাৰণে ঝড়ু বেহাৰা আছে, তেও হেপাহ নপলাল হবলা ?

[পুৰবালাৰ প্ৰবেশ]

পুৰবালা। কি হৈছে তহঁতৰ ?

নীৰবালা। মুখাৰ্জী মহাশয়ৰ ওচৰত অলপ পঢ়া শিকিবৰ কাৰণে আহিছো বাইদেউ। পিচে তেওঁ কৈছে বোলে তেওঁৰ থাকিবৰ ঘৰটো ভালকৈ সজাই পৰাই নিদিলে তেওঁ নপঢ়ায়। সেইদেখি মাজুবাইদেৱে মৰে তেওঁৰ ঘৰটো সজাব পৰাবৰ কাৰণে যাওঁ। যাওঁ দেই।

নৃপবালা। তোৰ মন গৈছে, তই ঘৰ সজাবলৈ যা, মই নেযাওঁ।

নীৰবালা। যাক অ', মই অকলে খাটি মৰিম, আৰু অন্য সকলোৱে তাৰ ফল পাব—সেইটি নহব।

[নৃপক ধৰি লৈ গল]

পুৰবালা। সকলো সামৰি-সুতৰি ললো। এতিয়াও বেলা যাবলৈ দেৰি আছে বোধহয়।

অক্ষয়। মিচ কৰিব খোজা যদি, বহুত দেৰি আছে।

দ্বিতীয় অঙ্ক

প্ৰথম দৃশ্য

চন্দ্ৰবাবুৰ ঘৰ। চিৰকুমাৰ সভাৰ ঘৰ

[শ্ৰীশ আৰু বিপিন]

শ্ৰীশ। তোমালোকে যি কোৱা লাগিলে অক্ষয়বাবু যেতিয়া আমাৰ সভাত আছিল, তেতিয়া আমাৰ চিৰকুমাৰ সভা বেচ জমিছিল। আমাৰ সভাপতি চন্দ্ৰবাবু অলপ কাঢ়া।

বিপিন। তেওঁ থাকোতে ৰস জমিছিল কিছু বেচি, চিৰকৌমাৰ্য্য ব্ৰতৰ পক্ষে ৰসাধিক্য ভাল নহয়, এই মোৰ মত।

শ্ৰীশ। মোৰ মত ঠিক বিপৰীত। আমাৰ ব্ৰত কঠিন কাৰণেই ৰসৰ দৰকাৰ বেচি। শুকান মাটিত খেতি কৰিব খুজিলে জানো পানী দিব নেলাগে? চিৰজীৱন বিয়া নকৰাও, এই প্ৰতিজ্ঞাই যথেষ্ট, সেই বুলি সকলো কালে শুকাই মৰিব লাগিবনে?

বিপিন। তোমালোকে যি কোৱা, হঠাৎ কুমাৰ সভা এৰি দি, বিয়া কৰাই অক্ষয়বাবুৱে আমাৰ সভাখনক যেন অন্ত ৰকমৰ কৰি গল। ভিতৰি ভিতৰি আমাৰ সভাৰ প্ৰত্যেকজনৰে প্ৰতিজ্ঞাৰ শক্তি কমি গৈছে।

শ্ৰীশ। অকনো নাই কমা। মোৰ নিজৰ কথা ক'ব পাৰো, মোৰ প্ৰতিজ্ঞাৰ শক্তি আৰু বাঢ়িছে। যি ব্ৰত সকলোৱে অনায়াসে ৰক্ষা কৰিব পাৰে, তাৰ ওপৰত শ্ৰদ্ধা নেথাকে।

বিপিন। এটা সুখবৰ দিও শুনা।

শ্ৰীশ। তোমাৰ বিয়াৰ দিহা হৈছেনেকি?

বিপিন। হৈছেতো—তোমাৰ নাতিনীয়েৰৰ লগত। যেমালি থোৱা। পূৰ্ণ কালি কুমাৰ সভাৰ সভ্য হৈছে।

শ্ৰীশ। পূৰ্ণ। কি কোৱা, জেনে হলে যেখোন শিল পানীত ওপঙিল।

বিপিন। শিল নিজে নোপঙেহে। তাক অন্ত কিবাই উটাইছে বুৰাইছে।

শ্ৰীশ। অ' বিপিন, পূৰ্ণ যে খামাখা চিৰকুমাৰ সভাৰ সভ্য হল, তাৰ তো কোনো কাৰণ বিচাৰি পোৱা নেযায়। এই সভাৰ কৈশিকাকৰ্ষণ, মাধ্যাকৰ্ষণ, চুম্বকাকৰ্ষণ প্ৰভৃতি কোনো আকৰ্ষণৰ আহকাল নাই।

বিপিন। কোনে কয় নাই। পৰ্দাৰ আঁৰত আছে।

শ্ৰীশ। আক অলপ মুকলিকৈ কোৱা। তোমাৰ বুদ্ধিটো কিমান চোৱা যাওক।

বিপিন। পূৰ্ণ এই সভাৰ সভ্য হোৱাৰ পিচৰ পৰা মই লক্ষ্য কৰিছো যে তেওঁৰ চকুদুটি সদায় দুৱাৰৰ কালৰ সউ পৰ্দাখনৰ ৰহস্য ভেদ কৰিবৰ কাৰণে নিবিষ্ট হৈ থাকে। কাৰণ বিচাৰি গম পালো পৰ্দাৰ তলৰ ফাকেদি দুখনি ভৰি দেখা যায়। দেখিলেই বুজিব পাৰি, যাৰ মনে সেই দুখনি চৰণৰ ফালে বিচৰণ কৰে, তেওঁ কুমাৰ-ব্ৰত ৰক্ষা কৰোতে অলপ বিব্ৰত হ'ব।

শ্ৰীশ। সেই চৰণযুগলৰ চৰম তত্ত্ব ধৰিব পাৰিলানে? যাক অলপকৈ জানিলে মন উতলা হয়, বহুত সময় তাক সম্পূৰ্ণকৈ জানিলে মনে শান্তি পায়। চৰণ দুখনি কাৰ শুনোচোন।

বিপিন। তেনেহলে ইতিহাসটো কওঁ শুনা। জানাইতো সভ্যিয়াপৰত পূৰ্ণই চন্দ্ৰবাবুৰ ওচৰত পঢ়াৰ নোট লবলৈ যায়। সিদিনা মই আৰু পূৰ্ণ একেলগে অলপ সোনকালে চন্দ্ৰবাবুৰ ঘৰ পালোগৈ। তেওঁ তেতিয়া এখন সভাৰ পৰা আহি পাইছে মাত্ৰ। বেহাৰাই চাকি জলাই থৈ গৈছে, পূৰ্ণই কিতাপৰ পাত লুটিয়াইছে, এনে সময়ত— কি কম ভাই—যেন বঙ্কিমবাবুৰ কোনোবা এখন অলিখিত উপন্যাসৰ ভিতৰৰ পৰা ওলাই আহিল এক কন্যা—তাৰ পিচত ওলমিছে বেণী—

শ্ৰীশ। কি, কি কৈছা বিপিন?

বিপিন। শুনাচোন আগে। এহাতত এখন থালত চন্দ্ৰবাবুৰ কাৰণে জলপান, আন হাতত এগিলাচ পানী লৈ হঠাৎ ঘৰৰ ভিতৰত আহি উপস্থিত হল। আমাক দেখিয়েই কুণ্ঠিত, সচকিত; লাজত মুখ ৰঙা পৰিল। দুয়ো হাতত বস্তু, মূৰত ওৰণি লবৰ উপায় নাই।

দোৱাদোৱিকৈ যেজৰ ওপৰত পানী-জলপান খৈয়েই যাবিলে লব। পূৰ্ব্ব মুখ দেখিয়ে বুজা গল, তেওঁৰ মনে চাপলি মেলিছে নাচি থকা বেণীৰ পিচে পিচে। ব্ৰাহ্ম অবশ্যে, কিন্তু তেত্ৰিশ কোটিৰ লগত লজ্জা বিসৰ্জ্জন দিয়া নাই, আক সচাই কৈছো, শ্ৰীও ৰক্ষা কৰিছে।

শ্ৰীশ। কি কলা বিপিন? দেখিবলৈ ভাল তেনে?

বিপিন। দেখিবলৈ ধুনীয়া। হঠাৎ যেন বিজুলীৰ দৰে আহি পঢ়াশুনাত বজ্ৰাঘাত কৰি গল।

শ্ৰীশ। ইস্ ক'তা! মইতো এদিনো দেখা নাই। ছোৱালিটি কোন হে?

বিপিন। আমাৰ সভাপতিৰ ভাগিনীয়েক, নাম নিৰ্ম্মলা।

শ্ৰীশ। ভাগিনী? সৰ্ব্বনাশ! ইয়াতে থাকে?

বিপিন। অকনো সন্দেহ নাই। সভাপতি ডাঙৰীয়া নিজে নিৰোগ, কিন্তু ৰোগৰ সঙ্কুৰা লৈ ফুৰায়।

শ্ৰীশ। কিন্তু কোনো ভাগিনজোঁৱাইৰ আহুকাল নাই হবলা?

বিপিন। সেই আহুকালটি অপৰিণীতভাবে চিৰকুমাৰ সভাত সোমাইছে, পূৰ্ণ পৰিণত আকাৰত যেতিয়া ওলাই আহিব, তেতিয়া প্ৰজাপতিয়ে কুমাৰ-সভাৰ গুটি ফুটুৱাই দিব।

শ্ৰীশ। তেওঁ তেনেহলে কুমাৰী?

বিপিন। কুমাৰী নহয় কি? কুমাৰ-সভাৰ মহামাৰী। এই ঘটনাৰ ঠিক পিচতে পূৰ্ণই হঠাৎ আহি আমাৰ কুমাৰ-সভাত নাম লগলেহি।

শ্ৰীশ। পূজাৰীৰ বেশ লৈ গোসাই চুৰ কৰাৰ মৎলব। ময়ো তেনে কথাটিত চকু দিব লগা হল।

বিপিন। নাৰীতত্ত্বৰ গবেষণা স্বাস্থ্যকৰ নহবও পাৰে।

শ্ৰীশ। তোমাৰ স্বাস্থ্য যদি হানি নহয়, তেন্তে মোৰো—

বিপিন। প্ৰথমতে ৰোগ প্ৰবেশ কৰাৰ কথা ধৰা নপৰে। কিন্তু কুমাৰৰ মাৰ যেতিয়া ভিতৰৰ পৰা ওলাই আহিব, তেতিয়া অশ্বিনীকুমাৰেৰো ৰক্ষা কৰিবৰ সাধ্য নাই। প্ৰথমেই সাৱধান হোৱা ভাল।

[এজন আদহীয়া মানুহৰ প্ৰবেশ]

বিপিন। কি ডাঙৰীয়া, আপুনি কোন?

আগন্তুক। মোৰ নাম শ্ৰীবনমালী ভট্টাচাৰ্য্য, পিতাৰ নাম ৺ৰামকমল ন্যায়চুঞ্চু, নিবাস—

শ্ৰীশ। আৰু নকলেও হ'ব। এতিয়া, কিয় আহিছে সেইটো—

বনমালী। কাম একো নাই। আপোনালোক ভদ্ৰলোক, আপোনালোকৰ লগত আলাপ-পৰিচয়—

শ্ৰীশ। আপোনাৰ কাম নেথাকিব পাৰে, আমাৰ আছে। এতিয়া অন্য কোনো ভদ্ৰলোকৰ লগত যদি আলাপ-পৰিচয় কৰিবলৈ যায়, তেতিয়া হলে আমাৰ অলপ—

বনমালী। তেনে হলে কামৰ কথাখিনি শেষ কৰি—

শ্ৰীশ। সেয়ে ভাল।

বনমালী। কুমাৰটুলিৰ নীলমাধৱ চৌধুৰীৰ দুটি পৰমাসুন্দৰী ছোৱালী আছে, তেওঁলোকৰ বিয়াৰ বয়স হৈছে—

শ্ৰীশ। হৈছে বুলি হৈছে, তাৰ লগত আমাৰ সম্বন্ধ কি ?

বনমালী। আপোনালোকে অলপ মনোযোগ দিলেই সম্বন্ধটো হ'ব পাৰে। সেই টোনো কি টান কথা ! মই সকলো ঠিক কৰি দিম।

শ্ৰীশ। আপোনাৰ ইমান দয়া অপাত্ৰত অপব্যয় কৰিছে।

বনমালী। অপাত্ৰ ! ভাল কৈছে। আপোনালোকৰ নিচিনা সৎপাত্ৰ ক'ত পাম ? আপনালোকৰ বিনয় দেখি আৰু মুগ্ধ হৈছো।

শ্ৰীশ। এই মুগ্ধভাব যদি ৰাখিব খোজে, এতিয়া ইয়াৰ পৰা যাওক, বিনয়গুণে অধিক টান সহিব নোৱাৰে।

বনমালী। কন্যাৰ দেউতাক যথেষ্ট টকা দিবলৈ ৰাজী আছে।

শ্ৰীশ। চহৰত তো মগানিয়াৰ অভাৱ নাই। অ' বিপিন, তুমি আমোদ পাইছা, কিন্তু এনে ধৰণৰ সদালাপ মোৰ ভাল নেলাগে।

বিপিন। পলায় কলৈ ? ভগৱানে যে এওঁকো দুখন দীঘল ভৰি দিছে।

শ্ৰীশ। যদি পিচ লয়, তেন্তে ভগৱানৰ সেই দান মানুহৰ হাতত হেৰুৱাব লাগিব।

বনমালী। মৰেই যাওঁ।

[প্ৰস্থান]

[চন্দ্ৰমাধৱবাবুৰ প্ৰবেশ]

চন্দ্ৰবাবু। পূৰ্ণ—

শ্ৰীশ। হয়, মই শ্ৰীশহে।

চন্দ্ৰবাবু। আমাৰ এই সভাৰ সভ্যসংখ্যা কম হোৱাৰ কাৰণে, কাৰো হতাশাস হ'বৰ কাৰণ নাই।

শ্ৰীশ। হতাশাস? সেয়েতো আমাৰ সভাৰ গৌৰৱ। এই সভাৰ মহৎ আদৰ্শ আৰু কঠিন বিধান জানো সৰ্ব্বসাধাৰণৰ উপযুক্ত? আমাৰ সভা তাকৰীয়া মানুহৰ সভা।

চন্দ্ৰবাবু। [কাৰ্য্যবিবৰনীৰ বহীটো চকুৰ আগত দাঙি ধৰি] কিন্তু আদৰ্শ উন্নত আৰু বিধান কঠিন কাৰণেই বিনয় ৰক্ষা কৰা আমাৰ কৰ্ত্তব্য; সদায় মনত ৰখা উচিত যে আমি আমাৰ সঙ্কল্প সাধনাৰ যোগ্য নহবও পাৰো। ভাবি চোৱা, পূৰ্ব্বে আমাৰ মাজত এনে বহুত সভ্য আছিল যি হয়তো আমাতকৈ সৰ্ব্বাংশে মহত্তৰ আছিল। কিন্তু নিজৰ সুখ আৰু সংসাৰৰ প্ৰবল আকৰ্ষণত তেওঁলোকো এজন এজনকৈ লক্ষ্যভ্ৰষ্ট হৈ পৰিছে। আমাৰ কেজনৰ বাটতো যে প্ৰলোভনে ক'ত বাটচাই আছে কোনেও ক'ব নোৱাৰে। সেই কাৰণে আমি দম্ভ পৰিত্যাগ কৰিম, আৰু কোনো ৰকমৰ শপতেৰেও আমি বান্ধ খাবলৈ নিবিচাৰো। আমাৰ মত এই যে কোনোদিন মহৎ চেষ্টাক মনত ঠাই নিদিয়াতকৈ চেষ্টা কৰি অকৃতকাৰ্য্য হোৱা ভাল।

[ওচৰৰ ঘৰৰ অলপ মুকলি হৈ থকা দুৱাৰৰ আৰত থকা কোনোবা যে এই কথাত অলপ বিচলিত হৈ উঠিল, আৰু তেওঁৰ আচলত বান্ধি থোৱা চাবিকোচাৰ দুটামান চাবি যে ঝুনুককৈ বাজি উঠিল এই কথা পূৰ্ণৰ বাহিৰে আন কোনোৱে লক্ষ্য নকৰিলে।]

চন্দ্ৰবাবু। আমাৰ সভাখনক বহুতেই হাঁহে। বহুতে কয় তোমালোকে দেশৰ কাম কৰিবৰ কাৰণে কৌমাৰ্য্যব্ৰত গ্ৰহণ কৰিছা, কিন্তু সকলো যদি এই মহৎ প্ৰতিজ্ঞাত আবদ্ধ হয়, তেনেহলে পঞ্চাশ বছৰ পিচত দেশত কোন এনেকুৱা মানুহ থাকিব, যাৰ কাৰণে

কাৰোবাৰ কিবা কাম কৰাৰ দৰকাৰ থাকিব? মই প্ৰায়ে মনে মনে এই পৰিহাস শুনি থাকো, একো নকও। কিন্তু ইয়াৰ জানো কোনো উত্তৰ নাই?

[তেওঁ সভ্য তিনিজনৰ ফালে চালে]

পূৰ্ণ। [নেপথ্যৰ মহিলা গৱাক্ষীৰ কথা মনত পেলাই সাহসেৰে] কিয় নেথাকিব? সকলো দেশতে এনেকুৱা মানুহ আছে যি সংসাৰী হবৰ কাৰণে জন্ম গ্ৰহণ কৰা নাই, সিহঁতৰ সংখ্যা তাকৰ। সেই কেইটিক আকৰ্ষণ কৰি এটা উদ্দেশ্যৰ বান্ধোনেৰে বান্ধিবৰ কাৰণে আমাৰ এই সভা, পৃথিৱীৰ সকলো মানুহক কৌমাৰ্য্য ব্ৰতত দীক্ষিত কৰিবৰ কাৰণে নহয়। আমাৰ এই জালে বহুত মানুহক ধৰিব, আৰু সৰহভাগক এৰি দিব, অৱশেষত বহুত দিন পৰীক্ষা কৰাৰ পিচত দুই চাৰিটি থাকি যাব। যদি কোনোবাই সোধে সেই দুই চাৰিটি তোমালোকেই নেকি? তেতিয়া স্পৰ্দ্ধাৰে কোনে ক'ব পাৰিব—হয়, আমি এতিয়া মাথোন জালত আকৃষ্ট হৈছো কিন্তু শেষ পৰীক্ষালৈকে টিকি থাকিব পাৰোনে নোৱাৰো ভগৱানেহে জানে। কিন্তু আমি টিকিব পাৰোঁৱা, নোৱাৰো, আমি এটা এটাকৈ সৰি পৰো বা নপৰো সেই বুলি আমাৰ সভাক পৰিহাস কৰিবৰ অধিকাৰ কাৰো নাই। যদি কেৱল আমাৰ সভাপতি মহাশয়হে থাকেগৈ, তেতিয়াও আমাৰ এই চনপৰা সভাখনি সেই এজন তপস্বীৰ তপস্যাৰ প্ৰভাৱতে পবিত্ৰ, উজ্জ্বল হৈ থাকিব, আৰু তেখেতৰ চিৰজীৱনৰ তপস্যাৰ ফল দেশৰ পক্ষে কেতিয়াও ব্যৰ্থ নহয়।

[কুণ্ঠিত সভাপতিয়ে কাৰ্য্যবিবৰণীৰ বহীখন আকৌ চকুৰ আগলৈ দাঙি লৈ অন্যমনস্কভাৱে কিবা চাব ধৰিলে। কিন্তু পূৰ্ণৰ এই বক্তৃতা যত লাগিব লাগে তাত লাগিলগৈ। চন্দ্ৰকুমাৰবাবুৰ অকলশৰীয়া তপস্যাৰ কথা শুনি নিৰ্মলাৰ চকু ছলছলীয়া হৈ আহিল, আৰু তেওঁৰ চাবিৰ ঝনক্ শব্দ শুনি পূৰ্ণই পুৰস্কৃত হল যেন অনুভৱ কৰিলে।]

বিপিন। আমি এই সভাৰ যোগ্য নে অযোগ্য সময়ত তাৰ চিন পোৱা যাব। কিন্তু কাম কৰাও যদি আমাৰ উদ্দেশ্য হয়, তেনেহলে কোনোবা এটা সময়ত তাক আৰম্ভ কৰা উচিত। মোৰ প্ৰশ্ন হৈছে কি কৰিব লাগিব ?

চন্দ্ৰবাবু। [উৎসাহিত হৈ] এই প্ৰশ্নৰ কাৰণে অতদিনে আমি বাট চাই আছিলো—কি কৰিব লাগিব ? এই প্ৰশ্নই যেন আমাৰ প্ৰত্যেককে দংশন কৰি, অধীৰ কৰি তোলে—কি কৰিব লাগিব। বন্ধুসকল, কামেই একমাত্ৰ ঐক্যৰ বান্ধোন। একে লগে যি কাম কৰে, তেওঁলোকেই এক। যেতিয়ালৈকে আমি এই সভাত সকলো মিলি এটা কামত লাগিব নোৱাৰো, তেতিয়ালৈকে আমি প্ৰকৃততে এক হব নোৱাৰিম। সেই দেখি বিপিনবাবুৱে আজি এই যে প্ৰশ্ন কৰিছে—কি কৰিব লাগিব—এই প্ৰশ্ন সুমাই যাবলৈ দিব নোৱাৰি। সভ্যমহাশয়সকল, আপোনালোকে উত্তৰ দিয়ক—কি কৰিব লাগিব।

শ্ৰীশ। [অস্থিৰ হৈ] মোক যদি সোধে কি কৰিব লাগিব, মই কম আমি সকলোৱে সন্ন্যাসী হৈ ভাৰতবৰ্ষৰ নগৰে-চহৰে গাঁৱেভুঁয়ে দেশহিত-কৰ ব্ৰত লৈ ঘূৰি ফুৰিব লাগিব, আমাৰ দলটোক শকত কৰি তুলিব লাগিব, আমাৰ সভাখনক এডাল সূক্ষ্ম ৰচি হিচাপে লৈ, সমগ্ৰ ভাৰতবৰ্ষক গুথি পেলাব লাগিব।

বিপিন। [হাঁহি] তাৰ কাৰণে বহুত সময় আছে, এনেকুৱা এটা কামৰ কথা কোৱা যিটো কালিলৈকে আৰম্ভ কৰিব পৰা যায়। 'মাৰো গণ্ডাৰ, ভাঙো ভাণ্ডাৰ' পণ কৰি যদি বহি থাকা, তেতিয়া হলে গঁড়ো বাচিব, ভঁড়ালো বাচিব, তুমি যেনে আৰামত আছা, তেনে আৰামতে থাকিবা। মই প্ৰস্তাৱ কৰো যে আমি প্ৰত্যেকেই দুটাকৈ বিদেশী ছাত্ৰ তুলিতালি লও, সিহতৰ পঢ়াশুনা আৰু শৰীৰ চৰ্চ্চাৰ সকলো ভাৰ আমাৰ ওপৰত থাকিব।

শ্ৰীশ। কাম পালাপৈ সেইটো। ইয়াৰ কাৰণেই আমি সন্ন্যাস ধৰ্ম্ম গ্ৰহণ কৰিছো ? অৱশেষত লৰাছোৱালী তুলিতালি মানুহ কৰাত লাগিব লাগিল। তেনেহলে নিজৰ লৰাই কি অপৰাধ কৰিলে ?

বিপিন। [বিৰক্ত হৈ] সেই বুলি যদি কোৱা, তেনেহলে তো সন্ন্যাসীৰ কোনো কামেই নাই। কামৰ ভিতৰত কেৱল ভিক্ষা কৰা, ভ্ৰমণ কৰা আৰু ভণ্ডামী কৰা!

শ্ৰীশ। [খঙেৰে] মই দেখিছো, আমাৰ ভিতৰত এনে দুই চাৰিজন আছে যাৰ এই সভাৰ মহৎ উদ্দেশ্যৰ প্ৰতি কণামানো শ্ৰদ্ধা নাই। তেওঁলোকে যিমান সোনকালে এই সভা পৰিত্যাগ কৰি সন্তান পালনত ধৰেগৈ, সিমানেই আমাৰ মঙ্গল।

বিপিন। [বঙা পৰি] নিজৰ বিষয়ে একো কব খোজা নাই, কিন্তু এই সভাত কোনো কোনো এনে লোক আছে যি সন্ন্যাস গ্ৰহণৰ কঠিনতা আৰু সন্তানপালনৰ ত্যাগ স্বীকাৰ এই দুয়োটা কৰিবৰ অযোগ্য। তেওঁলোকৰ—

চন্দ্ৰবাবু। [চকুৰ ওচৰৰপৰা কাৰ্য্যবিৱৰণীৰ বহীটো নমাই।] উত্থাপিত প্ৰস্তাৱ সম্পৰ্কে পূৰ্ণবাবুৰ অভিপ্ৰায় জানিব পাৰিলে মোৰ মন্তব্য দিয়াৰ সুবিধা হ'ব।

পূৰ্ণ। আজি বিশেষকৈ সভাৰ ঐক্য বিধানৰ কাৰণে এটা কাম হাত লোৱাৰ প্ৰস্তাৱ কৰা হৈছে। কিন্তু এই কামৰ প্ৰস্তাৱত ঐক্যৰ কেনে লক্ষণ দেখা গৈছে, সেইকথা আৰু কাকো চকুত আঙুলি দি দেখুৱাই দিবৰ দৰকাৰ নাই। ইতিমধ্যে মই যদি আৰু এটা তৃতীয় মত উত্থাপন কৰো তেতিয়া হলে বিৰোধৰ জলাজুইত তৃতীয় আহুতি দিয়া হ'ব। সেইহেতুকে মোৰ প্ৰস্তাৱ এই যে সভাপতি মহাশয়ে আমাক কামৰ নিৰ্দ্দেশ দিব, আৰু আমি তাকো শিৰোধাৰ্য্য কৰি লৈ বিনাবিচাৰে পালন কৰি যাম। কাৰ্য্যসাধন আৰু ঐক্যসাধনৰ এইটোৱেই একমাত্ৰ উপায়।

[কাষৰ ঘৰত আৰু এজন ব্যক্তি লৰচৰ কৰি বহিল, আৰু জুনুক কৰে তেওঁৰ চাবি বাজি উঠিল]

চন্দ্ৰবাবু। আমাৰ প্ৰথম কৰ্ত্তব্য ভাৰতবৰ্ষৰ দাৰিদ্ৰ্যমোচন, আৰু তাৰ সহজ উপায় বাণিজ্য। আমি কেইজনেই বৰ বেচি ডাঙৰ কাৰবাৰ চলাব নোৱৰিম, কিন্তু তাৰ সূত্ৰপাত কৰিব পাৰিম। ধৰা,

আমি সকলোৱে যদি জুইচলা সম্বন্ধে পৰীক্ষা আৰম্ভ কৰো, আমি যদি এনে এবিধ জুইচলা কাঠি উলিয়াব পাৰো, যি সহজে জলে, সোনকালে নুমুমায়, আৰু দেশৰ সকলো ঠাইতে প্ৰচুৰ পৰিমাণে পোৱা যায়, তেনেহলে দেশত সস্তা জুইচলা পোৱাত কোনো বাধা নেথাকিব। মই কৈছো, সেই বস্তুটো প্ৰস্তুত কৰাৰ নিয়মপ্ৰণালী জানিলেইতো নহব, আমাৰ দেশত যত বিধৰ কাঠ আছে, তাৰ ভিতৰত কোনটো কাঠ আটাইতকৈ বেচি জলে তাৰো সন্ধান কৰিব লাগিব।

বিপিন। দাহনতত্ত্ব সম্বন্ধে পূৰ্ণবাবুৰ অলপ অভিজ্ঞতা থকা যেন লাগে।

চন্দ্ৰবাবু। সচানেকি? কি পূৰ্ণ, তুমি দাহ্য পদাৰ্থৰ পৰীক্ষা কৰিছানেকি?

পূৰ্ণ। মই ভাবো, বাঢ়নীৰ কাঠি বস্তুটো সস্তাও, অথচ—

বিপিন। হয়, অথচ তাত সোনকালে জুই লাগে, কিন্তু কুমাৰ-সভাত তাৰ পৰীক্ষা সহজ নহয়।

চন্দ্ৰবাবু। কি কৈছে বিপিনবাবু, কথাষাৰ নুশুনিলো।

বিপিন। মই কৈছিলো যে আমাৰ দেশত দাহ্য পদাৰ্থ যথেষ্ট আছে, আৰু জলাব পৰা বস্তুৰো অভাৱ নাই, কিন্তু পৰীক্ষাটো ভালকৈ বিবেচনা কৰি কৰা দৰকাৰ।

চন্দ্ৰবাবু। ঠিক কথা কৈছে। বহুত কাঠ আছে যিবোৰ যিমান সোনকালে জলে, সিমান সোনকালে নুমাই ছাই হৈ যায়।

বিপিন। আছে তো।

চন্দ্ৰবাবু। এনে বস্তু লাগে, যি জলে সোনকালে, অলপ অলপকৈ জলি থাকে, বহুত পৰ, শেষলৈকে জলি থাকে। বিচাৰিলে এনেকুৱা বস্তু পোৱা যাবনে?

শ্ৰীশ। নিশ্চয় পোৱা যাব। হয়তো দেখিব, হাতৰ কাষতে আছে।

পূৰ্ণ। যবাৰ ঠাৰি আৰু বাঢ়নী কাঠি সোনকালে পৰীক্ষা কৰি চাম।

[শ্ৰীশই মুখ সিফালে ঘূৰাই হাঁহিলে]

[অক্ষয়ৰ প্ৰবেশ]

অক্ষয়। মহাশয়, ভিতৰলৈ আহিব পাৰোনে?

[চন্দ্ৰমাধৱবাবুৰ দৃষ্টিশক্তি দুৰ্ব্বল, চিনিব নোৱাৰি, তেওঁ অবাক হৈ চাই ৰ'ল]

অক্ষয়। মহাশয় ভয় নেখাব, আৰু এনেকৈ মোপাকৈ চাই মোকো ভয় নুখুৱাব। মই অভূতপূৰ্ব্ব নহয়, আনকি মই আপোনালোকৰে ভূতপূৰ্ব্ব—মোৰ নাম—

চন্দ্ৰবাবু। হল হল, আৰু নাম ক'ব নেলাগে। আহক আহক, অক্ষয়বাবু।

[তিনিওজন ডেকা সভ্যই অক্ষয়ক নমস্কাৰ কৰিলে। বিপিন আৰু শ্ৰীশৰ অলপ আগতে বিবাদ লাগি থকাৰ কাৰণে দুয়ো গম্ভীৰ, বিমৰ্ষ হৈ বহি থাকিল]

পূৰ্ণ। মহাশয়, অভূতপূৰ্ব্বকৈ ভূতপূৰ্ব্বলৈহে ভয় বেচি।

অক্ষয়। পূৰ্ণবাবুৱে বুদ্ধিমানৰ কথাকে কৈছে। সংসাৰত ভূতৰ ভয়টোৱেই প্ৰচুলিত আছে। নিজে যে মানুহ ভূত, তাৰ কাৰণে অন্য মানুহৰ জীৱনসম্ভোগ কেতিয়াও বাঞ্ছনীয় হবই নোৱাৰে বুলি ভাবি মানুহে ভূতক ভয়ঙ্কৰ বুলি ভাবে। সেইদেখি, সভাপতি মহাশয়, এতিয়া কওক, চিৰকুমাৰ সভাৰ এই ভূতটিক সভাৰ পৰা খেদাই পঠাব, নে আগৰ সম্পৰ্কৰ মৰমত বহিবলৈ চকী এখন দিব।

চন্দ্ৰবাবু। চকী দিয়াটোকে স্থিৰ কৰা হৈছে।

[এখন চকী আগবঢ়াই দিলে]

অক্ষয়। সৰ্ব্বসম্মতিক্ৰমে মই আসন গ্ৰহণ কৰিলো। আপোনালোকে মোক নিতান্ত ভদ্ৰতা কৰি বহিবলৈ কলে বুলিয়েই যে মই অভদ্ৰতা কৰি বহি থাকিম, মোক ইমান অসভ্য বুলি নেভাবিব। বিশেষকৈ তামোলপান, ধপাত আৰু পত্নী আপোনালোকৰ সভাত নচলে, অথচ সেই তিনটা বদ অভ্যাসেই মোক একেবাৰে মাটি কৰিছে, সেইদেখি ততাতৈয়াকৈ কাম শেষ কৰি মই ঘৰমুৱা হ'ম।

চন্দ্ৰবাবু। [হাঁহি] আপুনি সভাৰ সভ্য নহয় যেতিয়া, সভাৰ নিয়ম আপোনাৰ ক্ষেত্ৰত লাগিলে নখটালোৱেই—পানতামোলৰ বন্দোবস্ত বোধহয় কৰিব পাৰিম, পিচে আপোনাৰ তৃতীয় নিচাটি—

অক্ষয়। সেইটি ইয়াৰ্লৈ বোজা বৈ আনিবৰ চেষ্টা নকৰিব, সেইটি নিচা মোৰ প্ৰকাণ্ড নহয়।

[চন্দ্ৰবাবুৱে তামোলপান আনিবৰ কাৰণে চাকৰ সনাতনক মাতিব খুজিলে। মই মাতি দিছো বুলি পূৰ্ণ উঠিল। কাষৰ ঘৰৰ পৰা চাবি আৰু থাকৰ শব্দ কৰি কোনোবা লৰি পলোৱাৰ শব্দ শুনা গল]

অক্ষয়। 'যস্মিন দেশে যদাচাৰঃ' যেতিয়ালৈকে মই ইয়াত থাকো, তেতিয়া-লৈকে মই আপোনালোকৰ চিৰকুমাৰ, কোনো প্ৰভেদ নাই। এতিয়া মোৰ প্ৰস্তাৱটো শুনক— [চন্দ্ৰবাবুৱে কাৰ্য্যবিৱৰণীৰ বহীটোৰ ওপৰত হাউলি পৰি মন দি শুনি গল]

অক্ষয়। মোৰ এজন মফস্বলৰ ধনী বন্ধুৱে তেওঁৰ এটি লৰাক আপোনালোকৰ কুমাৰ সভাৰ সভ্য কৰিবৰ ইচ্ছা কৰিছে।

চন্দ্ৰবাবু। [বিস্মিত হৈ] বাপেকে লৰাটোৰ বিয়া পাতিব নোখোজে?

অক্ষয়। সেই বিষয়ে আপোনালোক নিশ্চিন্ত থাকক, সি কোনো পধ্যেই বিয়া নকৰায়, এই বিষয়ে মই জামিন থাকিলো। তাৰ দূৰ সম্পৰ্কীয় এজন ককায়েকো সভ্য হ'ব। তাৰ বিষয়েও আপোনা-লোক নিশ্চিন্ত থাকিব পাৰে। কাৰণ যদিও তেওঁ আপোনালোকৰ নিচিনা সুকুমাৰ নহয়, কিন্তু আপোনালোক সকলোতকৈ বেচি কুমাৰ, তেওঁৰ বয়স যাঠি পাৰ হৈছে, সেইদেখি তেওঁৰ সন্দেহৰ বয়সটো আৰু নাই। সৌভাগ্যক্ৰমে সেইটি আপনালোক সকলোৰে আছে।

চন্দ্ৰবাবু। সভ্য হ'ব খোজাসকলৰ নাম, ধাম, বিবৰণ—

অক্ষয়। অৱশ্যে তেওঁলোকৰ এটা নাম, ধাম, বিবৰণ আছে। সভাই সেই-বোৰ নেপাই নেথাকে। সভ্য যেতিয়া পাব, তেতিয়া নাম, ধাম, বিবৰণে সতে পাব। কিন্তু আপোনালোকৰ এই সেমেকা তলমহলাৰ ঘৰটো স্বাস্থ্যৰ পক্ষে অনুকূল নহয়। আপোনালোকৰ এই চিৰকুমাৰ সকলৰ চিৰত্ব যাতে নকমে, তাৰ প্ৰতি অলপ চকু ৰাখিব।

চন্দ্ৰবাবু। [অলপ লাজ পাই, বহীটো দাঙিলৈ] অক্ষয়বাবু, আপুনি জানেতো, আমাৰ আয়—

অক্ষয়। আয়ৰ কথা আৰু নুলিয়াব। মই জানো সেই আলোচনাটিয়ে মন ভাল লগাব নোৱাৰে। ভাল ঘৰৰ বন্দবস্ত কৰি ৰখা হৈছে, তাৰ বাবে আপোনালোকৰ ধনভঁড়ালিৰ কাষ চাপিব লগা নহব। ওলাওক, আজিয়ে সকলো দেখুৱাই শুনোৱাই আনো।

[বিমৰ্ষ বিপিন আৰু শ্ৰীশৰ মুখ উজ্জল হৈ উঠিল। সভাপতিও
প্ৰফুল্ল হৈ উঠিল আৰু চুলিৰ মাজত আঙুলি বুলাই
বুলাই চুলিবোৰ অপৰিষ্কাৰ কৰি পেলালে,
পূৰ্ণহে কেৱল দমি গল]

পূৰ্ণ। সভাৰ ঠাই সলনি কৰাটো কোনো কথা নহয়।

অক্ষয়। কিয়? ইটো ঘৰৰ পৰা সিটো ঘৰলৈ গলেই আপোনালোকৰ চিৰকৌমাৰ্য্যৰ চাকিটি বতাহত নুমাই থাকিবনেকি?

পূৰ্ণ। এই ঘৰটোতো আমাৰ বেয়া লগা নাই।

অক্ষয়। বেয়া নহয়। কিন্তু ইয়াতকৈ ভাল ঘৰ নগৰত পাবলৈ নোহোৱা নহয়।

পূৰ্ণ। মইতো ভাবো বিলাসীতাৰ ফালে মন নেমেলি, অলপ কষ্ট সহিষ্ণুতা অভ্যাস কৰা ভাল।

শ্ৰীশ। সেইটো সভাৰ অধিবেশনত নকৰি সভাৰ বাহিৰত কৰা যাব।

বিপিন। এটা কামত হাত দিলেই কষ্ট সহ্য কৰিবৰ ইমান সুযোগ পোৱা যায় যে, অকাৰণত বল ক্ষয় কৰা মূৰ্খামী।

অক্ষয়। বন্ধুসকল, মোৰ পৰামৰ্শ শুনা, সভাঘৰৰ অন্ধকাৰেৰে সৈতে আৰু চিৰকৌমাৰ্য্যব্ৰতৰ আন্ধাৰ বঢ়াই নুতুলিবা। পোহৰ আৰু বতাহ স্ত্ৰীজাতীয় নহয়, সেইদেখি সেই দুটাক সভালৈ অহাত বাধা নিদিবা। আৰু বিবেচনা কৰি চোৱা, এই ঠাইডোখৰ বৰ সৰল, তোমালোকৰ ব্ৰতটি ইয়াৰ উপযুক্ত নহয়। ব্যাধিৰ চৰ্চা কৰিছা কৰা, কিন্তু বাতৰোগৰ চৰ্চ্চা তোমালোকৰ প্ৰতিজ্ঞাৰ ভিতৰত নাই। কি কোৱা শ্ৰীশবাবু? বিপিনবাবুৰ কি মত?

শ্ৰীশ। আৰু বিপিন। ঠিক কথা, ঘৰটো এবাৰ চাই অহাই যাওক।

[পূৰ্ণ বিমৰ্ষ, তেওঁ মনে মনে থাকিল। কাষৰ ঘৰটোত এবাৰ ঠুন কৰে চাবি বাজিল, কিন্তু অত্যন্ত অপ্ৰসন্নভাবে]

অক্ষয়। চন্দ্ৰবাবু, এতিয়াই ওলাওক, এবাৰ দেখুৱাই আনো।

চন্দ্ৰবাবু। বলক।

[চন্দ্ৰবাবু আৰু অক্ষয়ৰ প্ৰস্থান]

বিপিন। চোৱা পূৰ্ণবাবু, তোমাক সচা কথা কৈছো। চিৰকুমাৰ সভাৰ ক্ৰন্টিয়াৰ পলিচিত আমি পৰ্দা বস্তুটো অনুমোদন নকৰো। সেই ফালৰ পৰাই শত্ৰুৰ ভিতৰ সোমোৱাৰ পথ।

পূৰ্ণ। ইয়াৰ কি অৰ্থ হ'ল ?

বিপিন। পৰ্দাৰ নিচিনা পাতল বস্তু অকনমান বতাহ লাগিলেই চঞ্চল হৈ উঠে, ই কুমাৰ সভাৰ যোগ্য নহয়, শ্ৰীশ। ইয়াৰ সীমা ৰক্ষাৰ কাৰণে পকা ইটাৰ দেৱালৰ নিচিনা অচল পদাৰ্থৰ প্ৰয়োজন। এই পৰ্দাখন ভাল যেন লগা নাই।

পূৰ্ণ। তোমালোকৰ কথাবোৰ অলপ ৰহস্যময় যেন শুনাইছে।

বিপিন। সেই কথা ঠিক। ৰহস্য পদাৰ্থটোৱেই সৰ্ব্বনাশী। চিৰকুমাৰ সকলৰ আটাইতকৈ যি ডাঙৰ শত্ৰু, পৰ্দাৰ ভিতৰতেই তাৰ বাস।

শ্ৰীশ। আমাৰ ব্ৰত হৈছে পৰ্দাক আক্ৰমণ কৰা, তাক ফালি পেলোৱা। যি মায়াহৰিণী পৰ্দাৰ ছাঁই ছাঁই ঘূৰা-ফিৰা কৰে, পোহৰ পেলালেই তেওঁ মৰীচিকাৰ দৰে নোহোৱা হৈ যাব।

পূৰ্ণ। শ্ৰীশবাবু, মৰীচিকা নোহোৱা হব পাৰে, কিন্তু পিয়াহ যে নপলায়।

শ্ৰীশ। কিয় পলাব ? সেইটো থাকিব লাগে। তৃষ্ণা নেথাকিলে আমাক লকৰাব কিহে ? কেৱল জনা দৰকাৰ কোন পিনে লৰিলে ফল পোৱা যাব।

[নেপথ্যতে গান—'পিপাৰলৈ কোননো বাধি']

বিপিন। অলপ লাহে লাহে। গান শুনা নাইনে ? ধুনীয়া গান সচাকৈয়ে।

পূৰ্ণ। সেই গানটোও জানো পৰ্দা নহয়? তাৰ আঁৰত যি ৰহস্যই গা ঢাকি লুকাই আছে, তাৰো পথে বিপথে লকমাবৰ শক্তি আছে।

বিপিন। থাওক ভাই। এতিয়া আৰু তত্ত্বকথা থাওক, গানটো অলপ শুনিবলৈ দিয়া। বৰ ওচৰৰ কোনোবা ঘৰৰ পৰাই গানটো আহিছে, শুনিছো সেইখিনিতে অক্ষয়বাবুৰ ঘৰ।

শ্ৰীশ। গানৰ কথাখিনি বে'চ স্পষ্টকৈ শুনা গৈছে—

[নেপথ্যত গান]

সিপাৰলৈ কোননো যাবি—
নাও লৈ মই নদীপাৰত আছো বহি।
সিপাৰৰ উপবনত কতজনে কৰে কত খেলা,
ইপাৰত মৰুভূমি, নাই যে ক'তো পানী।
এতিয়া সময় আছে আহ কোননো যাবি,
মিছাতে কিয় কটাৰ কাল শুনি ভাবি,
বেলিয়ে মাৰিব বুৰ, হেৰাব মলয়া জুৰ,
বন্ধ হ'ব নাও বোৱা মোৰ আন্ধাৰ হলে।

শ্ৰীশ। মনত লাগে যেন এইটো কুমাৰ সভাক ভয় খুউৱা গান। নাও বন্ধ হৈ গলেইযে মস্কিল হব।

বিপিন। কিয় শুনা নাই—সেইয়া যে—ইপাৰত মৰুভূমি, নাই যে ক'তো পানী—

পূৰ্ণ। তেনেহলে আৰু দেৰি কৰিছা কিয়? সিপাৰলৈ যোৱাৰ জোগাড় কৰা।

শ্ৰীশ। গলাটো যোধ হয় যেন, সিপাৰলৈ নিনিব, অতলত ডুবাই দিব।

[সকলোৰে প্ৰস্থান]

দ্বিতীয় দৃশ্য

শ্ৰীশৰ ঘৰ

[শ্ৰীশই তেওঁৰ ঘৰৰ বাৰান্দাত এখন ডাঙৰ হাতলগা চকীৰ দুয়ো হাতৰ ওপৰত ভৰি তুলি বহি নিৰয়ৰ চিগাৰেট হুপিছিল। তেতিয়া শুক্লপক্ষৰ সন্ধ্যা। ওচৰতে এখন টিপয়ৰ ওপৰত এটা গিলাচত বৰফদিয়া লেমনেড্ আৰু এ'দম কুন্দফুলৰ মালা]

[বিপিনৰ প্ৰবেশ]

বিপিন। কিহে সন্ন্যাসী ঠাকুৰ।

শ্ৰীশ। [উঠি বহি, ডাঙৰকৈ হাঁহি] এতিয়াও হ'বলা দনথনৰ কথা পাহৰিব পৰা নাই। বাৰু ভাই শিশুপালক, তুমি বাৰু সচাকৈয়ে ভাবানেকি যে মই সন্ন্যাসী হ'ব নোৱাৰিম ?

বিপিন। কিয় নোৱাৰিবা, কিন্তু লগত ভালেমান শিচ থকা দৰকাৰ।

শ্ৰীশ। তাৰ তাৎপৰ্য্য এই যে, সিহঁতৰ কোনোটোৱে মোৰ কাৰণে বেলফুলৰ মালা গাঁথি দিব, কোনোটোৱে বজাৰৰ পৰা লেমনেড্ আৰু বৰফ ভিক্ষা কৰি আনি দিব, এইয়ে নহয় জানো ? তাৰ পৰানো কি ক্ষতি হব ? যি সন্ন্যাসধৰ্ম্মত বেলফুলৰ প্ৰতি বৈৰাগ্য আৰু চেচা লেমনেডৰ প্ৰতি বিতৃষ্ণা জন্মে, সেই সন্ন্যাস জানো বৰ উচ্চ ধৰণৰ ?

বিপিন। সাধাৰণ ভাষাতো সন্ন্যাসধৰ্ম্ম বুলিলে তেনেকুৱাই বুজায়।

শ্ৰীশ। সেইয়া চোৱা, তুমি ভাবানেকি যে কোনো এটা ভাষাত এটা কথাৰ এটাৰ বাহিৰে আৰু অৰ্থ নাই ? এজনৰ কাৰণে সন্ন্যাসী কথাটোৰ যি অৰ্থ, অন্য এজনৰ কাৰণেও যদি ঠিক সেই অৰ্থই হয়, তেনেহলে মন বোলা স্বাধীন পদাৰ্থটো আছে কি কৰিবলৈ ?

বিপিন। তোমাৰ মনে সন্ন্যাসী কথাষাৰৰ কি অৰ্থ কৰিছে সেই কথা জানিবৰ কাৰণে মোৰ মন উৎসুক হৈছে।

শ্ৰীশ। মোৰ সন্ন্যাসীৰ সাজ এই ধৰণৰ—ডিঙিত ফুলৰ মালা, গাত চন্দন, কানত কুণ্ডল, মুখত হাঁহি। মোৰ সন্ন্যাসীৰ কাম হল—মানুহৰ

চিত্ত আকর্ষণ কৰা। শুনীয়া চেহেৰা, মিঠা মাত, বক্তৃতা দিব পাৰে, এইবোৰ নেথাকিলে সন্ন্যাসী হৈ উপযুক্ত ফল পোৱা নেযায়। কচি বুদ্ধি, কাৰ্য্যক্ষমতা আৰু প্ৰফুল্লতা, এই সকলো বিষয়ত আমাৰ সন্ন্যাসী সম্প্ৰদায় গৃহস্থৰ আদৰ্শ হ'ব লাগিব।

বিপিন। অৰ্থাৎ এদল কাৰ্ত্তিক ম'ৰাৰ ওপৰত উঠি আলিবাটত ঘূৰি ফুৰিব লাগিব।

শ্ৰীশ। ম'ৰা নেপালে ট্ৰামগাড়ী আছে, খোজ কঢ়াতো আপত্তি নাই। কুমাৰ সভা মানেইতো কাৰ্ত্তিকৰ সভা, কিন্তু কাৰ্ত্তিক জানো কেৱল সুপুৰুষেই আছিল? তেৱেঁই আছিল স্বৰ্গৰ সেনাপতি।

বিপিন। যুদ্ধ কৰিবৰ কাৰণে তেওঁৰ হাত আছিল মুঠেই ছখন, কিন্তু বক্তৃতা দিবৰ কাৰণে তেওঁৰ আছিল তিনি জোৰা মুখ।

শ্ৰীশ। ইয়াৰপ্ৰৰা প্ৰমাণ হয় যে আমাৰ আৰ্য্য পিতামহসকলে বাহুবলতকৈ বাক্যবলক তিনিগুণ বেচি বুলি ভাবিছিল। ময়ো পালোৱানিক বীৰত্বৰ আদৰ্শ বুলি নেভাবো।

বিপিন। সেইটি হ'ব পায় মোক মাৰিলা?

শ্ৰীশ। সেইয়া চোৱা, মানুহক অহংকাৰে কেনেকৈ মাটি কৰে। তুমি ঠিক কৰি ৰাখিছা যে পালোৱান বুলিলে তোমাকে বুজায়। তুমি কলিযুগৰ ভীম, বাৰু আহা, যুদ্ধং দেহি। এবাৰ বীৰত্বৰ পৰীক্ষা কৰা যাওক। [এই বুলি ছুয়ো বন্ধুৱে অলপ সময়ৰ কাৰণে ধেমালিতে হাতে হাতে লাগি চালে হঠাৎ বিপিনে 'এইবাৰ ভীমসেনৰ পতন' বুলি ধপচ কৰে শ্ৰীশৰ চকীখনত বহি পৰি চকীৰ হাতৰ ওপৰত ভৰি তুলি দিলে আৰু 'উঃ বৰ পিয়াহ লাগিছে' বুলি লেমনেড্ গিলাচ একে শোহাই শেষ কৰি দিলে। তেতিয়া শ্ৰীশই তভাতৈয়াকৈ 'কিন্তু বিজয়মালাধাৰ মোৰহে' বুলি মালাধাৰ মূৰত পিন্ধি ললে, আৰু বেটৰ মূঢ়াটোতে বহিল।]

শ্ৰীশ। বাৰু ভাই, সচাকৈ কোৱাচোন, এদল শিক্ষিত মানুহে যদি এই দৰে সংসাৰ পৰিত্যাগ কৰি পৰিপাটি কাপোৰকানি পিন্ধি, প্ৰফুল্ল প্ৰসন্নমুখে, গান আৰু বক্তৃতাৰে ভাৰতবৰ্ষৰ চৌদিশে শিক্ষা বিস্তাৰ কৰি ফুৰে, তাৰ পৰা উপকাৰ হবনে নহয়?

বিপিন। আইডিয়াটো ভালেই অৱশ্যে।

শ্ৰীশ। অৰ্থাৎ শুনিবলৈ ভাল, কিন্তু কৰিবলৈ টান। মই কৈছো অসাধ্য নহয়, আৰু মই সেই কথা দৃষ্টান্ত দেখুৱাই প্ৰমাণ কৰি দিব পাৰো। ভাৰতবৰ্ষত সন্ন্যাসধৰ্ম্ম বুলি এটা প্ৰকাণ্ড শক্তি আছে। তাৰ ছাইবোৰ জাৰি জোকাৰি, জোলোঙা কাঢ়িলৈ, জটা খুৰাই, তাক সৌন্দৰ্য্য আৰু কৰ্ম্মনিষ্ঠাত প্ৰতিষ্ঠিত কৰাই চিৰকুমাৰ সভাৰ একমাত্ৰ উদ্দেশ্য। লৰা পঢ়োৱা আৰু জুইচলা কাঠি সজা কামৰ কাৰণে আমাৰ নিচিনা মানুহে চিৰজীৱনৰ ব্ৰত অবলম্বন নকৰে। কোৱা বিপিন, তুমি মোৰ প্ৰস্তাৱত ৰাজী আছা ?

বিপিন। তোমাৰ সন্ন্যাসীৰ কাৰণে যি ৰকমৰ চেহেৰা, মাত আৰু সাজ-সৰঞ্জামৰ প্ৰয়োজন মোৰতো তাৰ একোটো নাই। পিচে গুৰুৰ টোপোলা কঢ়িয়াই পিচে পিচে যাবলৈ ৰাজী আছো। কানত যদি সোণৰ কুণ্ডল, অন্ততঃ চকুত যদি সোণৰ চশমাখন পিন্ধি অ'ত ত'ত ঘূৰি ফুৰা, তেনেহলে এজন প্ৰহৰীৰ দৰকাৰ, সেইকাম মোৰ দ্বাৰা কিছু হ'ব পাৰে।

শ্ৰীশ। আকৌ ঠাট্টা !

বিপিন।. নহয় ভাই, ঠাট্টা নহয়। মই সচাই কৈছো তোমাৰ প্ৰস্তাৱটো যদি সম্ভৱপৰ কৰি তুলিব পাৰা, তেতিয়া হলে বৰ ভালেই হয়। কিন্তু এনে এটা সম্প্ৰদায়ত সকলোৰে কাম সমান হ'ব নোৱাৰে, যাৰ যেনেকুৱা স্বাভাৱিক ক্ষমতা সি সেইদৰেই যোগ দিব পাৰিব।

শ্ৰীশ। সেইটোতো ঠিক কথা, কেৱল এটা বিষয়ত আমি খুব দৃঢ় হ'ব লাগিব, স্ত্ৰীজাতিৰ লগত কোনো সংস্ৰব আমি নেৰাখো।

বিপিন। মালাচন্দন, অঙ্গদকুণ্ডল সকলো ৰাখিব খোজা, কেৱল সেই এটা বিষয়ত ইমান দৃঢ়তা কিয় ?

শ্ৰীশ। সেইবোৰ ৰাখিছো বুলিয়েই এই দৃঢ়তা। যি কাৰণে চৈতন্যদেৱে তেওঁৰ অনুচৰসকলক স্ত্ৰীলোকৰ সঙ্গৰ পৰা কঠিন শাসনেৰে আতৰাই ৰাখিছিল। তেওঁৰ ধৰ্ম্ম অনুৰাগ আৰু সৌন্দৰ্য্যৰ ধৰ্ম্ম, সেই দেখিয়েই তেওঁৰ কাৰণে প্ৰলোভনৰ ভয় বৰ বেছি আছিল।

বিপিন। তেনেহলে ভয়টোও আছে ?

শ্রীশ। মোৰ নিজৰ কাৰণে লেশমাত্ৰও নাই। মই মোৰ মনটোক পৃথিবীৰ বিচিত্ৰ সৌন্দৰ্য্যত ব্যাপ্ত কৰি ৰাখো, কোনো এটা ফান্দ পাতি মোক ধৰিবৰ সাধ্য কাৰ? কিন্তু তোমালোকে যে দিনে ৰাতিয়ে ফুটবল, টেনিচ, ক্ৰিকেট লৈয়েই আছা, তোমালোক এবাৰ পৰিলে বেটবল, গুলিডাণ্ডা সকলো ভাগি গুৰি হ'ব।

বিপিন। বাক ভাই, বথা সময়ত দেখা যাব।

শ্ৰীশ। সেইটো ভাল কথা নহয়। সময় উপস্থিত নহয়, সময়ক উপস্থিত হবলৈ নিদিও, সময়তো ৰথত উঠি নাহে, আমি তাক কান্ধত তুলি আনো, কিন্তু তুমি যি সময়টোৰ কথা কৈছা, সি বাহনৰ অভাৱত ঘূৰি যাবই লাগিব।

[পূৰ্ণবাবুৰ প্ৰবেশ]

উভয়ে। আহা পূৰ্ণবাবু।

[বিপিনে তেওঁক আৰামী চকীখন এৰি দি অন্য এখন চকীত বহিল]

পূৰ্ণ। তোমালোকৰ এই বাৰান্দাত জোনাকখিনি তো বেচ পৰিছে, মাজে মাজে খুটাৰ ছাঁ পেলাই বেচ ধুনীয়াকৈ সজাইছাতো।

শ্ৰীশ। ঘৰৰ চালৰ ওপৰত জ্যোৎস্না ৰচনা কৰাৰ নিচিনা কিছুমান অতি আচৰিত ক্ষমতা জন্মৰ পূৰ্ব্বৰ পৰা মোৰ আছে। কিন্তু চোৱা পূৰ্ণবাবু, সেই জুইচলা সজা মেলা সেইবোৰ মই ভালকৈ নোৱাৰিম।

পূৰ্ণ। [ফুলৰ মালাৰ ফালে চাই] সন্ন্যাসধৰ্ম্মতেই হে তোমাৰ অসামান্য দখল আছেনেকি?

শ্ৰীশ। তাকেই তো কৈছো। সন্ন্যাসধৰ্ম্ম তুমি কাক বোলা—শুনো।

পূৰ্ণ। যি ধৰ্ম্মত দৰ্জি, ধোবা, নাপিতৰ কোনো সহায় ল'ব নেলাগে, তাঁতিক একেবাৰেই অগ্ৰাহ্য কৰিব লাগে, পিয়ৰ্চ চ'পৰ বিজ্ঞাপনৰ ফালে চাবৰ দৰকাৰ নহয়—

শ্ৰীশ। থোৱাহে, সেই সন্ন্যাসধৰ্ম্মতো কাহানিবাই বুঢ়া হৈ মৰিল। এতিয়া নবীন সন্ন্যাসী নামৰ বেলেগ সম্প্ৰদায় গঢ়িব লাগিব।

পূৰ্ণ। বিদ্যাসুন্দৰৰ যাত্ৰাত যে নবীন সন্ন্যাসী আছে, সেইটো বেয়া দৃষ্টান্ত নহয়, কিন্তু তেওঁতো চিৰকুমাৰ সভাৰ বিধানমতে নচলে।

শ্ৰীশ। চলা হলে তেৱে ঠিক দৃষ্টান্ত হলহেঁতেন। সাজে সজাই, কথাই বতৰাই, সুন্দৰ আৰু সুনিপুণ হ'ব লাগিব—

পূৰ্ণ। কেৱল ৰাজকন্যাৰ কালে চকু দিব নেলাগিব, এয়েতো? এনাজাৰিৰ মালা গাঁথিব লাগিব—কিন্তু সেই মালা কাৰ ভিত্তিত পিন্ধাবাহে?

শ্ৰীশ। স্বদেশৰ ভিত্তিত। কথাবাৰ অলপ উচ্চ শ্ৰেণীৰ হৈ গল। কি কৰিম কোৱা, মালিনী মাহী আৰু ৰাজকুমাৰী একেবাৰেই নিষিদ্ধ, কিন্তু ধেমালি নহয়, পূৰ্ণবাবু—

পূৰ্ণবাবু। ধেমালি যেন অকনো শুনোৱা নাই, ভয়ানক টান কথা, একেবাৰে খৰখৰিয়া শুকান।

শ্ৰীশ। আমাৰ চিৰকুমাৰ সভাৰ পৰা এনে এটা সন্ন্যাসী সম্প্ৰদায় গঠন কৰিব লাগিব, যি ৰুচি, শিক্ষা আৰু কামত সকলো গৃহস্থৰ আদৰ্শ হ'ব। যি সংগীত আদি কলাবিদ্যাত অদ্বিতীয় হ'ব, আন হাতে লাঠি তৰোৱাল খেলা, ঘোৰাত উঠা, বন্দুক মৰা আদিত পাৰদৰ্শী হ'ব—

পূৰ্ণ। অৰ্থাৎ মনোহৰণ আৰু প্ৰাণহৰণ এই দুয়ো কামতে শক্তিশালী হ'ব। পুৰুষ দেবীচৌধুৰাণীৰ দলেই হ'ব আৰু—

শ্ৰীশ। বঙ্কিমবাবুৱে মোৰ আইডিয়াটো আগতে চুৰি কৰি থৈ দিছে, কিন্তু তাক কামত খটাই আমাৰ নিজৰ কৰি লব লাগিব।

পূৰ্ণ। সভাপতি মহোদয়ে কি কয়?

শ্ৰীশ। তেখেতক কেইবাদিনো বুজাই আমাৰ দলতৈ আনিছো, কিন্তু তেখেতে তেখেতৰ জুইচলা কাঠি এৰা নাই। তেখেতে কয়, সন্ন্যাসীহতে কৃষিতত্ব, বস্তুতত্ব আদি শিকি, গাঁৱে গাঁৱে খেতিয়ক বিলাকক শিকাই ফুৰিব, এটকাকৈ ছেয়াৰ (অংশ) লৈ এটা বেংক খুলি ডাঙৰ ডাঙৰ গাঁৱত নতুন নিয়মে এখন এখন দোকান বহুৱাব—ভাৰতবৰ্ষৰ চাৰিউকালে বাণিজ্যৰ জাল মুকলি কৰিব। তেখেত উঠি পৰি লাগিছে।

পূৰ্ণ। বিপিনবাবুৰ মত কি?

বিপিন। যদিও মই নিজকে শ্ৰীশৰ নবীন সন্ন্যাসী সম্প্ৰদায়ৰ আদৰ্শ পুৰুষ বুলি নেভাবো, কিন্তু তথাপি যদি দল গঢ়ি উঠে, মযো সন্ন্যাসী হ'বলৈ ৰাজী আছো।

পূর্ণ। কিন্তু সন্ন্যাসী সজাত খৰছ আছে। কেৱল কৌপিনেইতো নহব, অঙ্গদ, কুণ্ডল, আভৰণ, কুন্তলীন, দিলখোছ—

শ্রীশ। পূর্ণবাবু, ঠাট্টাকে কৰা বা যেই কৰা, চিৰকুমাৰ সভা সন্ন্যাসী সভা হবই। এঁপিনে আমি কঠোৰ আত্মত্যাগ কৰিম, আনপিনে মনুষ্যত্বৰ কোনো উপকৰণৰ পৰা নিজক বঞ্চিত নকৰো, আমি কঠিন শৌর্য্য আৰু ললিত সৌন্দর্য্য উভয়কে সমান আদৰেৰে বৰণ কৰিম। সেই দুৰূহ সাধনাৰ পৰা ভাৰতবৰ্ষৰ নতুন যুগৰ আবির্ভাব হ'ব।

পূর্ণ। বুজিছো শ্রীশবাবু, কিন্তু নাৰী জানো মানুহৰ এটা সর্ব্ব-প্ৰধান উপকৰণৰ ভিতৰত গণ্য নহয়? আৰু নাৰীক উপেক্ষা কৰিলে জানো ললিত সৌন্দর্য্যৰ সমাদৰ ৰক্ষা কৰিব? তাৰ কি উপায় কৰিলা?

শ্রীশ। নাৰীৰ এটা দোষ, পুৰুষজাতিক তেওঁলোকে লতাৰ দৰে মেৰাই ধৰে। যদি তেওঁলোকৰ মেৰপাকত সোমাই পৰাৰ আশঙ্কা নেথাকিলহেতেন, যদি তেওঁলোকক ৰক্ষা কৰিও, স্বাধীনতা ৰক্ষা কৰিব পৰা গলহেতেন, তেতিয়া হলে কোনো কথা নাছিল। কামতে যেতিয়া জীবন উচৰ্গা কৰিব লাগিব, সেই দেখি কামৰ পথত থকা সকলো বাধা দুৰ কৰিবলৈ বিচাৰো। পাণি গ্ৰহণ কৰি পেলালে নিজৰ হাতো বন্ধ কৰি পেলাব লাগিব, সেইটো নহব পূর্ণবাবু।

পূর্ণ। ব্যস্ত নহবা ভাই, মই মোৰ শুভবিবাহলৈ তোমালোকক নিমন্ত্ৰণ কৰিবলৈ অহা নাই। কিন্তু ভাবি চোৱাচোন মানুহ জনম আকৌ পামনে নেপাম সন্দেহ, অথচ যি পিয়াহৰ পানীৰ পৰা হৃদয়ক চিৰজীবনৰ কাৰণে বঞ্চিত কৰিবলৈ ওলাইছো, তাক পূৰণ কৰিবলৈ কৰবাত অন্য কিবা পোৱা যাব জানো? মুছলমানৰ স্বৰ্গত হুৰী আছে, হিন্দুৰ স্বৰ্গতো অপ্সৰাৰ অভাব নাই, চিৰকুমাৰ সভাৰ স্বৰ্গত সভাপতি আৰু সভ্য মহাশয়সকলতকৈ যেচি মনোৰম আৰু কিবা পোৱা যাব জনো?

শ্রীশ। পূর্ণবাবু, কি কোৱা? তুমি যে—

পূৰ্ণ। ভয় নাই ভাই, এতিয়াও চৰম অৱস্থা পোৱা নাই। তোমাৰ এই ভৰ জোনাক আৰু সৌ ফুলৰ গোন্ধ—এইবোৰ জানো কৌমাৰ্য্যব্ৰত ৰক্ষাত সহায়তা কৰিবৰ কাৰণে সৃষ্টি হৈছে? মনৰ মাজত মাজে মাজে যি বাষ্প জমা হয়, মই তাক ওলাই আহিবলৈ এৰি দিয়াই ভাল বুলি ভাবো, সেইবোৰ হেচি ৰাখি নিজক পাহৰাবলৈ গলে কোনোবা দিনা চিৰকুমাৰ ব্ৰতৰ লোৰ বয়লাৰটো ফাটি থাকিব। যেই হওক, যদি সন্ন্যাসী হোৱাটোকে থিৰ কৰা, তেনেহলে ময়ো যোগ দিম—কিন্তু সন্থহতে সভাখনকতো ৰক্ষা কৰিব লাগিব।

শ্ৰীশ। কিয়? কি হৈছে?

পূৰ্ণ। অক্ষয়বাবুৱে আমাৰ সভা স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰিছে, এইটো মোৰ ভাল লগা নাই।

শ্ৰীশ। সন্দেহ বস্তুটো হৈছে নাস্তিকতাৰ ছাঁ। বেয়া হব, ভাগি যাব, নষ্ট হ'ব—এইবোৰ ভাবক মই কোনো অৱস্থাতে মনত ঠাই নিদিও। ভালেই হ'ব, যি হৈছে ভালেই হৈছে, চিৰকুমাৰ সভাৰ উদাৰ বিস্তীৰ্ণ ভৱিষ্যত মই চকুৰ আগত দেখিবলৈ পাইছো, অক্ষয়বাবুৱে সভাখন এটা ঘৰৰ পৰা অন্য এটা ঘৰলৈ নিবলৈ নিমন্ত্ৰণ কৰি কি অনিষ্ট কৰিব পাৰে? কেৱল কোনো এটা নগৰৰ পৰা অন্য এটা নগৰলৈ যোৱাই নহয়, আমি যে পথে পথে, গাঁৱে গাঁৱে ঘূৰিব লাগিব। সন্দেহ, শঙ্কা, উদ্বেগ এই সকলোবোৰ মনৰ পৰা আতৰোৱা পূৰ্ণবাবু। বিশ্বাস আৰু আনন্দ নেথাকিলে ডাঙৰ কাম কৰা নেযায়।

বিপিন। কেইদিনমান চোৱাই যাওক চোন। যদি কিবা অসুবিধা হয়, তেনেহলে নিজৰ ঠাইলৈ ঘূৰি অহা যাব। আমাৰ সেই অন্ধকাৰ গুহাটি কোনোৱে সতকাই কাঢ়ি নিব নোৱাৰে।

[অকস্মাত চন্দ্ৰমাধববাবুৰ বেগাই প্ৰবেশ। তিনিওজন সসম্ৰমে থিয় হল]

চন্দ্ৰবাবু। চোৱা, মই সেই কথাবোৰ ভাবিছিলো।

শ্ৰীশ। বহক।

চন্দ্ৰবাবু। নহয়, নহয়, নহয়হে, মই খাৰেই। মই কৈছিলো যে সন্ন্যাসব্ৰতৰ কাৰণে আমি এতিয়াই প্ৰস্তুত হ'ব লাগিব। হঠাৎ কিবা এটা অঘটন ঘটিলে বা ধৰা, সাধাৰণ জ্বৰ-বিষ এটা হলে কোন ধৰণৰ চিকিৎসা আমি কৰিব লাগিব, ডাক্তৰ ৰামৰতন বাবুৱে দেওৰাৰে সেই বিষয়ে আমাক দুঘণ্টাকৈ বক্তৃতা দি বুজাই দিব— এই বন্দবস্ত মই কৰি আহিছো।

শ্ৰীশ। কিন্তু সেইবোৰ কৰিলে বহুত সময় নহবনে?

চন্দ্ৰবাবু। সময় হবই। কামটোতো সহজ নহয়। কেৱল সিমানেই নহয়, আমি কিছু কিছু আইনো অধ্যয়ন কৰিব লাগিব। অবিচাৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰা, আৰু কাৰ কিমান অধিকাৰ সেই কথা খেতিয়ক ৰাইজক বুজাই দিয়াও আমাৰ কাম।

শ্ৰীশ। চন্দ্ৰবাবু, বহক—

চন্দ্ৰবাবু। নহয়, শ্ৰীশবাবু, বহিব নোৱাৰিম, মোৰ অলপ কাম আছে। আৰু এটা কাম আমি কৰিব লাগিব—গৰুৰ গাড়ী, ঢেকী, তাঁত আদি আমাৰ অত্যাৱশ্যকীয় দেশী বস্তুবোৰৰ অলপ অচৰপ সংশোধন কৰি যাতে সেইবোৰৰ কিছুমানক সস্তা বা মজবুত বা বেচি উপযোগী কৰি তুলিব পাৰি, সেই চেষ্টাও আমি কৰিব লাগিব। এইবাৰ জহকালি কেদাৰবাবুৰ কাৰখানালৈ গৈ প্ৰত্যেকদিনে আমি কিছু পৰীক্ষা কৰি চোৱা দৰকাৰ।

শ্ৰীশ। চন্দ্ৰবাবু, বহুত পৰ থিয় হৈ আছে—

[চকী আগবঢ়াই দিলে]

চন্দ্ৰবাবু। নহয়, নহয়, মই এই খাওঁৱেই। চোৱা, মোৰ মত এই যে গাঁৱত ব্যৱহাৰ কৰা এই সামান্য বস্তুবোৰৰ আমি যদি কিবা উন্নতি কৰিব পাৰো, তেতিয়া হলে খেতিয়ক সকলৰ মনত যি ৰকমৰ আন্দোলন হব, তাওৰ তাওৰ সংস্কাৰ কাৰ্য্যয়ো সেইটো কৰিব নোৱাৰিব। সিহঁতৰ চিৰকলীয়া ঢেকী খানি আমিৰ অলপ শালসলনি কৰিব পাৰিলে, সিহঁতৰ মনবোৰ সজাগ হৈ উঠিব। সিহঁতে বুজিব পাৰিব যে পৃথিবীখন আৰু একেঠাইতে থিয়হৈ ৰখা নাই।

শ্ৰীশ। চন্দ্ৰবাবু, বহিব নেকি?

চন্দ্ৰবাবু। হৰচোন দিয়া। এবাৰ ভাবি চোৱা, আমি যে অন্তকালৰ পৰা শিক্ষা পাই আহিছো, ঢেকী কুলাৰ পৰাই তাৰ পৰিচয় আৰম্ভ হোৱা উচিত আছিল। ভাঙৰ ভাঙৰ কলকাৰখানাৰ কথা বাদেই দিয়া, ঘৰৰ ভিতৰতে আমাৰ সজাগ দৃষ্টি নপৰিল। আমাৰ হাতেৰে চুকি পোৱাতে যিবোৰ বস্তু আছে, নাই আমি সেইবোৰৰ সম্বন্ধে চিন্তা কৰিছো। যি যেনেকুৱা আছিল, তেনেকুৱাই ৰৈ গৈছে। মানুহ আগ বাঢ়িছে, অথচ মানুহৰ বস্তু বাহানি পিচ পৰি আছে, সেইটো কেতিয়াও হ'ব নোৱাৰে। আমি পৰিয়ে থাকিম, আৰু ইংৰাজে আমাক কান্ধত তুলি লৈ ফুৰাব, তাক আগবঢ়া বুলিব নোৱাৰি। সৰু সৰু সামান্য গাঁৱলীয়া জীৱনযাত্ৰা, গাঁৱৰ বোকাপানী ভৰা বাটৰ মাজত লাগি ধৰি অচল হৈ আছে, আমাৰ সন্ন্যাসী সম্প্ৰদায়ে সেই গৰুৰ গাড়ীৰ চকা ঠেলিব লাগিব। বৰ্ত্তমানলৈ কলৰ গাড়ী চলোৱাৰ আশা বাদ দিয়া। কেইটা বাজিল শ্ৰীশবাবু?

শ্ৰীশবাবু। চাৰে আঁঠ বাজি গৈছে।

চন্দ্ৰবাবু। তেনেহলে মই যাঁও। কিন্তু কথা হল এই—অন্য সকলো আলোচনা এৰি দি আমি এতিয়া নিয়মিত শিক্ষাকাৰ্য্যত প্ৰবৃত্ত হ'ব লাগিব, আৰু—

পূৰ্ণ। আপুনি যদি অকনমান ৰহে চন্দ্ৰবাবু—আমাৰ দুটামান কথা কবলগীয়া আছিল।

চন্দ্ৰবাবু। নহয়, আজি আৰু সময় নাই।

পূৰ্ণ। বৰ বেচি কথা নহয়। মই কৈছিলো যে আমাৰ সভা—

চন্দ্ৰবাবু। সেই কথা কাইলৈ হ'ব পূৰ্ণবাবু।

পূৰ্ণ। কিন্তু কাইলৈকে যে সভা বহিব—

চন্দ্ৰবাবু। বাৰু তেনেহলে পৰহিলৈ, মোৰ সময় নাই—

পূৰ্ণ। চাওক, অক্ষয়বাবুৱে যে—

চন্দ্ৰবাবু। পূৰ্ণবাবু মোক ক্ষমা কৰিবহে লাগিব। আজি দেৰি হ'ল আৰু, কিন্তু চোৱা, মোৰ মনত এটা কথা খেলাইছিল, চিৰকুমাৰ সভা ক্ৰমে ক্ৰমে মুকলি হৈ পৰে, তেতিয়াহলে আমাৰ সকলো সভ্যই সন্ন্যাসী

হৈ ওলাই যাব নোৱাৰিব। সেই দেখি তাৰ ভিতৰত দুটা বিভাগ থকা দৰকাৰ হ'ব।

পূৰ্ণ। স্বাৰৱ আৰু জঙ্গম।

চন্দ্ৰবাবু। নাম যি মন যায় দিব পাৰা। তাৰ উপৰি সিদিনা অক্ষয়বাবুৱে যি এটা কথা কলে, সেইটোও মোৰ বেয়া লগা নাই। তেওঁ কয় যে চিৰকুমাৰ সভাৰ লগতে আৰু এখন সভা ৰখা উচিত যাতে বিবাহিত আৰু বিবাহ সঙ্কল্পিত মানুহ বিলাকক লব পৰা যায়। গৃহস্থী মানুহবিলাকৰোতো দেশৰ প্ৰতি কৰ্ত্তব্য আছে। সকলোৱেই সাধ্য অনুসৰি কিবা নহয় কিবা এটা হিতকৰ কামত নিযুক্ত থাকিব লাগিব এইটোৱেই হৈছে সাধাৰণ ব্ৰত। আমাৰ এদলে কুমাৰ ব্ৰত ধাৰণ কৰি একে ঠাইতে থাকি কাম কৰিব, আৰু এদল গৃহস্থ হৈ নিজ নিজ ৰুচি আৰু সাধ্য অনুসৰি যেই কোনো এটা প্ৰয়োজনীয় কাম হাতত লৈ দেশৰ প্ৰতি কৰ্ত্তব্য পালন কৰিব। যি দল পৰ্য্যটক সম্প্ৰদায়ৰ হ'ব, তেওঁলোকে মেপ প্ৰস্তুত কৰা, জৰীপ কৰা, ভূতত্ত্ব, উদ্ভিদবিদ্যা, প্ৰাণীতত্ত্ব আদি শিকিব লাগিব। তেওঁলোক যলৈকে যাব, তাৰ সকলো তথ্য তন্নতন্নকৈ সংগ্ৰহ কৰিব, তেতিয়াহলেহে ভাৰতবাসীৰ দ্বাৰা ভাৰতবৰ্ষৰ যথাৰ্থ বিবৰণ লিপিবদ্ধ হোৱাৰ ভিত্তি স্থাপন হব পাৰিব, হাণ্টাৰ চাহেবৰ ওপৰত নিৰ্ভৰ কৰিয়ে দিন কটাব নেলাগিব।

পূৰ্ণ। চন্দ্ৰবাবু—যদি বহে তেনে কথা এটা—

চন্দ্ৰবাবু। নহ, মই কৈছো যে আমি যলৈ যলৈ যাম, সেই ঠাইৰ ঐতিহাসিক জনশ্ৰুতি আৰু পুৰণি পুথি সংগ্ৰহ কৰা আমাৰ কাম হ'ব। শিলালিপি, তামৰ ফলি এই বিলাকৰও সন্ধান কৰিব লাগিব, সেই দেখি কিছুদিন আমি প্ৰাচীনলিপি পঢ়িবৰো অভ্যাস কৰিব লাগিব।

পূৰ্ণ। সেইবোৰ পিচৰ কথা, এতিয়া—

চন্দ্ৰবাবু। নহয়, নহয়, মই কোৱা নাই যে সকলোৱেই সকলো বিদ্যা শিকিব লাগিব তেতিয়াহলে কোনো কালে শেষ নহব। নিজ অভিৰুচি অনুসৰি তাৰ ভিতৰত আমাৰ কোনোৱে এটা বা কোনোৱে দুটা শিক্ষা কৰিব—

শ্ৰীশ। কিন্তু, সেয়ে হলেও—

চন্দ্ৰবাবু। ধৰা পাঁচ বছৰ। পাঁচ বছৰত আমি প্ৰস্তুত হৈ ওলাই আহিব পাৰিম। যি চিৰজীৱনৰ কাৰণে ব্ৰত গ্ৰহণ কৰিব, তাৰ কাৰণে পাঁচ বছৰ কোনো কথাই নহয়। তাৰ উপৰি, এই পাঁচ বছৰতে আমাৰ পৰীক্ষা হৈ যাব, যি টিকিব পাৰিব, তেওঁলোকৰ সম্বন্ধে আৰু কোনো সন্দেহ নেথাকে।

পূৰ্ণ। কিন্তু চাওক, আমাৰ সভাখনৰ যে স্থানান্তৰ কৰা হ'ব ধৰিছে—

চন্দ্ৰবাবু। নহয় পূৰ্ণবাবু, আজি আৰু কোনোমতে নহব, মোৰ বৰ জৰুৰী কাম আছে। পূৰ্ণবাবু, মোৰ কথাবোৰ ভালকৈ চিন্তা কৰি চোৱা, এতিয়া হয়তো অসাধ্য যেন লাগিব পাৰে, কিন্তু অসাধ্য নহয়, দুঃসাধ্য হব পাৰে, কিন্তু ভাল কাম মাত্ৰেই দুঃসাধ্য। আমি যদি পাঁচোটা দৃঢ়প্ৰতিজ্ঞ মানুহ পাওঁ, তেনেহলে আমি এনে কাম কৰিম যে সি চিৰদিনৰ কাৰণে ভাৰতবৰ্ষক আচ্ছন্ন কৰি ৰাখিব।

শ্ৰীশ। কিন্তু আপুনি যে কৈছিল গৰুৰ গাড়ীৰ চকা আদি সৰু সৰু বস্তু—

চন্দ্ৰবাবু। ঠিক কথা, সেই বিলাককো মই সৰু বুলি উপেক্ষা নকৰো, আৰু ডাঙৰ কামকো দুঃসাধ্য বুলি ভয় নকৰো।

পূৰ্ণ। কিন্তু সভাৰ অধিবেশন সম্বন্ধেও—

চন্দ্ৰবাবু। সেইবোৰ কথা কালিলৈ হ'ব পূৰ্ণবাবু। আজিলৈ তেনেহলে আহো।

[প্ৰস্থান]

বিপিন। কিহে শ্ৰীশ ভায়া, চুপচাপ ৰ'লা যে। এক মাতালৰ মাৎলামিত অন্য মাতালৰ নিচা এৰাই যায়। চন্দ্ৰবাবুৰ উৎসাহে তোমাকো দমাই দিলে।

শ্ৰীশ। নহয় হে, বহুত ভাবিবলগীয়া কথা আছে। উৎসাহে জানো সকলো সময়তে কেৱল বকাবকিয়েই কৰে। কেতিয়াবা একেবাৰে নিস্তব্ধ হৈয়ো থাকে। সেইটোৱেই হল সাজ্যাতিক অৱস্থা।

বিপিন। পূৰ্ণবাবু, হঠাৎ দেখোন পলাইছা ?

পূৰ্ণ। সভাপতি মহাশয়ক বাটত লগ ধৰোগৈ, বাটত গৈ থাকোতে থাকোতে কি জানিবা দৈবাৎ মোৰো দুই এটা কথালৈ কান দিয়েই।

বিপিন। ঠিক বিপৰীত হ'ব। যি কেটা কথা তেওঁৰ বাকী আছে, সেইকেটা তোমাক শুনাওঁতে শুনাওঁতে কলৈ যাবলগীয়া আছিল সেই কথাকে পাহৰি যাব!

[বনমালীৰ প্ৰবেশ]

বনমালী। ভালে আছে, শ্ৰীশবাবু? বিপিনবাবু ভাল নহয়? অ' পূৰ্ণবাবুও আছে দেখিছো, ভালেই হ'ল। মই বহুত কৈ মেলি সেই কুমাৰ-টুলিৰ পাত্ৰী ছুটিক বখাই থৈছো—

শ্ৰীশ। কিন্তু আমাক আৰু বখাই থব নোৱাৰিব। আমি গুৰুতৰ কিবা এটা কৰি পেলাম।

পূৰ্ণ। আপোনালোক বহক শ্ৰীশবাবু। মোৰ অলপ কাম আছে।

বিপিন। তাতকৈ আপুনিয়ে বহক পূৰ্ণবাবু। আপোনাৰ কামটো আমি ছুজনে লগলাগি কৰি থৈ আহোঁগৈ।

পূৰ্ণ। তাতকৈ আমি তিনিওজনে লগলাগি কৰাই ভাল।

বনমালী। আপোনালোক ব্যস্ত হৈছে। বাৰু, মই অন্য সময়তে আহিম।

তৃতীয় দৃশ্য

চন্দ্ৰবাবুৰ ঘৰ

[চন্দ্ৰমাধৱবাবু অৰু নিৰ্মলা]

চন্দ্ৰবাবু। নিৰ্মল—

নিৰ্মলা। কি মামা?

চন্দ্ৰবাবু। নিৰ্মল, মোৰ ডিঙিৰ বুটামটো বিচাৰি পোৱা নাই।

নিৰ্মলা। বোধহয় তাতে কৰবাত আছে।

চন্দ্ৰবাবু। [বিস্মিতভাবে] এবাৰ বিচাৰি চাচোন কেনি!

নিৰ্মলা। তুমি ক'ত কি পেলোৱা মই কেনেকৈ বিচাৰি উলিয়াম?

চন্দ্ৰবাবু। [মনত অল্প সন্দেহ হোৱাত, শান্তভাবে] অবেইতো পাৰ নিৰ্মল। মোৰ সকলো ত্ৰুটি ইমান ধৈৰ্য্যেৰে আৰু কোনে স'ব পাৰে?

[নিৰ্মলাৰ ৰুদ্ধ অভিমান চন্দ্ৰবাবুৰ মৰমৰ মাতত চকুলো হৈ ওলাই অহাৰ উপক্ৰম হ'ল। নিঃশব্দে নিৰ্মলাই চকুলো সামৰি লবৰ চেষ্টা কৰিলে। তাই মনে মনে থকা দেখি চন্দ্ৰমাধৱবাবু নিৰ্মলাৰ ওচৰলৈ আহিল। দুটা আঙুলিৰে নিৰ্মলাৰ মুখখন দাঢ়ি ধৰি অলপ পৰ চাই ৰ'ল]

চন্দ্ৰবাবু। [অলপ হাঁহি] নিৰ্মল আকাশত অভ্ৰ যেন মোলান পৰা দেখিছো। কি হৈছে কচোন ?

নিৰ্মলা। [ক্ষুব্ধ মাতেৰে] ইমান দিনৰ পিচত মোক তোমালোকে চিৰকুমাৰ সভাৰ পৰা বিদায় দিছা কিয় ? মই কি কৰিলো ?

চন্দ্ৰবাবু। [আচৰিত হৈ] চিৰকুমাৰ সভাৰ পৰা তোক বিদায়! সেই সভাৰ লগত তোৰ কি সম্বন্ধ ?

নিৰ্মলা। দুৱাৰৰ আঁৰত থাকিলে হবলা কোনো সম্বন্ধ নেথাকে ? অন্ততঃ সেই দৰেই যিকন যোগাযোগ আছিল, তাকেইবা কিয় হেৰুৱাব লাগে ?

চন্দ্ৰবাবু। নিৰ্মল, তইতো এই সভাৰ কাম নকৰ, যি কাম কৰিব, তেওঁলোকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিয়েই—

নিৰ্মলা। মই কিয় কাম নকৰিম ? তোমাৰ ভাগিন নহৈ ভাগিনী হৈ জন্ম ললো বুলিয়েই কোনো ভাল কামত যোগ দিব নোৱাৰিমনেকি ? তেনেহলে অতদিনে মোক শিক্ষা দিলা কিয় ? নিজ হাতে মোৰ মনপ্ৰাণ সকলো জগাই তুলি শেষত কাম কৰিবৰ সময়ত বাট বন্ধ কৰি দিছা কিয় ?

চন্দ্ৰবাবু। নিৰ্মল, এসময়ততো বিয়া কৰাই তই সংসাৰৰ কামত লাগিব লাগিব, চিৰকুমাৰ সভাৰ কাম—

নিৰ্মলা। বিয়া মই নকৰও।

চন্দ্ৰ। তেনেহলে কি কৰিবি ?

নিৰ্মলা। দেশৰ কামত তোমাক সহায় কৰিম।

চন্দ্ৰ। আমি যে সন্ন্যাস ব্ৰত গ্ৰহণ কৰিবলৈ প্ৰস্তুত হৈছো।

নিৰ্মলা। ভাৰতবৰ্ষত কেতিয়াও কোনো সন্ন্যাসিনী হোৱা নাছিল জানো ?

[চন্দ্ৰমাধৱবাবু নিৰৱ হৈ থিয় হৈ ৰ'ল] মামা, যদি কোনো ছোৱালীয়ে তোমালোকৰ ব্ৰত গ্ৰহণ কৰিবৰ কাৰণে আন্তৰিক ভাবে সাজু হয়, তোমালোকে তেওঁক কিয় প্ৰকাশ্যভাবে সভাত গ্ৰহণ নকৰিবা? মই তোমালোকৰ কৌমাৰ্য্য সভাৰ সভ্য কিয় নহম?

চন্দ্ৰবাবু। [দ্বিধা আৰু কুণ্ঠাৰে] অন্ত বিবিলাক সভ্য আছে—

নিৰ্মলা। যিবিলাক সভ্য আছে, যিবিলাকে ভাৰতবৰ্ষৰ হিতব্ৰত গ্ৰহণ কৰিছে, যিবিলাক সন্ন্যাসী হবলৈ ওলাইছে, তেওঁলোকে এজনী ব্ৰতধাৰিণী তিৰোতাক অসংকোচে নিজৰ দলত গ্ৰহণ কৰি ল'ব নোৱাৰিব কিয়? সেয়ে যদি হয়, তেনেহলে তেওঁলোক গৃহস্থী হৈ ঘৰত সোমাই থাকক, তেওঁলোকৰ দ্বাৰা কোনো কাম নহয়।

[চন্দ্ৰমাধৱবাবুৱে আঙুৰি চুলিবোৰ আউলি বাউলি কৰি পেলালে। এনে সময়তে তেওঁৰ চোলাৰ হাতৰ পৰা হেৰোৱা বুটামটো ওলাই মাটিত পৰি গল। হাঁহি হাঁহি বুটামটো বুটলি আনি নিৰ্মলাই তেওঁৰ কামিজৰ ভিতিত লগাই দিলে, চন্দ্ৰমাধৱবাবুৱে তালৈ কান নিদিলে। চুলিৰ মাজত আঙুলি বুলাই বুলাই তেওঁ মগজুৰ চিন্তাবোৰক বিব্ৰত কৰি তুলিলে।]

[নিৰ্মলাৰ প্ৰস্থান]

[পূৰ্ণবাবুৰ প্ৰবেশ]

পূৰ্ণ। চন্দ্ৰবাবু, সেই কথাবোৰ ভাবি চালেনে? মোৰ মতে আমাৰ সভাখন স্থানান্তৰ কৰাটো ভাল হোৱা নাই।

চন্দ্ৰবাবু। আজি আৰু এটা কথা উঠিছে। তোমাৰ লগত সেই কথাটোৰ ভালকৈ আলোচনা কৰিম বুলি মন কৰিছো। মোৰ এজনী ভাগিনী আছে বোধ হয় জানা?

পূৰ্ণ। [নিৰীহ ভাবে] আপোনাৰ ভাগিনী?

চন্দ্ৰবাবু। এৰা, তাইৰ নাম নিৰ্মলা। আমাৰ চিৰকুমাৰ সভাৰ লগত তাইৰ হৃদয়ৰ খুব যোগ আছে।

পূৰ্ণ। [বিস্মিত ভাবে] কয় কি ?

চন্দ্ৰবাবু। মোৰ বিশ্বাস তাইৰ অনুৰাগ আৰু উৎসাহ আমাৰ কাতোকেই কম নহয়।

পূৰ্ণ। [উত্তেজিত ভাবে] এই কথা শুনিলে আমাৰ উৎসাহ বাঢ়ি যায়। তিৰোতো হৈ তেওঁ—

চন্দ্ৰবাবু। ময়ো সেই কথাকে ভাবিছো। নাৰীৰ সবল উৎসাহে পুৰুষৰ উৎসাহত যেন নতুন প্ৰাণ সঞ্চাৰ কৰিব পাৰে, মই নিজেই সেইটো অনুভৱ কৰিছো॥

পূৰ্ণ। [আবেগপূৰ্ণ ভাবে] ময়ো সেইটো বেচ অনুমান কৰিব পাৰো।

চন্দ্ৰবাবু। পূৰ্ণবাবু তোমাৰো সেয়ে মত নেকি ?

পূৰ্ণ। কি মতৰ কথা কৈছে ?

চন্দ্ৰবাবু। অৰ্থাৎ যথাৰ্থ অনুৰাগী কোনো নাৰী আমাৰ কঠিন কৰ্ত্তব্যৰ পথত বাধা নহৈ, যথাৰ্থ সহায় হ'ব পাৰে।

পূৰ্ণ। [নেপথ্যৰ ফালে চাই, উচ্চ কণ্ঠে] সেই বিষয়ে মোৰ লেশমাত্ৰও সন্দেহ নাই। স্ত্ৰীজাতিৰ অনুৰাগ হৈছে পুৰুষৰ অনুৰাগৰ একমাত্ৰ সজীৱ নিৰ্ভৰ, তেওঁলোকৰ উৎসাহেই হৈছে আমাৰ উদ্দীপনা। পুৰুষৰ উৎসাহক নবজাত শিশুক মানুহ কৰাৰ দৰে গঢ়ি তুলিব পাৰে কেৱল নাৰীৰ উৎসাহে।

[শ্ৰীশ আৰু বিপিনৰ প্ৰবেশ]

শ্ৰীশ। পাৰে মানিলো পূৰ্ণবাবু, কিন্তু সেই উৎসাহৰ অভাৱতে আজি সভাখন মোৰাত পলম হৈছেনেকি ?

চন্দ্ৰবাবু। নহয়, নহয়, পলম হোৱাৰ কাৰণ হল, আজি মোৰ ডিঙিৰ বুটামটো কোনো মতে বিচাৰি পোৱা নাই।

শ্ৰীশ। ডিঙিত যেখোন বুটাম এটা লগোৱা আছে—দেখিছো। আৰু দৰকাৰ আছে নেকি ! দৰকাৰ থাকিলেও বুটা ক'ত পাব ?

চন্দ্ৰবাবু। [ডিঙিত হাত দি] হয় যেখোন ! আমি সকলোৱেইতো উপস্থিত আছো, এতিয়া সেই কথাটোৰ আলোচনা হৈ যাওক, কি কোৱা পূৰ্ণবাবু ?

পূর্ণ। সেইটো ভাল কথা। কিন্তু ইপিনে দেখি হোৱা নাইনে?

চন্দ্ৰবাবু। নাই হোৱা, এতিয়াও সময় আছে। শ্ৰীশবাবু, তোমালোক অলপমান বহা, কথাটো অলপ ধীৰে সুস্থে ভাবি চাবলগীয়া। মোৰ এজনী ভাগিনী আছে—তাইৰ নাম নিৰ্মলা—

[পূৰ্ণ হঠাৎ কাহি বঙা পৰি উঠিল]

আমাৰ কুমাৰ সভাৰ সকলো উদ্দেশ্যৰ লগত তাইৰ মনৰ একান্ত মিল আছে।

[শ্ৰীশ আৰু বিপিনে অবিচলিত আৰু নিৰুৎসুক ভাবে শুনি গল]

এই কথা মই নিশ্চিতভাবে ক'ব পাৰো' তাইৰ উৎসাহ আমাৰ কাতোকই কম নহয়।

[শ্ৰীশ আৰু বিপিনৰ কোনো আগ্ৰহ নেদেখি চন্দ্ৰবাবু মনে-মনে অলপ উত্তেজিত হৈ উঠিল]

এই কথা মই ভালকৈ বিবেচনা কৰি চাই স্থিৰ কৰিছো যে নাৰীৰ উৎসাহ পুৰুষৰ সকলো বৃহৎ কামৰ মহৎ অবলম্বন। কি কোৱা পূৰ্ণবাবু?

পূৰ্ণ। [দুৰ্ব্বল ভাবে] সেইটোতো হয়েই—

চন্দ্ৰবাবু। [হঠাৎ খৰকৈ] নিৰ্মলা যদি কুমাৰ সভাৰ সভ্য হ'বৰ কাৰণে প্ৰাৰ্থী হয়, তেনে হলে আমি সভ্য নকৰিম কিয়?

পূৰ্ণ। কি কৈছে চন্দ্ৰবাবু?

শ্ৰীশ। আমি কোনোদিন কল্পনা কৰা নাই যে কোনো তিৰোতাই আমাৰ সভাৰ সভ্য হোৱাৰ ইচ্ছা প্ৰকাশ কৰিব। সেই দেখি এই সম্পৰ্কে আমাৰ কোনো নিয়ম নাই।

বিপিন। নিষেধো নাই।

শ্ৰীশ। স্পষ্ট নিষেধ নেথাকিব পাৰে, কিন্তু আমাৰ সভাৰ বিবোৰ উদ্দেশ্য সেইবোৰ তিৰোতাৰ দ্বাৰা পূৰ্ণ হ'ব নোৱাৰে।

বিপিন। আমাৰ সভাৰ উদ্দেশ্য সংকীৰ্ণ নহয়। আৰু বৃহৎ উদ্দেশ্য সাধন কৰিবলৈ গলে, বিচিত্ৰ শ্ৰেণীৰ আৰু বিচিত্ৰ শক্তিৰ মানুহৰ বিচিত্ৰ চেষ্টাত প্ৰবৃত্ত হোৱা দৰকাৰ। স্বদেশৰ হিতসাধন এজনী তিৰোতাই

যেনেকৈ কৰিব পাৰিব, তুমি সেইৰূপে নোৱাৰিবা। আৰু তুমি যেনেকৈ পাৰিবা, এজনী তিৰোতাই তেনেকৈ নোৱাৰিব। সেই-দেখি সভাৰ উদ্দেশ্যক সৰ্ব্বাঙ্গসম্পূৰ্ণভাবে সাধন কৰিব লাগিলে তোমালোকৰ যেনেকৈ দৰকাৰ, স্ত্ৰীসভ্যবো তেনেকৈয়ে প্ৰয়োজন।

শ্ৰীশ। যি কাম কৰিব নোখোজে, সিয়ে উদ্দেশ্যৰ ঢোল কোবায়, যথাৰ্থ কাম কৰিবলৈ গলেই লক্ষ্যক সীমাবদ্ধ কৰিব লগীয়া হয়। আমাৰ সভাৰ উদ্দেশ্যক তুমি যিমান বৃহৎ বুলি ভাবি তুমি নিশ্চিন্ত হৈ আছা, মই সিমান বৃহৎ বুলি নেভাবো।

বিপিন। আমাৰ সভাৰ কাৰ্য্যক্ষেত্ৰ অন্ততঃ ইমান বৃহৎ যে তোমাক গ্ৰহণ কৰিছে বুলি মোক এৰিবলগীয়া হোৱা নাই। আৰু মোক গ্ৰহণ কৰিছে বুলি তোমাক এৰিব লগা হোৱা নাই। তোমাৰ আৰু মোৰ উভয়ৰেই ঠাই যদি তাত হয়, ইয়াত যদি আমাৰ দুয়োজনৰে উপযোগীতা আৰু আৱশ্যকতা আছে, তেনেহলে আৰু এজন ভিন্ন প্ৰকৃতিৰ লোকৰ ইয়াত ঠাই হোৱাটো এনে কি কঠিন কথা ?

শ্ৰীশ। উদাৰতা বৰ উত্তম বস্তু, সেই কথা মই নীতিশাস্ত্ৰত পঢ়িছো। তোমাৰ সেই উদাৰতাক মই নষ্ট কৰিব খোজা নাই, বিভক্ত কৰিব খুজিছো মাত্ৰ। তিৰোতা মানুহে যি কাম কৰিব পাৰে, তাৰ কাৰণে তেওঁলোকে বেলেগে সভা কৰক, আমি তাৰ সভ্য হবলৈ নেযাও, আৰু আমাৰ সভাও আমাৰেই থাকক। নহলে আমি পৰস্পৰ কামৰ বাধাহে হম। মূৰে চিন্তা কৰি মৰক, পেটে হজম কৰি থাকক,—পাকযন্ত্ৰটি মূৰৰ ভিতৰত আৰু মস্তিষ্কটি পেটৰ ভিতৰত থবৰ চেষ্টা নকৰিলেই ভাল।

বিপিন। কিন্তু সেই বুলি মূৰটো চিঙি এঠাইত আৰু পেটটো অন্য এঠাইত থলেও কামৰ সুবিধা নহয়।

শ্ৰীশ। [অত্যন্ত বিৰক্ত হৈ] উপমাতো আৰু যুক্তি নহয়, যে তাক খণ্ডন কৰিলেই মোৰ কামটোও খণ্ডন কৰা হল। উপমা কেৱল কিছু দূৰলৈ খাটে,—

বিপিন। অৰ্থাৎ যিমানখিনি তোমাৰ যুক্তিৰ পক্ষে খাটে—

পূৰ্ণ। [অত্যন্ত নিৰাসক্তভাবে] বিপিন বাবু, মোৰ মত এই যে আমাৰ

এইবোৰ কামলৈ ছোৱালীবোৰ আগ বাঢ়ি ওলাই আহিলে, তেওঁলোকৰ মাধুৰ্য্য নষ্ট হয়।

চন্দ্ৰবাবু। [কিতাপ এটা চকুৰ আগলৈ আনি] মহৎ কামত যি মাধুৰ্য্য নষ্ট হয়, সেই মাধুৰ্য্য যত্ন কৰি ৰক্ষা কৰিবৰ যোগ্য নহয়।

শ্ৰীশ। নহয়, চন্দ্ৰবাবু, সেইবোৰ সৌন্দৰ্য্য মাধুৰ্য্যৰ কথা মই কোৱাই নাই। আমি চলিব লাগিব সৈন্যৰ দৰে একে ধৰণে, অনভ্যাস বা স্বাভাবিক দুৰ্ব্বলতাৰ কাৰণে যিবোৰ পিচ পৰি থকাৰ সম্ভাৱনা আছে, সেইবোৰক লৈ যোৱা গধুৰ কৰিলে আমাৰ সকলো ব্যৰ্থ হ'ব।

[এনেতে অকুণ্ঠিত মৰ্য্যাদাৰে নিৰ্ম্মলা সোমাই আহিল, আৰু নমস্কাৰ কৰি থিয় দি ৰ'ল। সকলো স্তম্ভিত হল। নিৰ্ম্মলাৰ মাতত ক্ষোভ আৰু কান্দোনৰ সুৰ]

নিৰ্ম্মলা। আপোনালোকৰ উদ্দেশ্য কি, আৰু দেশৰ কামত আপোনালোক কিমানি দূৰ পৰ্য্যন্ত যাবৰ কাৰণে প্ৰস্তুত আছে—মই তাৰ একোকে নেজানো, কিন্তু মই মোৰ মামাক জানো, তেওঁ যি পথেদি যাত্ৰা কৰিছে, মোক সেই পথ অনুসৰণ কৰি যোৱাত আপোনালোকে কিয় বাধা দিছে ?

[শ্ৰীশ নিৰুত্তৰ, পূৰ্ণ কুণ্ঠিত, অনুতপ্ত, বিপিন প্ৰশান্ত, গম্ভীৰ, চন্দ্ৰবাবু সুগভীৰ চিন্তামগ্ন]

নিৰ্ম্মলা। [পূৰ্ণ আৰু শ্ৰীশৰ ফালে লাজুক চকুৰে চাই] মই যদি কাম কৰিব খোজো, যি মোৰ আশৈশৱৰ গুৰু, মই যদি মৃত্যু পৰ্য্যন্ত সকলো শুভ-চেষ্টাত তেওঁৰ অনুবৰ্ত্তিনী হবৰ মন কৰো, আপোনালোকে কেৱল তৰ্কেৰে মোৰ অযোগ্যতা প্ৰমাণ কৰিবৰ চেষ্টা কৰিছে কিয় ? আপোনালোকে মোক কি জানে ?

[শ্ৰীশ স্তব্ধ, পূৰ্ণ ঘামি ঘামি উঠিছে]

নিৰ্ম্মলা। মই আপোনালোকৰ কুমাৰসভা বা অন্য কোনো সভা নেজানো, কিন্তু যাৰ শিক্ষাৰে মই মানুহ হৈছো, তেওঁ যেতিয়া কুমাৰ সভাকে অৱলম্বন কৰি তেওঁৰ জীৱনৰ সকলো উদ্দেশ্য সাধনত প্ৰবৃত্ত হৈছে, মোকো আপোনালোকে কুমাৰসভাৰ পৰা নিশ্চয়েই বাহিৰ নোৰাখিব। [চন্দ্ৰবাবুৰ কাষে গৈ] তুমি যদি কোৱা

যে মই তোমাৰ কামৰ কাৰণে যোগ্য নহও, তেতিয়া হলে মই বিদায় লয়। কিন্তু এওঁলোকে মোক কি জানে? এওঁলোক সকলোৱে মোক তোমাৰ অনুষ্ঠানৰ পৰা আতৰাই ৰাখিবৰ কাৰণে কিয় সকলো লগ লাগি তৰ্ক কৰিছে?

শ্ৰীশ। [বিনীত সক মাতেৰে] ক্ষমা কৰিব, মই আপোনাৰ বিষয়ে কোনো তৰ্ক কৰা নাই, মই স্ত্ৰীজাতি সম্বন্ধে সাধাৰণভাবেই কৈছিলো।

নিৰ্মলা। মই স্ত্ৰীজাতি পুৰুষজাতি লৈ কোনো বিচাৰ কৰিবলৈ নিবিচাৰো। মই জানো মোৰ নিজা অন্তঃকৰণ, আৰু যাৰ উন্নত দৃষ্টান্তক আশ্ৰয় কৰি আছো, তেওঁৰ অন্তঃকৰণ। কামত লাগিবৰ কাৰণে ইয়াৰ বেচি অন্য একো জানিবৰ দৰকাৰ আৰু মোৰ নাই।

[চন্দ্ৰবাবুৱে নিজৰ সোঁহাতৰ তলুৱা চকুৰ খুব ওচৰ চপাই নি চাব ধৰিলে। পূৰ্ণই কিবা কথা এটা বৰ ধুনীয়াকৈ ক'ব খুজিলে, কিন্তু কথা নোলাল]

পূৰ্ণ। [মনে মনে আবৃত্তি কৰি] দেবী, এই পঙ্কিল পৃথিবীৰ কামত আপোনাৰ পবিত্ৰ ডুখনি হাত কিয় লগাব খুজিছে?

[কথাষাৰ মনত যেনে লাগিছিল, মুখত তেনে শুনালে, কৈ উঠিয়ে পূৰ্ণই বুজিব পাৰিলে যে কথাখিনি গন্তৰ মাজত গন্তৰ নিচিনা শুনালে। লাজত তেওঁৰ কানমূৰ ৰঙা পৰিল]

বিপিন। [স্বাভাবিক সুগম্ভীৰ শান্ত স্বৰে] পৃথিবী যিমানেই পঙ্কিল, পৃথিবীৰ সংশোধন কাৰ্য্য সিমানেই বেচি পবিত্ৰ।

শ্ৰীশ। সভাৰ অধিবেশনত স্ত্ৰীসভ্য লোৱা সম্বন্ধে নিয়মমতে প্ৰস্তাৱ উত্থাপন কৰি কি স্থিৰ হয় আপোনাক জনাম।

[আৰু অলপো নবৈ নিৰ্মলা নিৰৱে ওলাই যাব খুজিলে]

চন্দ্ৰ। [হঠাৎ] কেনি, মোৰ সেই ডিডিৰ বুটামটো—?

নিৰ্মলা। [সলাজ হাঁহিৰে মৃদুকণ্ঠে] ডিডিতে আছে।

চন্দ্ৰ। [ডিডিত হাত দি] অ' অ' আছে, আছে।

[তেওঁ আনকেইজনলৈ চাই হাঁহিলে]

চতুৰ্থ দৃশ্য

অক্ষয়ৰ ঘৰ

[নৃপবালা আৰু নীৰবালা]

নৃপবালা। আজিকালি তই মাজে মাজে কিয় এনেকৈ গম্ভীৰ হৈ দিয়, কচোন নীৰু।

নীৰবালা। আমাৰ ঘৰৰ যত গাম্ভীৰ্য্য আছে, সেই সকলো তোৰেই হ'বলা। মোৰ মন গৈছে মই গম্ভীৰ হৈছো।

নৃপবালা। তই কি ভাবিছ মই ভালকৈ জানো।

নীৰবালা। তোৰ ইমান অনুমান কৰিবৰ কি দৰকাৰ পৰিছে। এতিয়াতো নিজৰ কথা ভাবিবৰ সময় হৈছে।

নৃপবালা। [নীৰৰ ডিঙি সাবটি ধৰি] তই ভাবিছ, আমি বৰ জঞ্জাল, আমাক বিদায় দিবৰ কাৰণেও ইমান ভাবনা, ইমান বেমেজালি !

নীৰবালা। পিচে আমিতো আৰু পেলাই দিবলগীয়া বস্তু নহয় যে এনেই এৰি দিলেই হল। আমাৰ কাৰণে যে ইমানবোৰ টনাআজোৰা হৈছে, সেইটোতো গৌৰবৰ কথা। কুমাৰসম্ভৱত পঢ়িছ নহয়, গৌৰীৰ বিয়াৰ কাৰণে এটি গোট দেৱতা পুৰি ছাই হৈ গল। যদি কোনোবা কবিয়ে শুনিবলৈ পায়, আমাৰ বিয়াৰ বৰ্ণনা ওলাই যাব।

নৃপবালা। মোৰ হলে বৰ লাজ লাগিছে 'পায়।

নীৰবালা। আৰু মোৰ হবলা লাজ লগা নাই ? মই হবলা নিলাজী ? কিন্তু কি কৰিম ক। স্কুলত যিদিনা প্ৰাইজ লবলৈ গৈছিলো, সেইদিনা লাজ লাগিছিল, পিচে তাৰ পিচৰ বছৰো প্ৰাইজ পাবৰ কাৰণে ৰাতি উঠি পঢ়া মুখস্থ কৰিছিলো। লাজো লাগে, প্ৰাইজো এৰিব নোৱাৰো—এইটোৱেই মোৰ স্বভাৱ।

নৃপবালা। বাৰু নীৰু, এইবেলি যিটো প্ৰাইজৰ কথা চলিছে, তাৰ কাৰণে তই বৰ ব্যস্ত হৈছনেকি ?

নীৰবালা। কোনটো কচোন, চিৰকুমাৰ সভাৰ দুটি সভ্য ?

নৃপবালা। যেই হওক লাগিলে, তই তো বুজিব পাৰিছ ?

নীৰবালা। সচা কথা কওঁনে ভাই ? [নৃপৰ ডিঙিত ধৰি কানে কানে] শুনিছো হেনো কুমাৰসভাৰ দুটি সভ্যৰ ভিতৰত বৰ মিল, আমি দুজনী যদি দুয়ো বন্ধুৰ হাতত পৰো, তেতিয়া হলে বিয়া হলেও আমাৰ এৰাএৰি নহয়, নহলে আমি কোন কলৈ যাম ঠিক নাই। সেই দেখিহে সেই যুগল দেৱতাৰ কাৰণে ইমান পূজাৰ আয়োজন কৰিছো ভাই, হাতজোৰ কৰি মনে মনে কৈছো, হে কুমাৰসভাৰ অশ্বিনীকুমাৰযুগল, আমাৰ দুই বাই ভনীক তোমালোক দুজনে একেডালি ঠাৰিৰ দুপাহী ফুলৰ দৰে একেলগে গ্ৰহণ কৰা।

[বিবহসম্ভাবনাৰ উলেখ হোৱা মাত্ৰকে দুয়ো বাইভনীয়ে পৰস্পৰক সাবটি ধৰিলে, আৰু নৃপই চকুপানী কোনোমতে সামৰি ৰাখিব নোৱাৰিলে]

নৃপবালা। বাৰু নীৰু, মাজু বাইদেউক কেনেকৈ এৰি যাবি কচোন ? আমি দুজনী গুচি গলে তেওঁৰ আৰু কোন থাকিব ?

নীৰবালা। সেই কথা বহুত ভাবি চাইছো। থাকিবলৈ দিয়া হলে জানো এৰি গলোহেঁতেন। তেওঁৰতো স্বামী নেথাকিল। মাজুবাই-দেউতকৈ আমি বেচি সুখ বিচৰাৰ কি দৰকাৰ ?

[পুৰুষবেশধাৰিণী শৈলবালাৰ প্ৰবেশ]

নীৰুবালা। [মেজৰ ওপৰৰ আলনাখনৰ পৰা ফুলৰমালা এধাৰ লৈ শৈলবালাৰ ডিঙিত পিন্ধাই দিলে] আমি দুই স্বয়ম্বৰাই তোমাক আমাৰ পতিৰূপে বৰণ কৰিলো।

[শৈলবালাক প্ৰণাম কৰিলে]

শৈলবালা। এইবোৰ আকৌ কি ?

নীৰবালা। ভয় নাই, আমি দুই সতিনীয়ে তোমাৰ কাৰণে কাজিয়া নকৰো। কৰো যদি মাজু বাইদেৱে মোৰ লগত নোৱাৰে, মই অকলেই জিতমাত্ত কৰি লব পাৰিম, তুমি আৰু কষ্ট কৰিব নেলাগে। মহন, সচাকৈ কৈছো মাজু বাইদেউ, তোমাৰ গুচৰত আমি বেনে

আয়বচেনেহ্ব মাজত আছো, এনেকুৱা আৰ্হ জানো আক ক'ৰবাত পাম? আমাক তেনে অন্তৰ হাতত গটাই দিব খুজিছা কিয়?

[নৃপৰ চকুৰ পৰা লোতক বাগৰি আহিল]

শৈলবালা। [তাইৰ চকু মচি দি] ছিঃ নৃপ, কি কৰিছ। কিহত তহঁত সুখী হবি তহঁতে জানো জান? মোক লৈ যদি তহঁতৰ জীৱন সাৰ্থক হলহেতেন, তেতিয়া হলে মই জানো তহঁতক অন্তৰ হাতত দিব পাৰিলোহেতেন।

[ৰসিকৰ প্ৰবেশ]

ৰসিক। মোৰ নিচিনা অসভ্য এটাক তহঁতে সভ্য কৰিলি, আজিযে সভা ইয়াত বহিব, কেনেকৈ চলিব লাগিব শিকাই দে।

নীৰবালা। আকৌ পুৰণি ঠাট্টা! সভ্য-অসভ্যৰ কথাবাৰ পৰহিৰ পৰা কৈ আছা।

ৰসিক। যাক জন্ম দিয়া যায়, তালৈ মৰম নেলাগে জানো? ঠাট্টা এবাৰ মুখৰ পৰা ওলালেই ৰাজপুত্ৰ ছোৱালীৰ নিচিনাকৈ তাক টেটু চেপি মাৰি পেলাব লাগেনেকি? কথা হৈছে, যেতিয়ালৈকে চিৰকুমাৰ সভা টিকি থাকিব, তেতিয়ালৈকে এই ঠাট্টা তহঁতে পুৱা গধূলি শুনিবই লাগিব।

নীৰবালা। তেনেহলে সেইটিৰ সোনকালে দিহা লগাব লাগিল, মাজুৰাই দেউ, আক দয়ামায়া নহব, ৰসিকদাদাৰ ৰসিকতাক আমি পুৰণি হবলৈ নিদিও, চিৰকুমাৰ সভাৰ চিৰত্বক আমি অচিৰে শেষ কৰি দিম। তেতিয়াহে আমাৰ বিশ্ববিজয়িনী নাৰী নামটো সাৰ্থক হ'ব। কিদৰে আক্ৰমণ কৰা হ'ব, তাৰ কিবা প্লেন ঠিক কৰিছানে?

শৈলবালা। একো কৰা নাই। ক্ষেত্ৰত উপস্থিত হৈ যেতিয়া যেনেদৰে মুৰত খেলায়—

নীৰবালা। যেতিয়াই দৰকাৰ হয়, ৰণভেৰী বাজি উঠিলেই মই আহি হাজিৰ হম। মই কি কৰিছো ভয় কুমাৰ সভাক, নাই নেকি বল মোৰ মৃনাল বাহুত?

[অক্ষয়ৰ প্ৰবেশ]

অক্ষয়। আজিৰ সভাত বিদুষীমণ্ডলীক এটা ঐতিহাসিক প্ৰশ্ন সুধিব খুজিছো।

শৈলবালা। সাধু আছো।

অক্ষয়। কোৱাচোন, যি ডালতে উঠি আছিল সেই ডাল দুটাকে কাটিব খুজিলে কোনে ?

নৃপবালা। মই জানো মুখাৰ্জী মহাশয়,—কালিদাসে।

অক্ষয়। নহয়, তাতোকৈ এজন ডাঙৰ মানুহ শ্ৰীঅক্ষয়কুমাৰ মুখোপাধ্যায়।

নীৰবালা। ডাল দুটা কোন ?

অক্ষয়। [নীৰক বাঁওকালে টানি] এটি, এইটি, [নৃপক সোঁকালে টানি] আৰু এটি এইটি।

নীৰবালা। আৰু আজি হৃদলা কুঠাৰ আহিব ?

অক্ষয়। আহিব বোলা কিয়, আহিল বুলি কলেও বেচি কোৱা নহয়। সেইয়া খটখটিত ভৰিৰ শব্দ শুনা গৈছে। [আটায়ে দৌৰ মাৰিলে। শৈলই পলাবৰ সময়ত ৰসিকক টানি লৈ গল। খাৰুৰ শব্দ যাব নৌ যাওতেই শ্ৰীশ আৰু বিপিনৰ প্ৰবেশ]

অক্ষয়। পূৰ্ণবাবু নাহিল দেখোন।

শ্ৰীশ। চন্দ্ৰবাবুৰ ঘৰত তেওঁৰ লগত দেখা হৈছিল, কিন্তু হঠাৎ তেওঁৰ গা বেয়া লগাত আজি আৰু আহিব নোৱাৰিলে।

অক্ষয়। [বাটৰ ফালে চাই] অলপ বহক, মই দুৱাৰ মুখত বৈ চন্দ্ৰবাবুৰ কাৰণে বাট চাও। তেওঁ অন্ধ মানুহ, ক'ৰ পৰা গৈ ক'ত পৰিবগৈ ঠিক নাই। ওচৰতে এনে ঠায়ো আছে যত কুমাৰসভাৰ অধিবেশন পতাটো কোনোমতেই বাঞ্ছনীয় নহয়। [অক্ষয়ৰ প্ৰস্থান]

[অক্ষয় গ'লত শ্ৰীশই ঘৰটো ভালকৈ চালে। ঘৰত দুটা চাকি জ্বলি আছে, সেই দুটাৰ ওপৰত আছে ফিৰোজা ৰঙৰ ঢাকনি। সেই আৱৰণ ভেদ কৰি ঘৰৰ পোহৰটো কোমল আৰু ৰঙীন হৈ উঠিছে। মেজৰ মাজতে ফুলদানি সজোৱা আছে]

বিপিন। [অলপ হাঁহি] যেই কোৱা ভাই, এই ঘৰটো চিৰকুমাৰ সভাৰ উপযুক্ত নহয়।

শ্রীশ। [উচপ্য খাই] কিয় নহয় ?

বিপিন। ঘৰৰ সাজসজ্জাবোৰ তোমাৰ নবীন সন্ন্যাসীহুতৰ কাৰণেও বেচি বেচি যেন লাগিছে।

শ্রীশ। মোৰ সন্ন্যাসধৰ্ম্মৰ কাৰণে একো বেচি হব নোৱাৰে।

বিপিন। কেৱল নাৰীৰ বাহিৰে।

শ্রীশ। এৰা, সেই এটা মাত্র।

[অন্য দিনৰ দৰেই কথাবাৰত কোনো জোৰ নপৰিল]

বিপিন। যেৰৰ ছবি আৰু অন্যান্য নানা ৰকমে ঘৰটোত সেই নাৰীজাতিৰ বহুত চিনাকি পোৱা যায় যেন।

শ্রীশ। সংসাৰত নাৰীজাতিৰ পৰিচয় সকলো ঠাইতে আছে।

বিপিন। সেইটো ঠিকেই। কবিসকলৰ কথাক যদি বিশ্বাস কৰা যায় তেন্তে জোন, ফুল, লতা, পাত ক'তোৱেই হতভাগ্য পুৰুষহুতৰ নাৰী-জাতীৰ পৰিচয়ৰ পৰা নিষ্কৃতি পাবৰ উপায় নাই।

শ্রীশ। [হাঁহি] কেৱল ভাবিছিলো চন্দ্ৰবাবুৰ ঘৰৰ সেই একতলাত ৰমণীৰ কোনো সংস্রৱ নাছিল। আজি হঠাৎ সেই ভুল ভাগি গল। নাই, সিহঁত গোটেই পৃথিবীত বিয়পি পৰিছে!

বিপিন। বেচাৰা চিৰকুমাৰহুতৰ কাৰণে কেনিও অকনো বাট ৰখা নাই। সভা কৰিবলৈ ঠাই পোৱাও টান।

শ্রীশ। এইয়া চোৱা—

[একাষৰ এখন টিপয়ৰ পৰা দুডালমান চুলিতমৰা কাঁটা দেখুৱালে]

বিপিন। [কাঁটাদুডাল লৈ ভালকৈ চাই] ভায়াহত, এই ঠাইতো কুমাৰ-হুতৰ কাৰণে নিষ্কণ্টক নহয়।

শ্রীশ। ফুলো আছে, কাঁইটো আছে।

বিপিন। তাতেইতো বিপদ। কেৱল কাঁইট থাকিলে আতৰি ফুৰিব পাৰি।
[শ্রীশই অন্য কোনৰ সৰু চেল্‌ফ্‌খনৰ পৰা আনি কিতাপবোৰ চাব ধৰিলে, কেইখনমান উপন্যাস, কেইখনমান ইংৰাজী কাব্যসংগ্রহ। পেলগ্রেভৰ গোল্ডেন ট্রেজাৰীৰ গীতিকাব্যৰ সোনৰ ভড়াল খুলি দেখিলে মাৰ্জিনত নাৰীৰ হাতৰ আখৰেৰে ন'ট লিখা আছে। প্রথমৰ পাত লুটিয়াই চালে, অলপ লাৰিচাৰি চাই বিপিনৰ চকুৰ আগতে দাঙি ধৰিলে]

বিপিন। নৃপবালা! মোৰ বিশ্বাস নামটো পুৰুষ মানুহৰ নহয়। কি ভাবা?

শ্ৰীশ। মোৰো সেয়ে বিশ্বাস। এই নামটিও অন্ত জাতীয় যেন লাগিছে হে!
[অন্ত এটা কিতাপ দেখুৱালে]

বিপিন। নীৰবালা! এই নামটো কাব্যগ্ৰন্থত চলে, কিন্তু কুমাৰসভাত—

শ্ৰীশ। এই নামধাৰিনীসকল যদি কুমাৰ সভালৈও সোমাই আহে, তেওঁ-লোকৰ বাট ভেটি ধৰিব পৰাৰ সমান বলবান আমাৰ ভিতৰত এজনো আছে যেন দেখা নাই দেখোন!

বিপিন। পূৰ্ণতো একেটা আঘাততে আহত হৈ পৰিল, ৰক্ষা পায়নে নেপায় সন্দেহ।

শ্ৰীশ। কেনেকৈ?

বিপিন। চকু দিয়া নাই হবলা?

শ্ৰীশ। নহয়, নহয়, সেইবোৰ তোমাৰ অনুমান।

বিপিন। হৃদয়ধনতো অনুমানৰে বস্তু, চকুৰেও নেদেখি, হাতেৰেও ধৰিব নোৱাৰি।

শ্ৰীশ। পূৰ্ণৰ অসুখটোও তেনেহলে বৈদ্যশাস্ত্ৰৰ ভিতৰত নপৰে?

বিপিন। নপৰে। এইবোৰ ব্যাধি সম্পৰ্কে মেডিকেল কলেজত কোনো ৰকমৰ লেকচাৰ দিয়া নেযায়।

শ্ৰীশ। এই ঘৰত সোমাওতেই ৰসিক চক্ৰবৰ্ত্তী নামৰ বৃদ্ধ যুৱকটিৰ লগত যে দেখা হল, তেওঁকো চিৰকুমাৰ সভাৰ দুৱৰীৰ উপযুক্ত যেন নেলাগিল।

বিপিন। মনত লাগিল যেন শিৱৰ তপোবন ৰাখিবৰ কাৰণে নন্দীৰ ছদ্মবেশত স্বয়ং পঞ্চশৰেই আহি আছেহি। মানুহটিক বিশ্বাসযোগ্য যেন নেলাগিল।

[চন্দ্ৰৰ প্ৰবেশ]

চন্দ্ৰবাবু। আজিৰ তৰ্কবিতৰ্কৰ উত্তেজনাত পূৰ্ণবাবুৰ হঠাৎ গা বেয়া লাগিল কাৰণে মই তেওঁক ঘৰত থৈ অহাটো উচিত বুলি ভাবিলো।

বিপিন। পূৰ্ণবাবুৰ যেনে দুৰ্ব্বল অৱস্থা দেখিছো, আগৰে পৰা তেওঁ বিশেষ সাৱধান হোৱা উচিত আছিল।

চন্দ্রবাবু। পূর্ণবাবুকতো বিশেষ অসাৱধান যেন দেখাগিল।

[অক্ষয় আৰু ৰসিকৰ প্ৰৱেশ]

অক্ষয়। ক্ষমা কৰিব। এই নতুন সভ্যটিক আপোনালোকৰ হাতত সমৰ্পণ কৰিয়েই মই গুচি যাম।

ৰসিক। [হাঁহি] মোৰ নবীনত্ব বাহিৰৰ পৰা বিশেষ দেখা নেযায়।

অক্ষয়। অত্যন্ত বিনয়ৰ খাতিৰত তাক বাহিৰৰ প্ৰাচীনতাৰে ঢাকি ৰাখিছে। লাহে লাহে তাৰ পৰিচয় পাব। এখেত হৈছে সাৰ্থকনামা শ্ৰীৰসিক চক্ৰবৰ্ত্তী।

ৰসিক। মোৰ ৰসবোধৰ পৰিচয় পোৱাৰ পূৰ্ব্বেই মোৰ পিতাই নাম ৰাখিছিল ৰসিক। এতিয়া পিতৃসত্য পালনৰ কাৰণে মই ৰসিকতা কৰি চলিব লগীয়া হয়। তাৰ পিচত 'যত্নে কৃতে যদি ন সিধ্যতি কোঽত্র দোষঃ'।

[অক্ষয়ৰ প্ৰস্থান]

[পুৰুষবেশী শৈলৰ প্ৰৱেশ। শৈল আহি সকলোকে নমস্কাৰ কৰিলে। ক্ষীণদৃষ্টিৰ চন্দ্ৰমাধৱবাবুৱে ধুৰ্ঁলীয়া চাবনিৰে শৈললৈ চালে। শৈলৰ পিচফালে ছুটা চাকৰে হাতত ভোজনপত্ৰ লৈ উপস্থিত হল। শৈলই সক সক কপৰ থালবোৰ লৈ বগা পাথৰৰ মেজৰ ওপৰত সজাই যাব ধৰিলে]

ৰসিক। এখেত আপোনালোকৰ সভাৰ আৰু এগৰাকী নবীন সভ্য। এখেতৰ নবীনতা সম্পৰ্কে কোনো তৰ্কৰ ঠাই নাই। ঠিক মোৰ বিপৰীত। এখেতে বাহিৰৰ নবীনতা দি বুদ্ধিৰ প্ৰাচীনতা গোপন কৰি ৰাখিছে। আপোনালোক দেখিছো অলপ বিস্মিত হৈছে, হোৱাৰে কথা। এখেতক দেখিলে মনত হয়—এওঁ বালক বুলি, মই আপোনালোকৰ ওচৰত জামিন থাকিলো এখেত বালক নহয়।

চন্দ্ৰবাবু। এওঁৰ নাম ?

ৰসিক। শ্ৰীঅৱলাকান্ত চট্টোপাধ্যায়।

শ্ৰীশ। অৱলাকান্ত ?

ৰসিক। নামটো আমাৰ সভাত চলিব পৰা বিধৰ নহয়, স্বীকাৰ কৰিছো। নামটোৰ প্ৰতি মোৰো বিশেষ মৰম নাই। যদি আপোনালোকে সলনি কৰি বিক্ৰমসিংহ, বা ভীমসেন বা অন্য কোনো উপযুক্ত নাম ৰাখে, তাত তেখেতে আপত্তি নকৰে। অৱশ্যে যদিও শাস্ত্ৰত আছে 'স্বনামা পুৰুষো ধন্য'—এখেত অবলাকান্ত নামটিৰেই জগতত পৌৰুষ অৰ্জন কৰিবৰ কাৰণে ব্যাকুল নহয়।

শ্ৰীশ। মহাশয়, কি কয়? নামতো আৰু গাৰ কাপোৰ নহয় যে সলনি কৰিলেই হল।

ৰসিক। সেইটো আপোনালোকৰ আজিকালিৰ সংস্কাৰ শ্ৰীশবাবু, আগৰ কালৰ মানুহে নামটোক পোষাকৰ ভিতৰতে ধৰিছিল, চাওকচোন, অৰ্জুনৰ বাপেকে দিয়া নাম কি আছিল ক'বলৈ টান—পাৰ্থ, ধনঞ্জয়, সব্যসাচী—মানুহৰ মুখত যেতিয়া যি আহে সেই বুলিয়েই মাতিছিল। চাওক, নামটোক আপোনালোকে বেচি সত্য বুলি নধৰিব। আপোনালোকে যদি ভুল কৰি এখেতক অবলাকান্ত বুলি নেমাতেও, তেখেতে লাইবেলৰ মোকৰ্দ্দমা তৰিবলৈ নেযায়।

শ্ৰীশ। [হাঁহি] আপুনি যেতিয়া ইমানখিনি অভয় দিছে, আমি অত্যন্ত নিশ্চিন্ত হলো। কিন্তু তেখেতৰ ক্ষমতাগুণৰ চিনাকি বিচাৰিবৰ দৰকাৰ নহব, আমি নাম ভুল নকৰো, ভাওবীয়া।

ৰসিক। আপুনি নকৰিব পাৰে, কিন্তু মই কৰো। সম্পৰ্কত এখেত মোৰ নাতি, সেই কাৰণে এওঁৰ বিষয়ত মোৰ জিভা অলপ ইফালসিফাল হয়, যদি এটা ক'ব খোজোতে অন্য কিবা এটা কৈ পেলাও ক্ষমা কৰিব।

শ্ৰীশ। অবলাকান্ত বাবু, আপুনি এই ইমানবোৰ কি আয়োজন কৰিছে? আমাৰ সভাৰ কৰ্য্যাবলীৰ ভিতৰত মিঠাই নাছিল।

ৰসিক। [উঠে] সেই ত্ৰুটি যি সংশোধন কৰিলেহি, সভাৰ হৈ তেওঁক ধন্যবাদ দিছো।

শৈল। [থাল সজাই সজাই] শ্ৰীশবাবু, আহাৰো আপনালোকৰ নিয়মবিৰুদ্ধ নেকি?

শ্ৰীশ। [শকত বিপিনক টানি আনি] এই সভ্যটিৰ আকৃতিটোলৈ চকু দিলেই, সেই বিষয়ে কোনো সংশয় নেথাকিব।

বিপিন। নিয়মৰ কথা যদি কয়, অবলাকান্তবাবু, সংসাৰৰ শ্ৰেষ্ঠ বস্তু মাত্ৰেই নিজৰ নিয়ম নিজেই সৃষ্টি কৰে: ক্ষমতাশালী লিখক নিজৰ নিয়মে চলে, শ্ৰেষ্ঠ কাব্যই সমালোচকৰ নিয়ম নেমানে। যি খিনি মিঠাই সংগ্ৰহ কৰা হৈছে, এই সম্বন্ধেও সভাৰ কোনো নিয়ম নেখাটে। ইয়াৰ একমাত্ৰ নিয়ম হৈছে বহি খোৱা আৰু শেষ কৰা। ওঁও যিমানপৰ থাকিব, সিমান সময় জগতৰ অন্য সকলো নিয়ম ডুবাৰৰ ওচৰত থিয় দি বৈ থাকিব লাগিব।

শ্ৰীশ। তোমাৰ হৈছে কি বিপিন? তোমাক খোৱা দেখিছো অৱশ্যে, কিন্তু একে উশাহে ইমান কথা কোৱাতো কাহানিও শুনা নাই।

বিপিন। ৰসনা উত্তেজিত হৈছে, এতিয়া বাক্য কোৱাটো মোৰ কাৰণে অত্যন্ত সহজ হৈছে। যি মোৰ জীৱনবৃত্তান্ত লিখিব, হায়, এই সময়ত তেওঁ ক'ত?

ৰসিক। [তালুত হাত বুলাই] মোৰ দ্বাৰা সেই কামৰ আশা নকৰিব, মই সিমানদিন বাট চাব নোৱাৰিম।

[নতুন ঘৰৰ বিলাসসজ্জাৰ মাজলৈ আহি চন্দ্ৰমাধৱবাবুৰ মনটো বিক্ষিপ্ত হৈ পৰিছিল। তেওঁৰ উৎসাহৰ সোঁত ঠিকভাবে চলা নাছিল। তেও বাৰে বাৰে কাৰ্য্যবিবৰণীৰ খাটাৰ পাত লুটিয়ালে, আৰু ক্ষণে ক্ষণে নিজৰ হাতৰ তলুৱাখন চাইছিল]

শৈলবালা। [চন্দ্ৰবাবুৰ আগলৈ আহি] সভাৰ কামত যদি কিবা ব্যাঘাত ঘটাইছো, তেন্তে মাফ কৰিব চন্দ্ৰবাবু, অলপ জলপান—

চন্দ্ৰবাবু। এইবোৰ সামাজিকতাই সভাৰ কাৰ্য্যত ব্যাঘাত ঘটায় তাত কোনো সন্দেহ নাই।

ৰসিক। বাৰু, পৰীক্ষা কৰি চাওক, মিঠাই খালে যদি সভাৰ কাম বন্ধ হয়, তেনে হলে—

বিপিন। [মৃদুস্বৰে] তেতিয়া হলে লাগিলে ভবিষ্যতে সভাখন বন্ধ ৰাখি, মিঠাই চলালেই হ'ব।

শ্ৰীশ। আহক ৰসিকবাবু, আপুনি মুঠা হল দেখোন?

ৰসিক। সদায় খুজি খাও, মাজে মাজে কাঢ়ি খাওঁ, আজি চিৰকুমাৰ সভাৰ সভ্যৰূপে আপোনালোকৰ সংসৰ্গগৌৰৱত অলপ ওপৰহাতৰ আশা কৰিছিলো, কিন্তু—

শৈলবালা। কিন্তু আকৌ কি ৰসিকদাদা ? তুমি যে ‘ৰবিবাৰ’ কৰা—আজি তুমি কিবা খাবানেকি ?

ৰসিক। দেখিছেনে ভাওবীয়া, অন্য কাৰো বেলিকা নিয়মৰ কথা নাই, নিয়ম কেৱল ৰসিকদাদাৰ বেলিকাহে। নাই, বলং বলং বাহুবলং। উপৰোধ অনুৰোধৰ কাৰণে বাটচোৰা নহয়।

বিপিন। [কেৱল চাৰিটি ভোজন পাত্ৰ দেখি] আপুনি আমাৰ লগত নবহেনেকি ?

শৈলবালা। মই নবহো, মই পৰিবেশন কৰিম।

শ্ৰীশ। সেইটো কিয় হ’ব ?

শৈলবালা। মোক পৰিবেষণ কৰিবলৈ দিয়ক, তাত মই খোৱাতকৈ বহুত বেচি আনন্দ পাম।

শ্ৰীশ। ৰসিকবাবু, এইটো জানো ঠিক হৈছে ?

ৰসিক। ‘ভিন্ন ৰুচিৰ্হি লোকঃ’, তেখেতে পৰিবেষণ কৰিবলৈ ভাল পায়, আমি আহাৰ কৰিবলৈ ভাল পাওঁ। এনে ধৰণৰ ৰুচিভেদত কিজানি পৰস্পৰ কিছু সুবিধা হয়।

[সকলোৱে আহাৰ কৰাত লাগিল]

শৈলবালা। চন্দ্ৰবাবু, সেইয়া মিঠাই, আগে নেখাব, এইপিনে তৰকাৰি আছে। পানী খোৱা গিলাচ বিচাৰিছে, এইয়া গিলাচ।

[চন্দ্ৰবাবুৰ পাতত আম আছিল, তেওঁ আম ভালকৈ আয়ত্ত কৰিব পৰা নাছিল, অনুতপ্ত শৈলই বেগাবেগিকৈ আম কাটি খাবলৈ সুবিধা কৰি দিলে। যেতিয়া যিটো বস্তুৰ দৰকাৰ ওচৰ চপাই দি খোৱাৰ সুবিধা কৰি দিলে]

চন্দ্ৰবাবু। শ্ৰীশবাবু, স্ত্ৰীসভ্য লোৱা সম্বন্ধে আপুনি কিবা বিবেচনা কৰিছেনে ?

শ্ৰীশ। ভাবি চালে তাত আপত্তিৰ বিশেষ কাৰণ নাই, কেৱল সমাজৰ আপত্তিৰ কথাহে মই ভাবিছো।

বিপিন। সমাজক অনেক সময়ত শিশুৰ দৰে গণ্য কৰা উচিত। শিশুৰ সকলো আপত্তি মানি চলিলে, শিশুৰ উন্নতি নহয়, সমাজৰ সম্পৰ্কেও সেই কথা খাটে।

শ্রীশ। মোৰ মনেৰে আমাৰ দেশত যে ইমানবোৰ সভাসমিতিৰ আয়োজন অনুষ্ঠান অকালতে ব্যৰ্থ হৈ যায়, তাৰ প্ৰধান কাৰণ সেইবোৰ কামত তিৰোতাৰ যোগ নাই। ৰসিকবাবুৱে কি কয় ?

ৰসিক। অৱস্থাগতিকে যদিও মোৰ স্ত্ৰীজাতিৰ লগত বিশেষ সম্বন্ধ নাই, তথাপি ইমানখিনি জানিছো যে হয়, স্ত্ৰীজাতিয়ে যোগ দিয়ে, নহয় বাধা দিয়ে, হয় সৃষ্টি, নহয় প্ৰলয়। সেইদেখি তেওঁলোকক দলত সুমুৱাই লৈ যদিও বা অন্য সুবিধা নহয়, তথাপি বাধাৰ হাত সৰা যায়। বিবেচনা কৰি চাওক, চিৰকুমাৰ সভাৰ ভিতৰত যদি স্ত্ৰীজাতিক আপোনালোকে গ্ৰহণ কৰিলেহেঁতেন, তেতিয়া হলে গোপনে এই সভাখন নষ্ট কৰিবৰ কাৰণে তেওঁলোকৰ উৎসাহ নেথাকিলেহেঁতেন, কিন্তু বৰ্ত্তমান অৱস্থাত—

শৈলবালা। কুমাৰসভাৰ বিৰুদ্ধে স্ত্ৰীজাতিৰ আক্ৰোশৰ খবৰ ৰসিকদাদাই ক'ত পালে ?

ৰসিক। বিপদৰ খবৰ নেপালে জানো সাৱধান কৰিব নেপায়। এচকুৰা হৰিণাৰ যি ফালে কনা আছিল, সেই ফালৰ পৰাইতো কাঁড লাগিছিল। কুমাৰসভা যদি স্ত্ৰীজাতিৰ প্ৰতিয়েই কনা হয়, তেতিয়া হলে সেই ফালৰ পৰাই হঠাৎ খোচ খাব।

শ্রীশ। [মৃদুস্বৰে, বিপিনক] এচকুৰা হৰিনাইতো আজি এটা কাঁডৰ খোচ খাইছেই, এটি সভ্য ধূলিশায়ী হলেই।

চন্দ্ৰবাবু। কেৱল পুৰুষক লৈ যি সমাজৰ ভাল কৰিবলৈ বিচাৰে, তেওঁলোকে এখন ঠেঙেৰে খোজ কাঢিবলৈ বিচাৰে। সেই কাৰণে অলপ দূৰ গৈয়েই তেওঁলোক বহি পৰিব লগীয়া হয়, সকলো মহৎ কামৰ পৰাই নাৰীক দূৰত ৰাখিছো কাৰণেই আমাৰ দেশৰ কামত প্ৰাণসঞ্চাৰ হোৱা নাই। আমাৰ হৃদয়, আমাৰ কাম, আমাৰ আশা, বাহিৰত আৰু অন্তঃপুৰত খণ্ডিত হৈ আছে, সেই কাৰণে আমি বাহিৰত গৈ বক্তৃতা দিও, ঘৰলৈ আহি পাহৰো। চোৱা অৱলাকান্তবাবু, এতিয়াও তোমাৰ বয়স অলপ আছে, এই কথাষাৰ মনত ভালকৈ ৰাখি থবা—স্ত্ৰীজাতিক অৱহেলা নকৰিবা। স্ত্ৰীজাতিক যদি আমি তলত পেলাই থও, তেওঁলোকৰ ভৰত আমাৰ উন্নতিৰ পথত

আগবঢ়াটো অসম্ভৱ হয়। দুখোজ গৈয়েই আকৌ ঘৰলৈ ঘূৰি আহি এচুকত সোমাই থাকিবলগা হয়। তেওঁলোকক যদি আমি উচ্চ কৰি ৰাখো, তেতিয়া হলে ঘৰৰ ভিতৰলৈ আহি নিজৰ আদৰ্শক খৰ্ব্ব কৰিবলৈ লাজ লাগে। আমাৰ দেশত বাহিৰত লাজ আছে, কিন্তু ঘৰৰ ভিতৰত সেই লাজ নাই, সেই কাৰণেই আমাৰ সকলো উন্নতি কেৱল বাহিৰৰ আড়ম্বৰত পৰিণত হয়।

শৈলবালা। আশীৰ্ব্বাদ কৰক যেন আপোনাৰ উপদেশ ব্যৰ্থ নহয়, নিজক যেন আপোনাৰ আদৰ্শৰ উপযুক্ত কৰি তুলিব পাৰো।

চন্দ্ৰবাবু। মোৰ ভাগিনী নিৰ্মলাক কুমাৰসভাৰ সভ্যশ্ৰেণীত ভুক্ত কৰিবলৈ আপোনালোকৰ কোনো আপত্তি নাই তেনেহলে ?

ৰসিক। অন্য কোনো আপত্তি নাই, কেৱল ব্যাকৰণৰ আপত্তি। কুমাৰ-সভালৈ যদি কোনোবা কুমাৰীবেশে আহে তেতিয়া হলে বোপদেৱৰ অভিশাপ।

শৈলবালা। আজিকালি বোপদেৱৰ অভিশাপ নেফাপে।

ৰসিক। বাৰু, অন্ততঃ লোহাৰামকতো বচাই চলিব লাগিব। মইতো ভাবো স্ত্ৰীসভ্যসকলে যদি পুৰুষসভ্য·কলৰ অজ্ঞাতসাৰে বেশ আৰু নাম সলাই আহে, তেতিয়া হলেতো সহজেই নিষ্পত্তি হব।

শ্ৰীশ। ·তেতিয়া হলে এটা কৌতুক হয় এই যে কোন স্ত্ৰী, কোন পুৰুষ নিজৰ নিজৰ এই সন্দেহটো বৈ যায়।

বিপিন। মই বোধ হয় এই সন্দেহৰ পৰা নিষ্কৃতি পাম।

ৰসিক। মোকো বোধকৰো মোৰ নাতিনী বুলি হঠাৎ কাৰো আশঙ্কা নহব।

শ্ৰীশ। কিন্তু অবলাকান্তবাবু সম্পৰ্কে এটা সন্দেহ থাকি যায়।

[শৈলই ওচৰৰ টিপয়খনৰ পৰা মিঠাইৰ থালখন আনিবলৈ গল]

চন্দ্ৰবাবু। চাওক ৰসিকবাবু, ভাষাতত্ত্বত দেখা যায়, ব্যৱহাৰ কৰোতে কৰোতে একোটা শব্দৰ মূল অৰ্থ লোপ পাই, তাৰ বিপৰীত অৰ্থ হয়গৈ। স্ত্ৰীসভ্য গ্ৰহণ কৰিলে, যদি চিৰকুমাৰ সভাৰ অৰ্থৰ পৰিবৰ্ত্তন ঘটে, তাত ক্ষতি কি ?

ৰসিক। একো নাই। মই পৰিবৰ্ত্তনৰ বিৰোধী নহয়। নাম পৰিবৰ্ত্তনেই

হওক বা বেশ পৰিবৰ্ত্তনেই হওক, যেতিয়া যি ঘটে বিনা বিৰোধে তাক গ্ৰহণ কৰি লও কাৰণেই মোৰ প্ৰাণটো নবীন হৈ আছে।

[মিঠাই শেষ হল আৰু স্ত্ৰীসভ্য লোৱা সম্বন্ধে কাৰো আপত্তি নুঠিল]

ৰসিক। আশা কৰো সভাৰ কামৰ কোনো ব্যাঘাত হোৱা নাই।

শ্ৰীশ। অকনো নাই হোৱা। অন্যদিনা কেৱল মুখৰ কামেই চলিছিল, আজি সোঁহাতেও যোগ দিছে।

বিপিন। তাৰ পৰা ভিতৰুৱা তৃপ্তিখিনি অলপ বেচি হৈছে। আজিলৈ তেনেহলে ইমানতে সভা ভঙ্গ কৰা হওক। কাৰণ ইয়াৰ পিচত আৰু কোনো আলোচনা নচলে। ইপিনে দেৰিও হৈছে।

তৃতীয় অঙ্ক

প্ৰথম দৃশ্য

অক্ষয়ৰ ঘৰ

অক্ষয়, নীৰ আৰু নৃপ

[নীৰৰ গান]

যি গল তাক দিয়া যাবলই,
নেযাবা তুমি, নেযাবা তুমি,
বাৰিষাৰ গান মোৰ আছে গাবলই।
কুটিবে কুটিবে বন্ধ দুৱাৰ,
নিভৃত ৰজনী অন্ধকাৰ,
কঁপে চঞ্চল, বনৰ অঞ্চল,
তন্দ্ৰাহাৰা অধীৰ সমীৰ যায় বই।

অক্ষয়। হ'ল কি কোৱাচোন। মোৰ যিটি ঘৰ অতদিন কেৱল ঝড়ু বেহাৰাৰ সোতাই নিৰ্মল কৰি ৰাখিছিল, আজি সেই ঘৰৰ বায়ু তোমালোক বাইভনীৰ আঁচলৰ বা' লাগি পুষ্পগন্ধলি চঞ্চল হৈ উঠিছে দেখোন!

নীৰবালা। বাইদেউ নাই, তুমি অকলে পৰি আছা বুলি মাজে মাজে দেখা দি যাওঁ, তাৰ উপৰি আকৌ জবাবদিহি কৰিব লগা হলনে?

অক্ষয়। দয়াময়ী চোৰ, শূন্য হৃদয়খনি চুৰ কৰিবৰ কাৰণে শূন্য ঘৰত ভুমুকি মাৰিছা? মৎলব বুজা নাই হবলা?

[গান]

হেৰা দয়াময়ী চোৰ, তোমাৰ ইমান দয়া,
মোৰ কণ্ঠত মায়াৰ মালিকা পিন্ধাই দিয়া,
বৰ দয়া কৰি নিয়া চুৰ কৰি মোৰ ই শূন্য হিয়া।

নীৰবালা। আমাক ইমান অজলা চোৰ যেন নেভাবিব। এতিয়া হৃদয় আছে ক'ত যে চুৰ কৰিম ?

অক্ষয়। ঠিক কৈ কোৱাচোন বাক, হতভাগা হৃদয়খন কিমান দূৰলৈ গৈছে।

নৃপবালা। মই জানো মুখাৰ্জী মহাশয়, কও ? ৪৭৫ মাইল।

নীৰবালা। অবাক কৰিলা মাজু বাইদেউ। তুমি হবলা মুখাৰ্জী মহাশয়ৰ হৃদয়ৰ পিচে পিচে মাইল গণনা কৰি কৰি দৌৰিছিলা ?

নৃপবালা। নহয় ভাই, বাইদেউ কাশীলৈ যোৱাৰ সময়ত টাইম টেব্‌ল্ চাইছিলো।

অক্ষয়। [গান]

পলৰীয়া হিয়া গইছে ঢাপৰি,
বইছে বেগেৰে শিৰা ধমনী।
তাকে ধৰিবলৈ পিচে পিচে লৰে,
হায় আশাধাৰী ৰমণী।
বায়ুবেগ লাগি উৰে অঞ্চল,
কিনো এই ৰং, আকুল অঙ্গ
লৰিছে কুৰঙ্গগমনী।

নীৰবালা। কৰিবৰ, বেচ, বেচ, কিন্তু তোমাৰ ৰচনাত যেন কোনো কোনো আধুনিক কবিৰ ছাঁ দেখা পাইছো।

অক্ষয়। তাৰ কাৰণ, মযো অত্যন্ত আধুনিক। তোমালোকে ভাবিছানেকি যে তোমালোকৰ মুখাৰ্জী মহাশয় কৃত্তিবাস ওজাৰ যঁজা ভায়েক ? ভূগোলৰ মাইল হিচাব কৰি দিছা, আৰু ভুল কৰিছা ইতিহাসৰ তাৰিখ ? তেনেহলে আৰু বিদ্যান খুলশালী থাকি কি ফল হল ? ইমান ডাঙৰ আধুনিকটিক তোমালোকৰ প্ৰাচীন বুলি ভুল হল ?

নীৰবালা। মুখাৰ্জী মহাশয়, শিৱ যেতিয়া বিয়াঘৰলৈ গৈছিল, তেতিয়া তেওঁৰ খুলশালীয়েকহঁতেও তেনে ধৰণৰ ভুল কৰিছিল, কিন্তু উমাৰ চকুত তো অন্য ৰকম লাগিছিল। তোমাৰ চিন্তা কিহৰ ? বাই-দেৱেতো তোমাক আধুনিক বুলিয়ে জানে।

অক্ষয়। আঁকৰী, শিৱৰ যদি খুলশালীয়েক থাকিলহেতেন, তেতিয়া হলে তেওঁৰ ধ্যানভঙ্গ কৰিবৰ কাৰণে জানো অনঙ্গদেৱৰ দৰকাৰ হলহেতেন ? মোৰ লগত তেওঁৰ তুলনা ?

নৃপবালা। বাৰু মুখাৰ্জী মহাশয়, ইয়াত বহি বহি অতপৰে তুমি কি কৰিছিলা ?

অক্ষয়। তোমালোকৰ গুৱালৰ ঘৰৰ গাখীৰৰ হিচাপ লিখিছিলো।

নীৰবালা। [মেজৰ ওপৰৰ পৰা আধালিখা চিঠি তুলি লৈ] এইয়া হবলা তোমাৰ গুৱালৰ হিচাপ ? হিচাপৰ ভিতৰত ক্ষীৰমাখনৰ হিচাপেই বেচি।

অক্ষয়। [ব্যস্ত হৈ] নহয়, নহয়, সেইবোৰ লৈ গণ্ডগোল নকৰিবা, চাও, দিয়া দিয়া—

নৃপবালা। নীৰু, আৰু জলাই নেমাৰিবি, দে চিঠিখন তেওঁক ঘূৰাই দে। এইবোৰ কথাত খুলশালীৰ উপদ্ৰৱ সহ্য নহয়। কিন্তু মুখাৰ্জী মহাশয়, চিঠিত তুমি বাইদেউক কি বুলি সম্বোধন কৰা কোৱাচোন।

অক্ষয়। নিতৌ নতুন নতুন সম্বোধন কৰো—

নৃপবালা। আজি কি বুলি সম্বোধন কৰিছা বাৰু কোৱাচোন।

অক্ষয়। শুনিবা ? তেনে সখী শুনা। চঞ্চলচকিতচিত্তচকোৰচোৰ, চঞ্চুচুম্বিতচাৰুচন্দ্ৰিকৰুচিৰুচিৰ চিৰচন্দ্ৰমা।

নীৰবালা। চমৎকাৰ চাটুচাতুৰ্য্য।

অক্ষয়। ইয়াৰ ভিতৰত চৌৰ্য্যবৃত্তি নাই, চৰ্বিতচৰ্বণশূন্য।

নৃপবালা। [বিস্ময়েৰে] বাৰু মুখাৰ্জী মহাশয়, নিতৌ তুমি এনেকুৱা দীঘলীয়া সম্বোধন ৰচনা কৰানে ? সেই কাৰণেই হবলা বাইদেউলৈ চিঠি লিখোতে ইমান পলম হয় ?

অক্ষয়। সেই কাৰণেইতো নৃপৰ ওচৰত মোৰ মিছা কথা কোৱা নচলে। ভগবানে যে মোক তপতে তপতে সাজি কথা কোৱাৰ এনেকুৱা অসাধাৰণ ক্ষমতা দিছে; তাক খটাবলৈ আৰু কোনো সুযোগ নিদিলে দেখিছো। ভিনিহীৰ কথা বেদবাক্য বুলি বিশ্বাস কৰিবলৈ কোন মনুসংহিতাত লিখা আছে শুনো।

নীৰবালা। ধৎ নকৰিবা, শান্ত হোৱা মুখাৰ্জী মহাশয়, শান্ত হোৱা। মাত্ৰ বাইদেউৰ কথা এৰা, কিন্তু ভাবি চোৱা মই তোমাৰ আধাখিনি কথাৰো এটা পাইও বিশ্বাস নকৰো, তাতো তুমি সান্ত্বনা পোৱা নাইনে?

নৃপবালা। ৱাক মুখাৰ্জী মহাশয়, সত্য কোৱাচোন, বাইদেউৰ নামত তুমি কেতিয়াবা কৱিতা ৰচনা কৰিছানে?

অক্ষয়। এইবাৰ তেওঁ যেতিয়া খুব ধং কৰিছিল, তেতিয়া তেওঁৰ স্তৱ ৰচনা কৰি গান গাইছিলো—

নৃপবালা। তাৰ পিচত?

অক্ষয়। তাৰ পিচত দেখিলো, তাৰ ফল বিপৰীত হ'ল, বতাহ লাগিলে যেনেকৈ জুই বেচিকৈ জলি উঠে, তেনেকুৱা হল। তাৰ পিচৰ পৰা স্তৱৰচনা এৰিয়েই দিছো।

নৃপবালা। এৰি দি কেৱল গুৱালৰ হিচাপ লিখিছা? কি স্তৱ লিখিছিলা মুখাৰ্জী মহাশয়, আমাক শুনোৱাচোন।

অক্ষয়। সাহস নহয়, পিচত মোৰ ওপৰৱালাৰ ওচৰত ৰিপৰ্ট কৰা কিজানি—

নৃপবালা। নকও, আমি বাইদেউক নকও।

অক্ষয়। শুনা তেনেহলে—

[গান]

মনোমন্দিৰ সুন্দৰী
খলদঞ্চলা চলচঞ্চলা
অয়ি মঞ্জুলা মঞ্জৰী।
ৰোষাৰুণৰাগ ৰঞ্জিতা।
গোপন হাস্য কুটিল আস্য
কপট কলহ গঞ্জিতা।
সংকোচনত—অঙ্গিনী।
চকিতচপল নবকুৰঙ্গ
যৌবন-বন-ৰঙ্গিনী।
অয়ি খল, ছলগুণ্ঠিতা।

লুব্ধ পবন   ক্ষুব্ধ লোভন

মল্লিকা অবলুণ্ঠিতা।

চুম্বন-ধন-বঞ্চিনী।

রুদ্ধ-কোৰক   সঞ্চিত-মধু

কঠিন কনক কঞ্চিনী।

আৰু নহয়। এতিয়া মহাশয়াসকলে গা তোলক।

নীৰবালা। কিয়, ইমান অপমান কিয় ? বাইদেউৰ ওচৰত খেদা খাই হৰলা আমাৰ ওপৰত তাৰ জাল জাৰিবলৈ আহিছা ?

অক্ষয়। এওঁলোকে দেখিছো পবিত্ৰ জানানা আৰু ৰাখিবলৈ নিদিলে। হেৰা দুৰ্বৃত্তহত, অলপতে মানুহ আহি পাবহি।

নৃপবালা। তাতকৈ কোৱা বাইদেউৰ চিঠিখন শেষ কৰিব লাগে।

নীৰবালা। বাৰু, আমি জানিবা থাকিলোৱেই, তুমি চিঠি লিখি যোৱা, আমি কিবা আৰু তোমাৰ কলমৰ মুখৰ পৰা কথা কাঢ়ি নিয়নেকি ?

অক্ষয়। তোমালোক ওচৰত থাকিলে মনটো ইয়াতেই মৰি যায়, যি দূৰত আছে তেওঁৰ ওচৰ আৰু নেপায়গৈ। নহয়, ধেমালি কৰা নাই, তোমালোক পলোৱা। এতিয়াই মানুহ আহিব, সৌ এখনৰ বাহিৰে আৰু দুৱাৰ মেলা নাই, তেতিয়া পলাবৰ বাট বিচাৰি নেপাবা।

নৃপবালা। এই গধূলিখন তোমাৰ ওচৰলৈ কোন আহিব ?

অক্ষয়। যাৰ ধ্যান কৰা, তেওঁলোক নহয় হে, তেওঁলোক নহয়।

নীৰবালা। যাৰ ধ্যান কৰা যায়, সি সকলো সময়ত নাহে, তুমি আজিকালি সেইটো ভালকৈ বুজিব পাৰিছা, কি কোৱা মুখাৰ্জী মহাশয় ? দেৱতাৰ ধ্যান কৰা, আৰু উপদেৱতাৰ উপদ্ৰৱ হয়।

[গান]

হে মোৰ ধিয়ানৰ ধন,

হৃদয়ত দোলায় তোমাক হাঁহি কান্দোন।

আহে বসন্ত, ফুলে বকুল,

কুঞ্জে কুঞ্জে পূৰ্ণিমা-জোন হাঁহি আকুল।

বিচাৰি তোমাক নেপায় সিহঁতে,

আছা প্ৰাণৰ মাজত গোপন সপোন।

অক্ষয়। ক'ৰ পৰা সংগ্ৰহ কৰা হ'ল ?

নীৰবালা। তোমাৰে শ্ৰীমুখৰ পৰা।

অক্ষয়। শেষত বিৰহৰ দিনত মোৰ বুকুতেই হানিবলৈ আহিছিলা ? বাক তেনেহলে, দয়া কৰিব নেলাগে, একেবাৰে শেষ কৰা—

নীৰবালা। গান

চকুক ফাকি দিয়া
ইনো কি ৰীতি।
চকুৰ পানীৰে তাৰ কৰা ইতি।
গোন্ধ উৰি আহে,
মালা কিয় নেপাওঁ দেখা,
ভৰিৰ শব্দ শুনো
পথ যে উকা !
সময় যে যায়, ফুল যে শুকায়,
আছে অনাথ হৈ মোৰ ই ভুবন।

নেপথ্যত। অবলাকান্তবাবু আছেনে ?

[হঠাৎ শ্ৰীশৰ প্ৰবেশ। 'মাফ কৰিব' বুলি যাব খুজিলে। নৃপ আৰু নীৰ বেগাবেগিকৈ ওলাই গল]

অক্ষয়। আহা, আহা শ্ৰীশবাবু।

শ্ৰীশ। [লজ্জিত ভাবে] ক্ষমা কৰিব—

অক্ষয়। মাত্তি আছো। কিন্তু অপৰাধটো কি আগে কোৱা।

শ্ৰীশ। খবৰ নিদিয়াকৈয়ে—

অক্ষয়। তোমাৰ অভ্যৰ্থনাৰ কাৰণে বেতিয়া মিউনিচিপালিটিৰ পৰা বাজেট চেংচন কৰাই লবলগীয়া নহয়, তুমি লাগিলে খবৰ নিদিয়াকৈয়ে আহিলা শ্ৰীশবাবু।

শ্ৰীশ। আপুনি মুঠেই কওক যে ইয়ালৈ মোৰ অসময়ত অনধিকাৰ প্ৰবেশ হোৱা নাই।

অক্ষয়। বলো বাক। তুমি যেতিয়াই আহিবা তেতিয়াই সেইটো সুসময়, আৰু য'তেই পদাৰ্পণ কৰিবা তাতেই তোমাৰ অধিকাৰ। শ্ৰীশবাবু স্বয়ং বিধাতাই তোমাক সকলো ঠাইৰ কাৰণে পাচপৰ্ট দি থৈছে। অকনমান বহা, অৱলাকান্ত বাবুক খবৰ দিয়াও। [স্বগতঃ] নপলালে চিঠিখন শেষ কৰিব নোৱাৰিম।

[প্ৰস্থান]

শ্ৰীশ। চকুৰ আগেদি দুটি মায়ামৃগিনী লৰি পলাল। হেৰ নিবস্ত্ৰ ব্যাধ, তোৰ লৰি যাবৰ ক্ষমতা নাই। কষতি শিলৰ ওপৰত সোনৰ ৰেখাৰ দৰে চঞ্চল চকুৰ চাৱনি যেন দৃষ্টি পথৰ ওপৰত আঁকা হৈ গল।

[ৰসিকৰ প্ৰবেশ]

শ্ৰীশ। সন্ধিয়াপৰত আহি আপোনালোকক বিৰক্ত কৰা নাইতো ৰসিকবাবু ?

ৰসিক। ভিক্ষুকক্ষে বিনিক্ষিপ্তঃ কিমিক্ষুৰ্নীৰসো ভবেৎ ?
শ্ৰীশবাবু, আপোনাক দেখি বিৰক্ত হ্ম—মই ইমান হতভাগ্যনে ?

শ্ৰীশ। অৱলাকান্তবাবু ঘৰত আছে নহয় ?

ৰসিক। আছেতো, নেথাকি কলৈ যাব ? এই আহি পাবহি।

শ্ৰীশ। নহয়, নহয়, কিবা কামত লাগি আছে যদি, তেওঁক আমনি কৰাৰ দৰকাৰ নাই। মই এনেহুৱা মানুহ, বেকাৰ মানুহ বিচাৰি ফুৰো।

ৰসিক। সংসাৰত আটাইতকৈ ভাল মানুহ বিলাকেই এনেহুৱা, আৰু বেকাৰ সকলেই ধন্য। উভয়ৰে সম্মিলন হলেই মণিকাঞ্চন যোগ হয়। এই ঢোদ আৰু বেকাৰৰ মিলনৰ কাৰনেইতো সন্ধ্যা বেলাটোৰ সৃষ্টি হৈছে। যোগীৰ কাৰণে পুৱা, ৰোগীৰ কাৰণে ৰাতি, কামৰ মানুহৰ কাৰণে দহ বজাৰ পৰা চাৰিবজালৈ আৰু সচা কৈছো, সন্ধিয়া বেলাটো চিৰকুমাৰ সভাৰ অধিবেশনৰ কাৰণে চতুৰমুখে সৃষ্টি কৰা নাছিল। কি কয় শ্ৰীশবাবু ?

শ্ৰীশ। সেই কথা নেমানিলে চলিবনে ? চিৰকুমাৰ সভাৰ বহুত আগতে সন্ধ্যাৰ সৃষ্টি হৈছিল, সি আমাৰ সভাপতি চন্দ্ৰনাথবাবুৰ নিয়ম নেমানে—

ৰসিক। সি যি চন্দ্ৰৰ নিয়ম মানে, তাৰ নিয়মেই সুকীয়া। আপোনাক খোলাখুলিকৈয়ে কওঁ, নেইঁাহিৰ শ্ৰীশবাবু, মোৰ একমহলা ঘৰৰ ভিতৰলৈ খিৰিকি এখনেদি, বৰ টানি মানি অকনমান জোনাক আহে। শুক্লপক্ষৰ সন্ধিয়া যেতিয়া জোনাকৰ সেই বগা ৰেখাটি আহি মোৰ বুকৰ ওপৰত পৰেহি, তেতিয়া মনত লাগে কোনে যেন মোলৈ কি খবৰ পঠাইছে? এটি শুকুলা হংসদূতে কোন বিৰহিণীৰ হৈ এই চিৰ বিৰহীৰ কানে কানে যেন কৈছে—

অলিন্দে কালিন্দীকমল সুৰভৌ কুঞ্জ বসতে
র্বসন্তীং বাসন্তীনব পৰিমলোদ্গাৰচিকুৰাং।
ত্বদুৎসঙ্গে লীনাং মদমুকুলিতাক্ষীং পুনৰিমাং
কদাহং সেবিষ্যে কিসলয়কলাপব্যজনিনীম্॥

শ্ৰীশ। ভাল কৈছে ৰসিকদাবু, চমৎকাৰ। কিন্তু ইয়াৰ অৰ্থটো কৈ দিব লাগিব। ছন্দৰ মাজেদি তাৰ গন্ধটো পাইছো, কিন্তু অনুস্বাৰ-বিসৰ্গ দি একেবাৰে বান্ধি চাটি ৰাখিছে।

ৰসিক। ইয়াৰ এটা অনুবাদো কৰি থৈছো। কিজানিবা সম্পাদক সকলে খবৰ পাই হুৰমুৰ লগাই দিয়ে, সেই কাৰণে লুকাই থৈছো। শুনিবনেকি শ্ৰীশবাবু—

কুঞ্জ কুটিৰৰ স্নিগ্ধ অলিন্দ ভৰি,
কালিন্দী কমল গন্ধ আহিব উৰি,
কোলাত তোমাৰ মদিৰাক্ষী লীন ৰব,
চুলিৰ মাজত ফাগুন সুবাস ব'ব।
হায় কেতিয়ানো কৰিম তেওঁক সেৱা,
কিসলয় বিচনিৰে কেতিয়া বিচিম গা?

শ্ৰীশ। বাঃ ৰসিকবাবু, আপোনাৰ ভিতৰত ইমান খিনি আছে বুলিতো নেজানিছিলো।

ৰসিক। কেনেকৈ জানিব, কওক। মাজে মাজে যে কাব্যলক্ষীয়ে তেওঁৰ পদুম বনৰ পৰা এই টপা মূৰৰ ওপৰত মুকলি বায়ু সেৱন কৰিবলৈ আহে, কোনেও সেই কথা সন্দেহ নকৰে। [মূৰত হাত বুলাই] কিন্তু এনেকুৱা মুকলি ঠাই আৰু নাই।

শ্ৰীশ। আহা ৰসিকবাবু, যমুনাপাৰৰ সেই স্নিগ্ধ বাৰান্দাথকা কুঞ্জ কুটিৰটিৰ কথা মোৰ মনত ৰবকৈ লাগি গল। যদি সেইটো ভাড়া দিব নোৱাৰাৰ কাৰণে নীলামত বিক্ৰী কৰা হ'ব বুলি পায়োনিয়াৰ কাকতত বিজ্ঞাপন ওলোৱা দেখো তেতিয়া হলে কিনিয়ে লম।

ৰসিক। কয় কি শ্ৰীশবাবু। অকল বাৰান্দা লৈ কি কৰিব? সেই মদ-মুকুলিতাক্ষীৰ কথাটোও ভাবি চাব। তেওঁক নীলামত কিনিবলৈ পোৱা টান।

শ্ৰীশ। ইয়াত দেখোন কাৰোবাৰ কমাল পৰি আছে?

ৰসিক। চাওঁ চাওঁ। হয় দেখোন। দুৰ্লভ বস্তু আপোনাৰ হাতত পৰেহি দেখিছো। বাঃ ধুনীয়া গোন্ধ। শ্লোকৰ লাইনটো সলনি কৰিব লাগিব ডাঙৰীয়া, ভাববাবে ছন্দভঙ্গ হয় যদি হওক,—বাসন্তী-নবপৰিমলোদ্গাৰকমালাং। শ্ৰীশবাবু, এইকমালখনেৰেতো আমাৰ কুমাৰ-সভাৰ পতাকা নিৰ্মাণ কৰা নেযাব। দেখিছে কোনত এটি সৰু 'ন' আখৰ লিখা আছে?

শ্ৰীশ। কি নাম হ'ব পাৰে কওকচোন বাৰু। নলিনী? ওহো, সেই নাম বৰ চলিছে। নীলাম্বুজা? ভয়ঙ্কৰ শকত! নীহাৰিকা? বৰ বেচি হয়। কওকচোন ৰসিকবাবু, আপুনি কি ভাবে?

ৰসিক। নাম মোৰ মনলৈ নাহে ডাঙৰীয়া, ভাবহে মোৰ মনলৈ আহে, অভিধানত যিমান 'ন' আছে, সকলোবোৰে আহি মোৰ মূৰৰ ভিতৰত থূপ খাইছেহি। মন গৈছে যেন 'ন'ৰ মালা গাঁথি কোনো এক নীলোৎপলনয়নাৰ ডিঙিও পিন্ধাই দিম। নিৰ্মলনবনীনিন্দিত-নবীন—কওকহে শ্ৰীশবাবু—শেষ কৰি দিয়কচোন।

শ্ৰীশ। নবমল্লিকা।

ৰসিক। বেচ, চেচ, নিৰ্মলনবনীনিন্দিতনবীননবমল্লিকা। গীতগোবিন্দ মাটি হল। আৰু ভালেমান ভাল ভাল 'ন'ই মূৰৰ ভিতৰত হাহাকাৰ কৰিছে। মিলাব পৰা নাই। নিভৃত নিকুঞ্জনিলয়, নিপুণনূপুৰ-নিক্কণ, নিবিড়নীৰদনিৰমুক্ত—অক্ষয়দাদা থকা হলে ভাবিবলগীয়া নহলহেতেন। পণ্ডিতক দেখিলে যেনেকৈ ছাত্ৰবোৰে বেঞ্চত নিজ নিজ ঠাইত শাৰী পাতি বহে, তেনেকৈ অক্ষয়দাদাৰ গম পোৱা

মাত্রে নবি কথাবোৰে আহি শাৰী পাতেহি। শ্ৰীশবাবু, বুঢ়া মানুহক ঠগি কমালখন মনে মনে জেপত নভৰাব।

শ্ৰীশ। আবিষ্কাৰ কৰোতাৰ অধিকাৰ সকলোতকৈ আগ।

ৰসিক। মোৰ সেই কমালখনিৰ অলপ প্ৰয়োজন আছে শ্ৰীশবাবু। আপোনাকতো কৈছোৱেই মোৰ নিৰ্জন ঘৰৰ এখনি মাত্ৰ খিৰিকিয়েদি অকনমান জোনাক মুঠেই ভিতৰলৈ আহে, মোৰ এটা কৱিতা মনত পৰিছে—

বীথিষু বীথিষু বিলাসিনীনাং
মুখানি সংবীক্ষ্য শুচিস্মিতানি।
জালেষু জালেষু কৰং প্ৰসাৰ্য্য
লাবণ্যভিক্ষামটতীব চন্দ্ৰঃ।

কুঞ্জ পথে পথে জোনে দেখা দিয়ে আহি,
দেখি বিলাসিনীহঁতে মাৰে মধু হাঁহি।
হাত মেলি ফুৰে ঘূৰি দুৱাৰে দুৱাৰে,
ঘৰে ঘৰে ঘূৰি ফুৰি লাবণ্য বিচাৰে।

হতভগীয়া ভিখাৰী মোৰ খিৰিকি কাষলৈ যেতিয়া আহে, তেতিয়া তাক কিহেৰে ভুলাই ৰাখিম কোৱাচোন। কাব্যশাস্ত্ৰৰ ৰসাল ঠাইবোৰ মনে মনে আওৰাই যাও, কিন্তু কথাৰ ভাপত চাউল নিসিজে। সেই আকালৰ সময়ত এই কমালখনি বহুত কামত আহিব। তাত বহুত লাবণ্যৰ সংশ্ৰব আছে।

শ্ৰীশ। সেই লাবণ্য কেতিয়াবা দৈবাৎ দেখিছেনে ৰসিকবাবু?

ৰসিক। নেদেখিম কিয়? নহলে জানো সেই কমালখনৰ কাৰণে ইমান যুজো? আৰু সেই যে 'ন' আখৰৰ কথাবোৰে মোৰ মূৰৰ ভিতৰত এতিয়াও এজাক ভোমোৰাৰ দৰে গুণগুনাই আছে, তাৰ সন্মুখত জানো কোনো এক কমলবনবিহাৰিণী মানসীমূৰ্ত্তি নাই?

শ্ৰীশ। ৰসিকবাবু, আপোনাৰ এই মগজ এটি মৌচাক, তাৰ কোঁহে কোঁহে কৱিতাৰ মউ। মোক বলিয়া কৰিহে এৰিব দেখিছো।

[হমুনিয়াহ কাঢ়িলে]

[পুৰুষবেশী শৈলবালাৰ প্ৰবেশ]

শৈলবালা। মোৰ অহাত বহুত পলম হৈ গল, ক্ষমা কৰিব শ্ৰীশবাবু।

শ্ৰীশ। এই সন্ধিয়া পৰত অলপ আমনি কৰো বুলি আহিলো, মোক ক্ষমা কৰিব অবলাকান্তবাবু।

শৈলবালা। সদায় সন্ধিয়াবেলা যদি এনেকৈ উৎপাত কৰে তেনেহলে ক্ষমা কৰিম, নহলে নহব।

শ্ৰীশ। বাৰু মান্তি হলো, কিন্তু ইয়াৰ পিচত যেতিয়া অনুতাপ হব, তেতিয়া প্ৰতিজ্ঞা মনত পেলাব।

শৈলবালা। মোৰ কাৰণে নেভাবিব, কিন্তু আপোনাৰ যদি অনুতাপ হয়, তেতিয়া আপোনাক নিষ্কৃতি দিম।

শ্ৰীশ। সেই ভৰসাত যদি থাকে, তেতিয়া হলে অনন্তকাল অপেক্ষা কৰিব লাগিব।

শৈবৰালা। ৰসিকদাদা, তুমি শ্ৰীশবাবুৰ জেপৰ ফালে হাত মেলিছা কিয় ? বুঢ়া বয়সত জেপকটা ব্যৱসায়ত ধৰিব খুজিছানেকি ?

ৰসিক। নহয় ভাই, সেই ব্যৱসায় তোমালোকৰ বয়সতহে শোভা পায়। এখন কমালৰ কাৰণে শ্ৰীশবাবু আৰু মোৰ মাজত তৰ্কাতৰ্কি চলিছে, তুমি তাৰ এটা মীমাংসা কৰি দিব লাগিব।

শৈলবলা। কেনেকৈ ?

ৰসিক। প্ৰেমৰ বজাৰত ডাঙৰ মহাজনী কৰিবৰ কাৰণে মূলধন মোৰ নাই, মই খুচুৰা মালৰ পাইকাৰী কাৰবাৰী, কমালখন, চুলিৰ ফিটাডাল, ফটাকাগজত লিখা দুই চাৰিটা হাতৰ আখৰ, এইবোৰকে গোটাই বুটলি মই সন্তুষ্ট থাকিব লগীয়া হয়। শ্ৰীশবাবুৰ যি মূলধন আছে তাৰে তেওঁ গোটেই বজাৰখনকে পাইকাৰী দৰত কিনি লব পাৰে। কমাল কিয়—গোট চেলেঙৰ আঁচল এখনৰ আধাভাগ নিজৰ কৰি ল'ব পাৰে, আমি যেতিয়া চুলিৰ ফিটা ডিঙিত বান্ধি মৰিব খোজো, তেতিয়া তেওঁ আঠুৰ তলৰে ওলমি অহা ঘন চুলিৰ সুগন্ধ আন্ধাৰৰ মাজত সম্পূৰ্ণ অন্ত যাব পাৰে। তেওঁ আকৌ খুদ বুটলিবলৈ যাব কিয় ?

শ্রীশ। অন্নদাকান্তবাবু, আপুনি তো নিৰপেক্ষ মানুহ, ৰুমালখন এতিয়া আপোনাৰ হাতত্তে থাকক, দুয়ো পক্ষৰ বক্তৃতা শেষ হৈ গলে বিচাৰত যেয়ে পায় তাকে দিব।

শৈলবালা। [ৰুমালখন জেপত ভৰাই] আপুনি মোক নিৰপেক্ষ মানুহ বুলি ভাবিছে হবলা? এইটো কোণত যেনেকৈ স্পষ্টভাবে 'ন' আখৰটো লেখা আছে, মোৰ হৃদয়ৰ এটা কোনত বিচাৰিলেও দেখিবলৈ পাব সেই আখৰটি তেজৰ বৰণেৰে লিখা আছে। এই ৰুমাল মই আপোনালোকৰ একনকো নিদিও।

শ্রীশ। ৰসিকবাবু, এইটো আকৌ কেনে ধৰণৰ জোৰ জুলুম? আৰু 'ন' আখৰটিও তো বৰ ভয়ানক আখৰ!

ৰসিক। শুনিছো বিলাতী শাস্ত্রত ন্যায়ধর্মও অন্ধ, ভালপোৱাও অন্ধ। এতিয়া দুই অন্ধৰ যুদ্ধ লাগক, যাৰে বল বেচি, তাৰে জয় হব।

শৈলবালা। শ্রীশবাবু, যাৰ ৰুমাল তাকতো আপুনি দেখা নাই, তেন্তে কিয় কেবল কল্পনাৰ ওপৰত নির্ভৰ কৰিয়ে কাজিয়া কৰিছে।

শ্রীশ। কোনে কলে দেখা নাই?

শৈলবালা। দেখিছে? কাক দেখিলে? 'ন' তো দুটা আছে।

শ্রীশ। দুইটিকে দেখিছো। পিচে এই ৰুমাল যাৰেই হওক, মই দাবী পৰিত্যাগ কৰিব নোৱাৰিম।

ৰসিক। শ্রীশবাবু, বুঢ়াৰ পৰামর্শ শুনক, হৃদয়গগনত দুটি চন্দ্রৰ আয়োজন নকৰিব, 'একচন্দ্রস্তমোহন্তি'।

[ভৃত্যৰ প্রবেশ]

ভৃত্য। [শ্রীশৰ প্রতি] চন্দ্রবাবুৰ চিঠি লৈ একন মানুহে আপোনাৰ ঘৰ বিচাৰি শেষত ইয়াত ওলাইছেহি।

শ্রীশ। [চিঠি পঢ়ি] অকনমান অপেক্ষা কৰিবনে? চন্দ্রবাবুৰ ঘৰ ওচৰতে, মই বেগাই গৈ এবাৰ দেখা কৰি আহো।

শৈলবালা। নপলায়তো?

শ্রীশ। নপলাও, মোৰ ৰুমাল বন্ধক থাকিল। সেইখন নোমোকোলোৱাকৈ নগৈছো।

[প্রস্থান]

ৰসিক। ভাই শৈল, কুমাৰসভাৰ সভ্যহঁতক যিমান ভয়ংকৰ কুমাৰ বুলি ভাবিছিলো, সিমান একো নহয়, এওঁলোকৰ তপস্যা ভঙ্গ কৰিবৰ কাৰণে মেনকা, ৰম্ভা, মদন, বসন্ত কাৰো দৰকাৰ নহয়, এই বুঢ়া ৰসিকেই পাৰিব।

শৈলবালা। তেনে যেনেই লাগিছে।

ৰসিক। আচল কথাটো কি জানা? যি দাৰ্জিলিঙত থাকে, তেওঁক মেলেৰিয়া হোৱা ঠাইত ভৰি থোৱা মাত্রে বেমাৰে হেচি ধৰে। এওঁলোক অতদিন চন্দ্ৰবাবুৰ ঘৰত ৰব নিৰোগ ঠাইত আছিল, এই ঠাইডোখৰ কিন্তু ৰোগৰ বীজাণুৰে ভৰা, ইয়াৰ কমাল, কিতাপ, চকী, মেজ যতেই স্পৰ্শ কৰিছে, তাৰে পৰাই ৰোগ আহি নাকে মুখে সোমাইছেহি। এই শ্ৰীশবাবুটি গ'ল!

শৈলবালা। ৰসিকদাদা, তোমাৰ হবলা ৰোগৰ বীজ অভ্যাস হৈ গৈছে?

ৰসিক। মোৰ কথা বাদ দিয়া। মোৰ আমঠু-কলিজা যাৰ যি হব লাগে, হৈ গৈছে।

[নীৰবালাৰ প্ৰবেশ]

নীৰবালা। বাইদেউ, আমি কাষৰ ঘৰতে আছিলো।

ৰসিক। মাছ-মৰিয়াই জাল টনাটনি কৰি মৰিছে, আৰু চিলনিয়ে চোপ লৈ আছে ছোঁ মাৰি থাপ মাৰিবৰ কাৰণে!

নীৰবালা। মাজু বাইদেউৰ কমালখন লৈ শ্ৰীশবাবুৱে কি কাণ্ড যে নকৰিলে! মাজু বাইদেউতো লাজত ৰঙাচিঙা পৰি লৰি পলাল। মই ইমান অকৰা যে ভুলতো একো এটা পেলাই নগলো। বাৰখন কমাল আনিছো, ভাবিছো এইবাৰ ঘৰৰ ভিতৰত কমালৰ হৰিৰ লুঠ দিম।

শৈলবালা। তোৰ হাতত সেইখন কিহৰ খাটা নীৰ?

নীৰবালা। যিবোৰ গান মোৰ ভাল লাগে, সেইবোৰ ইয়াত লিখি ৰাখো বাইদেউ।

ৰসিক। সৰু বাইদেউ, আজিকালি তোমাৰ কেনে ধৰণৰ পাৰমাৰ্থিক গান ভাল লগা হৈছে তাৰ অলপ অচৰপ নমুনা দেখিবলৈ পাব পাৰোনে?

নীৰবালা। দিন গল হেৰ, মাতি ল সিপাৰৰ নাও,
সামৰ হিচাব, শেষ কৰি দে দিয়া পোৱাৰ ভাও।

ৰসিক। বাইৰেউ যেখোন বৰ ব্যস্ত। গাব নাও ৰাতি দিছো ৰবা। যি লোৱা, যি দিয়া, সেইবোৰ আলচি বিলচি ঠিক কৰি লবা।

নীৰবালা। [গান]

আন্ধাৰত আলো নজলে,
সেয়েনেকি নিদিয়া সহাৰি বাৰে বাৰে।
তোমাৰ বাঁহী বাজে মোৰ বুকত,
কঠিন দুখত, গভীৰ সুখত,
যি নেজানে পথৰ কথা,
তাক কন্দুৱা তুমি।
চাই থাকো ৰাতিৰ আকাশৰ ফালে,
মনেৰে কি বিচাৰে মনেই জানে।
অকাৰণত কিয় আশা জাগে,
মনৰ মাজত ক্ষণে ক্ষণে
ব্যথাৰ টানে আনিব তোমাক দুৱাৰলৈ'।

নেপথ্যত। অবলাকান্তবাবু আছে?

[বিপিন সোমাই আহিল, আৰু অলপ উচপ খাই ঠিয় দি ৰল। অকনমান সময় নীৰবালা হতবুদ্ধি হৈ ৰল, তাৰ পিচত বেগাই ওলাই গল]

শৈলবালা। আহক বিপিনবাবু।

বিপিন। ভালকৈ কওক, আহিমনে? মই অহাৰ কাৰণে আপোনালোকৰ কোনো লোকচান নহয়নে?

ৰসিক। ঘৰৰ পৰা অলপ লোকচান নকৰিলে, লাভ নহয় বিপিনবাবু— ব্যৱসায়ৰ সেইটোৱেই নিয়ম। যি গল সি দুগুণ হৈ ঘূৰি আহিব পাৰে, কি কোৱা অবলাকান্তবাবু?

শৈলবালা। ৰসিকদাদাৰ ৰসিকতা আজিকালি অলপ টান হৈ আহিছে।

ৰসিক। গুৰ জমি যেনেকৈ টান হয়। কিন্তু বিপিনবাবুৱে কি ভাবিছে কওকচোন।

বিপিন। ভাবিছো কি বুজিবে বিদায় ললে, মোক বিদায় দিয়াত আপনালোকৰ ভদ্ৰতাত কোনো বাধা নপৰিব [ভদ্ৰতা ক্ষুণ্ণ নহব]।

শৈলবালা। বন্ধুৱেই যদি বাধা দিয়ে ?

বিপিন। তেতিয়া হলে আৰু বুদ্ধি সাজিবৰ কোনো দৰকাৰ নহব।

শৈলবালা। তেনেহলে উপায়বুদ্ধি বিচৰাটো বাদ দিয়ক, ভালকৈ বহক।

ৰসিক। মুখখন প্ৰসন্ন কৰক বিপিনবাবু। আমাক ঈৰ্ষা নকৰিব। মই যে বুঢ়া, যুবকৰ ঈৰ্ষাৰ যোগ্যই নহয়। আৰু আমাৰ সুকুমাৰমূৰ্তি অবলাকান্তবাবুক কোনো নাৰীয়ে পুৰুষ বুলি নেভাবেই। আপোনাক দেখি যদি কোনো সুন্দৰী কিশোৰী ভয়াতুৰা হৰিণীৰ দৰে পলাই যায়, তেনেহলে মনক এই বুলি সান্ত্বনা দিব যে তেওঁ আপোনাক পুৰুষ বুলিয়ে মস্ত খাটিৰ কৰিছে। হায় হতভাগ্য ৰসিক, তোক দেখি কোনো তৰুণী লাজত পলায়ো নেযায়।

বিপিন। ৰসিকবাবুৱে যে আপোনাকো দললৈ টানিছে, অবলাকান্তবাবু। এইটো কেনে কথা হল ?

শৈলবালা। কৰ নোৱাৰো বিপিনবাবু, মোৰ এই অবলাকান্ত নামটোৱেই মিছা, কোনো অবলাইতো এই পৰ্য্যন্ত মোক কান্ত বুলি বৰণ কৰা নাই।

বিপিন। ' হতাশ নহব, এতিয়াও সময় আছে।

শৈলবালা। সেই আশা আৰু সেই সময় যদি থাকিলহেতেন, তেতিয়া হলে চিৰকুমাৰ সভাত নাম লেখাবলৈ নগলোহেতেন।

বিপিন। [স্বগতঃ] এওঁৰ মনৰ মাজত কিবা এটা বেদনা আছে, নহলে ইমান কম বয়সত এই কুমলীয়া মুখত এনে স্নিগ্ধ কোমল কৰুণভাব নেথাকিলহেতেন। এইখন কিহৰ খাটা ? দেখিছো গান লিখা আছে। 'নীৰবালা দেবী' [পঢ়িলে]

শৈলবালা। কি পঢ়িছে বিপিনবাবু ?

বিপিন। কোনো এগৰাকী অপৰিচিতাৰ ওচৰত অপৰাধ লগাইছো, হয়তো তেওঁৰ ওচৰত ক্ষমা বিচাৰিবৰ সুযোগ নেপাম আৰু হয়তো তেওঁৰ পৰা শাস্তি পাবৰ সৌভাগ্যও নহব। কিন্তু এই গানবোৰ

মানিক, আৰু হাতৰ আখৰবোৰ মুকুতা। যদি লোভত পৰি চুৰ কৰো, তেতিয়া হলে দণ্ডদাতা বিধাতাই ক্ষমা কৰিব।

শৈলবালা। বিধাতাই ক্ষমা কৰিব পাৰে, কিন্তু মই নকৰো। সেই খাটাটিৰ কাৰণে মোৰ লোভ লাগিছে বিপিনবাবু।

ৰসিক। আৰু মই হবলা লোভ মোহ সকলো জয় কৰি বহি আছো? হাতৰ আখৰৰ নিচিনা বস্তু আৰু আছেনে? মনৰ ভাবে মূৰ্ত্তি ধৰি আঙুলিৰ আগেদি ওলাই আহে। আখৰবোৰৰ ওপৰত চকু ফুৰাই গলে যেন হৃদয়খন চকুৰ আগত ভাহি উঠে। অবলাকান্ত, এই খাটা'খন নোকলিবা দেই। তোমালোকৰ চঞ্চলা নীৰবালা দেবী কৌতুকৰ নিজৰাৰ দৰে বাতিয়ে দিনে নিজৰি পৰিবই লাগিছে, তেওঁকতো ধৰি ৰাখিব নোৱাৰা, এই খাটাখনিৰ পাতৰ মাজত তাৰে একাজলি ধৰা পৰি গৈছে, এই বস্তুৰ দাম আছে। বিপিনবাবু, আপুনিতো নীৰবালাক চিনি নেপায়, আপুনি এই খাটাখন নি কি কৰিব?

বিপিন। আপোনালোকেতো স্বয়ং তেওঁকেই চিনি পায়, আপোনালোকে খাটাখনেৰে কি কৰিব? এই খাটাখনৰ পৰা যিকন পৰিচয় পাবৰ আশা কৰিছো, তাকৈ আপোনালোকে চকু দিয়ে কিয়?

[শ্ৰীশৰ প্ৰবেশ]

শ্ৰীশ। মনত পৰিছে ভাণ্ডৰীয়া, সিদিনা ইয়াতে কিতাপ এটাত নাম দেখিছিলো—নৃপবালা, নীৰবালা। ইকি, বিপিন দেখোন। তুমি যে হঠাৎ ইয়াত?

বিপিন। তোমাৰ সম্বন্ধেও ঠিক এই প্ৰশ্নকে কৰিব পৰা যায়।

শ্ৰীশ। মই আহিছিলো অবলাকান্তবাবুৰ লগত আমাৰ সেই সন্ন্যাসী সম্প্ৰদায়ৰ কথাবাৰ আলোচনা কৰিবৰ কাৰণে তেওঁৰ যিৰকম চেহেৰা, কণ্ঠস্বৰ, মুখৰ ভাব, তেওঁ ঠিক আমাৰ সন্ন্যাসীদলৰ আদর্শ হ'ব পাৰে। তেওঁ যদি তেওঁৰ সেই চন্দ্ৰকলাৰ নিচিনা কপালত চন্দন পিন্ধে, ভিজিত মালা পিন্ধে, আৰু হাতত এখন বীণা লৈ পুৱাবেলা গৈ কোনো এখন গাঁৱত সোমায়গৈ, তেতিয়া হলে কোন গৃহস্থৰ হৃদয় নগলি থাকিব?

ৰসিক। মই বুজিব পৰা নাই ভাওৰীয়া, হৃদয় গলাবৰ কি জৰুৰী দৰকাৰ পৰিছে।

শ্ৰীশ। চিৰকুমাৰ সভা হৃদয় গলোৱা সভা।

ৰসিক। কয় কি? তেনেহলে মোৰ পৰানো কি কাম হ'ব?

শ্ৰীশ। আপোনাৰ ভিতৰত যেনেকুৱা উত্তাপ আছে আপুনি উত্তৰ মেৰুলৈ গলে তাৰ বৰফ গলাই বান বোৱাই থৈ আহিব পাৰিব। বিপিন, যোৱানেকি?

বিপিন। যাওঁ, ৰাতি মই অলপ পঢ়িব লগা আছে।

ৰসিক। [অন্য ফালে মুখ কৰি] অৱলাকান্তই সুধিছে পঢ়া শেষ হৈ গলে কিতাপখন ঘূৰাই পোৱা যাব জানো?

বিপিন। [অন্য ফালে মুখ ঘূৰাই] পঢ়া হৈ গলে সেই আলোচনা পিচত কৰা যাব। আজিলৈ থাকক।

শৈলবালা। [সৰু মাতেৰে] শ্ৰীশবাবুৱে উচপিচ কৰিছে কিয়, আপোনাৰ কিবা হেৰাইছে নেকি?

শ্ৰীশ। [সৰু মাতেৰে] আজি থাকক। অন্য এদিন বিচাৰি চাম।

[শ্ৰীশ আৰু বিপিনৰ প্ৰস্থান]

নীৰবালা। [বেগাবেগিকৈ সোমাই আহি] ই কেনে ধৰণৰ ডকাইতি বাইদেউ! মোৰ গানৰ বহীটো লৈ গল। মোৰ ভয়ানক ৰাগ উঠিছে।

ৰসিক। অভিধানত ৰাগ শব্দটোৰ নানা অৰ্থ আছে।

নীৰবালা। ৰাক পণ্ডিত মহাশয়, তোমাৰ অভিধান মেলিব নেলাগে, মোৰ বহী ঘূৰাই আনা।

ৰসিক। পুলিচক খবৰ দিয়া, ভাই। চোৰ ধৰা মোৰ ব্যৱসায় নহয়।

নীৰবালা। তুমি মোৰ বহী কেলেই নিবলৈ দিলা বাইদেউ?

শৈলবালা। এনে অমূল্য ধন তই পেলাই থৈ যাব কিয়?

নীৰবালা। মই হবলা ইচ্ছা কৰি পেলাই থৈ গৈছিলো!

ৰসিক। লোকে তেনে সন্দেহকে কৰিছে।

নীৰবালা। নহয় ৰসিকদাদা, তোমাৰ এই ঠাট্টা মোৰ ভাল নেলাগে।

ৰসিক। তেনেহলে বৰ ভয়ানক বেয়া অৱস্থা।

[নীৰবালাৰ থৰেৰে প্ৰস্থান]

[লাজেৰে নৃপবালাৰ প্ৰৱেশ]

ৰসিক। কি হল নৃপ, হেৰোৱা ধন বিচাৰি ফুৰিছা নেকি ?

নৃপবালা। নহয়, মোৰ একো হেৰোৱা নাই।

ৰসিক। সেইটোতো বৰ সুখৰ সংবাদ। শৈল বাইদেউ, তেনেহলে আৰু কিয় ? কমালখনৰ গিৰিহত বিচাৰি পোৱা নগল যেতিয়া, যি সেইখন হেৰা পাইছিল, তাকেই ঘুৰাই দিয়া। [শৈলৰ হাতৰ পৰা কমাল লৈ] এই বস্তুটি কাৰহে ভাই ?

নৃপবালা। সেইখন মোৰ নহয়।

[পলাব খুজিলে]

ৰসিক। [নৃপক ধৰি] যি বস্তুটো হেৰাই গল, তাৰ ওপৰত নৃপই কোনো দাবীও ৰাখিব নোখোজে।

নৃপবালা। ৰসিকদাদা, মোক এৰি দিয়া। মোৰ কাম আছে।

দ্বিতীয় দৃশ্য

গোলদিঘিৰ বাট

[শ্ৰীশ আৰু বিপিন]

শ্ৰীশ। হেৰা বিপিন, আজি মাঘৰ শেষত প্ৰথম বসন্তৰ বতাহ বলিছে, জোনাকো ধুনীয়া হৈছে, আজি যদি এতিয়াই ভৰলৈ নাইবা পঢ়া মুখস্থ কৰিবলৈ যোৱা যায়, তেতিয়া হলে দেৱতাসকলে ধিক্কাৰ দিব।

বিপিন। তেওঁলোকৰ ধিক্কাৰ খুব সহজে সহ্য কৰা যায়, কিন্তু বেমাৰৰ ঠেলা নাইবা—

শ্ৰীশ। চোৱা, সেই কাৰণেই তোমাৰ লগত মোৰ দ্বন্দ্ব লাগে। মই

তালকৈ জানো দক্ষিণা বতাহত তোমাৰ প্ৰাণ চঞ্চল হৈ উঠে, কিন্তু কিজানি কোনোবাই তোমাক কবি বুলি অপবাদ দিয়ে, সেই ভয়ত মলয় সমীৰণক একেবাৰে ওচৰ চাপিবলৈকে নিদিয়া। ইয়াত বাক তোমাৰ কি বাহাদুৰিটো হল, শুনো। মই আজি মুক্তকণ্ঠে তোমাৰ আগত স্বীকাৰ কৰিছো, মোৰ ফুল ভাল লাগে, জোনাক ভাল লাগে।

বিপিন। আৰু—

শ্ৰীশ। আৰু ভাল লাগিবলগীয়া যি বস্তু আছে সেই সকলো ভাল লাগে।

বিপিন। বিধাতাইতো তোমাক বৰ আশ্চৰ্য্য ধৰণৰ সাঁচত গঢ়িলে দেখিছো—

শ্ৰীশ। তোমাৰ সাঁচ আৰু আশ্চৰ্য্য। তোমাৰ লাগে ভাল, কিন্তু কোৱা অন্য ধৰণে, মোৰ শোৱা ঘৰত থকা ঘড়িটোৰ নিচিনা, সি চলে ঠিক, বাজে ভুল।

বিপিন। কিন্তু শ্ৰীশ, তোমাৰ যদি সকলো মনোৰম বস্তুৱেই মনোহৰ লাগিবলৈ ধৰিছে, তেতিয়া হলেতো বিপদ পালেহিয়েই।

শ্ৰীশ। মইতো একোকে বিপদ বুলি নেভাবো—

বিপিন। সেই লক্ষণটোৱেইতো আটাইতকৈ বেয়া। ৰোগৰ যেতিয়া বেদনাবোধ নোহোৱা হয়, তেতিয়া আৰু চিকিৎসাৰ বাট নেথাকে। মই ভাই খোলা খুলিকৈয়ে মানি লৈছো, স্ত্ৰীজাতিৰ এটা আকৰ্ষণ আছে—চিৰকুমাৰ সভাই যদি সেই আকৰ্ষণৰ হাত সাৰিব খোজে, তেতিয়া হলে সি বহুত আতৰেদি যাব লাগিব।

শ্ৰীশ। ভুল, ভুল, ভয়ানক ভুল। তুমি আতৰত থাকিলে কি হ'ব তেওঁলোকতো আতৰত নেথাকে। সংসাৰ ৰক্ষাৰ কাৰণে বিধাতাই ইমানবোৰ নাৰী সৃষ্টি কৰিব লগা হৈছে, যে তেওঁলোকক এৰি চলা অসম্ভব। সেই দেখি কৌমাৰ্য্য যদি ৰক্ষা কৰিব খোজা, তেতিয়া হলে নাৰীজাতিক অলপ অলপকৈ সহ্য কৰি যাব লাগিব। সেই যে স্ত্ৰীসভ্য লোৱাৰ নিয়ম হৈছে, ইমান দিনৰ পিচত কুমাৰ সভাই চিৰস্থায়ী হোৱাৰ উপায় অবলম্বন কৰিছে। কিন্তু কেৱল এটি মাত্ৰ মহিলা হলেই নহব বিপিন, তালেমান স্ত্ৰীসভ্য হোৱা দৰকাৰ।

বন্ধ ঘৰৰ এখন খিৰিকি খুলি গাত ঠাণ্ডা লগালে চৰ্দ্দি লাগে, মুকলি বতাহত থাকিলে সেই বিপদ নাই।

বিপিন। মই তোমাৰ এই বন্ধ বতাহ, মুকলি বতাহ বুজি নেপাওঁ। যাৰ চৰ্দ্দি লগা ধাতু, তাক চৰ্দ্দি লগাৰ পৰা দেৱতা-মানুহ কোনেও ৰক্ষা কৰিব নোৱাৰে।

শ্ৰীশ। তোমাৰ ধাতুৱে কি কয় হে?

বিপিন। সেই কথা মুকলিকৈ কৈ দিলেই বুজিব পাৰিবা যে তোমাৰ ধাতুৰ লগত তাৰ বে'চ মিল আছে। নাড়িভাল যে ঠিক সকলো সময়তে চিৰকুমাৰৰ নাড়িৰ দৰে চলে, সেই কথা দম্ভেৰে ক'ব নোৱাৰিম।

শ্ৰীশ। সেইটো তোমাৰ আৰু এটা ভুল, চিৰকুমাৰৰ নাড়িৰ ওপৰত উনপঞ্চাশৰ বায়ুৱে নাচিলেও কোনো ভয় নাই, বান্ধনি—চাটনি, লুকুৰা-ঢুকুৰা নকৰিবা। আমাৰ নিচিনা ব্ৰত যাৰ, তেওঁলোকে জানো তুলাৰে হৃদয়খন মেৰিয়াই চপাই ৰাখিব পাৰে? তাক অশ্বমেধ যজ্ঞৰ ঘোৰাৰ দৰে এৰি দিয়া, যেয়ে তাক বান্ধিব, তাৰ লগতেই ৰণ কৰিবা।

বিপিন। সেইটি কোন হে? পূৰ্ণ দেখোন! এওঁ বেচেৰাৰ আৰু এই গলিৰ পৰা ওলাবৰ উপায় নাই। এই বীৰপুৰুষৰ অশ্বমেধৰ ঘোৰাটিয়ে বৰ খোৰাইছে। তেওঁক এবাৰ মাতো?

শ্ৰীশ। মাতা। তেওঁ কিন্তু আমাৰ দুজনকে বিচাৰি গলিয়ে গলিয়ে ঘূৰিছে যেন মনে নধৰে।

বিপিন। পূৰ্ণবাবু, খবৰ কি?

[পূৰ্ণৰ প্ৰবেশ]

পূৰ্ণ। [খবৰ] অত্যন্ত পুৰণি। কালি পৰহি যি খবৰ চলিছিল, আজিও সেয়ে চলিছে।

শ্ৰীশ। কালি পৰহি জাৰকালিৰ বতাহ বলিছিল, আজি বসন্তৰ বতাহ বলিছে। ইয়াৰ পৰা দুই এটা নতুন খবৰৰ আশা কৰা যাব পাৰে।

পূৰ্ণ। দক্ষিণৰ মলয়াত বিবোৰৰ সৃষ্টি হয়, কুমাৰসভাৰ খবৰ কাগজত তাৰ

ঠাই নাই। তপোবনত এদিন অসময়ত বসন্তৰ বতাহ বলিছিল, তাকে লৈ কালিদাসৰ কুমাৰসম্ভৱ কাব্য ৰচনা হৈছে, আমাৰ কপালৰ গুণে বসন্তৰ বতাহত কুমাৰ-অসম্ভৱ কাব্য হৈ পৰে।

বিপিন। হয় যদি হওক পূৰ্ণবাবু, সেই কাব্যত যদি দেৱতা পুৰি মৰিছিল, এই কাব্যত তাক পুনৰ জীৱন দিয়া যাওক।

পূৰ্ণ। এই কাব্যত চিৰকুমাৰ সভা দগ্ধ হওক। যি দেৱতা জলিছিল, তেওঁ জলায়। নহয়, মই ঠাট্টা কৰা নাই শ্ৰীশবাবু, আমাৰ চিৰকুমাৰ সভাখন এখন জতুগৃহ বিশেষ। জুই লাগিলে ৰক্ষা নাই। তাতকৈ বিবাহিত সভা স্থাপন কৰা, স্ত্ৰীজাতি সম্বন্ধে নিৰাপদে থাকিব পাৰিবা। যি ইটা ভঁটাত পোৰা হল, তাৰে সৈতে ঘৰ সাজিলে আৰু পোৰাৰ ভয় নেথাকেহে।

শ্ৰীশ। যেই কোনো মানুহে বিয়া কৰাই কৰাই বিয়া বস্তুটো মাটি কৰিলে, পূৰ্ণবাবু। তাৰ কাৰনেইতো কুমাৰসভা। যত দিন মোৰ প্ৰাণ থাকিব, এই সভালৈ প্ৰজাপতিৰ প্ৰবেশ নিষেধ।

বিপিন। পঞ্চশৰ ?

শ্ৰীশ। তেওঁ আহক, এবাৰ তেওঁৰ লগত ঘনিষ্ঠতা হৈ গলে, বচ্, আৰু ভয় নাই।

পূৰ্ণ। দেখিবা শ্ৰীশবাবু—

শ্ৰীশ। দেখিম আৰু কি ? তেওঁক বিচাৰি ফুৰিছো। এচাট হমুনিয়াহ কাঢ়িম, কবিতা আওৰাম, কনকবলয়ভ্ৰংসৰিক্তপ্ৰকোষ্ঠ হৈ যাম, তেহে দস্তৰমত সন্ন্যাসী হ'ব পাৰিম। আমাৰ কবিয়ে লিখিছে—

বাতি থাকোতেই জীৱনপ্ৰদীপ
জলাই যোৱাহি প্ৰিয়া,
তোমাৰ জুইৰে প্ৰদীপ জলোৱা প্ৰিয়া।
সমুখৰ পথে যাবা কোনদিনা
দীপ্ত শিখাটি লৈ,
তাৰ আশাতেই আছো চাই বাটলই।

পুৰি যাম বুলি আছে আশা কৰি
মোৰ ই নীৰব হিয়া,
নিজৰ আন্ধাৰ বুকত সাৰটি প্ৰিয়া।
বাতি থাকোতেই জীৱনপ্ৰদীপ
জলাই যোৱাহি প্ৰিয়া।

পূৰ্ণ। হেৰা শ্ৰীশবাবু, তোমাৰ কবিতটিয়ে তো বেয়া লিখা নাই—
বাতি থাকোতেই জীৱনপ্ৰদীপ
জলাই যোৱাহি প্ৰিয়া।

ঘৰ সজোৱা আছে, থালত মালা, পালেঙত পুষ্পশয্যা, কেৱল জীৱন প্ৰদীপটি জলা নাই। সন্ধ্যা ক্ৰমে ৰাতি হৈ আহিল, বাঃ বেচ লিখিছে তো! কোনটো কিতাপত আছে কোৱাচোন শুনো।

শ্ৰীশ। কিতাপটোৰ নাম 'আবাহন'।

পূৰ্ণ। নামটোও বাচি বাচি দিছে ভাল।
[নিজে নিজে] বাতি থাকোতেই জীৱনপ্ৰদীপ
জলাই যোৱাহি প্ৰিয়া।

তোমালোক ঘৰৰ ফালে যাবানেকি?

শ্ৰীশ। ঘৰ কোন ফালে পাহৰি গৈছো ভাই।

পূৰ্ণ। আজি অৱশ্যে বাতিটোৰেই হৈছে বাট পাহৰিবলগীয়া। কি কোৱা বিপিনবাবু?

শ্ৰীশ। বিপিনবাবুৰে এইবোৰ বিষয়ে কোনো কথাই নকয়, কিজানিবা তেওঁৰ ভিতৰৰ কৱিত্ব ধৰা পৰে। কিপিনে যিটো বস্তুৰ আটাইতকৈ বেচি আদৰ কৰে, তাকেই মাটিৰ তলত পুতি থয়।

বিপিন। অম্লানত, বাজে খৰছ কৰিব খোজা নাই ভাই, স্থান বিচাৰি ফুৰিছো। মৰিব লাগিলে একেবাৰে গঙ্গাৰ ঘাটলৈ গৈ মৰাই ভাল।

পূৰ্ণ। এইটোতো উত্তম কথা, শাস্ত্ৰসংগত কথা। বিপিনবাবুৰে একেবাৰে অন্তিম কালৰ কাৰণে কৱিত্ব সঞ্চয় কৰি ৰাখিছে, যেতিয়া অন্তে কথা ক'ব কিন্তু তেওঁ থাকিব নিরুত্তৰ। আশীৰ্ব্বাদ কৰিছো যেন অন্তৰ সেই কথাবোৰ মউৰৰ্ষা হয়।

শ্ৰীশ। আৰু তাৰ লগত যেন অলপ জালৰ সম্পৰ্কও থাকে।

বিপিন। আৰু বাক্যবৰ্ষণ কৰিয়েই যেন মুখৰ সকলো কৰ্ত্তব্য শেষ হৈ নেযায়।

পূৰ্ণ। বাক্যৰ মাজত বিৰামৰ ঠাইবোৰ যেন বাক্যতকৈও মধুৰতৰ হৈ উঠে।

শ্ৰীশ। সেইদিনা টোপনি যেন নাহ।

পূৰ্ণ। ৰাতি যেন নেযায়।

বিপিন। চন্দ্ৰ যেন পূৰ্ণচন্দ্ৰ হয়।

পূৰ্ণ। বিপিন যেন বসন্তৰ ফুলেৰে প্ৰফুল্ল হৈ উঠে।

শ্ৰীশ। আৰু হতভাগ্য শ্ৰীশই যেন কুঞ্জদ্বাৰৰ ওচৰলৈ আহি ভুমুকি নেমাৰেহি।

পূৰ্ণ। যাবলৈ দিয়া শ্ৰীশবাবু। তোমাৰ সেই 'আবাহন'ৰ পৰা আৰু কিবা একাকি কৱিতা গোৱাচোন—চমৎকাৰ লিখিছে হে,

ৰাতি থাকোতেই জীৱনপ্ৰদীপ
জলাই যোৱাহি প্ৰিয়া।

আহা, এটি জীৱনপ্ৰদীপৰ শিখা আন এটি জীৱনপ্ৰদীপৰ মুখৰ কাষলৈ অলপ চপাই দিলেই—বচ্, আৰু একো নেলাগে। দুটি কোমল আঙুলিৰে চাকিটি অলপ বেকা কৰি, অলপ চুই যোৱা, তাৰ পিচতেই হঠাৎ সকলো পোহৰ হৈ উঠিব।

[নিজে নিজে] ৰাতি থাকোতেই জীৱনপ্ৰদীপ
জলাই যোৱাহি প্ৰিয়া।

শ্ৰীশ। পূৰ্ণবাবু, যোৱা কলৈ ?

পূৰ্ণ। চন্দ্ৰবাবুৰ ঘৰত কিতাপ এটা এৰি থৈ আহিলো, তাকে বিচাৰি যাওঁ।

বিপিন। বিচাৰিলে পাবা জানো ? চন্দ্ৰবাবুৰ ঘৰখন যৰ বেমেজালি ঠাই, তাত বি হেৰায় তাক আৰু পোৱা নেযায়।

[পূৰ্ণৰ প্ৰস্থান]

শ্ৰীশ। [হুমুনিয়াহ কাঢ়ি] পূৰ্ণ বেচ আছে ভাই বিপিন।

বিপিন। ভিতৰত বাপৰ হেচাত তাৰ মুৰটো চ'ভাৰাটাৰৰ সোপাটোৰ নিচিনাকৈ একেবাৰে টপ কৰে উৰি নগলেই হয়।

শ্রীশ। যায় যদি যাওক। কোনোমতে লোৰ তাঁৰেৰে বান্ধি মূৰটোক ঠিক ঠাইত ৰাখি থোৱাটোৱেই জীৱনৰ চৰম পুৰুষাৰ্থ নেকি? মাজে মাজে মূৰ বেঠিক নহলে দিনে ৰাতিয়ে মুটিয়াৰ বোজাৰ নিচিনাকৈ মূৰটো কঢ়িয়াই ফুৰিছো কিয়? এবাৰ তাঁৰ কাটি দিয়া ভাই, এবাৰ উৰক। সেইদিনা তোমাক শুনাইছিলো—

হে সাৱধানী পথিক,
পথ পাহৰি মৰ চোঁ এবাৰ ঘূৰি।
আকুল চকুৰ লোৰে
অন্ধ কৰি দে মেলি ৰখা চকুজুৰি॥
সেই হেৰোৱা পথৰ কাষৰতে আছে
হেৰোৱা হিয়াৰ কুঞ্জ,
সৰি পৰি আছে গছৰ তলত
ৰক্ত কুসুমপুঞ্জ।
তাতে দুই বেলা ভঙা গঢ়া খেলা
সাগৰৰ পাৰ জুৰি
হে সাৱধানী পথিক
পথ পাহৰি মৰ চোঁ এবাৰ ঘূৰি।

বিপিন। আজিকালি তুমি খুব কবিতা পঢ়িবলৈ আৰম্ভ কৰিছা, অলপতে এটা বিপদত পৰিবা দেখিছো।

শ্ৰীশ। যি ইচ্ছা কৰি বিপদৰ বাট বিচাৰি ফুৰিছে, তাৰ কাৰণে কোনেও ভাবিব নেলাগে। বিপদৰ পৰা আতৰি থাকিবলৈ গৈ হঠাৎ বিপদৰ মাজত সোমাই পৰাটোহে বিপদ। আহক, আহক, ৰসিকবাবু, ৰাতি যে ওলাই আহিল?

[ৰসিকৰ প্ৰৱেশ]

ৰসিক। মোৰ কাৰণে ৰাতিয়েই বা কি আৰু দিনেইবা কি?
ৰৰমসৌ দিবসো ন পুনৰ্নিশা,
ননু নিশৈৰ ৰৰং ন পুনৰ্দিনম্।

উভয়মেতদুপৈত্বথবা ক্ষয়ং
প্ৰিয়জনেন ন যত্ৰ সমাগমঃ ।

শ্ৰীশ। অন্তাৰ্থঃ ?

ৰসিক। অন্তাৰ্থ হৈছে—

আহে যদি আহক ৰাতি,
নাইবা আহক দিন,
যায় যদি যক নিৰবধি।
সিবোৰৰ অহাযোৱা লাভ ক্ষতি কিবা,
মোৰ প্ৰিয়জন নাহে যদি।

এতিয়ালৈকে বহুত ৰাতি আহিছে আৰু গৈছে, কিন্তু তেওঁ আজিলৈকে আহি নেপালেহি, সেই দেখি ৰাতিয়েই বোলক বা দিনেই বোলক, সিহঁত দুটাৰ ওপৰত আৰু মোৰ অকনো শ্ৰদ্ধা নাই।

শ্ৰীশ। বাঁৰু ৰসিকবাবু, প্ৰিয়জন যদি এতিয়াই হঠাৎ আহি ওলায়হি ?

ৰসিক। তেতিয়া হলে তেওঁ মোৰ ফালে নেচায়, তোমালোক দুজনৰ ভিতৰত এজনৰ ভাগতে পৰিব।

শ্ৰীশ। তেতিয়া হলে সেই মুহূৰ্ত্ততে তেওঁ অৰসিক বুলি প্ৰমাণ হৈ যাব।

ৰসিক। আৰু তাৰ পিচ মুহূৰ্ত্তৰ পৰাই পৰম আনন্দেৰে কালযাপন কৰিবলৈ ধৰিব। সেই বুলি আমি ঈৰ্ষা কৰিব খোজা নাই শ্ৰীশবাবু। মোৰ ভাগ্যত যি আহোতে বহুত পলম কৰিলে, মই তেওঁক তোমালোকৰ উদ্দেশ্যেই উচৰগা কৰিলো। দেবী তোমাৰ বৰণমালা গাঁথি লৈ আহা। আজি বসন্তৰ জোনাক ৰাতি, আজি অভিসাৰৰ কাৰণে আহা—

মন্দং নিধেহি চৰণৌ, পৰিধেহি নীলং
বাসঃ, পিধেহি বলযাবলিমঞ্চলেন।
মা জল্প সাহসিনি শাৰদচন্দ্ৰকান্ত
দন্তাংশবস্তব তমাংসি সমাপয়ন্তি।

ধীৰে ধীৰে যোৱা তন্বী, পিন্ধা নীলাম্বৰ,
আচলত বান্ধি ৰাখা কঙ্কণ মুখৰ ;
নকৰা কথাটি জানো দাঁতৰ পোহৰে,
বাটৰ আন্ধাৰবোৰ আতৰাই ধৰে।

শ্ৰীশ। ৰসিকবাবু, আপোনাৰ জোলোঙা দেখিছো একেবাৰে ভৰা। এনেকুৱা অনুবাদ কিমান কৰি ৰাখিছে ?

ৰসিক। বহুত। লক্ষ্মীতো নাছিল, কেৱল বাণীকে লৈয়েই কাল কটাইছো।

শ্ৰীশ। হেৰা বিপিন, অভিসাৰৰ কল্পনা কৰি বেচ লাগে।

বিপিন। তাক আকৌ চলাবৰ কাৰণে চিৰকুমাৰ সভাত এটা প্ৰস্তাৱ উত্থাপন কৰি চোৱাচোন।

শ্ৰীশ। কিছুমান বস্তু আছে, যাৰ আইডিয়াটো ইমান সুন্দৰ যে সংসাৰত সেইটো চলাবলৈ সাহস নহয়। যিটো বাটেদি অভিসাৰ হ'ব পাৰে, যত কামিনীহঁতৰ হাৰৰ পৰা মুকুতা সৰি সিচৰি পৰে, তোমাৰ পটলডাঙা ষ্ট্ৰীট জানো সেই বাট ? সেই আলিবাট জগতত ক'তো নাই। বিৰহিনীৰ হৃদয়ে নীলাম্বৰী পিন্ধি মনোৰাজ্যৰ বাটেদি সেই দৰে ওলাই আহে, বুকুৰ পৰা মুকুতা চিগি সৰি পৰে, ঘূৰিও নেচায়। সচাসচি মুকুতা হোৱা হলে বুটলি ললেহেতেন। কি কয় ৰসিকবাবু ?

ৰসিক। সেই কথা মানিবই লাগিব, অভিসাৰ বস্তুটো মনে মনেহে ভাল, গাড়ী ঘোৰা যোৱা বাটত খাপ নেখায়। আশীৰ্ব্বাদ কৰিছো শ্ৰীশবাবু, এনেকুৱা বসন্তৰ জোনালী ৰাতি, কোনো এখন খিৰিকিৰ পৰা, কোনো এক ৰমণীৰ ব্যাকুল হৃদয়ে তোমাৰ ঘৰৰ ফালে যেন অভিসাৰ যাত্ৰা কৰে।

শ্ৰীশ। কৰিব ৰসিকবাবু, আপোনাৰ আশীৰ্ব্বাদ ফলিয়াব। আজিৰ ৰতাহত সেই খবৰ মই মনে মনে পাইছো। যিছা ডকাইতে যেনেকৈ আগতে খবৰ দি ডকাইতি কৰিছিল, মোৰ অজানা অভিসাৰিকাই তেনেকৈ আগৰে পৰাই মোলৈ অভিসাৰৰ খবৰ পঠিয়াইছে।

বিপিন। তোমাৰ সেই 'ছাদৰ' ৰাৰান্দাখন সজাই সাজু হৈ থাকা।

শ্ৰীশ। মোৰ সেই দক্ষিণৰ বাৰান্দাত এখন চকীত মই বহো, আৰু এখন চকী সজোৱা থাকে।

বিপিন। তাত আহি মই বহোহি।

শ্ৰীশ। মধ্যভাবে শুবং দত্তাৎ, অভাবৰ সময়ত তুমি থাকিলেও চলে।

বিপিন। মধুময়ী যেতিয়া আহিব তেতিয়া হতভাগাৰ ভাগ্যত লগুবং দত্তাৎ।

ৰসিক। [অন্য কালে মুখ ঘূৰাই] শ্ৰীশবাবু, আপোনাৰ সেই দক্ষিণৰ ছাদখনিত চিনদি বাখিবৰ কাৰণে যে পতাকা উৰুওৱা দৰকাৰ, সেই পতাকা যে পেলাই থৈ আহিল।

শ্ৰীশ। চেষ্টা কৰিলে বাৰু কমালখন এতিয়া পোৱা যাবনে ?

ৰসিক। চেষ্টা কৰি চোৰাত দোষ কি ?

শ্ৰীশ। বিপিন, তুমি ভাই ৰসিকবাবুৰ লগত অলপ কথা বতৰা পাতা, মই এই বেগেতে আহিছো।

[প্ৰস্থান]

বিপিন। বাৰু ৰসিকবাবু, খং নকৰিব—

ৰসিক। কৰিলেও আপোনাৰ ভয় কৰিবৰ কোনো কাৰণ নাই, মই যৰ দুৰ্ব্বল।

বিপিন। দুই এটা প্ৰশ্ন সুধিম, আপুনি বিৰক্ত নহব।

ৰসিক। মোৰ বয়স সম্বন্ধে কোনো প্ৰশ্ন নহয়তো ?

বিপিন। নহয়।

ৰসিক। তেনেহলে সোধক, ঠিক উত্তৰ পাব।

বিপিন। সেইদিনা যে মহিলাটি দেখিছিলো, তেওঁ—

ৰসিক। তেওঁ আলোচনাৰ যোগ্য। আপুনি সঙ্কোচ নকৰিব বিপিনবাবু, তেওঁৰ সম্বন্ধে যদি আপুনি মাজে সময়ে চিন্তা চৰ্চা কৰে, তাৰ পৰা আপোনাৰ অসাধাৰণত্ব প্ৰমাণ নেপায়। আমিও ঠিক সেই কাম কৰো।

বিপিন। অবলাকান্তবাবু হবলা—

ৰসিক। তেওঁৰ কথা নকব, তেওঁৰ মুখত আৰু অন্য কথা নাই।

বিপিন। তেওঁ জানো—

বসিক। এবা, সেয়ে, পিচে হৈছে কি, তেওঁ বুপবালা, নীৰবালা ইহঁত দুজনীৰ মাজত কাক বেচি ভাল পায়, থিবাং কৰিব নোৱাৰে। দুয়োজনীৰে মাজতে তেওঁ ইফালসিফাল কৰি থাকে।

বিপিন। কিন্তু তেওঁলোকৰ কোনোবাই জানো তেওঁৰ প্ৰতি—

বসিক। নহয়, এনে ভাব নহয় যে তেওঁক বিয়া কৰাব পাৰে। সেয়ে হোৱা হলেতো কোনো গণ্ডগোলেই নাছিল।

বিপিন। সেই কাৰণেই হবলা অবলাকান্তবাবুৰ কিবা—

বসিক। অলপ যেন চিন্তান্বিত।

বিপিন। শ্ৰীমতী নীৰবালাই হবলা গান ভাল পায়?

বসিক। পায় নিশ্চয়, আপোনাৰ জেপৰ ভিতৰতে সেখোন তাৰ সাক্ষী আছে।

বিপিন। [জেপৰ পৰা গানৰ বহী উলিয়াই] এইখন লৈ অহাটো মোৰ নিতান্ত অভদ্ৰতা হৈছে—

বসিক। সেই অভদ্ৰতা আপুনি নকৰিলে আমাৰ কোনোবা নহয় কোনোবাই কৰিলোহেতেন।

বিপিন] আপোনালোকে কৰিলে তেওঁ ক্ষমা কৰিলেহেতেন, কিন্তু মই— বাস্তবিকে অন্যায় হৈছে। কিন্তু এতিয়া ঘূৰাই দিলেওতো—

বসিক। মূল অন্যায়টো অন্যায়েই থাকি যায়।

বিপিন। সেই দেখি—

বসিক। বাৰম্ন বি তেপায়ও সি। হৰণ কৰাৰ কাৰণে যিকণ দোষ হৈছে, ৰক্ষণত হয়তো তাতে আৰু অলপ যোগ হল।

বিপিন। বহীটোৰ সম্বন্ধে তেওঁ আপোনালোকক কিবা কৈছেনেকি?

বসিক। কৈছে অলপ, কিন্তু নোকোৱাকৈ আছে বহুত বেচি।

বিপিন। কেনেকৈ?

বসিক। লাজত বৰ ৰঙা পৰি উঠিল।

বিপিন। ছেঃ সেই লাজ যে মোৰেই।

বসিক। আপোনাৰ লাজ তেওঁ ভাগ কৰি ললে, যেনেকৈ অৰুণৰ লাজত উষা ৰাঙলী হয়।

বিপিন। মোক আৰু পগলা নকৰিব বসিকবাবু।

ৰসিক। আমাৰ দলটৈ আনিব খুজিছো মহাশয়।

বিপিন। [বহীটো পুনৰ জেপত ভৰাই থৈ] ইংৰাজীত কয়, দোষ কৰাটো মানুহৰ ধৰ্ম্ম, ক্ষমা কৰা দেৱতাৰ [ধৰ্ম্ম]।

ৰসিক। আপুনি তেনেহলে মানৱধৰ্ম্ম পালন কৰাটোকে থিৰাং কৰিলে ?

বিপিন! দেৱীৰ ধৰ্ম্মত যি কৰিবলৈ কয় তেওঁ তাকেই কৰিব।

[শ্ৰীশৰ প্ৰবেশ]

শ্ৰীশ। অৱলাকান্তবাবুৰ লগত দেখা নহল।

বিপিন। তুমি একেৰাতিয়ে তেওঁক সন্ন্যাসী কৰিব খুজিছানেকি ?

শ্ৰীশ। যাহওক, অক্ষয়বাবুৰ পৰা বিদায় লৈ আহিলো।

বিপিন। এৰা, এৰা, তেওঁক কৈ আহিবলৈ পাহৰিলো, এবাৰ তেওঁৰ লগত দেখা কৰি আহোগৈ।

ৰসিক। [অন্য ফালে মুখ ঘূৰাই] আকৌ কিবা সংগ্ৰহ কৰিবৰ চেষ্টা কৰিছে হ'বলা ? মানৱধৰ্ম্মই ক্ৰমে আপোনাক হেচি ধৰিছে।

[বিপিনৰ প্ৰস্থান]

শ্ৰীশ। ৰসিকবাবু, আপোনাৰ লগত মোৰ এটা পৰামৰ্শ আছে।

ৰসিক। পৰামৰ্শ দিবৰ উপযুক্ত বয়স হৈছে, বুদ্ধি নহব পাৰে।

শ্ৰীশ। আপোনালোকৰ তাত সিদিনা যিদুটি মহিলাক দেখিছিলো, তেওঁলোক দুয়োকে মোৰ সুন্দৰী যেন বোধ হল।

ৰসিক। আপনাৰ বোধশক্তিক দোষ দিব নোৱাৰি।
সকলোৰেইতো সেই একে কথাকে কয়।

শ্ৰীশ। তেওঁলোকৰ সম্বন্ধে যদি মাজে সময়ে আলোচনা কৰো, তেতিয়া হলে জানো—

ৰসিক। তেতিয়া হলে মই সুখী হম। আপোনাৰো ভাল লাগিব পাৰে, আৰু তেওঁলোকৰো বিশেষ ক্ষতি নহয়।

শ্ৰীশ। অকনো নহয়, জিলীয়ে যদি নক্ষত্ৰ -সম্বন্ধে জল্পনা কৰে—

ৰসিক। তাৰ পৰা নক্ষত্ৰৰ টোপনিত ব্যাঘাত নহয়।

শ্ৰীশ। জিলীৰহে অনিদ্ৰাৰোগ হ'ব পাৰে। কিন্তু তাৰ বাবে মোৰ আপত্তি নাই।

বসিক। আজি তেনেকুৱা যেনেই লাগিছে।

শ্ৰীশ। যাব কথাল হেৰা পাইছিলো, তেওঁৰ নামটি ক'ব লাগিব।

বসিক। তেওঁৰ নাম নৃপবালা।

শ্ৰীশ। কোনজনীৰ নাম?

বসিক। আপুনিয়েই আন্দাজ কৰি কওক চোন বাৰু।

শ্ৰীশ। যি সেই বঙা বঙৰ পাটৰ শাৰী পিন্ধি আছিল।

বসিক। কৈ যাওক।

শ্ৰীশ। যি লাজত পলাব খুজিছিল, অথচ পলাবলৈও লাজ পাইছিল, সেই কাৰণে অলপ সময়ৰ কাৰণে হঠাৎ ত্ৰস্ত হৰিণীৰ নিচিনাকৈ থিয়দি ৰৈছিল, কপালৰ ওপৰৰ একুচি চুলি আহি চকুৰ ওপৰত পৰিছিলহি। এমুৰে ছাবি বান্ধি থোৱা, খাই পৰা আচলখন বাওঁহতেৰে তুলি লৈ যেতিয়া বেগাবেগীকৈ গুচি গৈছিল, তেওঁৰ এ পিঠি কলা চুলি মোৰ দৃষ্টিপথত যেন এটা ক'লা জ্যোতিষ্কৰ দৰে নাচি নাচি গুচি গল।

বসিক। সেইটি নৃপবালায়েই হয়। ভৰি দুখনি লজ্জিত, হাত দুখনি কুণ্ঠিত, চকু দুটি ত্ৰস্ত, চুলিখিনি কুঞ্চিত। দুখৰ বিষয় হৃদয়খনি দেখিবলৈ নেপালে, সি যেন ফুলৰ ভিতৰত লুকাই থকা মউকনৰ নিচিনাই মধুৰ, নিয়ৰকনাৰ নিচিনাই করুণ।

শ্ৰীশ। বসিকবাবু, আপোনাৰ ভিতৰত যে ইমান কবিত্বৰস সঞ্চিত হৈ আছে তাৰ উহ ক'ত এইবাৰ্‌ গম ধৰিব পাৰিছো।

বসিক। ধৰা পৰিলো শ্ৰীশবাবু।

কৱীন্দ্ৰাণাং চেতঃ কমলবনমালাতপৰুচিং
ভজন্তে যে সন্তঃ কতিচিদৰুণামেব ভৱতীং।
বিৰিঞ্চিপ্ৰেয়স্যাস্তৰুণতৰশৃঙ্গাৰলহৰীং
গভীৰাভিৰ্বাগ্‌ভিৰ্বিদধতি সভাৰঞ্জনময়ীং।

কৱীন্দ্ৰসকলৰ চিত্তকমলবনমালাৰ কিৰণলেখা যে তুমি, তোমাক যি লেশমাত্ৰও ভজনা কৰে, তেওঁলোকেই গভীৰ বাক্যেৰে সৰস্বতীৰ সভাৰঞ্জনময়ী তৰুণ লীলালহৰী প্ৰকাশ কৰিব পাৰে। মই সেই কবিচিত্তকমলবনৰ কিৰণ লেখাটিৰ পৰিচয় পাইছো।

শ্ৰীশ। অলপ দিন হৈছে, মষো পৰিচয় পাইছো, তাৰ পিচৰ পৰা মোৰ কাৰণে কৰিব সহজ হৈ আহিছে।

[অক্ষয়ৰ প্ৰবেশ]

অক্ষয়। [স্বগতঃ] দুটা ডেকালৰা লগলাগি মোক আৰু ঘৰত থাকিবলৈ নিদিব দেখিছো। এটিয়েতো গৈ চোৰৰ দৰে মোৰ ঘৰৰ ভিতৰত পিংপিঙাই ফুৰিছিল, ধৰা পৰি ভালকৈ উত্তৰ দিব নোৱাৰিলে, শেষত মোৰ লগত লাগিল। তাৰ অলপ পিচতেই দেখো দ্বিতীয়টি গৈ ঘৰৰ কিতাপবোৰ ঘুৰাই পকাই চাইছে। আতৰৰ পৰা দেখা পায়ে পলাই আহিছো। এওঁলোকৰ পৰা আৰু চিঠিখনো ভালকৈ লিখিব নোৱাৰিলো। আহা, ধুনীয়া জোনাক হৈছে।

শ্ৰীশ। 'অ' অক্ষয়বাবু।

অক্ষয়। সেইয়া, এটা ডকাইত আছে বাটৰ কাষত। প্ৰিয়া, তোমাৰ ধ্যানৰ পৰা যি মোৰ মনক নিলগাই নিছে, তেওঁলোক উৰ্ব্বশী, মেনকা, ৰম্ভা হোৱা হলে দুখ কৰিব লগীয়া নাছিল, মনে বিচৰা ধৰণৰ ধ্যানভঙ্গও অক্ষয়ৰ অদৃষ্টত নাই। কলিকালত ইন্দ্ৰদেৱতাৰ বয়স বেচি হৈ বেৰসিক হৈ পৰিছে।

[বিপিনৰ প্ৰবেশ]

বিপিন। এইয়া দেখোন অক্ষয়বাবু, আপোনাকে বিচাৰিছিলো।

অক্ষয়। হায় হতভাগ্য, মোক বিচাৰি ফুৰিবৰ কাৰণেই এনেকুৱা ৰাতিৰ [সৃষ্টি] হৈছিলনে?—

In such a night as this,
When the sweet wind did gently kiss the etres
And they did make no noise, in such a night
Troilus methinks mounted the Trojan walls
And sighed his soul toward the Grecian tents,
Where Cressid lay that night.

শ্ৰীশ। In such a nighf আপুনি কি কৰো বুলি ওলাই আহিল অক্ষয়বাবু?

বসিক। অপসবতি ন চক্ষুষো মৃগাক্ষী
বজনিবিয়ং চ ন যাতি নৈতি নিদ্রা।
মৃগাক্ষীৰ চিত্ৰখনি হৃচকুত ভাহে,
ৰাতিও নেযায় আৰু ঘুমটিও নাহে।
অক্ষয়বাবুৰ অৱস্থা মই জানো ডাঙৰীয়া।

অক্ষয়। তুমি কোন হে?

বসিক। মই বসিকচন্দ্ৰ—ভুকালে ভুজন যুবকৰ আশ্ৰয়ত যৌবনসাগৰত ওপঙি ফুৰিছো।

অক্ষয়। এই বয়সত যৌবন সহ্য নহব বসিকদাদা।

বসিক। যৌৱনটো কোন বয়সতনো সহ্য হয়, সেইটোতো নেজানো, শ্ৰীশবাবু আপোনাৰ কেনে বোধ হৈছে?

শ্ৰীশ। এতিয়াও সম্পূৰ্ণ বোধ কৰিব পৰা নাই।

বসিক। মোঁৰ নিচিনা বয়স পূব হবলৈ বাট আছে হবলা? অক্ষয়দা, আজি তোমাক বৰ অন্যমনস্ক যেন লাগিছে।

অক্ষয়। তুমিতো অন্যমনস্ক দেখিবাই, মনটো ঠিক তোমাৰ ফালে নাই। বিপিনবাবু, তুমি মোক বিচাৰিছো বুলি কলা হয়, পিচে খুব জৰুৰী দৰকাৰ আছে যেন নেলাগে দেখোন। সেই দেখি মইএতিয়া যাওঁ, অলপ বিশেষ কাম আছে।

[প্ৰস্থান]

বসিক। বিৰহী গল চিঠি লিখিবলৈ।

শ্ৰীশ। অক্ষয়বাবু আছে ভাল, বসিকবাবু, তেওঁৰ পৰিবাৰেই হবলা বৰ বায়েক, তেওঁৰ নাম?

বসিক। পুৰবালা।

বিপিন। [ওচৰলৈ আহি] কি নাম বুলিলে?

বসিক। পুৰবালা।

বিপিন। তেৱেই হবলা আটাইতকৈ ডাঙৰ?

বসিক। হয়।

বিপিন। আটাইতকৈ সৰুটিৰ নাম?

ৰসিক। নীৰবালা।

শ্ৰীশ। আৰু নৃপবালা কোনজনী?

ৰসিক। তেওঁ নীৰবালাতকৈ ডাঙৰ।

শ্ৰীশ। তেনেহলে নৃপবালাই হল মাজু?

বিপিন। আৰু নীৰবালা হল সৰু।

শ্ৰীশ। পুৰবালাতকৈ সৰু নৃপবালা।

বিপিন। তেওঁতকৈ সৰু হৈছে নীৰবালা।

ৰসিক। [স্বাগতঃ] এওঁলোকে তো নাম জপ কৰা আৰম্ভ কৰিলে। মোৰ মচকিল। আৰুতো হিয় সহ্য কৰা নেযায়, পলাবৰ উপায় কৰা যাওক।

[বনমালীৰ প্ৰবেশ]

বনমালী। এইয়া, আপোনালোক ইয়াত! মই আপোনালোকৰ ঘৰলৈ গৈছিলো।

শ্ৰীশ। এইবাৰ আপুনি ইয়াত থাকক, আমি ঘৰলৈ যাওঁ।

বনমালী। আপোনালোক দেখিছো সদায় ব্যস্ত।

বিপিন। এৰা, আপোনাক দেখিলে অলপ বেচি ব্যস্ত হৈ পৰো।

বনমালী। পাঁচ মিনিট যদি বলহেতেন।

শ্ৰীশ। ৰসিকবাবু, অলপ ঠাণ্ডা বোধ হোৱা নাইনে?

ৰসিকবাবু। আপোনালোকৰ অন্তপৰ মুৰতৰ বোধ হল, মোৰ বহুত পৰৰ পৰা বোধ হৈ আছে।

বনমালী। বলক, ঘৰলৈকে বলক।

শ্ৰীশ। ডাঙৰীয়া, ইমান ৰাতি যদি মোৰ ঘৰত সোমায়হি, তেতিয়া হলে কিন্তু—

বনমালী। ভাল বাৰু, আপোনালোক কিছু ব্যস্ত আছে দেখিলো, তেনেহলে অন্য এসময়ত হ'ব।

চতুৰ্থ অঙ্ক

প্ৰথম দৃশ্য

অক্ষয়ৰ ঘৰ

[ৰসিক আৰু শৈলবালা]

ৰসিক। ভাই শৈল।

শৈলবালা। কি ৰসিকদাদা ?

ৰসিক। এইবোৰ জানো মোৰ কাম ? মহাদেৱৰ তপভঙ্গৰ কাৰণে স্বয়ং কন্দৰ্পদেৱ আছিল, আৰু মই বুঢ়াই—

শৈলবালা। তুমিতো বুঢ়া, তেনেকৈ যুবক দুটিওতো যুগল মহাদেৱ নহয়।

ৰসিক। নহয় যে সেইটো মই বেচ থিৰাংকৈ জানিছো। সেই কাৰণেইতো নিৰ্ভয়ে আছিছিলো। কিন্তু তেওঁলোকৰ লগত বাটৰ মাজত কুঁৱলীত থিয় দি দুপৰ ৰাতিলৈকে ৰসালাপ কৰিব পৰা উত্তাপ মোৰ শৰীৰততো নাই।

শৈলবালা। তেওঁলোকৰ লগত থাকি উত্তাপ সঞ্চয় কৰি লবা।

ৰসিক। যি সূৰ্য্যৰ তাপত সজীৱ গছ প্ৰফুল্ল হৈ উঠে, সেই তাপতে মৰা কাঠ ফাটি যায়। যৌৱনৰ উত্তাপ বুঢ়া মানুহৰ কাৰণে ঠিক উপযোগী যেন নেলাগে।

শৈলবালা। ক'তা তোমাক দেখিতো ফাটি যাবা যেন লগা নাই।

ৰসিক। হৃদয়খন দেখিলে বুজিব পাৰিলাহেতেন।

শৈলবালা। কি কোৱা ৰসিকদাদা। এতিয়া তোমাৰেইতো সকলোতকৈ নিৰাপদ বয়স। যৌৱনৰ তাপে তোমাৰ কি কৰিব ?

ৰসিক। ওকেহনে বহিকপৈতি বুজিম্। যৌৱনৰ জুই বুঢ়াৰ গালেই দপদপ কৰে জলি উঠে। সেই কাৰণেইতো 'বৃদ্ধস্য তৰুণী ভাৰ্য্যা' বিপত্তিৰ কাৰণ। আৰুনো মই কি কম ?

[নীৰবালাৰ প্ৰৱেশ]

ৰসিক। আগচ্ছ বৰদে দেবী। কিন্তু, তুমি মোক বৰ দিবানে নিদিয়া ক'ব নোৱাৰো, মই তোমাক এটি বৰ দিবৰ কাৰণে প্ৰাণপাত কৰি মৰিছো। শিৱইতো একোকে কৰা নাই, তথাপি তেওঁ তোমা-লোকৰ পূজা পায়, আৰু এই যে বুঢ়াই খাটি মৰিছে, ই জানো একোকে নেপাব ?

নীৰবালা। শিৱই ফুল পায়, তুমি পাবা তাৰ ফল, তোমাকেই বৰণমালা দিম ৰসিকদাদা।

ৰসিক। মাটিৰ দেৱতাক নৈবেদ্য দিয়াৰ সুবিধা এই যে তাক সম্পূৰ্ণ ঘূৰাই পোৱা যায়, মোকো নিৰ্ভয়ে বৰমালা দিব পাৰা, যেতিয়াই দৰকাৰ হয়, তেতিয়াই ঘূৰাই পাবা। তাতকৈ ভাই মোক এখন গলাবন্ধ গুঠি দিয়া, বৰমাল্যতকৈ বুঢ়া মানুহৰ কাৰণে তাৰে বেচি কাম আহিব।

নীৰবালা। বাৰু দিম। এজোৰ পছমৰ জুতা গুঠি থৈছো, সিও শ্ৰীচৰণেষু হ'ব।

ৰসিক। আহা, ইয়াকেই বোলে কৃতজ্ঞতা। কিন্তু নীৰু, মোৰ কাৰণে গলাবন্ধেই যথেষ্ট, আপাদমস্তক নহলেইবা, তাৰ কাৰণে উপযুক্ত মানুহ পোৱা যাব, জোতাজোৰ তেওঁৰ কাৰণেই থৈ দিয়া।

নীৰবালা। বাৰু, তোমাৰ বক্তৃতাও তুমি থৈ দিয়া।

ৰসিক। দেখিছানে বাৰু শৈল, আজিকালি নীৰুৱেও লাজ কৰিবলৈ ধৰিছে—লক্ষণ বেয়া।

শৈলবালা। নীৰু, তই কৰিছ কি ? আকৌ এই ঘৰলৈ আহিছ ? আজিযে ইয়াত আমাৰ সভা বহিব, এতিয়াই ক'ৰবাৰ কোনোবা আহি ওলাবহি, বিপদত পৰিবি।

ৰসিক। সেই বিপদৰ সোৱাদ তেওঁ এবাৰ পাই থৈছে, এতিয়া বাৰে বাৰে বিপদত পৰিবৰ কাৰণে চটফটাই আছে।

নীৰবালা। চোৱা ৰসিকদাদা, তুমি যদি মোক বিৰক্ত কৰা, তেতিয়া হলে গলাবন্ধ নেপাবা কৈ দিলো। চোৰাচোন বাইদেউ, তুমিও যদি ৰসিকদাৰ কথাত তেনেকৈ হাঁহা, তেতিয়া তেওঁৰ আস্পৰ্দ্ধা আৰু বাঢ়ি যাব।

বসিক। দেখিছো শৈল, নীকৰে আজিকালি ঠাট্টাও সহিব নোৱাৰা হল, মন ইমান দুৰ্ব্বল হৈ পৰিছে। নীক বাইদেউ, শাস্ত্ৰত আছে, কেতিয়াবা কেতিয়াবা কুলিৰ মাতো শ্ৰুতিকটু লাগে, তোৰ বসিকদাদাৰ ঠাট্টাও আজিকালি তোৰ কুলিৰ কুহুতান বুলি ভ্ৰম হয়নেকি ?

নীৰবালা। সেই কাৰণেইতো তোমাৰ ডিঙিত গলাবন্ধ বান্ধি দিব খুজিছো। কুলিৰ কুহুতানটো কি জানি অলপ কমে।

শৈলবালা। নীক, আক কাজিয়া নকৰিবি। আহ, এতিয়াই সকলো আহি পাবহি।

[নীক আক শৈলৰ প্ৰস্থান]

[পূৰ্ণৰ প্ৰবেশ]

বসিক। আহক পূৰ্ণবাবু।

পূৰ্ণ। এতিয়াও আক কোনো অহা নাই ?

বসিক। আপুনি হবলা কেবল এই বুঢ়াটিক দেখি হতাশ হৈ পৰিছে ? বাকী সকলো আহিব পূৰ্ণবাবু।

পূৰ্ণ। হতাশ হম কিয় বসিকবাবু ?

বসিক। সেইটো মই কেনেকৈ কম কওক। কিন্তু যি মাত্ৰই আহি ঘৰত সোমালহি, আপোনাৰ চকুদুটা দেখি বোধ হল সিহঁতে যাক বিচাৰি ফুৰিছে, সেই ব্যক্তি মই নহয়।

পূৰ্ণ। চকুতত্ত্ব সম্পৰ্কে আপোনাৰ ইমানদুৰ অধিকাৰ হল কেনেকৈ ?

বসিক। মোৰ কপালে কোনোৰে কোনোদিন চোৱা নাই, পূৰ্ণবাবু। সেই দেখি এই বুঢ়া বয়সলৈকে অন্তৰ চকু পৰ্য্যবেক্ষণ কৰাৰ যথেষ্ট আজৰি পাইছো। আপোনালোকৰ দৰে সৌভাগ্যবান হোৱা হলে, দৃষ্টিতত্ত্ব লাভ কৰাৰ পৰিবৰ্ত্তে অনেক দৃষ্টিলাভ কৰিব পাৰিলোহেতেন, কিন্তু আপুনি যেই কওক পূৰ্ণবাবু, চকুদুটাৰ নিচিনা আশ্চৰ্য্য সৃষ্টি আক হোৱা নাই। শৰীৰৰ ভিতৰত কৰবাত যদি মনটো প্ৰত্যক্ষ-ভাবে বাস কৰে, তেন্তে সেই চকুতেই থাকে।

পূৰ্ণ। [উৎসাহিতভাবে] ঠিক কৈছে বসিকবাবু। ক্ষুদ্ৰ শৰীৰৰ ভিতৰত যদি কৰবাত অনন্ত আকাশ কিম্বা অনন্ত সমুদ্ৰৰ তুলনা আছে, তেন্তে সেই দুটা চকুতেই আছে।

ৰসিক। নিঃসীমশোভাসৌভাগ্যং নতাঙ্গ্যা নয়নদ্বয়ং
অন্যোহন্যালোকনানন্দবিৰহাদিব চঞ্চলং।
বুজিছেনে পূৰ্ণবাবু?

পূৰ্ণ। নাই বুজা, কিন্তু বুজিবৰ ইচ্ছা আছে।

ৰসিক। আনতাঙ্গী বালিকাৰ শোভাসৌভাগ্যৰ সাৰ
নয়নযুগল,
নেদেখি পৰস্পৰে সেয়েকি বিৰহভৰে
হইছে চঞ্চল।

পূৰ্ণ। নহয় ৰসিকবাবু, সেইটো ঠিক নহল। সেইয়া কেৱল বাক্‌চাতুৰী, দুটা চকুৱে পৰস্পৰক চাবলৈ নিবিচাৰে।

ৰসিক। অন্য দুটা চকুক চাবলৈ বিচাৰেতো? তেনেকুৱা অৰ্থকে কৰি লওকচোন। শেষৰ দুশাৰী সলনি কৰি দিয়া যাওক।
প্ৰিয়চকু দেখাদেখি যি আনন্দ তাকেনেকি
বিচাৰি চঞ্চল।

পূৰ্ণ। চমৎকাৰ হৈছে ৰসিকবাবু।
প্ৰিয়চকু দেখাদেখি যি আনন্দ তাকেনেকি
বিচাৰি চঞ্চল।
অথচ সি বেচেৰা বন্দী, সজাৰ চৰাইৰ দৰে কেৱল ইফাল সিফাল কৰি ছটফটায়। প্ৰিয়চকুৰে পাখী মেলি যলৈকে তলৈকে উৰি যাব নোৱাৰে।

ৰসিক। আকৌ দেখাদেখিৰ কাৰবাৰটোও যে কেনে নিদাৰুণ শাস্ত্ৰত তাকো লিখিছে—
হত্বা লোচনবিশিখৈৰ্গত্বা কতিচিৎ পদানি পদ্মাক্ষী
জীবতি যুবা ন বা কিং ভূয়ো ভূয়ো বিলোকয়তি।
চকুৰ বাণেৰে খুচি
যবলৈ যায় গুচি
জনমে অনুশোচনা,
বাৰে বাৰে ঘূৰি চায়
জীয়াই আছে কি নাই
কমলবৰলোচনা।

পূর্ণ। ৰসিকবাবু, কেৱল কাব্যতহে বাৰে বাৰে ঘূৰি চায়।

ৰসিক। তাৰ কাৰণ, কাব্যত ঘূৰি চোৱাৰ কোনো অসুবিধা নাই। সংসাৰখন যদি তেনে ধৰণৰ ছন্দেৰে সজা হলহেঁতেন, তেতিয়া হলে ইয়াতো ঘূৰি ঘূৰি চালেহেঁতেন পূৰ্ণবাবু। ইয়াত মনে ঘূৰি চায়, চকু ঘূৰে।

পূর্ণ। [হুমুনিয়াহ কাঢ়ি] বৰ বেয়া ঠাই ৰসিকবাবু। কিন্তু—সেইবাৰ হলে আপুনি বেচ ভাল ক'লে—

প্ৰিয়চকু দেখাদেখি যি আনন্দ তাকেনেকি
বিচাৰি চঞ্চল।

ৰসিক। পূৰ্ণবাবু, চকুৰ কথা যেতিয়া ওলাল, তাৰ আৰু শেষ :কৰিবৰ মন নেযায়—

লোচনে হৰিণগৰ্ব্বমোচনে
মা বিদূষয় নতাঙ্গি কজ্জলৈঃ।
সায়কঃ সপদি জীবহাৰকঃ
কিং পুনৰ্হি গৰলেন লেপিতঃ।
হৰিণগৰ্ব্বমোচন চকুত
হে সবলা, নিদিবা কাজল,
এনেয়েতো বানে কৰে প্ৰাণনাশ,
কিবা লাভ তাত সানি গৰল?

পূর্ণ। ব'ৰ ৰসিকবাবু, সেইয়া কোনোবা আহিছে হবলা।

[চন্দ্ৰবাবু আৰু নিৰ্ম্মলাৰ প্ৰবেশ]

চন্দ্ৰ। অক্ষয়বাবু দেখোন—

ৰসিক। মোৰ লগত অক্ষয়বাবুৰ সাদৃশ্য আছে বুলি শুনিলে তেওঁ আৰু তেওঁৰ আত্মীয়সকল বিমৰ্ষ হ'ব। মই ৰসিক।

চন্দ্ৰ। ক্ষমা কৰিব ৰসিকবাবু, হঠাৎ ভুল হৈছিল।

ৰসিক। মাফ কৰিবৰ কি কাৰণ ঘটিছে ভাঙৰীয়া? মোক অক্ষয়বাবু বুলি ভুল কৰি অকনো অসম্মান কৰা নাই। তেওঁখেতৰ পৰা ক্ষমা বিচাৰিবা। মই আৰু পূৰ্ণবাবুৱে অতপৰে বিজ্ঞানচৰ্চ্চা কৰিছিলো চন্দ্ৰবাবু।

চন্দ্ৰ। আমাৰ কুমাৰসভাত আমি মাহে এদিনকৈ বিজ্ঞান-আলোচনাৰ কাৰণে স্থিৰ কৰিম বুলি ভাবিছিলো। আজি কি বিষয় লৈ আলোচনা হৈছিল পূৰ্ণবাবু?

পূৰ্ণ। নহয়, সেইবোৰ একো নহয় চন্দ্ৰবাবু।

ৰসিক। চকুৰ চাৱনি সম্বন্ধে দুই চাৰি আমাৰ কথা আলোচনা হৈছিল।

চন্দ্ৰ। দৃষ্টিৰ ৰহস্য বৰ কঠিন ৰসিকবাবু।

ৰসিক। কঠিন হবইতো। পূৰ্ণবাবুৰো সেই মত।

চন্দ্ৰ। সকলো বস্তুৰে ছাঁ আমাৰ চকুত ওলোটা হৈ পৰে। সেইটোক যে আমি কেনেকৈ ভালকৈ (সোজাকৈ) দেখো সেই সম্বন্ধে কোনো এটা মতো মোৰ সন্তোষজনক বুলি বোধ নহয়।

ৰসিক। সন্তোষজনক হব কেনেকৈ? পোনকৈ দেখা, বেকাকৈ দেখা—এই-বোৰ চিন্তা কৰিলে মানুহৰ মূৰ ঘূৰাই যায়। বিষয়টো বৰ সঙ্কটময়।

চন্দ্ৰ। নিৰ্মলাৰ লগত ৰসিকবাবুৰ পৰিচয় হোৱা নাই। এঁৱেই আমাৰ কুমাৰসভাৰ প্ৰথম স্ত্ৰীসভ্য।

ৰসিক। [নমস্কাৰ কৰি] এখেত আমাৰ সভাৰ সভালক্ষ্মী। আপোনালোকৰ অনুগ্ৰহত আমাৰ সভাত বুদ্ধি বিদ্যাৰ অভাৱ নাছিল, এখেতে আমাক শ্ৰী দান কৰিবৰ কাৰণে আহিছে।

চন্দ্ৰ। কেৱল শ্ৰী নহয়, শক্তি।

ৰসিক। কথা একেটাই চন্দ্ৰবাবু। শক্তি যেতিয়া শ্ৰী ৰূপে আবিৰ্ভূতা হয়, তেতিয়াই তাৰ শক্তিৰ সীমা নেথাকে। কি কয় পূৰ্ণবাবু?

[পুৰুষবেশী শৈলবালাৰ প্ৰবেশ]

শৈলবালা। মাফ কৰিব চন্দ্ৰবাবু, মোৰ অহাত পলম হল নেকি?

চন্দ্ৰ। [ঘড়ি চাই] নাই হোৱা, এতিয়াও সময় হোৱা নাই। অবলাকান্ত-বাবু, মোৰ ভাগিনী নিৰ্মলা আজি আমাৰ সভাত সভ্য হৈছে।

শৈলবালা। [নিৰ্মলাৰ ওচৰত বহি] চাওক পুৰুষসকল স্বাৰ্থপৰ, তিৰোতাক কেৱল নিজৰ সেৱাৰ কামতে বন্ধ কৰি ৰাখিবলৈ বিচাৰে। চন্দ্ৰবাবুৱে যে আপোনাক আমাৰ সভাৰ ভালৰ কাৰণে দান কৰিছে, তাত তেওঁৰ মহত্ব প্ৰকাশ পাইছে।

নির্মলা। মোৰ মামাৰ কাৰণে দেশৰ কাম আৰু নিজৰ কাম একে। মই যদি আপোনালোকৰ সভাৰ কোনো উপকাৰ কৰিব পাৰো, তাৰ পৰা তেওঁৰ সেৱা কৰাই হ'ব।

শৈলবালা। সৌভাগ্যক্রমে আপুনি যে চন্দ্ৰবাবুক ভালকৈ জানিবৰ যোগ্যতা লাভ কৰিছে, সেইবাবে আপুনি ধন্য।

নির্মলা। মই তেওঁক নেজানিলে কোনে জানিব?

শৈলবালা। সকলো সময়তে আত্মীয়ই আত্মীয়ক বুজি নেপায়। আত্মীয়তাই সৰুক ডাঙৰ কৰি দেখুৱায় অৱশ্যে, তেনেকৈ ডাঙৰকো সৰু কৰি আনে। চন্দ্ৰবাবুক যে আপুনি যথাৰ্থভাবে জানিছে, তাত আপোনাৰ ক্ষমতা প্ৰকাশ পায়।

নির্মলা। কিন্তু মোৰ মামাক যথাৰ্থভাবে জনাটো খুব সহজ, তেওঁৰ ভিতৰত এনে এটা স্বচ্ছতা আছে!

শৈলবালা। চাওক, সেই কাৰনেইতো তেওঁক ঠিকমতে জনাটো টান কাম। দুৰ্য্যোধনে স্ফটিকৰ বেৰক বেৰ বুলি দেখা নেপাইছিল। সৰল স্বচ্ছতাৰ মহত্ব জানো সকলোৱে বুজিব পাৰে? তাক অৱহেলা কৰে। আড়ম্বৰলৈহে মানুহৰ দৃষ্টি আকৰ্ষিত হয়।

নির্মলা। আপুনি ঠিক কথা কৈছে। বাহিৰৰ কোনো মানুহে মোৰ মামাক চিনি নেপায়। বাহিৰৰ মানুহৰ ভিতৰত ইমান দিনৰ মূৰত আপোনাৰ মুখত মামাৰ কথা শুনি মোৰ যে কেনে আনন্দ হৈছে কি কম?

শৈলবালা। আপোনাৰ ভক্তি দেখিও মোৰ ঠিক তেনেকুৱা আনন্দ হৈছে।

চন্দ্ৰ। [দুৱোৰে ওচৰলৈ আহি] অবলাকান্তবাবু, তোমাক যে কিতাপটো দিছিলো পঢ়িছানে?

শৈলবালা। পঢ়িছো, আৰু তাৰ পৰা সকলো ন'ট কৰি আপোনাৰ ব্যৱহাৰৰ কাৰণে প্ৰস্তুত কৰি ৰাখিছো।

চন্দ্ৰ। মোৰ বৰ উপকাৰ হ'ব, মই বৰ আনন্দ পালো অবলাকান্তবাবু। পূৰ্ণই নিজে সেই কিতাপটো মোৰ পৰা খুজি নিছিল। কিন্তু তেওঁৰ গা ভাল নথকাৰ পড়িকে একো কৰিব নোৱাৰিলে। বহীটো তোমাৰ ওচৰত আছে?

শৈলবালা। আনি দিও।

[প্ৰস্থান]

ৰসিক। পূৰ্ণবাবু, আপোনাক যেন অলপ শুকান যেন দেখিছো, অসুখ কৰিছে নেকি ?

পূৰ্ণ। নাই, একো হোৱা নাই। ৰসিকবাবু, এই এই গ'ল যে, তেওঁৰ নামেই অবলাকান্ত ?

ৰসিক। হয়।

পূৰ্ণ। তেওঁৰ ব্যৱহাৰ মোৰ ভাল যেন নেলাগিল।

ৰসিক। বয়স কম নহয়, সেই কাৰণে—

পূৰ্ণ। মহিলাসকলৰ লগত কি ৰকম আচৰণ কৰা উচিত, সেই শিক্ষাৰ তেওঁৰ বিশেষ দৰকাৰ।

ৰসিক। মইও সেইটো লক্ষ্য কৰিছো। ছোৱালীৰ লগত তেওঁ ঠিক পুৰুষোচিত ব্যৱহাৰ কৰিব নেজানে, কিবা যেন হুলিগলি কৰিবৰ মন। সেইটো হয়তো কম বয়সৰ ধৰ্ম।

পূৰ্ণ। আমাৰোতো বয়স বৰ প্ৰাচীন হোৱা নাই। কিন্তু আমিতো—

ৰসিক। সেইটোতো দেখিছো, আপুনি বহুত দূৰে দূৰেই থাকে, কিন্তু তেওঁ হয়তো তাক ঠিক ভদ্ৰতা বুলিয়ে গ্ৰহণ নকৰে। তেওঁৰ হয়তো ভ্ৰম হৈছে যে আপুনি তেওঁক অগ্ৰাহ্য কৰে।

পূৰ্ণ। কয় কি ৰসিকবাবু? কি কৰিম কওকচোন? মইতো ভাবিয়ে নেপাও, কি কথা পাতিবৰ কাৰণে মই তেওঁৰ ওচৰ চাপিব পাৰো।

ৰসিক। ভাবিবলৈ গলে ভাবি নেপাব গৈ। নভবাকৈ আগবাঢ়ক, তাৰ পিচত কথা আপুনি ওলাই আহিব।

পূৰ্ণ। নহয় ৰসিকবাবু, মোৰ এটা কথাও নোলায়। কি কম আপুনিয়ে কওক চোন।

ৰসিক। এনে কোনো কথা নকব, যাৰ পৰা জগতত যুগান্তৰ উপস্থিত হ'ব। গৈ ক'ব আজিকালি হঠাৎ কেনেবে গৰম পৰিছে।

পূৰ্ণ। তেও যদি কয়, 'হয় পৰিছে'—তাৰ পিচত কি কম ?

[বিপিন আৰু শ্ৰীশৰ প্ৰবেশ]

শ্ৰীশ। [চন্দ্ৰবাবু আৰু নিৰ্মলাক নমস্কাৰ কৰি, নিৰ্মলাক] আপোনালোকৰ উৎসাহ ঘড়িতকৈও আগবাঢ়ি গৈছে। এইয়া চাওক, এতিয়াও ছাবে ছটা বজা নাই।

নিৰ্মলা। আজি আপোনালোকৰ সভাত মোৰ প্ৰথম দিন, সেই কাৰণে সভা বহাৰ আগতে আহিছো। প্ৰথম সভ্য হোৱাৰ সঙ্কোচ ভাঙিবলৈ অলপ সময়ৰ দৰকাৰ।

বিপিন। কিন্তু আপোনাৰ ওচৰত নিবেদন এই যে আমাৰ ওচৰত কোনো সঙ্কোচ নকৰিব। আজিৰ পৰা আপুনি আমাৰ ভাৰ ললে, এই হতভাগীয়া পুৰুষ সভ্য কেইটিক অনুগ্ৰহ কৰি অলপ দেখা শুনা কৰিব, আৰু হুকুম দি চলাব।

ৰসিক। যাওক, পূৰ্ণবাবু, আপুনিও এবাৰ কওকগৈ।

পূৰ্ণ। কি কম ?

নিৰ্মলা। চলাবৰ ক্ষমতা মোৰ নাই।

শ্ৰীশ। আপুনি আমাক ইমান অচল বুলি ভাবিছেনে ?

বিপিন। লোহাতকৈ অচল আৰু কি আছে ? কিন্তু জুয়েতো লোহাক চলাইছে। আমাৰ নিচিনা গধুৰ বস্তবোৰক চলিব পৰা কৰি তুলিবলৈ আপোনালোকৰ নিচিনা দীপ্তিৰ দৰকাৰ।

ৰসিক। শুনিছে নহয় পূৰ্ণবাবু ?

পূৰ্ণ। মই কি কম কওক হে ?

ৰসিক। কওক, লোহাক চলাব লাগিলেও জুইৰ দৰকাৰ, গলাব লাগিলেও জুইৰ দৰকাৰ।

বিপিন। কি পূৰ্ণবাবু, ৰসিকবাবুৰ লগত পৰিচয় হৈছে।

পূৰ্ণ। হৈছে।

বিপিন। আজি আপোনাৰ গা ভালে আছে নহয় ?

পূৰ্ণ। আছে।

বিপিন। কেতিয়াবাই আহিলনেকি ?

পূৰ্ণ। নহয়।

বিপিন। দেখিছে, এইবাৰ জাৰটো ঘোৰদোৰৰ ঘোৰাৰ দৰে দৌৰি আহি মাঘৰ মাজ ভাগতে একেবাৰে খপ কৰে বৈ গল।

পূৰ্ণ। হয়।

শ্ৰীশ। অ' পূৰ্ণবাবু, যোৱাবাৰ আপোনাৰ শৰীৰ অসুখ আছিল, এইবাৰ যেচ ভাল পাইছে, নহয় ?

পূৰ্ণ। হয়।

শ্ৰীশ। ইমানদিনযে কুমাৰ-সভাৰ কি এটা অভাৱ আছিল, আজি যৰত সোমায়েই সেইটো বুজিব পাৰিলো। সোনৰ মুকুটৰ মাজত কেৱল এডোখৰ হীৰা বহুৱাবলৈ বাকী আছিল, আজি বহুওৱা হল। কি কয় পূৰ্ণবাবু ?

পূৰ্ণ। আপোনালোকৰ নিচিনা ৰচনা শক্তি মোৰ নাই। মই এনেকৈ সাজি সাজি কথা ক'ব নেজানো—বিশেষকৈ মহিলাসকলৰ সম্পৰ্কে।

শ্ৰীশ। আপোনাৰ অক্ষমতাৰ কথা শুনি দুঃখিত হলো পূৰ্ণবাবু। আশা কৰো ক্ৰমে উন্নতি লাভ কৰিব পাৰিব।

বিপিন। [ৰসিকক একালে টানি নি] দুই বীৰ পুৰুষৰ যুদ্ধ চলক, এতিয়া আহক ৰসিকবাবু, আপোনাৰ লগত দুই এটা কথা আছে। শুনক, সেই খাটা সম্বন্ধে আৰু কোনো কথা ওলাইছিলনেকি ?

ৰসিক। অপৰাধ কৰাটো মানৱৰ ধৰ্ম্ম আৰু ক্ষমা কৰাটো দেৱীৰ ধৰ্ম্ম—প্ৰসঙ্গ-ক্ৰমে সেই কথা মই উলিয়াইছিলো।

বিপিন। তেতিয়া কি কলে ?

ৰসিক। একো নকৈ বিজুলী যোৱাদি ওলাই গল।

বিপিন। ওলাই গল ?

ৰসিক। কিন্তু সেই বিজুলীত বজ্ৰ নাছিল।

বিপিন। গৰ্জ্জন ?

ৰসিক। সিও নাছিল।

বিপিন। তেন্তে ?

ৰসিক। কোনোবা একালে হয়তো অলপ বৰ্ষণৰ আভাস আছিল।

বিপিন। সেইখিনিৰ অৰ্থ ?

ৰসিক। কি জানো ভাঙৰীয়া। অৰ্থও থাকিব পাৰে, অনৰ্থও থাকিব পাৰে।

বিপিন। ৰসিকবাবু, আপুনি কি কয় মই বুজিব নোৱাৰো।

ৰসিক। কেনেকৈ বুজিব ? বৰ টান কথা।

শ্রীশ। [ওচৰলৈ আহি] কি টান কথা মহাশয় ?

ৰসিক। এই বৰষুণ—বজ্রপাত—বিজুলীৰ কথা।

শ্রীশ। হেৰা বিপিন, তাতকৈ টান কথা যদি শুনিব খুজিছা তেনে পূর্বৰ ওচৰলৈ যোৱা।

বিপিন। টান কথাৰ কাৰণে মোৰ বেচি চখ নাই ভাই।

শ্রীশ। যুদ্ধ কৰাতকৈ সন্ধি কৰাৰ বিদ্যাটো বহুত বেচি দুৰূহ। সেইটো তুমি পাবা ; তোমাৰ দোহাই, যোৱা, পূর্ণক অলপ শান্ত কৰি আহাগৈ। সেই কন সময় মই বৰং ৰসিকবাবুৰ লগত বৰষুণ—বজ্রপাত—বিজুলীৰ সম্বন্ধে আলোচনা কৰি লও।

[বিপিনৰ প্রস্থান]

ৰসিকবাবু, সেই সিদিনা, আপুনি যাৰ নাম নৃপবালা বুলি কৈছিল—তেওঁ, তেওঁ—তেওঁৰ সম্বন্ধে অলপ মুকলিকৈ অলপ কওকচোন। সেইদিনা হঠাৎ তেওঁৰ মুখত এনে এটা স্নিগ্ধ ভাব দেখিলো, যে তেওঁৰ সম্বন্ধে কৌতুহল কোনোমতে দমাব পৰা নাই।

ৰসিক। বহলকৈ কলে কৌতুহল আৰু বাঢ়ি যাব। এনে ধৰণৰ কৌতুহল 'হবিষা কৃষ্ণ বর্ত্মেৱ ভূয় এবাভিবর্ধতে।' মইতো তেওঁক কত কালৰ পৰা জানো কিন্তু সেই কোমল হৃদয়ৰ মধুৰ ভাবটি মোৰ কাৰণে 'ক্ষণে ক্ষণে তন্নবতামুপৈতি।'

শ্রীশ। বাৰু, তেওঁ—মই সেই নৃপবালাৰ কথা সুধিছো।

ৰসিক। সেই কথা মই ভালকৈ বুজিবই পাৰিছো।

শ্রীশ। তেনে, তেওঁ—আৰুনো কি সুধিম ? তেওঁৰ সম্বন্ধে কওকচোন কিবাকিবি—কালি কি কলে, আজি ৰাতিপুৱা কি কৰিলে, যিমান সামান্যই হওক, আপুনি কওক, মই শুনো।

ৰসিক। [শ্রীশৰ হাতত ধৰি] বৰ সুখী হলো শ্রীশবাবু। আপুনি সচাই যথার্থ ভাবুক, আপুনি তেওঁক হঠাৎ অকনমান সময়ৰ কাৰণে দেখোতেই এইটো কেনেকৈ ধৰিব পাৰিলে যে তেওঁৰ সম্বন্ধে তুচ্ছ একো নাই। তেওঁ যদি কয়, ৰসিকদা সেই কেৰাচিনৰ চাকিটো অলপ বঢ়াই দিয়া তেতিয়া মোৰ মনত লাগে যেন আদি কৱিৰ

প্ৰথম অনুষ্টুপ ছন্দৰ নিচিনা এটা কিবা নতুন কথা শুনিলো। কি কম শ্ৰীশবাবু, শুনিলে আপুনি হয়তো হাঁহিব, সেইদিনা ঘৰৰ ভিতৰ সোমাই দেখো নৃপবালাই বেজীত বটিয়া ভৰাইছে, কোলাৰ ওপৰত বালিছৰ বাব পৰি আছে,—মোৰ মনত লাগিল—এটা আশ্চৰ্য্য দৃশ্য। কতবাৰ কত দোকানৰ আগেদি গৈছো, কোনোদিন মূৰ তুলি চোৱা নাই, কিন্তু—

শ্ৰীশ। বাৰু ৰসিকবাবু, তেওঁ নিজ হাতে ঘৰৰ সকলো কাম কৰে ?

[শৈলবালাৰ প্ৰবেশ]

শৈলবালা। ৰসিকদাৰ লগত কি পৰামৰ্শ কৰিছে।

ৰসিক। একো নাই, নিতান্ত সামান্য কথা লৈ আমাৰ আলোচনা চলিছে—যিমান তুচ্ছ হ'ব পাৰে—

চন্দ্ৰ। সভাৰ অধিবেশনৰ সময় হৈছে, আৰু পলম কৰা উচিত নহয়। পূৰ্ণবাবু, কৃষি-বিদ্যালয় সম্বন্ধে আজি তুমি যি প্ৰস্তাৱ উত্থাপন কৰিম বুলিছিলা, সেইটো আৰম্ভ কৰা।

পূৰ্ণ। [থিয় হৈ ঘড়িৰ চেইন টানি টানি] আজি—আজি—[কাহে]

ৰসিক। [ওচৰত বহি সৰু মাতেৰে] আজি এই সভা—

পূৰ্ণ। আজি এই সভাই—

ৰসিক। যি নতুন সৌন্দৰ্য্য আৰু গৌৰৱ লাভ কৰিছে—

পূৰ্ণ। যি নতুন সৌন্দৰ্য্য আৰু গৌৰৱ লাভ কৰিছে—

ৰসিক। প্ৰথমে তাৰে কাৰণে অভিনন্দন প্ৰকাশ নকৰি নোৱাৰো।

পূৰ্ণ। প্ৰথমে তাৰে কাৰণে অভিনন্দন প্ৰকাশ নকৰি নোৱাৰো।

ৰসিক। [সৰু মাতেৰে] কৈ যাওক পূৰ্ণবাবু—

পূৰ্ণ। তাৰে কাৰণে অভিনন্দন প্ৰকাশ নকৰি নোৱাৰো।

ৰসিক। কিহৰ ভয় পূৰ্ণবাবু, কৈ যাওক—

পূৰ্ণ। যি নতুন সৌন্দৰ্য্য আৰু গৌৰৱ [কাহে]—যি নতুন সৌন্দৰ্য্য [আকৌ কাহে] অভিনন্দন—

ৰসিক। [উঠি] সভাপতি মহাশয়, মোৰ এটা নিবেদন আছে। আজি পূৰ্ণবাবু অন্য সকলো সভ্যতকৈ আগে সভাত উপস্থিত হৈছেহি।

তেওঁৰ বৰ অসুখ, তথাপি উৎসাহ সামৰিব পৰা নাই। আজি আমাৰ সভাত প্ৰথম অৰুণোদয় হৈছে, তাকে চাবৰ কাৰণে পাখীয়ে ৰাতিপুৱাতে নীড় এৰি বাহিৰ ওলাইছে। কিন্তু শৰীৰ অসুখ, সেই কাৰণে পূৰ্ণ-হৃদয়ৰ আবেগ কণ্ঠেৰে ব্যক্ত কৰাৰ শক্তি নাই। সেই দেখি আজিৰ কাৰণে আমি তেওঁক নিষ্কৃতি দিব লাগিব। আৰু আজি নৱ-প্ৰভাতৰ যি অৰুণচ্ছটাৰ স্তৱগান কৰিবৰ কাৰণে তেওঁ উঠিছিল, তেওঁৰ ওচৰতো এই ৰুদ্ধকণ্ঠ ভক্তৰ হৈ মই ক্ষমা প্ৰাৰ্থনা কৰিছো। পূৰ্ণবাবু, আজি লাগিলে আমাৰ সভাৰ কাম বন্ধ থাকক, সিও ভাল, তথাপি বৰ্ত্তমান অৱস্থাত আজি আপোনাক কোনো প্ৰস্তাৱ উত্থাপন কৰিবলৈ দিব নোৱাৰো। সভাপতি মহাশয়ে ক্ষমা কৰিব, আৰু আমাৰ সভাক যি নিজ প্ৰভাৱে আজি সাৰ্থকতা দান কৰিবলৈ আহিছে, ক্ষমা কৰাটো তেওঁলোকৰ স্বজাতিসুলভ কৰুণ হৃদয়ৰ সহজ ধৰ্ম।

চন্দ্ৰবাবু। মই জানো কিছু দিনৰ পৰা পূৰ্ণবাবুৰ গা ভাল নাই, এনে অৱস্থাত আমি তেওঁক আমনি দিব নোখোজো। বিশেষকৈ অবলাকান্তবাবুৱে ঘৰত বহি বহিয়েই আমাৰ সভাৰ কাম বহুখিনি আগবঢ়াই দিছে। এতিয়ালৈকে ভাৰতীয় কৃষি সম্বন্ধে গভৰ্ণমেণ্টে যিমানবোৰ ৰিপৰ্ট উলিয়াইছে, সকলোবোৰ মই তেওঁক দিছো, তাৰ পৰা তেওঁ মাটিত সাৰ দিয়া সম্বন্ধীয় কথাখিনি সংক্ষেপে সংকলন কৰি ৰাখিছে। তাকে অৱলম্বন কৰি তেওঁ সৰ্বসাধাৰণে সহজে বুজিব পৰা বঙলা ভাষাৰে এখনি পুস্তিকা প্ৰণয়ণ কৰিবলৈও সাজু হৈছে। এখেতে যেনে ধৰণৰ উৎসাহ আৰু দক্ষতাৰে সভাৰ কাৰ্য্যত যোগদান কৰিছে সেই কাৰণে তেওঁক অশেষ ধন্যবাদ দিয়া উচিত। বিপিন-বাবুৱে ইউৰোপীয় ছাত্ৰাবাস বিলাকৰ নিয়ম আৰু কাৰ্য্যপ্ৰণালী সংকলনৰ ভাৰ লৈছিল, আৰু শ্ৰীশবাবুৱে প্ৰতিশ্ৰুতি দিছিল যে স্বইচ্ছাই দিয়া দানৰ সহায়ত লণ্ডন নগৰত কিমান বিচিত্ৰ লোকহিতকৰ অনুষ্ঠান প্ৰবৰ্তিত হৈছে তাৰ তালিকা সংগ্ৰহ কৰিব আৰু সেই সম্বন্ধে এটা প্ৰবন্ধ লিখিব, বোধ হয় তেওঁ সেইটো সমাধা কৰিব পৰা নাই। মই এটা পৰীক্ষাত লাগি আছো,

সকলোৰেই জানে যে আমাৰ দেশৰ গৰুৰ গাড়ীবোৰ এনেদৰে সজা যে তাৰ পিছফালে ভাৰ পৰিলেই উলাৰ হৈ যায়, আৰু গৰুৰ ডিঙিত ফাঁচ লাগে, আৰু কোনো কাৰণত গৰু যদি পৰি যায়, তেতিয়া হলে বোজাইয়ে সতে গোটেই গাড়ীখন তাৰ ঘাৰৰ ওপৰত পৰেগৈ, ইয়াৰেই প্ৰতিকাৰৰ উপায় উদ্ভাৱণৰ চিন্তাত মই ব্যস্ত আছো। আশা কৰো কৃতকাৰ্য্য হ'ম। আমি মুখেৰে গোজাতিৰ প্ৰতি দয়া প্ৰকাশ কৰো, অথচ সদায় সেই গৰুৰ হেজাৰ অনাৱশ্যক কষ্ট নিতান্ত উদাসীনভাবে চাই থাকো, মোৰ কাৰণে এনেকুৱা মিছা আৰু শূন্য ভাবুকতাতকৈ লজ্জাকৰ কথা আৰু জগতত একো নাই। আমাৰ সভাৰ পৰা যদি ইয়াৰ কোনো প্ৰতিকাৰ কৰিব পাৰি, আমাৰ সভা ধন্য হব। মই ৰাতি গাৰোৱাণ-গাঁৱলৈ গৈ গৰুৰ অৱস্থা সম্বন্ধে আলোচনা কৰিছো, গৰুৰ প্ৰতি অনৰ্থক অত্যাচাৰ যে স্বাৰ্থ আৰু ধৰ্ম উভয়ৰে বিৰোধী, এই কথা হিন্দু গাৰোৱানবিলাকক বুজোৱাটো বৰ কঠিন যেন নেলাগে। এই সম্পৰ্কে মই গাৰোৱানবিলাক মাজত এখন পঞ্চায়ত গঠন কৰাৰ চেষ্টা কৰিছো। শ্ৰীমতী নিৰ্মলাই আকস্মিক অপঘাতৰ চিকিৎসা আৰু ৰোগীৰ শুশ্ৰূষা সম্বন্ধে ৰামৰতন ডা'ত্তৰৰ ওচৰত নিয়মিতভাবে উপদেশ লৈছে। ভদ্ৰলোকসকলৰ মাজত সেই শিক্ষা বিয়পাই দিবৰ কাৰণে তেওঁ দুই এঘৰৰ অন্তঃপুৰলৈ গৈ শিক্ষাদানত ধৰিছে। এইদৰে প্ৰত্যেকজন সভ্যৰ স্বতন্ত্ৰ আৰু বিশেষ চেষ্টাত আমাৰ এই ক্ষুদ্ৰ কুমাৰসভাই সাধাৰণৰ অজ্ঞাতসাৰে ক্ৰমশঃ বিচিত্ৰ সফলতা লাভ কৰি যাব, এই বিষয়ে কোনো সন্দেহ নাই।

শ্ৰীশ। হেৰা বিপিন, মোৰ কামযে মই এতিয়াও আৰম্ভ কৰাই নাই।

বিপিন। মোৰো ঠিক সেই অৱস্থা।

শ্ৰীশ। কিন্তু কৰিব লাগিব।

বিপিন। ময়ো কৰিব লাগিব।

শ্ৰীশ। কিছুদিনৰ কাৰণে অন্য সকলো আলোচনা বাদ নিদিলে নচলিব।

বিপিন। ময়ো তাকেই ভাবিছো।

শ্রীশ। কিন্তু অবলাকান্তবাবুক ধন্যবাদ দিব লাগিব, তেওঁ যে কেতিয়া নিজৰ কাম কৰি গৈছে বুজিবৰ উপায় নাই।

বিপিন। সচাকৈয়ে বৰ আচৰিত কথা। কিন্তু মনত লাগে যেন তেওঁৰ অন্যমনস্ক হোৱাৰ বিশেষ কাৰণ আছে।

শ্ৰীশ। যাওঁ, তেওঁৰ লগত এবাৰ আলোচনা কৰি আহোগৈ।

[শৈলৰ ওচৰলৈ গল]

পূৰ্ণ। ৰসিকবাবু, আপোনাক যে কি বুলি ধন্যবাদ দিম!

ৰসিক। আপুনি একো ক'ব নেলাগে, মই এনেয়ে বুজিলম, কিন্তু পূৰ্ণবাবু, সকলো মোৰ নিচিনা নহয়, আন্দাজতে নুবুজিব, কোৱামেলাৰ দৰকাৰ হব।

পূৰ্ণ। আপুনি মোৰ অন্তৰৰ কথা বুজি গৈছে ৰসিকবাবু। আপোনাক পাই মই বাচি গলো। মোৰ যি কথা, তাক মুখেৰে উচ্চাৰণ কৰিবলৈকো সঙ্কোচ লাগে। কি কৰিব লাগে আপুনি মোক পৰামৰ্শ দিয়ক।

ৰসিক। প্ৰথমে আপুনি তেওঁৰ ওচৰলৈ গৈ যিহয় কিবা এটা কথা আৰম্ভ কৰকগৈচোন।

পূৰ্ণ। সউৱা চাওক, অবলাকান্তবাবু আকৌ গৈ তেওঁৰ ওচৰত বহিছেগৈ।

ৰসিক। বহক দিয়ক, তেওঁতো তেওঁক চাৰিউফালে বেঢ়ি ধৰা নাই। বেহু ভেদ কৰাদিতো অবলাকান্তক ভেদ কৰি যাব নেলাগিব। আপুনিও একাষে থিয় হওকগৈ যাওক।

পূৰ্ণ। বাৰু, মই চাওঁ।

শৈলবালা। [নিৰ্মলাক] মোক ইমানকৈ নকব। আপুনি মোতকৈ বহুত বেচি কাম কৰিছে। কিন্তু বেচেৰা পূৰ্ণবাবুৰ কাৰণে মোৰ দুখ লাগে। আপুনি আহিব বুলিয়ে তেওঁ আজি বিশেষ উৎসাহেৰে আহিছিল। অথচ সেই কথা ব্যক্ত কৰিব নোৱাৰি কিজানি বৰ বিমৰ্ষ হৈ পৰিছে। আপুনি যদি তেওঁক—

নিৰ্মলা। আপোনালোকৰ অন্যান্য সভ্যবিলাকতকৈ মোক বিশেষভাৱে বেলেগাই চোৱাৰ কাৰণে মোৰ বৰ সঙ্কোচ লাগিছে। মোক এজন সভ্য হিচাবে লেখত ধৰিব, মহিলা বুলি বেলেগে নধৰিব।

শৈলবালা। আপুনি যে মহিলা হৈ জন্মিছে সেই সুবিধাকণ আমাৰ সভাই এৰিব নোৱাৰে। আপুনি আমাৰ লগত এক হৈ গলে বিষম কাম হ'ব, আমাৰ পৰা স্বতন্ত্ৰ হৈ থাকিলে তাতকৈ বেচি হ'ব। যি মানুহে গুণ টানি নাও আগবঢ়াই নিয়ে, সি নাওৰ পৰা কিছুদূৰ আঁতৰত থাকিব লাগে। চন্দ্ৰবাবুৱে আমাৰ নাৱৰ গুৰি ধৰিছে, তেওঁৰ আমাতকৈ কিছু দূৰত আৰু কিছু ওপৰত আছে। আপোনাৰ গুণেৰে আকৰ্ষণ কৰিব লাগিব, গতিকে আপুনি অলপ আঁতৰি থাকিব লাগিব। আমি সকলো দাঁড়িৰ দলত আছো।

নিৰ্মলা। আপুনিও কাম আৰু ভাবত এওঁলোক সকলোতকৈ বেলেগ যেন লাগে। মাত্ৰ এদিন দেখিয়ে মোৰ দৃঢ় বিশ্বাস হৈছে, এই সভাৰ ভিতৰত আপুনি মোৰ প্ৰধান সহায় হ'ব।

শৈলবালা। সেইটোতো মোৰ সৌভাগ্য। অ' পূৰ্ণবাবু, আহক। আমি আপোনাৰ কথাকে পাতিছিলো। বহক।

শ্ৰীশ। অবলাকান্তবাবু, আপোনাৰ লগত বহুত কথা আছে। [একাষে নি] আজি সভাৰ পুৰণি সভ্য তিনিজনক আপোনালোকে লাজ দিলে। পিচে ভালেই হৈছে, পুৰণিৰ ভিতৰত প্ৰাণ সঞ্চাৰ কৰিবৰ কাৰণেই নতুনৰ প্ৰয়োজন।

শৈলবালা। ইপিনে নতুন চলিথৰিত জুই জলাবৰ কাৰণে পুৰণি জলাকাঠৰ দৰকাৰ।

শ্ৰীশ। বাৰু, সেই বিচাৰ পিচত হ'ব। কিন্তু মোৰ সেই কমালখন? সেইখিনি হৰণ কৰি মোৰ পৰকাল হেৰুৱালো, আকৌ কমালখনো হেৰুৱাব নোৱাৰো। [জেপৰ পৰা কমাল উলিয়াই] এইয়া মই এক ডজন পাটৰ কমাল আনিছো, ইয়াকে সলাই লব লাগিব। এইয়াই তাৰ উচিত মূল্য হ'ব বুলি মই নকও, তাৰ উচিত মূল্য দিব লাগিলে চীন জাপান সকলো উজাৰ কৰি দিবলগীয়া হয়।

শৈলবালা। মহাশয়, এই ছলনাকণ বুজিব পৰা বুদ্ধি বিধাতাই মোক দিছে। এই উপহাৰ মোৰ কাৰণে অহাও নাই। যাৰ কমাল হৰণ কৰিলে, মোক উপলক্ষ কৰি এইবোৰ—

শ্রীশ। অবলাকান্তবাবু, ভগবানে বুদ্ধি আপোনাক যথেষ্ট দিছে দেখিছো, কিন্তু দয়াৰ ভাগটো অলপ কম যেন পাইছো। হতভাগ্যক কমালখনি ওভতাই দিলেই সেই কলঙ্কণ একেবাৰে দূৰ হয়।

শৈলবালা। বাক, মই দয়াৰ পৰিচয় দিছো, কিন্তু আপুনি সভাৰ কাৰণে যি প্ৰবন্ধ লিখাৰ প্ৰতিশ্ৰুতি দিছিল, সেইটো লিখি দিব লাগিব।

শ্ৰীশ। নিশ্চয় দিম। কমালখন ঘূৰাই দিলেই কামত মন দিব পাৰিম। তেতিয়া অন্ত সন্ধান এৰি দি কেৱল সত্যানুসন্ধান কৰি যাম।

[ঘৰৰ আন এঠাইত]

বিপিন। বুজিছে ৰসিকবাবু, মই তেওঁৰ গান বাচি লোৱাৰ চাতুৰি দেখি আচৰিত হৈছো। গান যি লিখিছে, তেওঁৰ কৰিত্ব থাকিব পাৰে, কিন্তু এই গানৰ নিৰ্ব্বাচনত যি কৰিত্ব প্ৰকাশ পাইছে তাৰ ভিতৰত বেচ এটা সৌকুমাৰ্য আছে।

ৰসিক। ঠিক কৈছে। নিৰ্ব্বাচনৰ ক্ষমতাই প্ৰকৃত ক্ষমতা। লতাত ফুলতো এনেয়ে ফুলে, কিন্তু যি মানুহে মালা গাঁথে নিপুণতা আৰু স্বৰুচি তাৰ হে। বিপিন। সেই গানটো আপোনাৰ মনক আছেনে?

হঠাৎ যে মোৰ নাও বুৰি যায়,
কোন সাগৰৰ শিলত খুন্দা খাই।
মাজ সাগৰত নিদিও এৰি,
নকৈ বাঁও, নতুন তৰী,
ধেমালিচলতে নিও কাষে কাষে বাই।
হঠাৎ যে মোৰ নাও বুৰি যায়।
সোতে নিছিল উটাই তৰী,
আছিলো মই গুৰি ধৰি,
বতাহ আহি পালখনি দিছিলে কঁপাই।
আকাশ-বুকত মেঘ নাছিলে,
মনৰ মাজত সুখ আছিলে,
আশা আছিল নাও লাগিব
ফুলনী ঘাট পাই,
হঠাৎ যে মোৰ নাও বুৰি যায়।

ৰসিক। যাওক বুৰি, কি কয় বিপিনবাবু।

বিপিন। যাওক, পিচে ক'ত বুৰিল, তাৰ এটা থিকানা ৰখা দৰকাৰ। বাৰু ৰসিকবাবু, এই গানটো তেওঁ কিয় খাতাত লিখি ৰাখিলে ?

ৰসিক। স্ত্রীহৃদয়ৰ ৰহস্য বিধাতায়ো নুবুজে—এনে ধৰণৰ এটা প্ৰবাদ আছে। ৰসিকবাবুতো তুচ্ছ।

শ্রীশ। [ওচৰলৈ আহি] বিপিন, তুমি এবাৰ চন্দ্ৰবাবুৰ ওচৰলৈ যোৱা। বাস্তবিকে আমি আমাৰ কৰ্ত্তব্য ঢিলাই দিছো। তেওঁৰ লগত অলপ আলোচনা কৰিলে তেওঁ সুখী হ'ব।

বিপিন। বাৰু।

[প্ৰস্থান]

শ্রীশ। অ' আপুনি যে সেই চিলাইৰ কথা কৈছিল, তেওঁ হবলা সকলো কাম নিজহাতেই কৰে ?

ৰসিক। সকলো কৰে।

শ্রীশ। আপুনি হবলা সিদিনা গৈ দেখিলে তেওঁৰ কোলাত বালিচৰ ৰাবৰোৰ পৰি আছে, আৰু তেওঁ—

ৰসিক। মুৰ দোৱাঁই ৰেজীত সূতা ভৰাইছিল।

শ্রীশ। ৰেজীত সূতা ভৰাইছিল—গা ধুই উঠি আহিছিল হবলা ?

ৰসিক। সময় তেতিয়া আবেলি তিনিমান বাজিছিল।

শ্রীশ। তিনি বাজিছিল ? তেনেহলে তেওঁ খাটৰ ওপৰত বহি—

ৰসিক। নহয়, খাটত নহয়, বাৰান্দাত কঠ পাৰি—

শ্রীশ। বাৰান্দাত কঠ পাৰি লৈ বহি ৰেজীত সূতা ভৰাইছিল—

ৰসিক। এৰা, ৰেজীত সূতা ভৰাইছিল। [স্বগতঃ] আৰুতো নোৱাৰি।

শ্রীশ। মই ছবিৰ দৰে স্পষ্ট দেখিবলৈ পাইছো—ভৰি দুখনি মেলা, মুৰ তললৈ কৰা, মুকলি চুলি আহি মুখৰ ওপৰত পৰিছেহি, আবেলিৰ পোহৰ—

বিপিন। [ওচৰলৈ আহি] চন্দ্ৰবাবুৱে তোমাৰ সেই প্ৰবন্ধটো সম্বন্ধে তোমাৰ লগত আলোচনা কৰিব খুজিছে।

[শ্রীশৰ প্ৰস্থান]

বসিক। আৰু কিমান বকিম ?

[অন্য ফালে]

নির্মলা। [পূৰ্ণক] আপোনাৰ শৰীৰ আজি সিমান ভাল নাইনেকি ?

পূৰ্ণ। নহয়, ভালেই আছে, হয়, অলপ হেৰি অৱশ্যে, কিন্তু বিশেষ একো নহয়, তথাপি অলপ হেৰি হৈছে অৱশ্যে—সিমান বেচি—[কাহি] আপোনাৰ গা ভালে আছে ?

নির্মলা। হয়।

পূৰ্ণ। আপুনি—মানে সুধিছো—আপুনি—আপুনি আপোনাৰ হেৰি কেনে-কুৱা লাগে—এই মিলটনৰ এৰিয়পেজিটিকা, সেইখন আমাৰ এম, এ কৰ্চত আছে হবলা। সেইখন আপোনাৰ বেচ হেৰি লাগে নহয় ?

নির্মলা। সেইখন মই পঢ়া নাই।

পূৰ্ণ। পঢ়া নাই ? [নিস্তব্ধ] হেৰি হৈছে—আপুনি—এবাৰ কিযে গৰম পৰিছে—মই এবাৰ বসিকবাবু—বসিকবাবুৰ লগত মোৰ অলপ দৰকাৰ আছে।

[নির্মলাৰ ওচৰৰ পৰা প্ৰস্থান। ঘৰৰ অন্য ঠাইত]

বিপিন। বসিকবাবু, আপুনি বাৰু ভাবেনে যে সেই গানটো তেওঁ বিশেষ কিবা ভাবি লিখিছে ?

বসিক। হবও পাৰে। আপুনি মোৰ মনতো সন্দেহ লগাই দিলে, আগে মই সেইটো ভবাই নাই।

বিপিন। হঠাৎ যে মোৰ নাও বুৰি যায়, কোন সাগৰৰ শিলত খুন্দা খাই। বাৰু বসিক বাবু, এইখিনিত 'নাও' মানে ঠিক কি বুজাইছে ?

বসিক। হৃদয় বুজাইছে—সেই বিষয়ে কোনো সন্দেহ নাই। পিচে সেই সাগৰখন ক'ত আছে, সেই শিলটি কোন সেইটোহে ভাবিবলগীয়া কথা।

পূৰ্ণ। [ওচৰলৈ আহি] বিপিনবাবু, ক্ষমা কৰিব, বসিকবাবুৰ লগত মোৰ অলপ কথা আছে। যদি—

বিপিন। বাৰু কোৱা, মই যাও।

[বসিকৰ কাষৰ পৰা প্ৰস্থান]

পূৰ্ণ। মোৰ নিচিনা নিৰ্বোধ আৰু জগতত নাই ৰসিকবাবু।

ৰসিক। আপোনাতকৈ বহুত বেচি নিৰ্বোধ আছে যি নিজক বুদ্ধিমান বুলি ভাবে—যেনে মই।

পূৰ্ণ। অকনমান নিৰলা পোৱা হলে আপোনাৰ লগত বহুত কথা পাতিলো-হেতেন। সভা ভাগিলে আজি ৰাতি অলপ আজৰি উলিয়াব পাৰিবনে ?

ৰসিক। বাৰু, ভাল কথা।

পূৰ্ণ। আজি ধুনীয়া জোনাক আছে, গোলদিঘীৰ পাৰত—কি কয় ?

ৰসিক। [স্বগতঃ] কি সৰ্ব্বনাশ !

শ্ৰীশ। [ওচৰলৈ আহি] অ' পূৰ্ণবাবুৰে কথা কৈছে হবলা ? বাৰু, এতিয়া থাকক। ৰাতি আপোনাৰ আজৰি হব ৰসিকবাবু ?

ৰসিক। হয়তো হব পাৰে।

শ্ৰীশ। তেনেহলে কালিকৈ—কি বোলে ? কালি দেখিলে নহয়, ঘৰতকৈ বাটত জমে ভাল।

ৰসিক। নজমিব কিয় ? [স্বগতঃ] চৰ্দ্দি জমে, কাহ জমে, তিতিৰ মাত দৈৰ দৰে জমি যায়।

[শ্ৰীশৰ প্ৰস্থান]

পূৰ্ণ। আৰু ৰসিকবাবু, আপুনি হোৱা হলে কি কথা আৰম্ভ কৰিলেহেতেন।

ৰসিক] হয়তো কলোহেতেন, সেইদিনা বেলুন উৰিছিল—আপোনালোকৰ ঘৰৰ ছাদৰ পৰা দেখা পাইছিলনে ?

পূৰ্ণ। তেওঁ যদি কলেহেতেন—হয়।

ৰসিক। মই কালোহেতেন, মনক উৰিবৰ অধিকাৰ দিছে কাৰনেই ঈশ্বৰে মানুহৰ শৰীৰত পাখী দিয়া নাই। শৰীৰক ৰাখি বিধাতাই মনৰ আগ্ৰহ কেৱল বঢ়াই দিছে।

পূৰ্ণ। বুজিছো ৰসিকবাবু, চমৎকাৰ, ইয়াৰ পৰা অনেক কথাৰ সৃষ্টি হ'ব পাৰে।

বিপিন। [ওচৰলৈ আহি] পূৰ্ণবাবুৰ লগত কথা পাতিছে ? থাওক তেনেহলে, আমাৰ যে সেই কথা আছিল, আজি ৰাতি হব তেনেহলে—কি কয় ?

ৰসিক। লেয়ে ভাল।

বিপিন। জোনাকত বাটত ফুৰি ফুৰি, বেচ আৰামত—কি কয় ?

ৰসিক। খুব আৰাম। [স্বগতঃ] কিন্তু বেমাৰটো তাৰ পিচত হব।

[অন্য ঠাইত]

শৈলবালা। [নির্মলাক] ভাল বাৰু, আপুনি যদি ইচ্ছা কৰে মৰ্য়ো সেই বিষয়টোৰ আলোচনা কৰি চাম। ডাক্তৰি মই অলপ অলপ চেষ্টা কৰিছো। বেচি নহয়—কিন্তু মই যোগদান কৰিলে যদি আপোনাৰ উৎসাহ হয়, মই সাজু আছো—

পূৰ্ণ। [ওচৰলৈ আহি] সেইদিনা বেলুন উৰিছিল, আপুনি ছাদৰ ওপৰৰ পৰা দেখা পাইছিলনে বাৰু ?

নির্মলা। বেলুন ?

পূৰ্ণ। হয়, সেই বেলুন। [সকলো নিৰুত্তৰ] ৰসিকবাবুৱে কৈছিল, আপুনি কিজানি দেখিছিল। মোক ক্ষমা কৰিব, আপোনালোকৰ আলোচনাত ব্যাঘাত জন্মালো। মই অত্যন্ত হতভাগা।

পঞ্চম অঙ্ক

প্ৰথম দৃশ্য

অক্ষয়ৰ ঘৰ

[অক্ষয় আৰু পুৰবালা]

অক্ষয়। দেবী, যদি অভয় দিয়া, তেন্তে এটা প্ৰশ্ন আছে।

পুৰবালা। কি শুনো।

অক্ষয়। শ্ৰীঅঙ্গত খীণোৱাৰ লক্ষণতো অকনো দেখা নাই।

পুৰবালা। শ্ৰীঅঙ্গতো খীণাবৰ কাৰণে পশ্চিমত ফৰিবলৈ যোৱা নাছিল।

অক্ষয়। তেনেহলে বিৰহবেদনা বোলা বস্তুটোৰ মহাকবি কালিদাসৰ লগতে সহমৰণ হলনেকি ?

পুৰবালা। তাৰ প্ৰমাণ তুমি, তোমাৰোতো স্বাস্থ্যৰ বিশেষ ব্যাঘাত হোৱা যেন দেখা নাই।

অক্ষয়। হবলৈ দিলে ক'ত ? তোমাৰ ভনীয়েৰ তিনিজনী মিলি মোৰ কৃশতা নিবাৰণ কৰি ৰাখিছিল, বিৰহ যে কাক বোলে সেইটো আৰু কোনোমতেই বুজিবলৈ নিদিলে।

গান

বিৰহতে মৰো বুলি কৰিছিলো পণ,
কোন তুমি বাহু ধৰি কৰিলা বাৰণ।
ভাবিছিলো অশ্ৰুজলে, বুৰিম অকুল-তলে
কাৰনো সোণাৰ নাৱে কৰিলে তাৰণ।

প্ৰিয়ে, ত্ৰিলোচনৰ ভয়ত কাশীধামত পঞ্চশৰ আগবাঢ়িব নোৱাৰে হবলা।

পুৰবালা। হব পাৰে। কিন্তু কলিকতাত তো তেওঁৰ যাতায়াত আছে।

অক্ষয়। আছে। কোম্পানীৰ শাসন তেওঁ নেমানে। মই তাৰ প্ৰমাণ পাইছো।

[নৃপবালা আৰু নীৰবালাৰ প্ৰবেশ]

নীৰবালা। বাইদেউ—

অক্ষয়। এতিয়া আৰু বাইদেউৰ বাহিৰে কথা নাই? অকৃতজ্ঞ! বাইদেৱে যেতিয়া বিচ্ছেদৰ দহনত দিনকদিনে তপত সোনৰ ৰূপ লৈছিল, তেতিয়া তোমালোক কিজনীক শাঁত কৰিছিল কোনে?

নীৰবালা। শুনিছা বাইদেউ। ইমান মিছা কথা! তুমি যিমান দিন নাছিলা, আমাক এদিন মাতিও সুসুধিলে। কেৱল চিঠি লিখে আৰু মেজৰ ওপৰত দুটা ভৰি তুলি হাতত কিতাপ লৈ পঢ়ে। এতিয়া তুমি আহিলা নহয়, এতিয়া আমাক লৈ গান হব, ঠাট্টা হব—দেখুৱাব যেন—

পবালা। আৰু তুমিও বাইদেউ, অতদিনে আমালৈ এখনি চিঠিও নিলিখিলা।

পুৰবালা। মোৰ জানো সময় আছিল ভাই? মাৰ লগত দিনেৰাতিয়ে ব্যস্ত থাকিবলগীয়া হৈছিল।

অক্ষয়। তহঁতৰ ভিনীহিয়েৰৰ ধ্যানত মগ্ন আছিলো বুলি কোৱা হলে জানো মানুহে নিন্দা কৰিলেহেতেন?

নীৰবালা। তেতিয়া হলে ভিনীহিৰ আস্পৰ্দ্ধা আৰু বাঢ়ি গলহেতেন। মুখাৰ্জী মহাশয়, তুমি তোমাৰ বাহিৰৰ ঘৰলৈ যোৱাচোন। বাইদেউ ইমানদিনৰ মূৰত আহিছে, আমি জানো তেওঁৰ লগত অকন কথাবতৰা পাতিবলৈ নেপাম?

অক্ষয়। নৃশংসহত, বিৰহত দেইপুৰি অহা বাইদেৱেৰক আকৌ বিৰহৰ জ্বালা দিব খুজিছা? তোমালোকৰ ভিনীহিৰূপী মুষলধাৰা বৰ্ষণেৰে প্ৰিয়াৰ চিত্তৰূপী লতানিকুঞ্জত আনন্দৰূপী কিসলয় উদগম কৰি প্ৰেমৰূপী বৰ্ষাত কটাক্ষৰূপী বিজুলী—

নীৰবালা। আৰু বলকনিৰূপী ভেকোলাৰ কলৰৱ—

[শৈলবালাৰ প্ৰবেশ]

অক্ষয়। আহা আহা উত্তমাধমমধ্যমা এই তিনি খুলশালী নেথাকিলে মোৰ—

নীৰবালা। উত্তমমধ্যম নহয়।

শৈলবালা। [নৃপ আৰু নীৰক] তহঁত ভাই অলপ বাচোন, আমাৰ কথা আছে।

অক্ষয়। কথাটো কি বুজিব পাৰিছা নহয় নীক? হৰিনাম কথা নহয়।

নীৰবালা। বাৰু, তুমি আৰু বকিব নেলাগে।

[নৃপ আৰু নীৰৰ প্ৰস্থান]

শৈলবালা। বাইদেউ, মাই তেনেহলে নৃপ-নীৰৰ কাৰণে দুটি পাত্ৰ ঠিক কৰিছে?

পুৰবালা। এৰা, কথা একৰকম ঠিক হৈ গৈছে। শুনিছো লৰাদুটি বেয়া নহয়, তেওঁলোকে ছোৱালী চাই পছন্দ কৰিলেই কথা পকা হৈ যাব।

শৈলবালা। যদি পছন্দ নকৰে?

পুৰবালা। তেতিয়া হলে সিহঁতৰ অদৃষ্ট মন্দ।

অক্ষয়। আৰু মোৰ খুলশালীদুটিৰ অদৃষ্ট ভাল।

শৈলবালা। নৃপ আৰু নীৰুৱে যদি পছন্দ নকৰে?

অক্ষয়। তেতিয়া হলে তেওঁলোকৰ ৰুচিৰ প্ৰশংসা কৰিম।

পুৰবালা। কি আকৌ পছন্দ নকৰিব? সকলো কথাতে তহঁতৰ ওভতা কথা। স্বয়ম্বৰাৰ দিন গল। ছোৱালীয়ে পছন্দ কৰাৰ দৰকাৰ নাই। স্বামী হলেই ভাল পাব পাৰে।

অক্ষয়। নহলে তোমাৰ ভিনীহিয়েৰাৰ কি যে দুৰ্দ্দশা নহলহেতেন শৈল?

[জগত্তাৰিণীৰ প্ৰবেশ]

জগত্তাৰিণী। বোপা অক্ষয়, লৰাদুটাকতো তেনেহলে খবৰ দিব লাগিল। সিহঁতেতো আমাৰ ঘৰৰ ঠিকানা নেজানে।

অক্ষয়। ভাল কথা মা, ৰসিকদাদাক পঠিয়াই দিয়া যাওক।

জগত্তাৰিণী। হায় কপাল! তোমাৰ ৰসিকদাদাৰ যেনে বুদ্ধি! তেওঁ কাক আনিবলৈ গৈ কাক লৈ আহেগৈ ঠিক নাই।

পুৰবালা। বাৰু মা, তুমি একো নেভাবিবা, লৰাদুটাক অনাৰ ব্যৱস্থা কৰিম।

জগত্তাৰিণী। মা পুৰী, তই অলপ মনোযোগ নিদিলে নহব। আজি-কালিৰ লৰা, সিহঁতৰ লগত কেনে ব্যৱহাৰ কৰিব লাগে নেলাগে মই একো নুবুজো।

অক্ষয়। [অন্য ফালে চাই] পুৰীৰ নামবহ আছে। পুৰীয়ে তেওঁৰ মাকক মিটি জোঁৱাই বিচাৰি দিলে, তাৰ পৰাই তেওঁৰ নাম ফুটিকাটি গৈছে। আজিকালিৰ লৰাক কেনেকৈ বশ কৰিব লাগে সেই বিদ্যা—

পুৰবালা। [অন্য ফালে চাই] মহাশয় হবলা আজিকালিৰ লৰা?

জগত্তাৰিণী। আইহত, তহতে পৰামৰ্শ কৰ। কায়স্থৰ ঘৰৰ বাইদেউ আহি বহি আছেহি, মই তেওঁক বিদায় দি আহো।

শৈলবালা। মা, কথাটো তুমি অলপ বিবেচনা কৰি চোৱা। লৰাহুটাক এতিয়ালৈকে তোমালোক কোনেও দেখা নাই—হঠাৎ

জগত্তাৰিণী। বিবেচনা কৰোতে কৰোতে মোৰ আয়ুস শেষ হৈ আহিল, আৰু বিবেচনা কৰিব নোৱাৰো।

অক্ষয়। বিবেচনা সময়মতে ইয়াৰ পিচত কৰিলেও হব, এতিয়া কামটো হৈ যাওক।

জগত্তাৰিণী। কোৱাচোন বোপা, শৈলক বুজাই কোৱা।

[প্ৰস্থান]

পুৰবালা। তই মিছাতে ভাবিছ শৈল। মাই যেতিয়া মন থিৰ কৰি পেলালে, তেওঁক আৰু টলাব পৰা নেযাব। প্ৰজাপতিৰ নিৰ্ব্বন্ধ মই মানো ভাই। যাৰ লগত যাৰ হবলগীয়া আছে, হাজাৰ বিবেচনা কৰিলেও সি হবই।

অক্ষয়। সেইটোতো ঠিক কথা। নহলে যাৰ লগত যাৰ হৈ গল, তাৰ লগত নহৈ অন্য এজনৰ লগত হলহেতেন।

পুৰবালা। যোৱা, এতিয়া গা ধুই আহাগৈ, যোৱা মুৰ অলপ ঠাণ্ডা কৰি আহাগৈ।

[প্ৰস্থান]

[ৰসিকৰ প্ৰবেশ]

শৈলবালা। ৰসিকদাদা, সকলো শুনিছা নহয়। অলপ মচ্‌কিলত পৰিছো।

ৰসিক। কিহৰ মচকিল? কুমাৰসভাৰ কৌমাৰ্য্যও বৈ গল, নৃপনীৰয়ো পাৰ পালে। সকলোকালে ৰক্ষা পৰিল।

শৈলবালা। কোনো দিক ৰক্ষা পৰা নাই।

ৰসিক। অন্ততঃ এই বুঢ়াৰ কালটো ৰক্ষা পৰিছে। দুটা অৰ্ব্বাচীনৰ লগত পৰি বাত্তি বাটত থিয় দি মোৰ আৰু শ্লোক আওৰাব নেলাগিব।

শৈলবালা। মুখাৰ্জী মহাশয়, তুমি নেথাকিলে ৰসিকদাদাক কোনোৱা শাসন কৰিব নোৱাৰে। তেওঁ আমাৰ কথা নেমানে।

অক্ষয়। যি বয়সত তোমালোকৰ কথা বেদবাক্য বুলি মানিলেহেতেন, সেই বয়স পাৰ হল নহয়। সেই দেখি তেওঁ বিদ্রোহ কৰিবলৈ সাহস কৰিছে। বাৰু মই ঠিক কৰি দিছো। বলাচোন ৰসিকদা, মোৰ বাহিৰৰ কোঠাত বহি ধপাতত লগা যাওক।

দ্বিতীয় দৃশ্য

বিপিনৰ ঘৰ

[বিপিন আৰু গুৰুদাস]

[হাতত তানপুৰা লৈ বিপিনে অতি বেসুৰা গলাৰে
সাৰেগামা গাইছে]

বিপিন। ভাই গুৰুদাস, তুমিতো ওস্তাদ মানুহ। মোৰ এইকন উপকাৰ তুমি কৰি দিবই লাগিব। এই খাতাত থকা আটাইকেটা গানৰ তুমি সুৰ দি দিব লাগিব। যিটো গালা সেইটো বৰ ধুনীয়া হৈছে। যদি কষ্ট নহয়, আকৌ এবাৰ, আগে সেই গানটোৰ কথা দেখিয়ে মজি গৈছিলো, এতিয়া দেখিছো কথাখিনি মানস সৰোবৰৰ পদুম, আৰু তাৰ ওপৰত গানটো বহিছে যেন স্বয়ং বীণাপাণি। ভাই আকৌ এবাৰ—

গুৰুদাস। [গান]

তোমালই চাই আছো বহি বাটৰ কাষত,
সুন্দৰ হে।
ধুলি জমিল প্ৰাণৰ বীণাৰ তাঁৰ বোৰত
সুন্দৰ হে।

কিহেৰে গাঁথিম মালা নাইবে ফুল,
কান্দোনৰে গানে বীণাত পাতিছে থুল,
দূৰৰ পৰাই আন্ধাৰতে পৰিব কানত,
সুন্দৰ হে।
দিনৰ পিচত দিন বাগৰে সুন্দৰ হে,
হৃদয় কিবে তৃষাত মৰে সুন্দৰ হে।
শূন্য ঘাটত কৰো কিনো মই,
কেতিয়া আহিব নাও বগা পাল লৈ,
কেতিয়ানো মেলিম নাও
সুধা সাগৰত সুন্দৰ হে।

[ভৃত্যৰ প্ৰবেশ]

ভৃত্য। এজন বাবু আহিছে।

বিপিন। বাবু, কেনেকুৱা বাবু অ’ ?

ভৃত্য। বুঢ়া মানুহ।

বিপিন। মুৰটো টপা ?

ভৃত্য। হয়।

বিপিন। [তানপূৰা থৈ] লৈ আহ, এতিয়াই লৈ আহ। হেৰ ধপাত লৈ আহ। বেহাৰাটো গল কলৈ ? পাখা টানিবলৈ ক। আৰু চা, বেগাই গৈ কেইখনমান মিঠা পান কিনি আনচোন। পলম নকৰিবি, আৰু আধাসেৰ বৰফ লৈ আহিবি, বুজিছ ?

[ভৃত্যৰ প্ৰস্থান]

[ভৰিৰ শব্দ শুনি] ৰসিকবাবু, আহক।

[বনমালীৰ প্ৰবেশ]

বিপিন। ৰসিকবাবু—অ’ এইয়াযে সেই বনমালী।

বৃদ্ধ। হয়। মোৰ নাম শ্ৰীবনমালী ভট্টাচাৰ্য্য।

বিপিন। সেই পৰিচয়ৰ দৰকাৰ নাই। মই অলপ বিশেষ কামত আছো।

বনমালী। ছোৱালীদুজনীক আৰু ৰখা নেযায়। পাত্ৰও অনেক আহিছে—

বিপিন। শুনি সুখী হলো। দি দিয়ক, দি দিয়ক।

বনমালী। কিন্তু আপোনালোকৰে ঠিক উপযুক্ত হলহেঁতেন—

বিপিন। চাওক বনমালীবাবু, এতিয়াও আপুনি মোৰ সম্পূৰ্ণ চিনাকি পোৱা নাই। যদি এবাৰ পায়, মোৰ উপযুক্ততা সম্পৰ্কে আপোনাৰ ভয়ানক সন্দেহ হ'ব।

বনমালী। তেনেহলে মই উঠো। আপুনি এতিয়া ব্যস্ত আছে। অন্য এসময়ত আহিম।

বিপিন। [তানপুৰা তুলি লৈ] সাৰেগা, ৰেগামা, গামাপা—

[শ্ৰীশৰ প্ৰবেশ]

শ্ৰীশ। কিহে বিপিন, ইকি? কুস্তি এৰি গানত ধৰিছা? গুৰুদাস দেখোন?

বিপিন। ওস্তাদজী, আজিলৈ ছুটি। কি কৰিম কোৱা, গান নিশিকিলেতো আৰু তোমাৰ সন্ন্যাসীদলত ঠাই পোৱা নেযায়। গুৰুদাসক গুৰু লৈছো। তেওঁৰ পৰা নবীনসন্ন্যাসব্ৰতৰ দীক্ষা লৈছো।

শ্ৰীশ। সেইটো বা কেনেকুৱা?

বিপিন। ৰস পূৰ হলেহে ত্যাগ সহজ হয়। মেঘ যেতিয়া পানীৰে গধুৰ হয়, তেতিয়াই বৰষুণ দিয়ে।

শ্ৰীশ। তোমাৰ নতুন ফিলচফী থোৱা। কুমাৰসভাৰ সেই ৰচনাখনত হাত দিব পাৰিছানে?

বিপিন। নাই ভাই, এতিয়াও হাত দিব পৰা নাই। তোমাৰ লিখা হল নেকি?

শ্ৰীশ। নাই, ময়ো হাত দিয়া নাই। [অলপ সময় মনে মনে থাকি] নহয় ভাই, বৰ অন্যায় হৈছে। আমি যেন ক্ৰমে আমাৰ সঙ্কল্পৰ পৰা দূৰলৈ আতৰি গৈছো।

বিপিন। অনেক সঙ্কল্প লালুকিৰ নেজৰ দৰে পৰিণতিৰ লগে লগে আপুনি অন্তৰ্দ্ধান হয়। কিন্তু যদি লগেভাগেই থাকি গলহেঁতেন আৰু ভেকুলীটো শুকাই গলহেঁতেন, তেতিয়া কেনেকুৱা হলহেঁতেন। এসময়ত এটা সঙ্কল্প কৰিছিলো বুলিয়েই যে সেই সঙ্কল্পৰ কাৰণে নিজক শুকুৱাই মাৰিব লাগিব, মইতো তাৰ কোনো অৰ্থ বুজি নেপাওঁ।

শ্ৰীশ। মই বুজো, অনেক সময় আছে যাৰ কাৰণে শুকাই মৰাও ভাল। গুটি দলগা গছৰ নিচিনাকৈ আমাৰ ডালে পাতে যেন অতিৰিক্ত ৰস সঞ্চাৰ হৈছে, আৰু সফলতাৰ আশা যেন প্ৰতিদিন দূৰলৈ আঁতৰি গৈছে। মই ভুল কৰিছিলো ভাই বিপিন, সকলো ডাঙৰ কামতে তপস্যাৰ দৰকাৰ, নানা ভোগৰ পৰা নিজক বঞ্চিত নকৰিলে, নানা ফালৰ পৰা প্ৰত্যাহাৰ কৰি আহিব নোৱাৰিলে চিত্তক কোনো মহৎ কামত সম্পূৰ্ণভাৱে নিযুক্ত কৰা নেযায়। এতিয়াৰ পৰা ৰসচৰ্চ্চা একেবাৰেই পৰিত্যাগ কৰি কঠিন কামত হাত দিম— এই প্ৰতিজ্ঞা কৰিছো।

বিপিন। তোমাৰ কথা মযো মানো। কিন্তু সকলো তৃণতেন্তো ধান নেলাগে। শুকাবলৈ গলে কেৱল অকাৰণত শুকাই মৰাই হ'ব, একো ফল নধৰে। কিছুদিনৰ পৰা মোৰ মনত লাগিছে যে আমি যি সঙ্কল্প গ্ৰহণ কৰিছো, সেই সঙ্কল্প আমাৰ দ্বাৰা সফল নহব। গতিকে আমাৰ স্বভাৱসাধ্য অন্য কোনো পথ অৱলম্বন কৰাই শ্ৰেয়।

শ্ৰীশ। এইটো কোনো কামৰ কথা নহল। বিপিন, তোমাৰ তানপুৰা থোৱা।

বিপিন। বাৰু থলো। তাৰ পৰা পৃথিৱীৰ কোনো ক্ষতি নহয়।

শ্ৰীশ। আমাৰ সভা চন্দ্ৰবাবুৰ ঘৰলৈ উঠাই নিয়া যাওক।

বিপিন। উত্তম কথা।

শ্ৰীশ। আমি দুয়ো মিলি ৰসিকবাবুক অলপ সংযত কৰি ৰাখিম।

বিপিন। তেওঁ অকলে আমাৰ দুটাক অসংযত কৰি দুতুলিলেই হয়।

শুকদাস। সংযম চৰ্চ্চা আৰম্ভ কৰে যদি মোৰ আৰু দৰকাৰ নাই।

বিপিন। দৰকাৰ আৰু বাঢ়িব। ব'দ যিমানে টান হয়, পানীৰ প্ৰয়োজন সিমানে বেচি হয়। এই দুঃসময়ত তুমি মোক ত্যাগ নকৰিবা, পুৰা-গধুলি যেন দেখা পাওঁ। আজি গধুলিৰ ভিতৰত যদি সেই গানটোৰ সুৰ দিয়া হৈ যায়, তেনেহলে আজি সন্ধিয়া—কি কোৱা?

শুকদাস। বাৰু সেয়ে হ'ব।

[প্ৰস্থান]

[ভৃত্যৰ প্ৰৱেশ]

ভৃত্য বুঢ়া বাবু এজন আহিছে।

বিপিন। বুঢ়া বাবু! খালে দেখিছো। বনমালী আকৌ আহিছে।

শ্ৰীশ। বনমালী, এই অলপ সময়ৰ আগতে দেখোন—তেওঁ মোৰ ওচৰলৈও আহিছিল।

বিপিন। হেৰ, বুঢ়াক মাতলৈ ক।

শ্ৰীশ। তুমি পঠিয়াই দিলে গৈ মোৰ ওপৰত লম্ভিবগৈ। তাতকৈ মাতি আনক। আমি দুয়ো মিলি বিদায় দি পঠিয়াম। [ভৃত্যক] বুঢ়াক লৈ আহ।

[ভৃত্যৰ প্ৰস্থান]

[ৰসিকৰ প্ৰবেশ]

বিপিন। ইকি? এইয়াতো বনমালী নহয়, এইয়াযে ৰসিকবাবু!

ৰসিক। হয়। আপোনালোকৰ আশ্চৰ্য্য চিনিপোৱা শক্তি। মই বনমালী নহয়। 'ধীৰসমীৰে যমুনাতীৰে বসতি বনে বনমালী—

শ্ৰীশ। নহয় ৰ কিবাবু, সেইবোৰ নহব, ৰসালাপ আমি বন্ধ কৰি দিছো।

ৰসিক। আঃ, ৰক্ষা কৰিলে!

শ্ৰীশ। অন্য সকলো প্ৰকাৰৰ আলোচনা বাদ দি এতিয়াৰ পৰা আমি একান্তমনে কুমাৰসভাৰ কামত লাগিম।

ৰসিক। মোৰো সেয়ে ইচ্ছা।

শ্ৰীশ। বনমালী নামে এজন বুঢ়াই, কুমাৰতলীৰ নীলমাধৱ চৌধুৰীৰ ছোৱালী দুজনীৰ লগত আমাৰ বিয়াৰ প্ৰস্তাৱ লৈ উপস্থিত হৈছিলহি। আমি তেওঁক চমুতে বিদায় দি পঠিয়ালো—ক'লো—এই কথাবোৰো আমাৰ অসঙ্গত বোধ হয়।

ৰসিক। মোৰ ওচৰতো ঠিক একে কথা। বনমালীয়ে যদি দুজনী বা ততোধিক ছোৱালীৰ বিয়াৰ প্ৰস্তাৱ লৈ মোৰ ওচৰত উপস্থিত হলহেতেন, তেনে বোধ হয় তেওঁ নিষ্ফল হৈ ঘূৰি যাব লাগিলহেতেন।

বিপিন। ৰসিকবাবু, অলপ চাহ জলপান খাই যাব লাগিব।

ৰসিক। নহয়, ভাওৰীয়া, আজিলৈ থাওক। আপোনালোকৰ লগত দুই

এটা বিশেষ কথা আছিল, কিন্তু কঠিন প্ৰতিজ্ঞাৰ কথা শুনি কবলৈ সাহস হোৱা নাই।

বিপিন। [আগ্ৰহেৰে] নহয়, নহয়, সেই বুলি আৰু কথা থাকিলে নকয় কিয়?

শ্ৰীশ। আমাক যিমান ভয়ংকৰ বুলি ভাবিছে, আমি সিমান নহয়। কথাটো কি বিশেষকৈ মোৰ লগত—?

বিপিন। নহয়, সেইদিনা ৰসিকবাবুৱে কৈছিল মোৰ লগতহে তেওঁৰ দুই এটা আলোচনাৰ কথা আছে।

ৰসিক। দৰকাৰ নাই, থাকক।

শ্ৰীশ। যদি কয়, আজি ৰাতি, গোলদিঘীৰ পাৰত—

ৰসিক। নহয়, শ্ৰীশবাবু, মাফ কৰিব।

শ্ৰীশ। বিপিন, তুমি অলপ সিকোঠালৈ যোৱাহে, বোধ হয় তুমি থকা কাৰণে ৰসিকবাবুৱে—

ৰসিক। নহয়, নহয়, কি দৰকাৰ?

বিপিন। তাতকৈ ৰসিকবাবু, তিনিমহলাৰ ওপৰলৈ বলক। শ্ৰীশই ইয়াতে অলপ বাট চাওক।

ৰসিক। নহয়, আপোনালোক দুজন বহক, মই যাওঁ।

বিপিন। সেইটো কেনেকৈ হ'ব? অলপ কিবা খাই যাব লাগিব।

শ্ৰীশ। নহয়, আপোনাক কেতিয়াও নেৰিছো। সেইটি নহব।

ৰসিক। তেনেহলে কথাটো কওঁ। নৃপবালা, নীৰবালাৰ কথাতো আপোনালোকে আগতে শুনিছে।

শ্ৰীশ। নুশুনিম কিয়? পিচে নৃপবালাৰ সম্বন্ধে যদি কিবা—

বিপিন। নীৰবালাৰ বিশেষ কোনো সম্বাদ?

ৰসিক। সিহত দুজনীৰ বিষয়েই বিশেষ চিন্তাৰ কাৰণ হৈ পৰিছে।

উভয়ে। অসুখ নহয়তো?

ৰসিক। তাতোকৈ বেচি। সিহতৰ বিয়াৰ সম্বন্ধ—

শ্ৰীশ। কি কৈছে ৰসিকবাবু? বিয়াৰতো কোনো কথা শুনা নাই।

ৰসিক। একো নাই, হঠাৎ মা কাশীৰ পৰা ঘূৰি, আহি কৰবাৰ দুটা অকালকুষ্মাণ্ডৰ লগত ছোৱালী দুজনীৰ বিয়াৰ স্থিৰ কৰিছে।

বিপিন। এইটোতো কেতিয়াও হ'ব নোৱাৰে, ৰসিকবাবু।

ৰসিক। ভাওৱীয়া, পৃথিৱীত যিটো অপ্রিয়, সেইটোৰেই সম্ভাৱনা বেচি। ফুলগছতকৈ বনহে বেচি হয়।

বিপিন। কিন্তু মহাশয়, বন উঘালি পেলাব লাগিব।

শ্রীশ। ফুলগছ কৰ লাগিব।

ৰসিক। সেইটো হয়, পিচে কৰিব কোনে ?

শ্রীশ। আমি কৰিম। কি কোৱা বিপিন ?

বিপিন। নিশ্চয়।

ৰসিক। কিন্তু কি কৰিব ?

বিপিন। কয় যদি সেই লৰাদুটাক বাটৰ মাজত—

ৰসিক। বুজিছো। সেইটো মনতে ভাবিলেও শৰীৰ পুলকিত হয়, কিন্তু বিধাতাৰ অনুগ্রহত অপাত্র বস্তুটি অমৰ, দুটা গলে আকৌ দহোটা আহিব।

বিপিন। ইহত দুটাক যদি ছলে বলে কিছুদিন পিচুৱাই ৰাখিব পাৰি, তেতিয়া হলে ভাবিবলৈ সময় পোৱা যাব।

ৰসিক। ভাবিবৰ কাৰণে সময় কম হৈ আহিছে। এই শুকুৰবাৰে তেওঁলোক ছোৱালী চাবলৈ আহিব।

বিপিন। এই শুকুৰবাৰে ?

শ্রীশ। পৰহিলৈকে দেখোন ?

ৰসিক। এৰা, পৰহিলৈকে। শুকুৰবাৰটোকতো আৰু বাটৰ মাজত ধৰি ৰাখিব নোৱাৰি।

শ্রীশ। বৰচোন। মোৰ এটা প্লেন মনত খেলাইছে।

ৰসিক। কেনে, শুনোচোন।

শ্রীশ। সেই লৰাদুটাক ঘৰৰ কোনোবাই চিনি পায়নেকি ?

ৰসিক। কোনোৱে নিচিনে ?

শ্রীশ। সিহঁতে ঘৰ চিনি পায় ?

ৰসিক। নেপায়।

শ্রীশ। তেতিয়া হলে বিপিনে যদি কোনো ৰকমে সিহঁতক ৰাখি ঘৰ পাৰে, সিহঁতৰ নাম কৈ মই নৃপবালাক—

বিপিন। জানাইতো ভাই, কোনো ৰকমৰ কৌশল মোৰ মগজুত নেখেলায়। তুমি ইচ্ছা কৰিলে লৰাছুটাক ভুলাই ৰাখিব পাৰিবা। মই ৰবং সিহঁতৰ নাম কৈ নীৰবালাক—

ৰসিক। কিন্তু ভাওৰীয়া, ইয়াতো গৌৰৱে বহুবচন নেখাটিব। ছুটা লৰা অহাৰ কথা আছে। আপোনালোকৰ এজনক ছুজন বুলি চলোৱাটো মোৰ কাৰণে টান হ'ব।

শ্ৰীশ। সেইটো হয় অৱশ্যে।

বিপিন। এৰা, সেই কথা পাহৰিছিলোৱেই।

শ্ৰীশ। তেতিয়া হলেতো আমি দুইজন যাব লাগিব। কিন্তু—

ৰসিক। সিহঁত ছুটাক ভুল বাটেদি ময়েই চালান কৰি দিব পাৰিম, কিন্তু আপোনালোকে—

বিপিন। আমাৰ কাৰণে নেভাবিব, ৰসিকবাবু।

শ্ৰীশ। আমি সকলোৰে কাৰণে প্ৰস্তুত আছো।

ৰসিক। আপোনালোক মহৎ লোক। এনেকুৱা ত্যাগস্বীকাৰ—

শ্ৰীশ। যথেষ্ট হৈছে। ইয়াৰ ভিতৰত ত্যাগস্বীকাৰৰ কোনো কথা নাই।

বিপিন। এইটোতো আনন্দৰ কথা।

ৰসিক। নহয়, নহয়, তথাপিতো মনত আশঙ্কা হ'ব পাৰে, কিজানিবা নিজৰ ফান্দত নিজেই পৰিব লগীয়া হয়।

শ্ৰীশ। একো নহয় ভাওৰীয়া, কোনো আশঙ্কালৈকে ভয় নকৰো।

বিপিন। আমাৰ যেই হওক, আমি তাতেই সুখী হ'ম।

ৰসিক। এইটোতো আপোনালোকৰ মহত্বৰ কথা, কিন্তু মোৰ কৰ্ত্তব্য হল আপোনালোকক ৰক্ষা কৰা। সেই বিষয়ত আপোনালোকক মই কথা দিছো—এই শুকুৰবাৰৰ দিনটোত আপোনালোকে কোনো-মতে উদ্ধাৰ কৰি দিয়ক, তাৰ পিচত আৰু আপোনালোকক কেতিয়াও বিৰক্ত নকৰো।

শ্ৰীশ। আমাক বিৰক্ত নকৰো বুলি কোৱা শুনি দুঃখীত হলো ৰসিকবাবু।

ৰসিক। বাৰু কৰিম [হেহে]।

বিপিন। আমি জানো কেৱল নিজৰ স্বাধীনতাৰ কাৰণেই ব্যস্ত? আমাক ইমান স্বাৰ্থপৰ বুলি ভাবিছেনে?

ৰসিক। ক্ষমা কৰিব। মোৰ ভুল ধাৰণা আছিল।

শ্ৰীশ। আপুনি যেই কওক, খপ্ কৰে ভাল পায় পোৱাটো টান কথা।

ৰসিক। সেই কাৰণেইতো অত দিন বাট চাই থাকি শেষত এই বিপদ হল। বিয়াৰ প্ৰসংগটোৱেই আপোনালোকৰ কাৰণে অপ্ৰিয়, তথাপি চাওক, আপোনালোক পৰ্য্যন্ত—

বিপিন। সেই কাৰণে কোনো সঙ্কোচ নকৰিব।

শ্ৰীশ। আপুনি যে অন্য কাৰো ওচৰলৈ নগৈ আমাৰ ওচৰলৈ আহিল, এইবাবে অন্তৰেৰে আপোনাক ধন্যবাদ দিছো।

ৰসিক। মই আৰু আপোনালোকক ধন্যবাদ নিদিও। সেই কন্যাদুটিৰ চিৰজীৱনৰ ধন্যবাদে আপোনালোকক পুৰস্কৃত কৰিব।

বিপিন। হেৰ, পাখাখন টান।

শ্ৰীশ। ৰসিকবাবুৰ কাৰণে জলপান অনাম বুলিছিল—

বিপিন। এই আহি পাবহি। এতিয়া এগিলাচ বৰফদিয়া পানী খাওক।

শ্ৰীশ। পানী কিয়? লেমনেড অনাই দিয়াহে। [জেপৰ পৰা টিন এটা উলিয়াই] লওক, ৰসিকবাবু, পান খাওক।

বিপিন। সেই দিনে বতাহ পাইছেনে? এই গাৰুটো লওক।

শ্ৰীশ। বাৰু ৰসিকবাবু, নৃপবালা বৰ বিষণ্ণ হৈ পৰিছেনেকি?

বিপিন। নীৰবালাও অৱশ্যে খুব—

ৰসিক। ক'ব লাগিছেনে আৰু—

শ্ৰীশ। নৃপবালাই হবলা কন্দাকটা কৰিছে?

বিপিন। নীৰবালাই বাৰু মাকক অলপ ভালকৈ বুজাই নকয় কিয়?

ৰসিক। [স্বগতঃ] সেইয়া আৰম্ভ হল। লেমনেডৰ দৰকাৰ নাই। - [প্ৰকাশ্যে] ক্ষমা কৰিব, মই এতিয়াই যাব লাগিব।

শ্ৰীশ। কয় কি?

বিপিন। সেইটো কেনেকৈ হ'ব?

ৰসিক। সেই লৰাদুটাক ভুল ঠিকনা দি আহিব লাগিব, নহলে—

শ্ৰীশ। বুজিছো। তেনেহলে এতিয়াই যাওক।

বিপিন। তেনেহলে আৰু পলম নকৰিব।

তৃতীয় দৃশ্য

চন্দ্ৰবাবুৰ ঘৰ

[নিৰ্মলা খিৰিকীৰ তলত বহি আছে। চন্দ্ৰবাবুৰ প্ৰবেশ।]

চন্দ্ৰবা। [স্বগতঃ] বেচেৰী নিৰ্মলাই বৰ কঠিন ব্ৰত গ্ৰহণ কৰিছে। মই দেখিছো আজি কিছুদিনৰ পৰা তাই চিন্তাত মগ্ন হৈ আছে। তিৰোতা মানুহ, এনেকুৱা এটা গধুৰ ভাৰ মনে মনে সহ্য কৰিব পাৰিব জানো? [প্ৰকাশ্যে] নিৰ্মল—

নিৰ্মলা। [উচপ খাই] কি মামা?

চন্দ্ৰবাবু। সেই লিখাৰ কথা ভাবিছ হবলা। মোৰ মনেৰে অধিক নেভাবি মনটোক দুই এদিন জিৰণি দিলে, লিখিবৰ কাৰণে সুবিধা হ'ব পাৰে।

নিৰ্মলা। [লাজ পাই] মই ঠিক ভবা নাছিলো মামা। ইমান দিনে মই লিখিবলৈ ল'ব লাগিছিল, কিন্তু এই কেইদিন গৰম হৈ দক্ষিণৰ পৰা বতাহ বলিবলৈ আৰম্ভ কৰিছে, একোতেই মন লগাব পৰা নাই। বৰ অন্যায় হৈছে, আজি মই যেনে তেনে—

চন্দ্ৰবাবু। নহয়, নহয়, জোৰ কৰি চেষ্টা নকৰিবি। নিৰ্মলা, মোৰ বোধ হয়, ঘৰত কোনো লগ নাই, নিতান্ত অকলে কাম কৰি তোৰ ভাগৰ লাগে। কামত তুই এজনৰ সঁগ আৰু সহায় নহলে—

নিৰ্মলা। অবলাকান্তবাবুৱে মোক অলপ সহায় কৰিম বুলিছে। মই তেওঁক ৰোগীশুশ্ৰূষা বিষয়ৰ সেই কিতাপটো দিছো, তেওঁ আজি এটা অধ্যায় লিখি পঠাম বুলি কৈছে। বোধহয়, এতিয়াই পোৱা যাব, সেই দেখি মই বাট চাই আছো।

চন্দ্ৰবাবু। সেই লৰাটি বৰ ভাল।

নিৰ্মলা। বৰ ভাল, চমৎকাৰ।

চন্দ্ৰবাবু। এনে অধ্যৱসায়, এনে কাৰ্য্যতৎপৰতা।

নিৰ্মলা। আৰু এনে সুন্দৰ নম্ৰ স্বভাৱ।

চন্দ্ৰবাবু। কোনো এটা ভাল প্ৰস্তাৱৰ প্ৰতি আগ্ৰহ দেখি মই আশ্চৰ্য্য হৈছো।

নিৰ্মলা। তাৰ বাহিৰেও, তেওঁক দেখা মাত্ৰে তেওঁৰ মনৰ মাধুৰ্য্য মুখ আৰু চেহেৰাত কেনে স্পষ্টকৈ বুজা যায়।

চন্দ্ৰবাবু। ইমান অলপ সময়ৰ ভিতৰত যে কাৰোবাৰ প্ৰতি ইমান গভীৰ স্নেহ জন্মিব পাৰে, সেই কথা মই কেতিয়াও ভবা নাছিলো। মোৰ মন যেন নৰাটিক নিজৰ ওচৰতে ৰাখিম, আৰু লিখাপঢ়া আৰু কামকাজত সকলো প্ৰকাৰে সহায় কৰি দিম।

নিৰ্মলা। তেতিয়া হলে মোৰো বৰ উপকাৰ হ'ব। অনেক কাম কৰিব পাৰিম, বাৰু, এবাৰ তেনে প্ৰস্তাৱ এটা কৰি চোৱাইচোন। সউৱা বেহাৰা আহিছে। বোধহয় তেওঁ লিখাখিনি পঠিয়াই দিছে। ৰামদীন, চিঠি আছে ? এই ফালে লৈ আহ।

[বেহাৰাৰ প্ৰবেশ]

[বেহাৰাই চন্দ্ৰবাবুক এখন চিঠি দিলে]

মামা, নিশ্চয় তেওঁ সেই প্ৰবন্ধটো মোলৈ পঠিয়াইছে। সেইখন মোকে দিয়া।

চন্দ্ৰবাবু। নহয় ফেনি, এইখন মোৰ চিঠি।

নিৰ্মলা। তোমাৰ চিঠি ? অৱলাকান্তবাবুৱে তেন্তে তোমালৈকে লিখিলে। কি লিখিছে ?

চন্দ্ৰবাবু। নহয়, এইখন পূৰ্ণৰ লিখা।

নিৰ্মলা। পূৰ্ণবাবুৰ লিখা ? ওঃ।

চন্দ্ৰবাবু। পূৰ্ণই লিখিছে গুৰুদেৱ, আপোনাৰ চৰিত্ৰ মহৎ, মনৰ বল অসামান্য, আপোনাৰ নিচিনা বলীষ্ঠ প্ৰকৃতিৰ মানুহেই মানুহৰ দুৰ্ব্বলতাক ক্ষমাৰ চকুৰে চাব পাৰে, ইয়াক ভাবি, এই চিঠিখন আপোনালৈ লিখিবলৈ সাহ কৰিছো।

নিৰ্মলা। হৈছে কি ? বোধহয় পূৰ্ণবাবুৱে চিৰকুমাৰ সভা এৰি দিব, সেই কাৰণেই এনেকুৱা ভূমিকা কৰিছে। মন কৰিছানে আজিকালি পূৰ্ণবাবুৱে কুমাৰ সভাৰ কোনো কামকে কৰি শেষ কৰিব নোৱাৰে।

চন্দ্ৰবাবু। নেৰ, আপনি যি আদৰ্শ আমাৰ চকুৰ আগত দাঙি ধৰিছে, সি

অতি উচ্চ। যি উদ্দেশ্য আমাৰ মুখৰ ওপৰত আপি দিছে, সি গুৰুভাৰ—সেই আদৰ্শ আৰু সেই উদ্দেশ্যৰ প্ৰতি এক মুহূৰ্ত্তৰ কাৰণেও ভক্তিৰ অভাৱ হোৱা নাই। কিন্তু মাজে মাজে শক্তিৰ দৈন্য অনুভৱ কৰো—সেই কথা সবিনয়ে আপোনাৰ চৰণত স্বীকাৰ কৰিছো।

নিৰ্ম্মলা। মোৰ মনেৰে সকলো ডাঙৰ কামতে মানুহ মাজে মাজে নিজৰ অক্ষমতা অনুভৱ কৰি হতাশ হৈ পৰে, শ্ৰান্ত মন একো একোবাৰ বিক্ষিপ্ত হৈ পৰে, কিন্তু সি জানো সদায় থাকে ?

চন্দ্ৰবাবু। 'সভাৰ পৰা ঘৰলৈ ঘূৰি আহি যেতিয়া হাত দিবলৈ লও, হঠাৎ নিজক অকলশৰীয়া যেন লাগে, উৎসাহ যেন আশ্ৰয়হীন লতাৰ নিচিনাকৈ মাটিত বাগৰি পৰিব খোজে।' নিৰ্ম্মল, আমিতো ঠিক এই কথাকে কৈছিলো।

নিৰ্ম্মলা। পূৰ্ণবাবুৱে যি লিখিছে সেইটো সত্য। মানুহৰ লগ নহলে কেৱল মাত্ৰ সঙ্কল্পৰে উৎসাহ জাগ্ৰত কৰি ৰখা টান কাম।

চন্দ্ৰবাবু। 'মোৰ ধৃষ্টতা মাৰ্জ্জনা কৰিব, কিন্তু বহুত চিন্তা কৰি এই কথা থিৰাংকৈ বুজিছো, যে কুমাৰব্ৰত সাধাৰণ মানুহৰ কাম নহয়, ই বল দান নকৰে, বল হৰণ কৰে। স্ত্ৰী পুৰুষ পৰস্পৰৰ লগৈ হাত, তেওঁলোক মিলিত থাকিলেহে সম্পূৰ্ণৰূপে সংসাৰৰ সকলো কামৰ উপযোগী হ'ব পাৰে।' তই কি ভাবিছ নিৰ্ম্মল ? [নিৰ্ম্মলা নিৰুত্তৰ] অক্ষয়বাবুৱেও সিদিনা এই কথা লৈ মোৰ লগত তৰ্ক কৰিছিল। তেওঁৰ বহুত কথাৰ উত্তৰ মই দিব নোৱাৰিলো।

নিৰ্ম্মলা। হব পাৰে, বোধহয় কথাটোৰ ভিতৰত ভালেখিনি সত্য আছে।

চন্দ্ৰবাবু। গৃহস্থ-সন্তানক সন্ন্যাসধৰ্ম্মত দীক্ষিত নকৰি, গৃহাশ্ৰমক উন্নত আদৰ্শেৰে গঠিত কৰাই মোৰ মতে শ্ৰেষ্ঠ কৰ্ত্তব্য।'

নিৰ্ম্মলা। এই কথাষাৰ কিন্তু পূৰ্ণবাবুৱে ভাল কৈছে।

চন্দ্ৰবাবু। ময়ো কিছুদিনৰ পৰা মনতে ভাবিছিলো যে কুমাৰব্ৰত গ্ৰহণৰ নিয়ম উঠাই দিম।

নিৰ্ম্মলা। মোৰো বোধ হয়, উঠাই দিলে বেয়া নহয় কি কোৱা মামা ? অন্য কোনোবাই কিবা আপত্তি তুলিবনেকি ?

অৱলাকান্তবাবু, শ্ৰীশবাবু—

চন্দ্ৰবাবু। আপত্তিৰ কোনো কাৰণ নাই।

নিৰ্মলা। তথাপি এবাৰ অবলাকান্তবাবুহঁতৰ মত লৈ চোৱা ভাল।

চন্দ্ৰবাবু। মততো লবই লাগিব।

[চিঠি পঢ়ে] এই পৰ্য্যন্ত যি লিখিলো সহজেই লিখিছো, এতিয়া যি লিখিব খুজিছো, তাক লিখিবলৈ কলম আগ নেবাঢ়ে।"

নিৰ্মলা। মামা, পূৰ্ণবাবুৱে হয়তো কিবা গোপনীয় কথা লিখিছে, তুমি চিয়ৰি পঢ়িছা কিয় ?

চন্দ্ৰবাবু। ঠিক কৈছ কেনি। [নিজে নিজে পঢ়ে] কি আশ্চৰ্য্য! মই জানো সকলো বিষয়ে অন্ধ ? অতদিনতো মই একোকে বুজিব পৰা নাছিলো। নিৰ্মল, পূৰ্ণবাবুৰ কোনো ব্যবহাৰ কেতিয়াবা তোৰ—

নিৰ্মলা। হয়, পূৰ্ণবাবুৰ ব্যবহাৰ কাজে মাজে মোৰ অত্যন্ত নিৰ্বোধৰ নিচিনা লাগিছিল।

চন্দ্ৰবাবু। অথচ পূৰ্ণবাবু খুব বুদ্ধিমান। তেনেহলে তোক খুলিয়ে কওঁ— পূৰ্ণবাবুৱে বিয়াৰ প্ৰস্তাৱ পঠিয়াইছে।

নিৰ্মলা। তুমিতো তেওঁৰ অভিভাৱক নোহোৱা, তোমালৈ প্ৰস্তাৱ ?

চন্দ্ৰবাবু। মই যে তোৰ অভিভাৱক, এইয়া পঢ়ি চা।

নিৰ্মলা। [চিঠি পঢ়ি ৰঙাচিঙা পৰি] ই কেতিয়াও হব নোৱাৰে।

চন্দ্ৰবাবু। মই তেওঁক কি কম ?

নিৰ্মলা। কবা, কোনোমতেই হ'ব নোৱাৰে।

চন্দ্ৰবাবু। কিয় নিৰ্মল, মইতো কৈছিলো কুমাৰব্ৰত পালনৰ নিয়ম সভাৰ পৰা উঠাই দিবলৈ তোৰ আপত্তি নাই ?

নিৰ্মলা। সেইবুলি আক যেয়ে প্ৰস্তাৱ কৰিব তাকেই—

চন্দ্ৰবাবু। পূৰ্ণবাবু তো যেনে তেনে বিধৰ লবা নহয়, ইমান ভাল লবা—

নিৰ্মলা। মামা, এইবোৰ কথা তুমি একো নুবুজা। তোমাক বুজাব নোৱাৰিম, মোৰ কাম আছে।

[যাব খুজিলে]

মামা, তোমাৰ জেপত সেইটো কি ওকলি আছে ?

চন্দ্ৰবাবু। [উচপ খাই উঠি] হয় হয়, পাহৰি গৈছিলো, বেহাৰাই আজি ৰাতিপুৱা তোমৈ লিখা কাগজ এখন মোক দি গৈছিলে।

নিৰ্মলা। [ততাতৈয়াকৈ কাগজখন লৈ] চোৱাচোন মামা, কি অন্যায়। অবলাকান্তবাবুৰ লিখাখিনি ৰাতিপুৱাতে আহিল, মোক দিয়া নাই। মই ভাবিছিলো তেওঁ হয়তো পাহৰিয়ে গৈছে। বৰ অন্যায়।

চন্দ্ৰবাবু। অন্যায় হৈছে অৱশ্যে। কিন্তু ইয়াতকৈ বহুত বেচি অন্যায় ভুল মই প্ৰত্যেক দিনেই কৰো যেনি। তয়েইতো প্ৰত্যেকবাৰ ক্ষমা কৰি প্ৰশ্ৰয় দিছ।

নিৰ্মলা। নহয়, ঠিক অন্যায় নহয়, মইহে মনে মনে অবলাকান্তবাবুৰ প্ৰতি অন্যায় কৰিছিলো। ভাবিছিলো, অ' এইয়াযে ৰসিকবাবু আহিছে। আহক ৰসিকবাবু, মামা ইয়াতে আছে।

[ৰসিকৰ প্ৰবেশ]

চন্দ্ৰবাবু। অ' ৰসিকবাবু আহিছে ? ভালেই হল।

ৰসিক। মোৰ অহাতেই যদি ভাল হয় চন্দ্ৰবাবু, তেতিয়া হলে আপোনা-লোকৰ কাৰণে ভাল অত্যন্ত সস্তা। যেতিয়াই ক'ব তেতিয়াই আহিম, নেমাতিলেও আহিবলৈ ৰাজী আছো।

চন্দ্ৰবাবু। আমি ভাবিছো, আমাৰ সভাৰ পৰা চিৰকুমাৰব্ৰতৰ নিয়মটো উঠাই দিও। আপুনি কি পৰামৰ্শ দিয়ে ?

ৰসিক। মই খুব নিঃস্বাৰ্থভাবেই পৰামৰ্শ দিব পাৰিম, কাৰণ, এই ব্ৰত ৰাখক বা উঠাই দিয়ক, মোৰ কাৰণে উভয়েই সমান। মোৰ পৰামৰ্শ এই যে—উঠাই দিয়ক, নহলে সি কোনো বা দিনা আপুনিয়ে উঠি যাব। আমাৰ পাড়াৰ মদপী ৰামহৰিয়ে বাটৰ মাজলৈ আহি সকলোকে চিয়ৰি চিয়ৰি কৈছিল, ৰাইজ, মই থিৰ কৰিছো, এই খিনিতে মই পৰিম, থিৰ নকৰিলেও সি পৰিলহেতেন, অতএব স্থিৰ কৰাটো তাৰ পক্ষে ভালেই হৈছিল।

চন্দ্ৰবাবু। ঠিক কৈছে ৰসিকবাবু, যি বস্তু জোৰ কৰি আহিবই, তাক জোৰ কৰিবলৈ নিদি আহিবলৈ দিয়াই ভাল। অহা যেওবাৰৰ আগতে এই প্ৰস্তাবটো সকলোৰে আগত এবাৰ উত্থাপন কৰো বুলিছো।

ৰসিক। থাক, শুকুৰবাৰে সজিয়া আপোনালোক আমাৰ তালৈ যাব, মই সকলোকে খবৰ দি অনাম।

চন্দ্ৰবাবু। ৰসিকবাবু, আপোনাৰ যদি সময় হয়, তেনেহলে আমাৰ দেশত গোজাতিৰ উন্নতি সম্বন্ধে এটা প্ৰস্তাৱ আপুনি—

ৰসিক। বিষয়টো শুনি খুব উৎসুক্য জন্মিছে, কিন্তু সময় যে খুব বেচি—

নিৰ্মলা। নহয় ৰসিকবাবু, আপুনি সিটো কোঠালৈ বলক। আপোনাক বহুত কথা কবলগীয়া আছে। মামা, তোমাৰ লিখা শেষ কৰা, আমি থাকিলে ব্যাঘাত হ'ব।

ৰসিক। তেনেহলে বলক।

নিৰ্মলা। [গৈ থাকোতে] অবলাকান্তবাবুৱে মোলৈ তেওঁৰ লিখাখিনি পঠিয়াই দিছে। মোৰ অনুৰোধ—তেওঁ যে কথাষাৰ মনত ৰাখিছিল সেইবাবে আপুনি তেওঁক মোৰ ধন্যবাদ জনাব।

ৰসিক। ধন্যবাদ নেপালেও, আপোনাৰ অনুৰোধ ৰক্ষা কৰিয়ে তেওঁ কৃতাৰ্থ হৈছে।

চতুৰ্থ দৃশ্য

অক্ষয়ৰ ঘৰ

[জগত্তাৰিণী, পুৰবালা আৰু অক্ষয়]

জগত্তাৰিণী। বোপা অক্ষয়, চোৱাচোন, ছোৱালীকেজনী লৈ মই কি কৰো। নীপই বহি বহি কান্দিছে, নীৰ খঙত অস্থিৰ, তাই কৈছে তাই কেতিয়াও বাহিৰ নোলায়। ভদ্ৰলোকৰ লৰাছটি এতিয়াই আহিব। তেওঁলোকক এতিয়া কি বুজি কৈ ঘূৰাই পঠাম? তুমিয়ে সিহঁতক শিকাই পঢ়াই বিবি কৰি তুলিলা, এতিয়া তুমিয়ে চম্ভালা।

[প্ৰস্থান]

পুৰবালা। সচাকৈয়ে, মই সিহঁতৰ ধৰণকৰণ দেখি অবাক হৈছো। সিহঁতে ভাবিছেনেকি যে সিহঁত—

অক্ষয়। বোধ হয় মোৰ বাহিৰে অন্য কাকো সিহঁতে পছন্দ কৰা নাই। তোমাৰে সহোদৰাতো, কচিটোও তোমাৰ চিনিনাই। পুৰবালা। খেয়ালি খোৱা, এতিয়া ঠাট্টাৰ সময় নহয়। তুমি সিহঁতক অলপ বুজাই কবানে নোকোৱা কোৱাচোন। তুমি নকলে সিহঁতে শুনেনে।

অক্ষয়। ইমান অনুগত! ইয়াকেই বোলে ভগ্নীপতিব্রতা শুলশালী। বাক, এবাৰ ওচৰলৈ পঠিয়াই দিয়া মই চাওঁ।

[পুৰবালাৰ প্ৰস্থান]

[নৃপবালা আৰু নীৰবালাৰ প্ৰবেশ]

নীৰবালা। নহয়, মুখাৰ্জী মহাশয়, সেইটো কোনোমতেই নহব।

নৃপবালা। মুখাৰ্জী মহাশয়, তোমাৰ ভৰিত ধৰিছো, আমাক যাৰে তাৰে আগত তেনেকৈ হুলিয়াবা।

অক্ষয়। কাঁচিৰ হুকুম হলত এজনে কৈছিল মোক বেচি ওপৰত হুতুলিবি, মোৰ মুৰ ঘূৰোৱা বেমাৰ আছে। তোমালোকৰো সেয়ে হল। বিয়া কৰাবলৈ ওলাইছা, এতিয়া দেখা দিবলৈ লাজ কৰিলে চলিবনে?

নীৰবালা। কোনে কলে আমি বিয়া কৰিবলৈ ওলাইছো?

অক্ষয়। আহ! শৰীৰত পুলক সঞ্চাৰ হৈছে। কিন্তু হৃদয় দুৰ্ব্বল, আৰু দৈব বলবান। যদি দৈবাৎ প্ৰতিজ্ঞা ভঙ্গ কৰিবলগীয়া হয়—

নীৰবালা। নহয়, ভঙ্গ নহয়।

অক্ষয়। নহবতো? তেনেহলে নিৰ্ভয়ে আহিবা। ডেকাদুটাক দেখা দি আধাপোৰা কৰি এৰি দিবা, হতভাগাহত ঘৰলৈ ঘূৰি গৈ মৰি থাকক গৈ।

নীৰবালা। অকাৰণত প্ৰাণীহত্যা কৰিবৰ কাৰণে আমাৰ ইমান উৎসাহ নাই।

অক্ষয়। জীৱৰ প্ৰতি কি দয়া। কিন্তু সামান্য কথা লৈ গৃহবিচ্ছেদ ঘটোৱাৰ কি দৰকাৰ? তোমালোকৰ বাইদেৱেৰাই যেতিয়া ধৰিছে, আৰু ভদ্ৰলোক দুটি যেতিয়া গাড়ীভাড়া কৰি আহিব ধৰিছে, এবাৰ পাঁচ মিনিটমানৰ কাৰণে দেখা দিবা, তাৰ পিচত মই আছো—তোমালোকৰ অনিচ্ছাত কোনোমতেই বিয়া দিবলৈ নিদিওঁ।

নীৰবালা। কোনোমতেই নিদিয়া ?
অক্ষয়। কোনোমতেই নিদিও।

[পুৰবালাৰ প্ৰবেশ]

পুৰবালা। আহ, তহঁতক সজাই উলিয়াই দিওঁগৈ।
নীৰবালা। সকলোৰে আগত এই বেশেৰেই ওলাবিনে ? লাজ নেলাগিব নে ?
নীৰবালা। লাজ নেলাগিব কিয় বাইদেউ ? কিন্তু সাজি কাচি ওলাবলৈ আৰু বেচি লাজ লাগিব।
অক্ষয়। উমাই তপস্বিনী বেশেৰে মহাদেৱৰ মনোহৰণ কৰিছিল। শকুন্তলাই যেতিয়া দুষ্মন্তৰ হৃদয় জয় কৰিছিল তেতিয়া তেওঁৰ গাত এখনি বাকলিহে আছিল। কালিদাসে কয় সিও কিছু টানহে হৈছিল। তোমাৰ ভনীয়েৰাহঁত সেইবোৰ পঢ়ি পাকৈত হৈ আছে, কাপোৰ-কানি পিন্ধিব নোখোজে।
পুৰবালা। সেইবোৰ হল সত্যযুগৰ কথা। কলিকালৰ দুষ্মন্ত মহাৰাজাহঁত কাপোৰকানিতে ভোল যায়।
অক্ষয়। যেনে—
পুৰবালা। যেনে তুমি। যিদিনা তুমি চাবলৈ আহিছিলা, সেইদিনা হবলা মাই মোক সজোৱা নাছিল ?
অক্ষয়। মই মনে মনে ভাবিছিলো—কাপোৰে কানিয়েই যেতিয়া এওঁক ইমান শুৱাই পৰিছে, নেজানি সৌন্দৰ্য্যই এওঁৰ শোভা কিমান বঢ়াব ?
পুৰবালা। বাৰু, তুমি ৰ'বা, নীৰু আহ।
নীৰবালা। নহয়, বাইদেউ—
পুৰবালা। বাৰু সাজ কাপোৰ লাগিলে নিপিন্ধই, চুলিতো বান্ধিব লাগে।
অক্ষয়। [গান]

খোপাত নিপিন্ধিবা ফুল,
বান্ধা মাথো চুলিতাৰী।
কাজলবিহীন সজল চকুৰে
হিয়াৰ দুৱাৰ ৰাখা জোকাৰি।

আঁচলখনিরে পথিকৰ বাবে
মৰণৰ কান্ধ পাতিবা,
হেৰা নিৰদয়া, যেনে মনে যায়
নিৰবে তাকেই সাধিবা।

পুৰবালা। তুমি আকৌ গানত ধৰিলা? মই কেনেকৈ কি কৰো কোৱা-চোন। তেওঁলোকৰ আহিবৰ সময় হল, মোৰ এতিয়াও খোৱাৰ যা-জোগাড় হোৱা নাই।

[নৃপবালা আৰু নীৰবালাক লৈ প্ৰস্থান]

[ৰসিকৰ প্ৰবেশ]

অক্ষয়। পিতামহ ভীষ্ম, যুদ্ধৰ সময় প্ৰস্তুত?

ৰসিক। সমস্ত। বীৰ পুৰুষ হালিও সমাগত।

অক্ষয়। এতিয়া মাথোন দিব্যাস্ত্ৰ দুটি সজাবলৈ গৈছে। তুমি তেনেহলে সেনাপতিৰ ভাৰ গ্ৰহণ কৰা, মই অলপ অন্তৰালত থাকিব খুজিছো।

[ৰসিক আৰু অক্ষয়ৰ প্ৰস্থান]

[শ্ৰীশ আৰু বিপিনৰ প্ৰবেশ]

শ্ৰীশ। বিপিন, তুমিতো আজিকালি সঙ্গীত বিদ্যাৰ ওপৰত চীৎকাৰ শব্দেৰে ডকাইতি আৰম্ভ কৰিছা। কিবা আদায় কৰিব পাৰিলা জানো?

বিপিন। একো নোৱাৰিলো। সঙ্গীতবিদ্যাৰ দুৱাৰত সপ্তসুৰে অনবৰত পহৰা দিছে, তাত জানো মোৰ সোমাবৰ উপায় আছে? কিন্তু তোমাৰ মনত এই প্ৰশ্ন উদয় হল কিয়?

শ্ৰীশ। আজিকালি মাজে মাজে কবিতাত সুৰ দিবৰ মন যায়। সেইদিনা কিতাপত পঢ়িছিলো—

ওৰে দিন কিয় অকলই,
নদীৰ পাৰত বহি
খেলা মাথো বালি লৈ।
গুচি যায় বেলা, থৈ মিছা খেলা,
পৰা জঁপিয়াই পানী লৈ।

অকূলৰ পৰা ৰিবা লোৱা লৈ,
হাঁহি কান্দি ঘূৰা ঘৰলৈ।

মনত লাগিছিল, ইয়াৰ সুৰটো যেন জানো। কিন্তু গাবৰ উপায় নাই।

বিপিন। বস্তুটো বেয়া নহয়হে। তোমাৰ কবিয়ে লিখিছে ভাল। তাৰ পিচত আৰু একো নাইনে? আৰম্ভ কৰিলা যেতিয়া শেষ কৰা।

শ্ৰীশ। নেজানো মনত কিনো আশে,
কোন আহি আছে বাটত বহি।
যি ফুল-সুৰভি বতাহত আহি
হৃদয় উদাস কৰে,
যাৰ লাগে যদি সিফুল বিচাৰি,
বলা তালকেই হৰষভৰে।

বিপিন। বাঃ ধুনীয়া। কিন্তু শ্ৰীশ চেল্‌কত কি বিচাৰিছা?

শ্ৰীশ। সেই যে সিদিনা, কিতাপ এটাত যে নাম লিখা দেখিছিলো, তাকে—

বিপিন। নহয় ভাই, আজি আৰু সেইবোৰ নহয়।

শ্ৰীশ। কিবোৰ নহয়?

বিপিন। তেওঁলোকৰ কথালৈ কোনো ৰকম—

শ্ৰীশ। কি আচৰিত বিপিন, তেওঁলোকৰ কথা লৈ মই জানো এনে কোনো আলোচনা কৰিব পাৰো—যাৰ পৰা—

বিপিন। থং নকৰিবা ভাই, মই নিজৰ সম্পৰ্কেই কৈছো, ইয়াতে বহুত সময়ত মই ৰসিকবাবুৰ লগত তেওঁলোকৰ বিষয়ে যি ভাবে কথাবতৰা পাতিছো, আজি সেইভাবে কোনো কথা উচ্চাৰণ কৰিবলৈও সঙ্কোচ লাগিছে। বুজা নাইনে?

শ্ৰীশ। কিয় বুজিম? মই মাত্ৰ কিতাপ এটা মেলি চাব খুজিছিলো, এবাৰ কথাও নকলোহেতেন।

বিপিন। নহয়, আজি সিও নহব। আজি তেওঁলোক আমাৰ আগত ওলাব, আমি যেন তেওঁলোকৰ যোগ্য হব পাৰো।

শ্ৰীশ। বিপিন, তোমাৰ লগত—

বিপিন। নহয় ভাই, মোৰ লগত তৰ্ক নকৰিবা। মই হাৰিলো, কিন্তু কিতাপটো থোৱা।

[ৰসিকৰ প্ৰবেশ]

ৰসিক। এইয়া, আপোনালোক আহি অকলে বহি আছেহি, যেয়া নেপাব—

শ্ৰীশ। একো নাই। এই ঘৰটোৱে আমাক সাদৰ সম্ভাষণ জনাইছিল।

ৰসিক। আপোনালোকক যে কিমান কষ্ট দিয়া হল!

শ্ৰীশ। কষ্ট আৰু দিব পাৰিলে ক'ত? এটা শকত ধৰণৰ কষ্ট স্বীকাৰ কৰিবৰ সুযোগ পোৱা হলে কৃতাৰ্থ হলোহেতেন।

ৰসিক। যেই হওক, অলপ পৰৰ পিচতে সকলো শেষ হৈ যাব। সেয়েই সুবিধা, তাৰ পিচতেই আপোনালোক স্বাধীন হৈ যাব। ভাবি চাওকচোন, যদি এইটো সচা ঘটনা হলহেতেন, তেতিয়া হলেই ধ্ৰুবিনাশে বন্ধনভয়ম্। বিয়া বস্তুটো মিঠাইৰেই আৰম্ভ হয়, কিন্তু সদায় মধুৰেণ সমাপ্ত নহয়। আজি বাৰু আপোনালোক এনেকৈ দুঃখীতভাবে মনে মনে বহি আছে কিয়? মই কৈছো, আপোনালোকৰ কোনো ভয় নাই। আপোনালোক বনৰ চৰাই, দুটি সন্দেশ খায়েই আকৌ বনলৈ উৰি যাব, কোনোৱে আপোনালোকক বান্ধি নহয়। 'নাত্ৰ ব্যাধশৰাঃ পতন্তি পৰিতো, নৈৰাত্ৰ দাবানল:'—দাবানলৰ পৰিবৰ্ত্তে দাবৰ পানী পাব।

শ্ৰীশ। আমাৰ সেই দুখ নহয় ৰসিকবাবু, আমি ভাবিছো—আমাৰ দ্বাৰা কি উপকাৰনো হৈছে? ভবিষ্যতৰ সকলো আশঙ্কাতো দূৰ কৰিব পৰা নাই।

ৰসিক। ভাল কৈছে। যি কৰিছে তাৰে আপোনালোকে দুটি অবলাক চিৰকৃতজ্ঞতা-পাশত আবদ্ধ কৰিলে, অথচ নিজে কোনো পাশত আবদ্ধ হোৱা নাই।

জগত্তাৰিণী। [নেপথ্যত—সক মাতেৰে] আঃ নীপ, কি লৰালিখন কৰিছ? বেগাই চকুপানী মচি ঘৰৰ ভিতৰলৈ যা, লখিমীজনী, কান্দি চকু ৰঙা কৰিলে দেখিবলৈ কেনেকুৱা চিৰি হব ভাবি চাচোন। নীৰু, যা আই। তোৰ লগত আৰু নোৱাৰি আইহে, ভদ্ৰলোক কেজনক আৰু কিমান বহুৱাই ৰাখ। তেওঁলোকে কি ভাবিব?

শ্ৰীশ। সেইয়া শুনিছে ৰসিকবাবু, এওঁলোকক এই সংকটৰ পৰা সম্পূৰ্ণ ৰক্ষা কৰিবৰ কাৰণে আপুনি আমাক যি ক'ব, আমি তাকে কৰিবৰ কাৰণে সাজু আছো।

ৰসিক। একো নাই। আপোনালোকক আৰু বেচি কষ্ট নিদিও। কেৱল আজিৰ দিনটো পাৰ কৰি দিয়ক, তাৰ পিচত আৰু আপোনালোকে একো ভাবিব নেলাগে ?

শ্ৰীশ। ভাবিব নেলাগিব ? কি কয় ৰসিকবাবু ? আমি জানো পাষাণ ? আমি এওঁলোকৰ কাৰণে বিশেষভাৱে ভাবিবৰ সুখ পাম।

বিপিন। এনেকুৱা ঘটনাৰ পিচত আমি যদি এওঁলোকৰ সম্বন্ধে উদাসীন হওঁ, তেনে আমি কাপুৰুষ।

শ্ৰীশ। এতিয়াৰ পৰা এওঁলোকৰ কাৰণে ভবাটো আমাৰ কাৰণে গৰ্ব্বৰ বিষয়—গৌৰৱৰ বিষয়।

ৰসিক। ভাল তেন্তে। ভাবিব, কিন্তু বোধ হয় ভবাৰ বাহিৰে আৰু অন্য কষ্ট কৰিব নেলাগিব।

শ্ৰীশ। বাৰু ৰসিকবাবু, আমাক কষ্ট স্বীকাৰ কৰিবলৈ দিবলৈ আপোনাৰ ইমান আপত্তি কিয় ?

বিপিন। এওঁলোকৰ কাৰণে যদি আমি কিবা কষ্ট কৰিবলগীয়া হয়, সেইটোক আমি সন্মান বুলি ভাবিম।

শ্ৰীশ। যোৱা দুদিন ধৰি, ৰসিকবাবু, বেচি কষ্ট পাব নেলাগিব বুলি আমাক আপুনি ক্ৰমাগত আশ্বাস দি আহিছে—এইবাৰে আমি বাস্তৱিকে দুখ পাইছো।

ৰসিক। মোক মাফ কৰিব। মই আৰু কেতিয়াও এনে অবিবেচনাৰ কাম নকৰো আপোনালোকে কষ্ট স্বীকাৰ কৰিব বাৰু।

শ্ৰীশ। আপুনি জানো আমাক এতিয়াও নিচিনিলে ?

ৰসিক। নিচিনিম কিয় ? সেইবাবে আপোনালোক অকনো চিন্তিত নহব।

[কুণ্ঠিত নীৰবালা আৰু নৃপবালাৰ প্ৰবেশ]

শ্ৰীশ। [নমস্কাৰ কৰি] ৰসিকবাবু, আপুনি এখেত সকলক কওক যেন আমাক মাৰ্জ্জনা কৰে।

বিপিন। ভুলতো যদি আমি এওঁলোকৰ লাজ বা ভয়ৰ কাৰণ হওঁ, তেন্তে আমাৰ কাৰণে আৰু তাতকৈ দুখৰ কথা একো নাই, সেইবাবে যদি ক্ষমা নকৰে তেনে—

ৰসিক। যথেষ্ট হৈছে। ক্ষমা বিচাৰি অপৰাধিনীহঁতৰ অপৰাধ আৰু নবঢ়াব। এওঁলোকৰ বয়স কম, মাননীয় অতিথি সকলক কেনেকৈ সম্ভাষণ জনোৱা উচিত সেই কথা হঠাৎ পাহৰি গৈ এওঁলোক যদি নতমুখে থিয় দি থাকে, তেতিয়াহলে তাক আপোনালোকৰ প্ৰতি অসদ্ভাব বুলি ভাবি এওঁলোকক আৰু লাজ নিদিব। নৃপ, নীৰ, তোমালোকে কি কোৱা? যদিও এতিয়াও তোমালোকৰ চকুৰ পতা গুকোৱা নাই, তথাপি এওঁলোকৰ প্ৰতি যে তোমালোকৰ মন বিমুখ নহয়, সেই কথা জনাব পাৰোনে?

[নৃপ আৰু নীৰ লজ্জিত, নিৰুত্তৰ]

নহয়, অলপ একলীয়াকৈ নি সোধা দৰকাৰ। [অন্যফালে চাই] ভদ্ৰলোক সকলক এতিয়া কি কওঁ, কোৱাহকচোন, কমনেকি, তোমালোক যিমান সোনকালে পাৰা যোৱা?

নীৰবালা। [মৃদুস্বৰে] ৰসিকদাদা, কিযে বকা তাৰ ঠিক নাই। আমি সেইবুলি কৈছোনেকি? এওঁলোক আহিছে বুলি আমি ক'ব পাৰোনেকি?

ৰসিক। [শ্ৰীশ আৰু বিপিনক] এওঁলোকে কৈছে—

সখা, কৰমে দিলেকি লেখি?
তাপ দিয়ে বুলি তৰ্পনলৈ ভয়
কৰিলো জোনাক দেখি।

ইয়াৰ ওপৰত আৰু আপোনালোকৰ কিবা কবলগীয়া আছে?

নীৰবালা। [অন্য ফালে চাই] অঃ ৰসিকদাদা, কিযে কৈছা তাৰ ঠিক নাই। আমি সেই কথা কেতিয়া কলো?

ৰসিক। [শ্ৰীশ আৰু বিপিনক] এওঁলোকৰ মনৰ ভাবটো মই সম্পূৰ্ণ ব্যক্ত কৰিব পৰা নাই কাৰণে, তেওঁলোকে মোক ভৰ্ৎসনা কৰিছে। এওঁলোকে ক'ব খুজিছে, জোনৰ কিৰণ বুলিলেও যথেষ্ট কোৱা নহয় তাতকৈ আৰু যদি—

নীৰবালা। [অন্য ফালে চাই] তুমি এনেকুৱা কৰিলে আমি উঠি যাম।

ৰসিক। সখি, ন যুক্তম্ অকৃত সৎকাৰম্ অতিথি বিশেষম্ উজ্‌ঝিত্বা স্বচ্ছন্দতো গমনম্। [শ্ৰীশ আৰু বিপিনক] এওঁলোকে কৈছে যে এওঁলোকৰ যথাৰ্থ মনৰ ভাব যদি আপোনালোকক ব্যক্ত কৰি কওঁ, তেনে হলে লাজত এওঁলোক এই ঘৰৰ পৰা ওলাই যাব।

[নৃপবালা আৰু নীৰবালা যাবলৈ ওলাল]

শ্ৰীশ। ৰসিকবাবুৰ অপৰাধত আপোনালোকে নিৰ্দোষক শাস্তি দিব কিয় ? আমিতো কোনো ৰকমৰ প্ৰগল্‌ভতা কৰা নাই।

[নৃপবালা আৰু নীৰবালাৰ ন যযৌ ন তস্থৌ ভাব]

বিপিন। [নীৰক লক্ষ্য কৰি] আগেয়ে কৰা কোনো অপৰাধ আছে যদি ক্ষমা প্ৰৰ্থনাৰ অবকাশ নিদিব জানো ?

ৰসিক। [অন্য ফালে চাই] ক্ষমাকণৰ কাৰণে বেচেৰাই বহুত দিনৰ পৰা সুযোগ বিচাৰি ফুৰিছে।

নীৰবালা। [অন্য ফালে চাই] কি অপৰাধ কৰিছে যে ক্ষমা কৰিম ?

ৰসিক। [বিপিনক] এওঁ কৈছে যে আপোনাৰ অপৰাধ ইমান মনোহৰ যে তাক এওঁ অপৰাধ বুলি ভবাই নাই, কিন্তু মই যদি সেই খাতাখন হৰণ কৰিবলৈ সাহস কৰিলোহেতেন, তেতিয়া সেইটো অপৰাধ হলহেতেন। আইনৰ বিশেষ ধাৰাত তেনেকৈ লিখা আছে।

বিপিন। ঈৰ্ষা নকৰিব ৰসিকবাবু। আপোনালোকে সদায় অপৰাধ কৰাৰ সুযোগ পায় আৰু সেই কাৰণে দণ্ডভোগ কৰি কৃতাৰ্থ হয়। দৈবক্ৰমে মই এটা অপৰাধ কৰাৰ সুযোগ পাইছিলো, কিন্তু মই ইমানেই অধম যে দণ্ডনীয় বুলিও গণ্য নহলো, ক্ষমা পাবৰ যোগ্যতাও লাভ কৰিব নোৱাৰিলো।

ৰসিক। বিপিনবাবু, একেবাৰে হতাশ নহব। বহুত সময়ত শাস্তি পলমকৈ আহে, কিন্তু আছে যে এইটো নিশ্চিত। খপ্‌কৰে মুক্তি নেপাবও পাৰে।

[ভৃত্যৰ প্ৰবেশ]

ভৃত্য। চাহজলপান দিয়া হৈছে।

[নৃপবালা আৰু নীৰবালাৰ প্ৰস্থান]

শ্ৰীশ। আমি দুৰ্ভিক্ষৰ বাজ্যৰ পৰা আহিছোঁনেকি ৰসিকবাবু? চাহজলপান খোৱৰ কাৰণে ইমান অভ্যাভৈয়া কিয়?

ৰসিক। মধুৰেণ সমাপয়েৎ

শ্ৰীশ। [হুমুনিয়াহ কাঢ়ি] কিন্তু সমাপনটোতো মধুৰ নহয়। [বিপিনৰ কাণে চাই] কিন্তু বিপিন, এওঁলোককতো প্ৰতাৰণা কৰি যাব নোৱাৰিম।

বিপিন। [অন্য কালে চাই] সেইটো যদি কৰো, তেনে আমি পাষণ্ড।

শ্ৰীশ। [অন্য কালে চাই] এতিয়া আমাৰ কৰ্ত্তব্য কি?

বিপিন। [অন্য কালে চাই] সেই কথা আৰু সুধিব লাগেনে?

ৰসিক। আপোনালোকে দেখিছো ভয় খাই গৈছে! কোনো আশঙ্কা নকৰিব। অৱশেষত যেনেতেনে মই আপোনালোকক উদ্ধাৰ কৰিমেই।

[শ্ৰীশ আৰু বিপিন আহাৰ কৰাত লাগিল]

[ঘৰৰ অল্পকালৰ পৰা অক্ষয় আৰু জগত্তাৰিণীৰ প্ৰবেশ]

জগত্তাৰিণী। বোপা, দেখিলা নহয়, লৰাদুটি কেনেকুৱা?

অক্ষয়। মা, তোমাৰ পছন্দ ভাল, এই কথাটো মই অস্বীকাৰ কৰিব নোৱাৰো।

জগত্তাৰিণী। ছোৱালীহঁতৰ মতিগতি দেখিলাতো বোপা? এতিয়া কন্দাকটা কৰে গল তাৰ ঠিক নাই।

অক্ষয়। সেইটোৱেইতো সিহঁতৰ দোষ। কিন্তু মা, আপুনি নিজে গৈ আশীৰ্ব্বাদ কৰি লৰাদুটি চাহি আহিব লাগিব।

জগত্তাৰিণী। সেইটো জানো ভাল হ'ব অক্ষয়? তেওঁলোকে ছোৱালী পছন্দ কৰিছো বুলি কৈছে জানো?

অক্ষয়। খুব জনাইছে। এতিয়া তুমি নিজে আহি আশীৰ্ব্বাদ কৰি গলেই সোনকালে সকলো স্থিৰ হৈ যাব।

জগত্তাৰিণী। তেনেহলে ভাল কথা। তোমালোকে কোৱা যদি যাম বাৰু, মই তেওঁলোকৰ মাকৰ বয়সৰ, মোৰ কিহৰ লাজ?

[পুৰবালাৰ প্ৰবেশ]

জগত্তাৰিণী। কিনো কয় পুৰ, এনে ৰূপহ লৰাদুটি।

পুৰবালা। সেই কথা জানিছিলো। নীৰ-নৃপৰ ভাগ্যত কেনে লৰা কিয় হব ?

অক্ষয়। সিহঁতৰ ভাগ্যৰ বায়েকৰ অদৃষ্টৰ ভাগ পাইছে—আৰু কি ?

পুৰবালা। থাক মনে মনে থাকা। বোবাচোন, তেওঁলোকৰ লগত অলপ কথাবতৰা পাতাগৈ, কিন্তু শৈল গল কলৈ ?

অক্ষয়। তেওঁ মনৰ আনন্দত দুৱাৰ বন্ধ কৰি পূজা কৰিবলৈ বহিছে। [শ্ৰীশ আৰু বিপিনৰ ওচৰলৈ আহি] কাৰবাৰটো কি ? ৰসিকদা, আজি কালি দেখিছো খুব খুৱাইছা! দিনৌ দুবেলা যাক দেখা, হঠাৎ তাক পাহৰি গলা ?

ৰসিক। এওঁলোকে নতুন আদৰ পাইছে, পাতত যি পৰিছে তাতেই সন্তুষ্ট হৈছে। তোমাৰ আদৰ পুৰণি হৈ আহিল, তোমাক নতুনকৈ সুখী কৰিবলৈ সাধ্য নাই ভাই।

অক্ষয়। কিন্তু শুনিবলৈ পাইছিলো, আজিৰ সকলো মিঠাই আৰু পৰিয়ালৰ সমস্ত অনাস্বাদিত মধু উজাৰ কৰি লৰৰ কাৰণে দুটি অখ্যাতনামা যুৱকৰ অভ্যুদয় হ'ব। এওঁলোকে তেওঁলোকৰ অংশৰে ভাগ খাইছেনেকি ? ৰসিকদা, ভুল কৰা নাইতো ?

ৰসিক। ভুলৰ কাৰণেইতো মই বিখ্যাত। ঘৰ আইতিয়ে জানে, এই বুঢ়া ৰসিকে যিহতে হাত দিয়ে তাতে ভুল হবই।

অক্ষয়। কোৱা কি ৰসিকদা, কি কৰিছা ? সি দুটা লৰাক কলৈ পঠালা ?

ৰসিক। ভুলক্ৰমে সিহঁতক ভুল ঠিকানা দিলো।

অক্ষয়। সেই বেচেৰাহঁতৰ কি গতি হব ?

ৰসিক। বিশেষ অনিষ্ট নহয়। এতিয়ামানে তেওঁলোকে কুমাৰটুলিৰ নীলমাধৱ চৌধুৰীৰ ঘৰত চাহজলপান খাই শেষ কৰিব পাৰে। বনমালী ভট্টাচাৰ্য্যই সিহঁতৰ তত্বাৱধানৰ ভাৰ লৈছে।

অক্ষয়। সেইটো বাৰু বুজিলো। সকলোৱে পাতত মিঠাই পৰিল, কিন্তু তোমাৰ বেলাহে জলপান অলপ টান হ'ব। এতিয়া ভ্ৰম সংশোধন কৰি লোৱা। শ্ৰীশবাবু, বিপিনবাবু, একো নেভাবিবা, ইয়াৰ মাজত অলপ পাৰিবাৰিক ৰহস্য আছে।

শ্ৰীশ। সৰল প্ৰকৃতি ৰসিকবাবুৱে সেই ৰহস্য আমাৰ ওচৰত ভেদ কৰিয়ে দিছে। আমাক ফাকি দি অনা নাই।

বিপিন। মিঠাইৰ থালত আমি অনধিকাৰ আক্ৰমণ কৰা নাই। দৰকাৰ হলে তাৰ প্ৰমাণ দিবৰ কাৰণে প্ৰস্তুত আছো।

অক্ষয়। কোৱা কি বিপিনবাবু? তেনেহলে চিৰকুমাৰ সভাক চিৰদিনৰ কাৰণে কন্দুৱাই থৈ আহিছা? জানিশুনি, ইচ্ছাপূৰ্ব্বক?

ৰসিক। নহয় নহয়, তুমি ভুল কৰিছা অক্ষয়।

অক্ষয়। আকৌ ভুল? আজি সকলোৰে ভুল কৰাৰ দিন হল নেকি?

গান

ভুলে ভুলে আজি ভুলময়।
ভুলৰ লতাত, বায়ুৰ ভুলত,
ফুলে ফুলে হওক ফুলময়।
ভুল সাগৰত আনন্দৰ ঢউ
উছলি উঠক কূলময়।

ৰসিক। কি হল, বৰ আইতি আহিছে দেখোন?

অক্ষয়। আহিবৰ কথাই। তেওঁতো কুমাৰটুলিৰ ঠিকানালৈ নেযায়।

[জগত্তাৰিণীৰ প্ৰবেশ। শ্ৰীশ আৰু বিপিনৰ ভূমিষ্ঠ হৈ প্ৰণাম। দুয়োকে দুটা মোহৰ দি জগত্তাৰিণীয়ে আশীৰ্ব্বাদ কৰিলে। আনফালে অক্ষয়ৰ লগত জগত্তাৰিণীৰ আলাপ।]

অক্ষয়। মাই কৈছে, তোমালোকৰ আজি ভালকৈ খোৱা নহল, সকলো পাতত পৰি ৰ'ল।

শ্ৰীশ। আমি দুবাৰ খুজিলৈ খাইছো।

বিপিন। পাতত যিখিনি পৰি আছে, সেইয়া তৃতীয় কিস্তি।

শ্ৰীশ। সেইয়া পৰি নেথাকিলে, আমিয়েই পৰি থাকিব লাগিলহেঁতেন।

জগত্তাৰিণী। [অন্ত ফালে চাই] তেনেহলে তোমালোকে তেওঁলোকক বহুৱাই মেলি কথাবতৰা হোৱাহক বাবা, মই আহিছো।

[প্ৰস্থান]

ৰসিক। নহয়, এইটো বৰ অন্যায় হ'ল।

অক্ষয়। কি অন্যায়টো হ'ল?

ৰসিক। মই তেওঁলোকক বাৰে বাৰে কৈ আহিছো যে তেওঁলোকে আজি

আহাৰ কৰিলেই ছুটি পাব। কোনো ৰকমৰ বাধা বন্ধনৰ আশঙ্কা নাই। কিন্তু—

শ্ৰীশ। ইয়াৰ ভিতৰত আৰু কিবা কিছুৰ ৰসিকবাবু? আপুনি ইমান চিন্তিত হৈছে কিয়?

ৰসিক। কয় কি শ্ৰীশবাবু? আপোনালোকক মই কথা দিছো যেতিয়া—

বিপিন। ভালেইতো, এনেয়ে বি মহাবিপদত পেলাইছে।

শ্ৰীশ। মাই যে আমাক আশীৰ্বাদ কৰি গল, আমি যেন তাৰ যোগ্য হ'ব পাৰো।

ৰসিক। নহয়, নহয় শ্ৰীশবাবু। সেইটো কোনো কামৰ কথা নহয়। আপোনালোকে যে বাধ্যত পৰি ভদ্ৰতাৰ খাটিৰত—

বিপিন। ৰসিকবাবু, আমাৰ প্ৰতি অবিচাৰ নকৰিব। বাধ্যত পৰি—

ৰসিক। অৱস্থাৰ তাৰণাত পৰি নহয়নো কি ভাঙৰীয়া, সেইটো কোনোমতেই নহয়। মই বৰং সেই লৰাদুটাক বনমালীৰ হাতৰ পৰা একেবাৰে কুমাৰটুলিৰ পৰা এতিয়াও ঘুৰাই আনিম। তথাপি—

শ্ৰীশ। আপোনাৰ ওচৰত কি অপৰাধ কৰিলো ৰসিকবাবু?

ৰসিক। নহয়, নহয়, কোনো অপৰাধৰ কথা হোৱা নাই। আপোনালোক ভদ্ৰলোক; কৌমাৰ্য্যব্ৰত অবলম্বন কৰিছে, মোৰ অনুৰোধত পৰি উপকাৰ কৰিবলৈ আহি—শেষত—

বিপিন। শেষত নিজৰ উপকাৰ কৰি পেলোৱাটো আপুনি সহ্য কৰিব নোৱাৰিব। ইমান হিতৈষী বন্ধু!

শ্ৰীশ। আমি যিটোক সৌভাগ্য বুলি স্বীকাৰ কৰিছো। আপুনি তাৰ পৰা আমাক বঞ্চিত কৰিবৰ চেষ্টা কৰিছে কিয়?

ৰসিক। পিচত মোক দোষ নিদিব।

বিপিন। নিশ্চয় দিম। যদিহে আপুনি স্থিৰ হৈ শুভকৰ্মত সহায় নকৰে।

ৰসিক। মই এতিয়াও সাবধান কৰি দেছো—

গতং তদ্গাম্ভীৰ্য্যং তটমপি চিতং জালিকশতৈঃ
সখে হংসোত্তিষ্ঠ ত্বৰিতমমুতো গচ্ছ সৰসঃ।

ক'ত সেই গম্ভীৰতা ?　　　সউৰা নদীৰ পাৰ,
আগুৰিলে জালোৱাৰ জালে।
সখি হংস, উঠা উঠা,　　　সময় থাকোতে হেৰা
যোৱা উৰি মানসৰ কালে।

শ্ৰীশ। কোনোমতে নহব। আপোনাৰ সংস্কৃত শ্লোকৰ কৰ্ম্মুটি মাৰিলেও সখা হংসহঁতে কেতিয়াও ইয়াৰ পৰা লৰচৰ নকৰে।

ৰসিক। ঠাইডোখৰ বেয়া অৱশ্যে; লৰচৰ কৰিবৰ উপায় নাই। মইতো অচল হৈ বহি আছো—হায়, হায়—

অয়ি কুৰঙ্গি তপোবনবিভ্ৰমাৎ
উপগতাসি কিৰাতপুৰীমিমাম্।

[ভৃত্যৰ প্ৰবেশ]

ভৃত্য। চন্দ্ৰবাবু আহিছে।

অক্ষয়। ইয়ালৈকে মাতি লৈ আহ।

[ভৃত্যৰ প্ৰস্থান]

ৰসিক। চোৰদুটিক একেবাৰে দাৰোগাৰ হাতত গটাই দিয়া যাওক।

[চন্দ্ৰবাবুৰ প্ৰবেশ)

চন্দ্ৰবাবু। এই যে আপোনালোক আহিছে। পূৰ্ণবাবুকো দেখিছো।

অক্ষয়। মই পূৰ্ণ নহয়, তথাপি হওঁতে অক্ষয়।

চন্দ্ৰবাবু। অক্ষয়বাবু। ভালেই হৈছে। আপোনাৰ লগতো দৰকাৰ আছিল।

অক্ষয়। মোৰ নিচিনা অদৰকাৰী মানুহক যে দৰকাৰত লগাব খুজিছে, সেই কাৰণেই লাগিব পাৰো। কওক, কি কৰিব লাগে।

চন্দ্ৰবাবু। মই ভাবি চাইছো, আমাৰ সভাৰ পৰা কুমাৰ-ব্ৰতৰ নিয়ম উঠাই নিদিলে, সভাখন অত্যন্ত সঙ্কীৰ্ণ হৈ ৰয়। শ্ৰীশবাবুক, বিপিনবাবুক এই কথাষাৰ অলপ ভালকৈ বুজাব লাগিব।

অক্ষয়। বৰ কঠিন কাম। মোৰ দ্বাৰা হবনে নহয় সন্দেহ।

চন্দ্ৰবাবু। এবাৰ এটা মতক ভাল বুলি গ্ৰহণ কৰিছো বুলিয়েই, তাক পৰিত্যাগ কৰাৰ ক্ষমতা দূৰ কৰি দিয়া উচিত নহয়। মততকৈ বিবেচনাশক্তি ডাঙৰ। শ্ৰীশবাবু, বিপিনবাবু—

শ্ৰীশ। আমাক অধিক কোৱা বাহুল্য।

চন্দ্ৰবাবু। কিয় বাহুল্য ? আপোনালোকে বুজিলেও কৰ্ণপাত নকৰিবনে ?

বিপিন। আমি আপোনাৰ মতত্তে—

চন্দ্ৰবাবু। স্বীকাৰ কৰিছো। এসময়ত মোৰ মত ভ্ৰান্ত আছিল। আপোনা-লোকে এতিয়াও সেই মতত্তে—

ৰসিক। অ' পূৰ্ণবাবু আহিছে, আহক, আহক।

[পূৰ্ণৰ প্ৰবেশ]

চন্দ্ৰবাবু। পূৰ্ণবাবু, তোমাৰ প্ৰস্তাৱমতে আমাৰ সভাৰ পৰা কুমাৰ-ব্ৰত উঠাই দিবৰ কাৰণে আজি আমি গোট খাইছো। কিন্তু শ্ৰীশবাবু আৰু বিপিনবাবু অত্যন্ত দৃঢ়প্ৰতিজ্ঞ। এতিয়া তেওঁলোকক বুজাব পাৰিলেই—

ৰসিক। তেওঁলোকক বুজোৱাত মই কোনো ত্ৰুটি কৰা নাই, চন্দ্ৰবাবু।

চন্দ্ৰবাবু। আপোনাৰ নিচিনা কথকীয়েও যদি ফল পোৱা নাই, তেনে হলে—

ৰসিক। ফল বি পাইছো, তা ফলেন পৰীচিয়তে।

চন্দ্ৰবাবু। কি কৈছে ভালকৈ বুজিব পৰা নাই।

অক্ষয়। ৰসিকদা, চন্দ্ৰবাবুক খুব স্পষ্টকৈ বুজাই দিয়া দৰকাৰ। মই এতিয়াই দুটি প্ৰত্যক্ষ প্ৰমাণ আনি উপস্থিত কৰিছো।

শ্ৰীশবাবু। পূৰ্ণবাবু, ভালে আছে নহয় ?

পূৰ্ণ। হয়।

বিপিন। আপোনাক অলপ শুকান যেন দেখিছো।

পূৰ্ণ। নাই, একো নাই।

শ্ৰীশ। আপোনালোকৰ পৰীক্ষালৈ আৰু বেচি দেৰী নাই নহয় ?

পূৰ্ণ। নাই।

[নৃপবালা আৰু নীৰবালাক লৈ অক্ষয়ৰ প্ৰবেশ]

অক্ষয়। (নৃপবালা আৰু নীৰবালাক) এখেত চন্দ্ৰবাবু, এখেত তোমালোকৰ গুৰুজন, এখেতক প্ৰণাম কৰা। [নৃপ আৰু নীৰৰ প্ৰণাম] চন্দ্ৰবাবু, নতুন নিয়মেৰে আপোনালোকৰ সভাৰ এই দুটি সভ্য বাঢ়িল।

চন্দ্ৰবাবু। বৰ সুখী হলো। এওঁলোক কোন ?

অক্ষয়। মোৰ লগত এওঁলোকৰ সম্বন্ধ অতি ঘনিষ্ঠ। এওঁলোক দুটি মোৰ

ফুলপাণী। শ্ৰীশবাবু আৰু বিপিনবাবুৰ লগত এওঁলোকৰ সম্বন্ধ শুভলগনত আৰু যনিষ্ঠতৰ হ'ব। এওঁলোকৰ কালৈ চালেই বুজিব পাৰিব, ৰসিকবাবুৱে যে এই যুৱকছুটিৰ যত পৰিবৰ্ত্তন কৰিলে, সেইটো কেৱল বাগ্মীতাৰ দ্বাৰা হোৱা নাই।

চন্দ্ৰবাবু। বৰ আনন্দৰ কথা।

পূৰ্ণবাবু। শ্ৰীশবাবু বৰ সুখী হ'লো। বিপিনবাবু আপোনালোকৰ বৰ সৌভাগ্য। আশা কৰো অবলাকান্তবাবুও বঞ্চিত হোৱা নাই। তেওঁৰো এটি—

[নিৰ্ম্মলাৰ প্ৰবেশ]

চন্দ্ৰবাবু। নিৰ্ম্মলা, শুনি সুখী হবি যে শ্ৰীশবাবু আৰু বিপিনবাবুৰ লগত এওঁলোকৰ বিয়াৰ সম্বন্ধ স্থিৰ হৈছে। তেতিয়াহলে কুমাৰ-ব্ৰত উঠাই দিয়া সম্পৰ্কে প্ৰস্তাৱ উত্থাপন কৰাই বাহুল্য।

নিৰ্ম্মলা। কিন্তু অবলাকান্তবাবুৰ যত যে লোৱা হোৱা নাই। তেখেত দেখোন ইয়াত নাই।

চন্দ্ৰবাবু। ঠিক কথা। সেই কথা মই পাহৰিয়ে গৈছিলো, তেখেত আজি নাহিল কিয় ?

ৰসিক। কোনো চিন্তা নকৰিব। তেওঁৰ পৰিবৰ্ত্তন দেখিলে আপোনালোক আৰু আচৰিত হ'ব।

অক্ষয়। চন্দ্ৰবাবু, এইবাৰ মোকো দলত লব। সভাখনি যেনেকুৱা লোভনীয় হৈ উঠিছে, এতিয়া মোক আৰু বাধা দি ৰাখিব নোৱাৰিব।

চন্দ্ৰবাবু। আপোনাক পোৱাটো আমাৰ সৌভাগ্য।

অক্ষয়। মোৰ লগে লগে আৰু এটি সভ্যও পাব। আজিৰ সভাত তেওঁক কোনোমতে উপস্থিত কৰাব নোৱাৰিলো। এতিয়া তেওঁ নিজক দুলভ কৰি নিদিয়ে। বিয়াৰবন্ত ভূতপূৰ্ব্ব কুমাৰসভাটিক শাস্ত্ৰমতে পিণ্ডদান কৰি, যদি পাবে তাৰ পিচতহে দেখা দিব। এইবাৰ বাকী থকা সভ্যটি আহিলেই আমাৰ চিৰকুমাৰ সভা সম্পূৰ্ণ সমাপ্ত হয়।

[শৈলবালাৰ প্ৰবেশ]

শৈলবালা। (চন্দ্ৰবাবুক প্ৰণাম কৰি) মোক ক্ষমা কৰিব।

শ্ৰীশ। ইকি, অবলাকান্তবাবু—

অক্ষয়। আপোনালোকে মত পৰিবৰ্ত্তন কৰিছে, আৰু এওঁ মাত্ৰ বেশ পৰিবৰ্ত্তন কৰিছে।

ৰসিক। শৈলজা ভবানীয়ে ইমানদিন কিৰাতবেশ ধাৰণ কৰি আছিল। আজি এওঁ আকৌ তপস্বিনীবেশ গ্ৰহণ কৰিলে।

চন্দ্ৰবাবু। নিৰ্মলা, মই একো বুজিব পৰা নাই।

নিৰ্মলা। অন্যায়, বৰ অন্যায় অবলাকান্তবাবু—

অক্ষয়। নিৰ্মলাদেবীয়ে ঠিকেই কৈছে—অন্যায়। কিন্তু সি বিধাতাৰ অন্যায়। এওঁ হোৱা উচিত আছিল অবলাকান্ত। কিন্তু ভগবানে এওঁক বিধবা শৈলবালা কৰি কি মঙ্গল সাধন কৰিছে, সেই ৰহস্য আমাৰ অগোচৰ।

শৈলবালা। (নিৰ্মলাক) মই অন্যায় কৰিছো, তা সেই অন্যায় প্ৰতিকাৰ মোৰ দ্বাৰা হ'ব জানো? আশা কৰো সময়ত সকলো সংশোধন হ'ব।

পূৰ্ণ। (নিৰ্মলাৰ ওচৰলৈ আহি) এই অৱকাশতে মই আপোনাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। চন্দ্ৰবাবুৰ চিঠিত মই যি স্পৰ্দ্ধা প্ৰকাশ কৰিছিলো সি মোৰ পক্ষে অন্যায় হৈছিল,—মোৰ নিচিনা অযোগ্য—

চন্দ্ৰবাবু। একো অন্যায় হোৱা নাই পূৰ্ণবাবু। আপোনাৰ যোগ্যতা যদি নিৰ্মলাই বুজিব নোৱাৰে, তেনেহলে তাৰ কাৰণ নিৰ্মলাৰ বিবেচনাৰ অভাৱ। [নিৰ্মলাৰ নতমুখে নিৰুত্তৰে প্ৰস্থান]

ৰসিক। (পূৰ্ণক—অন্যফালে চাই) ভয় নাই পূৰ্ণবাবু। আপোনাৰ দৰ্খাস্ত মঞ্জুৰ—প্ৰজাপতিৰ আদালতত ডিক্ৰী পাইছে। কালিলৈ পুৱাতে জাৰি কৰিবলৈ ওলাব।

শ্ৰীশ। (শৈলবালাক) বৰ ফাকি দিছে।

বিপিন। সম্বন্ধ হোৱাৰ পূৰ্ব্বেই পৰিহাস কৰি লৈছে?

শৈলবালা। সেইবুলি পিচত নিষ্কৃতি নেপাব।

বিপিন। নিষ্কৃতি নিবিচাৰো।

ৰসিক। এইবাৰ নাটক শেষ হল। ইয়াতে ভৰতবাক্য উচ্চাৰণ কৰি দিয়া যাওক—

সৰ্ব্বস্তৰতু দুৰ্গাণি সৰ্ব্বো ভদ্ৰাণি পশ্যতু।
সৰ্ব্বঃ কামানবাপ্নোতু সৰ্ব্বঃ সৰ্ব্বত্ৰ নন্দতু॥

চিরকুমার সভার গানগুলি

প্রথম অঙ্ক

(১)

কী জানি কী ভেবেছ মনে
খুলে বলো ললনে।
কী কথা হায় ভেসে যায়,
ওই ছলোছলো নয়নে।

(২)

পাছে চেয়ে বসে আমার মন,
আমি তাই ভয়ে ভয়ে থাকি।
পাছে চোখে চোখে পড়ে বাঁধা,
আমি তাই তো তুলি নি আঁখি।

(৩)

বড়ো থাকি কাছাকাছি
তাই ভয়ে ভয়ে আছি।
নয়ন বচন কোথায় কখন
বাজিলে বাঁচি না-বাঁচি॥

(৪)

না ব'লে যায় পাছে সে
আঁখি মোর ঘুম না জানে।

(৪ খ)

কাছে তার রই, তবুও
ব্যথা যে রয় পরানে।

(৪ গ)

যে পথিক পথের ভুলে
এল মোর প্রাণের কূলে
পাছে তার ভুল ভেঙে যায়,

চলে যায় কোন্ উজানে।
আঁখি মোর ঘুম না জানে।

(৪ খ)

এল যেই এল আমার আগল টুটে,
খোলা দ্বার দিয়ে আবার যাবে ছুটে।
খেয়ালের হাওয়া লেগে
যে খ্যাপা ওঠে জেগে
সে কি আর সেই অবেলায়
মিনতির বাধা মানে।
আঁখি মোর ঘুম না জানে।

(৫)

না, না গো, না,
কোরো না ভাবনা—
যদি বা নিশি যায় যাব না, যাব না।
যখনি চলে যাই,
আসিব ব'লে যাই,
আলোছায়ার পথে করি আনাগোনা।
দোলাতে দোলে মন মিলনে বিরহে,
বারে বারেই জানি তুমি তো চির হে।
ক্ষণিক আড়ালে
বারেক দাঁড়ালে
মরি ভয়ে ভয়ে পাব কি পাব না।

(৬)

দেখব কে তোর কাছে আসে—
তুই রবি একেশ্বরী, একলা আমি রইব পাশে।

(৭)

তুমি আমায় করবে মস্ত লোক—
দেবে লিখে রাজার টিকে প্রসন্ন ঐ চোখ।

(৮)

অভয় দাও তো বলি আমার wish কী—
একটি ছটাক সোডার জলে পাকি তিন পোয়া হুইস্কি।

(৯)

কত কাল রবে বলো ভারত রে,
শুধু ডাল ভাত জল পথ্য করে।
দেশে অন্নজলের হল ঘোর অনটন—
ধরো হুইস্কি-সোডা আর মুর্গি মটন।
যাও ঠাকুর, চৈতনচুট্‌কি নিয়া—
এসো দাড়ি নাড়ি কলিমদ্দি মিঞা॥

(১০)

আমি কেবল ফুল জোগাব
তোমার দুটি রাঙা হাতে,
বুদ্ধি আমার খেলে নাকো
পাহারা বা মন্ত্রণাতে।

(১১)

চির-পুরানো চাঁদ,
চিরদিবস এমনি থাকো
আমার এই সাধ।
পুরানো হাসি পুরানো সুধা
মিটায় মম পুরানো ক্ষুধা,—
নূতন কোনো চকোর যেন পায় না পরসাদ।

(১২)

পোড়া মনে শুধু পোড়া মুখখানি জাগে রে।
এত আছে লোক, তবু পোড়া চোখে
আর কেহ নাহি লাগে রে।

(১৩)

যারে মরণ-দশায় ধরে
সে যে শতবার ক'রে মরে।

পোড়া পতঙ্গ যত পোড়ে তত
আগুনে ঝাঁপিয়ে পড়ে।

(১৪)

সকলি ভুলেছে ভোলা মন,
ভোলে নি, ভোলে নি শুধু ঐ চন্দ্রানন।

(১৫)

স্বর্গে তোমায় নিয়ে যাবে উড়িয়ে—
পিছে পিছে আমি চলব খুঁড়িয়ে,
ইচ্ছা হবে টিকির ডগা ধ'রে
বিষ্ণুদূতের মাথাটা দিই গুঁড়িয়ে।

(১৬)

কার হাতে যে ধরা দেব প্রাণ
তাই ভাবতে বেলা অবসান।
ডান দিকেতে তাকাই যখন
বাঁয়ের লাগি কাঁদে যে মন—
বাঁয়ের লাগি ফিরলে তখন
দক্ষিণেতে পড়ে টান।

* * *

বিরহযামিনী কেমনে যাপিবে,
বিচ্ছেদতাপে যখন তাপিবে,
এপাশ ওপাশ বিছানা মাপিবে,
মকরকেতনে কেবলি শাপিবে—

(১৭)

তুমি জান আমার গাছে ফল কেন না ফলে—
যেমনি ফুলটি ফুটে ওঠে আনি চরণতলে।

(১৮)

জয়যাত্রায় যাও গো, ওঠো জয়রথে তব।
মোরা জয়মালা গেঁথে আশা চেয়ে বসে রব॥

আঁচল বিছায়ে রাখি
পথধূলা দিব ঢাকি,
ফিরে এলে হে বিজয়ী,
হৃদয়ে বরিয়া লব ॥

* * *

আঁকিয়ো হাসির রেখা
সজল আঁখির কোণে,
নববসন্তশোভা
এনো এ কুঞ্জবনে।
সোনার প্রদীপ জ্বালো
আঁধার ঘরের আলো,
পরাও রাতের ভালে
চাঁদের তিলক নব ॥

দ্বিতীয় অঙ্ক

(১৯)

ওগো, তোরা কে যাবি পারে।
আমি তরী নিয়ে বসে আছি নদী-কিনারে।
ও পারেতে উপবনে
কত খেলা কত জনে,
এ পারেতে ধূ ধূ মরু বারি বিনা রে।
এইবেলা বেলা আছে, আয় কে যাবি।
মিছে কেন কাটে কাল কত কী ভাবি।
সূর্য পাটে যাবে নেমে, সুবাতাস যাবে থেমে,
খেয়া বন্ধ হয়ে যাবে
সন্ধ্যা-আঁধারে।

তৃতীয় অঙ্ক

(২০)

যেতে দাও গেল যারা।
তুমি যেয়ো না, যেয়ো না—
আমার, বাদলের গান হয় নি সারা।
কুটিরে কুটিরে বন্ধ দ্বার,
নিভৃত রজনী অন্ধকার,
বনের অঞ্চল কাঁপে চঞ্চল—
অধীর সমীর তন্দ্রাহারা।

(২১)

ওগো দয়াময়ী চোর! এত দয়া মনে তোর!
বড়ো দয়া করে কণ্ঠে আমার জড়াও মায়ার ডোর!
বড়ো দয়া করে চুরি করে লও শূন্য হৃদয় মোর।

(২২)

চলেছে ছুটিয়া পলাতকা হিয়া,
বেগে বহে শিরা ধমনী।
হায় হায় হায় ধরিবারে তায়
পিছে পিছে ধায় রমণী।
বায়ুবেগভরে উড়ে অঞ্চল,
লটপট বেণী দুলে চঞ্চল—
এ কী রে রঙ্গ, আকুল-অঙ্গ,
ছুটে কুরঙ্গগমনী।

(২৩)

মনোমন্দিরসুন্দরী।
স্খলদঞ্চলা   চলচঞ্চলা
অয়ি মঞ্জুলা মঞ্জরী।
রোষারুণরাগরঞ্জিতা
গোপনহাস্য   -কুটিল-আস্য-
কপটকলহগঞ্জিতা।

সংকোচনত-অঙ্গিনী।
চকিতচপল- নবকুরঙ্গ-
যৌবনবনরঙ্গিনী।
অয়ি খলছলগুণ্ঠিতা।
লুব্ধ-পবন -ক্ষুব্ধ লোভন
মল্লিকা অবলুণ্ঠিতা।
চুম্বনধনবঞ্চিনী।
রুদ্ধ-কোরক- সঞ্চিত-মধু-
কঠিনকনককঞ্জিনী।

(২৪)

ও আমার ধ্যানেরি ধন,
তোমায় হৃদয়ে দোলায় যে হাসি রোদন।
আসে বসন্ত, ফোটে বকুল,
কুঞ্জে পূর্ণিমা-চাঁদ হেসে আকুল—
তারা তোমায় খুঁজে না পায়,
প্রাণের মাঝে আছ গোপন স্বপন।

(২৪ খ)

আঁখিরে ফাঁকি দাও একি ধারা—
অশ্রুজলে তারে কর সারা।
গন্ধ আসে, কেন দেখি নে মালা।
পায়ের ধ্বনি শুনি, পথ নিরালা।
বেলা যে যায়, ফুল যে শুকায়—
অনাথ হয়ে আছে আমার ভুবন।

(২৫)

দিন গেল রে, ডাক দিয়ে নে পারের খেয়া—
চুকিয়ে হিসেব মিটিয়ে দে তোর দেয়া-নেয়া।

(২৬)

জ্বলে নি আলো অন্ধকারে,
দাও না সাড়া কি তাই বারে বারে।

তোমার বাঁশি আমার বাজে বুকে
কঠিন দুখে, গভীর সুখে—
যে জানে না পথ কাঁদাও তারে।
চেয়ে রই রাতের আকাশ-পানে,
মন যে কী চায় তা মনই জানে!
আশা জাগে কেন অকারণে
আমার মনে ক্ষণে ক্ষণে—
ব্যথার টানে তোমায় আনবে দ্বারে।

(২৭)

নিশি না পোহাতে জীবনপ্রদীপ
জ্বালাইয়া যাও প্রিয়া,
তোমার অনল দিয়া।
কবে যাবে তুমি সমুখের পথে
দীপ্ত শিখাটি বাহি
আছি তাই পথ চাহি।
পুড়িবে বলিয়া রয়েছে আশায়
আমার নীরব হিয়া
আপন আঁধার নিয়া।
নিশি না পোহাতে জীবনপ্রদীপ
জ্বালাইয়া যাও প্রিয়া।

(২৮)

ওরে সাবধানী পথিক, বারেক
পথ ভুলে মর্ ফিরে।
খোলা আঁখি দুটো অন্ধ করে দে
আকুল আঁখির নীরে।
সে ভোলা পথের প্রান্তে রয়েছে
হারানো হিয়ার কুঞ্জ—
ঝরে পড়ে আছে কাঁটা তরু-তলে
রক্তকুসুমপুঞ্জ,

সেথা দুই বেলা ভাঙা-গড়া খেলা
অকূলসিন্ধুতীরে।
ওরে সাবধানী পথিক, বারেক
পথ ভুলে মর্ ফিরে।

(২৯)

আসে তো আসুক রাতি,
আসুক বা দিবা,
যায় যদি যাক নিরবধি।
তাহাদের যাতায়াতে আসে যায় কিবা
প্রিয় মোর নাহি আসে যদি।

চতুর্থ অঙ্ক

(৩০)

তরী আমার হঠাৎ ডুবে যায়
কোন্ পাথারে কোন পাষাণের ঘায়।
নবীন তরী নতুন চলে,
দিই নি পাড়ি অগাধ জলে,
বাহি তারে খেলার ছলে কিনার-কিনারায়।
তরী আমার হঠাৎ ডুবে যায়।
ভেসেছিল স্রোতের ভরে,
একা ছিলেম কর্ণ ধ'রে—
লেগেছিল পালের 'পরে মধুর মৃদু বায়।
সুখে ছিলেম আপন মনে,
মেঘ ছিল না গগনকোণে—
লাগবে তরী কুসুমবনে ছিলেম সে আশায়।
তরী আমার হঠাৎ ডুবে যায়।

পঞ্চম অঙ্ক

(৩১)

বিরহে মরিব ব'লে ছিল মনে পণ—
কে তোরা বাহুতে বাঁধি করিলি বারণ।
ভেবেছিনু অশ্রুজলে ডুবিব অকূল-তলে
কাহার সোনার তরী করিল তারণ।

(৩২)

তোমায় চেয়ে আছি বসে পথের ধারে সুন্দর হে।
জমল ধুলা প্রাণের বীণার তারে তারে সুন্দর হে।
নাই যে কুসুম, মালা গাঁথব কিসে।
কান্নারই গান বীণায় এনেছি সে,
দূর হতে তাই শুনতে পাবে অন্ধকারে সুন্দর হে।
দিনের পরে দিন কেটে যায় সুন্দর হে।
মরে হৃদয় কোন্ পিপাসায় সুন্দর হে।
শূন্য ঘাটে আমি কী যে করি,
রঙিন পালে কবে আসবে তরী—
পাড়ি দেব কবে সুধারসের পারাবারে সুন্দর হে।

(৩৩)

অলকে কুসুম না দিয়ো,
শুধু শিথিল কবরী বাঁধিয়ো।
কাজলবিহীন সজল নয়নে
হৃদয়দুয়ারে ঘা দিয়ো।
আকুল আঁচলে পথিকচরণে
মরণের ফাঁদ ফাঁদিয়ো।
না করিয়া বাদ মনে যাহা সাধ
নিদয়া নিবরে সাধিয়ো।

(৩৪)

কেন সারা দিন ধীরে ধীরে
বালু নিয়ে শুধু খেল তীরে।
চলে যায় বেলা, রেখে মিছে খেলা
ঝাঁপ দিয়ে পড়ো কালো নীরে।
অকূল ছানিয়ে যা পাস তা নিয়ে
হেসে কেঁদে চলো ঘরে ফিরে।

(৩৫)

নাহি জানি মনে কী বাসিয়া
পথে বসে আছে কে আসিয়া।
যে ফুলের বাসে অলস বাতাসে
হৃদয় দিতেছে উদাসিয়া
যেতে হয় যদি চলো নিরবধি
সেই ফুলবন তলাশিয়া।

(৩৬)

সখা, কী মোর করমে লেখি—
তাপন বলিয়া তপনে ডরিনু,
চাঁদের কিরণ দেখি।

(৩৭)

ভুলে ভুলে আজ ভুলময়।
ভুলের লতায় বাতাসের ভুলে
ফুলে ফুলে হোক ফুলময়।
আনন্দ-ঢেউ ভুলের সাগরে উছলিয়া হোক ভুলময়।